# এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

## প্ৰথম বছৰ ঃঃ ঋতুৰাণী সংখ্যা

**সংকলন**

পংকজ কুমাৰ নেওগ
শৰৎ বৰকাকতি

**সম্পাদনা**

**মদন চন্দ্ৰ ডেকা**

***EJAK PRAKTON COTTONIANOR KALARAV :*** A souvenir of the 1975-77 batch of Cottonians edited by Shri Madan Chandra Deka

প্ৰকাশক ঃ  ১৯৭৫-৭৭ বৰ্ষৰ প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানসকল

প্ৰকাশ কাল ঃ অক্টোবৰ, ২০২০

গ্ৰন্থস্বত্ব ঃ প্ৰকাশক

মূল্য ঃ ৩০০.০০ টকা

বেটুপাত ঃ ৰঞ্জনা দত্ত

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্ছ, নুনমাটি, গুৱাহাটী -২০

# সূচীপত্ৰ


- সম্পাদকীয় ৯
- আমাৰ কটন (সমবেত সংগীত) ✍ শৰৎ বৰকাকতি ১৩

**সাহিত্য-সংস্কৃতিৰ মণি-মুকুতা বুটলি**

- নীলাচলৰ দেৱী মা কামাখ্যা আৰু অম্বুবাচী ✍ কৃষ্ণা শৰ্মা ১৫
- নৱপত্ৰিকা ঃ দেৱী দুৰ্গাৰ উদ্ভিদ-প্ৰতীক ✍ মীনাক্ষি ৰায় ডাকুৱা ১৯
- কামাখ্যা মন্দিৰ আৰু অম্বুবাচী মেলা ✍ তপোধন দাস ২৫
- ৰমজান, ৰোজা, যাকাত ইত্যাদি ✍ ফাইজুৰ ৰহমান ৭৩
- চণ্ডী ✍ মীনাক্ষি ৰায় ডাকুৱা ১৩৭
- মহাভাৰতৰ কিছু জনা-অজানা কাহিনী ✍ পংকজ কুমাৰ নেওগ ১৪০
- ঈদুল আজহা, কোৰবাণী আৰু ইয়াৰ তাৎপৰ্য ✍ ফাইজুৰ ৰহমান ১৪৩
- ‘মালিক চাহাবৰ গাজা আৰু মজা’ৰ আঁত ধৰি ✍ পংকজ কুমাৰ বৰুৱা ১৮০

**নিৰ্বাচিত ৰচনা**

- ‘অকণিৰ মেল’লৈ যোৱা দিনবোৰ ✍ পংকজ কুমাৰ নেওগ ২৭

**বন্ধুত্বৰ এনাজৰী**

- বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম সমীপেষু ✍ পঙ্কজ কুমাৰ বৰুৱা ৩৩
- In Memory of Pranab Saikia (Raj) ✍ Bipul Chandra Khataniar ৩৫
- অজিত কুমাৰ দাসৰ স্মৃতিত ✍ মদন চন্দ্ৰ ডেকা ৩৭
- স্মৃতিচাৰণ ✍ কৃষ্ণা শৰ্মা ৩৮
- অপৰ্ণাৰ সোঁৱৰণত ✍ ৰুমিমা দাস ৪০
- দ্বীপেনক লগ পোৱা মুহূৰ্তবোৰ ✍ ফাইজুৰ ৰহমান ৪১
- মোৰ সুহৃদ ইক্ৰাম ✍ বিৰাজ জ্যোতি গোস্বামী ৪২
- অৰূপৰ সোঁৱৰণত ✍ আৰতি দাস ৪৩
- সুৰজিতৰ স্মৃতিত ✍ কস্তুৰী নিভা গগৈ ৪৪

- নীলকান্ত ডেকা ✍ সুৰথ পাঠক ৪৪
- দ্বীপেনৰ সোঁৱৰণত ✍ তপোধন দাস ৪৬
- এপিটাফ ✍ অগস্ত্য বৰুৱা ৪৭
- সোঁৱৰণি ✍ ৰাতুল বৰুৱা ৪৭
- In memory of Malabika Phukan ✍ Arunabha Bhuyan ৪৮
- বহুত মনত পৰে ✍ কঙ্কন শৰ্মা ৪৯
- শিশু ৰাম ডেকাৰ সোঁৱৰণত ✍ মদন চন্দ্ৰ ডেকা ৫০
- প্ৰিয় বন্ধু দ্বীপেন বৰুৱাৰ স্মৃতিত ✍ পৱন কুমাৰ চহৰীয়া ৫১
- নীলকান্তলৈ ✍ ৰঞ্জনা (কাকতি) দত্ত ৫৩
- সুৰজিত বৰালৈ মনত পৰে ✍ তিলক বৰা ৫৪
- দ্বীপেন বৰুৱাৰ সোঁৱৰণত ✍ কৃষ্ণা শৰ্মা ৫৭
- সোঁৱৰণী (সুৰজিত বৰা আৰু সমীৰ বৰুৱা) ✍ ভূপেন বৰা ৫৭

**গল্প**

- গুৱাহাটীত এদিন মেট্ৰো ৰে'লত... ✍ বিপুল চন্দ্ৰ খাটনিয়াৰ ৫৯
- কোনে চিকুটিলে? ✍ শৰৎ বৰকাকতি ৬০
- এটি নিশাৰ কাহিনী....!!!! ✍ পংকজ কুমাৰ নেওগ ৬২
- হাঁহিৰ বেদনা ✍ কঙ্কন শৰ্মা ৬৫
- ভূত আংকল ✍ ৰঞ্জনা দত্ত ৬৭
- জীৱনে শিকোৱা গান ✍ শৰৎ বৰকাকতি ২২৩
- এনেকুৱাও ঘটে ✍ পংকজ কুমাৰ নেওগ ২২৫

**আত্মদৃষ্টি**

- অতিলৌকিক ✍ বিৰাজ জ্যোতি গোস্বামী ৭০
- প্ৰত্যাহ্বান আৰু জীৱন ✍ জগদীশ চন্দ্ৰ বসুমতাৰী ৭০
- Smile, the ultimate goal ✍ Dilip Sarma ১৩৯

**কৃষ্টি-সংস্কৃতিৰ পথাৰত**

- মোৰ ক্ষেত্ৰত এনে হৈছিল ....... ✍ সুৰথ পাঠক ২০৯
- Baby Showering ✍ কস্তুৰী নিভা গগৈ ৭৬

## জীৱনৰ বিশিষ্ট অভিজ্ঞতা


- জীৱন বাটৰ মানুহৰ কথাৰে ✍ কৃষ্ণা শৰ্মা ৭৭
- মেঘমল্লাৰ মেঘমল্লাৰ (সপোনৰ আপোন ঘৰ) ✍ কস্তুৰী নিভা গগৈ ২৫৬
- প্ৰিচিডেন্স্ ✍ পংকজ কুমাৰ নেওগ ২৫৭


## পত্ৰালাপ


- সাত সাগৰ তেৰ নদীৰ সিপাৰে থকা মিতুলৈ দুযাৰমান ✍ ফাইজুৰ ৰহমান ৮০
- বিজয় কুমাৰ চৌধুৰীলৈ ✍ মদন চন্দ্ৰ ডেকা ৮১
- সিদ্ধেশ্বৰ বাৰ্মালৈ চিঠি ✍ জোনা মহন্ত ৮২
- জোনা মহন্তলৈ চিঠি ✍ পংকজ কুমাৰ নেওগ ৮৩
- জয়ন্ত শৰ্মালৈ চিঠি ✍ কস্তুৰী নিভা গগৈ ৮৪
- প্ৰমোদ শইকীয়ালৈ চিঠি ✍ মদন চন্দ্ৰ ডেকা ৮৫
- উপেন ব্ৰহ্মালৈ চিঠি ✍ কঙ্কন শৰ্মা ৮৭
- শ্ৰীমতী দীপা বৰুৱালৈ মুকলি চিঠি ✍ কস্তুৰী নিভা গগৈ ৮৮
- ইক্ৰাম হুছেইনলৈ চিঠি ✍ মদন চন্দ্ৰ ডেকা ৯০
- ভৱেশ হালৈলৈ চিঠি ✍ কঙ্কন শৰ্মা ৯১
- কংকন শৰ্মালৈ চিঠি ✍ ভবেশ চন্দ্ৰ হালৈ ৯২
- কেনেথ দৈমাৰীলৈ চিঠি ✍ মদন চন্দ্ৰ ডেকা ৯৩
- পঙ্কজ কুমাৰ নেওগলৈ চিঠি ✍ মদন চন্দ্ৰ ডেকা ৯৪
- মদন চন্দ্ৰ ডেকালৈ চিঠি ✍ পংকজ কুমাৰ নেওগ ৯৫


## চিন্তনীয়


- প্লাষ্টিক আৰু প্ৰদূষণ ✍ কৃষ্ণা শৰ্মা ৯৭


## শৈশৱৰ স্মৃতি


- শৈশৱৰ স্মৃতি ✍ সন্ধ্যা বৰুৱা ১০০
- শৈশৱৰ স্মৃতি ✍ ৰঞ্জনা দত্ত ১০১
- শৈশৱৰ এপৃষ্ঠা ✍ কস্তুৰী নিভা গগৈ ১০৩
- ধুবুৰী চহৰত মোৰ শৈশৱ ✍ পংকজ কুমাৰ নেওগ ১০৪

## তস্মৈ শ্ৰীগুৰৱে নমঃ


- প্ৰথম শিক্ষাগুৰু ✍ বিপুল চন্দ্ৰ খাটনিয়াৰ ১০৮
- মোৰ জীৱনৰ প্ৰথম শিক্ষাগুৰু পৰম শ্ৰদ্ধাৰ প্ৰয়াত কুন্তী বালা বিষয়া বাইদেউ ✍ কৃষ্ণা শৰ্মা ১০৯
- মোৰ সংস্কৃত শিক্ষাগুৰু ✍ পংকজ কুমাৰ নেওগ ১১০
- গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণু .... ✍ মদন চন্দ্ৰ ডেকা ১১১

**অণুগল্প**

- দেউতাৰ পুথিভঁৰাল ✍ অমল শইকীয়া ১৮
- হাৰমনিয়াম ✍ হৰ কুমাৰ দাস ৬৯
- আৰোগ্য ✍ পংকজ কুমাৰ নেওগ ১১৩
- দুষ্টামি ✍ মদন চন্দ্ৰ ডেকা ১১৪
- লাখুটি ✍ অমল শইকীয়া ১৬৪

**এশৰাই কবিতা** ১১৫-১৩৬

কৃষ্ণা শৰ্মা, জোনা মহন্ত, তপোধন দাস, পংকজ কুমাৰ নেওগ, ৰঞ্জনা দত্ত, অগস্ত্য বৰুৱা, শৰৎ বৰকাকতি, মদন চন্দ্ৰ ডেকা, পূৰ্ণেন্দু শৰ্মা, কঙ্কন শৰ্মা, অমল শইকীয়া, মীনাক্ষি ৰায় ডাকুৱা, ৰুমিমা দাস, কস্তুৰী নিভা গগৈ, ৰত্ন কান্ত শৰ্মা, ছাহ আলম, বিৰাজ জ্যোতি গোস্বামী

**ইংৰাজী শিশু কবিতাৰ ভাবানুবাদ**

- মৰমৰ মেকুৰীজনী মোৰ ✍ পংকজ কুমাৰ নেওগ ১৪৬
- ভদাইৰ ৰঙালাও খেতি ✍ পংকজ কুমাৰ নেওগ ১৪৬

**বিপুল চন্দ্ৰ খাটনিয়াৰৰ শিতান**

- সাজি কোৱা নাই ১৪৭

**ভ্ৰমণৰ অভিজ্ঞতা**

- ছিডনীৰ সমুদ্ৰৰ বুকুত Whale watching ✍ কস্তুৰী নিভা গগৈ ১৫১
- কিছু অভিজ্ঞতা ✍ শ্ৰুতিধৰা চক্ৰৱৰ্তী ১৫২
- পণ্ডিচেৰীলৈ ফুৰিবলৈ গৈছিলোঁ ✍ মীনাক্ষি ৰায় ডাকুৱা ১৫৩
- ভেনিজুৱেলালৈ গৈছিলোঁ ✍ পংকজ কুমাৰ নেওগ ১৫৮

**মদন চন্দ্ৰ ডেকাৰ শিতান**


- স্নেপশ্বট ১৬৫


**লকডাউনৰ অভিজ্ঞতা**


- লকডাউনৰ সমস্যা ✍ বিৰাজ জ্যোতি গোস্বামী ১৬৯
- দুঃসময়ৰ অতিচাৰ ✍ তপোধন দাস ১৭০
- লকডাউনত চিকিৎসা জীৱনৰ জীয়া অভিজ্ঞতা ✍ অমল শইকীয়া ১৭১
- লকডাউন ✍ সুৰথ পাঠক ১৭৩
- নিষ্ঠুৰ বাস্তৱ ✍ কৃষ্ণা শৰ্মা ১৭৩
- লকডাউনত কিবা হেৰুৱালোঁ নেকি? ✍ মদন চন্দ্ৰ ডেকা ১৭৫


**ওমানৰ সাধুকথা**


- বিবাহ ইচ্ছুক এজোপা গছৰ কাহিনী ✍ পংকজ কুমাৰ নেওগ ১৭৭


**স্মৃতি ৰোমন্থন**


- স্মৃতি ৰোমন্থন ✍ ফাইজুৰ ৰহমান ১৮১
- ভূপেন দাঃ মোৰ শৈশৱ ইত্যাদি ✍ কস্তুৰী নিভা গগৈ ১৮৩
- সৰুপেটাৰ সৰু সৰু কথা ✍ বিপুল চন্দ্ৰ খাটনিয়াৰ ১৮৬
- প্ৰমোদ ভ্ৰমণ ✍ তপোধন দাস ১৮৮
- সহযাত্ৰী ✍ কঙ্কন শৰ্মা ১৯১
- উত্তৰ-পূৰ্বৰ কুম্ভমেলাত ✍ ৰঞ্জনা দত্ত ১৯২
- চিনী-হিন্দী-ওমানী ভাই ভাই ✍ পংকজ কুমাৰ নেওগ ১৯৬
- CMCH Vellore ঃঃ বীৰাপ্পান... ✍ মানস কুমাৰ গোস্বামী ২০০
- অভিজ্ঞতা ✍ কবিতা ভূঞা ২০১
- পুৰীৰ জগন্নাথ দৰ্শন ✍ কৃষ্ণা শৰ্মা ২০১
- মায়া নগৰী মুম্বাইৰ স্মৃতি ✍ দীক্ষা শৰ্মা ২০২
- এটা মজাৰ কথা ✍ শ্ৰুতিধৰা চক্ৰৱতী ২০২
- No. 4 AFSB ✍ মানস কুমাৰ গোস্বামী ২০৩
- অতীতৰ পম খেদি ✍ ছাহ আলম ২০৪
- এণ্টিক্লাইমেক্স ✍ শৰৎ বৰকাকতি ২১০
- এটা টেলিফোন টাৱাৰৰ কাহিনী ✍ পংকজ কুমাৰ নেওগ ২১২
- এটি অভিশপ্ত সন্ধিয়া ✍ ছাহ আলম ২১৬

## কিছু মিঠা ঃ কিছু তিতা


- মোৰ জীৱনৰ ভাইটি বিভ্ৰাট ✍ ফাইজুৰ ৰহমান ২১৭
- এটি নিশাৰ কথা ✍ কস্তুৰী নিভা গগৈ ২২১
- ডুখৰীয়া ছবি ✍ সুৰথ পাঠক ২৫০


## দিগ্‌গজৰ স্মৃতিত


- ৰাভা দিৱসৰ অনুভৱ ✍ কৃষ্ণা শৰ্মা ২২৮
- ভূপেন হাজৰিকাৰ সান্নিধ্যৰ সোঁৱৰণ ✍ পঙ্কজ কুমাৰ বৰুৱা ২২৯
- আমাৰ তাৰৈদেউতা মহিম বৰা ডাঙৰীয়া ✍ কস্তুৰী নিভা গগৈ ২৩১
- নটসূৰ্য ফণী শৰ্মাৰ স্মৃতিত ✍ কৃষ্ণা শৰ্মা ২৩২
- অৰ্চনা মহন্তৰ মৃত্যুত ✍ শৰৎ বৰকাকতি ২৩৫
- অসমৰ এজন টেনিছ তাৰকা আৰু চিকিৎসকক স্মৰণ ✍ কৃষ্ণা শৰ্মা ২৩৬


## লঘু ৰচনা


- মোৰ ক্ষেত্ৰত এনে হৈছিল ✍ সুৰথ পাঠক ৭৫
- কৰ'নাৰ কৰুণা ✍ অমল শইকীয়া ১৬৮
- য'তে বাঘৰ ভয় ত'তে ৰাতি হয়... ! ✍ জগদীশ চন্দ্ৰ বসুমতাৰী ১৭৬
- বাৰিষাৰ বুদ্ধি ✍ শৰৎ বৰকাকতি ২৪০


## অনুবাদ কবিতা


- মই আৰু আই ✍ পংকজ কুমাৰ নেওগ ২৩৮


## সুকীয়া উপলব্ধি


- বহাগ বিহুৰ কিছু অনুভৱ... ✍ কৃষ্ণা শৰ্মা ২৪১
- বন্ধু ঃ মোৰ জীৱন মোৰ ধাৰণাত ✍ বিৰাজ জ্যোতি গোস্বামী ২৪৩
- Build Attitude ✍ শৰৎ বৰকাকতি ২৪৬
- আশা ✍ ৰঞ্জনা দত্ত ২৪৯

**থলুৱা অবাইচ মাতৰ ওপৰত ডক্টৰেট ডিগ্ৰী লোৱা সম্পৰ্কে বিতৰ্ক** ২৫১-২৫৫

বিপুল চন্দ্ৰ খাটনিয়াৰ, মদন চন্দ্ৰ ডেকা, সুৰথ পাঠক, অগস্ত্য বৰুৱা, চিদানন্দ ভূএঁঞা, তপোধন দাস, শান্তনু কুমাৰ বৈশ্য, পবন কুমাৰ চহৰীয়া, শোণিত নেওগ, কৃষ্ণা শৰ্মা, ৰাতুল বৰুৱা, উৎপল ৰঞ্জন দাস

# সম্পাদকীয়



**আহিনমহীয়া শেৱালি ফুলিলে নিয়ৰত তিতিলে বন...**

ঋতু পৰিৱৰ্তন এক সনাতন পৰিঘটনা। গ্ৰীষ্মৰ পিছত বৰ্ষা, তাৰ পিছত শৰৎ-হেমন্ত। পৃথিৱীৰ অসুখ হ'ব পাৰে, সীমান্তত যুদ্ধৰ আখৰা চলিব পাৰে, সমাজত বা ব্যক্তিজীৱনত ঘূণে ধৰিব পাৰে। তত্ৰাচ ঋতু পৰিৱৰ্তন হ'বই। কৰ'না সৃষ্ট পৰিৱেশৰ বাবে ন্যূনতম হ'লেও প্ৰদূষণৰ মাত্ৰা হ্ৰাস হোৱাত এইবাৰ প্ৰকৃতি যেন ন-ৰূপত জিলিকি উঠিছে। পৃথিৱীখন অধিক সেউজীয়া হৈছে, ফুলে-ফলে জাতিষ্কাৰ হৈছে, পুৱাৰ পৰা সন্ধিয়ালৈ চৰাইৰ কাকলিৰে মুখৰ হৈ আছে। আৰু প্ৰকৃতিৰ এই সমৃদ্ধ ৰূপ প্ৰত্যক্ষ কৰিবলৈ আমি ক'লৈকো যাব পৰা নাই। অত্যাৱশ্যকীয় সেৱাত জড়িত সহপাঠীসকল ব্যতিৰেকে আন সকলো কোভিড প্ৰটক'ল মানি ঘৰতে বন্দী হৈ আছোঁ। তথাপি ঋতু পৰিৱৰ্তনৰ স্পৰ্শ অনুভৱ কৰিছোঁ। দুই এদিন হ'লেও গ্ৰীষ্মৰ তাপত দহিছোঁ, 'বৰষা ঋতু ভাল পাওঁ বুলি' গুণগুণাইছোঁ। আকাশ ক্ৰমান্বয়ে নীলা হৈ আহিছে, তাত শুকুলা ডাৱৰে খেলা কৰিছে, কঁহুৱা হালি-জালি নাচিছে, শেৱালি ফুলৰ সুবাসে ৰাতিপুৱাবোৰ ভৰুণ কৰি তুলিছে।... এতিয়া মাথোঁ এটাই প্ৰশ্ন - "আহিনক কোনে আনে..."

**চিত পখিলা তিনি মূৰ দহ ঠেং ক'ত দেখিলা...**

এটা সময় আছিল বহাগত ন-পানী বঢ়াৰ লগে লগে পথাৰৰ কোমল মাটি এচহ-দুচহ হাল বাই থোৱা হৈছিল- সেই চহোৱা মাটি নদীৰ ঢলে কঢ়িয়াই অনা পলসে উৰ্বৰ কৰি তুলিছিল-বহাগ বা জেঠ মাহত সিঁচা কঠীয়াৰে আহাৰমহীয়া ন-ভূঁই ৰোৱা (গোছ লোৱা) হৈছিল-ভাদ মাহত খেতি সামৰি নাঙল ধোৱা হৈছিল। আৰু এই সমস্ত কাম গৰু-ম'হৰ হালেৰে কৰা হৈছিল। এতিয়া পাৱাৰ টিলাৰ আহিল একেদিনাই বহল পথাৰ এখন চহাব পৰা হ'ল-খৰখেদা নকৰি আহাৰৰ শেষত বা শাওণ মাহত মাটি কেইডৰা এসপ্তাহ দুসপ্তাহতে ৰুই শেষ কৰিব পৰা হ'ল। খেতিয়কজন কৃষি কাৰ্যৰ লগতে কৃষি সম্পৰ্কীয় বা অন্য কামৰ লগত জড়িত হ'ব পৰা হ'ল, গ্ৰাম্য অৰ্থনীতি সবল কৰিব পৰা হ'ল। হেৰাই গ'ল বাৰিষাৰ কোমল নিৰ্যাস।

**বানপানী-খহনীয়া ঃ ৰাষ্ট্ৰীয় দুৰ্যোগ**

বানপানীক আমি বছৰেকীয়া উৎসৱ বুলি কওঁ। প্ৰতি বছৰে বানপানী হ'বই— চাৰি-পাঁচবাৰ বানপানী হৈ শইচৰ লগতে ঘৰ-বাৰী ধ্বংস কৰিবই। বানপানীৰ লগতে এতিয়া ভয়ানক সমস্যা হিচাপে দেখা দিছে গড়া খহনীয়াই। খহনীয়াৰ কৰাল গ্ৰাসত পৰি উচ্ছন্ন হৈছে গাঁও-ভূঁই। আৰু সমান্তৰালভাৱে উত্থাপিত হৈছে গড়া খহনীয়াক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা কৰাৰ দাবী। বানপানীক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা কৰাৰ দাবীতো বহুদিনীয়া পুৰণি। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল- সাম্প্ৰতিক কালত

আমাৰ ৰাজ্যখনৰ লগতে দেশৰ অন্যান্য প্ৰান্ততো বানপানীৰ প্ৰাৱল্য বঢ়া পৰিলক্ষিত হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পুঁজি (State Disaster Response Fund) ৰ শিতানত ৰাজ্যসমূহত প্ৰতি বছৰে কেবাশ কোটি টকাৰ বাজেট ধাৰ্য কৰা হয়। সেই ধনেৰে বানপানীকে ধৰি ৰাজ্যৰ সকলো ধৰণৰ দুৰ্যোগৰ জোৰা মৰা হয়। কেতিয়াবা এই পুঁজি কম পৰিলেহে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনাৰ পুঁজিৰ পৰা কেন্দ্ৰীয় চৰকাৰে ধন মোকলাই দিয়ে। অন্যহাতেদি গড়া খহনীয়াক আমাৰ ৰাজ্যখনৰ বিশেষ দুৰ্যোগ হিচাপে স্বীকৃতি দিয়া হৈছে আৰু সেই অনুসাৰে সাহায্যৰ/পুনৰ্সংস্থাপনৰ ব্যৱস্থা কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। মূল কথাটো হ'ল গড়া খহনীয়া ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ।

**অতিমাৰী কৰ'না ঃ প্ৰব্ৰজিত শ্ৰমিকৰ সমস্যা**

ফেব্ৰুৱাৰি মাহত এজন দুজন লোকৰ শৰীৰত ধৰা পৰা কৰ'না ভাইৰাছৰ সংক্ৰমণ অতি সম্প্ৰতি দেশত দৈনিক নব্বৈ হাজাৰৰ ওপৰৰ লোকৰ শৰীৰত ধৰা পৰিছে। আমাৰ ৰাজ্যতো সাম্প্ৰতিক সময়ত দৈনিক গড়ে ডেৰ-দুহাজাৰ লোক আক্ৰান্ত হৈছে। কৰ'নাই কাঢ়ি নিছে নিকটজনৰ হিয়াৰ আমঠুক। যোৱা ছেপ্টেম্বৰত আমাৰ সহপাঠী ডাঃ বিৰাজ জ্যোতি গোস্বামীৰ পত্নী ডাঃ তুলিকা গোস্বামীক এই অতিমাৰীয়ে আমাৰ সকলোৰে মাজৰ পৰা কাঢ়ি লৈ যায়। এই মৰ্মান্তিক বেদনা সহি আমি কৰ'না ভাইৰাছৰ লগত সহাৱস্থান কৰাৰ প্ৰচেষ্টাত ব্ৰতী হৈছোঁ— জীৱন যে জীৱই লাগিব।

মাৰ্চ মাহত সমগ্ৰ দেশ জুৰি আৰম্ভ কৰা লকডাউন পৰ্য্যায় ক্ৰমে আনলক্ - ১,২,৩,৪ আদি কৰি খুলি দিয়া হৈছে। কিন্তু লকডাউনৰ লগে লগে বন্ধ হৈ পৰা বিভিন্ন উদ্যোগ, কল-কাৰখানাত নিয়োজিত শ্ৰমিক-কৰ্মচাৰীসকলৰ ভৱিষ্যৎ অনিশ্চিত হৈ পৰে। বিভিন্ন ৰাজ্যৰ বিভিন্ন জিলাৰ বিভিন্ন ঠাইৰ পৰা জীৱন-জীৱিকাৰ খাতিৰত প্ৰব্ৰজন কৰা শ্ৰমিক-কৰ্মচাৰীসকলৰ নিজ নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্তন (exodus) ৰ কোনো পথ প্ৰথমাৱস্থাত খোলা নাছিল। সকলো ধৰণৰ ৰাজহুৱা পৰিবহণ সেৱা বন্ধ আছিল। ফলত খোজ কাঢ়ি, চাইকেলেৰে, ক'ৰবাত গাড়ী ভাড়া কৰি এই প্ৰব্ৰজিত শ্ৰমিকসকলে নিজ নিজ ৰাজ্য (ঘৰ)লৈ ঘূৰি যাবলৈ চেষ্টা কৰিছিল। যাত্ৰাপথত অশেষ যন্ত্ৰণা সহ্য কৰিবলগীয়া হৈছিল, লঘোণে ভোকে থাকিবলগীয়া হৈছিল। আটাইতকৈ কষ্টদায়ক বাতৰি দুটা আছিল ভাগৰে-দুখে ৰেললাইনৰ ওপৰত শুই পৰা শ্ৰমিক কেইজনমানৰ দেহ মালগাড়ীয়ে খণ্ড-বিখণ্ড কৰা আৰু ঘৰমুখী যাত্ৰাত ঘৰৰ পৰা মাথোঁ পঞ্চাশ কিল'মিটাৰ দূৰৈত শৰীৰত পানী কমি যোৱা বাবে কন্যা সন্তান এটিৰ মৃত্যু। খবৰ নোপোৱা আৰু বহু খণ্ডিত চিত্ৰ হয়তো পোহৰলৈ অহা নাই। পিছলৈ অৱশ্যে ৰাজহুৱা পৰিবহণ ব্যৱস্থা চালু হ'ল। নিজ ব্যৱস্থাৰে ঘৰলৈ অহা লোকৰ বাহিৰেও চৰকাৰীভাৱে শ্ৰমিক ৰেলৰ ব্যৱস্থা কৰা হ'ল।

কিন্তু এই প্ৰব্ৰজিত শ্ৰমিকৰ পুনৰ্সংস্থাপন এটা বৃহৎ সমস্যা হিচাপে দেখা দিলে। এম. জি এনৰেগাৰ অধীনত নিয়োগৰ ব্যৱস্থা কৰিবৰলৈ যাওঁতে এটা কথা ওলাই পৰিছে যে এই শ্ৰমিকসকলৰ দক্ষতা সম্পৰ্কে কোনো তথ্য-কোষ নাই। কোনে কি কৰিব পাৰে সেই বিষয়ে কোনেও নাজানে। খবৰ পোৱা গৈছে যে ঘৰত খেতি কৰা মাটি থকা আমাৰ ল'ৰাই পঞ্জাৱ বা মহাৰাষ্ট্ৰলৈ চাকৰি কৰিবলৈ গৈ খেতি পথাৰতে কাম

কৰিছে। খবৰ আহি আছে যে কম সংখ্যক হ'লেও ঘূৰি অহা ল'ৰা নিজ নিজ খেতিপথাৰত নামিছে। এই পিছৰটো বৰ উৎসাহজনক খবৰ। গৰীৱ কল্যাণ আঁচনিৰ জৰিয়তে চৰকাৰে কিছু পৰিমাণে সকাহ দিব পাৰিছে।

ক্ষুদ্ৰ ব্যৱসায়ী বিশেষকৈ পদপথৰ ব্যৱসায়ী আমাৰ ৰাজ্যত সাংঘাতিক সমস্যাৰ সন্মুখীন হৈছে। একেদৰে বিপদগ্ৰস্ত হৈছে শিল্পীসকল ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ শিল্পী-কলা কুশলীসকল। বোলছবিৰ লগত জড়িত শিল্পী-কলা কুশলীসকল। ক'ভিড প্ৰটক'ল মানি নাটক-চিনেমাৰ বহু কাম কৰা নাযায়— সামূহিক সুকুমাৰ কলাৰ সাধনা কৰা নাযায়। এই আপাহতে বৃদ্ধি পাইছে ৱেব চিৰিয়েল নিৰ্মাণৰ প্ৰচেষ্টা যি এক যোগাত্মক দিশ হিচাপে ধৰা দিছে।

**ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ঃ প্ৰত্যাশাৰ কুঁহিপাঠ**

১৯৮৬ চনৰ পিছত তিনি দশকৰো অধিক কালৰ বিৰতিত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ঘোষণা কৰা হ'ল। এইটো এটা অতি শুভকৰ বাৰ্তা বুলি গণ্য কৰা হৈছে। ইতিমধ্যে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ লগতে আমাৰ ৰাজ্যখনৰো শিক্ষাবিদ-বুদ্ধিজীৱিসকলে নতুন শিক্ষানীতিৰ ওপৰত বিস্তৰ আলোচনা আগবঢ়াইছে। ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে এই শিক্ষানীতি আমাৰ ৰাজ্যত গ্ৰহণ কৰা হ'ব বুলি মত আগবঢ়াইছে। এতিয়া অপেক্ষা কেৱল নিৰ্দেশনা জাৰি কৰাৰ। যদিও পূৰ্বৰ শিক্ষানীতিৰ সকলো দফা আখৰে আখৰে পালন কৰিব পৰা হোৱা নাছিল, এইবাৰ আমি অন্ততঃ সাফল্যৰ শতাংশ উন্নীত হোৱাটো আশা কৰিম।

ইতিমধ্যে ৰাজ্যৰ শিক্ষাবৰ্ষ এপ্ৰিলত আৰম্ভ হৈ ঘূৰি মাৰ্চত শেষ হোৱাৰ সিদ্ধান্ত ঘোষণা কৰা হৈছে। দেশৰ অন্যান্য ঠাইৰ বিশেষকৈ CBSE ৰ শিক্ষাবৰ্ষৰ সৈতে দেখাত মিলি গ'ল্ যদিও গৰমৰ দিনকেইটা আৰু বানপানীৰ সময়ছোৱা মিলাওঁতে নিশ্চয় আহুকাল হ'ব। উৰিষ্যাত গৰমৰ দিনকেইটাত ৰাতিপুৱাতে স্কুল আৰম্ভ হৈ দহ-এঘাৰ বজাত ছুটী হয়। এনেকুৱা আৰ্হি আমিও গহণ কৰিব পাৰোঁ।

নৰমৰ পৰা দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম ত্ৰিশ শতাংশ হ্ৰাস কৰি শিক্ষাৰ্থীক অতিমাৰীৰ সময়ত সকাহ দিয়া হৈছে। আনহাতে অনলাইন শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলৰ মগজুৰ কৰ্ষণ ব্যাহত হ'বলৈ দিয়া নাই। কিন্তু তাৰ মাজতো প্ৰহসন হৈ ধৰা দিছে এন্দ্ৰইড্ ম'বাইলৰ অভাৱত দুজন ছাত্ৰৰ আত্মহত্যাৰ বাতৰি।

**কৰ'নাকালীন সাহিত্য চৰ্চাঃ**

অতিমাৰীকালীন সাহিত্য চৰ্চাই এক বিশেষ মাত্ৰা লাভ কৰিছে। সাম্প্ৰতিক বিপদসঙ্কুল জীৱন যাত্ৰাতে এই চৰ্চা সীমাৱদ্ধ হৈ থকা নাই। কৰ'নাউত্তৰ (post corona) জীৱন চৰ্যাও সাহিত্য চৰ্চাৰ গণ্ডীত সোমাই পৰিছে-ৰচিত হৈছে ছায়ফিক কাহিনীও।

অসম সাহিত্য সভাৰ বিভিন্ন গোটে ৱেবিনাৰৰ জৰিয়তে সাহিত্যৰ বিভিন্ন ক্ষেত্ৰলৈ অৰিহণা যোগোৱাৰ চেষ্টা কৰা দেখা গৈছে। দেশ আৰু বিদেশৰ অসমীয়া সমাজক সঙ্গী হিচাপে লোৱাটো সাহিত্য সভাৰ প্ৰশংসনীয় কাম।

আমাৰ গোটো পিছ পৰি থকা নাই। কৰ'নাকালত ৰচিত হৈছে অজস্ৰ কবিতা। সৃষ্টি হৈছে অণুগল্প-গল্প-প্ৰবন্ধ-ৰসৰচনাৰ।

**স্মৃতিকাতৰতা ঃ অতীত ৰোমন্থন**

বিশ্ববিদ্যালয়ৰ অধ্যাপক, ন্যায়িক সেৱা আৰু চৰকাৰী সেৱাৰ ডাক্তৰ বন্ধুসকলৰ বাহিৰে আমাৰ প্ৰায় সকলো সহপাঠী বৰ্তমান সেৱানিবৃত্ত। হোৱাটচ্‌আপ আৰু ফেচবুকত সহপাঠীসকলক লগ পাই সকলোৰে অতীতলৈ মনত পৰে। সুখৰ-দুখৰ স্মৃতি মনলৈ আহে। মঞ্চখন আছেই। গতিকে অতীত মাধুৰী পান কৰিবলৈ আমাৰ অফুৰন্ত সুযোগ। বহুকেইজন সহপাঠীৰ অতীত ৰোমন্থনে ভৰাই তুলিছে "এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ'ৰ ঋতুৰাণী সংখ্যাৰ পৃষ্ঠা। একেধৰণে আমাক অকালতে এৰি থৈ যোৱা বন্ধু-বান্ধৱীসকলৰ স্মৃতিচাৰণো এই সংখ্যাৰ অন্যতম প্ৰধান অলঙ্কাৰ।

**পত্ৰালাপ ঃ বিস্মৃতিৰ অতল তলিৰ পৰা**

'চিঠি' এক যন্ত্ৰণাৰ নাম বৰ্তমান সময়ত। প'ষ্টকাৰ্ড, ইনলেণ্ড লেটাৰ, অন্তৰ্দেশীয় কাৰ্ড আদিত লিখা এই দুটা আখৰৰ শব্দটোৰ মাজত সংপৃক্ত হৈ থকা অলেখ শব্দৰ ঝঙ্কাৰ এতিয়া এক মধুৰ অতীত। বগা কাগজ বা ৰাইটিং পেডত লিখা কলীয়া-নীলা-সেউজীয়া আখৰকেইটি পেটত ভৰাই লৈ অহা এনভেলপ (খাম) টো খোলোঁতে কিমান সাৱধান হৈছিলোঁ কাগজখন যাতে নষ্ট নহয়! এতিয়া চিঠি লিখাৰ কোনো প্ৰয়োজনেই নহয়— মেইল কৰিলেই হয়।

কিন্তু পাৰি জানো সেই সোণাময় সময় পাহৰিব যেতিয়া হিয়াত অবুজ শিহৰণ তুলিছিল কাৰোবাৰ হাতৰ আখৰ কঢ়িয়াই অনা চিঠিখন হাতত পৰোঁতে! চিঠি পিতৃ-মাতৃৰ পৰাই আহক, বন্ধু-বান্ধৱৰ পৰা বা প্ৰেয়সী-প্ৰিয়জনৰ পৰাই আহক— চিঠি চিঠিয়েই। চিঠি লিখা আৰু চিঠিৰ উত্তৰ পোৱা দুয়োটাতে সমানে আনন্দ। অৱশ্যে প্ৰিয়জনৰ পৰা অহা চিঠিৰ স্থান বহুত ওপৰত।

সেই 'চিঠি' লিখাৰ অভ্যাস ওভতাই অনাৰ এক বিনম্ৰ প্ৰয়াস আমাৰ 'পত্ৰালাপ' শিতান। অৱশ্যে সকলোৱে ইয়াত অংশগ্ৰহণ কৰা নাই। সকলোৰে নিশ্চয় চিঠি লিখাৰ অভ্যাসো নাছিল।

**ডাইৰেক্টৰীঃ অসম্পূৰ্ণ দস্তাবেজ**

অসম্পূৰ্ণ ডাইৰেক্টৰীখন সম্পূৰ্ণ কৰাৰ চেষ্টা এইবাৰো বিফল হ'ল। সহপাঠীসকলে নিজ নিজ তথ্য যোগান নধৰিলে। কিন্তু আশা এৰা নাই— মানুহযে আশাত বন্দী!

শেষত সকলোৰে কুশল কামনা কৰিলোঁ - সৰ্ব্বে সন্তু নিৰাময়াঃ

পহিলা অক্টোবৰ, ২০২০ **মদন চন্দ্ৰ ডেকা**

# আমাৰ কটন

(১৯৭৫-৭৭ কটনিয়ান পি.ইউ. গোটৰ ৭ জুলাই, ২০১৯ তাৰিখৰ বাৰ্ষিক সমাৰোহত সমবেত সঙ্গীত হিচাপে গোৱা)

**কথা ঃ শৰৎ বৰকাকতি**

**সুৰ ঃ শৰৎ বৰকাকতি**

সোঁৱৰণীৰ
সোণালী সূতাই
গাঁথি দিলে
আমাৰ হেঙুলীয়া মন
লগে ভাগে আমি
বুটলিছোঁ
বৰণীয়া সেই ক্ষণ
প্ৰাণে প্ৰাণে
গৌৰৱ
এটি গুঞ্জন
কটন, কটন
আমাৰ কটন।

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

আকোৱালি লওঁ
এজনে আনক
সমভাগী হওঁ
আনৰ দুখত
বন্ধুত্বৰ গানে গানে
ভেদাভেদ পাহৰি
এনেকৈয়ে কৰোঁ আহাঁ
জীৱন উদ্‌যাপন।

অভিজ্ঞতাৰ আছে
সমাজত প্ৰয়োজন
বিলাই দিয়াৰ
সময় এয়া
আজিৰ নৱ প্ৰজন্মক
আহাঁ সেয়ে মিলিজুলি
ত্যাগৰ দিশত বাট বুলি
মহাজীৱনৰ
আচল সুখৰ
নীৰৱে কৰোঁ অন্বেষণ।

# নীলাচলৰ দেৱী মা কামাখ্যা আৰু অম্বুবাচী

**কৃষ্ণা শৰ্মা**

নীলাচল পাহাৰৰ বুকত ভক্তৰে গিজগিজাই থকা মা কামাখ্যাৰ প্ৰাঙ্গনত এতিয়া মাথোঁ নিস্তব্ধতা। নীলাচল পাহাৰ এতিয়া জনশূন্য। সমগ্ৰ পৃথিৱী অসুস্থ, সেয়ে মাৰ আৰাধনা ঘৰৰ পৰাই হৈছে। এইবাৰেই হেনো পোনপ্ৰথম বাৰৰ বাবে ভক্তৰে পৰিৱেষ্টিত হৈ থকা মা অম্বুবাচীৰ সময়তো এক জনশূন্য নিৰল নিস্তব্ধ পৰিৱেশত আছে।

মাৰ আশিস বিচাৰি দৈনিক হাজাৰ হাজাৰ মানুহ আহে এই নীলাচল পাহাৰলৈ। আষাঢ় মাহত হোৱা অম্বুবাচী মেলালৈ দূৰ-দূৰণিৰ পৰা মা কামাখ্যাৰ আশিস বিচাৰি লক্ষ লক্ষ লোকে নীলাচলৰ বুকুৰে বগাই যায়। বিভিন্ন ঠাইৰ যোগী, তান্ত্ৰিক, সাধু, সন্যাসী, পুৰুষ মহিলা আৰু কিন্নৰ সকলে ইয়াত আহি ভিৰ কৰেহি। ইয়াত ধনী-দুখীয়া, পণ্ডিত-মূৰ্খ, ৰজা-প্ৰজাৰ কোনো ভেদাভেদ নাই। সকলোৰে এটাই উদ্দেশ্য মাৰ আশিস লাভ। বিভিন্ন ঠাইলৈ গ'লে অসমৰ মানুহ বুলি ক'লেই বেছিভাগ মানুহেই সোধে মা কামাখ্যাৰে কথা।

কিন্তু কিয় আহে লক্ষ লক্ষ মানুহ দূৰ- দূৰণিৰ পৰা মা কামাখ্যাৰ ওচৰলৈ অম্বুবাচীৰ সময়ত ?

নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰত দেৱীৰ মূৰ্তি নাই। ইয়াত দেৱী এক শিলাখণ্ড হিচাপে আছে। আৰু কামাখ্যাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে কামাখ্যা এক যোনি দেৱী। তান্ত্ৰিকতাৰ ফালৰ পৰাও কামাখ্যাই সৰ্বভাৰততে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। শক্তি ধাৰণাৰ মূলতেই আছে প্ৰকৃতি। তেওৱেঁই ধৰিত্ৰী আৰু তেওৱেঁই আই বসুমতী। সকলোৰে জন্ম তেওঁৰ পৰা আৰু মৃত্যুৰ পিছত তেওঁৰ বুকুতে বিলীন হৈ যায়।

নীলাচল পাহাৰৰ মনোভব গুহাৰ মাজত কামাখ্যা যোনিপীঠ পৰিৱেষ্টিত হৈ আছে বিভিন্ন মন্দিৰ আৰু কেবাটিও কুণ্ডৰে। নীলাচলৰ বুকু খটখটিৰে বগাই গৈ সকলো দৰ্শন কৰিলেহে গম পোৱা যায় নীলাচলৰ মাহাত্ম্য। প্ৰাগজ্যোতিষপুৰৰ এই দেৱী নীলাচলত যোনিৰূপতে নৰকাসুৰৰ সময়ৰ আগৰ পৰা পূজিতা হৈ আহিছে।

"কামাখ্যা বৰদে দেৱী নীলপৰ্বত বাসিনী।
ত্বং দেৱী জগতং মাতঃ যোনিমুদ্ৰে নমোহস্ততে।।
মনোভৱ গুহামধ্যে ৰক্ত পাষাণৰূপিনী।
তস্যাঃ স্পৰ্শন মাত্ৰেন পূৰ্ণজন্ম ন বিদ্যতে।"

প্ৰতিবছৰে আষাঢ় মাহৰ মৃগশিৰা নক্ষত্ৰৰ তিন পাদ পাৰ হ'লে চতুৰ্থ পাদত আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদৰ মাজত দেৱী ৰজঃস্বলা হয়। সেইবাবে দেৱীৰ মন্দিৰ তিনি দিনৰ বাবে বন্ধ থাকে। চতুৰ্থ দিনা মন্দিৰ খুলি মন্দিৰৰ পৰম্পৰাগত ৰীতি-নীতি মতে পূজাৰীসকলে স্নানপূজা কৰাৰ পিছত হে ভক্তৰ প্ৰৱেশৰ বাবে দুৱাৰ খোল খায়। সাধাৰণতে ৬ বা ৭ আষাঢ়ৰপৰা ১০-১১ আষাঢ়ৰ ভিতৰত এই যোগ পৰে। অসমৰ পৰম্পৰাগত নিয়ম

অনুসৰি এই সময়ত যতী, ব্ৰতী, বিধৱা আৰু দ্বিজসকলে পাকদ্ৰব্য ভক্ষণ নকৰে। সৰ্পভয় নিবাৰণৰ বাবে লোকসকলে এৰাঁগাখীৰ ভক্ষণ কৰে আৰু এইকেইদিন যি কোনো ধৰণৰ শুভকৰ্ম আৰু কৃষি কৰ্মৰ পৰা বিৰত থাকে। অম্বুবাচীৰ সময়ত কামাখ্যাত বিভিন্ন ঠাইৰ ভক্তৰ সমাগম হয়। এইখিনি সময়ত দেৱীক ভক্তসকলে পৰিক্ৰমা কৰে আৰু মন্দিৰৰ দ্বাৰ খোলাৰ দিনালৈ অপেক্ষা কৰে বিশেষকৈ মাৰ ৰক্ত বস্ত্ৰৰ বাবে যি শৰীৰত পৰিধান কৰিলে ভক্তৰ মনোবাঞ্ছা পূৰণ হয় বুলি এটা বিশ্বাস আছে। কামাখ্যাৰ শিলাখণ্ড স্পৰ্শ কৰিলে সকলো পাপৰ পৰা মুক্তি লাভ কৰে বুলিও বিশ্বাস কৰে। এই বিশ্বাসৰ বাবে লক্ষ লক্ষ ভক্ত ইয়াত সমবেত হয় যাতে দুৱাৰ খুলিলেই মাৰ দৰ্শন আৰু আশিস ল'ব পাৰে।

অম্বুবাচীৰ নিবৃত্তিৰ দিনা ঘৰৰ সকলো কাপোৰ-কানি, চৰু-হাড়ী ধুই শুচি হোৱাৰ পৰম্পৰাও অসমত চলি আছে। অম্বুবাচীৰ কেইদিন দেৱী মা অধিক জাগ্ৰত হৈ থাকে বুলি বিশ্বাস কৰা হয়। এইকেইদিন ভক্ত সকলে বাহিৰৰপৰাই আৰাধনা কৰে। ইয়াত তন্ত্ৰ-মন্ত্ৰৰো সাধনা হোৱা বাবে ডাঙৰ ডাঙৰ তান্ত্ৰিক সকলো উপস্থিত হয়হি।

ইতিহাসে ঢুকি পোৱা কালৰ আগৰে পৰা বৃহত্তৰ অসমত উৰ্বৰতাৰ কামনাৰে যোনিপূজাৰ প্ৰচলন আছিল। ইয়াৰ প্ৰমাণ স্বৰূপে জয়ন্তীয়া সকলৰ বুঢ়ী গোসানী, খাচীসকলৰ দেৱী কামাইখা, বড়োসকলৰ খাম্-মাইখা, চুতীয়া আৰু দেউৰী সকলৰ দিক্কৰ বাসিনী কেঁচাইখাতী, ৰাভা সকলৰ দেৱী তামায়, ডিমাচা সকলৰ হেৰেমডী, তিৱা সকলৰ দেৱী কালিকা, গাৰোৰ আই মাতৃ ফজৌৰ নাম উল্লেখযোগ্য। ইতিহাসৰ মতে দেৱী মহামায়াই দক্ষৰজাৰ পত্নী বীৰিনীৰ গৰ্ভত জন্ম গ্ৰহণ কৰে আৰু নিজ পূজাৰে মহাদেৱক সন্তুষ্ট কৰি শিৱক পতি গ্ৰহণ কৰে। কৈলাশ শিখৰৰ পৰা দক্ষ ৰজাই প্ৰাপ্য সন্মান নাপাই শিৱক হেয় প্ৰতিপন্ন কৰিবলৈ এক যজ্ঞৰ আয়োজন কৰে। কিন্তু তালৈ শিৱ আৰু সতীক নিমন্ত্ৰণ নকৰাত সতী নিজে যাবলৈ ওলাল। মহাদেৱে বাধা দিলে কিন্তু দেৱীয়ে নামানিলে, তেতিয়া মহাদেৱে তেওঁক বাধা দিয়াত তেওঁ দশমহাবিদ্যাৰে কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমায়তী, বগলামুখী, মাতঙ্গী আৰু কমলাৰ ৰূপ লোৱাত শিৱই ভীতিগ্ৰস্ত হৈ সতীৰ পথ এৰি দিলে। দক্ষই অনিমন্ত্ৰিত সতীক দেখি ক্ৰোধান্বিত হৈ শিৱনিন্দা কৰিব ধৰিলে আৰু দেৱীয়ে পতিনিন্দা সহিব নোৱাৰি যজ্ঞস্থলীতে প্ৰাণ বিসৰ্জন দিলে। এই সংবাদত অত্যন্ত ক্ৰুদ্ধ হৈ সদাশিৱ অনুচৰগণ লৈ যজ্ঞস্থলীত উপস্থিত হৈ অনুচৰ সকলৰ দ্বাৰা যজ্ঞস্থলী লণ্ড ভণ্ড কৰিলে আৰু দক্ষৰ মুণ্ড ছেদ কৰিলে। সদাশিৱই মৃত দেৱীৰ দেহ কান্ধত তুলি লৈ উন্মত্তৰ দৰে ত্ৰিভূৱন ভ্ৰমি ফুৰিলে। ব্ৰহ্মাৰ অনুৰোধত বিষ্ণুৱে সুদৰ্শন চক্ৰৰে সতীৰ দেহ খণ্ড বিখণ্ড কৰিলে আৰু একাৱন্নটা খণ্ডত বিভক্ত কৰিলে। য'তেই সতীৰ অঙ্গ পৰিল সেয়ে শক্তি-পীঠ হ'ল। কামৰূপত পৰিল মহাযোনি— সেয়ে কামৰূপ শক্তিৰূপিনী মহামায়াৰ মহাপীঠ, তীৰ্থ চূড়ামণি।

সতীৰ দেহৰ অংশ পৰা এই স্থান সমূহ জগতৰ পুন্যতম তীৰ্থস্থান আৰু এই শক্তিপীঠ সমূহক সিদ্ধপীঠ বুলিও কয়। এই ৫১ শক্তিপীঠ হৈছে -

হিঙ্গুলা (পাকিস্তান), কৰবীৰ (পাকিস্তান), সুগন্ধা (বাংলাদেশ), অমৰনাথ, জ্বালামুখী, জলন্ধৰ, বৈদ্যনাথ, নেপাল, মানস, বিৰজাক্ষেত্ৰ, গণ্ডকী, বহুলা, উজ্জয়িনী, চট্টগ্ৰাম, ত্ৰিপুৰা, ত্ৰিস্ৰোতা, কামাখ্যা, যুগাদ্য, কালীঘাট,

প্ৰয়াগ, জয়ন্তী (বাংলাদেশ), কিৰীটকোণা, বাৰাণসী, কন্যাশ্ৰম, কুৰুক্ষেত্ৰ, শ্ৰীশৈল (বাংলাদেশ), কাঞ্চী, কালমাধৱ, শোন বা শৈল, ৰামগিৰি, বৃন্দাবন, শুচি বা অনল, পঞ্চসাগৰ, কৰতোৱাতট (বাংলাদেশ), শ্ৰী পৰ্বত, বিভাষ, ভৈৰৱ পৰ্বত, জনস্থানে, গোদাৱৰী তট, ৰত্নাৱলী, মিথিলা, নলহাটি, কৰ্ণাট, বক্ৰেশ্বৰ, যশোৰ (বাংলাদেশ), চট্টগ্ৰাম, নন্দীপুৰ, লঙ্কা (শ্ৰী লঙ্কা) আৰু বিৰাট।

দেৱীৰ শৰীৰ পৃথিৱীৰ ভূমিত পতন হোৱাৰ পিছতে মহাদেৱ তপস্যাত নিমগ্ন হ'ল। মহাদেৱৰ তপস্যা ভঙ্গ কৰিবলৈ ব্ৰহ্মাৰ উপদেশত ইন্দ্ৰই কামদেৱ আৰু ৰতিক পঠাই দিলে আৰু তেওঁলোকে নৃত্যৰ দ্বাৰা মহাদেৱৰ ধ্যান ভঙ্গ কৰিলে কিন্তু মহাদেৱ ক্ৰোধিত গৈ কামদেৱক ভস্ম কৰি দিলে। তাৰ পিছত শিৱৰ অনুগ্ৰহত কামদেৱে পুনৰ্জীৱন লাভ কৰিলে যদিও আগৰ ৰূপ নাপালে। তেতিয়া হেনো আগৰ ৰূপ বিচৰাত মহাদেৱে কামদেৱক নিৰ্দেশ দিলে যে ভাৰতবৰ্ষৰ ঈশান কোণত সতীৰ দেহৰ এটা খণ্ড এতিয়াও গোপন হৈ আছে। গতিকে দেৱীৰ মহিমা প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰিলে আগৰ ৰূপ ঘূৰাই পাব। সেইমতেই তেওঁলোকে পূজা কৰি নিজৰ ৰূপ ঘূৰাই পালে আৰু মন্দিৰ নিৰ্মাণৰ বাবে বিশ্বকৰ্মাক আহ্বান জনালে। বিশ্বকৰ্মাই ছদ্মবেশেৰে আহি মন্দিৰ নিৰ্মাণ কৰিলে আৰু তাৰ পিছতে দেৱীৰ মহিমা প্ৰচাৰ হ'ব ধৰিলে।

এনেকৈয়ে পাৰ হৈ গ'ল বহুত কাল। দানৱ, অসুৰ, পাল আৰু সেন বংশ শাসনত বহিল আৰু তাৰ পিছতে প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকৰ দিনতে দেৱী নীলাচল বাসিনী কামাখ্যা দেৱীৰ পূজাৰ আৰম্ভ হোৱা বুলি বিশ্বাস কৰা হয়। নৰক বৰাহৰূপী বিষ্ণু আৰু বসুমতীৰ পুত্ৰ। সীতাক লাভ কৰাৰ দৰেই জনক ৰজাই লাভ কৰিছিল নৰকক বসুমতীৰ বুকুতে। নৰকক জনক ৰজাই তুলি-তালি ডাঙৰ দীঘল কৰে। নৰক ডাঙৰ হোৱাত বিষ্ণুৱে নৰকক কামৰূপৰ অন্তৰ্গত প্ৰাগজ্যোতিষপুৰ ৰাজ্য প্ৰদান কৰে আৰু শিৱভক্ত নৰকক শিৱৰ লগতে দেৱীপূজাও কৰিবলৈ কয়। সেই সময়ত কামৰূপত কিৰাট ৰাজ্য আছিল। নৰকে কিৰাট ৰজা ঘটকাসুৰক বধ কৰি নৃপতিশ্ৰেষ্ঠ হৈছিল। নৰকে বৈদিক শক্তিপূজা আৰম্ভ কৰাৰ পৰাই হেনো অসমত কামাখ্যাৰ পূজা প্ৰচলিত হয়। কিম্বদন্তী মতে নৰকে কামাখ্যা দেৱীক বিবাহৰ প্ৰস্তাৱ দিয়ে আৰু দেৱীয়ে নৰকক ছলনা কৰিবৰ বাবে ৰাতিৰ ভিতৰতে তেওঁৰ মন্দিৰলৈ উঠিবৰ কাৰণে শিলৰ খটখটি কৰি দিব পাৰিলেহে সন্মত হ'ব বুলি কোৱাত নৰকে সকলো আসুৰিক শক্তি প্ৰয়োগ কৰি ৰাতিপুৱাৰ আগতে নিৰ্মাণ কাৰ্য্য সমাপ্ত কৰোঁ কৰোঁ হোৱাত দেৱীয়ে মায়া কুকুৰাৰ দ্বাৰা ৰাতিপুৱাৰ সঙ্কেত দি নৰকৰ অভিলাষ ব্যৰ্থ কৰিলে আৰু নৰকৰ আশা পূৰণ নহ'ল। নৰকাসুৰে বনোৱা শিলৰ খটখটি এতিয়াও আছে আৰু মানুহো অহা যোৱা কৰে।

এনেসময়তে বশিষ্ঠ মুনি কামাখ্যা দৰ্শন কৰিবলৈ আহিল কিন্তু নৰকে দৰ্শন কৰিবলৈ অনুমতি নিদিলে। তেতিয়া বশিষ্ঠ মুনিয়ে নৰকক বিনাশৰ অভিশাপ দি নৰকৰ মৃত্যুৰ পিছত কামাখ্যাৰ পূজা কৰিহে নিজ স্থানলৈ উভতিব বুলি প্ৰতিজ্ঞা কৰিলে আৰু সন্ধ্যাচলত গৈ আশ্ৰম পাতি ৰ'লগৈ। নৰক যিমানদিন জীয়াই থাকিব সিমানদিন দেৱী অন্তৰ্ধান হ'বলৈ অভিশাপ দিলে। নৰকৰ প্ৰতাপ দিনে দিনে বাঢ়ি যোৱাত দেৱতা সকলে বিষ্ণুক আৰাধনা কৰিলে আৰু অৱশেষত বিষ্ণুৱ দ্বাৰাই নৰকৰ বিনাশ হ'ল।

নৰকৰ পিছত কামৰূপত অনেক উত্থান-পতন হ'ল। মহাপীঠৰ স্থান পৰিপূৰ্ণ হ'ল গভীৰ অৰণ্যৰে। পূৰ্বৰ মন্দিৰ কালক্ৰমত ধ্বংসপ্ৰাপ্ত হ'ল। তাৰ পিছত কোচ ৰাজবংশৰ দিনতে মন্দিৰৰ পুনৰনিৰ্মাণ আৰম্ভ হয়। বিশ্বসিংহ আৰু শিৱসিংহ, দুয়ো ৰাজভ্ৰাতাই আহোম ৰজাৰ লগত যুদ্ধ কৰা সময়তে এদিন পথভ্ৰষ্ট হৈ নিজৰ সৈন্য দলৰপৰা বিছিন্ন হৈ নীলাচল পায়হি। তাতে পূজা কৰি থকা এক বৃদ্ধাৰ উপদেশ মতে তেওঁলোকে দেৱীক প্ৰাৰ্থনা কৰিলে আৰু অভিষ্ট সিদ্ধি হ'লে সোণৰ মূৰ্তি বনাই দিম বুলি অঙ্গীকাৰবদ্ধ হ'ল। কিন্তু পিছত অঙ্গীকাৰ নাৰাখি সোণৰ মন্দিৰ নগঢ়াত মন্দিৰ বাৰে বাৰে খহি খহি গ'ল। ৰজাই পুনৰ প্ৰাৰ্থনা কৰাত দেৱীয়ে পূৰ্বৰ প্ৰতিজ্ঞা স্মৰণ কৰালে আৰু প্ৰতি ইটাৰ মাজত মাত্ৰ একৰতি সোণ দি মন্দিৰ নিৰ্মাণ কৰিবলৈ আদেশ দিলে আৰু সেইমতেই মন্দিৰ নিৰ্মাণ কৰিলে। কিন্তু ইয়াৰ পিছত কালাপাহাৰে এই মন্দিৰ ধ্বংস কৰে আৰু বিশ্বসিংহৰ পুত্ৰ কোচ ৰজা নৰনাৰায়ণৰ দিনত ১৫৬৫ খৃঃত এই মন্দিৰ পুণৰ নিৰ্মাণ কৰে আৰু বৰ্তমানো এই মন্দিৰতেই বহু শতিকা ধৰি ভক্তৰ পূজা অৰ্চনা চলি আছে।

"কামাখ্যে কামসম্পন্নে কামেশ্বৰী হৰপ্ৰিয়ে।
কামনাং দেহি মে নিত্যং কামেশ্বৰী নমোহস্তুতে।।

'ধৰণীকান্ত দেৱ শৰ্মা বড়পূজাৰীৰ "কামাখ্যা-তীৰ্থ", ড° নিৰ্মলপ্ৰভা বৰদলৈৰ "দেৱী" আদি গ্ৰন্থৰ সহায় লৈ লিখা হৈছে।'

●●●

# দেউতাৰ পুথিভঁৰাল

**অমল শইকীয়া**

ঃ 'পাপা! তুমি মেছেজবোৰ অসমীয়া দেৱনাগিৰিত নিলিখিবাচোন। মই অসমীয়া যুক্তাক্ষৰবোৰ স্পেল কৰিবলৈ বৰ টান পাওঁ। ইংৰাজী দেৱনাগিৰিতে লিখিবা।'

ঃ 'হ'ব মাজনী।'

ফোনতে একমাত্ৰ সন্তান নিকুমণিক কথাষাৰ কৈ ঘৰৰ সৰু পুথিভঁৰালটোৰ চকীখনত বহি বীৰেন্দ্ৰ বৰুৱাই সযতনে সজাই থোৱা আলমিৰাৰ আপুৰুগীয়া পুথিবোৰ চাই চাই আৱেগিক হৈ পৰিল।

●●●

# নৱপত্ৰিকা ঃ দেৱী দুৰ্গাৰ উদ্ভিদ-প্ৰতীক

**মীনাক্ষি ৰায় ডাকুৱা**

মহিষাসুৰমৰ্দিনীৰ পূজা আৰু উৎসৱত যিদৰে মৌলিক ধৰ্মচেতনাৰ প্ৰকাশ দেখা যায়, সেইদৰে ইয়াৰ মাজত আছে এক সাৰ্বজনীন সংহতি ভাবনাৰ বীজ। তদুপৰি ইয়াৰ মাজত নিহিত হৈ আছে কৃষি প্ৰধান আৰু কৃষিনিৰ্ভৰ সমাজৰ কৃষিভিত্তিক সুপ্ৰাচীন পৰিচয়। এই বিস্তৃত বিপুলা প্ৰকৃতি তথা পৃথিৱীৰ বুকুতেই আমাৰ অন্ন, জল আৰু আৰোগ্যৰ ভাণ্ডাৰ— শস্যক্ষেত্ৰ , ফল আৰু ছাঁ প্ৰদানকাৰী বৃক্ষ, লতা আৰু ঔষধি; আৰোগ্যদানকাৰী ভেষজ আৰু পান কৰা আৰু কৃষিৰ বাবে নদ-নদী আৰু সৰোবৰ। আকৌ পাহাৰ-পৰ্বত, সাগৰ-মহাসাগৰ বিৰাটৰ প্ৰতীক। এই সুবিশাল পৃথিৱীৰ ফালে সবিস্ময়ে চাই আমাৰ পূৰ্বপুৰুষসকলে সাক্ষাৎ দেৱী আৰু মাতৃজ্ঞানেৰে তেওঁৰ চৰণত প্ৰণত হৈছিল। বহুতৰ মতে মানুহৰ দেৱী ভাবনাৰ আৰু মাতৃৰূপে ঈশ্বৰ উপাসনাৰ প্ৰাচীনতম উন্মেষ এই পৃথিৱীপূজাক কেন্দ্ৰ কৰিয়েই হৈছিল। তাৰ আভাস শাৰদীয় দুৰ্গাপূজাৰ মাজতো আছে। কাৰণ শাৰদীয় দুৰ্গাপূজাৰ আৱশ্যিক অঙ্গ নৱপত্ৰিকা পূজা। শাৰদীয় দুৰ্গাপূজাত নৱপত্ৰিকাৰ অন্তৰ্ভুক্তি ত্ৰয়োদশ শতাব্দীত হৈছিল বুলি অনুমান কৰা হয়। ঠিক কোন সময়ৰ পৰা সেই সূচনা সেয়া ইতিহাসবিদসকলৰ বিচাৰ্য, কিন্তু বৃক্ষপূজা আৰু তাৰ মাধ্যমত পৃথিৱীপূজা যে ভাৰতৰ প্ৰাচীন ঐতিহ্য, ভাৰতৰ আধ্যাত্মিক ঐতিহ্যৰ স্মাৰক, সেই বিষয়ত কোনো মতবিৰোধ নাই। ভাৰতীয় ঐতিহ্যত জড় আৰু চৈতন্যৰ ভেদ নাই। জগতৰ সৰ্বত্ৰ, সৰ্বভূতত, সৰ্বজীৱত ঈশ্বৰ পৰিব্যাপ্ত হৈ আছে। এই আধ্যাত্মদৃষ্টিৰেই পৰিচয়বাহী শাৰদীয় দুৰ্গাপূজা আৰু সেই আধ্যাত্মদৃষ্টিৰ ধাৰাবাহিকতাৰ বাবেই এই নৱপত্ৰিকাৰ অন্তৰ্ভুক্তি। দুৰ্গাপূজাত নৱপত্ৰিকাৰ পূজা প্ৰকৃতপক্ষে ৰূপান্তৰ আৰু নামান্তৰত নৱপত্ৰিকাৰ মাধ্যমত মহাপ্ৰকৃতি স্বৰূপিনী দুৰ্গা দেৱীৰেই পূজা।

শাৰদীয় দুৰ্গাপূজাক ‘অকালৰ পূজা’ বুলি কোৱা হয়। পৌৰাণিক ঐতিহ্য অনুসৰি এই পূজাত দেৱীৰ ‘অকাল বোধন’ হৈছিল। শৰৎকাল দক্ষিণায়নৰ অন্তৰ্গত। হিন্দুৰ ধৰ্মবিশ্বাস অনুসৰি দক্ষিণায়ন দেৱ-দেৱী সকলৰ নিদ্ৰাৰ কাল, উত্তৰায়ণ জাগৰণৰ। নিদ্ৰাৰপৰা জাগৰণ সেয়া অকালতেই হওক বা কালতেই হওক জীৱন ধৰ্মৰ প্ৰতীক অথবা জীৱনৰ ধৰ্ম। নিদ্ৰা অন্ধকাৰৰ আৰু জাগৰণ পোহৰৰ প্ৰতীক। অন্ধকাৰৰ পৰা আলোকৰ পথত যাত্ৰাৰ আকাংক্ষা সৰ্বদেশত, সৰ্বকালৰ মানুহৰ অন্তৰৰ চিৰন্তন অভীপ্সা। উপনিষদৰ ঋষিয়ে কৈছে ঃ “তমসো মা জ্যোতিৰ্গময়”- মোক অন্ধকাৰৰ পৰা পোহৰলৈ লৈ যোৱা। অন্ধকাৰ জীৱত্বৰ প্ৰতীক, পোহৰ শিৱত্বৰ। জীৱত্বৰ পৰা শিৱত্বৰ ফালে অভিযাত্ৰা আৰু শিৱত্বত উত্তৰণ মহিষাসুৰমৰ্দিনী পূজাৰ মূল তাৎপৰ্য। মহিষাসুৰ-মহিষাসুৰমৰ্দিনী-শিৱ— এয়াই হ’ল জীৱৰ চিৰন্তন আধ্যাত্মিক পথ পৰিক্ৰমা। জীৱৰূপে যাৰ উন্মেষ, দুৰ্গাৰূপে তাৰ উত্তৰণ আৰু শিৱৰূপে তাৰ প্ৰতিষ্ঠা আৰু পৰম পৰিণতি। এই ‘জীৱ’ কেৱলমাত্ৰ মানুহ বা মানুহৰূপী অসুৰ নহয়, যাৰ জীৱন

আছে প্ৰাণ আছে সেয়াই 'জীৱ'। পশু-পক্ষী, সৰীসৃপ, বৃক্ষ, লতা, গুল্ম সকলোবোৰেই জীৱ। জীৱ তাৰ আপাত পৰিচয়। তাৰ মূল পৰিচয় হ'ল চৈতন্য। সৰ্বত্ৰ আৰু সৰ্বজীৱত সেই চৈতন্যৰ নিত্য অধিষ্ঠান। মহিষাসুৰ মৰ্দিনী চৈতন্যময়ী, চৈতন্য স্বৰূপিনী। তেওঁ বিশ্বজননী। তেওঁ অকল মানুহৰেই মাতৃ নহয়, সৰ্বজীৱৰো মাতৃ। সেয়ে দুৰ্গাপূজাত দেখা যায় দেৱীৰ পৰিবাৰ জগৎব্যাপী। তাত যিদৰে দেৱ-দেৱীসকল আছে, তেনেকৈ চালচিত্ৰত আছে ঋষি মুনি ইত্যাদি মানুহ। তাৰ লগে লগে আছে পশু, পক্ষী, সৰীসৃপ ইত্যাদি। আকৌ দেৱীৰ পৰিবাৰৰ অন্যতম সদস্য আৰু দেৱীৰ লগত অভিন্নৰূপে পূজিত 'নৱপত্ৰিকা'ত আছে বৃক্ষ, লতা, শস্য, ঔষধি। "আব্ৰহ্মস্তম্ব"- ব্ৰহ্মাৰপৰা তৃণলৈকে সৰ্বত্ৰ সেই মহাচৈতন্য বিদ্যমান। মৃন্ময়ী মূৰ্তিৰ মাজতো তেওঁ, আকৌ লতা, গুল্ম, শস্য, ঔষধি, বৃক্ষৰ মাজতো তেওঁ। মানুহ, পশু, পক্ষী, কীট, পতঙ্গ, সৰীসৃপ— সকলোৰে মাজতো তেওঁ বিদ্যমান। সেই সৰ্বব্যাপী শিৱৰূপী মহাচৈতন্য বা দুৰ্গাৰূপিনী মহাচৈতন্যময়ীৰ পূজাই হ'ল দুৰ্গাপূজা।

ভাৰতত দুৰ্গাপূজাৰ সূচনা 'অকাল'ৰ পৰাই অৰ্থাৎ শৰৎ কালৰ পৰাই হৈছে। শৰতত দুৰ্গাপূজাৰ জৰিয়তে দেৱীপূজাৰ সূচনা। তাৰপিছত ক্ৰমে হেমন্তত কালীপূজা, জগধাত্ৰীপূজা, শীতত সৰস্বতীপূজা, বসন্তত বাসন্তী আৰু অন্নপূৰ্ণা। শৰতত দেৱীপূজাৰ সূচনা বসন্তত দেৱীপূজাৰ সমাপ্তি। বসন্ত আকৌ উত্তৰায়ণৰ অন্তৰ্গত। অৰ্থাৎ 'অকাল'ত দেৱীপূজাৰ সূচনা, 'কালত তাৰ সমাপ্তি। শৰতৰ দুৰ্গাপূজা আৰু বসন্তৰ বাসন্তী পূজা আচলতে দুৰ্গা পূজাৰেই নামভেদ মাথোন। আকৌ নামান্তৰত অইন দেৱীপূজাবোৰো তত্ত্বগত অৰ্থত একেই পূজা অৰ্থাৎ সেই আদ্যাশক্তিৰেই পূজা। বৈদিক যুগত এসময়ত শৰৎকালত বছৰ আৰম্ভ হৈছিল। ঋগবেদ আৰু অথৰ্ব বেদত অন্যত্ৰও বছৰ অৰ্থাৎ 'শৰৎ' শব্দৰ প্ৰয়োগ দেখা যায়। বৈদিক যুগত 'শত শৰৎ' অৰ্থাৎ 'শতবৰ্ষ' আয়ুলাভ মানুহৰ প্ৰাৰ্থনাৰ বিষয়বস্তু আছিল। শৰৎকালতেই প্ৰধান শস্য ধান চপোৱা হয়। অৰ্থাৎ শৰৎকালৰ পৰাই শস্যঋতুৰ সূচনা। শাৰদীয় দুৰ্গাপূজাৰ সূচনাও শস্য আৰু বৃক্ষপূজাৰ মাধ্যমত কৰা হয়। কাৰণ, শাৰদীয় দুৰ্গাপূজাৰ প্ৰথম অঙ্গ ষষ্ঠীৰ সায়ংকালত দেৱীৰ বোধন কৰা হয়। বোধনৰ সময়ত বেলগছৰ মূলত অথবা বেলগছৰ শাখাৰ তলত দেৱীৰ পূজা কৰা হয়। হিন্দুৰ সনাতন ঐতিহ্যৰ বেলগছ বা বেলগছৰ শাখা দেৱীৰ প্ৰতীক। বেলগছত বোধনৰ পিছদিনাখন সপ্তমীৰ প্ৰভাতত দেৱীৰ শস্য আৰু বৃক্ষ প্ৰতীকত দেৱীৰ স্নান, প্ৰতিষ্ঠা আৰু পূজা কৰা হয়। এই প্ৰতীকৰেই নাম হ'ল নৱপত্ৰিকা। সপ্তমীৰ দিনা ৰাতিপুৱা পূজামণ্ডপত 'নৱপত্ৰিকা'ৰ প্ৰৱেশ আৰু দেৱীৰূপে তাৰ উপাসনা আৰু আৰাধনাৰ পিছত সপ্তমীবিহিত পূজাৰ্চনা কৰা হয়।

'নৱপত্ৰিকা' কি ? শাস্ত্ৰবচন অনুসৰি -

"ৰম্ভা কচ্চি হৰিদ্ৰাচ জয়ন্তী বিল্বদাড়িম্বী<br>
অশোকমানকশ্চৈব ধান্যশ্চ নৱপত্ৰিকা।"

আক্ষৰিক পৰিচয়ত নৱপত্ৰিকা হ'ল এই নটা গছৰ শাখাৰে সৈতে পাতৰ সমন্বিত ৰূপ। সপত্ৰ কদলী (ৰম্ভা) বৃক্ষ আৰু সমূল সপত্ৰ কচু, মানকচু, হালধি, ধান আৰু সপত্ৰ জয়ন্তী, বেল, ডালিম আৰু অশোক— এই নবিধ উদ্ভিদক বগা অপৰাজিতা লতাৰে একেলগে বান্ধি ৰঙা পাৰিৰ বগা বা হালধীয়া (বাসন্তী) ৰঙৰ শাৰীৰে

মেৰিয়াই এক অৱগুণ্ঠনৱতী মানৱী বধূ বা কইনাৰ আকৃতি দিয়া হয়। দেশ-বিদেশৰ পণ্ডিতে ইয়াক "Corn goddess" বা " Corn mother" বা "Vegetation Spirit" বুলি অভিহিত কৰিছে। এই উদ্ভিদ বা শস্য বধূয়েই 'নৱপত্ৰিকা'। দুৰ্গাষষ্ঠীৰ সায়ংকালত পূজাৰ প্ৰথম অঙ্গ দেৱীৰ বোধনৰ পিছত সপ্তমীৰ দিনা দেৱী পূজাৰ প্ৰথমতেই এই উদ্ভিদ বধূ বা শস্য বধূক দেৱীৰ প্ৰতীকৰূপে পূজা কৰাৰ বিধি। কলগছক শাৰীৰে মেৰিয়াই অৱগুণ্ঠনৱতী বৃক্ষবধূৰ আকৃতি দিয়া হয় বাবেই 'নৱপত্ৰিকা'ক প্ৰচলিত ভাষাত 'কলাবউ' বুলি কোৱা হয়। 'নৱপত্ৰিকা'ক গণেশৰ কাষত স্থাপন কৰা হয় বাবে বহুতেই 'নৱপত্ৰিকা'ক গণেশৰ স্ত্ৰী বুলি ভাবে। কিন্তু এইটো এটা মাৰাত্মক ভ্ৰান্তি কাৰণ নৱপ্ৰত্ৰিকা গণেশৰ বধূ নহয়, গণেশ জননীহে। মহিষাসুৰমৰ্দিনী দুৰ্গাৰ উদ্ভিদ প্ৰতীক।

'নৱপত্ৰিকা' নৱদুৰ্গাৰূপেও পূজিতা হয়। 'নৱপত্ৰিকাৰ পূজাৰ সময়ত "ওঁ নৱপত্ৰিকাবাসিন্যৈ দুৰ্গায়ে, নৱদুৰ্গায়ৈ নমঃ" এই মন্ত্ৰেৰে তেওঁক প্ৰণাম জনোৱা হয়। এই মন্ত্ৰৰ দ্বাৰা প্ৰমাণিত হয় যে, 'নৱপত্ৰিকা' আৰু দুৰ্গা অভিন্ন আৰু 'নৱপত্ৰিকা'ৰ অঙ্গ উদ্ভিদবিলাক দুৰ্গাৰেই প্ৰতীক বা প্ৰতিৰূপা। কিন্তু গণেশ যে ৰূদ্ৰ শিৱৰ বৈৱৰ্তিত ৰূপ, এইবিষয়ত বহু পণ্ডিত একমত। আকৌ তন্ত্ৰত গণেশৰ নগৰাকী পত্নী বা শক্তিৰো উল্লেখ পোৱা যায়। এইবিলাক হ'ল— তীব্ৰা, জ্বালিনী, নন্দা আৰু বিঘ্ননাশিনী। ৰুদ্ৰ-শিৱৰ লগত গণেশৰ সম্পৰ্ক আৰু গণেশৰ নগৰাকী পত্নীৰ কাৰণে সম্ভৱতঃ লোকবিশ্বাসত দুৰ্গাৰ প্ৰতীক 'নৱপত্ৰিকা' 'গণেশৰ পত্নী' নামেৰে প্ৰসিদ্ধি লাভ কৰিছে।

'নৱপত্ৰিকা'ক আদ্যাশক্তি দুৰ্গাৰ প্ৰতীকৰূপে পূজাৰ অন্তৰালত প্ৰত্যক্ষভাৱে উদ্ভিদ বা শস্যদেৱীৰ আৰু পৰোক্ষভাৱে পৃথিৱীদেৱীৰ পূজাৰ তাৎপৰ্য নিহিত হৈ আছে। দৰাচলতে ভাৰতীয় সভ্যতাৰ সূচনালগ্নৰ পৰাই পৃথিৱীক দেৱীৰূপে পূজা কৰাৰ প্ৰচলন আছিল। প্ৰাক-আৰ্য্য বা প্ৰাক-বৈদিক সভ্যতাৰ অৰ্থাৎ সিন্ধু সভ্যতাৰ ধ্বংশাৱশেষৰপৰা যিবিলাক প্ৰত্নতাত্ত্বিক নিদৰ্শন পোৱা গৈছে, তাৰ ভিতৰত বহুসংখ্যক নাৰীমূৰ্তিও আছে। পণ্ডিতসকলৰ মতে সিবিলাকৰ অধিকাংশই প্ৰাচীন কালৰে পৰাই হিন্দুসকলৰ পূজিতা দেৱী মূৰ্ত্তিবিলাকৰ প্ৰাক-ৰূপ। এই মূৰ্ত্তিবিলাকৰ ভিতৰত আকৌ বেছিভাগেই পৃথিৱী দেৱীৰ মূৰ্ত্তি বুলি পণ্ডিকসকলৰ অভিমত। এই অভিমতৰ সূত্ৰ এটি বিশেষ মূৰ্ত্তি, যাৰ নাভিদেশৰপৰা উদ্‌গত হৈছে শাখা আৰু পাতসহ এটি বৃক্ষ। এই মূৰ্ত্তিটোৰ পৰিচিতি প্ৰসঙ্গত পণ্ডিতসকলে কয় যে, এয়া উদ্ভিদ আৰু শস্য উৎপাদিনী আৰু প্ৰাণীসমূহৰ পুষ্টি বা প্ৰাণশক্তিদায়িনী পৃথিৱীদেৱী আৰু প্ৰজনন শক্তি, উৰ্বৰতা আৰু সহিষ্ণুতাৰ প্ৰতীক মাতা বসুন্ধৰা। এইখিনিতে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা যায় যে পৃথিৱীৰ দেৱী আৰু মাতৃ ৰূপ ভাবনাৰ ঐতিহ্য অকল যে ভাৰততেই প্ৰাচীনতম ঐতিহ্য সেয়া নহয়, জগতৰ প্ৰায় সমস্ত ধৰ্ম আৰু জাতিবোৰৰো লোকবিশ্বাসৰ মূলতে আছে এই ঐতিহ্য। প্ৰাচীন জাৰ্মানীৰ নেথাৰ্চ দেৱী, প্ৰাচীন গ্ৰীচৰ ৰহী দেৱী, প্ৰাচীন ৰোমৰ সিবিলি দেৱী, প্ৰাচীন মিচৰৰ আইচিচ দেৱী প্ৰকৃততে পৃথিৱীদেৱী বুলি কোৱা হয়।

প্ৰাচীনতম বৈদিক সাহিত্য ঋগ্বেদত দেখা যায় যে পৃথিৱী একে সময়তে দেৱী আৰু মাতৃৰূপে বন্দিত হৈছে আৰু প্ৰায়ে পিতা দৌ (আকাশ)ৰ লগত 'দ্যাৱা-পৃথিৱী' নামেৰে একেলগে পূজিত হৈছে। ঋগ্বেদত ঋষিসকলে পৃথিৱীৰ ভিতৰত যিদৰে অন্নদাত্ৰীক দেখিছিল সেইদৰে বাৎসল্য, কোমলতা, ক্ষমা, উদাৰতা আৰু শত্ৰুৰ আক্ৰমণৰ পৰা সন্তানক ৰক্ষা কৰাৰ সামৰ্থ্যৰ সাৰ্থক মাতৃ মূৰ্ত্তিকো আৱিষ্কাৰ কৰিছিল। এইবিলাক বৰ্ণনাৰ পৰা বুজা যায় যে, পৃথিৱীক মাতৃৰূপে কৰা বৰ্ণনা কেৱল বৈদিক কবি কল্পনাই নহয়, ইয়াৰ লগত বৈদিক কবিসকলৰ এক ধৰ্মবোধ প্ৰচ্ছন্ন

আছিল। পৃথিৱীৰ সীমাহীন বিস্তাৰ, তাৰ ৰূপবৈচিত্ৰ্য আৰু প্ৰকৃতিবৈচিত্ৰ্য, তাৰ অন্নদা আৰু ধনদাৰূপ— সৰ্বোপৰি পৃথিৱীৰ বুকুত লুকাই থকা অনন্ত প্ৰাণশক্তি, নিৰন্তৰ অসংখ্যৰূপে তাৰ প্ৰকাশ এই সকলোবিলাকে একেলগে ঋগ্বেদৰ ঋষিৰ অন্তৰত এক বিস্ময়জনিত শ্ৰদ্ধা জগাই তুলিছিল। এই শ্ৰদ্ধাৰ প্ৰগাঢ়তাই মানুহৰ ধৰ্মবোধৰ উদ্বোধন আৰু সেই ধৰ্মবোধক অৱলম্বন কৰিয়েই পৃথিৱীৰ দেৱীমূৰ্ত্তি। ঋগ্বেদৰ দ্যাৱা-পৃথিৱী অৰ্থাৎ আকাশ আৰু পৃথিৱীৰ ভাবনা হ'ল মানুহৰ আদি দেৱতা আৰু দেৱীৰ আৰু আদি জনক-জননীৰ ভাবনা। এই ভাবনাই তন্ত্ৰ আৰু পুৰাণৰ শিৱশক্তিত আৰু পৰৱৰ্তী কাল (খ্ৰীষ্টিয় পঞ্চম শতাব্দী)ত কালিদাসৰ ৰচনাত "জগতো পিতৰৌ বন্দে পাৰ্বতী পৰমেশ্বৰৌ'ত আহি ছন্দোবদ্ধ স্থিতি লাভ কৰিছে। ঋগ্বেদত কেইটামান সূত্ৰত কোৱা হৈছে— দৌৰূপী পিতা আৰু পৃথিৱীৰূপী মাতাৰ যেন মিলন ঘটে আৰু তেওঁলোকে যেন সন্তানক অৰ্থাৎ মানুহক প্ৰচুৰ শস্যদান কৰি তেওঁলোকৰ প্ৰয়োজনীয় অন্নৰ সংস্থান কৰে। এই মিলন হয় বৰ্ষণৰ মাধ্যমত। বৰ্ষাৰ বাৰিসিঞ্চনতেই হয় আকাশ আৰু পৃথিৱীৰ মিলন আৰু সেই মিলনৰ ফলত হয় পৃথিৱীৰ 'গৰ্ভসঞ্চাৰ' আৰু তাৰ পৰিণতি শস্যপূৰ্ণ বসুন্ধৰা। ঋগ্বেদৰ মাতৃৰূপিনী পৃথিৱী অথৰ্ববেদৰ 'পৃথিৱী-সূক্ত'ৰ মাজত পৰিপূৰ্ণ ৰূপ লাভ কৰিছে। ইয়াত পৃথিৱীৰ মাতৃৰূপৰ লগত দেৱীৰূপৰো অপূৰ্ব সমন্বয় ঘটিছে। যজুৰ্বেদত কোৱা হৈছে দ্যাৱা পৃথিৱী সূৰ্যৰ পিতা-মাতা। পৃথিৱী আৰু সূৰ্যমাতা তথা দেৱমাতা অদিতি ইয়াত অভিন্ন। কেৱল যে বৈদিক সাহিত্যতেই পৃথিৱী সম্পৰ্কে এই জগৎমাতৃত্ব আৰু দেৱীত্ব ভাবনা ঘোষিত এনে নহয়, আগতেই উল্লেখ কৰা হৈছে যে পৃথিৱীৰ বহুত প্ৰাচীন জাতিৰ ধৰ্মবিশ্বাসতো এই ধাৰণাৰ উপস্থিতি প্ৰবলভাৱেই আছিল। অৰ্থাৎ মাতৃ, মাটি আৰু মানুহ এই ত্ৰিভুজ লৈয়েই সমাজৰ সৃষ্টি আৰু তাৰ বিৱৰ্তন। আদিম মানুহৰ ওচৰত জগৎমাতা এই শস্য-উদ্ভিদময় পৃথিৱী। আদিম যুগত মাতৃৰ লগতেই আছিল মানুহৰ মূল আৰু প্ৰধান পৰিচয়। পিতৃ পৰিচয় প্ৰায়েই অজ্ঞাত আছিল। এই পৰিপ্ৰেক্ষিতত আদিম মানুহৰ চেতনাত পৃথিৱী আৰু গৰ্ভধাৰিণী মাতৃ সান-মিহলি হৈ একাকাৰ হৈ পৰিছিল। এই চেতনাই পৃথিৱীৰ সকলো দেশতে মানুহৰ সমাজ ভাবনা আৰু ঈশ্বৰ ভাবনাৰ উৎস। পৃথিৱীপূজা সেই ভাবনাৰেই ফলশ্ৰুতি।

হিন্দুসকলৰ দুৰ্গাপূজাত পৃথিৱীৰ এই মাতৃৰূপ আৰু দেৱীৰূপৰ সমন্বয়ৰ অপৰূপ প্ৰকাশ ঘটিছে। সেই প্ৰকাশ দুৰ্গাপূজাৰ আৱশ্যিক অঙ্গ 'নৱপত্ৰিকা' পূজাত। 'নৱপত্ৰিকা'ত থকা নবিধ উদ্ভিদৰ মিলিত বিগ্ৰহ আদ্যাশক্তিৰ প্ৰতীক।

"ব্ৰহ্মাণী কদলীকান্ত দাড়িম্বে ৰক্তদন্তিকা
ধান্যে লক্ষ্মীহৰিদ্ৰায়াং দুৰ্গামানক পত্ৰকে।।
চামুণ্ডা কালিকা কচ্চ্যাং দুৰ্গা শিৱ বিল্বে প্ৰতিষ্ঠিতা।
অশোকে শোকৰহিতা জয়ন্ত্যাং কাৰ্ত্তিকী স্মৃতা।।'

অৰ্থাৎ কদলী বা ৰম্ভাৰ অধিষ্ঠাত্ৰী দেৱী ব্ৰহ্মাণী, দাড়িম্ব বা ডালিমৰ ৰক্তদান্তিকা, ধানৰ লক্ষ্মী, হালধিৰ দুৰ্গা, মানকচুৰ চামুণ্ডা, কচুৰ কালিকা, বেলৰ শিৱা, অশোকৰ শোকৰহিতা আৰু জয়ন্তীৰ কাৰ্ত্তিকী । এই দেৱীসকল প্ৰত্যেকেই দুৰ্গাৰেই একো একোটি ৰূপ, যি দুৰ্গা আকৌ 'নৱপত্ৰিকা'ৰূপে পৃথিৱীদেৱীৰেই অপৰ ৰূপ। এই সকলো হ'ল পৌৰাণিক দুৰ্গাদেৱীৰ সৈতে শস্যদেৱীক সৰ্বতোপ্ৰকাৰে মিলাই লোৱাৰ এক সচেতন

প্ৰচেষ্টা। এই শস্যদেৱী মাতা পৃথিৱীৰেই ৰূপভেদ। গতিকে আমাৰ জ্ঞাতে-অজ্ঞাতে দুৰ্গাপূজাৰ ভিতৰত এতিয়াও সেই আদিমাতা পৃথিৱীৰ পূজা বহুখিনি মিলি আছে।প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে 'চণ্ডী' আৰু 'দেৱী ভাগৱত'ত কোৱা হৈছে দেৱীৰ এক নাম 'শাকম্ভৰী।' ইয়াত শাক শব্দই সকলো প্ৰকাৰৰ শস্যক বুজাইছে। গতিকে 'শাকম্ভৰী' শব্দৰ অৰ্থ যি শাক বা শস্যৰ দ্বাৰা পৃথিৱীক ভৰণ পোষণ আৰু পূৰ্ণ কৰে। দুৰ্গাৰ এই 'শাকম্ভৰী' নামটোৱে দেৱীৰ লগত পৃথিৱীদেৱীৰ একাত্মতা সূচিত কৰে। এই 'শাকম্ভৰী' দেৱীয়েই পৰৱৰ্ত্তী কালৰ 'অন্নপূৰ্ণা' বা 'অন্নদা' নামেৰে দেৱীৰেই অপৰ এক প্ৰকাশৰূপে হিন্দুৰ দেৱীভাবনাত প্ৰৱেশ কৰিছে। 'নৱপত্ৰিকা' প্ৰসঙ্গত কোনো কোনো পণ্ডিতে অনুমান কৰে যে হয়তো কোনো প্ৰদেশত শৱৰাদি জাতি নটা গছৰপাত সন্মুখত ৰাখি 'নৱপত্ৰী' দুৰ্গা প্ৰতিমাৰ কাষত স্থাপন কৰা হৈছিল। নৱৰাত্ৰি উৎসৱ উপলক্ষে নটা গছৰ পাতৰ ব্যৱহাৰৰ পৰা 'নৱপত্ৰিকা'ৰ পূজা হিন্দুসকলৰ দুৰ্গাপূজাত আহি সংযুক্ত হৈ থাকিব পাৰে। 'নৱপত্ৰিকা'ৰ লগত দুৰ্গাৰ সংযোগ অধিক। প্ৰাচীনত্বৰ দাবী কৰিব নোৱাৰে। কাৰণ কোনো প্ৰধান তন্ত্ৰ বা পুৰাণত 'নৱপত্ৰিকা'ৰ উল্লেখ পোৱা নাযায়। পণ্ডিতসকলৰ মতে প্ৰধান প্ৰধান তন্ত্ৰ আৰু পুৰাণসমূহৰ ৰচনা কাল খ্ৰীষ্টিয় চতুৰ্থ শতাব্দীৰ পৰা দ্বাদশ শতাব্দীৰ মাজত। ইয়াৰ পৰা ক'ব পৰা যায় যে 'নৱপত্ৰিকা' আৰু দুৰ্গাৰ সংযোগ খ্ৰীষ্টিয় দ্বাদশ শতাব্দীৰ পিছত ঘটিছে। কালিকাপুৰাণত সপ্তমীত 'নৱপত্ৰিকা' পূজাৰ নিৰ্দেশ আছে। কিন্তু এই পুৰাণৰ ভাষাৰ বিশ্লেষণ কৰিলে তাৰ ৰচনাকাল দ্বাদশ শতাব্দীৰ পিছত বুলি বুজা যায়। পঞ্চদশ শতিকাৰ প্ৰথমৰ ফালে গৌড়ৰ ৰজা গণেশৰ সভাকবি ৰূপে প্ৰসিদ্ধ, জনপ্ৰিয়, প্ৰথম বাংলা ৰামায়ণ প্ৰণেতা কৃত্তিবাসে তেওঁৰ 'ৰামায়ণ'ত 'নৱপত্ৰিকা'ৰ উল্লেখ কৰিছে - "বাঁধিলা পত্ৰিকা নব বৃক্ষের বিলাস।" জনশ্ৰুতি মতে ৰজা গণেশেই মূৰ্তিত পৰিবাৰ সমন্বিতে মহিষাসুৰমৰ্দিনীৰ শাৰদীয় দুৰ্গাপূজাৰ প্ৰৱৰ্তক। অৱশ্যে মূৰ্ত্তিত শৰৎকালত চাৰিদিনব্যাপী সপৰিবাৰে মহিষাসুৰমৰ্দিনীৰ পূজাৰ প্ৰৱৰ্তক ৰূপে ৰাজসাহীৰ তাহিৰপুৰ (অধুনা বাংলাদেশৰ অন্তৰ্গত)ৰ প্ৰৱল পৰাক্ৰমী ভূমাধিকাৰী ৰজা কংসনাৰায়ণৰ নামেই ইতিহাস স্বীকৃত। কৃত্তিবাস সম্পৰ্কেও কোৱা হয় যে, তেওঁ আছিল ৰজা কংসনাৰায়ণৰ সভাকবি। ৰজা কংসনাৰায়ণ আকবৰৰ সম-সাময়িক অৰ্থাৎ ষোড়শ শতাব্দীৰ আছিল। দুৰ্গাপূজাৰ লগত নৱপত্ৰিকাৰ সংযোগ দ্বাদশ শতাব্দীৰ পিছত হ'লেও বৃক্ষ পূজাৰ লগত তথা পৃথিৱীপূজাৰ লগত দেৱীপূজাৰ পুৰণি সম্পৰ্কক নুই কৰিব পৰা নাযায়। কাৰণ, বহু প্ৰাচীন কালৰপৰাই দেৱীপূজাত পূজাৰ ঘটত ডাব নাৰিকল আৰু আমৰ পল্লৱ স্থাপন আৰু পূজাত ধান, দুবৰি আৰু বেলপাতৰ ব্যৱহাৰ শাস্ত্ৰ নিৰ্দেশিত বিধি। এইবিলাকে দেৱীপূজাৰ লগত বৃক্ষ পূজা তথা পৃথিৱী পূজাৰ সম্পৰ্ককো অনিবাৰ্যভাৱে সূচিত কৰে। অগ্নিবৰ্ণা দুৰ্গা স্বয়ং অগ্নিস্বৰূপিনী। প্ৰাচীনকালত বেলকাঠৰ অৰণি (জুই জ্বলোৱা কাঠৰ টুকুৰা) ৰে যজ্ঞাগ্নি প্ৰজ্বলিত কৰা হৈছিল। এই অগ্নি উৎপাদনৰ বা অগ্নিৰ জাগৰণকেই কোৱা হৈছিল 'বোধন।' বেলগছৰ লগত সেয়েহে দুৰ্গাৰ বোধনৰ সম্পৰ্ক। এই বেলগছ 'নৱপত্ৰিকা'ৰ অন্যতম বৃক্ষ। অকল বেলৰ ডালেই নহয় তাৰ লগত এজোৰা বেলফলো 'নৱপত্ৰিকা'ত ৰখা আৱশ্যক। 'নৱপত্ৰিকা'ৰ লগত সংযুক্ত হোৱাৰ আগৰপৰাই বেলগছৰ লগত দেৱীপূজাৰ সম্পৰ্ক যি প্ৰাচীন কালৰেপৰাই বৃক্ষ পূজা তথা পৃথিৱীপূজাৰ স্মাৰক। 'নৱপত্ৰিকা' সম্পৰ্কত পণ্ডিতসকল এটি বিষয়ত

একমত যে 'নৱপত্ৰিকা' আচলতে শস্যদেৱী। এই শস্য বধূকেই দেৱীৰ প্ৰতীক হিচাপে প্ৰথমে পূজা কৰিব লাগে। কাৰণ শাৰদীয় পূজা মুলতঃ শস্যদেৱীৰেই পূজা।

অসম আৰু বঙ্গদেশৰ বাহিৰে ভাৰতৰ অন্যান্য অঞ্চলত আহিন মাহৰ শুক্ল প্ৰতিপদ তিথিৰপৰা নৱমী তিথিলৈ নদিন জুৰি 'নৱৰাত্ৰি' ব্ৰত অনুষ্ঠিত হয়। 'নৱপত্ৰিকা' পূজাৰ লগত 'নৱৰাত্ৰি ব্ৰত'ৰ সম্পৰ্ক থকা অসম্ভৱ নহয়।

তন্ত্ৰমতে 'নৱপত্ৰিকা'ৰ নবিধ গছত কুলযোগিনী সকলে বাস কৰে। সেয়ে 'নৱপত্ৰিকা'ৰ আন এটা নাম 'কুলবৃক্ষা।' দুৰ্গা এই 'কুলবৃক্ষ'ৰ অধিষ্ঠাত্ৰী দেৱী আৰু কুলযোগিনীসকল তেওঁৰ সখী বা সহচৰী অথবা স্বয়ং দেৱী। ৰমাপ্ৰসাদ চন্দই 'কুলবৃক্ষ'ক "totem-tree" বুলি অভিহিত কৰিছে।

'নৱপত্ৰিকা'ৰ ব্ৰহ্মাণী প্ৰমুখ্যে নটা ৰূপৰ কথা আগতেই কোৱা হৈছে। ইয়াৰ উপৰি তন্ত্ৰ আৰু পুৰাণত দেৱীৰ 'নৱশক্তি'ৰ বিভিন্ন নাম পোৱা যায়। 'চণ্ডী'ৰ মতে চণ্ডিকাৰ নটা ৰূপ 'নৱদুৰ্গা' নামে প্ৰসিদ্ধ। এইবিলাক হ'ল- (ক) শৈলপুত্ৰী, (খ) ব্ৰহ্মচাৰিণী, (গ) চন্দ্ৰঘণ্টা, (ঘ) কুষ্মাণ্ডা, (ঙ) স্কন্দমাতা, (চ) কাত্যায়নী, (ছ) কালৰাত্ৰি, (জ)মহাগৌৰী আৰু (ঝ) সিদ্ধিদাত্ৰী।

''চণ্ডী'ত কোৱা হৈছে যে এই 'নৱদুৰ্গা'ৰ নামকৰণ স্বয়ং ব্ৰহ্মাই কৰিছে। মতান্তৰত 'নৱদুৰ্গাৰ নটা পৃথক নামো পোৱা যায়। এই নটা নাম হ'ল— চামুণ্ডা, বাৰাহী, ঐন্দ্ৰী, বৈষ্ণৱী, নাৰসিংহী, শিৱদূতী, মাহেশ্বৰী, কৌমাৰী আৰু ব্ৰাহ্মী বা জগদ্ধাত্ৰী। মহাষ্টমী পূজাত 'নৱঘট' স্থাপনৰ সময়ত দেৱীৰ 'নৱশক্তি'ৰ নামবিলাক হ'ল— উগ্ৰচণ্ডা, প্ৰচণ্ডা, চণ্ডোগ্ৰা, চণ্ডনায়িকা, চণ্ডা, চণ্ডৱতী, চণ্ডৰূপা, অতিচণ্ডিকা আৰু ৰুদ্ৰচণ্ডী।

মতান্তৰত 'নৱদুৰ্গা' বা 'নৱশক্তি' বা 'নৱপত্ৰিকা' ৰ নাম আৰু ৰূপ পৃথক হ'লেও প্ৰত্যেকেই এক আদ্যাশক্তিৰেই ভিন ভিন প্ৰকাশ মাত্ৰ। তেওঁলোকৰ কেৱল ৰূপ আৰু নামৰহে ভেদ, সত্ত্বা আৰু শক্তিৰ নহয়। বিষয়টোত পণ্ডিত আৰু ঐতিহাসিক সকলৰ মাজত মতানৈক্যৰ অৱকাশ থাকিলেও সাধকৰ সাধনা আৰু উপলব্ধিত কোনো মত-বিৰোধ নাই। সেয়ে দুৰ্গাৰ লগত পৃথকভাৱে পূজিত হ'লেও সাধকৰ দৃষ্টিত দুৰ্গা আৰু 'নৱপত্ৰিকা'স্বৰূপত এক আৰু অভিন্ন। শাস্ত্ৰৰ দৃষ্টিকোণৰ পৰাও এয়া একেই।

বৃক্ষপূজা বা পৃথিৱীপূজাক কেন্দ্ৰ কৰি যি পৰমা প্ৰকৃতিৰ আৰাধনা আদিম মানুহে এদিন আৰম্ভ কৰিছিল সহস্ৰ সহস্ৰ বছৰ ধৰি কালৰ পথপৰিক্ৰমাত দুৰ্গা বা মহিষাসুৰমৰ্দিনীৰ পূজাত সেয়া অৱশেষত সৰ্বোত্তম পৰিণতি লাভ কৰিছে। সেই মহাপূজাত বিশেষ গুৰুত্বপূৰ্ণ তাৎপৰ্য পাইছে 'নৱপত্ৰিকা'ৰ পূজা যাৰ মাজত আছে মানুহৰ আদি বৃক্ষ-উপাসনা আৰু পৃথিৱী পূজাৰ প্ৰত্যক্ষ সম্পৰ্ক বিৱৰ্তনৰ ধাৰাত এই সম্পৰ্কৰ মাজত নিহিত হৈ আছে যেন মানুহৰ শিপালৈ ঘূৰি যোৱাৰ টান বা তাগিদা। কবিৰ ভাষাত 'ফিৰে চল মাটিৰ টানে।' 'নৱপত্ৰিকা' পূজাত যেন সেই 'মাটিৰ টানে' ঘূৰি অহাৰ আকুতি আৰু আকাংক্ষাই অভিব্যক্ত হৈছে। মাটি বা মৃত্তিকাৰ বুকুত বিয়পি থকা বীজৰপৰা উদ্ভূত হয় নতুন উদ্ভিদৰ অঙ্কুৰ। এই অঙ্কুৰৰ পৰাই জন্ম হয় বৃক্ষ, লতা, গুল্ম, ঔষধি আৰু শস্য। সেয়ে মৃত্তিকাৰ অধিষ্ঠাত্ৰী দেৱী' পৃথিৱীক কোৱা হয়- "Vegetation Spirit" বা "Vegetation Deity" বা

উদ্ভিদ দেৱী। মাটি আৰু বৃক্ষলতাদি নৱজীৱনৰ প্ৰতীক। শাৰদীয় দুৰ্গা পূজাই আজিও যিদৰে নৱপ্ৰাণৰ উন্মেষ আৰু নৱচেতনাৰ জাগৰণ ঘটায়, সেইদৰে নৱপত্ৰিকাসহ দুৰ্গাপূজা সামগ্ৰিকভাৱে প্ৰকৃতিৰ বুকুত নৱশক্তি আৰু নৱজীৱনৰ আশ্বাসৰ বাৰ্তাবহ। সেয়ে শাৰদীয় দুৰ্গা পূজা আৰু তাৰ আৱশ্যিক অঙ্গ 'নৱপত্ৰিকা' পূজা অকল ধৰ্মীয় আৰু আধ্যাত্মিক ফালৰপৰাই নহয়, নৃতত্ব, সমাজবিজ্ঞান আৰু কৃষিবিজ্ঞানৰ ফালৰপৰাও গভীৰ তাৎপৰ্যপূৰ্ণ। হিন্দু ঐতিহ্যত 'নৱপত্ৰিকা' পূজা তথাকথিত জড় আৰু চৈতন্যৰ সেতুবন্ধনৰে প্ৰতীক। বৈদিক যুগৰ পৰাই হিন্দু ঐতিহ্যত জড় আৰু চৈতন্যৰ অভিন্নতা স্বীকৃত। বৰ্তমান বিজ্ঞানেও ইয়াক মানি লৈছে। উদ্ভিদ যে প্ৰাণৱান, এই কথা আজি বিজ্ঞান প্ৰমাণিত। বিজ্ঞানৰ স্বীকৃতিৰ সহস্ৰ সহস্ৰ বছৰ আগতেই আমাৰ প্ৰাচীন পূৰ্বপুৰুষ সকলৰ আধ্যাত্মিক উপলব্ধিত সেয়া প্ৰতিভাত হৈছিল। 'নৱপত্ৰিকা' পূজাত দেখা পোৱা যায় সেই উপলব্ধিৰেই মূৰ্ত প্ৰকাশ।

●●●

# কামাখ্যা মন্দিৰ আৰু অম্বুবাচী মেলা

**তপোধন দাস**

'কালিকা পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ' মতে কামাখ্যাৰ দেৱীপূজা অতীজৰ এক 'কীৰাট' বংশীয় পৰম্পৰা। ইতিহাসবিদৰ মতেও অতীজতে খাচী আৰু গাৰো জনজাতিয়ে 'কেমেইখা' দেৱীক কৰা বলিপূজাৰ স্থান কামাখ্যা। খ্ৰীষ্টীয় ৩৫০ ৰ পৰা ৬৫০ লৈকে কামৰূপ ৰাজ্যৰ বৰ্মন বংশীয় ৰাজতন্ত্ৰই সেই সময়ত বলিপূজাৰে প্ৰভাৱান্বিত কামাখ্যাৰ অন্তৰ্ভাগত হস্তক্ষেপ নকৰাকৈ এৰাই চলিছিল; আনকি সপ্তম শতিকাত অহা চীনা পৰিব্ৰাজক জুৱাংজাঙেও একে কাৰণতে কামাখ্যা পৰিদৰ্শন নকৰাকৈ উভতিছিল। নৱম শতিকাত শোণিতপুৰত উদ্ধাৰ হোৱা বান-মালা-বৰ্ম-দেৱ ফলকৰ তথ্যমতে কামাখ্যাত অতীজৰ দেৱীপূজাৰ মন্দিৰ ম্লেছবংশীয় ৰজাই নিৰ্মাণ কৰিছিল। ইন্দ্ৰপালৰ পৰা ধৰ্মপালৰ ৰাজত্বলৈকে পালবংশীয় ৰজাসকলেও কামাখ্যাত প্ৰচলিত 'তান্ত্ৰিক' শক্তিত বিশ্বাস কৰিছিল। দশম শতিকাত ৰচিত কালিকা পুৰাণে কামাখ্যাৰ তান্ত্ৰিক আৰু দৈৱিক বিশ্বাসৰ শক্তিক গুৰুত্ব প্ৰদান কৰাত অনেক বৌদ্ধ ভিক্ষুৱেও কামাখ্যাত মন্ত্ৰ জপ কৰিছিলহি। সম্বলিত তথ্যই দশম আৰু একাদশ শতিকাত তীব্ৰতত থকা কিছুসংখ্যক বৌদ্ধ-অধ্যাপক কামাখ্যা বংশধৰ বুলিও ঠাৱৰ কৰিছে।

১৪৯৮ খ্ৰীষ্টাব্দৰ কমতাবংশীয় ৰাজত্বৰ দিনত মোগল ৰজা হুছেইন ছাহৰ আক্ৰমণে ম্লেছবংশীয় ৰজাই নিৰ্মাণ কৰা কামাখ্যাৰ তান্ত্ৰিক শক্তিপূজাৰ মন্দিৰটো ধ্বংস কৰি থৈ যোৱাৰ পিছত ১৫১৫ ৰ পৰা ১৫৪০ খ্ৰীষ্টাব্দৰ ভিতৰত কোচবংশীয় ৰজা বিশ্বসিংহই মন্দিৰৰ পূজা-প্ৰথা পুনৰুদ্ধাৰ কৰে আৰু ১৫৪০ ৰ পৰা ১৫৮৭ খ্ৰীষ্টাব্দৰ ভিতৰত নৰনাৰায়ণৰ উদ্যোগত সেনাপতি চিলাৰায়ৰ তত্ত্বাৱধানত বৰ্তমানৰ

কামাখ্যা মন্দিৰটি পুনৰ্নিৰ্মাণ কৰা হয়। ১৬৮১ খ্ৰীষ্টাব্দৰ ‘ইটাখুলী’ৰ ৰণত শাক্ত পন্থা বিশ্বাসী আহোম ৰজা জয়ধ্বজ সিংহই কোচ-ৰজাক হৰুৱাই কামৰূপ নিজৰ দখললৈ আনে আৰু কামাখ্যাৰ শক্তি পূজা পৰিবৰ্দ্ধন কৰিবলৈ পৰৱৰ্তী আহোম ৰজা ৰুদ্ৰসিংহই নদীয়া জিলাৰ পৰা কৃষ্ণৰাম ভট্টাচাৰ্য নামে মহন্ত এজনক নিমন্ত্ৰণ কৰি আনি ‘পৰ্বতীয়া গোঁসাই’ উপাধি প্ৰদান কৰি নীলাচল পাহাৰত কামাখ্যাৰ শক্তি পূজা অব্যাহত ৰখাৰ দায়িত্ব অৰ্পণ কৰে। বৰ্তমান কামাখ্যাৰ পূজাৰীবৃন্দ সেই পৰ্বতীয়া গোঁসাইৰে বংশধৰ বুলি এক ঐতিহাসিক সূত্ৰই মত পোষণ কৰে।

অৱশ্যে হিন্দুধৰ্মীয় বিশ্বাসমতে প্ৰেমৰ দেৱতা কামদেৱৰ নাম অনুসাৰে ‘কামাখ্যা’ নাম অভিহিত হ’ল। তাৰ আগেয়ে শিৱ-পত্নী সতীয়ে তেওঁৰ পিতৃৰ আয়োজিত যজ্ঞস্থলত শিৱক কৰা ঘোৰ অপমান সহ্য কৰিব নোৱাৰি প্ৰাণ আহুতি দিয়াত শিৱই ক্ৰোধান্বিত হৈ ‘তাণ্ডৱ নৃত্য’ৰে ধ্বংসৰ সূচনা কৰে আৰু সতীৰ প্ৰাণহীন দেহ লৈ জগত ভ্ৰমণৰ আকাশী যাত্ৰা আৰম্ভ কৰে। সেই সন্ধিক্ষণত বিষ্ণুৱে সুদৰ্শন চক্ৰৰে সতীৰ দেহ ১০৮ টা খণ্ডত ছিন্ন কৰে; খণ্ডসমূহ ধৰাৰ যি যি স্থানত নিক্ষিপ্ত হয় তাৰ ভিতৰত সতীৰ যোনী অংশ আহি কামাখ্যাত পৰেহি। এই ১০৮ স্থানৰ প্ৰতিটো একোটা শক্তি পীঠ বুলি অভিহিত হয়; কামাখ্যাও এক শক্তিপীঠ।

এই ঘটনাৰ আগলৈকে ঋষিৰ ক্ৰোধত অভিশপ্ত প্ৰেমৰ দেৱতা কামদেৱ নপুংসক হৈ মৰ্ত্যত কটাব লগা হৈছিল যদিও বিধান আছিল যে সতীৰ এই ঘটনাৰ পিছত তেওঁৰ নিক্ষিপ্ত যোনীঅংশ উদ্ধাৰ কৰি সেই স্থানত শক্তি-সাধনাৰ মন্দিৰ স্বয়ং বিশ্বকৰ্মা দেৱৰ হতুৱাই নিৰ্মাণ কৰোৱাব লাগিব, তেতিয়াহে তেওঁ অভিশাপ মুক্ত হ’ব পাৰিব।

গতিকে ঘটনা সংঘটনৰ প্ৰতীক্ষাত থকা কামদেৱে তৎক্ষণাত সতীৰ নিক্ষিপ্ত যোনীঅংশ উদ্ধাৰ কৰে, বিশ্বকৰ্মাক অনুৰোধ কৰি নিক্ষিপ্ত স্থানত মন্দিৰ নিৰ্মাণৰ কাম সম্পন্ন কৰে, ‘কামাখ্যা’ নামেৰে মন্দিৰ মুকলি কৰে আৰু দেৱীৰ শক্তি পূজা উদ্‌যাপনৰ দিহাপৰামৰ্শ দি অভিশাপ মুক্ত হৈ নিজৰ স্বৰ্গৰাজ্যলৈ ওভতে।

বিশ্বাস মতে আহাৰ মাহতে দেৱী অশুচি (menstruation) হয়, ৩ দিন পৰ্য্যন্ত দেৱী-মন্দিৰ বন্ধ ৰখা হয় আৰু এই সময়ছোৱাত হোৱা দেৱীৰ ৰক্তক্ষৰণ কাযেদি বৈ যোৱা ব্ৰহ্মপুত্ৰৰ পানীত মিহলি হয়। এই সময়ছোৱা ‘অম্বুবাচী’ নামেৰে অভিহিত হৈ আহিছে আৰু ভক্তসকলে এই সময়ছোৱাত উপবাসে থাকে। ৰক্তক্ষৰণ স্থানত আগতীয়াকৈ বস্ত্ৰ ৰখা হয় আৰু শেষৰ দিনা সেই বস্ত্ৰাংশ ভক্তসকলৰ মাজত বিতৰণ কৰা হয় আৰু দেৱী দৰ্শনৰ বাবে মন্দিৰ খোলা হয়; সেই দিনটো ভক্তসকলৰ বাবে অত্যন্ত মহত্ত্বপূৰ্ণ বুলি বিবেচিত। অতিৰিক্ত বিশ্বাস মতে, এই মন্দিৰ স্থানতে শিৱই সতীক পত্নীৰূপে গ্ৰহণো কৰিছিল।

উল্লেখ্য যে হিন্দু সমাজত প্ৰচলিত ‘শৈৱ’ ‘বৈষ্ণৱ’ আৰু ‘শাক্ত’ - এই তিনিবিধ পূজা-ৰীতিৰ ভিতৰত কামাখ্যা আদি শক্তিপীঠ সমূহত প্ৰচলিত ‘শাক্ত’ ৰীতিয়েই আটাইতকৈ প্ৰাচীন। ৰীতি সমূহ বৈজ্ঞানিক ভিত্তি সম্পন্ন বুলি ঠাৱৰ কৰিব পৰা তথ্য মজুত অৱস্থাত পোৱা নাযায়।

●●●

# ‘অকণিৰ মেল’ লৈ যোৱা দিনবোৰ

**পংকজ কুমাৰ নেওগ**

১৯৬৭ চনৰ মাৰ্চ মাহত দেউতা নগাঁৱৰ পৰা গুৱাহাটীলৈ বদলি হৈ অহাত আমি আটাইবোৰ পূৱ শৰণীয়াৰ আমাৰ নতুন ঘৰটোত থাকিবলৈ ল'লোঁ। দেউতাই মোক ঘৰৰ ওচৰৰে পূৱ শৰণীয়া নিম্ন প্ৰাইমেৰী বিদ্যালয়ত নাম লগাই দিছিল। স্কুলখন আছিল তেনেই সৰু; এটা দীঘলীয়া কোঠা পাঁচটা ভাগত ভগাই ‘ক’ শ্ৰেণীৰ পৰা ‘তৃতীয়’ শ্ৰেণীলৈ পাঠদান দিয়া হৈছিল। শ্ৰেণীবোৰৰ মাজত কোনো আঁৰ বেৰ নাছিল আৰু দুগৰাকী শিক্ষকে সমান্তৰালভাৱে আটাইকেইটা শ্ৰেণীৰ তদাৰক কৰিছিল। নগাঁৱৰ মহেন্দ্ৰ বৰুৱা প্ৰাইমেৰী স্কুলৰ পৰা আহি এটা আচহুৱা পৰিৱেশত পৰিলোঁ। দেউতাই হয়তো ভাবিছিল যে যেনে তেনে বছৰটো পাৰ কৰিলে মোৰ হাইস্কুললৈ যোৱাৰ সময় হ'ব। বছৰৰ সেই সময়ত বেলেগ স্কুলবোৰত নামভৰ্তি কৰিবলৈ দিলেহেঁতেন নে নাই নাজানো; খোজকাঢ়ি অহা-যোৱা কৰিবলৈ ঘৰৰ পৰা স্কুলৰ দূৰত্বও এটা বিচাৰ্য বিষয় আছিল। পূৱ শৰণীয়া প্ৰাইমেৰী স্কুলখনত নপঢ়াহেঁতেন হয়তো দক্ষিণ শৰণীয়া বা নিজৰাপাৰ প্ৰাইমেৰী স্কুলত পঢ়িবলগীয়া হ'লহেঁতেন আৰু দুয়োখনেই আছিল আমাৰ ঘৰৰ পৰা কিছু নিলগত। তৃতীয় শ্ৰেণীত আছিল পাঁচ গৰাকী ছোৱালী আৰু মই একমাত্ৰ ল'ৰা। দৰাচলতে বছৰৰ আৰম্ভণিতে আৰু দুজন ল'ৰা আছিল কিন্তু বিভিন্ন কাৰণবশতঃ সিহঁতে স্কুল এৰিবলগীয়া হৈছিল।

লাহে লাহে স্কুলখনৰ বহুতো ল'ৰা-ছোৱালীৰ সৈতে মোৰ বন্ধুত্ব স্থাপন হৈছিল আৰু আমি ‘অশোক মইনা পাৰিজাত’ নাম দি এটা মইনা পাৰিজাত অনুষ্ঠান খুলিছিলোঁ। চুবুৰীটোৰ আমি প্ৰায় ৬-৭ গৰাকী ল'ৰা-ছোৱালী মিলি প্ৰতি দেওবাৰে আকাশবাণী গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ‘অকণিৰ মেল’ অনুষ্ঠানলৈ গৈছিলোঁ। অনাতাঁৰ কেন্দ্ৰটো পূৱ শৰণীয়াৰ পৰা বেছি দূৰৈত নহয়; আমাৰ ঘৰৰ পৰা খোজকাঢ়ি গ'লে খুব বেছি ২০ মিনিটমান সময় লাগিছিল। দেওবাৰে ৯.০০ বজাত আঞ্চলিক বাতৰি শেষ হোৱাৰ লগে লগে ‘অকণিৰ মেল’ অনুষ্ঠান আৰম্ভ হৈ ৯.৩০ বজাত শেষ হৈছিল। আমি সকলোবোৰ কিন্তু পুৱা ৮.৩০ মান বজাতে গৈ অনাতাঁৰ কেন্দ্ৰত উপস্থিত হৈছিলোঁ। ষ্টুডিঅ'লৈ সোমোৱা সদৰ দুৱাৰখনৰ বাহিৰত কৰিড'ৰটোৰ দুয়োফালে ল'ৰা-ছোৱালীবোৰে শাৰী পাতিছিলোঁ আৰু বাইদেউ এগৰাকী আহি আমাক এজন এজনকৈ সেইদিনাৰ ‘অকণিৰ মেল’ত কি পৰিৱেশন কৰিব খুজিছোঁ সুধি গৈছিল। এইখিনি সময়েই আমাৰ বাবে আছিল অতি উৎকণ্ঠাৰ সময়। গীত পৰিৱেশন কৰিব খোজাসকলে বাইদেউক গানৰ দুফাকিমান আৰু আবৃত্তি কৰিব খোজাসকলে কবিতাৰ দুশাৰীমান শুনাব লাগিছিল নতুবা প্ৰশ্ন বা সাঁথৰ সুধিব খোজাসকলে সেইবোৰ বাইদেউক কৈ শুনাব লাগিছিল। ‘অকণিৰ মেল’ অনুষ্ঠানটো যদিও ৩০ মিনিটৰ আছিল, ষ্টুডিঅ'ত উপস্থিত থকা অকণিহঁতক গীত-মাত, কবিতা ইত্যাদি ৰেডিঅ'ত পোনপটীয়াকৈ

পৰিৱেশন কৰিবলৈ মাত্ৰ শেষৰ ৬-৭ মিনিটমানহে সময় দিয়া হৈছিল। স্বাভাৱিকতে উপস্থিত থকা অকণিহঁতৰ মাজত মাত্ৰ কেইজনমানেহে 'অকণিৰ মেল'ত দুশাৰীমান নিজৰ গীত-মাত, কবিতা আবৃত্তি ইত্যাদি প্ৰচাৰ কৰিবলৈ সফল হৈছিল। যিটো দেওবাৰে 'অকণিৰ মেল'ত ৰেডিঅ'ত কিবা এটা কৰিবলৈ সুযোগ পাইছিলোঁ সেইদিনা বিশ্ববিজয় কৰাৰ দৰে অনুভৱ হৈছিল। নিজ কণ্ঠৰ নিৰ্গত গীত-মাত বা আবৃত্তি ৰেডিঅ'ৰ মাধ্যমেৰে সমগ্ৰ অসমত প্ৰচাৰ হৈছে আৰু লাখ লাখ মানুহে শুনা পাইছে তাকে ভাবিয়েই ৰোমাঞ্চিত হৈছিলোঁ। সকলোতকৈ গৌৰৱৰ কথা যে পৰিৱেশনৰ অন্তত আমাক নিজৰ নামটোও প্ৰচাৰ কৰিবলৈ দিছিল। গুৱাহাটীৰ বাহিৰৰ পৰা অহা সকলে নিজৰ নাম আৰু কোনখন চহৰৰ পৰা আহিছে দুয়োটা ক'বলৈ সুযোগ পাইছিল।

৯ বাজিবলৈ পাঁচ মিনিটমান থাকোঁতে আমাক ষ্টুডিঅ'ৰ ভিতৰলৈ সোমাবলৈ দিছিল আৰু আমি লৰা-ঢপৰাকৈ 'অকণিৰ মেল' অনুষ্ঠিত হোৱা কোঠাটোত প্ৰৱেশ কৰিছিলোঁ। আমি আটাইবোৰে শব্দৰোধী ডাঙৰ কোঠা এটাৰ মজিয়াত বহিছিলোঁ। বাইদেউ বহা ঠাইখিনিৰ সন্মুখৰ মজিয়াত 'মাইক' এটা আছিল আৰু আমি যিসকল অকণিয়ে ৰেডিঅ'ত কিবা এটা কৰি শুনাবলৈ উত্তীৰ্ণ হৈছিলোঁ বাইদেউৰ সন্মুখতে মাইকটোৰ আশে-পাশে বহিছিলোঁ। বাকীসকল কোঠাটোৰ পিছলৈ বহিছিল। 'অকণিৰ মেল'ত গড়ে প্ৰায় ২০-২৫ গৰাকী অকণিৰ সমাৱেশ ঘটিছিল। অনুষ্ঠানত অকণিহঁতৰ বাবে পূৰ্বতে বাণীবদ্ধ কৰি থোৱা গীত, নানাধৰণৰ কাহিনী, দূৰৈৰ অকণিহঁতৰ চিঠি-পত্ৰ ইত্যাদি পঢ়ি শুনোৱা হৈছিল কিন্তু ৰেডিঅ'ত পৰিৱেশন কৰিবলৈ সুযোগ পোৱাসকলে শেষৰ ৬-৭ মিনিটৰ বাবেহে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল। স্কুলৰ গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত মেললৈ অসমৰ বিভিন্ন ঠাইৰ অকণিহঁতৰ যথেষ্ট সমাগম ঘটিছিল; সম্ভৱতঃ গুৱাহাটীত থকা অঙহী-বঙহীসকলৰ ঘৰলৈ ফুৰিবলৈ আহি বহুতে অকণিৰ মেললৈ অহাৰ অভিজ্ঞতাও ল'ব বিচাৰিছিল। দূৰৈৰ পৰা অহা এনে অকণিসকলে ৰেডিঅ'ত গীত-মাত প্ৰচাৰ কৰিবলৈ অগ্ৰাধিকাৰ পাইছিল। 'মৰমৰ অকণিহঁত, আজি আমাৰ সময় হৈ আহিল- গতিকে এইখিনিতে সকলোকে প্ৰীতি-শুভেচ্ছা জনাই আজিৰ অনুষ্ঠান সামৰিছোঁ'- এই বুলি ৯.৩০ত বাইদেৱে মোখানি মৰাৰ লগে লগে আমি 'বাইদেউ যাওঁ, বাইদেউ যাওঁ' বুলি চিঞৰ-বাখৰ কৰি কোঠা আৰু ষ্টুডিঅ'ৰ বাহিৰলৈ ওলাই আহিছিলোঁ। আমাৰ সময়ছোৱাত ফুল বৰা আৰু মনোমতী বৰা বাইদেউহঁতক 'অকণিৰ মেল' অনুষ্ঠানৰ বাইদেউ ৰূপে পাইছিলোঁ। দুয়োগৰাকী বৰ সাদৰী আছিল। আমি গুৱাহাটী আহি পোৱাৰ পূৰ্বে চেনেহী বেগম বাইদেৱে অনুষ্ঠানটো পৰিৱেশন কৰিছিল।

মই পোনপ্ৰথমবাৰৰ বাবে 'অকণিৰ মেল'লৈ যোৱা দিনাই ৰেডিঅ'ত কবিতা এটা আবৃত্তি কৰিবলৈ সুযোগ পাইছিলোঁ, কবিতাটি আছিল এনে ধৰণৰ—

"মই হ'ম গদাপাণি সিংহ পৰাক্ৰম
বিনাশিম দেশ বৈৰী ভিৰু নৰাধম
ভিখাৰিণী জননীৰ চকুলো বাগৰে
দলিম কৌৰৱ দল ধুমুহাৰ দৰে

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

মেলা কেশ দীনাৰেশ নাথাকিম চাই
হ'বই লাগিব মোৰ ৰাজৰাণী আই
গৰজি উঠিম মই কৰি সিংহনাদ
ওপৰৰ দেৱতাই দিব আশীৰ্বাদ।"

কবিতাফাকি কোনে লিখা মোৰ মনত নাই কিন্তু সৰুৰে পৰা মায়ে আমাক শিকাইছিল আৰু ই মনত নিগাজীকৈ ঠাই লৈছিল। প্ৰথম প্ৰচেষ্টাতে সফল হৈ মনত বৰ ৰং লাগিছিল। বাইদেউ আৰু ককাইদেউহঁতেও ৰেডিঅ'ত মোৰ আবৃত্তিটো শুনা পাইছিল। ৰংমনেৰে অকণিমেলৰ পৰা ঘৰ আহি পোৱাৰ পাছতহে কেণা লাগিল! সকলোৱে মোক দেখা পাই ফিচিঙা-ফিচিঙি কৰিবলৈ ধৰিলে। কোনো কাৰণ নোহোৱাকৈ মোক তেনেকৈ হঁহা দেখি মোৰ বৰ খং উঠিল। 'কি হ'ল, কিয় তহঁত আটাইবোৰে মোক দেখি হাঁহিব ধৰিছ' এই বুলি চিঞৰি সুধিলোঁ। তাকে শুনি সকলোৱে আৰু এবাৰ গিৰ্জনি মাৰি হাঁহিলে। অৱশেষত ককাইদেৱে মাত লগালে— 'পোৱালি, তোৰ গুৱাহাটীলৈ অহা কেইদিননো হৈছে অ'? এই কেইদিনতে দেখোন তোৰ মাত-কথা, উচ্চাৰণ, ভংগী একেবাৰে কামৰূপীয়া লোকৰ দৰে হ'ল! ৰেডিঅ'ত তোৰ আবৃত্তি শুনি থাকোঁতে কোনোবা অন্য ল'ৰাই কৰা যেনহে লাগিল!' গতিকে কথা আছিল সেইটো! স্থানীয় স্কুল এখনত পঢ়ি আৰু স্থানীয় ল'ৰা-ছোৱালীবোৰৰ সৈতে মিলি-জুলি যদি মোৰ কথন ভংগী (Accent) স্থানীয় ল'ৰাৰ দৰে হৈ পৰিছিল তেনেহ'লে মোৰ দোষ কি? ঘৰৰ নুমলীয়া বুলি ককাইদেউ-বাইদেউহঁতে যেনেকৈ মোক মৰম কৰিছিল তেনেকৈ সুবিধা পালে জোকাই নগুৰ-নাগতিও কৰিছিল!

'অকণিৰ মেল'লৈ যোৱাৰ আৰু এদিনৰ কাহিনী। মই তেতিয়া চতুৰ্থমানৰ ছাত্ৰ। সেইদিনা ফুল বৰা বাইদেৱে মেল পৰিচালনা কৰাৰ কথা। ৰেডিঅ'ত কোনে কি পৰিৱেশন কৰিব বাইদেৱে এজন এজনকৈ নিয়ম মাফিক সুধি পৰীক্ষা কৰি গৈ আছিল। মোৰ আগৰজন ল'ৰাৰ নাম আছিল মনোজ; আমি একেখন স্কুলৰ একেটা শ্ৰেণীত পঢ়িছিলোঁ কিন্তু আমাৰ শাখা আছিল বেলেগ। দুৰ্ভাগ্যবশতঃ সেইদিনা 'অকণিৰ মেল'ত মনোজক একো কৰিবলৈ নিদিলে। মনোজৰ পাছতেই মোৰ পাল পৰাত মই কবিতা এটা আবৃত্তি কৰিম বুলি ক'লোঁ আৰু বাইদেৱে কবিতাটোৰ কেইশাৰীমান আবৃত্তি কৰি শুনাবলৈ দিলে। মাত্ৰ কেইদিনমানৰ আগেয়ে আমি সকলোৱে বাৰ্ষিকভাৱে প্ৰকাশিত স্কুলৰ আলোচনীখন পাইছিলোঁ আৰু আলোচনীখনত ড° অঞ্জনজ্যোতি চৌধুৰীয়ে ৰচনা কৰা কবিতা এটা প্ৰকাশ পাইছিল। অঞ্জনদা আমাতকৈ কেই শ্ৰেণীমান ওপৰত পঢ়িছিল। যিমান দূৰ মনত পৰে কবিতাটোৰ প্ৰথম কেইশাৰীমান আছিল এনেধৰণৰ—

'মই এই ভাৰতৰ সীমান্তৰ প্ৰহৰী
নাই মোৰ ল'বলৈ অকণো আহৰি
দেশৰ কাৰণে মই জীৱন কৰিছোঁ পণ
কদাপি নাযাও মই কৰ্তব্য পাহৰি।'

এই কবিতাটিৰ কেইশাৰীমান গাই বাইদেউক শুনাবলৈ পালোঁহে, কাষত থকা মনোজে তীব্ৰ প্ৰতিবাদ

কৰি চিঞৰি উঠিল—‘বাইদেউ, এই কবিতাটো আমাৰ স্কুলৰ আলোচনীত অলপতে প্ৰকাশ পাইছে কিন্তু কবিতাটো বেলেগে লিখা। ই (মোলৈ আঙুলি টোঁৱাই) কেনেকৈ আবৃত্তি কৰিব পাৰে?’ লগে লগে ফুল বাইদেৱে মনোজক ধমক এটা দি ক’লে— ‘এওঁ কবিতাটো আবৃত্তি কৰিবহে বিচাৰিছে, নিজে ৰচনা কৰা বুলিতো ক’বলৈ যোৱা নাই। কবিতা এটাৰ ৰচক যিয়েই নহওক, কবিতাটো আবৃত্তি কৰাৰ অধিকাৰ সকলোৰে আছে। এইটো এটা সুন্দৰ দেশপ্ৰেমমূলক কবিতা।’ লগে লগে ‘অকণিৰ মেল’ত কবিতাটো আবৃত্তি কৰিবলৈ অনুমতি পাইছিলোঁ। মনোজ সেইদিনা সকলোৰে আগত ভেচভেচীয়া হ’ব লগাত পৰিছিল।

আৰু এদিনৰ কথা! ‘অকণিৰ মেল’ শেষ হোৱাৰ পাছত আমি ঘৰা-ঘৰি যাবলৈ ওলাইছোঁ; ষ্টুডিঅ’ৰ দুৱাৰখনৰ বাহিৰত খুলি থোৱা জোতা-মোজা পিন্ধাত আমি ব্যস্ত। এনেতে অনাতাঁৰ কেন্দ্ৰৰ বিষয়া এজন আহি আমাক ক’লেহি— ‘তোমালোকৰ ৬-৭জন মান কিছু সময়ৰ বাবে ষ্টুডিঅ’ত থাকি যোৱাচোন; আমি এখন ৰেডিঅ’ত প্ৰচাৰ হ’বলগীয়া নাটকৰ বাণীবন্ধন কৰিব লাগে। তোমালোকেও সেই নাটকখনত ভাগ ল’ব পাৰিবা!’ নাটকত ভাগ ল’ব পাৰিম বুলি শুনি মনত বৰ ৰং লাগিল। বোধকৰো আমি চাৰিজন ল’ৰা আৰু তিনিজনী ছোৱালী আছিলোঁ। আমাক এইবাৰ ষ্টুডিঅ’ৰ অইন এটা কোঠালৈ লৈ যোৱা হ’ল। কোঠাটো গোলাকৃতিৰ আছিল আৰু বৰ ওখকৈ চুঙা এটাৰ দৰে আছিল। আমাক লৈ যোৱা হৈছিল এটা ‘প্ৰতিধ্বনি কোঠা’ বা ‘ইক’ ৰুম’ (Echo Room)লৈ। নিৰ্দেশকগৰাকীয়ে আমাক নিৰ্দেশ দিলে— ‘এতিয়া বাইদেউ এগৰাকী আহি কিতাপৰ শাৰী কেইটামান পঢ়িব আৰু প্ৰতিটো শাৰী পঢ়ি অঁতোৱাৰ পাছত তোমালোকেও লগে লগে চিঞৰি আওৰাই যাবা। ভাবি লোৱা, তোমালোক স্কুলতে আছা আৰু বাইদেউগৰাকী শ্ৰেণীত সোমোৱাৰ আগেয়ে সঁচা-সঁচিকৈ তোমালোকে যিদৰে শ্ৰেণীত চিঞৰ-বাখৰ কৰি থাকা তেনেদৰে হুলস্থুল কৰি থাকিবা।’ আমি ভালকৈয়ে চিঞৰ-বাখৰ কৰি শ্ৰেণীৰ পৰিৱেশ এটা সৃষ্টি কৰিলোঁ। হঠাতে বাইদেউগৰাকী শ্ৰেণীত প্ৰৱেশ কৰাৰ লগে লগে সকলোবোৰ হুলস্থুল কাঁহ পৰি জীণ যোৱাদি হ’ল। এইবাৰ বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক সম্ভাষণ জনাই দিনটোৰ পাঠ আৰম্ভ কৰিলে— ‘সদায় সত্য কথা ক’বা’, ‘পিতৃ-মাতৃক ভক্তি কৰিবা’, ‘দুখীয়া-নিচলাক সহায় কৰিবা’ ইত্যাদি ইত্যাদি। বাইদেৱে কৈ যোৱা প্ৰত্যেকটো বাক্যৰ লগে লগে আমিও সমস্বৰে চিঞৰি চিঞৰি আওৰাই গৈছিলোঁ। ৰেডিঅ’ত সম্প্ৰচাৰিত হ’বলগীয়া নাটকখনত সেইটোৱেই আছিল আমাৰ ভূমিকা। সেইখিনি কথাকে তিনিবাৰ ৰিহাৰ্চেল কৰি চতুৰ্থবাৰত অন্তিম বাণীবদ্ধ কৰা হৈছিল। বাইদেউৰ লগে লগে আমি চিঞৰি কৈ যোৱা বাক্যবোৰ ‘প্ৰতিধ্বনি’ৰ পটভূমিত বাণীবদ্ধ কৰিছিল; ভাব হৈছিল যেন সঁচাকৈয়ে স্কুল এখনৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলে চিঞৰি চিঞৰি পঢ়া পাঠ দূৰলৈকে উটি-ভাহি আহিছে। সফলতাৰে বাণীবদ্ধ হৈ যোৱাৰ পাছত নিৰ্দেশকজনে আমাক নিজৰ নিজৰ নামবোৰ ক’বলৈ দি সেইখিনিও টেপ ৰেকৰ্ডাৰত ধৰি ৰাখিলে আৰু ক’লে— ‘তোমালোক সকলোকে ধন্যবাদ; বৰ ধুনীয়াকৈ কামখিনি কৰিলা। এতিয়া সকলোৱে ঘৰা-ঘৰি যোৱা আৰু অহা মঙলবাৰে নিশা ৭.৩০ বজাত নাটকখন ৰেডিঅ’ত শুনিবা। তোমালোকৰ নামবোৰো কৈ দিয়া হ’ব। অধীৰ আগ্ৰহেৰে বৈ বৈ মঙলবাৰে নিশা নাটকখন শুনিলোঁ; জীৱন সংঘৰ্ষত জৰ্জৰিতা এগৰাকী অকলশৰীয়া স্কুল শিক্ষয়িত্ৰীৰ কাহিনী আছিল। আমি দেওবাৰে

ষ্টুডিঅ'ত কৰা স্কুলৰ চিত্ৰপটটোও যথাসময়ত নাটকত ওলাল কিন্তু যিটো কাৰণে আশাৰে কাণপাতি ৰৈ আছিলোঁ সেই আশাতহে চেঁচাপানী পৰিল— নাটকখনৰ অন্তত ঘোষিকাই নাটকত ভাগ লোৱা বিভিন্ন নামবোৰৰ ভিতৰত আমাৰ কাৰো নাম নাছিল! নাটকখনৰ নিৰ্দেশকজনে আমাৰ সকলোকে ভালকৈয়ে আভুৱা ভাবিলে!

আৰু এটা ঘটনা উল্লেখ কৰি সামৰণি মাৰিব খুজিছোঁ। হাইস্কুললৈ যোৱাৰ পাছত গুৱাহাটীৰ বিভিন্ন ঠাইৰ ল'ৰাবোৰৰ সৈতে চিনাকি হ'বলৈ আৰু বন্ধুত্ব কৰাৰ সুযোগ পাইছিলোঁ। তাৰে ভিতৰত কুশল নামৰ এজন বন্ধু আছিল। স্কুলৰ নতুন পৰিৱেশত কুশল কিছু যেন নিৰাপত্তাহীনতাত ভুগিছিল আৰু বহুতৰে সৈতে সহজ হ'ব পৰা নাছিল। কোনোবা সহপাঠীৰ সৈতে কিবা উখনা-উখনি লাগিলে বা কোনোবাই ধেমালিতে লাহেকৈ খকৰা-মুকুটি এটা দিলেও একাদশ শ্ৰেণীত পঢ়া মোমায়েকক গৈ লগাইছিলগৈ। মোমায়েকেও আমাৰ শাখালৈ আহি কুশলক আমনি দিয়া ল'ৰাকেইটাক ধমকি দি ৰঙা চকু দেখুৱাইছিল। মই নিজেও এবাৰ কুশলৰ সৈতে কাজিয়াত লিপ্ত হৈ তাক দুটামান ঘোচা দিছিলোঁ আৰু তাৰে এটা তাৰ চকুৰ এক ইঞ্চিমান তলত পৰিছিল। আশা কৰাৰ দৰে কুশলে অলপ পাছত মোমায়েকক মাতি আনিলে। মোমায়েকে মোক কাণত ধৰি পাঁচবাৰ উঠা-বহা কৰিবলৈ দি ভৱিষ্যতে কেতিয়াও যাতে কুশলৰ গাত হাত নুঠাওঁ হুমকিয়াই থৈ গ'ল। এইজন কুশলৰ ঘৰ আছিল চানমাৰি অনাতাঁৰ কেন্দ্ৰৰ চৌহদত। দেউতাকে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাৰিকৰী বিভাগত চাকৰি কৰিছিল। মই তাৰ ঘৰটো অনাতাঁৰ কেন্দ্ৰৰ চৌহদত আছে বুলি জানিলেও ঘৰটো চিনি নাপাইছিলোঁ। 'অকণিৰ মেল'লৈও সি অহা-যোৱা কৰা নাছিল। কোনোৱা এটা দেওবাৰৰ কথা। অকণিৰ মেল শেষ হোৱাৰ পাছত আমি বিল্ডিঙৰ টিলাটোৰ পৰা লাহে লাহে নামি আহি তলৰ পথটোত খোজ থৈ চানমাৰিৰ ফালে পোনাবলৈ লৈছিলোঁ। এনেতে কোনোবাই মোৰ নামটো লৈ চিঞৰা যেন শুনি উভতি চাই দেখোঁ কুশলে হাত-বাউলি বাটৰ দাঁতিত থকা সিহঁতৰ ঘৰলৈ মাতিছে। ইতিমধ্যে স্কুলত তাৰ সৈতে লগা হাই-কাজিয়া বা মোমায়েকে দিয়া শাস্তি ইত্যাদিবোৰৰ কথা পাহৰিয়েই গৈছিলোঁ। এতিয়া তাৰ ঘৰলৈ আমন্ত্ৰণ জনোৱা দেখি উলাহতে পূব-শৰণীয়াৰ দলটোক আগুৱাবলৈ কৈ সিহঁতৰ ঘৰলৈ গ'লোঁ। ভাবিছিলোঁ আদৰ-সাদৰকৈ কুশলে মোক ঘৰত বহুৱাব; কিন্তু দুৱাৰ মুখত ভৰি দিয়াৰ লগে লগেই সি চিঞৰ এটা মাৰিলে — 'দেউতা, ওলাই আহাচোন! স্কুলত কাজিয়া কৰি মোক যে চকুত ঘোচা মাৰিবলৈ খুজিছিল সেই ল'ৰাটো আহিছে!' দেউতাকক মোৰ চিনাকি দিয়াৰ ভংগী দেখি আৰু শুনি সম্পূৰ্ণ অপ্ৰস্তুত হ'লোঁ। ইতিমধ্যে কুশলৰ দেউতাক ভিতৰৰ পৰা ওলাই আহি মোক বহিবলৈ দি চা-চিনাকি হ'ল। পৰৱৰ্তী কুৰি মিনিট সময় তলমূৰকৈ দেউতাকৰ ভাষণ শুনোতে গ'ল — সহপাঠী হৈ কিয় কুশলৰ সৈতে কাজিয়া কৰিছোঁ, কেনেকৈ আমি স্কুলত মিলি-জুলি পঢ়া-শুনা আৰু খেলা-ধুলা কৰিব লাগে, কেনেকৈ বিপদত ইজনে-সিজনক সহায় কৰা উচিত এই ধৰণৰ নীতি শিক্ষাবোৰ শুনি শুনি মোৰ মূৰ গৰম হ'ল। একেটা কথাৰ বাবে কুশলে তাৰ মোমায়েকৰ দ্বাৰা মোক আগতেই শাস্তি দিয়েই থৈছে এতিয়া আকৌ দেউতাকক কথা লগাবলৈ তাক কিহে পালে? সঁচাকৈয়ে গাধটোক সেই সময়ত আৰু এটা ঘোচা দিবলৈ মন গৈছিল! প্ৰায় ২০ মিনিটৰ

পাছত কুশলৰ দেউতাকৰ পৰা অব্যাহতি পাইছিলোঁ। যোৱাৰ আগেয়ে কুশলৰ সৈতে আকৌ যাতে কাজিয়া-পেচাল নকৰোঁ দঢ়াই দঢ়াই ক'লে আৰু এইবাৰ ভিতৰৰ পৰা মেকুৰী পোৱালি এটা আনি মোলৈ বন্ধুত্বৰ চিন স্বৰূপে আগবঢ়ালে। মেকুৰী পোৱালিটো দেখি মোৰ আকৌ টিঙিচকৈ খং উঠিল; মাত্ৰ কেইদিনমানৰ আগেয়ে ঘৰৰ মেকুৰীজনীয়ে এবাহমান পোৱালি জন্ম দিছে। 'আঙ্কল, মেকুৰী পোৱালি নালাগে, ঘৰত ঢেৰ আছে' বুলি কৈ লৰালৰিকৈ ঘৰলৈ উভতিছিলোঁ। অহাৰ সময়ত কুশলক মাত দিছিলোঁ নে নাই মনত নাই; সম্ভৱতঃ কোনেও ইজনে সিজনক মাত দিয়া নাছিলোঁ! এই ঘটনাটোৰ পাছত অৱশ্যে আচৰিত ধৰণে আমাৰ মাজত ভাল বন্ধুত্ব গঢ়ি উঠিছিল; মই স্কুলৰ পৰা আহি চাইকেল চলাই প্ৰায়েই আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদলৈ গৈছিলোঁ আৰু কুশল আৰু কুশলৰ বন্ধুবৰ্গৰ সৈতে ক্লাবত টেবুল টেনিচ, ক্ৰিকেট ইত্যাদি খেলিছিলোঁ। কুশলৰ সৈতে মোৰ এতিয়াও যোগাযোগ আছে আৰু মাত্ৰ কেইমাহমানৰ আগেয়ে হে যোৱা তাৰ বৰ পুত্ৰৰ বিবাহৰ নিমন্ত্ৰণী-পত্ৰও পাইছিলোঁ।

তৃতীয় আৰু চতুৰ্থ মান এই দুবছৰ 'অকণিৰ মেল'লৈ অহা-যোৱা কৰাৰ পাছত ৰেডিঅ' চেণ্টাৰলৈ যোৱা বাদ দিছিলোঁ। চতুৰ্থ শ্ৰেণীত থাকোঁতে গুৱাহাটীত 'অসম শিশু কল্যাণ সমিতি'য়ে আয়োজন কৰা এখন ডাঙৰ 'শিশুমেলা'ও অনুষ্ঠিত হৈছিল; 'পোহৰ' বুলি উলিওৱা আলোচনীখনৰ কথা এতিয়াও মনত আছে। এই শিশুমেলাখনতো বিভিন্ন ধৰণৰ শিশু উপযোগী প্ৰতিযোগিতাত যোগদান দি অতি আনন্দ লাভ কৰাৰ লগতে অভিজ্ঞতাও অৰ্জন কৰিছিলোঁ। আমাৰ শৈশৱৰ আৰু কৈশোৰৰ দিনবোৰত আজিৰ দৰে টেলিভিশ্যন, ভিডিঅ' গেম, ম'বাইল ফোন, আই-পেড, আই-পড আৰু বিভিন্ন ধৰণৰ মনোৰঞ্জনৰ সঁজুলি নাছিল আৰু সেয়েহে খেলা-ধূলাৰ বাহিৰেও 'অকণিৰ মেল', 'চেমনীয়াৰ চ'ৰা', 'যুৱ-বাণী' ইত্যাদি ৰেডিঅ'ৰ বিভিন্ন অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিলোঁ। নিজৰ নিজৰ চুবুৰী, মহকুমা আৰু জিলাত অৱস্থিত 'মইনা পাৰিজাত চ'ৰা আৰু 'শিশুমেলা'ৰ দৰে অনুষ্ঠান, স্কুল-কলেজত আয়োজন কৰা 'চাৰুকলা প্ৰতিযোগিতা' এই সকলোবোৰে আমাৰ মানসিক উৎকৰ্ষ সাধনত প্ৰচুৰ প্ৰভাৱ পেলাইছিল। আজিকালি 'অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী', অনাতাঁৰ কেন্দ্ৰৰ পৰা 'অকণিৰ মেল', 'চেমনীয়াৰ চ'ৰা' ইত্যাদি অনুষ্ঠানৰ প্ৰচাৰ হয়নে নহয় নাজানো, যদি এতিয়াও প্ৰচাৰ হৈ আছে তেনেহ'লে ই বৰ আনন্দ আৰু সুখৰ কথা। যদি এনেধৰণৰ অনুষ্ঠানবোৰ বন্ধ হৈ গৈছে তেনেহ'লে নতুন নতুন ধাৰণা আৰু প্ৰযুক্তিৰ সহায়েৰে নৱ প্ৰজন্মক আকৰ্ষণ কৰিব পৰাকৈ এই অনুষ্ঠানবোৰ উদ্ধাৰ কৰাৰ প্ৰয়াস নিশ্চয়কৈ বাঞ্ছনীয়। মনত ৰাখিব লাগিব যে আমাৰ শৈশৱৰ দিনবোৰৰ পৰা সময় বহুত সলনি হ'ল আৰু অনাগত দিনবোৰত আমাৰ ভাষা, সংস্কৃতি আৰু স্বাভিমান অক্ষুণ্ণ ৰাখিবলৈ আমি প্ৰযুক্তিবিদ্যাৰ কান্ধত উঠি আগুৱান হ'ব লাগিব।

●●●

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

## বন্ধুত্বৰ এনাজৰী

*এজন এজনকৈ আমাৰ মাজৰ পৰা সহপাঠী বন্ধু কেবাজনেও এই পৃথিৱীৰ মায়া এৰি নেদেখা ধামলৈ গতি কৰিলে - আমাৰ আৰু পৰিয়ালৰ বুকু শুদা কৰি। সাত জুনৰ দিনটো আমি আমাৰ মাজৰ পৰা অকালতে গুচি যোৱা বন্ধুসকলৰ স্মৃতিচাৰণৰ দিন হিচাপে ঠিক কৰিলোঁ আৰু হোৱাট্চআপতে স্মৃতি ৰোমন্থন কৰিলোঁ...*

# বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম সমীপেষু

**পঙ্কজ কুমাৰ বৰুৱা**

হে মোৰ প্ৰিয় বন্ধু উপেন!

প্ৰথমেই যাচিছোঁ তোমাক হিয়াভৰা মৰমসনা সশ্ৰদ্ধ নমস্কাৰ।

সোঁৰৰণিৰ কুৰঁলী ফালি আজি দেখিছোঁ তোমাৰ সেই সৰল নিষ্কলুষ মৰমসনা হাঁহিটোৰে সকলোকে আলিঙ্গন কৰা, কটন কলেজৰ সেই সোণসেৰীয়া দিনবোৰ। দেখিছোঁ আজি পুনৰ সেইদিনটো যিদিনা তোমাক নিউ আৰ্টচ বিল্ডিঙৰ বাৰাণ্ডাত লগ পাওঁতে, কিদৰে, তুমি "ওই পঙ্কজ" বুলি তোমাৰ সেই সৰল অন্তৰৰ সৰলতা মুখৰ হাঁহিত প্ৰকাশ কৰি, কোকৰাঝাৰ জিলাৰ দোতোমা নামৰ সৰু ঠাইখনৰ বৰাগাৰী নামৰ তোমাৰ জন্মহোৱা সৰু গাওঁখনৰ, তোমাৰ পিতৃ মঙ্গলাৰাম ব্ৰহ্ম আৰু মাতৃ নেফ্ৰী ব্ৰহ্মৰ সৰলতাসনা আন্তৰিকতাৰে মোক সাবটি ধৰিছিলা। অসমৰ এখন সৰু গাঁৱৰ দুখীয়া পৰিয়ালৰ পৰা আহিও, খ্যাতিৰে ১৯৭৫ চনত মেট্ৰিক পাছ কৰি কটন কলেজৰ বিজ্ঞান শাখাত তাহানিৰ দিনতেই ভৰ্ত্তি হোৱাটোৱেই আছিল যেন সেই গাঁৱৰ বাবে এক সুনাম আৰু গৌৰৱৰ বিষয়, লগতে দুয়ো পিতৃ-মাতৃকো গৌৰৱান্বিত কৰিছিলা।

দোতোমা হাইস্কুল, কোকৰাঝাৰ হাইস্কুল আৰু শক্তি আশ্ৰম উচ্চ আৰু ভকেচনেল বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি ১৯৭৫ চনত শক্তি আশ্ৰম হাইস্কুলৰ পৰাই গণিতত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈকে নাম কঢ়িয়াই নিছিলা। কটন কলেজৰ পৰা প্ৰাকবিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হৈ গোটেই অসমৰ স্নাতক বিজ্ঞানৰ পদাৰ্থ বিজ্ঞানৰ শ্ৰেষ্ঠ কলেজ, কটন কলেজতে পদাৰ্থ বিজ্ঞানৰ সন্মান পাঠ্যক্ৰমত যোগ দিছিলা। পদাৰ্থ বিজ্ঞানৰ স্নাতক ডিগ্ৰী গ্ৰহণ কৰি' ৮১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীতো ভৰ্ত্তি হৈছিলা। তাতেই ক্ষান্ত নাথাকি, লগে লগে কলা শাখাৰ স্নাতকৰ বাবেও পঢ়ি

গৈছিলা।' ৮১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তিৰ আগতে তুমি কোকৰাঝাৰৰ গোসাইনিচিনাৰ নেহেৰু ভকেচনেল হাইস্কুলতো শিক্ষকতা কৰিছিলা। আশীৰ দশকৰ আৰম্ভণিৰ অশান্ত অসমৰ দিনকেইটাতো তুমি উপলব্ধি কৰিছিলা, নিজৰ জাতিটোৰ ভাষা আৰু কৃষ্টি ৰক্ষাৰ বাবে তোমাৰ সেই সমাজৰ প্ৰতি থাকিব লগা দায়বদ্ধতা আৰু কৰণীয়। পিছপৰি থকা জাতিটোক আগুৱাই নিয়াৰ বাবে লোৱা তোমাৰ কাৰ্যাৱলী চিৰস্মৰণীয় হৈ ৰ'ব। ১৯৭৮-৭৯ ত তুমি গোৱালপাৰা জিলা ছাত্ৰসন্থাৰ সভাপতি, ১৯৮১-৮৩ চনলৈ সদৌ বড়ো ছাত্ৰ সন্থাৰ উপসভাপতি আৰু ১৯৮৬ চনত আবছুৰ সভাপতিৰ পদ অলঙ্কৃত কৰিছিলা। এয়া আছিল নেতৃত্ব দিয়াত তোমাৰ পাৰ্গতালিৰ পৰিচয়।

আমি তোমাক জানিছিলোঁ, তাহানিতেই, তুমি মধ্যমপন্থী আছিলা। তোমাৰ দৰে এজন সহজ সৰল আৰু মধ্যমপন্থী নেতাৰ বড়ো সকলৰ বাবে সঁচাই অতিকৈ প্ৰয়োজন আছিল আৰু যথা সময়তেই তুমি সেই কামত মনোনিৱেশো কৰিছিলা। কিন্তু নিয়তিৰ কিযে আছিল এক কঠিন আৰু কৰুণ পৰিহাস ! আমি শুনিছিলোঁ কাৰোবাৰ মুখত তোমাক হেনো এক দুৰাৰোগ্য ব্যাধিয়ে আগুৰি ধৰিছে। আমাৰ সকলোৰে শুভেচ্ছা-শুভকামনা আছিল, তোমাৰ আৰোগ্যৰ বাবে। কিন্তু কি হ'ব বন্ধু! আমাক সকলোকে কন্দুৱাই ১৯৯০ চনৰ পহিলা মে'ৰ দিনাখনেই, তুমি আমাক সকলোকে এৰি থৈ গুচি গ'লা। ৪ মে'ৰ দিনা সেই নশ্বৰ দেহ, দোতোমাত সন্মান সহ সমাধিস্থ কৰা হয়। এই সমাধিস্থান, "থুলুঙ্গাপুৰী" নামেৰে খ্যাত।

আজি তুমি চিৰদিনৰ বাবে গুচি যোৱাৰ তিনিটা দশক পাৰ হ'ল। কিন্তু আমি তোমাক এতিয়াও পাহৰি যোৱা নাই। কায়িকভাৱে নাথাকিলেও, তুমি আমাৰ আটাইৰে হৃদয়ত নিগাজিকৈ ঠাই লৈ লৈছা। সেয়েহে সোঁৱৰণিৰ মাজেৰে আগুৱাই, ৪৫ বছৰৰ আগৰ তোমাক বিচাৰি সহজেই পালোঁ।

জীৱন কালত, তোমাৰ বড়ো জাতিৰ প্ৰতি থকা অকৃত্ৰিম অকুণ্ঠ ভালপোৱা আৰু দায়বদ্ধতা পালনক স্বীকৃতি দি, ৮ মে' ১৯৯০ চনত বড়োসকলে তোমাক, বডোফা" অৰ্থাৎ "বড়োজাতিৰ পিতা" সন্মানেৰে ভূষিত কৰিছে। ই আমাৰ বাবে এক অতি গৌৰৱৰ বিষয়, যদিও তোমাৰ অকাল বিয়োগ অকল বড়ো জাতিৰ বাবেই নহয়, গোটেই অসমৰ বাবেই এক অপূৰণীয় ক্ষতি।

তোমাক ভালপোৱা, তোমাৰ এজন সহপাঠী হিচাপে আজি যিদৰে তোমাৰ এই ভূষণত মই প্ৰসন্ন আৰু গৌৰৱত মোৰ মূৰ থিয় হৈ পৰে, সেই একে দৰেই তোমাক হেৰুৱাৰ বেদনায়ো যে হৃদয়ৰ ক'ৰবাত শোকে খুন্দা মাৰি ধৰে। তোমাৰ প্ৰয়াণৰ এক দশকৰ পিছৰ এই ১ মে'ৰ দিনটোতেই, কোকৰাঝাৰত তোমাৰ ২১ ফুট উচ্চতাৰ প্ৰতিমূৰ্ত্তি ৰাজহুৱাভাৱে মুকলি কৰে আৰু এই দিনটোতেই বড়োসকলে তোমাক সোঁৱৰণ কৰে।

আজি তুমি আঁতৰি যোৱা তিনিটা দশকৰ পিছতো, সেই সপোন যেন লগা দিনবোৰ ৰোমন্থন কৰাৰ লগতে, তোমালৈ যাচিছোঁ, আমাৰ হৃদয়ৰ নিভৃত কোণত তোমাৰ বাবে সাঁচি থোৱা মৰমবোৰ আৰু আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। য'তেই আছা বন্ধু, সুখেৰে থাকা।

●●●

# In Memory of Pranab Saikia (Raj)

**Bipul Chandra Khataniar**

It was really an auspicious day, I don't remember the exact date, but the month was August, 2006. I was on a flight from Dibrugarh to Delhi. That day I didn't get my favourite window seat and had to be content when offered one on the asile.

The flight was via Guwahati. Many disembarked while more came in during the Guwahati stop over. Still the middle seat in my row remained vacant.

After we took off from Guwahati, I took out the roti and chicken packed by Manju and was about to start devouring when I felt a loving pat on my back while someone asked- " Mind if I take a grab too?"

When I looked back, OMG, OMG! This was Pranab Saikia, Raj for most of us! We were meeting after more than two decades! Raj had boarded at Borjhar and he was on his way to Manesar, a place very near to Gurgaon. I invited him to the vacant middle seat and he gladly accepted it. I just cannot explain how happy I was to meet him after such a long time, and he too was equally happy.

After the initial exchange of pleasantries and the basic what, where, etc, we soon plunged into fond memories— of those old Cotton days.

We remembered the bunking of classes of Aditi Sarma, the never ending London memories of Dr. Trishna Mahanta, and the like. The shared mughlai parathas of Madhumita, the quarter cups of tea in the mezannine floor of Kalpana. And the not so frequent beer parties in the Sher-e Punjab.

Then we recollected the biology classess taken by our friend Ananga in the deserted rooms of the N-building with the help of literature collected from abroad. And we engaged ourselves in all kinds of moon talk, especially those funny memories about the escapades of Santanu Baishya, Dilip Sarma, Ajay Sapra, Anindya, Laru etc., besides those of our own.

We also talked about his Cotton crush about whom almost everyone knew but he could never muster enough courage to express it, in spite of the repeated pushings from us.

Then came up story of our unforgettable cycle picnic to Chandrapur. In addition to

those named above, Bhaskar Sarma and probably Lutfur and Rubul had also joined the party. We had a picnic of a lifetime that day. But, alas, most of the happenings of that day are not fit for posting in a public group. (Some of us must be blushing after refreshing their memoies!). We were so engrossed in our past that the one hundred and fifty minutes of the flight(as it feels when you fly alone) to Delhi seemed to end in a jiffy and without any long taxiing in Delhi and superfast baggage delivery, it was already time to say goodbye. We didn't have the faintest idea as to when and where we were going to meet again. But God had other plans.

Meet we did. Just after two years, in 2008 when in one inauspicious morning Dilip Sarma rang me up to say that Raj is coming from Delhi and he was going to recieve him at the airport. He asked me if I would also like to go, Why not? We went together to the airport as many more of our friends. His elder brother Anup was also there to recieve his dear brother.

We waited and waited but he was refusing to come out. He was probably offended with us all. It took almost four hours to make him come out of the terminal building. He was still offended and refused to speak to anybody. And he was just too tired. There he was, sleeping in a cruel wooden box!

He is no longer with us. He left this world, his small family and also us, his loving friends, prematurely like many more of our dear friends. But still he reigns supreme in our hearts and he will keep doing so until we meet him again at some unkown place on some future date.

For those who don't remember our Raj, or didn't know him, he was a brilliant student. Also he was quite intelligent as well as a very popular person.

Initially he had joined the tea group M/s Barua and associates when his capabilities had ensured him rapid promotions and very soon had become an important person in the company. In the later part of his life he had become an entrepreneur and was doing pretty good in his upper Assam small tea cum horticulture garden.

कभी-भी तुम्हारी याद आ जाती है,
लबों की मेरी तब हंसी चली जाती है,
कितनीं भी कोशिश करलु कि आंसु ना आये,
दिल पर मेरी फिर बिल्कुल ना चल पाती है।

●●●

# অজিত কুমাৰ দাসৰ স্মৃতিত

**মদন চন্দ্ৰ ডেকা**

অজিতৰ জন্ম অবিভক্ত গোৱালপাৰা জিলাৰ গোৱালপাৰা মহকুমাৰ দুধনৈ ৰাজহ চক্ৰৰ অধীনস্থ দোসীমাপাৰা গাঁৱত। আচলতে দোসীমাপাৰা এটা চুবুৰী, পাতিয়াৰপাৰা ৰাজহ গাঁৱৰ ভিতৰুৱা। অজিতৰ দেউতাক শিক্ষক আছিল। ১৯৭৫ চনত আমাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি অজিতে কটন কলেজৰ কলা শাখাত নাম লগায়। আসন বিতৰণৰ নিয়ম অনুসৰি অজিত কটন প্ৰথম ছাত্ৰাৱাস (পৰৱৰ্তী সময়ৰ কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাৱাস আৰু এতিয়াৰ ঐতিহ্য ভৱন)ৰ বাসিন্দা হয়। সহজ-সৰল অজিতৰ স্বভাৱৰ লক্ষণীয় দিশ আছিল গ্ৰাম্য সৰলতা।

অজিতৰ গাঁৱৰ ওচৰতে এচিয়াৰ বৃহত্তম কলৰ বজাৰ থকা ঠাই দৰংগিৰি অৱস্থিত, প্ৰায় ডেৰ কিল'মিটাৰ পশ্চিমে। আনহাতে পূবফালে আঢ়ৈ কিল'মিটাৰ নিলগত উন্নয়নমুখী চহৰ ৰঙৰ নৈ ৰংজুলি অৱস্থিত। গোৱালপৰীয়া সংস্কৃতিৰ ৰহঘৰা বুকুৰ মাজত লৈ, শাল-চেগুন গছৰ নিৰ্যাস উশাহত টানি ডাঙৰ হোৱা অজিত ১৯৭৫-৭৭ বৰ্ষত কটন কলেজত আমাৰ সহপাঠী হ'লহি।

প্ৰাথমিক চিনাকি, ছিনিয়ৰৰ ৰেগিং, প্ৰথম ছাত্ৰাৱাস বিশেষ 'লেট্ৰিন পটত শৰণ' (অগস্ত্যৰ মনত থাকিব পায় শৰণৰ মন্ত্ৰ) পাৰ হৈ হোষ্টেল ফ্ৰেছাৰ্চ হ'ল। উক্ত দিনা অন্যান্য কাৰ্যসূচীৰ লগতে আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ল। মোৰ ভাগত বা অগস্ত্য-উত্তমৰ ভাগত কি পৰিছিল বিষয়, আজি একেবাৰে মনত নাই। কিন্তু অজিতৰ ভাগত কি পৰিছিল মোৰ আজিও মনত আছে। অজিতৰ ভাগত পৰিছিল 'ভোজনঠেলা'। অজিতে এইটো শব্দ বোধহয় কেতিয়াও শুনা নাছিল। মাকৰ আঁচলত সোমাই থকা ল'ৰা; ঢেঁকীত বনা ঘৰৰ চাউলৰ ভাত খায়, বাৰীৰ ফল-মূল, পুখুৰীৰ মাছ, ঘৰৰ গাখীৰ খায়। হোষ্টেলত ৰেচনৰ গোন্ধোৱা চাউল, নন্দু(ৰান্ধনি, গেঞ্জীটো সদায় চুটি—পেটৰ নাভিৰপৰা তলৰছোৱা ওলাই থাকে)ৰ হাতৰ মচলা দিয়া তৰকাৰী আৰু আবেলিৰ লুচি-ভাজি খাই আধাপেটি হৈ থকা অজিতৰ মনত পৰিল ভোকৰ কথা। গতিকে, সাৱলীলভাৱে আৰম্ভ কৰিলে- 'ৰাতিপুৱা ক্লাছলৈ যোৱাৰ আগতে লৰালৰিকৈ খাব লাগে বাবে আমাৰ পেট নভৰে। সেয়ে ক্লাছ শেষ কৰি আহোঁ মানে ভোক মানে ভোজনে আমাক ঠেলে। দৌৰি দৌৰি টিফিন খাবলৈ যাওঁ। আনহাতে আবেলি টিফিনত খোৱা পুৰি-ভাজি সন্ধিয়াতে হজম হয়। সেইকাৰণে সন্ধিয়াৰ পৰাই ভোজনে ডাইনিং হলৰ ফালে আমাক ঠেলিব ধৰে। আৰু যেতিয়াই আতি (ঘাই ৰান্ধনি, ভুল হ'লে অগস্ত্য-ব্ৰজ-পঞ্চানন-অমিয়ই শুধৰাব) য়ে ভাত হ'ল বুলি খবৰ দিয়ে, আমি ডাইনিং হললৈ দৌৰ মাৰোঁ। আমাক ভোজনে ঠেলি নিয়ে।'

অজিতৰ বক্তৃতা শুনি আমি গিৰ্জনি মাৰি হাঁহিলো। সি ভাবিলে তাৰ বক্তৃতা শুনি ৰস পাই আমি হঁহা বুলি।

অজিতে অসমীয়া বিষয়ত এম.এ পাছ কৰে। বিদেশী বহিষ্কৰণৰ দাবীত ১৯৭৯ চনৰপৰা ১৯৮৫ চনলৈ

চলা অসম আন্দোলনৰ কালছোৱাত অজিতে সক্ৰিয় ভূমিকা পালন কৰিছিল, বোধকৰোঁ জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াও আছিল।

১৯৮৫ চনত যেতিয়া অসম গণ পৰিষদ দল গঠন হ'ল, অজিত গোৱালপাৰা জিলাৰ সভাপতি হয়। পৰৱৰ্তী সময়ত অজিত অৱশ্যে ৰাজনীতিৰ ক্ষেত্ৰখনৰপৰা আঁতৰি আহে আৰু শিক্ষকতা কৰিবলৈ লয়। ঘৰৰ ওচৰৰে দৰংগিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়াৰ বিষয় শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি অৱসৰ(?) লয়।

২০১৯ চনত অৰূপৰ সমসাময়িকভাৱে অজিতেও এই পৃথিৱীৰ পৰা মেলানি মাগে।

●●●

# স্মৃতিচাৰণ

**কৃষ্ণা শৰ্মা**

আজি জুনৰ ২ তাৰিখ। আমাৰ সহপাঠী আৰু মোৰ চাকৰি কালৰ সহকৰ্মী অৰূপ বৰুৱা আমাৰ মাজৰ পৰা আঁতৰি যোৱা এবছৰ সম্পূৰ্ণ হ'ল। আজি প্ৰথম মৃত্যু দিৱসত সহপাঠী বন্ধু অৰূপলৈ মোৰ শ্ৰদ্ধাঞ্জলি যাচিলোঁ। অৰূপ তুমি য'তেই আছা শান্তিত থাকা।

কটন কলেজত অৰূপ B sectionত আছিল। ময়ো B section তে আছিলোঁ। Addl subject একে হোৱা বাবে আৰু আমি প্ৰেক্টিকেল ক্লাছতো একেটা গ্ৰুপতেই আছিলোঁ বাবেই অৰূপক কিছু ওচৰৰ পৰা পাইছিলোঁ। অৰূপৰ লগত প্ৰায় সকলোৰে বন্ধুত্ব দেখিছিলোঁ আৰু অৰূপক সেইসময়ত কটন কলেজত প্ৰায় সকলোৰে চিনি পাইছিল। কটন এৰাৰ পিছত অৰূপক বহুদিন লগ পোৱা নাছিলোঁ। ASEB ৰ চাকৰিত যোগদান কৰি পুনৰ অৰূপক লগ পাইছিলোঁ। কিন্তু অৰূপৰ কথা-বাৰ্তা আগৰ দৰেই আছিল; একো পৰিৱৰ্তন হোৱা নাছিল। চাকৰি কালত কেতিয়াবা ওচৰৰ পৰা পাইছিলোঁ আৰু কেতিয়াবা অলপ দূৰৈৰ পৰা আৰু শেষৰ দুবছৰ বিজুলি ভৱনত ওচৰৰ পৰা পাইছিলোঁ। মোৰ লগত আদৰ্শগত পাৰ্থক্য থাকিলেও অৰূপক কিন্তু বন্ধু হিচাপে মই বৰ ভাল পাইছিলোঁ। শিশুসুলভ হাঁহিটোৰে অৰূপ সকলোৰে মাজত জনপ্ৰিয় আছিল। তাৰ বন্ধুত্বত ল'ৰা বা ছোৱালীৰ পাৰ্থক্যই ঠাই পোৱা নাছিল। ২০ জানুৱাৰি ২০১৯ ৰ get together তো সি বিচাৰি বিচাৰি B sectionৰ বন্ধু কেইজনীৰ ওচৰ পাইছিলহি।

চাকৰি জীৱনত কামৰ ক্ষেত্ৰতো সুদক্ষ অভিযন্তা আৰু প্ৰশাসক হিচাপেও দক্ষতাৰ পৰিচয় দিছিল অৰূপে। অৰূপ আছিল বুদ্ধিমান, সাহসী, নিৰ্ভীক আৰু প্ৰতুৎপন্নমতি। গতিকে যি কোনো পৰিস্থিতি সহজেই চম্ভালিব পাৰিছিল। ২০১৮ চনৰ আগষ্ট মাহ মানৰ পৰা অৰূপ অসুস্থ অৱস্থাত আছিল। জানুৱাৰি মাহত অৰূপ CGM লৈ প্ৰমোচন পাইছিল। কিন্তু তাত দুমাহ কাম কৰাৰ পিছতে আকৌ অসুস্থ হোৱাত এপ্ৰিলত পুনৰ ছুটী লৈ

চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ গৈছিল আৰু তাৰ পিছৰ পৰাই যেন ক্ৰমান্বয়ে স্বাস্থ্যৰ অৱনতি হৈ অৱশেষত নিয়তিৰ ওচৰত আত্মসমৰ্পণ কৰিলে। নিয়তিৰ স'তে বহুত যুদ্ধ কৰিলে। কিন্তু সহজে হাৰ মনা নাছিল। তাৰিখটো পাহৰিলোঁ- এদিন অৰূপৰ অসুখ বেছি বুলি খবৰ পাই মই আৰু পূৰ্ণিমা উধাতু খাই হস্পিতালত খবৰ ল'বলৈ গৈছিলোঁ। কিন্তু অৰূপক দেখি ভাল লাগিল। শুই থকা অৱস্থাতে ক'লে তোমালোক মিছাতে কষ্ট কৰি আহিছা, মই সোমবাৰে জইন কৰিম নহয়। আচৰিত হ'লোঁ- কেনেকৈ যাব ? তাৰ মাজতে অৰূপে কিন্তু নিজৰ ল'ৰা-ছোৱালী দুটাক অতি উৎসাহেৰে তাৰ বন্ধু দুজনীক পৰিচয় কৰাই দিবলৈও নাপাহৰিলে। ১৩ মে'ৰ দিনা মোলৈ ফোন কৰিলে মই আজি গৈ আছোঁ দেই। অফিচ পায়েই ফোন কৰিলে মই আহিছোঁ দেই। গৈ দেখিলোঁ হুইল চেয়াৰতে আহিছে। অৰূপ অহা গম পাই আমাৰ MD এ কিবা এটা কামৰ বাবে অৰূপক মাতিলে। লগে লগে অৰূপ গৈ হাজিৰ হুইল চেয়াৰতে। তেখেতে ক'লে আপুনি কিয় আহিছে বৰুৱা, ক'ব তো পাৰে! নালাগে বৰুৱা। এয়াই আছিল আমাৰ বন্ধু অৰূপ বৰুৱা। অৰূপৰ কৰ্মস্পৃহা দেখি সকলো আচৰিত হৈছিল। ১৩ মে'ৰ পিছত মাজে মাজে আহি আছিল। ১৯ মে'ৰ দিনা অৰূপৰ ওচৰলৈ গৈছিলোঁ।গৈ গম পালোঁ সেইদিনা বোলে বাথৰূমত পৰিলে। সেইদিনাই দেখিছিলোঁ উদাস অৰূপ বৰুৱাৰ সন্মুখত একদ'ম ফাইল। বিষটোও বেছি হৈছে বোলে। খাবৰ মন নাযায়। সেইদিনা কৈছিল মোৰ এনেকুৱা লাগিছে যেন ওপৰৰ পৰা জঁপিয়াই দিম। মই ক'লোঁ কিয় কৈছা এনেকে ? বেমাৰ হয়েই মানুহৰ। ভাল হৈ যাব দিয়া তোমাৰ। কিন্তু তুমি অফিচলৈ আহিছা কিয়। উত্তৰত ক'লে ঘৰত বেছিহে বেয়া লাগে। বেমাৰ বেমাৰ কৰি ঘৰতে থকাতকৈ অফিচলৈ আহিলে মনটো অলপ ভাল লাগে। কিন্তু দেখিছোঁ আকৌ ছুটী ল'ব লাগিব। কথাখিনি শুনি বৰ বেয়া লাগিছিল সেইদিনা। কিন্তু ভবা নাছিলোঁ সেয়াই শেষ দেখা। তাৰ পিছত অৰূপে ফোন কৰা নাই। নহ'লে অফিচলৈ নগ'লে নিজৰ কিবা কামৰ বাবে বা খবৰ ল'বলৈকে হওক ফোন এটা কৰেই।

দুৰাৰোগ্য ৰোগত ভূগি থাকিলেও অৰূপৰ মানসিক শক্তি দেখি সকলো অবাক হৈছিলোঁ। অদম্য মনোবলৰ অধিকাৰী আছিল। আগতেও অৰূপৰ হাৰ্টৰ জটিল Operation হৈ গৈছে কিন্তু বহুত উদ্যমেৰে কাম কৰে। কাম কৰাবও পাৰে। মেনেজ কৰাত বৰ ওস্তাদ আছিল। ২০১৯ চনত, চিকিৎসাৰ বাবে যেতিয়া চেন্নাইলৈ গৈছিল, তাৰ পৰাই খবৰ লৈছিল প্ৰমোচনৰ কথা। মই ভাবিছিলোঁ অৰূপৰ কষ্ট নহ'বনে। কিন্তু বাস্তৱত দেখিছিলোঁ অৰূপে সুন্দৰ ভাৱে চলাই আছিল কাম। কেম'থেৰাপি লৈ পিছদিনা অফিচত উপস্থিত হয়হি। অৰূপে ছুটী ল'লে ময়েই চাৰ্জ ল'বলগীয়া হৈছিল। মোৰো দুফালে দায়িত্ব লৈ যথেষ্ট কষ্ট হৈছিল। ৰাতি বহুত দেৰি হয় দুয়ো ফালৰ ফাইল চাই চাই, লগতে মিটিং আৰু কতনা দায়িত্ব। সেইবাবে ১ জুনৰ দিনা অৰূপৰ খবৰ ল'বলৈ যাম বুলিও যাব নোৱাৰিলোঁ। দিছপুৰ পাৰ হৈ ঘড়ী চাওঁ যে ৯ বাজিল। ড্ৰাইভাৰক ক'লোঁ আজি নাযাওঁ দিয়া, কালিলৈ যাম। ৰাতিপুৱা JCC মিটিং আছে তাৰ পিছতেই ওলাই আহিম। কিন্তু ৰাতিপুৱা শেষ খবৰটো গম পায়ো যাব নোৱাৰিলোঁ মিটিংখনৰ বাবেই। পিছত বৰ বেয়া লাগিছিল, ১০ বাজিলেও আগদিনা যাব লাগিছিল। ২ তাৰিখে গধূলিহে মামণিক মাত লগাবলৈ ঘৰলৈ গ'লোঁ। খুব বেয়া লাগিছিল।

অৰূপ বহা অফিচৰ ৰূমটোতে মই দুমাহ বহিলোঁ। কেতিয়াবা ন বজালৈকে কাম কৰোঁ। বাহিৰত অকল পিয়ন বহি থাকে।

ভয় কিন্তু কেতিয়াও লগা নাই। এদিন সপোনত দেখিছিলোঁ অৰূপ বোলে ৰূমটোলৈ সোমাই আহিছে। সাৰ পাই অলপ ভয় লাগিছিল। কথা প্ৰসঙ্গত এদিন অৰূপে কৈছিল- তোমাৰ ৰিটায়াৰমেণ্ট জুলাইত নহয় ? মই তোমাতকৈ আগে যাম দিয়া। মই ভাবিছিলোঁ VRS ৰ কথা কৈছে। কিন্তু কোৱা কথাটোৰেই যেন ৰাখিলে অৰূপে। কাৰণ অৰূপৰ চাকৰি ছেপ্টেম্বৰ, ১৯ লৈ আছিল।

●●●

# অপৰ্ণাৰ সোঁৱৰণত

**ৰুমিমা দাস**

"মৃত্যু এক চিৰন্তন সত্য" বুলি জানিও কিয় জানো আপোনজনৰ মৃত্যুক সহজেই মানি ল'বলৈ টান হয়। ঠিক তেনেদৰে অপৰ্ণাৰ মৃত্যু সংবাদেও মোৰ হৃদয়ত গভীৰ ৰেখাপাত কৰিছিল। যিটো আজিও মানি ল'ব পৰা নাই। তেওঁৰ লগত পাৰ কৰা অতীতৰ স্মৃতিবোৰে বৰকৈ আমনি কৰে। পাহৰিব খুজিও পাহৰিব পৰা নাই ভগ্নীসম বান্ধৱী, সহপাঠী অপৰ্ণাৰ মৰমসনা মুখখনি। আজি এই শুভক্ষণত কটনিয়ানৰ স্মৃতি চাৰণত তেওঁলৈ আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰিলোঁ।

মানৱ জীৱনৰ এক অৱশ্যম্ভাৱী পৰিণতি যদিও মৃত্যু, তথাপিও প্ৰিয়জনৰ আকস্মিক মৃত্যুৱে মনলৈ কঢ়িয়াই আনে চৰম ক্ষোভ, হতাশা আৰু অব্যক্ত বেদনা। তেনে এটা উপলব্ধিয়েই অপৰ্ণাৰ ক্ষেত্ৰত সদায় অনুভৱ কৰোঁ। সৰুৰেপৰা তেওঁৰ কিছুমান গুণে মোক বৰকৈ আকৰ্ষণ কৰিছিল। অপৰ্ণা আত্মবিশ্বাসী, সৰলমনা, মৰমিয়াল আৰু যথেষ্ট সাহসী আছিল। তেওঁৰ সাহসৰ পৰিচয় মই কটনৰ হোষ্টেলতেই পাইছিলোঁ। এদিন ৰাতি মই কিবা কথাত ভয় খোৱাত গোটেই ৰাতি তেওঁৰ লগত মোক ৰাখি জীৱনৰ এনে সৰু সৰু কথাৰ বাবে ভয় নকৰিবলৈ দঢ়াই দঢ়াই কৈছিল। তেওঁৰ এনেকুৱা অন্তৰ্নিহিত গুণবোৰৰ বাবেই মিৰ্জাৰ পলাশবাৰী আৰ.বি উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অধ্যক্ষা পদৰ পৰা সুখ্যাতিৰে অৱসৰ ল'বলৈ সমৰ্থ হৈছিল।

বিপদত ধৈৰ্য্য ধৰি নিজকে জীৱন যুঁজত কেনেকৈ আগুৱাই নিব পাৰি ইত্যাদি কথাবোৰো মই তেওঁৰ পৰাই শিকিছিলোঁ। মোৰ সৰু সৰু তিনিটি সন্তান লৈ যেতিয়া মই দিশহাৰা হৈ পৰিছিলোঁ সেই সময়ত অপৰ্ণাই আহি মোক মোৰ দায়িত্বৰ বাবে আত্মবিশ্বাস আৰু সৎ সাহসেৰে আগুৱাই যাবলৈ যথেষ্ট মনোবল দিছিল।

আজি এই স্মৃতিস্মৰণত অপৰ্ণাৰ লগতে আমাক এৰি থৈ যোৱা সহপাঠী সকলৰ বিদেহী আত্মাৰ চিৰশান্তি আৰু সদ্গতিৰ বাবে সৰ্বশক্তিমান ভগৱানৰ ওচৰত মোৰ কাতৰ প্ৰাৰ্থনা আৰু শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

ওঁম শান্তি

●●●

# দ্বীপেনক লগ পোৱা মুহূৰ্তবোৰ

**ফাইজুৰ ৰহমান**

*কোন কাৰ জগতৰ কোন কাৰ মৰমৰ,
চকুৰ চিনাকি দুদিনৰ।
সসীমৰ ৰূপ তৃষা, অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।* ...

সঁচাকৈ দ্বীপেন আৰু আমাৰ মাজত থকা মৰমৰ এনাজৰীডাল কেনেকৈ ছিগি থাকিল গমেই নাপালোঁ। কালৰ কুটিল গ্ৰাসত পৰি দ্বীপেন আমাৰ মাজৰ পৰা হেৰাই গ'ল। এয়াই নিয়তিৰ নিষ্ঠুৰ বিধান। দ্বীপেনৰ মৃত্যুৱে আমাক কন্দুৱাই থৈ গ'ল।

দ্বীপেনক লগ পোৱা সুমধুৰ স্মৃতিবোৰ জানো কেতিয়াবা পাহৰিব পাৰিম ? কটন কলেজত লগ পোৱা সেই কলেজীয়া জীৱনৰ স্মৃতি মোৰ হৃদয়ত এতিয়াও গঁথা আছে। মুখত এমোকোৰা হাঁহি, ওঁঠত গানৰ গুণগুণনিৰে সুন্দৰ চেহেৰাৰ ধুনীয়া ল'ৰাজন কটন কলেজৰ মোৰ বেঞ্চ partner আছিল। আমি off period ত ক্লাছত কেতিয়াবা ডেস্কত তবলা বজাই গান গুণগুণাইছিলোঁ। তেতিয়া সি নিজকে গায়ক দ্বীপেন বৰুৱা বুলি যহাই ভাল পাইছিল।

এটা সময়ত আমি এৰা এৰি হ'লোঁ। মই AEC গুৱাহাটীত পঢ়িলোঁ, আৰু সি JEC যোৰহাটত পঢ়িলে।

আমি লগা লগি হোৱা বহু বছৰ হৈ গ'ল। চাকৰি জীৱনত এদিন হঠাত পল্টন বজাৰ বাছ আস্থানত লগ পাই গম পালোঁ সি ASEB ৰ Asst Engineer, ঢকুৱাখনাত থাকে। তেতিয়া মই PWD ৰ Asst Engineer, জাগীৰোডত চাকৰি।

Night super ত দুয়োৱে নিজা নিজা গন্তব্য স্থানলৈ যাত্ৰা। দুয়ো আলিঙ্গন কৰা মুহূৰ্ত্তত মোৰ গাত হাত দি ক'লে "তোৰ দেখোন গাত জ্বৰ। ৰাতি night super ত ঠাণ্ডা লাগিব বুলি ওচৰতে থকা দোকান এখনলৈ টানি নি মোক Naga shawl এখন কিনি ল'বলৈ বাধ্য কৰালে। তাৰ স্মৃতি কঢ়িয়াই 90 টকাত কিনি লোৱা সেই shawl খন আজিও নতুন হৈ আছে।

মোৰ Mrs ৰ ভনীয়েক- ভনীজোঁৱায়েক ঢকুৱাখনাত থাকে। তাত ভনীজোঁৱাই Social forestry ৰ Range Officer. দীঘলীয়া বন্ধত মই আৰু মোৰ মিচেছ ঢকুৱাখনালৈ দুদিন মান ফুৰিবলৈ গ'লোঁ। তাত দ্বীপেনৰ ৰূম বিচাৰি তাক লগ পালোঁ। তাক দেখি মই অবাক। এটা উশৃঙ্খল জীৱন যাপন কৰি আছে। তাৰ

হৃদয়ত থকা কিবা ট্ৰেজেদিৰ কিছু উমান পালোঁ। বহুত কথাই তাৰ লগত পাতিলোঁ। তাৰ মিচেছ পুতুলীহঁতৰ পৰিয়ালৰ লগত আমাৰ পৰিয়ালৰ বহুদিনৰ পৰা চিনাকি। পুতুলীৰ বাবে আমি আগৰ পৰা বাইদেউ ভিনদেউ। মোৰ বন্ধু বুলি জানি পুতুলীৰ পৰিয়ালৰ লগত এদিন চিনাকি হ'ল। লাহে লাহে গম পালোঁ - দুয়োৰে মাজত প্ৰেম হ'ল। দেখিলোঁ পুতুলীৰ সান্নিধ্যত পৰি উশৃঙ্খল জীৱনৰ বহুত সলনি হ'ল। এদিন পুতুলীয়ে সুধিলে ভিনদেউ বৰুৱা ল'ৰাজন কেনেকুৱা। মই তপৰাই ক'লোঁ একদম "শুদ্ধ তুলসীৰ পাত"। পিছত গুৱাহাটীৰ কুঞ্জলতা বিবাহ ভৱনত এদিন বহু ধুম-ধামেৰে সিহঁতৰ বিয়া হ'ল। সুখৰ সংসাৰ। বহু বছৰ পিছত ল'ৰা-ছোৱালীৰে ভৰা আমি দুয়োটা পৰিয়াল লক্ষীমপুৰত এটা ডাকবাংলাত লগ হ'লোঁ। সিদিনা বহুত স্ফুৰ্তি কৰিলোঁ। হাঁহি ধেমালিৰ মাজেৰে বহু সময় কটালোঁ। সৌ সিদিনা আমাৰ কটনিয়ানৰ মহামিলনত লগ পোৱাৰ কথাও মনলৈ আহিল। সিদিনা লিলি হোটেলত তাৰ লগত মই আৰু মোৰ মিচেছ একেলগে বহি বহুত সময় সুখ-দুখৰ আলোচনা কৰিলোঁ।

ইমান আধৰুৱা জীৱন লই আহিছিল গমেই নাপালোঁ। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

●●●

# মোৰ সুহৃদ ইক্ৰাম

**বিৰাজ জ্যোতি গোস্বামী**

মৰম ল'বি। আচৰিত হৈছ চাগে চিঠি লিখিব বহা বাবে। তই চাগে ভাবিছ সদায় সঙ্গোপনে ধ্বনিহীন শব্দেৰে চলা আমাৰ কথোপকথনক পত্ৰৰূপ মই কিয় দিব লৈছোঁ। আচলতে আমাৰ গোটত মদন-ফাইজুৰহঁতে আজিকালি এটা পত্ৰধাৰা আৰম্ভ কৰিছে। অৱশ্যে মই আজিহে প্ৰথম বহিছোঁ আৰু চিঠিখন তোলৈকে লিখিব লৈছোঁ। অ' ৰবিচোন, আমাৰ গোট বোলোঁতে তইতো গমেই পোৱা নাই চাগে'। কটনৰ সেই সোণালী দুবছৰক আমি সহপাঠীবোৰে যুগমীয়া কৰাৰ বাবে যোৱাবছৰ ঠিক আজিৰ দিনটোতে সংঘবদ্ধৰূপে এটা গোট হৈছোঁ আৰু এতিয়া আমি প্ৰতিদিনৰ প্ৰতিঘণ্টাত মিলিত হৈ থাকোঁ। সেই দুটা বছৰৰ প্ৰায় প্ৰতিটো দিনত তোৰ আৰু মোৰ বন্ধুত্বৰ পুলিটো লহপহীয়া হৈ ঠন ধৰি উঠিছিল যাতে সি পাছৰ ৩৫ বছৰত এক বটবৃক্ষ হৈ পৰে। এতিয়া কওঁ শুন কিয় তোলৈ লিখিব বহিলোঁ-

ঘড়ীটো চাচোন। সেইদিনা ঠিক এইটো মুহূৰ্তত তই মোৰ হাতখনত ধৰি সুধিছিলি "দোচ কি হৈ গ'ল অ"। ৪-৫০ ত যেতিয়া ইনাই ফোন কৰি মোক জগাইছিল আৰু কৈছিল "দেউতা, আব্বাৰ হঠাৎ গাটো খুব বেয়া হৈছে, GNRC লৈ আহি আছোঁ। তুমি সোনকালে আহা"। প্ৰায় আধামিনিটমান মই জঠৰ হৈ পৰিছিলোঁ। তাৰ পাছতে ইমান ক্ষিপ্ৰতাৰে মই মুখখন ধুই কাপোৰ পিন্ধি ওলাই গৈছিলোঁ যে গেটৰ গেৰেজৰ তলা খুলি গাড়ী চলাই ৫-০৫ ত তোৰ ওচৰত থিয় দিছিলোঁ। ফেব্ৰুৱাৰিৰ ৫ বজা— পোহৰেই হোৱা নাছিল। ICU তো যেন এটা পুৱতিৰ

অলসতা। তোক আশ্বাস দি ৫ মিনিট কটাওঁতেই হঠাৎ সেই অলসতা ভাঙি তই এটা প্ৰবল জোকাৰণি মাৰিলি আৰু মই অত্ৰাহিত হৈ কৰ্মৰত ডাক্তৰ নাৰ্চক চিঞঁৰিলোঁ। সকলোবোৰ দৌৰি আহিল। তই মোৰ হাতখনত ধৰি দুটা শব্দ কলি "চাবি দোচ"। মোক ঠেলি কাষৰীয়া কৰি এক যুদ্ধকালীন তৎপৰতাৰে সকলোবোৰ লাগি গ'ল। সকলোকে হৰুৱাই থৈ তই যিটো মুহূৰ্তত গুচি গৈছিলি, ঘড়ীটো চা.... সেইদিনাও ঘড়ীৰ কাঁটাকেইডাল ঠিক এইটো স্থানতেই আছিল।

এক পৰাজিত বিধ্বস্ত সৈনিকৰ দৰে মই যেতিয়া ওলাই আহিছিলোঁ আৰু এলি ইনাহঁতক দুবাহুৰে সান্ত্বনা দিছিলোঁ, মোৰ কাণত সেই দুটা শব্দৰ প্ৰতিধ্বনি হৈ আছিল। আজিও আছে, আৰু সদায় থাকিব কাৰণ মোৰযে সোধাই নহ'ল তোক কি চোৱাৰ কথা কৈছিলি বা। তোৰ চিকিৎসা ? নে তোৰ মৃত্যু ? নে ইনাহঁতক আগুৰি থকা ? প্ৰশ্নবোধক চিনত থাকি গ'ল তোৰ শেষ শব্দ দুটা। হয়তো যোৱাৰ পথত অফুট ভাষাৰে তই বহু কিবাকিবিয়েই কৈছিলি, কিন্তু আমাৰ দুটাৰ পাৰস্পৰিক সম্ভাষণ দোচ্ শব্দটো নাজানো কিয় তোৰ মুখেৰে ফুটি উঠা অন্তিম শব্দ।

লিখিব পৰা নাই এতিয়া। চকুত জানো কি পৰিল - আখৰবোৰ পানীৰে ভাহি অস্পষ্ট হৈ পৰিছে। এতিয়া থওঁদে, চকুত পানী মাৰোঁ। পাছত আকৌ লিখিমদে আমাৰ লেখজোখ নথকা হাঁহিৰ মূহুৰ্তবোৰৰ কথা...

●●●

# অৰূপৰ সোঁৱৰণত

**আৰতি দাস**

অৰূপ বৰুৱা মোৰ প্ৰিয় বন্ধু আছিল। হাইস্কুলত আমি একেলগে পঢ়িছিলোঁ। ওখকৈ গলগলীয়া কণ্ঠৰে অৰূপে স্কুলৰ দিনতে মেধাবীৰ পৰিচয় দিছিল। কিন্তু বৰ উৎপতীয়া আছিল। আমাক মানে ছোৱালীবোৰক পিছ ফালৰ পৰা চুলি টানি জোকাইছিল। এবাৰ মোক চুলি টানোতে মই শিক্ষকক লগাই দিলোঁ। ছাৰে তাক কাণচেপা দিবলৈ আহি ঢুকি পোৱা নাছিল- সেই দৃশ্যটো দেখি শ্ৰেণীৰ আটায়ে বৰ আমোদ পালে। তাৰ পিছত কটনত লগ পালোঁ। কটনতো আমাক জোকাবলৈ এৰা নাছিল। আমিয়ো তাক লম্বো বুলি জোকাইছিলোঁ। বহুত বছৰৰ পাছত আকৌ অৰূপক লগ পাইছিলোঁ বৰাচাৰ্ভিচত। পাঁচ বছৰ ধৰি মামণি, ডলি, বাবু আৰু আমাৰ পৰিয়ালৰ মাজত বৰ মিলাপ্ৰীতিৰে প্ৰতিবেশী আছিলোঁ। অৰূপে খাই আৰু খুৱাই বৰ ভাল পাইছিল। পাকঘৰত সোমাই আহিয়েই খাবলৈ লাগে (কি ৰান্ধিছ দে)। কিন্তু তেতিয়াৰে পৰা তাৰ অসুখ আৰম্ভ হৈছিলে। মামণিয়ে বৰ যত্ন লৈছিল। আজি অৰূপলৈ বৰকৈ মনত পৰিছে। আজিৰ এই পৱিত্ৰ দিনত অৰূপলৈ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

●●●

# সুৰজিতৰ স্মৃতিত

**কস্তুৰী নিভা গগৈ**

মৰমৰ সুৰজিত

আজি কলম তুলি ল'লোঁ তোলৈ একলম লিখোঁ বুলি। কটন কলেজত তই A sec ত আছিলি মই B sec ত আছিলোঁ। মোৰ দেউতা আছিল কলীয়াবৰীয়া আৰু তোৰ মা -দেউতাও আছিল কলীয়াবৰীয়া। বিশেষকৈ তোৰ মা আমাৰ অতি মৰমৰ “মাইকণ পেহীদেউ” মোৰ দেউতাহঁতৰ একেখন গাঁৱৰে হাটবৰ বৰিগাঁৱৰ সুত্ৰে আমাৰ দুয়োটা পৰিয়ালৰ মাজত যথেষ্ট মিলা-প্ৰীতি আৰু অহা-যোৱা আছিল। মাইকণ পেহীদেউ আৰু পেহাদেউ দুয়োজনেই চৰকাৰী চাকৰিয়াল আছিল আৰু PWD ৰ চাকৰিয়াল হিচাপে Assam tribune building ৰ প্ৰায় সমুখৰ চৰকাৰী আবাসগৃহত আছিলি। পিছত জ্যোতিনগৰৰ নিজৰ বাসগৃহলৈ গৈ স্থায়ী হলি। অতি মৰমীয়াল মাইকণ পেহীদেউ অকালতে ঢুকাল। ঘৰখনত তই পাপৰি বাইদেউ আৰু পেহাদেউ। পাপৰি বাইদেউৰ বিয়াত আমাৰ পৰিয়ালটি দিনে নিশাই তহঁতৰ ঘৰতে আছিলোঁ কাৰণ কলিয়াবৰীয়া পা-পৰিয়ালখিনিয়ে দেউতাক এৰি নিদিছিল আৰু মাইকণ পেহীদেউৰ অভাৱত ময়ো পাপৰি বাইদেউক এৰি আহিব পৰা নাছিলোঁ।

সময় বাগৰি গ'ল। সংসাৰবন্ধন, চাকৰিৰ বদলি আদিৰ বাবে আমিও আঁতৰি গ'লোঁ। পিছত পুনৰ গুৱাহাটীলৈ বদলি হৈ আহি দেউতাৰ পৰা তোৰ খবৰ বাতৰি পাই থকা হ'লোঁ। মোৰ দেউতা আৰু সহপাঠী বান্ধৱী গীতাৰ দেউতাক দুয়োজন অশীতিপৰ বৃদ্ধই ডাঃ সুৰজিতক কিমান যে ভাল পাইছিল বুজাব নোৱাৰোঁ, দুয়োজনৰে শাৰীৰিক কিছু সমস্যা আহিলেই তোৰ দিহা পৰামৰ্শ লৈছিল। মোৰ দেউতাই ৯৪ বছৰত ভৰি থৈ স্বৰ্গগামী হ'ল আৰু গীতাৰ দেউতাকেও ৯৭ বছৰত ভৰি থৈ স্বৰ্গগামী হ'ল। কিন্তু তই অকালতে মৃত্যুবৰণ কৰিলি। বৰ দুখ পালোঁ।

তোৰ পৰলোকগত বিদেহ আত্মাই চিৰ শান্তি লাভ কৰক।

●●●

# নীলকান্ত ডেকা

**সুৰথ পাঠক**

১৯৭৫ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত আমাৰ মেট্ৰিক পৰীক্ষা চলি আছিল। মই মুছলপুৰ হাইস্কুলৰ পৰা পৰীক্ষা দিবলৈ টিহুলৈ আহিছিলোঁ। তেতিয়া Exam. Centre টিহুত আছিল। আমাৰ ঘৰৰ পৰা ২৫

কি.মি. দুৰত্ব। ঘৰ ভাৰা ল'ব লগা হৈছিল। এদিন পৰীক্ষা শেষ হোৱাৰ পিছত (কি পৰীক্ষা মনত পৰা নাই) কোনোবা দুজন শিক্ষকে হৈ যোৱা পৰীক্ষাৰ বিষয়ে কথা পাতি আছিল, আমিও কাষতে আছিলোঁ বাবে স্পষ্টকৈ শুনিবলৈ পাইছিলোঁ। এজন শিক্ষকে কোৱা শুনিলোঁ-'নীলকান্তৰ অঙ্ক ভুল নহয়েই, মই ইমানদিনে পালোতো'। 'বাপ্ ৰে ইমান ভালনে'? মোৰ ভাব হ'ল। পিছত কটনত কেনেবাকৈ চিটটো পালোঁ, হোষ্টেল- নিউ হোষ্টেল, আগষ্ট মাহৰ সম্ভৱতঃ ১৬ তাৰিখে নিউ হোষ্টেলৰ ৬ নং কোঠাত (2nd block) সোমালোঁ। শাৰঙ্গ আৰু অশোক ভট্টাচাৰ্যও আহি সোমাল সেই কোঠাতে, তাৰ পিছত সোমাল বানেশ্বৰ বড়ো। সময় বাগৰি গ'ল- নীলকান্তৰ নামটোৱে কিন্তু মনত খুন্দিয়াই থাকিল ইমান চোকা ল'ৰাজনৰ লগত চিনাকি হ'ব পাৰিলে .... দ্বিতীয় বৰ্ষত শেষৰ ফালে এদিন ঈশ্বৰে (বৰ্তমানৰ বিজিত) লগ ধৰিলে -ঐ (3rd mess) ৰ পৰা আহোঁ বলচোন। গ'লোঁ, গৈ সোমালোঁ সেই নীলকান্তৰ ৰুমত। ঈশ্বৰে আচলতে অঙ্ক এটা মিলাব পৰা নাছিল, সেয়েহে নীলৰ লগত আলোচনা কৰিবলৈ গৈছিল। নীলই অঙ্কটো কেইটামান step তে কৰি দিলে। মই মাথা-মুণ্ড একোপাট্টা নাপালোঁ। কিন্তু নীলকান্তৰ লগত চিনাকি হ'লোঁ- মোক Hi বুলি কিক্ কিক্ কি খবৰ বুলি সুধিলে। তাৰ পিছত মই বজালী কলেজত Chemistry ত অনাৰ্চ লৈ বি এচ্ চি পঢ়িলোঁ, নীলই কটনত। University ত কিন্তু মই এবছৰ পিছতহে ভৰ্তি হ'লোঁ। নীলতকৈ এবছৰ পিছত। GU RCC-2 হোষ্টেলত নীলৰ কাষৰ ৰুমটোতে থাকিলোঁ ইউনিভাৰ্চিটিত থকা সময়ছোৱা। ক্লাছলৈ গ'লে এটা মাত্ৰ বহী লৈ যায়। ৰুমত নোট বহী বুলিবলৈ নায়েই। দুই এটাত অলপ কিবাকিবি লিখা, নোট বুলি ক'ব নোৱাৰি। কেৱল কিতাপ কেইখন মেলি চাই থাকে। এদিন দুপৰীয়া নীলৰ ৰুমলৈ সোমাই গৈ হতভম্ব হ'লোঁ বিছনাত পেট পেলাই মূৰটো তললৈ ওলোমাই আছে, ভালকৈ চাই দেখোঁ, মজিয়াত IL Finer ৰ vol-2 খন পঢ়ি আছে, জোতাযোৰ দুয়ো ফালে ভেজা দি ঠগাৰ দৰে ৰাখি থৈছে। কিয় তেনেকৈ লৈছা জোতাযোৰ বুলি সোধোঁতে কৈছিল-'কিতাপ মইহে পঢ়িছোঁ, জোতাই পঢ়া নাই নহয় বুলি' হাঁহি এটা মাৰিলে। আমি কিতাপ, বহী, কলম আদিত কেনেবাকৈ ভৰি লাগিলেও তিনিবাৰ সেৱা কৰোঁ। আমাৰ দৰে ৯ বাজিলেই ডাইনিং হললৈ দৌৰ নামাৰে তেওঁ, টোপনি ধৰিলেই ৰাতি, সাৰ পালেই দিন। ভোক লাগিলেই লাঞ্চ বা ডিনাৰ। সন্ধিয়া সাত বজাত শুই ৰাতি ২.৩০ বজাত উঠি হিটাৰত ভাত বনাই খাই উঠি পঢ়ে। পুৱা সাত বজাতো শুই পৰে, ১০.০০ বজাৰ আগে আগে উঠি মুখখন ধুই ক্লাছলৈ যায়। Off পিৰিয়দত আহি লাঞ্চ খায়। Chemistry ৰ নজনা কথা নাই। কেনেদৰে practical সহজতে কৰি কম সময়তে result উলিয়াব পাৰি, তাৰো কৌশল নীলই মোক শিকাইছিল। এদিন তুমি এতিয়া কিয় পঢ়া নাই বুলি সোধোঁতে মই দিনত পঢ়িলে মোৰ মনত নাথাকে বুলি কোৱাত তেওঁ ক'লে- 'আৰে দিন-ৰাতি বুলি কি কথা আছে, দুৱাৰ বন্ধ কৰি ৰাতি বুলি ভাবিলেই হ'ল'। কথাযাৰে মোক পিছত বহুত লাভৱান কৰিলে। সেইহেন সহপাঠী বন্ধু এজনক অকালতে হেৰুৱাই মৰ্মাহত হৈছিলোঁ। তেওঁৰ আত্মাৰ পুনৰ সদ্‌গতি কামনা কৰিলোঁ।

●●●

# দ্বীপেনৰ সোঁৱৰণত

**তপোধন দাস**

আজি বেছিকৈ মনত পৰিছে দ্বীপেনলে', একেলগে আছিলোঁ কটন চেকেণ্ড মেছত, বেছিভাগ সি জগদীশ (বসুমতাৰী)ৰ লগ আছিল যদিও আমাৰ সকলোৰে লগত সমানে মিলি জুলি থাকিছিল। অঙ্কত চোকা আছিল বৰ, পাৰমিউটেচন-কম্বিনেচন তাৰ আয়ত্তত সহজ আছিল, মই নোৱৰাটো তাৰ পৰা শিকিছিলোঁ, সুন্দৰ বুজাইছিল...

সি গান গাইছিল অলপ, সুৰ ভুল নাছিল তাৰ, কণ্ঠও কিছু আছিল। ৰাতি চেকেণ্ড শ্ব' চাই আহি 'আব্দুল জেলিল' গেটেৰে হোষ্টেলত সোমোৱা, বাহিৰে বাহিৰে ডাইনিঙত ঠাকুৰে ঢাকি থোৱা ভাত খাবলৈ যোৱা আদি যাৰ যাৰ অভিজ্ঞতা আছে তাৰ ভিতৰত সিও মোৰ লগত আছিল। পি ইউ ফাইনেলত কেমিষ্ট্ৰীৰ চেকেণ্ড পেপাৰ মোৰ বেয়া হ'ল, আকৌ প্ৰেক্টিকেলতো আটাইতকৈ টান বেৰিয়াম চালফেট চল্ট্ এনালাইছিচ কৰিব নোৱাৰিলোঁ, নিৰ্ঘাত ফেইলৰ পৰা বচাবলৈ সি আৰু সুভাষ শৰ্মা (এতিয়া ক'ত আছে সুভাষ জানা যদি কোনোবাই ক'বাচোন)ই মোক সত্যেন চৌধুৰী ছাৰৰ ওচৰলৈ যাবলৈ ক'লে, লগত সুভাষ গ'ল, ক'ব লগাখিনি ছাৰক সুভাষেই কৈছিল, মই মাত্ৰ ছাৰক নমস্কাৰ হে কৰিছিলোঁ, আমাৰ ক্লাছ পোৱা নাছিল বাবে ছাৰে মোক নাজানিছিল।

পাছ কৰিলোঁ প্ৰেক্টিকেলতো, তাৰ পিছৰ পৰা ইঞ্জিনিয়াৰিং পাছ কৰালৈকে ৰ'ব লগা নহ'ল, দ্বীপেন জে. ই. চি. আৰু মই এ.ই.চিত মাজতে এবাৰ ইঞ্জিনিয়াৰিং মিত এটাত সি আহোঁতে এ.ই চিত লগ হ'লোঁ।

ঘিলামৰাত মই এচ. ডি. অ' হৈ থাকোঁতে সিও ঢকুৱাখনাৰ এচ. ডি. অ' (এ.এচ্.ই.বি), চৰকাৰী মিটিংবোৰত ঢকুৱাখনা, লক্ষীমপুৰত মাজে সময়ে লগ হওঁ, কথা পাতোঁ। সি লক্ষীমপুৰলৈ আহিলে মোৰ তাত আৰু মই ঢকুৱাখনালৈ গ'লে তাৰ তাত সোমাই চাহ ভাত খাওঁ। ভয় নকৰিছিল সি চাকৰিত কোনো ক্ষমতাশালীলৈ, মৌলিক আছিল তাৰ প্ৰতিটো চিন্তা, কথা, কাম। তাৰ বাহিৰত সি সৈমান নহয় বুলি জানিছিল সকলোৱে। চেকেণ্ড মেচতো সি যে তেনেকুৱা আছিল পৱন, জগদীশ আৰু সকলোৱে জানিছিল।

হঠাৎ যিদিনা গম পালোঁ সি আৰু নাই বুলি, মৰ্মাহত হৈছিলোঁ, শেষবাৰৰ বাবে সেইদিনা তাৰ প্ৰাণহীন দেহাটো চাই আহিলোঁগৈ, পৰিয়াল আৰু সন্তান দুটিক সান্ত্বনাও দিলোঁ; কিন্তু মই ক'লৈই হেৰুৱাৰ দুখ নকমে কাৰো, মোৰো কমা নাই, পাহৰিব পৰা নাই আজিও...

জনাটোতো সম্ভৱ নহয় সংসাৰ এৰি যোৱাৰ পিছত কি হয় জীৱন আৰু সম্পৰ্কৰ, মাথোঁ মনৰ হেঁপাহ পলুৱাবলে' হেৰুওৱাজনক সুঁৱৰি উচুপোঁ, প্ৰাৰ্থনা কৰোঁ প্ৰয়াত সহপাঠী সকলৰ বাবে "য'তেই আছা শান্তিত থাকা, পাৰিলে আকৌ লগ হ'ম সিপাৰে ক'ৰবাত..."

●●●

# এপিটাফ

**(কলেজীয়া দিনৰ এক শ্বায়েৰীৰ অসমীয়া ৰূপ)**

**অগস্ত্য বৰুৱা**

‘মোৰ মৃত্যুৰ পাছত
মোৰ সমাধিত এপাহ ফুল দিবা

ফুল যদি নোপোৱা
এটা হাঁহিকে মাৰিবা

কিয়নো
মই শুনিছোঁ
তোমাৰ হাঁহিত হেজাৰ ফুল ফুলে।”

# সোঁৱৰণি

**ৰাতুল বৰুৱা**

সোঁৱৰণি কাৰ লিখোঁ
কাক এৰোঁ
এতিয়াতো ডগমগীয়া বেলিবোৰ
নাইকিয়া হ’ল ওৰণিৰ দীঘল ছাঁও
নামি আহিল।

ছাঁ আৰু পোহৰত
আধাআঁকা ছবিবোৰেই
এতিয়া সঁচা,
মাটিৰ চাকিৰ পোহৰত
নজহা নপমা
ৰূপকথা।

# In memory of Malabika Phukan

**Arunabha Bhuyan**

While reading about so many of our departed friends, a face that kept on disturbing me was that of one of my closest friends, Malabika Phukan, known to many as Papu. Malabika belonged to the Humanities group. We had been together since Class-I days in Shilong and Dibrugarh where our respective fathers had been posted. When we were promoted to Class-III, my father had been transferred to Guwahati and those were the three years when we did not meet each other. When we joined Cotton College in 1975, it was like old times again. I was in CG-I along with Malabika, Jabeen Ahmed and Indira Gogoi all past pupils of Little Flower School, Dibrugarh. Our Sunday outings to watch movies and eating out were simply fun. Papu and I were roommates in second year and I still remember we would often sit on our beds with our gaanor bohis and sing all the songs right from the first page. We were on the surface two different people, she a little fat and me the thin one (almost a Laurel-Hardy combination), she the vivacious outgoing one and me the shy, reserved one. But our frirendship was well cemented and when I joined English honours we were now a bigger group with Anjana, Rupali, Nabanita, Mili (I don't know where she is now), Papu and me. Life was just fabulous. After graduation we went on our different paths. After our post graduation we got married, joined in different jobs and settled down in our own individual worlds. But our friendship prevailed. Papu's brother Santanu became my colleague in Cotton and we would often relive our childhood days in Shillong. I soon came to know that Papu had become highly diabetic and had lost much of her earlier spirit. On a dark January wintry evening in 2013, when I was in New Delhi the dreaful news of her death reached me. It took me two days to gather courage and speak to Santanu about it. We who grew up together right from childhood to maturity were suddenly separated from each other. Papu did not live long enough to see her sons growing up to be responsible citizens — one joined a bank and the other became an engineer. Adieu, dear friend, you must be singing songs of joy in the other world.

●●●

# বহুত মনত পৰে

**কঙ্কন শৰ্মা**

৭ জুনৰ এই পবিত্ৰ দিনটোত মোৰ সহপাঠী সেইসকল বন্ধু-বান্ধৱীলৈ প্ৰণাম জনাইছোঁ যিসকলক আমি কটনত লগ পাইছিলোঁ আৰু জীৱনৰ বাটত বাট বোলোঁতে বিভিন্ন কাৰণত অকালতে হেৰুৱালোঁ। সেই সকলৰ পুন্যাত্মাৰ সদগতিৰ কাৰণে সহস্ৰ প্ৰণিপাত জনাইছোঁ। কটনৰ বিশাল ছাত্ৰ-ছাত্ৰীৰ মাজত আটাইকে চিনি পোৱা সম্ভৱপৰ নাছিল। কিছুমানৰ লগত ঘনিষ্ঠতা আছিল হোষ্টেলত অথবা ক্লাছত আৰু বহুতক চিনিকে পোৱা নাছিলোঁ। তেনেদৰে পাৰ হৈ গ'ল ৪০-৪৫ বছৰ! এতিয়া অপৰাহ্নত ৰূপোৱালী কেশ আৰু বাৰ্ধক্যই আঁচোৰ পেলোৱা আমিবোৰে প্ৰায়েই ৰোমন্থন কৰোঁ সেই সোণালী দিনবোৰ! মাজৰ সময়ছোৱাৰ সম্পৰ্কবোৰ কৰ্পূৰৰ দৰে উৰি গ'ল।

সেইসকলৰ ভিতৰত তুষাৰ, সুৰজিত, বিজুতক মেডিকেলৰ সহপাঠী ৰূপে বেছি দিনলৈ পালোঁ। উপেন, কৰবী, ৰুবী একে চেকচনৰ বাবে; অৰূপ, দ্বীপেন, নীলকান্ত, কেশৱ আদিক অঙ্ক, অসমীয়া, ইংৰাজী ক্লাছত লগ পাইছিলোঁ। কোনোবাজন আকস্মিকভাৱে কোনোবাজন ৰোগাক্ৰান্ত হৈ চিৰবিদায় ল'লে। এই সকলোবোৰৰ ভিতৰত মোৰ আটাইতকৈ বেয়া লাগে তুষাৰ আৰু নীলকান্তৰ কথা মনত পৰিলে!

**তুষাৰকান্তি মৈত্ৰ**

তুষাৰৰ লগত আমি গুৱাহাটী মেডিকেল কলেজত '৭৭ ৰপৰা' ৮৪-৮৫ চনলৈ একেলগে আছিলোঁ। অতি ভদ্ৰ, অমায়িক তুষাৰ সঁচাকৈয়ে তুষাৰৰ দৰেই আছিল। ৰবীন্দ্ৰসঙ্গীত, বাংলা গানৰ উপৰিও অন্যান্য গান গাই কলেজ উইক বোৰত প্ৰাইজ বুটলিছিল। পিছলৈ আমাৰ মাজত যোগাযোগ নাছিল। চাকৰিকালত তুষাৰে কোকৰাঝাৰৰ ফালে চাকৰি কৰিছিল। সেই সময়ত সেইবোৰ এলেকাত ভয়-ভাবুকি টকাৰ দাবী ইত্যাদি চলিছিল আৰু আমাৰ প্ৰায়বোৰ ডাক্তৰেই কোকৰাঝাৰ আদিত চাকৰি কৰিব খোজা নাছিল। কিন্তু সেই বিপদসঙ্কুল পৰিৱেশতো তুষাৰে তাত চাকৰি কৰিছিল। সহজ-সৰল তুষাৰে হয়তো ভবা নাছিল তাৰনো কোনোবাই অন্যায় কৰিবনে? কিন্তু তাৰ ধাৰণাক মিছা প্ৰতিপন্ন কৰি ৰোগী চাই থকা অৱস্থাতে নিজৰ কৰ্মৰত টেবুলতে দিনতে আততায়ীয়ে গুলী কৰিলে।

তুষাৰ ঢলি পৰিল! সেয়া আছিল ২৬ ডিচেম্বৰ, ৯৬।

তাৰ পিছত কি হ'ল নাজানো। মাথোঁ সেই ঘটনাই এক বুজাব নোৱৰা দুখ বুকুত চিৰদিনৰ বাবে আঁকি থৈ গ'ল।

**নীলকান্ত ডেকা**

নীলকান্তৰ লগত পিউত থকা কালত বৰ চিনাকি নাছিল। কিন্তু ডাক্তৰী পঢ়ি থকা কালত ঘনিষ্ঠতা হৈছিল। একেবাৰে ভালকৈ লগ পাইছিলোঁ ১৯৯৮ চনত। তেতিয়া আমাৰ গাঁৱত লেণ্ডলাইন কানেকশ্বন হৈছিল। টেলিফোন অফিচ উদ্বোধন কৰি নীলকান্ত মোৰ লগত আমাৰ ঘৰলৈ আহিছিল। একেলগে পাৰৰ মাংসৰে ভাত খাইছিলোঁ। গুৱাহাটীলৈ আহিলে তাৰ ঘৰলৈ যাবলৈ সি মাতি থৈ গৈছিল। কিন্তু ভগৱানে সেই আশা আৰু পূৰণ নকৰিলে। ৰেললাইনতে ঘটনাটো ঘটিল। মৰ্মান্তিক! আকৌ এটি আঘাত!

●●●

# শিশু ৰাম ডেকাৰ সোঁৱৰণত

**মদন চন্দ্ৰ ডেকা**

শিশু ৰাম ডেকাক মনত আছে নে তোমালোকৰ? সেই যে ক্ষীণকৈ মিঠাবৰণীয়া ল'ৰাটো, অনবৰতে হাঁহি এটা লাগি থাকে মুখত! সদায় কলপতীয়া ৰঙৰ চোলা এটা পিন্ধে!

হয়, মই সেইজন শিশুৰ কথাই কৈছোঁ। ডোৰাকঁহৰা হাইস্কুলৰ পৰা পাছ কৰি আহি আমাৰ কটনৰ সহপাঠী আৰু প্ৰথম ছাত্ৰাবাসত আমাৰ সহ-আৱাসী হৈছিল। নিম্ন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা শিশুহঁতৰ ঘৰখন মূলতঃ কৃষিনিৰ্ভৰ আছিল। ডোৰাকঁহৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ পশ্চিম কাষত সিহঁতৰ এখন দোকান আছিল, যিখনে আৰ্থিক সকাহ দিছিল। এবাৰ শিশুহঁতৰ ঘৰলৈ গৈ ৰাত্ৰি যাপন কৰাৰ মোৰ সৌভাগ্য হৈছিল।

১৯৭৭ চনত কটন এৰাৰ বহু বছৰৰ পিছত যত দূৰ সম্ভৱ ২০০৩-০৪ চনত শিশুক হঠাতে লগ পালোঁ মঙলদৈ শাখা ষ্টেট বেঙ্কত। সেই একেই চেহেৰা, একেই চোলাৰ ৰং, একেই তীক্ষ্ণ কণ্ঠস্বৰ। বয়সৰ কোনো ছাপ নাই। মই গৈছিলোঁ মোৰ ভতিজাৰ শিক্ষামূলক ঋণ সম্পৰ্কীয় কামত। কাৰ্যালয় চলি থকা সময়, বেছি কথা পাতিব নোৱাৰিলোঁ। পিছৰবাৰ মঙলদৈলৈ যাওঁতে আমাৰ ঘৰলৈ লৈ যোৱাৰ আৰু দীঘলীয়াকৈ কথা পতাৰ প্ৰতিশ্ৰুতি দি সিদিনা তাৰ পৰা বিদায় লৈছিলোঁ। কিন্তু শিশুৱে মোক কোনো ধৰণৰ সুবিধা নিদিলে। প্ৰথমে মঙলদৈৰ পৰা বদলি হৈ গ'ল। তাৰ পিছত পৃথিৱীৰ পৰাই বদলি হ'ল আন এখন পৃথিৱীলৈ।

শিশুৰ আত্মাই চিৰ শান্তি লাভ কৰক।

●●●

# প্ৰিয় বন্ধু দ্বীপেন বৰুৱাৰ স্মৃতিত

**পবন কুমাৰ চহৰীয়া**

প্ৰিয়বন্ধু দ্বীপেন বৰুৱাৰ মৃত্যুৰ দুবছৰ পাৰ হৈ গ'ল এই ২৬ এপ্ৰিলত। চিৰনিদ্ৰাত শুই থকা দ্বীপেনৰ মুখখনৰ ছবিয়ে আকৌ আহি আজি মনটো বিষাদেৰে ভৰাই তুলিলে।

প্ৰয়াত দ্বীপেন বৰুৱা মোৰ বাল্য বন্ধু আছিল। একেখন গাঁৱতে জন্ম, কিন্তু চুবুৰীটো বেলেগ বেলেগ। গতিকে আমি বেলেগ বেলেগ প্ৰাথমিক বিদ্যালয়ত পঢ়িব লগা হৈছিল। কিন্তু চতুৰ্থমানৰ পৰা দশমলৈ একে বিদ্যালয় আৰু একে শাখাতে আছিলোঁ, একেখন বেঞ্চতে বহিছিলোঁ। হাইস্কুলীয়া জীৱনৰ প্ৰায় গোটেইখিনি সময় আমি দুয়ো একেলগেই কটাইছিলোঁ বুলিব পাৰি। স্কুললৈ বা বজাৰলৈ অহা-যোৱাৰ বাটতে তাহাঁতৰ ঘৰ। গতিকে প্ৰায়েই মই সিহঁতৰ ঘৰলৈ গৈছিলোঁ। দ্বীপেনহঁতৰ ঘৰখন মোৰ কৈশোৰৰ দ্বিতীয় ঘৰ আছিল বুলিয়েই ক'ব পাৰি। দ্বীপেনৰ সৰু ৰুমটোত পঢ়া টেবুলত বহাৰ লগে লগেই টেবুলত আহি চাহ উপস্থিত হয়েই, কিছু সময় পাছতে প্ৰায়ে দীঘল জাহাজী কলৰ লগত বৰা চাউলৰ জলপান। এইবোৰ জীৱনত কাহানিও পাহৰিব নোৱৰা স্মৃতিৰ সঁফুৰা। কিন্তু দ্বীপেনহঁতৰ ঘৰখন মোৰ ইমান আপোন হোৱাৰ কাৰণ বেলেগ আছিল। ছিপাঝাৰৰ দৰে তেতিয়াৰ ক্ষুদ্ৰ পৰিৱেশৰ মাজত থাকি সেইখন ঘৰ মোৰ কাৰণে বাহিৰৰ জগতখন চাবৰ  কাৰণে এখন খিড়িকীৰ দৰে আছিল। কটন কলেজৰ অৰ্থনীতিৰ প্ৰয়াত অধ্যাপক দিলীপ বৰুৱা ছাৰ দ্বীপেনৰ বৰদেউতাকৰ ল'ৰা আছিল। ছিপাঝাৰতেই জন্ম হ'লেও তেওঁ শ্বিলং আৰু গুৱাহাটীত ডাঙৰ হৈছিল। আমি হাইস্কুলৰ নিম্নশ্ৰেণীত থাকোঁতে তেওঁ কটন কলেজত যোগদান কৰিছিল। তেওঁৰ পৰা বাগৰি অহা কটন কলেজ, শ্বিলঙৰ এন্থনী কলেজ, দিল্লী বিশ্ববিদ্যালয় এইবোৰৰ খবৰ দ্বীপেনৰ মুখতেই মই প্ৰথম শুনিছিলোঁ। ইয়াৰ বাহিৰেও শ্বিলং, গুৱাহাটী, দিল্লীৰ আৰু নানানটা খবৰ। এই কথাবোৰে তেতিয়া মনত যি হেন্দোলনি তুলিছিল তাৰ মৃদু ঝংকাৰৰ বুৰবুৰণি এতিয়াও আছে যেন লাগে। কিমান দিন তাৰ ৰুমত বহি একেলগে পঢ়িছিলোঁ, কিমান দিন দুয়ো একেলগে চাইকেল চলাই ছয়, সাত কিল'মিটাৰ নিলগৰ জগন্নাথ নাথ ছাৰৰ ঘৰলৈ গৈছিলোঁ, সেইবোৰ স্মৃতিয়ে মনত এটা এটাকৈ আহি খুন্দিয়াইছে। হাইস্কুলৰ সপ্তম-অষ্টম মানত থাকোঁতে আমি এটা সৰুসুৰাকৈ ফুটবল টিমো গঠন কৰিছিলোঁ আৰু ওচৰ পাজৰৰ টিমৰ লগত ফুটবল মেচ খেলিবলৈ গৈছিলোঁ। দ্বীপেন  আৰু মই আৰু এটা কাম কৰিছিলোঁ। আমাৰ দৰঙত বহাগ মাহৰ প্ৰত্যেকটো দিনতে দৌল উৎসৱ হৈছিল। প্ৰত্যেক দিনাই বেলেগ বেলেগ ঠাইত। এই দৌলৰ এটা প্ৰধান আকৰ্ষণ আছিল তাত হোৱা জুৱা খেল। জুৱা খেল বেয়া বুলি সকলোৱে ধৰি লয়, কিন্তু খেলেও প্ৰায় সকলোৱে। মাত্ৰ সৰুবিলাকে খেলা মানা। আমি মানুহৰ পিছফালে লুকাই কোনো যেতিয়া মুখ চিনাকি মানুহ নাপাওঁ তেতিয়া মনে মনে পইচা দিওঁ (ভাষাটা হ'ল খেলত পইচা মাৰোঁ)। নাপালেতো কথা

নাই, কিন্তু পালে সমস্যা। দানটো (পোৱা পইচাটোক দান বুলি কৈছিল, বে'ট মৰাৰ চাৰিগুণ মান পোৱা গৈছিল) হাত পাতি লোৱা যায় কেনেকৈ। এবাৰ অলপ বেছিকৈ খেলিলোঁ আৰু ভাগ্যক্ৰমে পাই গ'লোঁ। জুৱাৰ মালিকে দানটো হাতত লৈ চিঞৰি আছে, এইটো কাৰ আছিল, এইটো কাৰ আছিল, দানটো ল'ব লাগে। লওঁ কেনেকৈ? অলপ আগতে এজন চিনাকি খুড়া গৈ তাতে ওলাইছিল। "অই, তহঁতে ইয়াত কি কৰিছ?" নাই খুড়া, এনেয়েই চাইছোঁহে বুলি পোৱা পইচাটো নোলোৱাকৈ গুচি আহিছিলোঁ।

১৯৭৫ চনত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা দ্বীপেন, মই, অজিত, চৰিফুল আৰু বানীয়ে কটন কলেজত নাম ভৰ্ত্তি কৰিছিলোঁ। বানী কলা বিভাগত আৰু আমি বাকী চাৰিজন বিজ্ঞান বিভাগত। সৌভাগ্যক্ৰমে দ্বীপেন আৰু মই একেটা হোষ্টেলতেই পৰিলোঁ। অৱশ্যে আমাৰ চেক্সন বেলেগ বেলেগ আছিল। প্ৰাকবিশ্ববিদ্যালয় পৰীক্ষাৰ পাছত আমাৰ এৰা এৰি হ'ল, মই কটনতেই থাকিলোঁ, সি গ'ল যোৰহাট ইঞ্জিনিয়াৰিং কলেজলৈ। দুবছৰ পাছতেই অসম আন্দোলন। আমি কোনোমতে বি.এছ.ছি দি উঠিলোঁ, তাহাঁতৰ আৰু দুবছৰ বাকী। ছিপাঝাৰত আকৌ লগা লগি। কিছুদিন পাছত আকৌ এৰা-এৰি। তাৰ পাছত সি যোগদান কৰিলে বিদ্যুৎ পৰিষদত, ময়ো সোমালোঁ চাকৰিত। বিশেষ যোগাযোগ নাছিল। মোৰ বিয়াৰ সময়ত সি আছিল ডিগবৈত। দুদিন আগতেই আহি উপস্থিত আৰু একেবাৰে দৰা ধৰা হৈ দুদিন পাছতেই গৈছিল। আজি পাঁচ বছৰমান আগতে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা ১৯৭৫ চনত উত্তীৰ্ণ হোৱা ছাত্ৰসকলে মিলি এটা অনুষ্ঠান পাতিছিলোঁ আৰু আমাৰ সকলোৰে প্ৰিয় অকালতে বিদায় লোৱা জগন্নাথ নাথ ছাৰৰ নামত এটা বঁটা প্ৰৱৰ্তন কৰিছিলোঁ। সেই অনুষ্ঠানত আমাৰ বন্ধু বিনয় মোহন শইকীয়াক মই বিশিষ্ট অতিথি হিচাপে জোৰ কৰিয়েই লৈ গৈছিলোঁ। দ্বীপেন যোৰহাটৰ পৰা তাত যোগ দিবলৈয়ে ওলাইছিল আহি। যোৱাৰ সময়ত আৰু পাছতো যোৰহাটৰ পৰা ফোন কৰি সি বাৰে বাৰে মোক সোঁৱৰাই দি কৈছিল, চাবি এইটো অনুষ্ঠানৰো যেন আমি আৰম্ভ কৰিব বিচৰা বিজ্ঞান সমিতিৰ দৰে নহয়।

কটনৰ অধ্যাপক নিৰাসত থাকোঁতে চাকৰিৰপৰা ঘৰলৈ অহা-যোৱা কৰোঁতে দ্বীপেন মোৰ তাত প্ৰায়ে সোমাইছিল। ঢকুৱাখনাত থাকোঁতে হোৱা এটা ঘটনাৰ কথা কৈ বেচ আমোদ পাইছিল। বিদ্যুতৰ মাচুল নিদিয়া আৰু নিয়ম বহিৰ্ভূতভাৱে বিদ্যুৎ সংযোগ কৰা সকলো মানুহৰে এবাৰ বিদ্যুৎ যোগানৰ লাইনসমূহ দ্বীপেনে কাটি দিছিল। বহুত ভব্য-গব্য আনকি ৰাজনৈতিকভাৱে শক্তিশালী ব্যক্তিও ইয়াৰ পৰা বাদ পৰা নাছিল। ইয়াতে খঙত একো নাই হৈ খুব প্ৰভাৱশালী ব্যক্তি এজনে চাৰ্কিট হাউচলৈ মাতি নি খুব টান কথা শুনাই দ্বীপেনক ক'লে যে আপোনাক মই এতিয়াই ইয়াৰপৰা বদলি কৰি দিম। দ্বীপেনে অলপো খং নেদেখুৱাই তেওঁক ক'লে" আপুনি বাকী যি কৰে কৰক, অন্ততঃ মোৰ বদলিৰ কাৰণে কাকো অনুৰোধ নকৰিব। মই নিজেই অলপ চেষ্টা কৰি আছোঁ, হোৱাৰ আশা এটা আছে। আপুনি এতিয়া বিৰোধী দলত, আপুনি কাৰোবাক ক'ব লাগিলে মোৰ বদলি হোৱাৰ ক্ষীণ সম্ভাৱনাটোও সমূলি নোহোৱা হ'ব।" এইখিনি কৈয়েই তেওঁ ৰুমৰ পৰা ওলাই আহিছিল। নিজৰ ওপৰত কিমান দৃঢ় বিশ্বাস আৰু সৎ সাহস থাকিলে প্ৰভাৱশালী ৰাজনৈতিক ব্যক্তিকো তেনেদৰে ক'ব পাৰে

সেইটো এই ঘটনাৰ পৰা সহজে অনুমান কৰিব পাৰি।

দ্বীপেন আৰু মোৰ অৱসৰৰ তাৰিখ একেই আছিল ২০১৯ ৰ ৩১ মাৰ্চ। ২০১৮ ৰ ৩১ মাৰ্চৰ পাছতে এদিন ফোন কৰি ক'লে এতিয়া আৰু বেছিদিন নাই, বছৰ গুচি এতিয়া হিচাপ মাহত পৰিল। নিয়তিৰ কি পৰিহাস ! তাৰ কেইদিনমান পিছতে দ্বীপেন একেবাৰে গুচি গ'লগৈ। হঠাৎ গুচি গ'লগৈ একো খবৰ নিদিয়াকৈয়ে। কাকো এযাৰ মাত দিবলৈ বা কোনোৱে এবাৰ খবৰ ল'বলৈও সময় নাপালে। কিন্তু মনত বহু প্ৰশ্ন উত্তৰ নোহোৱাকৈ থাকি গ'ল। বহু আপচোচ থাকি গ'ল। আৰু কিছু সময় পোৱা হ'লে কিজানি আমি দ্বীপেনক হেৰুৱাবলগীয়া নহ'লহেঁতেন। স্বাস্থ্য সম্পৰ্কে দ্বীপেন সচেতন আছিল বুলিয়েই মই জানিছিলোঁ, কিন্তু দৰকাৰতকৈ অলপ বেছি আত্মবিশ্বাসী আছিল। সেইকাৰণেই হয়তো নিজৰ ফালৰ পৰাই অলপ অৱহেলা হ'ল, এনেকুৱা এটা ভাব হয়। কিন্তু নিয়তিৰ নিয়ম, আমাৰ কাৰো হাত নাই। ব্যক্তিগতভাৱে মই এজন অতি প্ৰিয় বন্ধু, মোৰ শুভাকাংক্ষীক চিৰদিনৰ কাৰণে হেৰুৱালোঁ। কৈশোৰ আৰু যৌৱনৰ কথা যেতিয়াই মনলৈ আহে তেতিয়াই দ্বীপেনৰ ছবিখনে আহি আমনি কৰিব। আজি আমি ১৯৭৫ বৰ্ষৰ কটনিয়ানসকলে আমাৰ মাজৰপৰা চিৰবিদায় লোৱা বন্ধুসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ আৰু সজল নয়নেৰে দ্বীপেনৰ স্মৃতি মই সোঁৱৰণ কৰিছোঁ।

●●●

# নীলকান্তলৈ

**ৰঞ্জনা (কাকতি) দত্ত**

মৰমৰ নীল

কিমান দিন যে হ'ল আমাৰ কোনো সংযোগ নোহোৱা নহয়নে ? তোমাৰ লগত একেলগে আঠ বছৰ পঢ়িলোঁ যদিও প্ৰথম দুবছৰ চেকশ্যন বেলেগ হোৱা বাবে তোমাক লগ পোৱা নাছিলোঁ। তুমি থাৰ্ড মেছত আছিলা বুলি কৈছিলা। সম্ভৱ চি চেকশ্যন বুলি কৈছিলা, পাহৰিলোঁ। ১৯৭৭ ৰ বি.এছ.চি. কেমেষ্ট্ৰীৰ অনাৰ্চ ক্লাছৰ পৰা একেবাৰে এম.এছ চি. একে স্পেছিয়েল পেপাৰ লৈ পঢ়ালৈকে আঠ বছৰ আমি একেলগে পঢ়া-শুনা, হাঁহি তামচাৰে সময় পাৰ কৰিছিলোঁ নহয়নে ? আজিকালি ল'ৰা-ছোৱালীবোৰৰ মাজত আগৰ দৰে ইমান নিষ্কলুষ বন্ধুত্ব আছেনে বাৰু ? কিমান নম্ৰ, ভদ্ৰ আৰু বিনয়ী আছিলা তুমি ! কিন্তু সৰু সৰু কথা কিছুমান গহীনাই কৈ আমাৰ মাজত খোৰাক যোগাইছিলা। ক্লাছত ন'ট বহী আৰু পেনৰ লগত বৰ এটা সম্পৰ্ক নাছিল তোমাৰ। চকু এটা কেঁৰা কৰি সম্পূৰ্ণ একাগ্ৰতাৰে শিক্ষকৰ প্ৰতিটো বাক্য শুনি মগজুত বহুৱাই লৈছিলা। আমি বাকীবোৰে আচৰিত হৈ গৈছিলোঁ তোমাৰ বুজিব আৰু মনত ৰাখিব পৰা ক্ষমতা দেখি। কেমিষ্ট্ৰীৰ কিবা ৰিএক্সন মেকানিজমৰ বিষয়ে সুধিলে মোটা মোটা কিতাপৰ কিমান নং পৃষ্ঠাত বিচাৰি পাম নিৰ্ভুলভাৱে কৈ দিব পাৰিছিলা। আমিবোৰ

অবাক হৈ গৈছিলোঁ। এবাৰ কোনোবা এজন ছাৰে প্ৰেক্টিকেলত এটা কেলকুলেচন বুজাই থৈ যোৱাৰ পিছত আমি একো নুবুজাত আমাৰ সকলোকে নিজৰ বেলেগ এটা নিয়মেৰে তুমি সহজ-সৰলকৈ বুজাই দিছিলা। খোৱা বোৱাত তোমাৰ যথেষ্ট ৰাপ আছিল। আমাৰ টিফিনত কি আনিছোঁ খুব কৌতূহলেৰে সুধিছিলা আৰু অলপমান ভাগ পালেও লগৰ ল'ৰাবোৰক দেখুৱাই খাই স্ফূৰ্তি পাইছিলা।

তোমাৰ কথা ঘৰত প্ৰায়ে কৈছিলোঁ বাবে মা-দেউতা, ভণ্টি সকলোৱে তোমাক জানিছিল। তোমাৰ মনত আছেনে নীল তুমিযে এবাৰ শঙ্কৰদেৱৰ তিথিৰ দিনা আমাৰ দিশপুৰৰ ঘৰলৈ আহিছিলা? তোমাৰ লগত বোধহয় পুলক আৰু মানব আহিছিল। প্ৰসাদৰ লগত দিয়া কুঁহিয়াৰ আৰু নাৰিকল একান্ত মনে চোবাই চোবাই খাইছিলা। দেউতাই চাই চাই বৰ আমোদ পাইছিল। মায়ে বনাই দিয়া লুচি ভাজি পৰম তৃপ্তিৰে খাইছিলা। পঢ়াত যিমান একাণপতীয়া খোৱাতো সমানে একাণপতীয়া আছিলা তুমি।

তুমি তোমাৰ ঘৰৰ কথাও কৈছিলা মাজে মাজে। কিমান কষ্টেৰে খেৰি ঘৰত লেমৰ পোহৰত পঢ়া-শুনা কৰিছিলা, টিউচন কৰি পঢ়াৰ খৰচ যোগাৰ কৰিছিলা— সকলো কৈছিলা আমাক। কেমেষ্ট্ৰীত তোমাৰ দক্ষতা দেখি আমি তোমাক উচ্চ শিক্ষা আৰু গৱেষণাৰ কথা কৈছিলোঁ। তুমি আমাক কৈছিলা মই চাকৰিহে কৰিম, মোক ভাল চাকৰি এটাৰহে দৰকাৰ। তুমি সৰ্বভাৰতীয় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চাকৰি কৰাৰ পাছত তোমাক এবাৰেই লগ পাইছিলোঁ পাণবজাৰত। প্ৰায় ১৮ বছৰ অসমৰ বাহিৰত থকাৰ লগতে নিজৰ সংসাৰ, চাকৰি আদিৰ ব্যস্ততাত বহুত খা-খবৰেই পোৱা নাছিলোঁ। এবাৰ বন্ধত অসমলৈ আহোঁতে ভণ্টিৰ মুখত সেই মৰ্মান্তিক খবৰটো পাইছিলোঁ— "বা নীলকান্ত দাদা ঢুকাল নহয়...।" স্থবিৰ হৈ পৰিছিলোঁ খবৰটো পাই। তুমি বৰ সোনকালে গ'লাগৈ নীল। ইমান কষ্টেৰে পঢ়া-শুনা কৰি ইমানখিনি সাফল্যৰ পিছত ধুনীয়াকৈ জীৱনটো সজাই তুলিছিলাহে মাত্ৰ। ভগৱানে বৰ সোনকালে লৈ গ'ল তোমাক। যোৱাৰ আগতে তোমাক এবাৰমান লগ পোৱা হ'লেও! নীল য'তে আছা শান্তিৰে থাকা। বহুত মৰমেৰে।

●●●

# সুৰজিত বৰাৰ মনত পৰে

**তিলক বৰা**

কালি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে কিবা নিজৰ জীৱনৰ এই পৰীক্ষাৰ ফলাফললৈ মনত পৰি গ'ল। ১৯৭৫ চনত মই এনে সময়তে পথাৰত হাল বাই থাকোঁতে ককাইদেউ এজনে ক'লে যে আমাৰ শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট দিছে। লগে লগে হাল খুলি ঘৰলৈ দৌৰ। গা পা ধুই ডিব্ৰুগড়লৈ বুলি ওলালোঁ। কাৰণ সেই সময়ত আমি ফলাফলবোৰ নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদিহে প্ৰথমতে পাওঁ। এদিন বা

দুদিনৰ পিছত বাতৰি কাকতৰ যোগেদি সম্পূৰ্ণ ফলাফলবোৰ পাওঁ। কিন্তু মোৰ যথেষ্ট পলম হৈছিল। ইতিমধ্যে টেঙাখাত হৈ ডিব্ৰুগড়লৈ যোৱা বাছবোৰ গৈ শেষ হ'ল। গতিকে আমি বাছত উঠা ঠাইডোখৰতে মানে বৰপুলৰ ঢাপ এটাতে আমন জিমনকৈ বহি ল'লোঁ। মনত বহুত চিন্তা, মনে বিচৰা মতেনো ফলাফল হ'বনে নাই, কটনত পঢ়িবলৈ যাবলৈ পামনে নেপাম ইত্যাদি ইত্যাদি। এইবোৰ ভাবি থাকোঁতেই এক বাজিল। এনেতে ডিব্ৰুগড়ৰপৰা ঘূৰি অহা বাছ এখন বৰ পুলত ৰলহি। দেখিলোঁ ককাহদেউ এজন নামিছে। মোক দেখা পাই তেওঁ চিঞৰি উঠিল,"ঐ তই প্ৰথম বিভাগ পালি ঐ"। বচ, এতিয়া আহিল কটনত পঢ়িবলৈ যোৱাৰ পৰ্ব্ব।

নিৰ্দ্দিষ্ট সময়ত কটনত নাম ভৰ্ত্তি কৰিবলৈ ওলালোঁ। উৎসাহ যিমান ভয়ৰ পৰিমাণ তাতকৈ বহুত বেছি। ডিব্ৰুগড়খনৰ বাদে জানো অন্য চহৰ নগৰ দেখিছোঁ ! গুৱাহাটী চহৰত জানো মই তিষ্ঠিব পাৰিম ? যদি বেছিকৈ ৰেগিং কৰে ? যদি কটনৰ বাবে মই যোগ্য নহওঁ। এনেবোৰ হাজাৰ চিন্তা মনত বান্ধি লৈ কটন পালোঁহি। কটনত প্ৰাক-বিশ্ববিদ্যালয় বিজ্ঞান বিভাগ (গ শাখা) ৰ বাবে মই যোগ্য হ'লোঁ আৰু দুমহলীয়া ছাত্ৰাবাসৰ বাসিন্দা হিচাপে সুবিধা পালোঁ।

দুদিনমান পিছতে শ্ৰেণীবোৰ আৰম্ভ হ'ল। ছাত্ৰাবাসৰ কেইবাজনো মোৰ শাখাৰ আছিল। প্ৰথম কেইদিনমান আমাৰ বন্ধুত্ব কেৱল আমাৰ ছাত্ৰাবাসৰ আবাসী কেইজনমানৰ মাজতে সীমাবদ্ধ থাকিল। লাহে লাহে আমাৰ শাখাৰ অন্য ছাত্ৰ নিবাসৰো সহপাঠীৰ সতে চিনাকি তথা বন্ধুত্ব গঢ়ি উঠিল আৰু একেলগে শ্ৰেণীৰ পাঠদানবোৰ লৈ থাকিলোঁ। সেই সময়ত আমি আবাসীৰ বাদে স্থানীয় সহপাঠীবোৰক বৰ সমীহ কৰি চলিছিলোঁ। কাৰণ আমি গুৱাহাটীৰ একো ভূ-ভা নাজানো, একো নিচিনো। কিবা কৰিবলৈ যাওঁতে যদি ক'ৰবাত কেনা লাগে !

এদিন শ্ৰেণী শেষ হোৱাৰ পিছত আবেলি জ্যোতিনগৰত থকা মোৰ স্থানীয় অভিভাৱক বাইদেউৰ (মোৰ ডাঙৰ বৌৰ বায়েক) ঘৰলৈ বুলি ওলালোঁ। চিটিবাছত বহি আছোঁ। গুৱাহাটী মহাবিদ্যালয় আস্থানত নামিম। এনেতে মোৰ কাষতে অন্য এজন বেচ শকত -আবত, তজবজীয়া যাত্ৰী বহিল। ক'ৰবাত সঘনে দেখা যেন লাগিল। যাত্ৰীজনে লগে লগেই মোক সুধিলে, "তুমি কটনত নপঢ়া জানো, প্ৰাক স্নাতক 'গ' শাখাত ? "মই ক'লো, "হয়" ? তেওঁ ক'লে, "ময়োতো সেই শাখাতে পঢ়োঁ।" কৰমৰ্দ্দনৰ বাবে তেওঁ হাতখন আগবঢ়াই দিলে,"মই সুৰজিৎ বৰা, জ্যোতিনগৰত থাকোঁ, কামৰূপ একাডেমীৰ পৰা শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ আহিছোঁ, তুমি ক'ৰ পৰা আহিছা ?" মই কলো যে মই ডিব্ৰুগড় জিলাৰ টেঙাখাতৰ পৰা গৈছোঁ। তেওঁ সুধিলে, "এতিয়া ক'লৈ যাবা ?" মই ক'লোঁ যে মই জ্যোতিনগৰৰ বাইদেউৰ ঘৰলৈ যাওঁ। লগতে ভিনিদেউৰ নামো ক'লোঁ। তেওঁ ক'লে যে ভিনিদেউক তেওঁ চিনি পায় আৰু ঘৰটোও চিনি পায়। তদুপৰি তেওঁ ক'লে যে তেওঁৰ নলে গলে লগা বন্ধু এজনৰ ঘৰো বাইদেউৰ ঘৰৰ ওচৰতে। তেৰোঁ কটনত আমাৰ শ্ৰেণীৰে 'খ' শাখাত ভৰ্ত্তি হৈছে। "তোমাক চিনাকি কৰাই দিম আৰু তেওঁৰ ঘৰলৈও লৈ যাম। তেওঁৰ নাম বিৰাজ গোস্বামী।"

সেয়াই আছিল সুৰজিতৰ সতে প্ৰথম চিনাকি। সেইদিনা তেওঁ কেনেবাকৈ বাইদেউৰ ঘৰটো বিচাৰি

নাপাম বুলি ভাবি মোক একেবাৰে ঘৰত থৈ গ'লহি। পিছদিনা শ্ৰেণীত দুয়োটাই একেলগে বহিলোঁ। সেয়াই সুৰজিতৰ সতে বন্ধুত্বৰ আৰম্ভণি। তাৰ পিছৰ পৰাই আমি প্ৰায়েই শ্ৰেণীত একেলগে আছিলোঁ। পঢ়া-শুনাৰ ক্ষেত্ৰতো সুৰজিতৰ পৰা বহুত শিকিলোঁ। মোৰ বহুত আধৰুৱা জ্ঞান তেওঁৰপৰা পূৰা কৰি ল'ব পাৰিছিলোঁ। এনেয়ে মানুহজনক বৰ জবৰজং যেন লাগে, কিন্তু ভিতৰি মানুহজন আছিল বেলেগ। বিপদে- আপদে সহায় কৰা, নজনাটো বুজাই দিয়া ইত্যাদি, ইত্যাদি। গুৱাহাটীৰ বহু জেগাৰ আভাস, চিৰিয়াখানা, বশিষ্ঠ, মন্দিৰ, পাণ্ডুঘাট, বিশ্ববিদ্যালয় দৰ্শন সুৰজিতৰ কাৰণেই সম্ভৱ হৈছিল। তেওঁৰ সতে বহু কেইখন বোলছবি, আগশাৰীৰ ফুটবল খেল উপভোগ কৰিছিলোঁ। সুৰজিতে ভাল ছবি আঁকিছিল, হাতৰ আখৰো আছিল বৰ ধুনীয়া। মাজে মাজে সুৰজিতৰ ঘৰলৈও গৈছিলোঁ। কথা দিয়া মতে তেওঁ এদিন মোক বন্ধুবৰ বিৰাজ গোস্বামীৰ ঘৰলৈও লৈ গৈছিল। তেতিয়াৰেপৰা বিৰাজো মোৰ নিকট বন্ধু হৈ পৰিল। সুৰজিত অলপ খঙালো আছিল। নেলাগিবলগীয়া জেঙতো তেওঁ সোমাই পৰে। কিন্তু আচল সত্যটো ধৰা পৰাৰ পিছত নিজে অনুশোচনাত ভূগিছিল। আচলতে সকলো মানুহৰ ধনাত্মক আৰু ঋণাত্মক গুণ থাকে। সুৰজিতৰ ঋণাত্মকতকৈ ধনাত্মক গুণ বেছি আছিল। ১৯৭৭ চনত প্ৰাক-স্নাতক চূড়ান্ত পৰীক্ষা দিয়াৰ পিছত সুৰজিতৰ সতে এৰাএৰি হ'ল। মই পুনৰ ডিব্ৰুগড়লৈ ঘূৰি গৈ কানৈ কলেজত স্নাতকৰ বাবে নাম লগালোঁ। সুৰজিতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰি এদিন চিকিৎসক হ'ল। মই ভাৰতীয় ষ্টেট বেঙ্কত চাকৰিত ধৰিলোঁ।

২০০১ চনত বেঙ্কৰ কম্পিউটাৰকৰণৰ কামত ঘূৰি ফুৰোঁতে এদিন নুনমাটিত নামোঁতে হঠাতে এখন নামফলক দেখি চক্ খাই উঠিলোঁ। লিখা আছিল— ডা° সুৰজিৎ বৰা। মই লগে লগেই তেওঁৰ ৰোগী চোৱা কক্ষলৈ সোমাই গ'লোঁ। সেই সময়ত ৰোগী নাছিল। সুৰজিতে মোক তলৰপৰা ওপৰলৈ খুব চালে। তাৰ পিছত ক'লে, ‘ঠিক চিনি পোৱা নাই!'' মই ক'লোঁ, “মই তিলক, তিলক বৰা।'' তেতিয়া কিন্তু তেওঁ আচৰিত হৈ জঁাপ মাৰি মোক সাবট মাৰি ধৰি ক'লে, “তিলক, কি আচৰিত, তুমি ইমান শকত হৈ গ'লা? তুমিতো একেবাৰে ক্ষীণ-মিন আছিলা, ইমান পৰিৱৰ্ত্তন?'' তাৰ পিছত বহুত কথা। কিছু সময়ৰ পিছত এৰা-এৰি হ'লোঁ। সেয়াই আছিল সুৰজিতক মই শেষবাৰৰ বাবে লগ পোৱা।

এদিন পুৱাই বাতৰিখনত পালোঁ-“নুনমাটিৰ অভিজ্ঞ তথা সৰবৰহী চিকিৎসক সুৰজিৎ বৰা আৰু নাই।'' নিজৰ চকুকেইটাকে বিশ্বাস কৰিব পৰা নাছিলোঁ। বিয়োগাত্মক খবৰবোৰে আজিকালি সঘনে আমনি দিয়া হৈছে। নাজানো নিয়তিৰ কি বিচাৰ। ঘনাই মনত এটা বেদনাই চেপি ধৰিছে— সুৰজিতক আৰু কেতিয়াও লগ নাপাম। তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক। তেওঁৰ পৰিয়ালৰ বাকী কেইজন সদস্যক ভগৱানে কুশলে ৰাখক। নিয়তিৰ ওচৰত তাকেই কামনা কৰিলোঁ।

●●●

# দ্বীপেন বৰুৱাৰ সোঁৱৰণত

**কৃষ্ণা শৰ্মা**

দ্বীপেন বৰুৱাৰ বিষয়ে তপোধন আৰু বহুতে লিখা কথা বিলাক পঢ়ি দ্বীপেনলৈ বৰকৈ মনত পৰিছিল। দ্বীপেনৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে বৰ দুখ দিছিল। দ্বীপেন ASEB তে কাম কৰা বাবে ফোনতে আমাৰ যোগাযোগ আছিল। প্ৰথমতে বহু বছৰ লগ পোৱা নাছিলোঁ। তাৰ পিছতে মোৰ গৃহস্থ লক্ষীমপুৰত থাকোঁতে দ্বীপেনে গম পাই এদিন নিজেই মোক ফোন কৰি খবৰ লোৱাৰ পিছৰ পৰাই আমাৰ যোগাযোগ হৈছিল। গুৱাহাটীলৈ আহিলে লগ ধৰি গৈছিল। বিজুলি ভৱনত কিবা খবৰ কৰিব লগীয়া থাকিলে মোক কৈছিল। ফোনত বহুত দেৰি প্ৰায়ে কথা পাতিছিলোঁ। মোৰ লগত মতৰ মিল থকা বাবেই নেকি অফিচৰ কথা তাৰ লগত খোলাকৈ পাতিব পাৰিছিলোঁ। কেতিয়াবা বহুত দেৰি কথা পাতোঁ। এটা কথা মন কৰিছিলোঁ দ্বীপেনক য'তেই posting দিয়ে তাতেই আপত্তি নকৰাকৈ কাম কৰি গৈছিল। শেষত DGM পমোচন পাই কাৰ্বি লাংপিত দিওঁতেও সি একোৱেই আপত্তি নকৰাকৈ পৰিয়াল যোৰহাটত থৈ জইন কৰিছিল আৰু তাতেই GM হিচাপে প্ৰমোচন পাইছিল। GM প্ৰমোচনৰ অৰ্ডাৰ ওলোৱাৰ লগে লগে তাক খবৰটো দিছিলোঁ। “বাৰু হ'ব দিয়া, এইটোৱেই বোধহয় মোৰ শেষ প্ৰমোচন।”

তাৰ কিছুদিনৰ পিছতেই কাকো একো গম নিদিয়াকৈ মনে মনে গুচি গ'ল। অসুখ হৈ থাকোঁতে চিকিৎসাৰ কাৰণে হেনো সকলোৱে গুৱাহাটীলৈ আহিব কৈ আছিল - কিন্তু বহুত পলম কৰিলে বোলে। দ্বীপেন আঁতৰি যোৱাৰ পিছত তাৰ নিচিনাকৈ আন্তৰিকতাৰে কথা পতা বন্ধুজনক হেৰুৱাৰ অভাৱ বৰকৈ অনুভৱ কৰিছিলোঁ। মোৰ ল'ৰাৰ বিয়ালৈ ১৭ চনৰ ডিচেম্বৰত লাংপিৰ পৰা আহি, একেদিনাই উভতি গৈছিল। দ্বীপেনৰ এটা বস্তু ভাল লাগিছিল, সেইটো হৈছে সি সদায় নিজৰ পৰিচয়েৰে সমাজত জীয়াই আছিল। বহুতে সুবিধা লোৱাৰ দৰে সি সুবিধা ল'ব পৰা স্থানত থাকিও চাকৰি কালত কেতিয়াও সুবিধা লোৱা নাছিল।

দ্বীপেন, য'তেই আছা শান্তিত থাকা।

●●●

# সোঁৱৰণী (সুৰজিত বৰা আৰু সমীৰ বৰুৱা)

**ভূপেন বৰা**

১৯৭৬ চনৰ কোনোবা এটা দিনত আহি কটন কলেজত দ্বিতীয় বাৰ্ষিকৰ পি উ বিজ্ঞানৰ C sec.ত মোৰ খুড়াই আনি নামভৰ্ত্তি কৰায়। আমি তেজপুৰৰ হ'লেও দেউতাৰ চাকৰিসূত্ৰে ডিব্ৰুগড় কানৈ কলেজত প্ৰথম

বছৰ পঢ়িছিলোঁ। কটন কলেজৰ প্ৰথম দিনটোতেই মই সুৰজিত বৰাক লগ পাওঁ আৰু আমি দুয়োজনে প্ৰেক্টিকেলৰ পাৰ্টনাৰ হৈ পৰোঁ। প্ৰথম দিনাৰ পৰাই সি মোক পাৰ্টনাৰ বুলি সম্বোধন কৰিবলৈ আৰম্ভ কৰে। তাৰ পিছত আমি অতি ভাল বন্ধু হৈ পৰোঁ। পিছলৈ মই, সুৰজিত, মনোজ ডেকা, দীপক শৰ্মা, শৈলেন দাস, বিপিন (ডুমডুমাৰ) আৰু আন বন্ধু-বান্ধৱীৰ লগত অশোকা হোটেলতে হওক বা চান্দমাৰীৰ কলিতা হোটেলতে হওক নাইবা অফ পিৰিয়িডত নিউ হোষ্টেলৰ বাৰাণ্ডাতে হওক, কটনত থকা দিনকেইটা খুব নলে-গলে লগা বন্ধু হৈ পাৰ কৰোঁ। মই কলেজ এৰি অহাৰ পাছতো সুৰজিতক আৰু বহুবাৰ লগ পাইছিলোঁ, বহু পাহৰিব নোৱৰা মুহূৰ্ত পাৰ কৰিছিলোঁ। কলেজত থকা সময়ছোৱাত দুই এবাৰ তাৰ ঘৰত খাদ্যৰ জুতি লোৱা এতিয়াও মনত পৰে। সেই সময়ত এনেও কোনোবা বন্ধুৰ ঘৰত খাবলৈ পালে খুব ভাল পাইছিলোঁ। সুৰজিত আৰু বৰ্তমানৰ ডাঃ লুটফুৰৰ ঘৰত খোৱাৰ কথা আজিও মনত পৰে।

কিন্তু নিয়তিৰ কি পৰিহাস! হঠাৎ এদিন মই গুৱাহাটীৰপৰা তেজপুৰ অভিমুখে গৈ থাকোঁতে আমাৰ কলেজৰ বন্ধু প্ৰদীপ দত্তই ম'বাইল ফোনত সুৰজিতৰ মৃত্যুৰ খবৰটো দিলে, মোৰ ঘূৰি অহা নহ'ল। শেষবাৰৰ বাবে তাৰ নিথৰ দেহাটো চোৱা নহ'ল- তাৰ দুখ আজিও থাকি গ'ল। তই য'তেই আছ সুৰজিত, সুখ-শান্তিৰে থাক।

মই নিউ হোষ্টেলত খুব কম দিনৰ বাবেহে আছিলোঁ। এটা সৰু ঘটনাৰ কাৰণে হোষ্টেল এৰি প্ৰথমে মোৰ পেহাৰ ঘৰত আৰু তাৰ পাছত বিপিনৰ বায়েকৰ (সেই সময়ৰ বিধায়িকা) ঘৰতে এটা কোঠাত থাকিবলৈ সুযোগ পাওঁ মোৰ বন্ধু সকলৰ বিশেষকৈ বিপিনৰ অনুগ্ৰহত। যা হওক, নিউ হোষ্টেলৰ মোৰ কাষৰ ৰূমত তেতিয়াৰ কলেজৰ ঋষি কাপুৰ বুলি জনাজাত প্ৰদীপ্ত বৰুৱা ওৰফে সমীৰ বৰুৱা থাকে। প্ৰথম ৰাতিৰ পৰাই তাৰ লগত মোৰ বন্ধুত্ব গঢ়ি উঠে। আমি দুয়ো প্ৰায়ে ৰাতি হোষ্টেলৰ গেইট পাৰ হৈ (তলা লগাই দিয়ে) চেকেন্দ শ্ব' চাবলৈ যাওঁ আৰু হোষ্টেলত থকা সময়ছোৱাত তাৰ লগতে ৰাতিৰ সময় কটাইছিলোঁ, সি যিহেতু আৰ্টছৰ আছিল দিনৰ বেলিকা তাক খুব কমেইহে লগ পাইছিলোঁ। কিন্তু মই কলেজ এৰাৰ পিছতো তাক প্ৰায়েই লগ পাইছিলোঁ, এটা সময়ত আমি দুয়ো মিলি তিয়কৰ জগদুৱাৰ চাহ বাগিচা চলাইছিলোঁ। কিন্তু বিভিন্ন কাৰণত আমি সফল হ'ব নোৱাৰিলোঁ। তাৰ জীৱনৰ শেষ মুহূৰ্তত ডিব্ৰুগড়ৰ জয়ন্ত বৰদলৈ, মই আৰু সমীৰে মিলিজুলি গুৱাহাটীত ব্যৱসায় কৰিবলৈ আগবাঢ়িও শেষত হৈ নুঠিল। তাৰ অলপ দিন পাছতেই তাৰ মৃত্যুৰ খবৰটো আহিল। তেজপুৰৰ মিছন হস্পিতালৰ মৰ্গত পৰি থকা তাৰ শীতল মৃতদেহটো পুৰা হস্পিতাল কৰ্তৃপক্ষৰপৰা চমজি লৈ তাৰ পত্নীক চমজাই দিয়া পৰ্য্যন্ত তাক সঙ্গ দিব পাৰি আজিও ভগৱানৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম। তুমি য'তেই আছা শান্তিৰে থাকা সমীৰ, এয়ে মোৰ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা। প্ৰয়াত জয়ন্ত শৰ্মা যাক মই পুঙ্গা পণ্ডিত বুলি মাতিছিলোঁ, কচম' হোষ্টেলৰ কেশৱ, মোক কলেজত পঢ়াৰ সময়ত বিভিন্ন ধৰণেৰে সহায় কৰা বিপিনৰ লগতে যিসকল বন্ধু-বান্ধৱীয়ে আমাক অকালতে এৰি ইহলীলা সম্বৰণ কৰিলে সকলোৰে আত্মাৰ সদ্গতিৰ কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁ— তোমালোক য'তে থাকা সুখ শান্তিৰে থাকা।

●●●

# গুৱাহাটীত এদিন মেট্ৰো ৰে'লত...

**বিপুল চন্দ্ৰ খাটনিয়াৰ**

ছোৱালীজনীক চি অফ কৰি ভাবিলোঁ এয়াৰপ'ৰ্ট মেট্ৰ'ৰে যোৱাই ভাল হ'ব। এনেয়ে বহুত দেৰি হৈ গ'ল। আচলতে হংকঙৰ পৰা অহা ফ্লাইটটো দেৰিকৈ আহিল। তাইৰ ফ্লাইট গুৱাহাটীৰ পৰা ফ্ৰেংকফুৰ্ট হৈ চিধা ভিয়েনা। তাতে তাই থাকে। অষ্ট্ৰিয়ান ইনষ্টিটিউট অব মেডিকেল চাইঞ্চত কাম কৰে।

টেক্সীত ইমান দূৰ যাবলৈ মন নাই। মেট্ৰ'ত গ'লেও এটা সমস্যা। একতো আণ্ডাৰগ্ৰাউণ্ড মেট্ৰ'ত যাবলৈ মোৰ একদম বেয়া লাগে— খালি আন্ধাৰ আৰু আন্ধাৰ! তাতে এয়াৰপ'ৰ্ট মেট্ৰ' আকৌ কাছাৰীলৈহে যায়। তাৰ পৰা আকৌ গ্ৰীণ লাইন লৈহে মই ছয়মাইললৈকে যাব পাৰিম । তথাপি মেট্ৰ'তে উঠিলোঁ।

তাইক পঠাই দি মনটো বৰ বেয়া লাগি আছে। তিনি দিন থাকিলে। চাংসাৰিত থকা আছাম এইমচৰ নিমন্ত্ৰণত আহিছিল। তাইৰ কাৰণে এইমছৰ পৰা গাড়ী পঠাই দিব খুজিছিল। মই মানা কৰি দিলোঁ। ক'লোঁ ময়েই লৈ যাম। প্ৰায় দহ বছৰৰ মূৰত তাই আহিছে। গতিকে যিমানখিনি পাৰোঁ সিমান সময় তাইৰ লগত কটাবলৈ মন। তাতে উজানবজাৰৰ পৰা দৌল গোবিন্দলৈ থকা দলং খনেদি গৈ মোৰ বৰ ভাল লাগে।

"পাপা, তুমি এতিয়া আৰু ডেকা হৈ থকা নাই। টেক্সীৰে যাম। ইমান দূৰ তুমি গাড়ী চলাব নালাগে।"

ছোৱালীৰ কথা মানি টেক্সীৰেই গ'লোঁ। তাইৰ চেমিনাৰখন দুঘণ্টাৰ। বহি বহি আমনি লাগি ওলাই আহিলোঁ। দোৰাকঁহৰাত থকা ষ্টাৰ বাক্সতে পচন্দৰ কফি দুকাপমান শেষ কৰোঁ মানে তাই ফ্ৰী হৈয়েই গ'ল। আকৌ টেক্সী ল'লোঁ। এইবাৰ তাইৰ মন গ'ল ৰ'প ৱে'ৰে ব্ৰহ্মপুত্ৰ পাৰ হ'বলৈ। ময়ো কেতিয়াও ৰ'প ৱে'ৰে পাৰ হৈ পোৱা নাছিলোঁ। সেইদিনা সেই সুযোগতে অভিজ্ঞতাটো লৈ বৰ ভালেই লাগিল। প্ৰথমতে অক'মান ভয় নলগা নহয় কিন্তু ৰ'প ৱে'ৰ পৰা নামি তাই ক'লে পাপা' কাইলৈতো যাম গৈয়ে। আজি মাৰ কাৰণে মোৰ মতে অলপ বজাৰ কৰিম। মই বোলো ঠিক আছে ব'লা। গুৱাহাটী স্মাৰ্ট চিটি হোৱা কেইবাবছৰো হ'ল। ইতিমধ্যে মোডীয়ে ৰাজনীতিৰ পৰা অৱসৰ লোৱাৰ পিছত আমাৰ নিজৰ শৰ্মা ডাঙৰীয়া প্ৰধান মন্ত্ৰী হ'ল। আৰু তেতিয়াৰ পৰা গুৱাহাটীয়ে দোপতদোপে উন্নতি কৰি কলিকতাকো চেৰ পেলাই পূৰ্ব ভাৰতৰ প্ৰধান মহানগৰী হৈ পৰিল। মোৰ ছোৱালীয়েতো আহি আচৰিত হৈ গৈছিল। এতিয়া গুৱাহাটীৰ পৰা লণ্ডন, পেৰিছ, নিউয়ৰ্ক, ট'কিঅ' সকলো ঠাইলৈকে ডাইৰেক্ট ফ্লাইট। এছিয়ান ডেভেলপমেণ্ট বেংক আৰু তেনেকুৱা বহুতো আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ চেটেলাইট অফিচ বা ৰিজিঅ'নেল অফিচ গুৱাহাটীতে হ'ল।

ফাঁচীবজাৰৰ পৰা উবেৰৰ টেক্সী এখন লৈ বশিষ্ঠ চাৰিআলিৰ ফালে যাবলৈ ক'লোঁ। তাতে থকা ৱৰ্ল্ড ট্ৰেড চেণ্টাৰটো খোলা কেইবা বছৰো হ'ল। তালৈকে তাইক লৈ গ'লোঁ। প্ৰথমতে পয়ষষ্ঠিতম মানে আটাইতকৈ

ওপৰৰ মহলাত থকা ষ্টাৰ বাক্সত বহি আমি কফি খালোঁ। সেইটো মহলাৰ পৰা ছিলঙলৈকে দেখা যায়। ইফালে ভূটানৰ পাহাৰলৈকে। বৰঝাৰৰ প্ৰতি মিনিটত উঠা-নমা কৰা দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় ফ্লাইটবিলাকো সুন্দৰকৈ দেখা পায়।

কফি খাই উঠি ৱাল মাৰ্টলৈ গ'লোঁ। ৱৰ্ল্ড ট্ৰেড চেণ্টাৰটোৰ প্ৰথম তিনিওটা তলা ৱাল মাৰ্টে অধিকাৰ কৰি থৈছে। দেখি তাইৰ মুখৰ পৰা ওলাই গ'ল— ৱাও পাপা! মই গুৱাহাটীতে আছোঁ নে নিউয়ৰ্কত আছোঁ! বিশ্বাসেই হোৱা নাই! তাই মাক আৰু মোৰ কাৰণে ইচ্ছা মতে বজাৰ কৰি ল'লে। একেটা বিল্ডিঙৰ ইটো উইঙত (ৱৰ্ল্ড ট্ৰেড চেণ্টাৰটো আচলতে পয়ষষ্ঠি মহলীয়া টুইন টাৱাৰ) থকা ডাংকিন ড'নাট আৰু ৰেণ্ডিজৰ পৰাও মই নাম নুশুনা কিবা কিবি কিনি ল'লে। তাইৰ বজাৰ আক্ৰমণ শেষ হোৱাৰ পিছত আমি আকৌ কেব এখন লৈ ঘৰলৈ আহিলোঁ। বশিষ্ঠ চাৰিআলিৰ পৰা এ'লিভেটেড হাই ৱে'ৰে ছয়মাইল পাওঁতে দহ মিনিটো নালাগিল।

পিছদিনা পুৱাৰ পৰাই আমি দুই বুঢ়া-বুঢ়ীৰ মন বৰ বেয়া। ইমান বছৰৰ মূৰত তাই আহিছে— ভালকৈ মুখখন চাবলৈকে নাপালোঁ। এয়াৰপ'ৰ্টলৈ মাকো যাবলৈ ওলাইছিল। তায়ে বুজাই-বঢ়াই নোযোৱাটো কৰিলে। মিছামিছি কন্দাকটাখন কৰিবগৈ। তাইক নেদেখা হোৱালৈকে ৰৈ মই বৰ দুখ মনেৰে আহি মেট্ৰ'ত বহিলোঁহি। কাছাৰীৰ পৰা পুনৰ গ্ৰীণ লাইন, মানে খানাপাৰাৰ লাইনৰ মেট্ৰ'ত বহি ছোৱালীজনীৰ কথাকে ভাবি ভাবি আহি আছোঁ।

তেনেতে হঠাতে কোনোবাই গাত জোকাৰি জোকাৰি ক'লে— খুৰা! নামক। আপুনি ছয়মাইললৈকেহে ভাড়া দিছিল। বাছখন দেখোন খানাপাৰা পালেহি। নামক, নামক!

●●●

# কোনে চিকুটিলে?

**শৰৎ বৰকাকতি**

দেৱালী পাৰ হৈ যোৱা তিনিদিন হ'ল। ভাবি ভাবি মই উত্তৰটো পোৱা নাই, সেইদিনা এন্ধাৰত মোক কোনে চিকুটিলে? এনেকুৱাতো নহয় যে বাহুৰ তলত চিকুটা ঠাইডোখৰ বিষাই আছে বা ফুলি আছে। কবলৈ গ'লে মোৰ মনতেই নাই সঠিক ক'ত সেই চিকুটটো অনুভৱ কৰিছিলোঁ। পাঁচ চেকেণ্ড, এৰা সিমানেই হ'ব, সন্মুখৰ পৰা, দুয়োখন হাতেৰে কোনোবাই ... কিন্তু কিবা এটা আছিল চিকুটটোত। কিবা বাৰ্তা, কিবা ইংগিত? নেজানো, কিন্তু কিবা এটা ৰহস্য।

আজি দুপৰীয়া হিন্দী ক্লাছত বৰা ছাৰে মোক লাজ পোৱাকৈ ক'লেই - 'কি অ' হেকোডাং, এইট পাওঁতেই ক্লাছত মন নবহা হ'লেইনে?' সেইবাৰ স্কুলত নিজে লিখা নাটকখনত মই অভিনয় কৰা 'হেকোডাং' নামৰ লগুৱাৰ

চৰিত্ৰটোনো ছাৰে কি ভাল পালে নেজানো, মোক তেতিয়াৰ পৰা মৰমতে সেই নামেৰে মাতিবলৈ ল'লে। হ'লেও ইমানবোৰ লগৰ ল'ৰাৰ আগত মোৰ অপমান পাবলগা হ'ল কিয় ? কাকো মই খুলি কবও নোৱাৰোঁ। এনেকৈ অশান্তিত থাকিব নোৱাৰি দেই। স্কুলৰ পৰা আহি ভাতকেইটা খায়েই অকলে পথাৰলৈ ওলাই গ'লোঁ।

মোৰ প্ৰিয় আঁহতজোপাৰ তলত বহি দেৱালীৰ দিনটো মনতে পাগুলিবলৈ ধৰিলোঁ। আবেলিতে চাৰিডাল সমান ওখ চাই কলগছ খুৱাৰ সৈতে গৈ বাৰীৰ পৰা কাটি আনিলোঁ। খুৱাই বাঁহৰ চাৰিটা খুঁটি পদূলিমূৰত দুয়োফালে পুতি দিলে আৰু মাটিৰ ওপৰত ওলাই থকা জোঙা খুঁটি কেইটাত কলগছ কেইডাল থিয়কৈ গুঁজি দিলে। তাৰপিছত ভাইটি আৰু মই সন্ধিয়া হোৱালৈকে কলগছ কেইডালত কেউকাযে বাঁহৰ সৰু সৰু স্কেলৰ দৰে মাৰি গুঁজি গুঁজি তাত মাটিৰ চাকি জ্বলাই দিলোঁ। ভণ্টি আৰু ওচৰৰ সমনীয়া ল'ৰা-ছোৱালীয়েও আহি সহায় কৰিলেহি। তাতেই আগদিনাই দেউতাই বজাৰৰ পৰা অনা আৰু পুৱাই ৰ'দত দি থোৱা ফটকা, গিলাচ বোমা, চকৰি, ফুলজাৰী, ৰকেট, কলচী আদি জ্বলোৱা হ'ল। তাৰ পিছত নাৰিকল টুকুৰা টুকুৰকৈ দিয়া, তিওৱা বুটৰ প্ৰসাদ খাই ভাইটি আৰু চুবুৰীয়া সমনীয়া কেইটামানৰ সৈতে দাঁতিতে থকা কেইঘৰলৈ খোজ দিলোঁ। এখন বাৰী পাৰ হৈ যাব লাগে। বাৰীৰ মাজৰ অহাযোৱা বাটটো ঠেক, দুয়োকাযে পাচলি খেতি কৰে বাবে বাঁহৰ জেওৰা দিয়া আছে। তাতে নিকপকপীয়া এন্ধাৰ। আমি এটাৰ পিছত এটাকৈ শাৰী পাতি গৈ আছোঁ, মই একেবাৰে আগত। হঠাতে মাজ পাওঁতেই এন্ধাৰতে দেখা পালোঁ সমুখৰ পৰা আমাৰ দৰে শাৰী পাতি কোনোবা আহিছে। 'আমি আহিছোঁ দেই, চাব চাব'। ছোৱালীৰ মাত, সমুখৰ জনীয়ে সতৰ্ক কৰি আহিছে। তাইৰ মাতটো চিনি পালোঁ। তাই বিনীতা, সৰু, মোৰ ভণ্টিৰ লগৰ। জাকটো আহি মুখামুখি হ'ল, মুখবোৰ নেদেখি। দুই নম্বৰত অহাজনী অলপ ওখ বাবে পিছ ফালে আৰু কিমানজনী আছে বুজিব নোৱাৰিলোঁ। ময়ো ধেমালি কৰিবলৈ চিএঞৰিলোঁ। 'এই, দুখন ৰেল মুখামুখি খুন্দা খাব এতিয়া। সাৱধান।' ঠিক সেইমুহূৰ্ততে দুয়োখন হাতেৰে মোৰ বাহুৰ তলত নে, কোনোবাখিনিত সমুখৰ পৰা কোনোবাই চিকুটি দিলে।

এৰা, ঠিক, ঠিক ..দুই নম্বৰজনী। তাই, তায়েই হ'ব। কিন্তু কোন তাই! তাই মুখেৰে শব্দ কৰা নাছিল। আৰু চিকুটটো অনুভৱ কৰিলোঁ কি নকৰিলোঁ সিহঁত পাৰ হৈ হাঁহি হাঁহি আমাৰ বিপৰীত দিশত গুচি গ'ল। মনত আকৌ পাকঘূৰণি। ছাঁটো স্মৃতিৰ এক্সৰেত ধৰিবলৈ চেষ্টা কৰিলোঁ। ওখ, মুখৰ আকাৰটো থোপোকা। নহয় দীঘলীয়া। ঠিক, ঠিক দীঘলীয়া, চুলিখিনি মেলা নে খোপাবন্ধা..মেলা। তাৰ পিছত ? নাই, নাই মনত নপৰে। উস্ কি বিড়ম্বনা ! বাদ দে...যেয়ে হওক, কিয় ভাবোঁ ! কিন্তু চিকুটটোত থকা সেই বাৰ্তাটো। এটা পিৰপিৰণি। এটা শিহৰণ এতিয়াও যেন দেহ আৰু মনৰ ক'ৰবাত পিটপিটাই ফুৰিছে। সেইটোৰ কি কৰোঁ!

বিয়ানামৰ সুৰ এটা কাণত পৰাত মই বাস্তৱলৈ ঘূৰি আহিলোঁ। সেইজনী চিকুণ বাইদেউ, তাই সৰু ভায়েকৰ সৈতে পথাৰত এৰাল দিয়া ছাগলী দুজনী লৈ গধূলি ঘৰলৈ উভতিছে। চিকুণ বাইদেউ মোতকৈ বয়সত ডাঙৰ, আমাৰ ওচৰ চুবুৰীয়া। সৰুৰে পৰা একেলগে খেলি ডাঙৰ হৈছোঁ। সিহঁতৰ ঘৰত দমকল নাই বাবে আমাৰ দমকলৰ পৰা পানী নিয়ে। গৰম দিনত সৰুতে খেলি আহি কলৰ তলত বহি মই, ভাইটি আৰু চিকুণ বাইদেৱে

একেলগে গা ধোওঁ, মাই বা খুৰীয়ে দমকল মাৰি থাকে।

এবছৰমান আগতে এদিন মই তাহাঁতৰ চোতালত খেলিবলৈ যাওঁতে আইতাই মানা কৰিলে, ক'লে 'তাই ডাঙৰ হ'ল'। তেতিয়াৰ পৰা খেলাধূলা বন্ধ হ'ল, বাটে পথে পালে মাতবোল কৰোঁ, খা-খবৰ লওঁ। চিকুণ বাইদেৱে মোক দেখি লাজতে বিয়ানামৰ সুৰটো সামৰি হাঁহিলে আৰু 'বহিছ' বুলি কৈ লৰালৰিকৈ মই বহি থকা আঁহতৰ তল পাৰ হৈ গৰুবাটেৰে ঘৰৰ ফালে ছাগলী কেইটাৰ পিছে পিছে আগবাঢ়িল।

তাই যোৱাৰ ফালে লহিয়াবলৈ আৰম্ভ কৰা বেলিটোৰ হেঙুলীয়া ৰহণ তেতিয়াও কিছু বাকী আছিল। চিকুণ বাইদেউৰ লাজটো ভাঙিবলৈ এবাৰ জোকাই চাবলৈ মোৰ মনত বুদ্ধি খেলালে। মই তাইক চিঞৰিলোঁ- 'তই দেখোন আজিকালি ভাল বিয়ানাম গাৰ' ... ইতিমধ্যে তাই গৈ কেঁকুৰি এটা পাইছিলগৈ। তাই ঘূৰি চালে। বেলিটো পিছফালে আছিল বাবে তাইৰ মুখখন এন্ধাৰ দেখাইছিল, মুখেৰে 'হয়নে মোৰ সোণটো' বুলি কৈ কেঁকুৰিটোত তাই অদৃশ্য হৈ গ'ল।

ক'ত শুনিছিলোঁ এই কথাষাৰ! ক'ত, কোনে কৈছিল আগতে মোক.. 'মোৰ সোণটো' বুলি। কোনে ক'ত কেতিয়া ??? চাটকৈ মোৰ মনত পৰি গ'ল—দেৱালীৰ নিশা। এৰা চিকুটটো অনুভৱ কৰাৰ লগে লগেই যেন কাণত সৰুকৈ শুনিছিলোঁ কোনোবাই কোৱা - 'মোৰ সোণটো...।'

●●●

# এটি নিশাৰ কাহিনী....!!!!

**পংকজ কুমাৰ নেওগ**

চকু মেলি হঠাতে মই নিজকে এটা প্ৰকাণ্ড কোঠাৰ এচুকৰ বিছনা এখনত শুই থকা অৱস্থাত আৱিষ্কাৰ কৰিলোঁ। মোৰ মুখত অক্সিজেন মাস্ক্ এটা পিন্ধাই থোৱা আছে; বাওঁহাতখনত লাগি থকা ক্যেনুলাটোৰ মাজেৰে নাৰ্ছ এগৰাকীয়ে ড্ৰিপ এটা এডজাষ্ট্ কৰিবলৈ চেষ্টা কৰি আছে। মোৰ সমস্ত শৰীৰত প্ৰচণ্ড বিষ, মূৰটোও বিষত ফাটি যাওঁ যাওঁ যেন লাগিছে। গাটো জিকাৰ খাই কঁপনি উঠিব ধৰিছে যেন তমোময় জ্বৰ উঠিব এতিয়া। অতি দুৰ্বল কণ্ঠৰে নাৰ্ছগৰাকীক কিবা এটা সোধোঁ বুলি ভাবিছিলোঁ যদিও ডিঙিৰ পৰা এটা শব্দও নোলাল। ইতিমধ্যে নাৰ্ছগৰাকী আঁতৰি গৈ অইন এখন বিছনাত পৰি থকা বেমাৰীৰ কাষ পালেগৈ। ঠিক সেইখিনি সময়তে গাৰুটোৰ পৰা কষ্ট কৰি মূৰটো অলপ ওপৰ কৰি ইফালে সিফালে চাওঁতেহে বুজি পালোঁ যে মই হস্পিতালৰ এটা ডাঙৰ কোঠাত; মোৰ দৰে আৰু তিনিজন ৰোগী একেলগে। মুঠতে কোঠাটোৰ চাৰিটা চুকত আমি চাৰিজন ৰোগী। মূৰটো আকৌ গাৰুত পেলালোঁ- বৰ দুৰ্বল লাগিছে, ভাব হ'ল লাহে লাহে যেন মোৰ উশাহ লওঁতে কষ্ট হৈছে।

দুচকুৰে দুটোপাল গৰম লোতক বৈ আহিল। কিয় বা কোনে মোক হস্পিতাললৈ আনিলে- মোৰনো কি হৈছিল? মনত পেলাবলৈ খুব চেষ্টা কৰিলোঁ কিন্তু দুৰ্বল মগজটোলৈ একো কথা নাহিল।

বহু বছৰ আগেয়ে দুলিয়াজানৰ অইল ইণ্ডিয়াত কাম কৰি থাকোঁতে অৱশ্যে এবাৰ হস্পিতালত থাকিবলগীয়া হৈছিল- তাকো ডিব্ৰুগড়ৰ মেডিকেল কলেজৰ জেনেৰেল ৱাৰ্ডত। বন্ধু এজনক পিছফালে স্কুটাৰত বহুৱাই ডিব্ৰুগড়লৈ গৈ থাকোঁতে হঠাতে চাইকেল আৰোহী এজন সন্মুখত আহি পৰাত লাহোৱালৰ ৰেলৰ আলিৰ দাঁতিত দুৰ্ঘটনা এটা হৈছিল। বন্ধু গৰাকীৰ একো নহ'ল কিন্তু মই দুয়োটা চকুত দুখ পাইছিলোঁ। পিন্ধি থকা চশমাৰ আইনা ভাঙি চকু দুয়োটাৰে তলে ওপৰে জখম হৈছিল; গাল আৰু ওঁঠ ফালি ছিৰাছিৰি হৈছিল। সৌভাগ্যবশতঃ ৰেলৰ আলিৰ দাঁতিতে লাহোৱাল পুলিচ থানাখন আছিল; তেওঁলোকে পুলিচ জীপ এখনেৰে আমাক দুয়োজনকে ডিব্ৰুগড় মেডিকেল কলেজৰ আপাতকালীন ৱাৰ্ডত থৈ আহিছিল। লগে লগে 'লোকেল এনাস্থেচিয়া' দি মোৰ সকলোবোৰ জখম কেইজনমান ডাক্তৰে চিলাই পেলাইছিল। সঠিক হেলমেট পিন্ধি স্কুটাৰ চলোৱা দেখি ভাগ্যে লাওখোলাটো বাচিল কিন্তু নিৰীক্ষণত ৰাখিবলৈ মোক ৪৮ ঘণ্টাৰ বাবে জেনেৰেল ৱাৰ্ডলৈ পঠিয়াই দিলে। বন্ধুৰ গাঁত আঁচ এডালো নপৰিল; মোৰ পৰা বিদায় লৈ যাবলৈ ওলাল আৰু দুলিয়াজানলৈ ওভতাৰ আগেয়ে ডিব্ৰুগড়স্থিত মামীদেউক মোৰ দুৰ্ঘটনাৰ বিষয়ে অৱগত কৰি যাব বুলি কথা দিলে। দুদিন দুৰাতি মেডিকেল কলেজৰ জেনেৰেল ৱাৰ্ডত থাকি চকুৰে সৰিয়হ ফুল দেখিলোঁ। অৱশেষত যেনিবা গুৱাহাটীৰ পৰা ডাঙৰ ককাইদেউ আহি মোক দুলিয়াজানৰ হস্পিতাললৈ লৈ গ'ল। দুলিয়াজানলৈ উভতি যাওঁতে লাহোৱাল পুলিচ থানাই ধৰি থোৱা মোৰ স্কুটাৰখনো মুকলি কৰিব লগা হৈছিল। (সেইয়া এক অন্য কাহিনী!)

এতিয়াৰ হস্পিতালখনৰ মই থকা ৰূমটো ডিব্ৰুগড় মেডিকেলৰ জেনেৰেল ৱাৰ্ডটোৰ তুলনাত এখন স্বৰ্গ সদৃশ ঠাই। বিশাল ৰূমটোত আমি মাত্ৰ চাৰিজন ৰোগী; ধকধকীয়া বগা আৰু চফা বিছনা চাদৰ, গাৰুৰ গিলিপ, নতুন কম্বল; ৰূমটোৰ দুৱাৰ আৰু খিড়িকীবোৰত নতুন বগা পৰ্দা। কোঠাটোত কেইবাটাও শীত-তাপ নিয়ন্ত্ৰণ কৰা যন্ত্ৰ। চাৰিজন ৰোগীৰ বাবে চাৰিটা পৃথক বাথৰূম। এইবোৰ কথা ভবা-গুণা কৰি থাকোঁতে বাহিৰৰ বাৰাণ্ডাখনত অলপ লৰা-ঢপৰা শুনা যেন পালোঁ আৰু লগে লগে কিছু চেপা উত্তেজনাপূৰ্ণ কথা-বতৰা। তেনেতে ৱাৰ্ড বয় এজন আমাৰ ৰূমটোৰ দুৱাৰখন সশব্দে খুলি ভিতৰলৈ সোমাই আহিল। বাহিৰৰ বাৰাণ্ডাখনৰ পৰা মানুহৰ ভৰিৰ খোজ আৰু উত্তেজনাপূৰ্ণ কথাবোৰ ডাঙৰকৈ শুনা পালোঁ! ৱাৰ্ড বয়জনে দৌৰি গৈ আমাৰ কোঠাটোত ৰোগী চাই থকা দুয়োগৰাকী নাৰ্চক একেলগে মাতি নি সৰু সৰুকৈ কিবা এটা কথা ক'লে আৰু তাৰ পাছতেই নাৰ্ছ দুগৰাকী ভীতিগ্ৰস্ত হৈ পৰা যেন লাগিল। ৱাৰ্ড বয়জন ওলাই যোৱাৰ লগে লগে খৰ-খেদাকৈ তেওঁলোকো বাহিৰলৈ ওলাই গ'ল; দুৱাৰখন সাৱধানে বাহিৰৰ পৰা জপাই থলে। কথাটো কিনো হ'ব পাৰে মই ভাবিবলৈ ধৰিলোঁ। বাকী তিনিজন ৰোগীলৈ চাই পঠিয়ালোঁ- আটাইকেইজন বিছনাত সাৰসুৰ নোহোৱাকৈ পৰি আছে; বাহিৰৰ পৰা ভাহি অহা মানুহৰ কথা-বতৰা বা ভৰিৰ শব্দবোৰৰ প্ৰতি কেনেকৈ তেওঁলোক ইমান উদাসীন হ'ব পাৰে? মোৰ গাটো লাহে লাহে আৰু বেয়া লাগি আহিবলৈ ধৰিলে। জ্বৰটো বাঢ়ি অহাৰ লগে লগে ডিঙিটো সুৰসুৰাই এইবাৰ কাহ

এটাও আৰম্ভ হ'ল! অৱশ হৈ আকৌ গাৰুটোত মূৰ থ'লোঁ। এনেতে আকৌ সন্মুখৰ দুৱাৰখন সশব্দে খুলি বগা এপ্ৰণ পৰিহিত দুজন ডাক্তৰ আৰু তেওঁলোকৰ পিছে পিছে সেই একে দুগৰাকী নাৰ্ছ সোমাই আহিল; মন কৰিলোঁ সকলো কেইজনে মুখ আৰু নাক ঢকাকৈ 'ডিস্প'জেবল্ মাস্ক' লগাইছে আৰু হাততো 'ডিস্পোজেবল্' হাতমোজা পিন্ধিছে।

"Your attention please !" গলগলীয়া মাতেৰে এগৰাকী ডাক্তৰে আৰম্ভ কৰিলে। ক্ৰমটোত লেবেজান হৈ পৰি থকা আমি চাৰিওজন ৰোগী কোনোমতে বিছনাত উঠি বহিলোঁ। মোৰ আপদীয়া কাহটো আকৌ এবাৰ উঠোঁ উঠোঁকৈ ভাগ্যে বুকুতে জীণ গ'ল। ডাক্তৰগৰাকীয়ে আকৌ আৰম্ভ কৰিলে- "আমি এটা কথা ঘোষণা কৰিবলৈ আহিছোঁ কিন্তু আপোনালোক মুঠেই শঙ্কিত নহ'ব। আমাৰ কাষৰ ৱাৰ্ডটোত এগৰাকী ৰোগীৰ আজি পুৱতি নিশা মৃত্যু হয়। হস্পিতাললৈ অনা মাত্ৰ ৪৮ ঘণ্টাৰ ভিতৰতে ৰোগীজন মৃত্যুমুখত পৰে। ৰোগীগৰাকীয়ে দৰাচলতে প্ৰচণ্ড পেটৰ বিষত আমাৰ হস্পিতালত ভৰ্তি হৈছিল আৰু আমি তেখেতৰ এপেণ্ডিচাইটিছ অপাৰেশ্যন কৰিছিলোঁ। অপাৰেশ্যনৰ পিছত ৰোগী সম্পূৰ্ণ সুস্থ হৈ উঠিছিল। কিন্তু হঠাতে তেখেতে অন্য কিছুমান উপসৰ্গ দেখুৱাবলৈ আৰম্ভ কৰে। সকলোবোৰ লক্ষণ চাই আমি তেখেতৰ নিউমোনিয়াৰ চিকিৎসা আৰম্ভ কৰিছিলোঁ। আমাৰ সকলো চেষ্টা ব্যৰ্থ কৰি ৰোগীৰ আজি পুৱা মৃত্যু হয়। ঘটনাৰ আকস্মিকতাত আমি তাৎক্ষণিকভাৱে মৃতকৰ মৰণোত্তৰ পৰীক্ষা কৰোৱাওঁ আৰু সেই পৰীক্ষাত আমি মৃতদেহটোত এবিধ মাৰাত্মক বীজাণু আৱিষ্কাৰ কৰোঁ! এই বীজাণু ৰোগীৰ শৰীৰলৈ কেনেকৈ আহিল বা আহিব পাৰে আমি অনুসন্ধান আৰম্ভ কৰিছোঁ। ইতিমধ্যে কাষৰ ৱাৰ্ডৰ বাকী সকলো ৰোগীক আমি অইন এঠাইলৈ স্থানান্তৰ কৰি পৃথকীকৰণ বা Quarantine ৰ ব্যৱস্থা কৰিছোঁ আৰু কাইলৈ ৰাতিপুৱা আপোনালোক চাৰিওজনকে সেই একেটা চেণ্টাৰলৈ নি স্বাস্থ্য পৰীক্ষা কৰি তাতে ৰখা হ'ব। আপোনালোকে ভয় খোৱাৰ কোনো কাৰণ নাই। আশাকৰোঁ আমাক অৰ্থাৎ হস্পিতালৰ ডাক্তৰ আৰু অন্যান্য কৰ্মীসকলক আপোনালোকে পূৰ্ণ সহযোগিতা আগবঢ়াব'।

ভাষণ সামৰি ডাক্তৰদ্বয় পুনৰ উভতি গ'ল; বাকীকেইজন ৰোগীৰ কথা নাজানো কিন্তু মোৰ সমস্ত শৰীৰ থৰথৰকৈ কঁপিবলৈ ধৰিলে। আকৌ বিছনাত লাং খাই পৰিলোঁ। চকুৰে এবাৰ বেঁকাকৈ চাই দেখিলোঁ যে নাৰ্ছ দুগৰাকীয়ে আমাক বিলাবলৈ 'ডিস্পজেবল্ মাস্ক্', 'গ্ল'ভছ', চাবোন, চেনিটাইজাৰ, টাৱেল ইত্যাদিবোৰ পেকেটত বান্ধিবলৈ আৰম্ভ কৰিছে। হঠাতে মোৰ শৰীৰ আৰু কপালত যেন জুই জ্বলিব ধৰিছে তেনে ভাব হ'ল। বুকুখন পলে পলে গধুৰ হৈ উশাহবোৰ চুটি হ'বলৈ ধৰিলে। অক্সিজেন মাস্কটো মুখৰ পৰা আঁতৰাই খুব জোৰে জোৰে 'চিষ্টাৰ! চিষ্টাৰ!' কৈ চিঞৰি উঠিলোঁ কিন্তু মুখৰ পৰা কোনো মাত নোলাল ! এইবাৰ গাত লৈ থকা লেপখন ভৰিৰে দলিয়াই ধৰমৰাই বিছনাত জোৰকৈ বহি দিলোঁ আৰু লগে লগে সমস্ত কলেৱৰ ঘৰ্মাক্ত হৈ মই টোপনিৰ পৰা সাৰ পাই উঠিলোঁ।

চাইড্ টেবুলখনত থকা টেবুল-লেম্পটো জ্বলাই দি পিন্ধি থকা ঘড়ীটো চাই দেখোঁ ৰাতিপুৱা ৫ বাজিবৰ হৈছে। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছিল; বটলত আনি থোৱা পানীখিনি কোঁট কোঁটকৈ গিলি শেষ কৰিলোঁ।

কিন্তু কোঠাটো উশাহ-নিশাহ ল'ব নোৱৰাকৈ ইমান গৰম হৈ পৰিছে কিয় ? ৰাতি শোৱাৰ পৰত ৰিম'টটোৰে এ, চিৰ তাপমাত্ৰা ২১ ডিগ্ৰীলৈ কমাই কম্ফ'ৰ্টাৰখন গায়ে-মূৰে লৈ শোৱাৰ পিছতহে টোপনি আহিছিল ! ৰিম'টটো হাতেৰে খেপিয়াই গাৰুৰ তলত পাই লগে লগে উৰহী গছৰ ওৰ বিচাৰি পালোঁ। শুই থাকোঁতে মূৰৰ বা হাতৰ হেঁচা ৰিম'টটোৰ বুটামত পৰি তাপমাত্ৰা পাইছিলগৈ ৩০ ডিগ্ৰী! কোঠাটো আকৌ শীতল কৰি ৩ ঘণ্টামান আৰামত শুলোঁ। আৰু এইবাৰ শুই উঠিহে গাটো সতেজ লাগিল! ৰাতিপুৱা চাহ খাই থাকোঁতে যোৱা নিশাৰ কথা মনত পৰিল। ৰবিন কুকৰ "কণ্টাজিয়ন্" নামৰ ৫২৯ পৃষ্ঠাৰ কিতাপখন পঢ়ি আঁতাই শুবলৈ যাওঁতে প্ৰায় দেৰ বাজিছিল। দেৰিকৈ বিছনাত পৰি টোপনি অহা নাছিল; ৰবিন কুকৰ মেডিকেল থ্ৰিলাৰখনৰ মেনহাটন্ জেনেৰেল হস্পিতাল, ড° জেক ষ্টেপলটন্, লৰী মণ্টগমাৰী, টিৰিজ হেগেন, ৰিচাৰ্ড, ৱাৰেন ইত্যাদি বিভিন্ন পট আৰু চৰিত্ৰবোৰে মনত অগা-দেৱা কৰি আছিল। ৰিম'টটোৰে এ, চিৰ তাপমাত্ৰা আৰু কমাই দি আৰু কম্ফ'ৰ্টাৰখন গাত ভালকৈ টানি লৈ শুবলৈ চেষ্টা কৰিছিলোঁ আৰু নিজৰ অজানিতে হয়তো এটা সময়ত টোপনি আহিছিল। উঃ! কি যে ভয়ানক সমাজিক! ঘৰত ইমানবোৰ কিতাপ পৰি থাকোঁতে ৰবিন কুকৰ কিতাপখনহে ৰাতি দুপৰলৈকে পঢ়িব পালোঁ নে! এৰা, তাকো এই ভয়ানক কৰ'না মহামাৰী চলি থকাৰ সময়তে !!

●●●

# হাঁহিৰ বেদনা

**কঙ্কন শৰ্মা**

হাঁহিমুখীয়া সুদৰ্শন মানুহজন সোমাই অহাৰ লগে লগেই মনটো ভাল লাগি গ'ল। এওঁৰ লগত কিছু সুখ-দুখৰ কথা পাতিব পাৰি। মোৰ লগত প্ৰায় পোন্ধৰ বছৰৰ চিনাকি। প্ৰতি মাহতে এবাৰ হ'লেও আহে। ঔষধৰ কোম্পানী এটাৰ মেনেজাৰ। ৰিপ্ৰেজেনটেটিভ হোৱা দিনৰে পৰা চিনাকি। কিবা এটা ভাল লাগে। প্ৰথম অৱস্থাত আহিছিল গৈছিল, পিছলৈ এনেকুৱা হ'ল যে তেওঁ আমাৰ টাউনখনৰ বাকী কাম-কাজ শেষ কৰি অলপ দীঘলীয়া সময়ৰ বাবে মোৰ লগত বহে। বহে মানে মোৰ চেম্বাৰতে। ইটো-সিটোকৈ কথাবোৰে ব্যক্তিগত, সামাজিক, ৰাজনৈতিক দিশবোৰ সামৰি ল'বলৈ ল'লে। ৰসায়নৰ স্নাতকোত্তৰ ল'ৰাজনে পটকৰে বুজি পায় কথাৰ ভিন্ন ভিন্ন পৰ্যায়।

'ছাৰ! আজি কেনেকুৱা। নিশ্চয় ভাল?'

'অ, বঢ়িয়া'— মই আকৌ মোৰ নিজৰ খবৰ সুধিলে সদায় খুউব ভাল, বঢ়িয়া, এক্সিলেণ্ট ইত্যাদি বিশেষণেৰে কওঁ। এদিন নিৰ্মলে সুধিছিল— ছাৰ, আপোনাৰ বেয়া দিন নাই নেকি? দুৰ্যোগতে হওক অথবা অসুখতে হওক আপুনি সদায় খবৰ ভাল বুলি কয়। কিয়? মই ক'লো বহুত ভাল বুলি ক'লে

মানুহে নোসোধে কিয় ভাল; যদি বেয়া বুলি কওঁ বাৰে বাৰে সুধিব কি বেয়া, লাগিলে নিজৰ কাম-কাজ পিছ পেলাই ৰৈ যাব।

আমাৰ মাজৰ কথাবোৰ তেনেদৰে আগবাঢ়ে। নিৰ্মল বহিল। মুখমণ্ডল পোহৰ হৈ যোৱা হাঁহিমুখীয়া মুখ। মোৰ হিংসা হয়। অন্তৰত ফূৰ্তি থাকিলেও আমাৰ মুখখন গোমোঠা দেখি।

অলপ সময় ৰৈ নিৰ্মলে 'ল'ৰাটোৰ গণনি হৈ গ'ল ছাৰ', বুলি কৈ মোবাইলটো অলপমান টিপাটিপি কৰি ফটো এখন দেখুৱালে। ফুলফুলীয়া বগা, উজ্বল চকুৰ অকণমানি মুখখনিৰে মূৰত এটা টুপি আৰু ফুটফটীয়া কাপোৰৰ মাজত ল'ৰাটোৰ মুখখন দেখি আনন্দ লাগিল যদিও নিৰ্মলৰ বেদনাবোৰ মই জানো। ন বছৰ ইনফাৰ্টিলিটিৰ পাছত আই ভি এফ পদ্ধতিৰে পোৱা এই শিশুটো সময়তকৈ বহু আগতে জন্ম দিব লগা হ'ল। নিউমোনিয়া, চেপতিচিমিয়াত ভূগি বিগত প্ৰায় পাঁচ মাহ হস্পিতালত ৰাখি এটা সন্তানক জীয়াই ৰখাৰ বাবে আপ্ৰাণ চেষ্টা আৰু তাৰ বিনিময়ত হোৱা সীমাহীন খৰচ আৰু কষ্টৰ মাজতো নিৰ্মলে যেতিয়াই আহে তেতিয়াই মুখত সেই মনোৰম হাঁহি! সেইবাবে এনে যোদ্ধাক মোৰ ভাল লাগে। সেইবাবে তাৰ লগত সুখ-দুখৰ কথাবোৰ পাতোঁ। মোৰোতো দুখ আছে পিছে তাৰ তুলনাত নগণ্য। জন্মৰ পাঁচ মাহ পিছত বাচি যাব বুলি নিশ্চিত হোৱাৰ পাছত সি গণনি পাতিলে।

'হওক দিয়া যি হয় ভালৰ বাবে হোৱা বুলি ধৰি লোৱা'।

'নহয় ছাৰ গাঁৱৰ ঘৰত পিতা অকলে। আশীৰ ওপৰত বয়স। মই এই অৱস্থাত গুৱাহাটী এৰিব নোৱাৰোঁ। ধাৰ বহুত হ'ল। বেংক বেলেন্স নাই। অন্য কোনো কথা ভবাৰ উপায় নাই। মাথোঁ গৈ আছোঁ, হ'ব দিয়ক ছাৰ।' আনুসঙ্গিক আৰু বহু কথা পাতিলোঁ আমি। মই ক'লোঁ, 'যি নহওক তোমাৰ মূৰৰ পৰা ধুমুহাবোৰ আঁতৰিল। এতিয়া নতুনকৈ আৰম্ভ কৰা, যেনেকৈ হাঁহি আছা তেনেদৰে।' অলপমান হাঁহি সি ক'লে, 'আৰু এটা কথা আপোনাক কোৱা নাই নহয় ছাৰ'! 'কি কথা?' সুধিলোঁ। সি পুনৰ মোবাইলটো টিপি ফটো এখন উলিয়াই মোক দেখুৱালে। 'কি? এইখন ফটো দেখোন এইমাত্ৰ চালোঁ? তোমাৰ ল'ৰাটোৰ মঙ্গল হওক।'

'মোৰ ল'ৰাটোকহে চাইছে ছাৰ, লৈ থকাজনলৈ এবাৰ চাওকচোন।' এজন বিশ-পঁচিশ বছৰীয়া ল'ৰাই তাৰ ল'ৰাটো লৈ আছিল। নিৰ্মলে ক'লে, 'সি মোৰ ভাই।' 'অ' দেখাত তোমাৰ দৰেই।' 'পিছে তাক দেখিলে আপুনি ভাবিব পাৰেনে ছাৰ, যে তাৰ দুয়োটা কিডনিয়ে বিকল? ভগৱানে মোকহে পায় ছাৰ। সি মোৰ একমাত্ৰ ভাই। কিডনি ট্ৰেন্সপ্লেণ্টৰ বাহিৰে অন্য উপায় নাই। আৰু যুঁজিবলৈ মোৰ শক্তি নাই। কালি ডায়ালাইচিচৰ বাবে নিম।'

মই নিৰ্মলৰ মুখলৈ চালোঁ। উজ্জ্বল মুখখন নিস্প্ৰভ হোৱা নাই। আমাৰ সমস্ত দুখবোৰ তাৰ অন্তৰ্বেদনাৰ তুলনাত নগণ্য। মানুহক সাহস দিবৰ বাবে ভগৱানে তাৰ মুখত অনবৰতে হাঁহিটো দিছে নেকি বাৰু?

●●●

# ভূত আংকল

**ৰঞ্জনা দত্ত**

২০০২-২০০৩ চন মানৰ কথা। আমি তেতিয়া জয়পুৰৰ মালবীয় নগৰত থাকোঁ। ৰিয়া ক্লাছ এইট আৰু ঋতম থ্ৰীত পঢ়ে। সেই সময়ত জি টিভিত 'আপবিতি' নামৰ ভূতৰ ছিৰিয়েল এখন চলিছিল। ৰাতি ৯.৩০ বজাত সদায় ভাত পানী খাই ৰিয়া আৰু মই টিভিৰ সমুখত বহি গৈছিলোঁ 'আপবিতি' চাবলৈ। ঋতমৰ ভয় খুব বেছি আছিল যদিও 'আপবিতি' চলি থকাৰ সময়ত প্ৰায়ে আমাৰ লগতে বহি আছিল।

এদিন শুকুৰবাৰে ৰাতি আমি আটাইকেইটা বহি ভাত খাই থকাৰ মাজতে এওঁ ফোনত অফিচৰ সহকৰ্মী এজনৰ মৃত্যুৰ খবৰ এটা পালে।

"বৰ বেয়া খবৰ এটা পালোঁ বুইছানে! আমাৰ ডিপাৰ্টমেণ্টৰ মানুহ এজন হঠাতে ঢুকাই থাকিল। যোৱাকালি অফিচত লগ পাওঁতে খুব মন মাৰি আছিল। মই কি হৈছে সোধোঁতে কৈছিল আপোনাক সকলো ক'ম। কিবা ক'ব বিচাৰিছিল নেকি মোক!"

পিছদিনা শুই উঠি আহিয়েই এওঁ ক'লে— "কালি ৰাতি আচৰিত ঘটনা এটা হ'ল বুইছানে। মাজ ৰাতি হঠাতে সাৰ পাই ভাব হ'ল যেন গাৰ একেবাৰে কাষতে কোনোবা থিয় হৈ আছে। ভালকৈ চকু মেলি উঠি বহোঁতেই ডাইনিং টেবুলৰ ওপৰত থকা গিলাচত বটলৰ পৰা পানী ঢলাৰ শব্দ শুনিলোঁ। লগতে মিনাৰেল পানীৰ বটল জোৰেৰে মোকোটাই দিয়াৰ দৰে স্পষ্ট শব্দ। লগে লগে উঠি গৈ কিন্তু একো দেখা নাপালোঁ। তাৰ পাছত ভালদৰে টোপনিয়েই নাহিল।"

মই এওঁক ক'লো -"শৰ্মাৰ আত্মাটো আহিছিল চাগৈ তোমাক কিবা কম বুলি কৈছিল নহয়!"

"নাজানো দেই কি বস্তু। কিন্তু শব্দবোৰ একদম স্পষ্টকৈ শুনিছোঁ।"

পূৰা দিনটো ঘৰত কেইবাবাৰো কথাটো ওলাল। মাজে মাজে মোৰ উপদেশ "লোহাৰ কটাৰী এখন লগত লৈ ফুৰিবা নেকি দুদিনমান!"

ইহঁত দুটাইও মাজে মাজে 'আপবিতি'ত শুনা আত্মা খেদোৱা উপায়বোৰ কৈ থাকে।

"দেউতা, মন্দিৰৰ পৰা ফুল এটা লৈ পকেটত থৈ দিবা"।

"দে'তা পূজাৰী আংকলৰ পৰা তাবিজ এটা লৈ আনিবা"...ইত্যাদি।

গধূলি ইহঁত দুটাক পঢ়াৰ কাম দি সৰু সুৰা বস্তু দুটামান আনিবলৈ আমি দুয়ো বাজাজ স্কুটাৰখনত উঠি ওচৰৰ বজাৰখনলৈ ওলালোঁ।

— "লিখাখিনি শেষ কৰি থ'বা। মই কিন্তু আহি চাম।"

— "মা, মই ৰিয়াবাৰ লগত একেলগে বহোঁনে?"

— "নালাগে বাবা একেলগে বহিলে তোমালোকে কথা পাতি থাকিবা"।

আমাৰ জয়পুৰৰ দুটা শোৱা কোঠালিৰ ঘৰটোত ইহঁতৰ পঢ়া টেবুল দুখন একেটা কোঠালিতে আছে যদিও ঋতম আমাৰ বিছনাৰ ওপৰতে কাঠৰ সৰু টেবুলখন লৈ পঢ়ে।

— "মা বজাৰৰ পৰা কিবা খাবলৈ লৈ আনিবা"।

— "মা সোনকালে আহিবা। মোৰ ভয় লাগি আছে"।

— "অ'কে বাবা। যাম আৰু আহিম"।

আধাঘণ্টা মানৰ পাছত বজাৰৰ পৰা ঘূৰি আহি দেখোঁ আমাৰ ঘৰৰ সমুখৰ ৰাস্তাত ওচৰ-পাজৰৰ কেইবাটাও ল'ৰা-ছোৱালী থূপ খাই আছে। লগতে আমাৰ দুটাও। সকলোৰে মুখত ভয়ৰ চাপ স্পষ্ট। ...আগলৈ গৈ পাই স্কুটাৰৰ পৰা নামোঁ মানে গোটেই জাক আহি কথা ক'বলৈ হেতা ওপৰা লগালেহি।

— "মা...,

— "আণ্টি...

— "আংকল...

— "আৰে হুৱা ক্যা? বলতো"

— "আণ্টি আপলোগকা ঘৰ মে ভূত হে"

— "ভূত?"

— "হাঁ আণ্টি কৌয়ি আংকল কা ভূত শ্যায়দ। ৰিয়া ঋতম নে বোলা"।

ইহঁত দুয়োটাৰে মুখ বিবৰ্ণ। দুয়োটাকে লগত লৈ ঘৰ পালোঁহি। ঘৰৰ চাৰিওফালে বস্তু ছেদেলি-ভেদেলি। ঋতমৰ পঢ়া টেবুল বিছনাৰ ওপৰৰ পৰা আহি মাটিত বাগৰি আছে। কিতাপ-বহী মাটিত। ডাইনিং টেবুলৰ চকী বাগৰি আছে। পাকঘৰৰ পিছফালৰ দুৱাৰ খোলা। আচৰিত হৈ ৰিয়াক সুধিলোঁ —

"কি হৈছিল ৰিয়া?"

ৰিয়াৰ ভাষ্য এনেধৰণৰ—

মা, তোমালোক ওলাই যোৱাৰ অলপ পিছতে পাকঘৰৰ দুৱাৰখন খোলাৰ শব্দ হোৱাত ঋতমে মোক চিঞৰি মাতিলে।

— "ৰিয়া বা কোনোবা সোমাইছে পাকঘৰত। ভূত আংকল নেকি?"

— "কিযে যা তা কথাবোৰ কৈ থাকা। কোনো নাই। মইতো একো শব্দ পোৱা নাই।"

তেনেতে পাকঘৰত বাচন পৰাৰ ডাঙৰ শব্দ এটা হোৱাত ঋতমে পঢ়া টেবুল কিতাপ আদি মাটিত বগৰাই একেবাৰে ৰিয়াৰ ওচৰ পালেহি। এইবাৰ দুয়োটাই সমানে ভয় খাইছে। ইফালে পাকঘৰৰ পৰা খুটুক্ খাটাক শব্দ আহিয়েই আছে। ঋতমে ইতিমধ্যে 'আপবিতি'ত শুনা ডাইলগবোৰ ক'বলৈ আৰম্ভ কৰিছে —

"আংকল প্লীজ হমে ছোড় দিজীয়ে। হমনে আপকা কুছ নহী বিগাড়া..." ইত্যাদি।

এবাৰ পাকঘৰৰ পৰা ডাঙৰ বাচন এটা পৰাৰ শব্দ পাই দুয়োটাই ডাইনিং টেবুলৰ চকী টেবুল বগৰাই উধাতু খাই ঘৰৰ পৰা ওলাই একেবাৰে তল পালেগৈ। ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালীবোৰ গোট খাই আমি আহি পোৱালৈ ১০-১২ জনীয়া দল এটাই হ'লগৈ।

পাকঘৰলৈ গৈ চাওঁযে হয়, মাটিত বাচন দুটামান পৰি আছে। আৰু...

ভূত আংকলে মেকুৰীৰ বেশেৰে আহি গৰম কৰি থৈ যোৱা আধা লিটাৰ গাখীৰ বাচন চেলেকি চেলেকি খাই গাখীৰৰ চচপেন, ঢাকন আদি মাটিত বগৰাই থৈ বীৰদৰ্পেৰে উধাও। ছেঃ বাহিৰলৈ যাওঁতে পাকঘৰৰ দৰজাখনত খিলি লগাবলৈ পাহৰি গৈছিলোঁ...।

●●●

# হাৰমনিয়াম

**হৰ কুমাৰ দাস**

আজি প্ৰায় ছবছৰ হ'ল keyboard খন কিনাৰ।

তেতিয়াৰ পৰা হাৰমনিয়ামখন আলমিৰাত যি সোমাল তাক আৰু ঘূৰি চোৱা নাছিলোঁ। কালি ৰাতি শোৱাৰ আগত হঠাৎ মনত পৰি মনটো বেয়া লাগি থিৰাং কৰিলোঁ যে কাইলৈ পুৱা সেইখন আলমিৰাৰ পৰা উলিয়াই চাফা কৰিম। সেইভাজে ৰাতি শুই থাকিলোঁ... ৰাতি সপোনত দেখিলোঁ, হাস্পতালৰ কোঠাত বহি ৰোগী চাই আছোঁ। এনেতে এজন ৰোগী সোমাই আহিল, মানুহজনৰ মুখত দীঘল দাড়ি, মূৰত দীঘল চুলি, ৰুক্ষ ভাৱাক্ৰান্ত। সমুখৰ চকীখনত বহিব দিলোঁ। আপোনাৰ কি হৈছে বুলি সোধাত, দুখমনে ক'লে, ছাৰ মোৰ আৰু জীয়াই থাকিবৰ মন নাই। মোক মৰিবৰ বাবে দৰৱ দিয়ক। আজি তিনিমাহ ধৰি কোনো কাম-বন নাই, কি কৰিম জীয়াই থাকি। বুজি পালোঁ যে মানুহজন Depressionত ভুগিছে। অলপ মানুহজনক counselling কৰি প্ৰেছক্ৰিপচন লিখিবলৈ নাম সোধোঁতে ক'লে, নাম হেনো হাৰমনিয়াম হাতখোৱা।

হাৰমনিয়াম !!!

হঠাৎ টোপনিৰ পৰা সাৰ পাই উঠিলোঁ।

সাৰ পাই দেখোঁ, মোৰ সোঁহাতৰ আঙুলি চাৰিটা বুকুৰ বাওঁফালৰ তলৰ কামিহাড়কেইডালৰ ওপৰত লৰচৰ কৰি আছে... যেন হাৰমনিয়ামত আঙুলি বুলাই আছে। আৰু কিছু সময় শুই থাকিবৰ মন আছিল, ৰাতি পুৱাবলৈ কিছু পৰ বাকী। ঘপ্‌কৈ বিছনাৰ পৰা উঠি আলমিৰাটোৰ ওচৰলৈ গৈ হাৰমনিয়ামখন উলিয়াই আনিলোঁ। ইমান বছৰ তাক বৰ অনাদৰ কৰিলোঁ। মুখ মচা গামোচাখনেৰে ধুনীয়াকৈ চাফা কৰি বজাই চালোঁ। মনটো এক বুজাব নোৱৰা আনন্দই উদ্ভাসিত কৰিলে। খিৰিকীত তেতিয়া পুৱাৰ অৰুণে ভূমুকি মাৰিছে।

●●●

# অতিলৌকিক

**বিৰাজ জ্যোতি গোস্বামী**

মই ১৮ বছৰ বয়সতে ধ্যান কৰা আৰম্ভ কৰিছিলোঁ সেই সময়ত হোৱা এক মানসিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত। হয়তো মনৰ কলুষতা বৰ কম আছিল বাবে খুব সোনকালেই মই ধ্যানত নিমগ্ন হোৱাৰ অভিজ্ঞতা পাইছিলোঁ যিটো আজিকালি নাপাওঁ। এদিন মই সন্ধিয়া ধ্যানত বহাৰ অলপ পাছতে (আনুমানিক ৬-৭ মিনিটৰ পাছতে) মই দেখিলোঁ মোৰ দেউতা খোজকাঢ়ি আহি আছে হাতত এটা ডাঙৰ মাছ লৈ। আমাৰ ঘৰৰ পৰা ১০০ মিটাৰ দূৰত এজন চিনাকি মানুহে (সেই সময়ত জ্যোতিনগৰৰ বাসিন্দা সকলোৱে পৰস্পৰৰ প্ৰতি আপোন ভাবাপন্ন আছিল) চাইকেলৰ পৰা দেউতাক নমস্কাৰ জনাওঁতে পৰি গ'ল। যি নহওক দেউতা ঘৰ পালেহি আৰু মোৰো ধ্যান ভাঙি গ'ল। আকৌ চেষ্টা কৰি ধ্যানত বহিলোঁ আৰু আধাঘণ্টাৰ ধ্যান সমাপ্ত কৰি উঠি আহিলোঁ। দেউতাক সুধিলোঁ ‘‘বাবা’ (দেউতাক মই বাবা বুলি মাতিছিলো আৰু দেউতায়ো মোক বাবা বা গৰু বুলি মাতিছিল আৰু আমি দুয়ো পৰম বন্ধু আছিলোঁ) ইমান ডাঙৰ মাছ আনিলি যে ৰিক্সাত নাহিলি কিয়? আৰু হৰেনদাই দুখ পালে নেকি?’’ দেউতাই মোৰ ফালে অলপ চাই থাকি সুধিলে ‘‘বাবা’ তই ক'ৰপৰা দেখিলি?’’ তেতিয়াহে মই সম্বিত ঘূৰাই পালোঁ যে মই যিটো বন্ধ কোঠাত বহি ধ্যান কৰিছিলোঁ, তাৰ পৰা কোঠাটোৰ বাহিৰে একো দেখা নাপায়। ভয় খাই মই পাছদিনাই (দেউতায়ে লৈ গ'ল) গুৰুক কথাখিনি জনোৱাত তেওঁ বিস্মিত হ'ল আৰু ক'লে যে এই অতিলৌকিক ধ্যানৰ অভিজ্ঞতা তেওঁ নিজেও দুবাৰমানহে পাইছে ৪০ বছৰৰ ধ্যানত, কিন্তু ই বিপদজনক হ'ব পাৰে। গতিকে তেওঁ মোক এটা speedbreaker পদ্ধতি শিকালে যাতে মই ধ্যানত সদায় নিজতেই থাকোঁ।

এটা মোৰ জীৱনৰ অভিজ্ঞতা জনালোঁ।

●●●

# প্ৰত্যাহ্বান আৰু জীৱন

**জগদীশ চন্দ্ৰ বসুমতাৰী**

প্ৰিয় সহপাঠী সকল,

আমাৰ সকলোৱে মৰমৰ বিৰাজে আধ্যাত্মিক বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ ‘আত্মদৃষ্টি’ বুলি এটা অনুষ্ঠান আৰম্ভ কৰিছে। কালি মোক ফোন কৰি কৈছিল যে আত্মদৃষ্টিৰ প্ৰথম episodeত মোৰ

পৰ্বতাৰোহণৰ প্ৰসংগক টানিব। বিৰাজে আজি মেচেজ পঠিয়ায়ো মোক অনুষ্ঠানটো শুনি মন্তব্য এটা দিবলৈ সোঁৱৰাই দিলে।

মই বিৰাজৰ কথাখিনি খুব মন দি কেবাবাৰো শুনিলোঁ। কথাখিনি thought provoking। বৰ ভাল লাগিল। তলত মোৰ অনুভৱ খিনিকে চুটিকৈ বেকত কৰিব খুজিছোঁ!

আত্মদৃষ্টিৰ আজিৰ বিষয় 'প্ৰত্যাহ্বান আৰু জীৱন'। প্ৰত্যাহ্বান মোৰ জীৱনৰ এক অংগ হৈ পৰিছে বুলি ক'লেও ভুল কোৱা নহ'ব। এই আলোচনাৰ লগত কাকতালীয় যেন লাগিব পাৰে... যোৱা মাজ নিশাৰ পৰা এই মুহূৰ্তলৈকে পাৰ হৈ যোৱা মোৰ দিনপঞ্জী যদি reverse কৰি চাওঁ মই দেখিবলৈ পাম যে মোৰ সমুখত ডাঙৰ দুটা প্ৰত্যাহ্বান দণ্ডায়মান হৈ আছে। প্ৰথমটো হ'ল মোৰ ICUত হোৱাহোৰে চিৰিয়াচ কৰ'না ৰোগী ভৰ্তি হ'ব ধৰিছে, দ্বিতীয়টো হ'ল মোৰ পত্নী তথা ভাড়াতীয়া ফ্লেটটোৰ একেবাৰে ওচৰৰ ফ্লেটৰ বাসিন্দা এগৰাকীৰ দেহত কৰ'নাৰ উপস্থিতি ধৰা পৰিছে। পত্নীৰ লগত মোৰ ৮৯ বছৰীয়া পিতা, ছোৱালী দুজনী আৰু সন্তানসম পোহনীয়া কুকুৰজনী আছে। মোৰ আঁচনি আছিল মই পিতাক অহা সপ্তাহত ইয়ালৈ আনি কিছু পৰীক্ষা কৰোৱাম। এই দুয়োটা প্ৰত্যাহ্বান আজিৰ পৰিস্থিতিত মোৰ বাবে একেবাৰে অপ্ৰত্যাশিত বুলি অৱশ্যে মই নকওঁ। সি যি নহওক বিচলিত নহৈ মই পৰিস্থিতি চম্ভালি লৈছোঁ। মোৰ দৰেই আমাৰ সকলো সহপাঠীৰ জীৱনলৈ নিশ্চয় নানান সময়ত নানান ধৰণৰ প্ৰত্যাহ্বান আহিছিল আৰু এতিয়াও আহি আছে।

বিৰাজে এটা কথা সঠিককৈ কৈছে যে পৰিপাটিকৈ তৈয়াৰ কৰা আঁচনিৰে জীৱন সুকলমে নিৰ্বাহ কৰিব পাৰি বুলি ভবাটো ভ্ৰান্তিমূলক। ঠিক একেদৰে নিজে নিৰাপদ আৰু সুৰক্ষামূলক বুলি ভবা আঁচনিতো যদি কেতিয়াবা বিফল হৈ জীৱনটো থানবান হৈ যায় তেতিয়াও নিজৰ আঁচনি মতে সকলো ৰূপায়িত নোহোৱাৰ বাবেইহে জীৱনটো ধ্বংস হ'ল বুলি হা- হুতাহ কৰি বহি থকাটো কাপুৰুষালিৰ বাহিৰে একো নহয়। এনে পৰিস্থিতিত আত্মবিশ্বাস, অধ্যাৱসায় আৰু প্ৰত্যুৎপন্নমতিতাৰে আমি প্ৰত্যাহ্বানক জিনি জীৱনৰ বাটত আগুৱাব লাগিব বুলি বিৰাজে কৈছে। ময়ো এই বিষয়ত সম দৃষ্টিভংগী পোষণ কৰোঁ।

বিৰাজে মোৰ পৰ্বতাৰোহণৰ বিষয়টোও টানি আনি যিখিনি কথা কৈছে সেইখিনিয়ে মোক বাৰুকৈয়ে বিস্মিত কৰিছে, কাৰণ তেওঁ একেবাৰে প্ৰেকটিকেল কথাখিনি কৈ প্ৰত্যাহ্বান গ্ৰহণৰ ওপৰত নিজৰ মত প্ৰতিষ্ঠিত কৰিছে। মই যোৱা তিনিদশক জুৰি কাশ্মীৰৰ পৰা আমাৰ চুবুৰীয়া অৰুণাচললৈকে বিস্তৃত হৈ থকা বিশাল হিমালয় পৰ্বত শ্ৰেণীত বহু বিপদসংকুল অভিযানত ভাগ লৈছোঁ। কিছু অভিজ্ঞতা নোহোৱাও নহয়। তাৰেই ওপৰত ভিত্তি কৰি ক'ব পাৰোঁ যে বিৰাজৰ বিশ্লেষণ শতকৰা ৭৫ শতাংশ সঁচা।

উদাহৰণ দিবলৈ সৰু কাহিনী এটাৰ সহায় ল'ব খুজিছোঁ।

২০০৫ চনত মই অসম পুলিচৰ দল এটাৰ লগত ভাগিৰথী- ২ নামৰ শৃংগ এটা আৰোহণ কৰিবলৈ গৈছিলোঁ। পুলিচৰ হেড কোৱাৰ্টাৰত আমাক শুভেচ্ছা জনাই বিদায় দিয়া অনুষ্ঠানত আমাৰ পল্লৱো আছিল। ভাগিৰথী নামৰ তিনিটা শৃংগ আছে। তাৰে ভাগিৰথী-১ শৃংগটো মই ১৯৮৮ চনত বগাব গৈছিলোঁ। সেই অভিযানত ব্যস্ত হৈ থাকোঁতেই ১৯৮৮ চনৰ ৪ আগষ্টত অৰ্থাৎ আজিৰ দিনটোত কোকৰাঝাৰত

মোৰ আইৰ টান নৰিয়াত পৰি মৃত্যু হয়। মই অভিযান আধাতে সামৰি কুৰি দিনৰ পিছত ঘৰ পাওঁহি। ওপৰত কেনেকৈ খবৰ পালো, কেনেকৈ ওপৰৰ পৰা অকলে উভতি ঘৰ পালোঁহি সেইয়া লিখিলে এক ৰোমাঞ্চকৰ কাহিনী হ'ব। যি কি নহওক আৰু, ভাগিৰথী ২-ৰ প্ৰসংগলৈ আহিছোঁ।

পৰিকল্পনা মতেই অভিযান সুচাৰুৰূপে আগবাঢ়িছে। অৱশেষত আমি শৃংগৰ ওচৰত শেষ শিবিৰটো (summit camo) লগালোঁ।

২০০৫ চনৰ ১৪ আগষ্টৰ দিনা ৰাতিপুৱা চাৰি বজাত আমি সম্পূৰ্ণ প্ৰস্তুত হৈ শৃংগ অভিমুখে বগাব আৰম্ভ কৰিলোঁ। বিৱৰণ বেছি দীঘলীয়া নকৰোঁ। ১২ ঘণ্টা একেলেথাৰিয়ে কষ্টকৰ টেকনিকেল ক্লাইম্ব কৰাৰ পিছত আমি এনে এডোখৰ ঠাই পালোঁগৈ য'ৰ পৰা আৰু হয়তো ১ ঘণ্টা কঠোৰ পৰিশ্ৰম কৰিলে আমি ভাগিৰথী - ২ ৰ টপ পামগৈ। কিন্তু আমি চিন্তা কৰিলোঁ যে শৃংগৰ পৰা নামি অহাৰ সময়ত আন্ধাৰ হ'ব আৰু ওভতনি যাত্ৰা অত্যন্ত বিপদজনক হ'ব। কি কৰা উচিত হ'ব.. আগুৱাম নে তাৰ পৰাই উভতিম। অৱশেষত আগুৱাটোৱেই ঠিক হ'ল।

আৰু ২০০৫ চনৰ ১৪ আগষ্টৰ বিয়লি ৫ বজাত আমি ভাগিৰথী -২ৰ শিখৰত সগৌৰৱে থিয় দিলোঁগৈ। তেতিয়া অস্তগামী বেলিটোৰ হেঙুলীয়া আভা আমাৰ চাৰিওফালে থকা বৰফাবৃত শৃংগবোৰত পৰি এক স্বৰ্গীয় দৃশ্যৰ সৃষ্টি কৰিছে। তন্ময় হৈ সেই দৃশ্য উপভোগ কৰি থাকোঁতে কেতিয়া আন্ধাৰ হ'ল তলকিবই নোৱাৰিলোঁ। হঠাতে সম্বিত অহাতহে সকলোৱে সাৱধানে শৃংগৰ পৰা নামিবলৈ আৰম্ভ কৰিলোঁ।

যি ভয় কৰিছিলোঁ সেইটোৱেই হ'ল। আন্ধাৰৰ বাবে শিবিৰলৈ নামি যোৱাটো সম্ভৱ নহ'ব বুলি বুজি পালোঁ। ঠিক কৰিলোঁ মুকলি আকাশৰ তলতে ৰাতি কটাম। সুচল ঠাই বিচাৰিব ধৰিলোঁ। অৱশেষত ৫ জন কোনোমতে হেঁচা ঠেলাকৈ বহিব পৰাকে সৰু শিলৰ প্লেটফৰ্ম এটা পালোঁ। তলত খহি নপৰিবলৈ শিলৰ ফাঁক বিচাৰি তাত পিটন পুতি ৰচী লগালোঁ। সেই ৰচীত anchor লগাই বহি পৰিলোঁ। ভাগৰত পিয়াহত সৰ্ব শৰীৰ লেবেজান, ভোকত পেটৰ কেঁচু কুমতিবোৰে কলমলাব ধৰিছে। ৰাতি আগবঢ়াৰ লগে লগে চাৰিওপিনে কুঁৱলীয়ে ঢাকি ধৰিলে ...altimeter থকা ঘড়ীত তাপমান মাইনাচ ১৭ দেখাইছে। এজনৰ পকেটত ডাইজিন টেবলেটৰ সমান fire tablet কেইটামান আছিল। তাকে জ্বলাই ৫ জনে হাত সেকিবলৈ হাস্যকৰ চেষ্টা কৰিছিলোঁ। দুজনমানৰ nervous breakdown হৈ সমস্যাৰ সৃষ্টিও হৈছিল। সময় নেযায় হে নেযায়.. হাত-ভৰি অসাৰ নহ'বলৈ যিমান পাৰি সাৰে থাকি অংগ সঞ্চালন কৰি আছোঁ। অৱশেষত যেনিবা ফেঁহুজালি দিলে.. কিছু পোহৰ হ'ল। আমিও সাৱধানে নামি অৱশেষত শিবিৰ নিঘুণী ভাৱে পালোঁহি।

জিৰাই শতাই কিছু জলপান খাই সকলোৱে জাতীয় সংগীত গাই স্বাধীনতা দিৱস উদ্‌যাপন কৰিলোঁ। কাৰণ সেইটো ১৫ আগষ্টৰ এটা চিকুণ ৰাতিপুৱা।

উপসংহাৰত ক'ব খোজোঁ...

আঁচনিৰ বিপৰীতে আমি সম্ভাব্য বিপদকো নেওচি আগবাঢ়ি যোৱাৰ বাবেহে ভাগিৰথী-২ শৃংগ আৰোহণৰ ৰোমাঞ্চকৰ কাহিনী তোমালোকক জনাবলৈ এই সুযোগটো পালোঁ।

●●●

# ৰমজান, ৰোজা, যাকাত ইত্যাদি

**ফাইজুৰ ৰহমান**

**ৰমজান মাহ ঃ**

ৰমজান ইছলামিক পঞ্জিকাৰ নৱম মাহ।

এই ৰমজান মাহক ৰোজাৰ মাহ বুলিও জনা যায়।

ৰমজান শব্দৰ অৰ্থ হ'ল পুৰি পেলোৱা, দহন কৰা। সোণ পুৰি যেনেকৈ উজ্জ্বল কৰা হয় তেনেকৈ এই মাহত ৰোজা ৰখা মানুহৰ প্ৰাণৰ ঈৰ্ষা, হিংসা, লোভ, মোহ, কামনা-বাসনা আদি দহন কৰি নিকা কৰে আৰু নিজৰ বেয়া গুণ, বেয়া ধ্যান-ধাৰণা, হিংসা-বিদ্বেষ, কু-কৰ্ম, পাপ আদিক পুৰি ছাই কৰি পৰিশুদ্ধ জীৱন যাপন কৰাত সহায় কৰে।

ৰমজান মাহটো এটা পৱিত্ৰ মাহ। অন্য মাহৰ তুলনাত এই মাহত আল্লাহৰ নামত সময় খৰচ কৰিলে ৭০ গুণ বেছি পুন্য হয়। মুঠতে এই মাহত দিনে-ৰাতিয়ে কোৰাণ পাঠ কৰা, আল্লাহৰ নামত জিকিৰ কৰা, তছবিহ কৰা, নামাজ পঢ়া ইত্যাদি কৰি কটাব লাগে।

ৰমজান মাহৰ ধৰ্মীয় তাৎপৰ্য হৈছে যে —

ঃ এই মাহটোতে ইছলাম ধৰ্মৰ ধৰ্মগ্ৰন্থ পৱিত্ৰ কোৰাণ মানুহৰ বাবে পৃথিৱীত অৱতীৰ্ণ হৈছিল।

ঃ এই মাহটোত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ৰোজা ৰখাটো (উপবাসে থকা) বাধ্যতামূলক।

ঃ এই মাহত অৱস্থাপন্ন মানুহে অভাৱগ্ৰস্তক যাকাত অৰ্থাৎ দান দিয়াটো বাধ্যতামূলক।

ঃ এই মাহত নিয়মিত পাঁচবাৰ নামাজ পঢ়াৰ উপৰিও ৰাতি দীঘলীয়া তাৰাবীহ নামাজ পঢ়িব লাগে।

**ৰোজা ঃ**

ৰোজাৰ অৰ্থ হ'ল বিৰত থকা বা সংযম। মানুহে নিজৰ ছয় ৰিপু দমন কৰি সংযম ৰক্ষা কৰাই ৰোজা। বাহ্যিক দিশত ৰোজা হ'ল একপ্ৰকাৰ কঠিন উপবাস/ব্ৰত। এই উপবাস ৰমজান নামৰ মাহটোতেই পালন কৰা হয়। সূৰ্য উদয় হোৱাৰ আগতে যেতিয়া পূব আকাশত বগা পোহৰ দেখা যায় তাৰে আগতে খোৱা (চেহেৰী কৰা) শেষ কৰি দিনটো একো নাখাই, ভোক-পিয়াহ সম্পূৰ্ণ নিবাৰণ কৰি (আনকি মুখৰ থুই পৰ্যন্ত গিলিব নোৱাৰি), পিছত গধূলি ঠিক বেলি ডুবাৰ লগে লগে কিবা এবিধ মিঠা বস্তু খাই (ইফটাৰ কৰি) উপবাস/ব্ৰত ভংগ কৰা হয়। তাৰ পাছত সকলো খাব পাৰে। গাঁওবোৰত আগতে শেষ ৰাতি প্ৰথম কুকুৰাই ডাক দিয়াৰ লগে লগে মানুহে ৰোজা ৰাখিবৰ বাবে খোৱা-লোৱা শেষ কৰিছিল অৰ্থাৎ চেহেৰী কৰিছিল। আৰু দিনটো ৰোজা ৰাখি সূৰ্যাস্ত চাই অথবা গধূলি চুঙাৰ বাদুলি বাদল পোক আদি উৰা দেখিলে বেলি ডুবাৰ অনুমান কৰি কিবা খাই ৰোজা ভংগ কৰিছিল, মানে ইফটাৰ কৰিছিল। তেতিয়া

গাঁওবোৰত ঘড়ীৰ প্ৰচলন নাছিল। এতিয়া অৱশ্যে সকলোবোৰ সহজ হৈ পৰিল। দৈনিক সূৰ্যোদয় আৰু সূৰ্যাস্তৰ সময়ৰ ওপৰত ভিত্তি কৰি ৰমজান মাহত ৰোজাৰ কাৰণে সকলোবোৰ চহৰৰ বাবে আগতীয়াকৈ চেহেৰী আৰু ইফটাৰৰ সময়সূচী প্ৰস্তুত কৰি বিতৰণ কৰা হয়। ৰোজাৰ আধ্যাত্মিক দিশটো হ'ল অকল ভোক আৰু তৃষ্ণা নিবাৰণেই নহয়, সকলো অসৎ কৰ্মৰ পৰা নিজৰ দেহাটোক বিৰত ৰখা। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য আদি সকলোবোৰ ৰিপুক শক্তিশালীভাৱে দমন কৰাই ৰোজাৰ উদ্দেশ্য। ইয়াৰ উপৰিও অন্যায় কাম, অন্যায় চিন্তা, দুৰ্নীতি, কু-নীতিৰ পৰা নিজক আঁতৰাই ৰখা। মুঠতে মুখ, চকু, কাণ, নাক, হাত-ভৰি আদি অঙ্গ-প্ৰত্যঙ্গবোৰক সকলো প্ৰকাৰৰ বেয়া কথা আৰু বেয়া কামৰ পৰা যথাসম্ভৱ পৱিত্ৰ ৰখা। ৰোজাই মানুহক সংযমী আৰু ধৈৰ্যশীল হ'বলৈ শিকায়।

ৰমজান মাহৰ ১ তাৰিখৰ পৰা শেষলৈ ৭ বছৰ আৰু তাতোকৈ বেছি বয়সৰ ল'ৰা-ছোৱালী, পুৰুষ-মহিলা, ধনী-দুখীয়া, উচ্চ-নীচ, সকলো ব্যক্তিয়েই সম্পূৰ্ণ ৰমজান মাহটো ৰোজা ৰখাটো বাধ্যতামূলক।

**যাকাত ঃ**

যাকাতৰ অৰ্থ হৈছে পবিত্ৰতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা। প্ৰত্যেক অৱস্থাপন্ন মানুহে নিজৰ অৰ্থ সম্পদৰ পৰা এটি নিৰ্দিষ্ট অংশ অভাৱগ্ৰস্ত, ঋণগ্ৰস্ত, ৰোগাক্ৰান্ত, দুখীয়া, নিচলাৰ বাবে উলিয়াই দি তেওঁলোকক দান দিয়াকে যাকাত বোলে। থূলমূলকৈ ক'ব পাৰি যে প্ৰত্যেক ধনী মানুহে প্ৰথমে নিজৰ পাৰ্থিৱ জীৱনৰ প্ৰয়োজনত যেনে থকাৰ কাৰণে বাসস্থান, আৱৰণৰ কাৰণে কাপোৰ-কানি, খোৱা-বোৱাৰ কাৰণে অপৰিহাৰ্য বস্তু আৰু জীৱনৰ অন্যান্য অতি লাগতিয়াল খা-খৰচত নিজৰ ধন ব্যয় কৰি যিখিনি অতিৰিক্ত থাকিব তাৰেই ৪০ ভাগৰ এভাগ পৰিমাণ (মানে ২.৫%) যাকাত আদায় দিয়াটো বাধ্যতামূলক। উপযুক্ত নীতি-নিয়মৰ মাজেৰে যাকাত আদায় দিয়াৰ পিছত নিজৰ ধন-সম্পদৰ লগতে আত্মাও পৱিত্ৰ আৰু পৰিষ্কাৰ হৈ যায়। দেখা যায় ৰমজান মাহত অভাৱগ্ৰস্ত মানুহে যাকাতৰ পৰা নিজৰ অভাৱ বহু পৰিমাণে দূৰ কৰিব পাৰে।

**তাৰাবীহ নামাজ ঃ**

ৰমজান মাহত গতানুগতিক ৫ বাৰ নামাজ পঢ়াৰ উপৰিও ৰাতি ৰাতি অন্যান্য বহুত নামাজ থাকে। তাৰেই ভিতৰত বিশেষ নামাজ হ'ল তাৰাবীহ নামাজ। এই নামাজ পূৰা ৰমজান মাহটোত ৰাতি ৰাতি পঢ়া হয়। ইয়াৰ দ্বাৰা মানসিক উৎকৰ্ষ সাধন হোৱাৰ উপৰিও শাৰিৰীক ভাৱে সম্পূৰ্ণ ব্যায়াম হয়। এই নামাজত সম্পূৰ্ণ কোৰাণ শ্বৰীফখন মুখস্থ থকাজনে নামাজত উঠা-বহা কৰাৰ লগে লগে মাতি শুনায়। অৱশ্যে কেতিয়াবা অসুবিধা হ'লে কোৰাণ শ্বৰীফৰ অনুচ্ছেদ বা দফা মাতি শুনোৱা হয়। এই নামাজত অতি কমেও ২০ বাৰ আঁঠুত ধৰি হালিব লাগে, ৪০ বাৰ আঁঠুকাঢ়ি বহিব লাগে আৰু ৪০ বাৰ কপাল মজিয়াত (নামাজ পঢ়া কাপোৰৰ ওপৰত) লগাই মূৰ দোৱাব লাগে, ১০ বাৰ সোঁফালে, ১০ বাৰ বাওঁফালে মূৰটো ঘূৰাব লাগে আৰু ৪০ বাৰ উঠি থিয় হ'ব লাগে।

**অন্যান্য ঃ**

ইছলামিক পঞ্জিকাত চন্দ্ৰ মাহকেই একোটাকৈ মাহ ধৰা হয়। সেয়েহে প্ৰতি বছৰত প্ৰায় ১১ বা ১২ দিনকৈ কমি যায়। ফলত ইছলামিক পঞ্জিকাৰ মাহবোৰ বা তিথিবোৰ ইংৰাজী পঞ্জিকাৰ মাহৰ লগত একে নাথাকে, বছৰি পৰিৱৰ্তন হৈ থাকে। আনহাতে অমাৱস্যাৰ পিছত প্ৰথম কাঁচিজোন দেখা গধূলি সূৰ্য্যাস্তৰ পৰা মাহটোৰ ১ তাৰিখ আৰম্ভ হয়। গতিকে দিনটো বুলিলে আগদিনা গধূলি সূৰ্য্যাস্তৰ পৰা পিছদিনা গধূলি সূৰ্য্যাস্তলৈ ধৰা হয়।

●●●

# মোৰ ক্ষেত্ৰত এনে হৈছিল

**সুৰথ পাঠক**

২০০৩ চনৰ ফেব্ৰুৱাৰি মাহৰ শেষৰ ফালে সপৰিয়ালে ওলালোঁ শ্বিলঙলৈ। ল'ৰাটো অষ্টম আৰু ছোৱালীজনী তৃতীয় শ্ৰেণীত। তাৰ আগতে শ্বিলঙলৈ মই অকলেহে গৈছোঁ। আমি গৈ আবেলি সময়ত Youth Hostelত উঠিলোঁ। আগেয়ে ফোন কৰি ৰূম বুক কৰি থৈছিলোঁ। আমি দ্বিতীয় মহলাত ৰূম পালোঁ। তেতিয়ালৈ মোৰ বাহিৰলৈ ফুৰিবলৈ যোৱা হোৱা নাছিল। যি কি নহওক, ল'ৰা-ছোৱালীহাল অসমীয়া মাধ্যমৰ স্কুলত পঢ়া। ৰূমত হাত-মুখ ধুই অলপ ওলাই যাবলৈ তললৈ আহিলোঁ। ছোৱালীজনী আগে আগে দৌৰি তললৈ নামি আহিল। আমি আহি দেখোঁ তাই ওখ-পাখ ধুনীয়া মানুহ এজনৰ লগত কথা পাতি আছে। হঠাৎ তাই দৌৰ মাৰি আমাৰ ওচৰ পালেহি। আমি কি হ'ল বুলি সোধাত ক'লে— চব ইংৰাজীতে সুধি আছে। তাইক— what's your name, father's name, where are you from..etc. etc. কেইটামান common কথাৰ উত্তৰ দিবলৈ শিকাই থোৱা আছিল। সেইকেইটা শেষ হোৱাৰ লগে লগে তাই দৌৰ মাৰিলে।

পিছদিনা চেৰাপুঞ্জীলৈ যোৱাৰ কথা। সেইমতে সেইদিনা ৰাতিপুৱা উঠি গা-পা ধুই সাজু হ'লোঁ আৰু মই ব্ৰেকফাষ্টৰ খবৰ কৰিবলৈ তলৰ ডাইনিং হললৈ নামি আহিলোঁ। ব্ৰেকফাষ্ট ৰেডি— এওঁলোকক মাতি আনিবলৈ ওপৰলৈ গপাগপ উঠি গৈ দুৱাৰত এবাৰ নক কৰিয়ে ঠেলা মাৰি সোমাই গ'লোঁ— নিজৰেই ৰূম। সোমাই চক্ খাই গ'লোঁ, ৰূমত এওঁলোক নাই। এজনী চাউথ ইণ্ডিয়ান যেন লগা সৰু মুচৰীয়া মহিলাই হিটাৰত কিবা বনাই আছে। কিবা তলকিব পৰাৰ আগতেই বাথৰূমৰ পৰা এজন মস্ত ওখ ক'লা মানুহ ওলাই আহিল গা মচি মচি, পিন্ধনত... লগে লগে মোৰ মুখৰ পৰা ওলাই গ'ল— sorry, sorry, মানুহজনেও sorry, sorry বুলি আত্মসন্মান ৰক্ষাৰ চেষ্টা চলালে। ঘৈণীয়েকে (ঘৈণীয়েকেই হ'ব নিশ্চয়) খুক্ খুক্ কৈ হাঁহি দিলে। মই ওলাই দৌৰ মাৰিলোঁ। আচলতে মই লৰালৰিতে দ্বিতীয় মহলাৰ ঠাইত প্ৰথম মহলাৰ কোঠাত সোমাইছিলোঁ, চিৰি শেষ হৈ প্ৰথম ৰূম।

●●●

# Baby Showering

**কস্তুৰী নিভা গগৈ**

২০১৯ চনৰ অক্টোবৰ মাহত মই অষ্ট্ৰেলিয়াৰ মেলব'ৰ্ণত আছিলোঁ জী-জোঁৱাইৰ Caroline Springৰ নিজা বাসভৱনত। শনি আৰু দেওবাৰৰ বাহিৰে আন দিনত সকলোবোৰ কৰ্মব্যস্ত। কোনোবাই কিবা সামাজিক অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, পৰিয়ালৰ অনুষ্ঠান আয়োজন কৰিলেও সপ্তাহান্তিকত অনুষ্ঠিত কৰে যাতে কৰ্মব্যস্ত সকলোৱে আনন্দৰে যোগদান কৰিব পাৰে। মই তাত থাকোঁতেই ভাগিনী প্ৰিয়ম আৰু ৰাকেশৰ Sunberry অঞ্চলত নতুনকৈ গৃহনিৰ্মাণ সম্পূৰ্ণ হোৱাত তালৈও নিমন্ত্ৰণ পাইছিলোঁ। প্ৰিয়মৰ সন্তান ৰিচু জন্ম হোৱাৰ বাবে প্ৰিয়মৰ মাক ৰীণা বৰকাকতী (যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপিকা) সেই সময়ত জী-জোঁৱাইৰ লগতে আছিল। ভাৰতীয় পণ্ডিত এজনৰ হতুৱাই পূজা-পাতল কৰি গৃহপ্ৰৱেশ কৰিছিল আৰু ময়ো তেওঁলোকৰ House warming অনুষ্ঠানত উপস্থিত থাকি আনন্দিত হৈছিলোঁ।

আমাৰ দেশত সন্তান সম্ভৱা মাতৃৰ পাঁচ মাহত পঞ্চামৃত খুওৱা, সাত মাহত উজনি, মধ্য অসমৰ কোনো কোনো ঠাইত গৰ্ভৱতী ভোজন, নামনিৰ ফালে জেওৰা দিয়া উৎসৱ পালন কৰা হয়। বিশেষকৈ জেওৰা দিয়া অনুষ্ঠানটি প্ৰথম সন্তানটিৰ ক্ষেত্ৰতহে উদ্‌যাপন কৰা দেখা যায়। বিদেশত উলহ-মালহেৰে এই Baby Showering অনুষ্ঠানলৈ নিমন্ত্ৰণ পালোঁ। মই থকা বুলি জানি তেওঁলোকে মোক বোলে বিশেষভাৱে মাতিছে বুলি মোৰ জীয়ৰীয়ে জনালে। জী-জোঁৱাইৰ লগত যাওঁ-নাযাওঁকৈ ওলালোঁ। বিদেশৰ কথা কোনে বা চিনি পায় কিয়েইবা নিয়ম-নীতি একোকেই নাজানো। যথাস্থানত উপস্থিত হৈ প্ৰথমতে বৰ অসুবিধাত পৰিছিলোঁ। সকলোবোৰ ডেকা-গাভৰু, যুৱক-যুৱতী দেশী-বিদেশী। পাছত যেনিবা অমৰ দাদা (সহপাঠী বান্ধৱী জীনাৰ ককায়েক) আৰু বৰগোহাঁই দাদাৰ পৰিয়ালক লগ পাই কিছু স্বাভাৱিক হ'লোঁ। অমৰ দাদাহঁত মেলব'ৰ্ণৰ পুৰণি স্থায়ী বাসিন্দা। বৰগোহাঁই দাদা আৰু বাইদেউ জীয়েক-জোঁৱায়েকৰ ঘৰত তিনিমাহ আছেগৈ বাবে বহু নীতি-নিয়মৰ সৈতে অভ্যস্ত। দেশে দেশে ঠায়ে ঠায়ে প্ৰতিটো কামৰ নিয়ম-নীতি সুকীয়া। ইয়াত দেখিলোঁ গৰ্ভৱতীগৰাকীৰ বাঢ়ি অহা পেটৰ জোখমাখ আদি কৰাকে ধৰি ডেকা-গাভৰু পুৰুষ-মহিলা সকলোৱে বিভিন্ন খেল-ধেমালি পাতি আনন্দৰে উপভোগ কৰে। যিয়ে সঠিক জোখমাখ দাখিল কৰিব পাৰে তেওঁক পুৰস্কৃত কৰিও আনন্দ লাভ কৰে। মই সঁচাকৈয়ে কিছু অস্বস্তিবোধ কৰিছিলোঁ যিহেতু আমাৰ দেশত গৰ্ভৱতী কইনাজনী ন-সাজে সজাই পৰাই পেটটো আলফুলে ঢাকি ৰখা হয়। কিন্তু বিদেশত চুটি ফ্ৰক পিন্ধি থকাৰ লগতে ক'তো কাৰো কোনো দ্বিধাবোধ নাথাকে। পাছত মোক অধ্যাপিকা ৰীণাইহে কথাবোৰ বুজাই দিয়ে। আমাৰ দেশত জনসংখ্যাৰ মাত্ৰাধিক্যৰ হেতুকে নতুন জন্ম বা গৰ্ভৱতী নাৰীৰ প্ৰতি বিশেষ কাণসাৰ নাই অথবা পা-পৰিয়ালৰ ভিতৰতে কাৰ্যসূচী ৰূপায়ণ কৰে। আজিকালি অৱশ্যে চৰকাৰে দৰিদ্ৰ পৰিয়ালৰ গৰ্ভৱতী নাৰীৰ বাবে কিছু আঁচনি যুগুত কৰিছে।

এইক্ষেত্ৰত আমাৰ সমাজেও অতিৰঞ্জিত বা বাহুল্য নকৰে। গৰ্ভৱতীগৰাকীয়েও কিছু লুকঢাক আঁৰবেৰৰ মাজত থাকিহে সুৰক্ষিত অনুভৱ কৰে। কিন্তু যিবোৰ দেশত জনসংখ্যা অতি তাকৰীয়া সেইবোৰ দেশত কোনোবাই সন্তান জন্ম দিবলৈ প্ৰস্তুত হ'লে অথবা গৰ্ভৱতী হ'লে সকলো ফালৰ পৰাই বন্ধু-বান্ধৱ, পা-পৰিয়ালে উৎসাহিত কৰে সেয়ে আনন্দোৎসৱ খেল-ধেমালি সুস্বাদু আহাৰ খোৱা-বোৱাৰে পৰিয়ালটিক শুভাশিসেৰে ওপচাই দিয়ে। এৰা, ৰীণাৰ কথাই ঠিক- মই আশ্বস্ত হ'লোঁ। আমি হ'লোঁ জনবিস্ফোৰণৰ দেশৰ নাগৰিক। আমাৰ বাবে সেয়ে বিদেশৰ নীতি-নিয়মসমূহ অদ্ভুত যেনেই লাগে।

গৰ্ভধাৰণৰ পাছত নিৰ্দিষ্ট সময়ৰ পৰাই পিতৃ-মাতৃ দুয়োকে বিশেষ প্ৰশিক্ষণ দি সাহসী আৰু উৎসাহী কৰি তোলে বুলি জানিব পাৰি আচৰিতেই নহয় আনন্দিতও হ'লোঁ। পিতৃ-মাতৃয়ে যাতে সন্তানটিক প্ৰকৃত আলপৈচান ধৰিব পাৰে তাৰ বাবে সকলো ধৰণৰ প্ৰশিক্ষণ চিকিৎসালয়ৰ তৰফৰ পৰাই সময়ে সময়ে আগবঢ়োৱা হয়। আমাৰ দেশত ঘাইকৈ সকলোবোৰ দায়িত্ব মাতৃগৰাকীয়েই যথেষ্ট কষ্ট সহকাৰে পালন কৰে। পিতৃৰ যেন কেঁচুৱা গা ধুওৱা পখলা তথা পৰিচৰ্যাত কোনো ভূমিকাই নাই। বহুতৰে ক্ষেত্ৰত ছোৱালীৰ মাক অথবা শাহুয়েকেহে এনে কাম চোৱা-চিতা কৰে। ব্যতিক্ৰমী পৰিয়াল বা পিতৃ আছে যদিও তেনেই তাকৰীয়া বুলিব পাৰি। আজিকালি অৱশ্যে আমাৰ দেশত প্ৰচাৰ মাধ্যম, বাতৰি কাকত আদিৰ যোগেদি গৰ্ভৱতী নাৰী আৰু সন্তানৰ প্ৰতি যত্নপৰ হ'বলৈ সজাগতাৰ বিজ্ঞাপন প্ৰচাৰ আৰু প্ৰকাশ কৰা দেখা যায়। ই ভৱিষ্যতৰ শুভ লক্ষণ।

●●●

# জীৱন বাটৰ মানুহৰ কথাৰে...

**কৃষ্ণা শৰ্মা**

বহুত দেৰি মই হতভম্ব হৈ ৰৈ আছিলোঁ।

মোৰ সমুখৰ চকীখনৰ পৰা উঠি যোৱা মানুহগৰাকীৰ জীৱনৰ ব্যৰ্থতাৰ অকপট স্বীকাৰোক্তি বাৰে বাৰে মনলৈ আহিছিল "ল'ৰাটো উচ্চ শিক্ষাৰে শিক্ষিত কৰিলোঁ, কিন্তু মানুহ কৰি গঢ়ি তুলিব নোৱাৰিলোঁ।"

"মা, মোৰ কথাবিলাক শুনি তুমি বেয়া পাইছা নেকি?" "নাই নাই আপুনি কৈ যাওক মই শুনি আছোঁ।" "তুমি কিন্তু বেয়া পালেও মই সঁচা কথাখিনি তোমাক জনাইহে যাম। মই আপুনি নহয় তোমাক তুমি বুলিয়েই কম।" মোৰ সন্মুখৰ চকীখনত অলপ আগতে আহি বহা অচিনাকি মহিলাগৰাকীয়ে সেইদিনা কৈ গৈছিল। সন্মুখৰ ফাইলবিলাক আৰু তাৰ মাজতে বচে মাজে মাজে মাতি পঠোৱা বাবে মোক কৈছিল "তোমাক অসুবিধা দিছোঁ, মই বুজি পাইছোঁ কিন্তু মই আজি কথাখিনি কোৱা হ'লেহে যাম দেই মা।" ইমান মৰমেৰে ক'লে যে দহ মিনিট আগলৈকে সম্পূৰ্ণ অচিনাকি মহিলাগৰাকী মোৰ এনেকুৱা লাগিছিল

যেন মোৰ বহু দিনৰ চিনাকি।

১৫-১৬ মান বছৰৰ আগৰ কথা। মই অফিচৰ কমত কাম কৰি আছোঁ। তেনেতে অন্য মানুহ অহাৰ দৰেই শকত-আবত নিয়মীয়া উচ্চতাৰ মেখেলা-চাদৰ পৰিহিতা বয়সীয়াল মহিলা এগৰাকীয়ে দুৱাৰ মুখৰ পৰাই সুধিছিল "মই সোমাব পাৰিম নে"? তাৰপিছত হাতত লৈ অহা ক'লা ৰঙৰ কেঁকোৰা হেন্দেলৰ ডাঙৰ ছাতিটো সন্তৰ্পণে বেৰত আওজাই থৈ ক'লে "ছাতিটো ইয়াতে থৈছোঁ দেই"। তাৰ পিছতে মই বহিবলৈ কোৱাত মহিলাগৰাকীয়ে নমস্কাৰ জনাই ৰুমালেৰে ঘামি যোৱা মুখখন মচি কোনো পাতনি নেমেলাকৈ কৈছিল "মা, মই জুৰ'ডৰ পৰা আহিছোঁ। মোৰ নাম সাবিত্ৰীবালা দাস। মই আজি ইয়ালৈ আহিছোঁ এটা কথা জানিবলৈ যে মোৰ ঘৰত বোলে কিবা লাইটৰ কানেকচনৰ নামত অন্যায় কাম হৈছে। মই আপোনালোকৰ এচ ইক লগ ধৰিবলৈ গৈছিলোঁ। তেখেতে আপোনাৰ ওচৰলৈকে আহিব ক'লে। মই ইয়ালৈ অহাৰ কাৰণটো হ'ল যে মোৰ ঘৰত লাইটৰ কিবা অন্যায় কামৰ বাবে নটিচ দিছা। মই বৰ বেজাৰ পাইছোঁ। মোৰ ঘৰত মই জীয়াই থাকোঁতে অন্যায় কাম হোৱাটো নিবিচাৰোঁ। মোক ল'ৰা-বোৱাৰীয়ে নটিচখন দেখুওৱা নাই। মই কিন্তু গম পাইছোঁ আৰু আজি সঁচা কথাখিনি কৈ যিমান দিবলগীয়া আছে দি দিবলৈ আহিছোঁ। তাই এইকেইদিন গাড়ী লৈ দুপৰীয়া দুপৰীয়া ঘৰৰ পৰা ওলাই গৈ থকা দেখিছোঁ।"

প্ৰথমতে একো বুজা নাছিলোঁ যদিও লগে লগে চাৎ কৈ মনত পৰিল মহিলাগৰাকীয়ে উল্লেখ কৰা নামতে এটা ইন্সপেকচন ৰিপৰ্টৰ ওপৰত দিয়া বিলৰ ওপৰত আবেদন পোৱা গৈছে আৰু তাৰ বাবে এগৰাকী চেলোৱাৰ কামিজ পিন্ধা মহিলা আমাৰ অফিচলৈ দুদিনমান আহিছে। তাই বুলি তাৰমানে এখেতে সেই মহিলাগৰাকীকে বুজাইছে। মই সুধিলোঁ-"তেখেত আপোনাৰ কি হয়"। "মোৰ বোৱাৰী"। মই ভাবি থাকোঁতেই ক'লে "মই মাষ্টৰণী চাকৰি কৰি ৰিটায়াৰ হোৱা বহুদিন হ'ল। মোৰ একমাত্ৰ ল'ৰাটো মই বৰ কষ্টেৰে ডাঙৰ কৰিছিলোঁ। তাৰ জন্মৰ এমাহ আগতেই দেউতাকৰ এক পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। তেখেত এখন গাঁৱৰ হাইস্কুলৰ শিক্ষক আছিল। স্বামীৰ মৃত্যুৰ অলপদিন পিছতে মোৰ ভাই-ককাইহঁতে গুৱাহাটীৰ ঘৰলৈ মোক লৈ আহিল। কিন্তু মই সিহঁতৰ লগত নাথাকিলোঁ। বহুত চেষ্টাৰ ফলত এল পি স্কুলৰ চাকৰি এটা পাইছিলোঁ। মোৰ শিক্ষাও বৰ কম। ক্লাছ টেনলৈ প্ৰমোচন পাওঁতেই মোক বিয়া দিছিল গতিকে মোৰ পানীকেঁচুৱা লৈ মেট্ৰিক পৰীক্ষা দিছোঁ আৰু স্কুলৰ চাকৰি পোৱাৰ কিছুবছৰৰ পিছতে ঘৰৰ পৰা ওলাই আহিলোঁ। প্ৰথমতে ভাড়া ঘৰত থাকিলোঁ আৰু তাৰ পিছত মোৰ দেউতাৰ নামৰ মাটি অলপ মোৰ নামত লিখি দিলে। সৰুকৈ ঘৰটোও সাজি দিলে ভাইহঁতে। বহুত কৰিলে সিহঁতে মোৰ কাৰণে। কিয় জানানে মোৰ মা-পিতাই সিহঁতক মানুহ হ'বলৈ শিকাইছিল। মই সিহঁতৰ লগতে থাকিবলৈ বহুত কৈছিল কিন্তু মই নাথাকিলোঁ কাৰণ মই ভাইহঁতৰ সংসাৰ বিলাকত বেমেজালি লগাব নিবিচাৰিলোঁ। হয়নে নহয় কোৱাচোন। ল'ৰাটো কোনো ৰকম কষ্ট কৰি পঢ়ালোঁ। পঢ়াত ভালেই আছিল সি। সি সদায় ভাল ৰিজাল্ট কৰিছিল। সি নিজেই বিচৰা মতে চেন্ট্ৰেল গৱৰ্ণমেণ্টৰ ভাল চাকৰিও পালে। ডাঙৰ অফিচাৰ হ'ল। কিন্তু মা তাক পঢ়াই-শুনাই মই যিটো আনন্দ পাইছিলোঁ পিছত তাৰ কৰ্মই মোক সিমান দুখ দিলে।

মই তাক মানুহ কৰিব নোৱাৰিলোঁ। “-মানুহ গৰাকীয়ে অনৰ্গল কৈ গ'ল। মই ও, আ কৰাৰ বাহিৰে ক'বলৈ একো নাই।

মহিলাগৰাকীয়ে আকৌ ক'লে, “এইখন হাতেৰে অসংখ্য মানুহ গঢ়িলোঁ। মোৰ কিছুমান ছাত্ৰ এতিয়াও মোৰ ওচৰলৈ আহে। কিন্তু মোৰ নিজৰ ল'ৰাটো নাহে। নাতি দুটাকো মোৰ লগত কথা পাতিব নিদিয়ে। মোৰ লগত কথা পাতিলে সিহঁত বেয়া হ'ব নেকি? মই বেয়া মানুহ। তোমালোকৰ অফিচৰ মানুহ সেইদিনা আমাৰ ঘৰলৈ গৈছিল। মোক একো সুধিবলৈ সুবিধাই নিদিলে। বোৱাৰীয়ে হোষ্টেল এটা চলাই আছে ঘৰৰ এটা মহলাত। মই বহুত কষ্ট কৰি মাটি কিনি সৰু ঘৰ এটা বনাইছিলোঁ। এতিয়াও তাতেই মই থাকোঁ। ল'ৰাই কাষতে প্ৰথমতে এটা ঘৰ বনালে। খুব আনন্দ লাগিছিল ঘৰটোলৈ চাই চাই। মোৰ জীৱন সফল হোৱা বুলি গৰ্ব হৈছিল। বিয়া নিজৰ পচন্দ মতেই কৰালে। মই একোৱেই আপত্তি নকৰি বিয়া কৰাব দিলোঁ। মই ভালেই পাইছিলোঁ। কিন্তু লাহে লাহে মোৰ ল'ৰাৰ মতি-গতি সলনি হ'ল আৰু ঘৰো দেখোন ইটোৰ পিছত সিটো মহলা বনাই গ'ল। বেলেগ ঠাইতো ঘৰ বনালে। বহুদিন দূৰে দূৰে চাকৰি কৰিলে। মই এদিন তাক কথাবিলাক সুধিলোঁ— “তইতো ইমান দৰমহা নাপাৱ, কেনেকৈ ইমান বিলাক কৰিছ? চাবি, সদায় সৎ পথত থাকিবি, কালৈও ভয় কৰিব নালাগে।” মোক নমতা হ'ল। এতিয়া চাকৰি নাই। বেলেগৰ মুখত শুনিছোঁ কিবা টকা-পইচাৰ গণ্ডগোল কৰা বাবে বহুদিন কেচ চলাৰ পিছত চৰকাৰে দিচমিচ কৰি দিছে। বোৱাৰীক বেয়া বুলি নকওঁ। ভাল বুলিও নকওঁ। মোৰ ল'ৰা বেয়া। সিহঁতে লাইটৰ কানেকচনটো সিহঁতৰ নামত কৰিব খুজিছে কিন্তু মই জীয়াই থাকোঁতে মই পাৰমিচন দিব লাগিব নহয় জানো?” আৰু বহুত কিবা কিবি ব্যক্তিগত কথা ক'লে। মই ক'লো “আপোনাৰ বোৱাৰী আহি আছে আৰু সেইমতে সত্যাসত্যতাৰ ভিত্তিত আৰু আমাৰ বিভাগৰ নিৰ্দেশাৱলীৰ মতেই সম্পূৰ্ণ নিয়ম মতেই গোচৰটো নিস্পত্তি কৰা হ'ব। এচ ইৰ অৰ্ডাৰৰ কপি আপুনিও পাব। আপুনি সঁচা কথাখিনি কৈ বহুত সহায় কৰিলে।” মানুহগৰাকীয়ে ক'লে “হ'ব বাৰু, মই যিমান বিলৰ টকা দিব লাগিব দি যাম। মই আচলতে সঁচা কথাখিনি ক'বলৈহে আহিছিলোঁ।” মই অন্যায় হোৱাতো নিবিচাৰোঁ।” যাবৰ সময়ত মোৰ ওচৰলৈ আহি সৰু সৰুকৈ ক'লে “মই ইয়ালৈ আহিছিলোঁ বুলি বোৱাৰীক নক'বা দেই মা।”

সেইদিনা সঁচাই উপলব্ধি কৰিছিলোঁ তেওঁ নিজৰ ল'ৰাটোক বহুত কষ্ট কৰি ডাঙৰ কৰি পিছত মতি-গতি সলনি হোৱা বাবে বৰ দুখ পাইছে। সঁচা অৰ্থত অকল সন্তানক ৰিজাল্ট ভাল কৰি ভাল চাকৰি কৰাৰ উপৰিও সন্তানক ভাল মানুহ এজন কৰি গঢ়ি তুলিব পাৰিলেহে মানুহৰ জীৱন সফল বুলি ক'ব পাৰি। তেওঁৰ একো দুখ নাই। মাথোঁ ল'ৰাটোক মানুহ কৰি গঢ়ি তুলিব নোৱাৰিলে। মানুহগৰাকী মোক মাত লগাই গুচি গ'ল। অফিচলৈ বহুত ধৰণৰ মানুহ আহে কিন্তু সাবিত্ৰীবালা দাসৰ চেহেৰাটোৰ সৈতে কথাখিনি মোৰ হৃদয়ত সদায় সজীৱ হৈ থাকি গ'ল।

●●●

# পত্ৰালাপ

*বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে পৰম্পৰাগত বহুতো অভ্যাস আমাৰ মাজৰ পৰা হেৰাই গ'ল। আখৰ শিকা সভ্যতাৰ আৰম্ভণিৰে পৰা ব্যক্তি জীৱন, সমাজ জীৱন, ৰাষ্ট্ৰ জীৱনৰ অপৰিহাৰ্য অঙ্গ হৈ পৰা চিঠি লিখাৰ প্ৰয়োজন বৰ্তমান নাইকিয়া হৈ পৰিল। অভ্যাসো নোহোৱা হ'ল। এই মঞ্চত চিঠি লিখাৰ পুৰণি অভ্যাস পুণৰ্জীৱিত কৰাৰ এক প্ৰয়াস চলোৱা হৈছিল। সফলতাৰ বিচাৰ পাঠকৰ হাতত...*

## সাত সাগৰ তেৰ নদীৰ সিপাৰে থকা মিতু (জয়ন্ত চৌধুৰী) লৈ দুযাৰমান

মিতু অ,

তই নিজৰো যতন লবি।
আমি জানো ৰোগীৰ লগত
তই নিউইয়ৰ্ক চহৰত খুবেই ব্যস্ত।
শুনিছোঁ তাত হেনো দিনে নিশাই
শ শ মানুহ কৰ'না ভাইৰাছত আক্ৰান্ত হৈছে।
তই আমাৰ বাবে চিন্তা নকৰিবিচোন।
আমি অসমত নিৰ্ভয়ে আছোঁ।

তহঁতেও লকডাউন মানি চলিবি দেই।
অসম চৰকাৰে উপযুক্ত সময়ত
লকডাউন ঘোষণা কৰিছে।
স্কুল, কলেজ, অফিচ, শ্বপিংমল,
দোকান-পোহাৰ সকলো বন্ধ দিছে।
উৰাজাহাজ, ৰে'লগাড়ী, মটৰগাড়ী
মুঠতে চলাচলত নিষেধাজ্ঞা দিছে।

তই তোৰ দেহৰ যতন লবি দেই।
ইয়াত কৰ'না ভাইৰাছত আক্ৰান্ত
ৰোগীৰ সংখ্যা তাকৰ যদিও
চৰকাৰে যুদ্ধকালীন তৎপৰতাৰে
পৰিকল্পিতভাৱে কৰ'নাৰ বিৰুদ্ধে
যুঁজ কৰিবলৈ সম্পূৰ্ণ সাজু।

মিতু তইতো জানই,
এই ভাইৰাছ নেদেখা শত্ৰু,
তই তোৰ দেহৰ যতন ল'বলৈ নাপাহৰিবি।

বহু দেশত হেনো ৰোগী অনুপাতে চিকিৎসালয় কম।

ইয়াত চৰকাৰে অতি কম দিনৰ ভিতৰতে চিকিৎসা সেৱা পদ্ধতি বহুত উন্নত কৰিছে।

চিন্তা কৰিব লগা কোনো কথাই নাই।

তথাপি দোৱা কৰিছোঁ য'তেই আছ কুশলে থাক। ইতি-

ফাইজুৰ ৰহমান

# বিজয় কুমাৰ চৌধুৰীলৈ

মৰমৰ

বিজয়,

মৰম ল'বা। আশা কৰোঁ নেদেখাজনৰ কৃপাত তোমালোক সকলো কুশলে আছা। পাৰাদ্বীপত অসমীয়া পৰিয়াল কেইটামানৰ লগ লাগি ভোগালী বিহু পতাৰ যে খবৰ দিছিলা, তাৰ পিছত আৰু তোমাৰ পৰা বিশেষ একো খবৰ পোৱা নাই। তথাপি no news is a good news বুলি ভাবি সান্ত্বনা লভিছোঁ।

অতিমাৰী কৰ'নাই সৃষ্টি কৰা পৰিস্থিতিৰ বাবে আমি ইয়াতে গৃহবন্দী হৈ দিনবোৰ কটাইছোঁ। সামাজিক দূৰত্ব মানি বজাৰ-সমাৰ আৰু অন্যান্য জৰুৰী কাম কৰিছোঁ। দিনবোৰ নাযায়-নুপুৱায় যেন লাগিলহেঁতেন যদিহে পঢ়িবলগীয়া কিতাপবোৰ জমা হৈ নাথাকিলহেঁতেন। লকডাউন এতিয়া আশীৰ্বাদ হৈ জনমানসত সৃষ্টিৰ অমল উৎস হিচাপে ধৰা দিছে। অৱশ্যে দিন ভিক্ষা প্ৰাণ ৰক্ষা কৰি জীৱন নিৰ্বাহ কৰা বিশেষকৈ অনগ্ৰসৰ শ্ৰমিক শ্ৰেণীৰ ভীষণ অসুবিধা হৈছে। অসুবিধা হৈছে আন বহুতৰ। সেইবোৰ নিশ্চয় তোমাক ক'ব নালাগে।

তোমালোকো সাৱধানে থাকিবা। মনত ৰাখিবা 'দেহা থাকিলেহে বেহা।'

ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ 'অনুৰাধাৰ দেশ' পঢ়াৰে পৰা পাৰাদ্বীপৰ প্ৰতি আকৰ্ষিত হৈ আহিছোঁ। সেই পাৰাদ্বীপত তুমি দিনৰ পিছত দিন, বছৰৰ পিছত বছৰ আছা— তোমালৈ ঈৰ্ষা হৈছে। ২০০৯ চনত উৰিষ্যাৰ ময়ূৰভঞ্জ জিলালৈ নিৰ্বাচনী পৰ্য্যবেক্ষকৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে ভাবিছিলোঁ মাজৰ অৱসৰত তালৈ যাম। নহ'লগৈ যোৱা। ২০১৬ চনত পুনৰ চৰকাৰী দায়িত্বত ভুবনেশ্বৰলৈ যাওঁতে ক্ষীণ আশা এটা কৰিছিলোঁ যাব পাৰিম বুলি, নহ'লগৈ। অৱশ্যে তেতিয়া তুমি তাত থকাৰ কথা নাজানিছিলোঁ।

যিয়েই নহওক, দ্বিতীয়খন 'অনুৰাধাৰ দেশ' তোমাৰ কাপেৰে ওলাব বুলি আশাৰে বাট চাই ৰ'লোঁ।

পুনৰ কুশল কামনা কৰি আজিলৈ ইমানতে সামৰিলোঁ। ইতি।

তোমাৰ বন্ধু

মদন

●●●

# সিদ্ধেশ্বৰ বাৰ্মালৈ চিঠি

সহপাঠী

সিদ্ধেশ্বৰ,

তুমি য'তেই আছা কুশলে থাকা। তুমি যোৱাৰ পাছতো বহু দিনলৈ তোমাৰ পৰিয়ালৰ লগত সম্পৰ্ক ৰাখি আছিলোঁ যদিও বহু দিন হ'ল তেওঁলোকৰো একো খবৰ পোৱা নাই। আচলতে কি হ'ল জানা, পুৰণি ম'বাইলটো বেয়া হোৱা বাবে নম্বৰটো নাইকিয়া হ'ল।

কেতিয়াবা বৰকৈ মনত পৰে অ' সিদ্ধেশ্বৰ, তুমি যে কেতিয়াবা হঠাৎ আহি তোমাৰ সমস্যাবোৰ মোৰ লগত আলোচনা কৰিছিলা। বজালীত অকলে নিজে ৰান্ধি-বাঢ়ি কলেজ কৰি আমনি লগা কথা, ছোৱালী দুজনীৰ ভৱিষ্যতৰ কথা। তোমাৰ 'ব্লাড ছুগাৰ' বহুত বেছি আনকি ইনচুলিনেও কণ্ট্ৰ'ল কৰিব পৰা নাই বুলি দুখ কৰিছিলা। সকলো কথাই আজিও মনত আছে। এতিয়া ভাবিলে নিজৰেই আচৰিত লাগে, মই সাংঘাতিক অভিজ্ঞ ব্যক্তিৰ দৰে তোমাক উপদেশ দিছিলোঁ আৰু তুমিও আনন্দেৰে পতিয়ন গৈছিলা।

তোমাৰ মনত আছে নে এদিন ভৰ দুপৰীয়া মই গৈ তোমাৰ ঘৰ ওলাইছিলোঁ আৰু তোমাৰ শ্ৰীমতীৰ অনুৰোধৰ বাবেই তোমাৰ লগত একেলগে বহি ভাত খাই হাঁহি-মাতি ভালকৈ থাকিব কৈ গুচি আহিছিলোঁ। তুমি একো গমেই নাপালা নহয়, সেইদিনা মই কিয় গৈছিলোঁ। আচলতে তোমাৰ শ্ৰীমতীয়ে মোক ফোন কৰি ক'লে— তুমি হেনো ঘৰত খং কৰি দুদিনৰ পৰা পানী এটুপিও মুখত দিয়া নাই। তেওঁ নিৰুপায় হৈ মোলৈ ফোন কৰিছে। মই ঘৰত আটাইকে খুৱাই উধাতু খাই তোমাৰ ঘৰলৈ বুলি ওলালোঁ। পৰিস্থিতি কেনেকৈ চম্ভালিম বুলি ভাবি ভাবি গাড়ীখন পাৰ্কিং কৰোঁতে ফুটপাথত লাগি বৰ বেয়াকৈ বাম্পাৰ ভাঙিছিল। তথাপিও তুমি একো নুবুজাকৈয়ে তোমাৰ অনশন যে ভাঙিব পাৰিছিলোঁ সেইবাবেই ঘূৰি আহোঁতে বৰ ভাল লাগিছিল।

তোমাৰ মনত পৰেনে তোমাৰ ডাঙৰ ছোৱালীৰ মেট্ৰিক দিয়া বছৰ তুমি ঘৰতেই সৰস্বতী পূজা পাতিছিলা আৰু মোক নিমন্ত্ৰণ কৰিছিলা। মই স্কুলৰ পূজা এৰি তোমাৰ ঘৰৰ পূজালৈ যাবলৈ বাধ্য হৈছিলোঁ, কাৰণ তুমি কৈছিলা পেহীয়েকৰ আশীৰ্বাদ নহ'লে পৰীক্ষা কি ভাল হ'ব। তোমাৰ এই আন্তৰিকতাৰ বাবেই আজিও তোমাক পাহৰিব পৰা নাই।

তুমি প্ৰায়ে কৈছিলা তুমি এখন উপন্যাস লিখিবা আৰু তাৰ এটা চৰিত্ৰ মোৰ নাম দিবা। এই আশা তোমাৰ পূৰণ নহ'ল। বৰ সোনকালে তুমি গুচি গ'লা।

তুমি যোৱাৰ দিনা তোমাৰ সৰু ছোৱালীজনীয়ে কান্দি কান্দি ফোনত কৈছিল— 'পেহী, আপুনি নাহিলে আমি দেউতাক শেষ যাত্ৰাৰ বাবে লৈ যাব নোৱাৰিম' কথাষাৰ মনত পৰিলে বুকুখন বিষাই যায়, কি যে আত্মীয়তা!

আজিলৈ ইমানতেই সামৰোঁ দিয়া।

প্ৰিয় বান্ধৱী জোনা

# জোনা মহন্তলৈ চিঠি

মৰমৰ জোনা,

সিদ্ধেশ্বৰলৈ লিখা তোমাৰ চিঠিখনে মোৰ মনটো কলেজিয়েট স্কুলত পঢ়া দিনলৈ লৈ গ'ল। আমি দুয়ো একে শ্ৰেণী আৰু একে শাখাতে পঢ়িছিলোঁ। তাৰ ঘৰ আছিল চানমাৰিৰ পৰা শিলপুখুৰীৰ ফালে যোৱা পথত পুখুৰীটো পোৱাৰ আগেয়ে ঠিক ৰাস্তাৰ বাওঁফালে। সেইখিনি সময়ত ঠাইখিনিত কেইবাখনো গেলামালৰ দোকান আছিল। সিদ্ধেশ্বৰহঁতৰো বোধকৰো নিজৰ দোকান এখন আছিল আৰু সেইখিনিৰ গলি এটাত সিহঁতৰ ঘৰটো। আমাৰ দুয়োৰে মাজত বন্ধুত্ব যেনেকৈ আছিল তেনেকৈ আছিল তীব্ৰ প্ৰতিদ্বন্দ্বিতা—পঢ়া-শুনা, গল্প, কবিতা, ৰচনা লিখা, তৰ্ক, আবৃত্তি প্ৰতিযোগিতা সকলোতে। ল'ৰাজন আছিল অসম্ভৱ জেদী আৰু মোৰো জেদ কম নাছিল। পৰীক্ষাবোৰত অসমীয়া সাহিত্য আৰু বুৰঞ্জীত যদি সি মোৰ ওপৰত টেক্কা মাৰে মই তাৰ ওপৰত ইংৰাজী আৰু গণিতত টেক্কা মাৰোঁ। এইদৰে দিনবোৰ গৈ আছিল। এটা সময়ত প্ৰতিদ্বন্দ্বিতা ইমান তুংগত উঠিল যে শাখাৰ ল'ৰাবোৰো দুটা দলত ভাগ হৈ এটা ভাগ সিদ্ধেশ্বৰৰ ফলীয়া আৰু আনটো ভাগ মোৰ ফলীয়া হৈ পৰিল। প্ৰকৃত ঘটনাটো কি হৈছিল মোৰ মুঠেই মনত নাই কিন্তু হঠাতে এদিন আমাৰ মাজত কথা-বতৰা বন্ধ হৈ পৰিল (সেই যে সৰু কালৰ নামাতা-নামাতি ওফোন্দ)। নিশ্চয় কিবা এটা অতি নগণ্য ঘটনা আছিল কিন্তু সেই কথাটোৱেই আমাৰ বন্ধুত্বত ফাঁট মেলালে। লগৰ ল'ৰাবোৰে আমাক মিল কৰাবলৈ পাছত বহুতো চেষ্টা কৰিলে; বোধকৰোঁ দুগৰাকী শিক্ষকেও চেষ্টা কৰিছিল কিন্তু দুয়োটা আছিলোঁ মৈত উঠা অঁকৰা। সকলোৱে আমাক জোৰকৈ হেণ্ডশ্বেক কৰাই দিলে হয় কিন্তু আমাৰ মাজত আৰু কেতিয়াও মাত-বোল নহ'ল। ওপৰ শ্ৰেণী পোৱাৰ পাছত মাত-বোল নকৰি নকৰি আমি ইজনে-সিজনক আৰু বেছিকৈহে লাজ কৰা হ'লোঁ। তেনেকৈয়ে আমি মেট্ৰিক পৰীক্ষা পাছ কৰি কটন কলেজত সোমালোঁ আৰু পি ইউ পাছ কৰি উচ্চ শিক্ষাৰ বাবে দিহা-দিহি গুচি গ'লোঁ। মই ধানবাদলৈ ইঞ্জিনিয়াৰিং পঢ়িবলৈ গুচি যোৱাৰ পাছত বন্ধু এজনৰ পৰা চিঠি এখন পাইছিলোঁ; বন্ধুজনে কোনোবা এখন ঠাইত সিদ্ধেশ্বৰক লগ পাইছিল আৰু সিদ্ধেশ্বৰে হেনো মোৰ খবৰ-খাতি লৈ মোৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি তাৰ শুভেচ্ছা প্ৰেৰণ কৰিবলৈ কৈছিল। সিদ্ধেশ্বৰক আৰু কেতিয়াও লগ নাপালোঁ। সি পি ইউ পাছ কৰি কি পঢ়িলে বা ক'ত চাকৰি কৰিলে কাৰো পৰা একো খবৰ নাপালোঁ। সিদ্ধেশ্বৰৰ মৃত্যুৰ পাছতহে খবৰটো দিবলৈ আচম্বিতে মোৰ আন এজন বন্ধু গুৱাহাটী ক্লাবৰ কল্যাণ চন্দ্ৰ গগৈয়ে ফোন কৰিছিল। শুনিছিলোঁ অসমীয়া বিষয়ত অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈ সিদ্ধেশ্বৰে কলেজ এখনত চাকৰি কৰি আছিল।

বন্ধু সিদ্ধেশ্বৰ! জীৱিত কালত আৰু তোমাক লগ পোৱাৰ সৌভাগ্য মোৰ নহ'ল। আমাৰ শৈশৱৰ

ধেমালিতে হোৱা নামাতা-নামাতি তেনেকৈয়ে নিবোকা হৈ থাকিল আৰু এদিন অভিমানেৰে তুমি এই পৃথিৱীৰ পৰা আঁতৰি গ'লা! আজি জোনাই তোমালৈ লিখা চিঠিখনে বাৰে বাৰে তোমাৰ মুখখন মোৰ সন্মুখত মূৰ্তমান কৰি তুলিছে। আমি জানিছিলোঁ আমি কথা-বতৰা বা মাত-বোল বন্ধ কৰি দিছিলোঁ যদিও পৰস্পৰৰ প্ৰতি ভালপোৱা আৰু সুগভীৰ শ্ৰদ্ধা আমাৰ মাজত সদায়েই আছিল। য'তে আছা চিৰদিন যেন প্ৰশান্তিত থাকা! ইতি-

পংকজ কুমাৰ নেওগ

●●●

# জয়ন্ত শৰ্মালৈ চিঠি

মৰমৰ সহপাঠী বন্ধুবৰ জয়ন্ত শৰ্মা,

কটন কলেজত তুমি আমাৰ B.Sc ত আছিলা আৰু আমাৰ লগত জয়ন্ত কেইবাজনো আছিল বাবে আমি টিচি স্কুলৰ পৰা যোৱা পঞ্চকন্যাই (কৃষ্ণা, গৌৰী, গীতা, দীপা আৰু মই) চিনাক্তকৰণৰ বাবে সুকীয়া নাম এটি দি লৈছিলোঁ, তোমাৰ Large eyeৰ তীক্ষ্ণ দৃষ্টিৰ বাবে তোমাক 'চকু জয়ন্ত' নাম দিছিলোঁ পাছত তুমিও কাৰোবাৰ পৰা আমি দিয়া নামটো জানিব পাৰিছিলা যদিও একো খং-অভিমান কৰা নাছিলা। শিক্ষা জীৱনৰ সময়বোৰ পাৰ হৈ গ'ল। আমি সকলোৰে চাকৰিজীৱন আৰম্ভ কৰিলোঁ, সংসাৰ বন্ধনত আবদ্ধ হ'লোঁ। সময়ৰ পাকচক্ৰত আমি গুৱাহাটীৰ পূব শৰণীয়াৰ 'কাকতি হাউলী' চৌহদত ভাৰাঘৰত সোমালোঁ। দুমাহ মানৰ পাছত তুমিও সপৰিয়ালে এই চৌহদলৈ অহাৰ খবৰ পালোঁ সহপাঠী বন্ধু বৰ্তমান প্ৰয়াত অৰূপৰ পৰা কাৰণ অৰূপৰ পিতৃভিঠা একেবাৰে সীমাতে। তুমি কাকতি হাউলীৰ সন্মুখত কাকতি পিতৃৰ ভাৰাঘৰত আৰু আমি বিশাল চৌহদটোৰ পিছফালে থকা কাকতিৰ বৰপুত্ৰৰ পাৰ্ট হাউচ ভাৰাঘৰত। তোমাৰ দুজনী যমজ জীয়াৰী 'প্ৰিয়ংকা আৰু শোভঙ্কা' কিয়ে মৰম লগা আৰু পত্নী সুমিতা অতি শান্ত-শিষ্ট ভদ্ৰ মহিলা পি ডব্লিউ ডিৰ ফাঁচী বজাৰত অৱস্থিত অফিচৰ কৰ্মচাৰী। সেই সময়ত আমাৰ বৰজীয়াৰী গাৰ্গীৰ সৈতে প্ৰিয়ঙ্কা-শোভঙ্কাৰ বৰ মিলা-প্ৰীতি আৰু শৈশৱৰ পুৱা-গধূলি খেলাৰ লগৰী। প্ৰিয়ংকা-শোভঙ্কাতকৈ এবছৰ সৰু আমাৰ গাৰ্গী আৰু অৰূপৰ কোলাত কণমানি 'ডলী'জনী। সকলো কৰ্মব্যস্ত সেই সময়ত, বন্ধত সকলোবোৰ লগ হয় বিশেষকৈ কাকতি হাউলীৰ আমাৰ ঘৰৰ সন্মুখৰ চোতালত। সময়ত আমাৰ মঙলদৈলৈ বদলি হোৱাত এই চৌহদ এৰিলোঁ আৰু তোমাৰ শহুৰৰ ঘৰ মঙলদৈত বাবে বৰ ভাল পাইছিলা।

সময়বোৰ পাৰ হৈ গ'ল, কৰ্মস্থান সলনি হ'ল এনেকৈয়ে পাছত হাতীগাঁৱৰ 'মেঘমল্লাৰ' চৌহদৰ নিজা ফ্লেটত থাকিবলৈ ল'লোঁ। কেই বছৰমান পাছত জানিব পাৰিলোঁ তুমিও মেঘমল্লাৰ চৌহদত ফ্লেট

কিনি ইয়াৰে আৱাসী হ'লা। বৰ ভাল লাগিল, শৈশৱৰ লগৰী প্ৰিয়ঙ্কা-শোভঙ্কা আৰু আমাৰ বৰজীয়াৰী গাৰ্গী পুনৰ কৈশোৰ-যৌৱনত লগৰী হ'ল আৰু মোৰ সৰু জীয়াৰী হিয়া সকলোৰে বৰ মৰম-আদৰৰ সৰুভনী হ'ল, সুমিতাক আকৌ লগ পালোঁ। কিন্তু পাছত তোমালোক তাৰ পৰা বেলেগ ঠাইলৈ গ'লাগৈ। তোমালোক মেঘমল্লাৰৰ পৰা যোৱাৰ বহুদিনৰ পাছত মোৰ ছোৱালীলৈ প্ৰিয়ঙ্কা-শোভঙ্কাই ফোনযোগে খবৰ পঠিয়াইছিল দেউতাকৰ অৱস্থা অতি শোচনীয় বেছি দিন জীয়াই নাথাকে আৰু বুলি, মই গিৰিহঁতৰ সৈতে বৰজীয়ৰীক খবৰ ল'বলৈ যাবলৈ ক'লোঁ  তোমালোকৰ ঘৰৰ পৰা আহি মোৰ বৰজীয়ৰীয়ে কৈছিল যে তোমালোক তীব্ৰ আৰ্থিক সঙ্কটত পৰিছিলা আৰু তুমি সাংঘাতিকভাৱে অসুস্থ আছিলা।  তাৰ কিছুদিন পাছতেই তোমাৰ মৃত্যুৰ খবৰ পাইছিলোঁ, ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিলোঁ তোমাৰ আত্মাৰ সদগতিৰ বাবে। তোমাৰ দুয়ো জীয়ৰীয়েই সাংঘাতিক চোকা বুদ্ধিৰ, সময়ত প্ৰিয়ংকা বিশ্ববিদ্যালয়ৰ অধ্যাপিকা আৰু শোভঙ্কা সুচিকিৎসক হ'ল, অতি সীমিত অতিথিৰে প্ৰিয়ঙ্কাৰ বিবাহৰ খবৰ মোক বৰজীয়ৰীয়ে দিছিল আৰু এদিন সুমিতা, প্ৰিয়ঙ্কা, জোঁৱাই আৰু শোভঙ্কা মেঘমল্লাৰ চৌহদলৈ আহিছিল শোভঙ্কাৰ বিবাহৰ নিমন্ত্ৰণ জনাবলৈ, বৰ আনন্দিত হৈছিলোঁ সিদিনা তোমাৰ পৰিয়ালটিক লগ পাই।

তুমি নাই যদিও তেওঁলোকৰ মাজতে তুমি আছা। সুমিতা সঁচাকৈয়ে বৰ দায়িত্বশীলা নাৰী। এতিয়া আমিও মেঘমল্লাৰত নাথাকোঁ, আমাৰ বৰজীয়ৰী গাৰ্গীৰ বিবাহৰ সময়ত আহল-বহল অন্য এটা ফ্লেট ল'লোঁ যদিও মেঘমল্লাৰত ১৬টা বছৰৰ বহু স্মৃতি আছে। মেঘমল্লাৰ চৌহদৰ সৰস্বতী পূজাত এবাৰ সম্ভৱ তুমি গুৰু দায়িত্ব পাই নিষ্ঠাৰে  সম্পন্নও কৰিছিলা। প্ৰাৰ্থনা জনাইছোঁ তোমাৰ সদগতিৰ বাবে আৰু সহপাঠী  সকলোকে জনালোঁ এইখন মুকলি চিঠিৰে—

**কস্তুৰী**

১৮/৫/২০২০

●●●

# প্ৰমোদ শইকীয়ালৈ চিঠি

প্ৰমোদ,

এইখন তোমালৈ লিখা মোৰ প্ৰথম চিঠি। আকৌ এইখনেই তোমালৈ লিখা মোৰ শেষৰখন চিঠিও।

প্ৰথম কিয়, তাকেই আগতে কওঁ। কলেজৰ দীঘলীয়া বন্ধ যেনে, পূজাৰ বন্ধ, প্ৰথম বাৰ্ষিকৰ পৰীক্ষা হৈ যোৱাৰ পিছত দিয়া বন্ধ, ফাইনেল পৰীক্ষা হৈ যোৱাৰ পিছৰ বন্ধ— এইবিলাকত ময়ো তোমালৈ চিঠি লিখা নাছিলোঁ আৰু তুমিও লিখা নাছিলা। কিন্তু জানানে আমাৰ যে ৰূমমেট আছিল নিৰ্মল কুমাৰ নাথ, তেওঁ লিখিছিল— নিৰ্মলদাৰ লগত মোৰ এতিয়াও যোগাযোগ আছে। আনজন ৰূমমেট পদ্মনীল গগৈয়েও

লিখিছিল মোলৈ চিঠি। গোট গোট মুকুতা হেন আখৰ, অলপ জপৰা চুলি— মনত আছেনে প্ৰমোদ তোমাৰ? পদ্মনীল গগৈয়ে বিজ্ঞান এৰি ইংৰাজী পঢ়িলে। নাহৰকটিয়া (?) উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক আছিল শুনামতে। তেওঁ কবিতা লিখিছিল। পিছলৈ অভ্যাসটো ৰাখিছিল (ৰাখিছে) নে নাই ক'ব নোৱাৰোঁ।

তুমি বোধকৰোঁ মই সোমোৱাৰ পিছদিনা ৰূমত সোমাইছিলা। ফাৰ্ষ্ট মেচ, ৩ নম্বৰ ৰূম। তুমি শিলঘাটৰ পৰা আহিছিলা। সামান্যভাৱে উন্নাসিক স্বভাৱৰ আছিলা। তুমি মেণ্ডলিন শিকিছিলা। ভালকৈ শিকাৰ আগতে তুমি পাৰফৰ্ম কৰিছিলা, তোমাক উৎসাহ দিবৰ বাবেই ভাল নহলেও আমি হাতচাপৰি বজাইছিলোঁ। মেণ্ডলিনৰ শিক্ষা তুমি সম্পূৰ্ণ কৰিলা নে নাই, মোৰ মনত নাই। দ্বিতীয় বাৰ্ষিকত আমি পৃথক ৰূমত আছিলোঁ।

মই প্ৰতি পযেকত ঘৰলৈ গৈছিলোঁ। আহোঁতে লাৰু, পিঠা, সান্দহ আনিছিলোঁ। নিৰ্মলদা আৰু পদ্মদাই বৰ আগ্ৰহেৰে লাৰু পিঠা খাইছিল। তুমি কিন্তু সেইবোৰ চুই চাবলৈকো আগ্ৰহী নাছিলা। তুমি শিলঘাটৰ পৰা আহিছিলা যদিও নগাঁও চহৰৰ বুলি ক'বলৈহে যেন ভাল পাইছিলা। নাৰ্চিচাছৰ দৰে নিজকে আয়নাত চাইছিলা, চুলিকেইডাল এনেয়ে ফণিয়াইছিলা।

তুমিও এন চি চি লৈছিলা, ময়ো লৈছিলোঁ। পৰীক্ষাৰ আগতে জোতা ওভতাই দিব লাগে। চেনিকুঠিত আছিল কাৰ্যালয়। মই যাবলৈ ওলোৱা বুলি জানি তোমাৰ জোতাযোৰো নিবলৈ মোক ক'লা। মোৰ সন্মতি অসন্মতিলৈ বাট নাচাই তোমাৰ জোতাযোৰ আনি মোৰ টেবুলৰ ওপৰত থেকেচা মাৰি থলা। এক মুহূৰ্তৰ বাবে মই হতবাক হৈ পৰিলোঁ। পিছ মুহূৰ্ততে খঙত একো নাই হৈ তোমাৰ জোতাযোৰ মই দলিয়াই পেলালোঁ। ঘটনাৰ আকস্মিকতাত তুমিও থতমত খালা।

সৰুৰে পৰা কিতাপক সৰস্বতী দেৱীৰ দান বুলি গণ্য কৰি আহিছোঁ। মাটিত কাগজ এখিলা পৰিলেও ভক্তিভাৱেৰে বুটলি কপালত লগাই হে টেবুলত থৈছিলোঁ। সেই টেবুলৰ ওপৰত তুমি জোতা থলা!

তোমাৰ সংস্কাৰ আৰু মোৰ সংস্কাৰ হয়তো একে নাছিল। আজি এই বয়সত মই সেই ধৰণৰ মানসিকতাৰ পৰা উৰ্দ্ধলৈ উত্তৰিত হৈছোঁ। সেই কথাখিনি ক'বৰ বাবেই মই ইমানবোৰ বকলা মেলিলোঁ। কিন্তু তোমাক ক'বলৈ পাম ক'ত! তুমিতো আমাক এৰি কেতিয়াবাই গুচি গ'লা!

সেয়েহে এইখনেই তোমালৈ লিখা মোৰ শেষৰখন চিঠিও।

প্ৰমোদ, য'তে আছা, শান্তিত থাকাঁ। ইতি

**মদন**

●●●

# উপেন ব্ৰহ্মলৈ চিঠি

মৰমৰ ব্ৰহ্ম,

মৰম ল'বা। তোমাক লগ নোপোৱা বহুদিন হ'ল। দিন মানে বহু যুগ। মোৰ চিঠি লিখা অভ্যাস কমিল। হেঁপাহ আছে। আমি যে কটন কলেজত একেলগে পঢ়িছিলোঁ; ইমানকেইটা হোষ্টেলৰ ইমানগাল ল'ৰা-ছোৱালী ! বহুতৰে কথা মনত পৰা নাই। 2018 চনৰ 20 জানুৱাৰীত আমি বহুকেইজন একত্ৰিত হ'লোঁ। তাৰ পিছৰ পৰাই আমাৰ মাজত এটা গ্ৰুপত সঘনে বিভিন্ন বিষয়ৰ চৰ্চা হৈ আছে। আমাৰ লগৰ মদন, মানে মদন ডেকাই দুদিনমান আগৰ পৰা বন্ধুবৰ্গৰ মাজৰ সম্পৰ্কক লৈ গল্পৰ দৰে চিঠি লিখাৰ এটা ধৰণ উলিয়ালে। ভাল লাগিল। সেয়েহে ময়ো ভাবিলোঁ পুৰণি অভ্যাসটো সজীৱ কৰোঁ এবাৰ। মৰমৰ বুলি লিখি কালৈ প্ৰথমখন চিঠি লিখোঁ বুলি ভাবোঁতে ব্ৰহ্ম তোমাৰ নামটো মনলৈ আহিল। কিয় আহিল নাজানো। আমি একেটা হোষ্টেলতো নাছিলোঁ, একেলগে ঘূৰাফিৰাও কৰা নাছিলোঁ। কেৱল ক্লাছতহে লগ পোৱা। আমি প্ৰায় গেলেৰীৰ মাজত বহিছিলোঁ। পূৰ্ণেন্দু, ভৱেশ, সুৰথ, সাৰংগ, অনিন্দ্য, অশোক, তুমি....... প্ৰায়েই ওচৰাউচৰিকৈ বহিছিলোঁ। ব্ৰহ্ম, ফিজিক্সৰ ক্লাছৰ প্ৰথম দিনাখনেই বিভিন্ন সা-সঁজুলিৰে চমক দেখুওৱা, কেমেষ্ট্ৰি ক্লাছত কেনেদৰে বিভিন্ন বিক্ৰিয়াবোৰ শিক্ষাগুৰুৰ টেবুলৰ ওপৰত চাই প্ৰথম দিনাই মোহিত হৈছিলোঁ তোমাৰ চাগে' মনত আছে।

ব্ৰহ্ম, তোমাৰ মিচিকিয়া সৰল হাঁহিটো এতিয়াও মানসপটত ভাহি থাকে। এটা কথা মনত আছেনে ব্ৰহ্ম..... এদিন অপৰ্ণা বুজৰবৰুৱা বাইদেউৰ বোটেনি ক্লাছত আমাৰ লগৰ কোনোবাই তোমাক ক'লে- ব্ৰহ্ম, বাইদেউৰ ক্লাছৰ মাজতে ফিজিক্সৰ প্ৰশ্ন এটা কৰি দিয়া তোমাক বহুত জনা ল'ৰা বুলি ভাবিব বাইদেৱে। সকলোকে অবাক কৰি তুমি সঁচাকৈ থিয় হৈ প্ৰশ্নটো কৰিছিলা। তাৰ পিছত কি হৈছিল নকলেও হ'ব।

বহুদিনৰ পিছত মই মেডিকেল পঢ়ি থাকোঁতে পানবজাৰৰ pnt office ৰ সন্মুখত তোমাক লগ পাইছিলোঁ। পিন্ধনত ছাই বৰণৰ কোট, ডিঙিত মাফলাৰ আৰু সোহাতৰ কান্ধত ওলমি থকা কপাহী কাপোৰৰ ৰঙীণ বেগ এটি। অলপ সময় কথা পাতি আমি এৰাএৰি হৈছিলোঁ। তুমি তেতিয়া এম এ নে এম এছ চি কৰি আছা। তাৰ পিছত আৰু কোনো দিনেই তোমাক লগ পোৱা নাই।

পঢ়া শুনা শেষ কৰি চাকৰি কৰি থকাৰ সময়তো তোমাৰ ঠিকনা নজনাৰ বাবে চিঠি পত্ৰ লিখা হোৱা নাছিল। তেতিয়াতো ফোনো নাছিল!

পিছে 1995 চনত মোৰ বাইদেৱে স্কুলৰ চাকৰি এটি পোৱাত বিটিচিৰ EM(executive member) ৰ চহীৰ প্ৰয়োজন হোৱাত শালবাৰী নামৰ ঠাইলৈ নিজে গ'লোঁ। ই এমৰ অফিচ ৰুমত যাৱতীয় কাম শেষ হোৱাত সন্মুখৰ বেৰলৈ চকু গ'ল। বেৰত আঁৰি থোৱা প্ৰকাণ্ড ফটোখন দেখি স্তম্ভিত হৈ গ'লোঁ।

তলত লিখা আছে বড়োফা উপেন্দ্ৰ ব্ৰহ্ম। মুখখনলৈ চাই চকুত পৰিল আমাৰ ব্ৰহ্মাৰ সেই মিচিকিয়া হাঁহিৰ সৰল মুখখন !!

মনৰ কোনোবা কোণত যেন বাজি উঠিল-

চিঠি না কোই সন্দেস্
জানে ৱো কৌন চা দেশ্
জাহা তুম চলে গয়ে!

**কঙ্কন শৰ্মা**

●●●

# শ্ৰীমতী দীপা বৰুৱালৈ মুকলি চিঠি

মৰমৰ দীপা,

তোলৈ বুলি আজি তুলি ল'লোঁ কলম। টি চি স্কুলৰ দিনৰে পৰা তই আমাৰ সহপাঠী বান্ধৱী, নৱম শ্ৰেণীত থাকোঁতে তই স্কুলৰ সাধাৰণ সম্পাদিকা আছিলি। টি চি স্কুলত সম্পূৰ্ণ নিৰ্বাচনী প্ৰক্ৰিয়াৰে ছাত্ৰী একতা সভাৰ কমিটীখন গঠন হয় আৰু তই বিপুল ভোটত জয়যুক্ত হৈ সাধাৰণ সম্পাদিকা হৈছিলি। আমি সমৰ্থক সহপাঠীসকলে বৰ আনন্দ লভিছিলোঁ, নামজ্বলা স্কুলখন সেই সময়ত সকলো দিশতে পুনৰ উজলি উঠিছিল।

কটন কলেজৰ পি ইউৰ B Secত আমি টি চিৰ পাঁচজনী (তই, কৃষ্ণা, গীতা, গৌৰী, মই) ছেইণ্ট মেৰীজৰ চাৰিজনী (পম্পা, জ্যোতি, অজন্তা, শোভ্ৰা), দক্ষিণ কামৰূপৰ কৃষ্ণাশ্ৰী, পল্টনবজাৰৰ ইন্দিৰা জৈন, শ্বিলঙৰ দুজনী (ৰঞ্জনা/ৰঞ্জনা টি চিতো পঢ়িছিল পিছে বদলি হৈ HSLC শ্বিলঙৰ পৰাহে, গীতা বৰঠাকুৰ) লামডিঙৰ মঞ্জু, তেজপুৰৰ বিউটি, বঙালী স্কুলৰ (সংঘমিত্ৰা, দেৱবাণী) গোলকগঞ্জৰ মীনাক্ষি, বদলিহৈ পলমকৈ অহা পপীয়া গুহ। আমাৰ সকলোৰে বৰ মিলাপ্ৰীতি আছিল। তই আৰু গীতাই যোৰপুখুৰী পাৰ উজানবজাৰৰ পৰা কটন ছোৱালী হোষ্টেলৰ আগেদি খোজকাঢ়ি অহা-যোৱা কৰিছিলি বাবে বহুতে তহঁত দুজনী হোষ্টেলৰ বুলিহে ভাবিছিল।

তোৰ মাজত থকা নেতৃত্বৰ বিশেষ গুণটোৰ বাবে কটন কলেজতো নেতৃত্ব লোৱাটো আশা কৰি আন নহ'লেও বাৰ্ষিক নিৰ্বাচনত Girls Common Room Secy হিচাপে প্ৰক্ষেপ কৰিছিলোঁ আৰু B Secৰ বহুতে নিৰ্বাচনী প্ৰচাৰ অভিযানত সহযোগিতা আগবঢ়াইছিল, তই বিভিন্ন ক্ষেত্ৰত অতি উপযুক্ত প্ৰাৰ্থী আছিলি যদিও ৰাজনীতিৰ কুটিল খেলখন আমি তেতিয়াই ভালদৰে বুজি উঠিছিলোঁ। যদিও স্থানীয় প্ৰাৰ্থী নিৰ্বাচনী যুঁজত হোষ্টেলৰ প্ৰাৰ্থীৰ লগত সদায় পৰাজিত হয় সেইবাৰ অন্য এক

কাৰক আৰু প্ৰক্ৰিয়াইহে (সেইখিনি মুকলিকৈ নিলিখো) তোক পৰাজিত কৰিলে তাকো অতি তাকৰীয়া ভোটৰ ব্যৱধানতহে।

গতিশীল সময়ৰ সোঁতত আমি সকলো বিচ্ছিন্ন হৈ পৰিলোঁ। কৰ্মসংস্থান হ'ল বিভিন্ন বিভাগত বিভিন্ন স্থানত। সময়ৰ আহ্বানত বিবাহ পাশত আবদ্ধ হ'লোঁ। কোনেও কাকো লগ নোপোৰা হ'লোঁ।

২০১১ বৰ্ষত নগাঁৱত কৃষি বিভাগৰ এখন সভাত চা-চিনাকি পৰ্বত লগ পালোঁ কৃষি বিভাগৰ যুটীয়া সঞ্চালক ৰাহুল দাস ডাঙৰীয়াক আৰু তেখেত তোৰ গৃহস্থ বুলি জানিব পাৰি নথৈ আনন্দিত হ'লোঁ। আচলতে মোৰ নামটোৰ বাবেই তেখেতে তোৰ মুখত শুনা বুলি ক'লে আৰু সভাৰ শেষত পিয়ন এজনক মোৰ লগত তই কৰ্মৰত Central Bank লৈ পঠিয়াই দিয়ে। ১৯৭৭ বৰ্ষৰ পাছত প্ৰায় ৩২ বছৰৰ পাছত আমি মুখামুখি হৈছিলোঁ সেইদিনা। বৰ আনন্দ লাগিছিল। পিছৰ বছৰ মোৰ কামৰূপলৈ বদলি হ'ল। তোৰো শিৱসাগৰলৈ বদলি হ'ল বুলি জানিব পাৰিলোঁ।

আকৌ হেৰাই গ'লোঁ কৰ্মব্যস্ততাত লগতে সংসাৰ বন্ধনত। মাজতে ফোনত এবাৰ যোগাযোগ হৈছিল বাবে জানিব পাৰিলোঁ তোৰ কৰ্মস্থান শুৱালকুছিলৈ বদলি আৰু মোৰো কৰ্মস্থান মৰিগাঁৱলৈ বদলি হ'ল। তই এবাৰ পৰিয়ালৰ লগত যুগ্ম ফটো দিছিলি, বৰ ভাল লাগিছিল। তোৰ বৰপুত্ৰ অষ্ট্ৰেলিয়াত আৰু সৰুপুত্ৰ জাৰ্মানীত বুলি খবৰ পালোঁ। পাছত ফোনেই বেয়া হ'ল নে নম্বৰ সলনি হ'ল নাজানো, আকৌ যোগাযোগ একেবাৰে নোহোৰা হ'ল। খবৰ দিলেও উত্তৰ নহা হ'ল। কেতিয়া যে স্কুল Whats App group আৰু Cottonian ৭৫-৭৭ Whats App Group ৰ পৰা ওলালি গমেই নাপালোঁ, ফোনৰ কিবা সমস্যা আছিল যদিও খবৰো নিদিলি, গীতাই কওঁতেহে এদিন মন কৰিলোঁ কথাটো। জানো বেংকৰ কামত বৰ লেঠা আৰু প্ৰচুৰ হেঁচা বহুত দেৰিলৈকে অফিচতে থাকিব লাগে। তথাপি??? অলপতে হিৰন্ময়ী/দীপ্তিয়ে তোক পাণবজাৰত লগ পোৱা বুলি কৈছিল, এতিয়া বোলে পাণবজাৰ Central bankত, অৱসৰ ডিচেম্বৰ ২০২০ত বুলিও জানো। ইমান নেতৃত্ব দিব পৰা ছোৱালী আছিলি তই। আমি 'মা' বুলিয়েই ৰগৰ কৰি হ'লেও সন্মান দিছিলোঁ তোক, সেয়ে বৰ দুখ লাগে আমাৰ, তোৰ বাৰু আমালৈ মনত নপৰেনে? মুকলিকৈ লিখিলোঁ কাৰণ আমাৰ হ'লে তোলৈ বৰ মনত পৰে। গৌৰীয়ে ময়ে এদিন তোৰ ঘৰলৈ যাবলৈও গুণাগঁথা কৰিছিলোঁ পিছে lockdownৰ বাবে বন্দী হৈ ৰ'লোঁ। গীতাই কৈছে অলপতে তোৰ সৈতে ফোনত যোগাযোগ হৈছিল অৱসৰৰ পাছতহে আকৌ আমাৰ মাজলৈ আহিবি, আমিও বাট চাই ৰ'ম সেই দিনলৈ। ভালে থাক সকলোটি, পাহৰি নাযাবি ভাল দিন আহিলে আকৌ লগ হ'ম।

**কস্তুৰী (নিভা গগৈ)**
২৩/৫/২০২০ শনিবাৰ

●●●

# ইক্ৰাম হুছেইনলৈ চিঠি

বন্ধুবৰ

ইক্ৰাম,

তুমি বাৰু মোক বেয়া পাই গ'লা নেকি? যাবৰ সময়ত যে মাত নলগালা!

মোৰ উপায় নাছিল ইক্ৰাম। মই ঘূণাক্ষৰেও নাজানিছিলোঁ। তেতিয়াতো নাজানিলোঁৱেই, সত্য মোৰ চকুত যেতিয়া উদ্ভাসিত হ'ল তেতিয়া তুমি অনেক দূৰৈত- ঢুকি নোপোৱা দূৰত্বত। মোৰ বৰ আপচোচ্ হৈ গ'ল, তোমাক কথাটো ক'ব নোৱৰা বাবে।

আমি বোধকৰোঁ প্ৰায় ওচৰা-ওচৰি সময়ত গোৱালপাৰা চহৰত যোগদান কৰিছিলোঁ। কুৰি শাতিকাৰ শেষৰটো দশকত। অতি কমেও চাৰিটা বছৰ, বেছিও হ'ব পাৰে, আমি একেলগে গোৱালপাৰাত চাকৰি কৰি আছিলোঁ। তুমি সহকাৰী কাৰ্য্যবাহী অভিযন্তা হিচাপে আৰু মই সহকাৰী বন্দোৱস্তী প্ৰাধিকাৰী হিচাপে।

তোমাৰ মনত পৰিছেনে ইক্ৰাম, সেই সময়ত নিৰ্বাচন আয়োগে অসমৰ ভোটাৰ তালিকা পূৰ্ণাঙ্গ সংশোধন কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছিল! তাৰে দ্বিতীয় পৰ্য্যায়ৰ কাম আছিল তালিকাৰ পাণ্ডুলিপি প্ৰস্তুত কৰা। উপায়ুক্তৰ নিৰ্দেশত মই এটা দলৰ মুৰব্বী হিচাপে সেই কামৰ তদাৰক কৰিবলগীয়া হৈছিলোঁ। তেতিয়াই তোমাৰ লগতে জয়ন্ত কলিতা, পবন দত্ত, ভৰালী (নামটো মনলৈ অহা নাই) আদিক পাইছিলোঁ। একেলগে কাম কৰি থকাৰ কাৰণেই হয়তো আমাৰ ঘনিষ্ঠতা বাঢ়িছিল। এনেয়েও মফস্বলীয় চহৰত বাহিৰৰ পৰা গৈ চাকৰি কৰি থকা মানুহবিলাকৰ মাজত ঘনিষ্ঠতা বেছি হয় আৰু বহুক্ষেত্ৰ ত সেই ঘনিষ্ঠতা আজীৱন বৰ্ত্তি ৰয়।

আমি সাতটামান পৰিয়াল ঘনিষ্ঠ হৈ পৰিছিলোঁ। তুমি বোধকৰোঁ পৰিয়াল গোৱালপাৰালৈ নিয়া নাছিলা। বাকীকেইটা পৰিয়ালৰ যাৰ ঘৰতে যি অনুষ্ঠান নাপাতক কিয়, আটাইকেইটা পৰিয়াল একেলগ হৈছিলোঁ। তুমিও বাদ নপৰিছিলা।

এবাৰৰ কথা এটা মনত পৰিছে। জয়ন্ত কলিতাৰ ডাঙৰ ল'ৰা ৰাজাৰ জন্মদিন নে তেওঁলোকৰ বিবাহবাৰ্ষিকী পাতিছিল। তুমি অলপ পলমকৈ আহি বাৰাণ্ডাতে ভৰালীৰ লগত বহি কথা পাতি আছিলা। বাৰাণ্ডাত লাইট নাছিল। কিবা কামত আল্পনা বাহিৰলৈ ওলাই আহিলত তুমি বহি যে আছা তাৰ চিন হিচাপে কিবা এটা ক'লা। আল্পনাই চক খাই ক'লে বোলে এনেয়ে ক'লা-ম'লা মানুহ, আন্ধাৰৰ লডা নে মানুহ ধৰিবকে নোৱাৰি। তুমি 'শুনক শুনক' বুলি আল্পনাকো বাৰাণ্ডাত বহুৱাই লৈ ক'লা বোলে ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰৰ জন্ম হ'ল সেইজন ক'লা, দ্বাপৰত জন্মিল শ্ৰীকৃষ্ণ - সেইজনো কেটোৰ ক'লা, তাকে দেখি ভয়তে আল্লা নজন্মিল। আমি সকলোৱে গিৰ্জনি মাৰি হাঁহিছিলোঁ।

এদিন কিন্তু তুমি মোৰ খং উঠা কাম এটা কৰিছিলা। সেইদিনা আমাৰ বিবাহবাৰ্ষিকী আছিল। মই অফিচৰ কামৰ মাজতে ওলাই গৈ আল্পনাৰ কাৰণে শাড়ী এখন কিনিলোঁ। সন্ধিয়া চাৰপ্ৰাইজ দিম। তুমি গুৱাহাটীলৈ আহিবলৈ ওলাই কিবা কিনিবলৈ সেইখন দোকানতে সোমালা আৰু মই শাড়ী কিনাটো গম পালা। মই বোলো চাৰপ্ৰাইজ দিম আল্পনাক। মূৰ দুপিয়ায় হয় হয় বুলি শলাগিলা। কিন্তু ধূপধৰাত আল্পনাক লগ ধৰি মই তেওঁৰ কাৰণে শাড়ী কিনাৰ খবৰটো দিহে তুমি গুৱাহাটীমুখী হ'লা। আল্পনা তেতিয়া গোৱালপাৰা-ধূপধৰা কৰি কলেজ কৰে। মোৰ গোটেই পৰিকল্পনা মাটি!

কাৰ্য্যবাহী অভিযন্তা হিচাপে প্ৰমোচন পাই আমাক গোৱালপাৰাতে এৰি থৈ তুমি গুচি আহিলা। ২০০৩ চনৰ জুলাই মাহৰ কোনোবা এটা দিনত তদানীন্তন কামৰূপ জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয় কক্ষত তোমাৰ সৈতে দেখা হ'ল যদিও কথা পতা নহ'ল। কথা পতাৰ সকলো সম্ভাৱনাৰ ইতিৰেখা টানি তুমি গুচি গ'লাগৈ।

আৰু জানানে ইক্ৰাম, তুমিয়ে-ময়ে যে একেলগে পঢ়িছিলোঁ, তিনি বছৰ আগলৈকে মই নাজানিছিলোঁ। তুমি জানিছিলা যদিও সেয়া জনাৰ এতিয়া আৰু কোনো উপায় নাই।

গতিকে শেষৰ দিনা লগ পাওঁতেও আমি 'আপুনি আপুনি' কৰি থাকিলোঁ।

তোমাৰ ছোৱালীৰ বিয়া ধুনীয়াকৈ হৈ গৈছে, তুমি নিশ্চয় শান্তি পাইছা। তুমি ইক্ৰাম য'তে আছা, শান্তিত থাকিবা। অসুখীয়া পৃথিৱীখনক লৈ সীমাহীন সমস্যাৰে ভাৰাক্ৰান্ত হৈ আমিও কৰিছোঁ কালাতিপাত। ইতি-

**মদন চন্দ্ৰ ডেকা**

●●●

# ভৱেশ হালৈলৈ চিঠি

মৰমৰ ভৱেশ,

মৰম ল'বা।

কিয় জানো আজি এই ধাৰাষাৰ বৰষুণৰ বতৰত কিছুমান কথাই বৰকৈ আমনি কৰিছে ! পুৰণি বহুবোৰ কথাই জুমুৰি দি ধৰিছেহি।

আজি তোমাৰ কথা মনত পৰিছে বাৰে বাৰে। কস্মো হোষ্টেলৰ ৪ নং ৰুমত বেডিং পত্ৰ থৈ প্ৰথম তোমাক লগ পাইছিলোঁ। তুমিও আগদিনাখন ৩ নং ৰুমত সোমাইছিলা। মোতকৈ এদিনৰ হ'লেও অভিজ্ঞতা তোমাৰ বেছি। ৰুমত বাল্ব নাছিল। তুমি মোক লৈ চুপাৰ ছাৰৰ (ৰাজকুমাৰ দাস, ইকোনমিক্স) ঘৰলৈ গৈ ছাৰক কৈ এটা বাল্ব লগাই দিছিলা। প্ৰথম চিনাকিতেই আমি বন্ধু হৈ গ'লোঁ। এদিন পিছত মোৰ ৰুমলৈ ফুটবল এটা লৈ সোমাল যতীন বৰা। মোৰ ৰুমমেট হৈ।

ভৱেশ, মনত আছেনে...

ৰেগিঙৰ ভয়ত আমি দুয়োজনে ক্লাছৰ পৰা আহিয়েই নাকে-মুখে টিফিন ভৰাই খোজকাঢ়ি ওলাই গৈছিলোঁ ? গুৱাহাটীৰ প্ৰায়বোৰ ঠাই পথ-উপপথেৰে সোমাই ৰেগিঙৰ দোহাই দি ঘূৰোঁতে ঘূৰোঁতে গোটেই গুৱাহাটীখন চিনাকি হৈ গৈছিল। ক্লাছতো আমি একেলগে গৈছিলোঁ। সুবোধ কলিতা আমাৰ নলেগলে লগা বন্ধু আছিল। পি উৰ পিছত যি এৰাএৰি হ'ল এবাৰো লগ পোৱা নাই। তোমাৰ লগত ফোনত দুবাৰমান কথা পতা হৈছিল, গুৱাহাটীৰ পদপথতো অলপ সময়ৰ বাবে লগ পাইছিলোঁ, গেট টুগেদাৰতো লগ পাইছোঁ তথাপি নিজৰ কাম-কাজ লৈ এনেদৰে সাঙোৰ খাই পৰিলোঁ যে বেছি সময় কথা পতাটোও সহজ নাছিল। এতিয়া অনুভৱ কৰিছোঁ জীৱনত ইমান দূৰ দৌৰিলোঁ তথাপিচোন কিছুমান কথা পাহৰিব নোৱাৰোঁ।

এটা কথা মনত আছেনে ভৱেশ, ৰে'লৱেৰ পাণবজাৰ গেষ্টহাউচ এটাত আমি চাৰিজন যে একেলগে খাবলৈ গৈছিলোঁ আৰু সকলোৰে বাবে পলাওখিনি এটা বাউলত দিওঁতে এজনৰ বাবে বুলি আমাৰ লগৰ কোনোবাজনে (তুমি বা মই নহয়) গোটেইখিনি খাই থ'লে। পিছত ৰিচেপচনিষ্টজনক মাতি আমাৰ খানা ক'ত বুলি সোধাত সি কৈছিল সেয়াটো সকলোৰে বাবে আছিল। পেটত ভোক লৈ কি কৰিলোঁ মনত নাই। আৰু অৰ্ডাৰ দিবলৈতো পইচা নাছিল!

আজি কিয় জানো এনেবোৰ কথা মনত পৰিছে? সেইদিনাখনো বতৰ বেয়া আছিল নেকি বাৰু?

লিখিলে আৰু ওলাই থাকিব। বাকীখিনি পিছলৈ থ'লোঁ। তোমাৰ খবৰ জনাবা। ডিব্ৰুগড়ত থকা বুলি জানো। বৰ্তমানৰ সংকটময় সময়ত সাৱধানে থাকিবা।

মৰম থাকিল। ইতি -

**কঙ্কন**

●●●

# কংকন শৰ্মালৈ চিঠি

কংকন,

বহু বছৰৰ পাছত তোমাৰ চিঠিখন পাই মনটো কিমান আনন্দৰে ভৰি পৰিছে প্ৰকাশ কৰিবলৈ ভাষা বিচাৰি পোৱা নাই। ৪৫ বছৰ আগৰ কটন কলেজত নাম ভৰ্তি কৰা দিনটোৰ কথা, কস্মো আৱাসৰ নতুন ব্লকৰ প্ৰথম দিনটোৰ কথা, পুৰণি ব্লকৰ ৩ নং ৰুমত পদাৰ্পণৰ প্ৰথম দিনা, পিছৰ দিনা তোমাক লগ পোৱাৰ কথা, দ্বিতীয় বছৰ আকৌ ১১, ১২ ৰুমত ওচৰা-ওচৰিকৈ থকাৰ কথা এটা এটাকৈ মানসপটত সজীৱ হৈ উঠিছে। মোৰ এদিন আগতে নিৰঞ্জন শৰ্মা কস্মো আৱাসত আৱাসী হৈছিল। কলেজীয়া জীৱনৰ প্ৰতিটো দিন আমি একেলগে পাৰ কৰিছিলোঁ। আবেলি সময়ত fish fried ত খোৱা, মহাবীৰ পাৰ্ক আৰু শুক্ৰেশ্বৰ ঘাটত হাতত আপেল লৈ ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য উপভোগ কৰা, দৌৰি দৌৰি ৰেলৰে

অভাৰব্ৰীজ পাৰ হৈ অপ্সৰাত চিনেমা চাবলৈ যোৱা, বন্দনাত ইংৰাজী চিনেমা চোৱা, সকলোবোৰ এটা এটাকৈ মনৰ মাজত ভূমুকি মাৰিছে। আমি প্ৰায় ৪ নং বেঞ্চত বহিছিলোঁ, আমাৰ আগৰ বেঞ্চত উপেন ব্ৰহ্ম, আগৰ দুখনত মহিলা সহপাঠী বহিছিল। শান্তনু, বিনয় দ্বীপেনহঁতক অসমীয়া ক্লাছত লগ পাইছিলোঁ। অসমীয়া ক্লাছ কৰি থাকোঁতে পিছৰ দুৱাৰখনেৰে মনে মনে ওলাই যোৱাৰ কথা, বাৰাণ্ডাৰ পৰা খিৰিকীৰে মুখ খন ভিতৰলৈ দি উপস্থিতিৰ সঁহাৰি জনোৱা দুই এজনৰ কথা মনলৈ আহিছে। অপৰ্ণা বাইদেৱে প্ৰথম দিনাই বায়োলজী ক্লাছত খৰ্গহস্ত হৈ আমাৰ ক্লাছ এৰি দিয়াৰ কথা মনত পৰিছে। পিউ প্ৰেক্টিকেল পৰীক্ষাত টাইট্ৰেচন কৰা সময়ত পিপেটটো জোকাৰি দিওতে পিছদুৱাৰেদি আহি থকা বিজয় সেন ছাৰৰ কপালত আঘাত কৰিছিল, পুনৰ পৰীক্ষা আৰু মই কৰিব নোৱাৰিলোঁ। সেয়েহে প্ৰেক্টিকেলত মই কম নম্বৰ পাইছিলোঁ। তাৰপাছত আমি বিভিন্ন কলেজৰ ছাত্ৰ হৈ পৰিছিলোঁ, অৱশ্যে মেডিকেল কলেজৰ আৱাসত কটনৰ ৰূমমেট বিনোদৰ আলহী হৈছিলোঁ মাজে মাজে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২নং ছাত্ৰাবাসৰ বিৰাজ চক্ৰৱৰ্ত্তীৰ আলহী প্ৰায়ে হৈছিলোঁ। সহপাঠী নীলকান্তক লগ পাইছিলোঁ। নীল, পৱনৰ লগত ডিব্ৰুগড়লৈ আহিছিল। দুয়ো বন্ধুৰ স্মৃতিয়ে মনলৈ মাজে মাজে বিষাদ আনে। ঘৰ-সংসাৰ, চাকৰিৰ দায়িত্বই আমাক আঁতৰাই ৰাখিছিল। শান্তনু, লুৎফুৰ, বিৰাজ, শৰৎ, ফাইজুৰে আমাক আকৌ বন্ধুত্বৰ এনাজৰীৰে বান্ধিলে। মদন, বিৰাজ, কস্তুৰী, অগস্ত্য, ৰুমিমা, ৰত্ন, ৰঞ্জনা, তপোধন, পৱন, বিনয়, পূৰ্ণেন্দু, শান্তনু, শৰৎ, মিতু, জগদীশৰ লিখনি আৰু কৰ্মই আমাক এৰি অহা দিনবোৰৰ কথা সোঁৱৰাই থাকে। আল্পনা, তৃষ্ণাহঁতে বাৰুকৈয়ে সহযোগ কৰিছে। এতিয়া আকৌ যেন আমি চফল ডেকা হৈ পৰিছোঁ। শাৰীৰিক উপস্থিতি আমাৰ য'তেই নাথাকক মনেৰে আমি বান্ধ খাই আছোঁ, আৰু সদায় থাকিম। মাজে মাজে লিখি থাকিবা। আলঝাইমাৰে যাতে ঢুকি নাপায়। আটাইলৈকে মৰম জনাই সামৰিলোঁ। ইতি -

**ভবেশ চন্দ্ৰ হালৈ**

●●●

# কেনেথ দৈমাৰীলৈ চিঠি

কেনেথ,

তোমাক বহুদিন লগ পোৱা নাই। বহুদিন মানে বহুত বছৰ, তিৰাল্লিশ বছৰ। আন বহুতৰে খবৰ নজনাৰ দৰে তোমাৰ খবৰো নাপাওঁ। মাজতে কোনে জানো কৈছিল, তুমি উত্তৰ লক্ষীমপুৰত থাকা বুলি! মই তালৈ যাওঁতে আক-তাক সুধিছিলোঁ। কিন্তু কোনেও ক'ব নোৱাৰিলে। আচলতে তুমি ক'ত কি কৰি আছা বা আছিলা, সেই কথা নজনাৰ বাবে তোমাক বিচৰাত অসুবিধা হ'ল।

যিয়েই নহওক, তুমি য'ত যেনেকৈ আছা ভালে থাকিবা। মহামাৰী কৰ'নাৰ অতিচাৰৰ পৰা নিজকে বচাই ৰাখিবা আৰু আনকো সুপৰামৰ্শ দিবা।

ফাৰ্ষ্ট মেছৰ দিনবোৰলৈ মনত পৰে নে কেনেথ ? সেই যে ক্লাছৰ পৰা আহি টিফিন খাই আমি ওলাই

গৈছিলোঁ! গুৱাহাটীৰ অলিয়ে গলিয়ে ঘূৰি নকৈ গঢ়ি উঠা লোকালয় সমূহ চাই ফুৰিছিলোঁ! পোনে পোনে ৰেইল ষ্টেচনৰ অ'ভাৰব্ৰিজ পাৰ হৈ খোজ কাঢ়োঁ। তেতিয়া ৰিজাৰ্ভ বেংকৰ বিল্ডিংটো হোৱা নাছিল। আকৌ উলুবাৰীৰ আগলৈ গুৱাহাটীও নাছিল। জি এছ পথৰ কাষৰ ফ্ল'ৰ মিলটোৱেই সেইফালৰ একমাত্ৰ বিল্ডিং আছিল। এখন বহল পথাৰত কেইটামান অসম টাইপৰ ঘৰত ৰাজধানীখন চলিছিল। সেয়া এতিয়া দিশপুৰ। পথাৰৰ মাজৰ আলিবোৰৰ ওপৰে ওপৰে ঘূৰি ঘূৰি আহি হোষ্টেল পাওঁ মানে সন্ধিয়া লাগিছিল।

তোমাৰ পৰিয়াল (?), ল'ৰা-ছোৱালী (?)ক কৈছা নে এইবোৰ? মোৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীহালে জানে এইবোৰ কথা। দিনপঞ্জী হিচাপে নহয় যদিও মই ডায়েৰী লিখোঁ। তাত অন্যান্য কথাৰ লগতে আমাৰ এডভেন্সাৰৰ বৰ্ণনাও আছে।

এটা ঘটনা মনত পৰিছে ৰ'বা। এদিন অসমীয়াৰ ক্লাছত ভুবনেশ্বৰী বাইদেৱে যে অসমীয়া ফকৰা এটা ক'বলৈ কওঁতে তুমি কৈছিলা 'কিনা হাঁহৰ মঙহলৈকে ঠোঁট' বাইদেৱে ভুলকৈ শুনা বুলি পুনৰ এবাৰ ক'বলৈ কওঁতেও তুমি একেটাই উত্তৰ দিছিলা। 'ক'ত শিকিলা' বুলি বাইদেৱে খঙেৰে সোধাত 'মদনে শিকাইছে' বুলি তুমি কৈছিলা আৰু মই বাইদেউৰ গালি খাইছিলোঁ। 'কথা কবিতা'ৰ সংজ্ঞা আৰু বৈশিষ্ট্যৰ ওপৰত খুউব ভাল টোকা এটা লিখি মই তেতিয়া বাইদেউৰ good book ত আছিলোঁ।

ধেমালিতে তেতিয়া আমি 'এনেয়ে বুঢ়ী নাচনী তাতে আকৌ হৰিণাই চেলেকে বাঘৰ গাল'. 'কিনা হাঁহৰ মঙহলৈকে ঠোঁট' আদি বিকৃত কৰি কৈছিলোঁ। সৰল বিশ্বাসত তুমি মানি লৈছিলা 'মদনে ভুল কৰিব নে' এই ভাবি। মই তোমাক বিপথে পৰিচালনা কৰিছিলোঁ।

আজিলৈ সামৰোঁ কেনেথ, বহুত লিখিলোঁ। সোনকালে উত্তৰ পোৱাৰ আশাৰে-

**মদন**

●●●

# পংকজ কুমাৰ নেওগলৈ চিঠি

**মৰমৰ**

পংকজ,

পত্ৰে মৰম জানিবা। বহুদিনৰ পৰা লিখিম লিখিম বুলি ভাবি থকা চিঠিখন আজি লিখিবলৈ বহিছোঁ।

কটন কলেজত দুটা বছৰ একেলগে পঢ়িছিলোঁ যদিও আমি কেতিয়াও চিনাকি নহ'লোঁ। ভিন্ন শাখাৰ হোৱা বাবে কেতিয়াবা মুখামুখি হ'লেও হয়তো মাত-বোল নহ'ল। অৱশ্যে আমি গাঁৱৰ পৰা অহা কিছুমান ল'ৰা (বিশেষকৈ মই) আগবাঢ়ি যোৱা স্বভাৱৰ নাছিলোঁ। একে শাখাতে পঢ়া বাবে ৰবীন, সুৰজিত (প্ৰয়াত), ৰূপজ্যোতি আদিৰ সৈতে চিনাকি/বন্ধুত্ব আছিল। বেলেগ শাখাৰ হ'লেও বিৰাজৰ কথা মনত আছে তবলা বজোৱাৰ বিশেষ ষ্টাইলটোৰ কাৰণেই।

মাস্কাটত থাকিও ওপজা ঠাইখনৰ প্ৰতি প্ৰকাশ কৰা তোমাৰ দায়বদ্ধতাৰ স্বৰূপ দেখি মই তোমাৰ

ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত হৈ আহিছোঁ। দূৰত থাকিও তুমি সাহিত্য চৰ্চাৰ জৰিয়তে ভাষা জননীৰ সেৱা আগবঢ়াই আহিছা। এতিয়া উপলব্ধ অফুৰন্ত সময়ৰ সদ্ব্যৱহাৰ কৰি সাহিত্যৰ বিভিন্ন বিভাগলৈ অৰিহণা যোগোৱাৰ যি প্ৰচেষ্টা তুমি হাতত লৈছা, তাৰ বাবে তুমি অকল ধন্যবাদাৰ্হই নোহোৱা, যথাৰ্থ প্ৰশংসাযোগ্য।

এইখিনিতে তোমাক আত্মকথন অলপ শুনাওঁ। মই প্ৰশাসনীয় সেৱাত আৰম্ভণিৰে পৰা থাকিলোঁ আৰু ইংৰাজীৰ ছাত্ৰ যদিও কাৰ্যালয়ৰ কাম-কাজ পৰাপক্ষত মাতৃভাষাত চলোৱাৰ চেষ্টা কৰি আহিছিলোঁ। অধস্তন বিষয়া-কৰ্মচাৰীৰ বানান আৰু বৈয়াকৰণিক ভুল সদায় শুধৰাইছিলোঁ। Almost an untiring singlehanded effort। কিন্তু ভাষাটো ভুলকৈ লিখা বা চৰ্চা কৰাৰ মাত্ৰাধিক্য ঘটাত শেষলৈ বাদ দিছিলোঁ। — আমাৰ মঞ্চতো মোৰ এনে ধৰণৰ প'ষ্ট কিছুমান হয়তো তুমি লক্ষ্য কৰিছিলা।

মজাৰ কথাটো কি জানা, মঞ্চৰ বহুতৰ অনুৰোধ/আদেশত সহপাঠীৰ বানান শুধৰাবলৈ গৈ এবাৰ দুবাৰকৈ তিনিবাৰ শায়েস্তা হ'বলগীয়া হৈছোঁ। কিন্তু পঙ্কজ, মোৰ কাম মই কৰি যাম।

নিজৰ কথা কৈ তোমাক অধিক বিৰক্ত নকৰোঁ। তুমি বুধিয়ক মানুহ, আ কৰিলেই গৰ্ভ দেখা পোৱা।

তোষামোদ কৰা নাই যদিও মুখৰ আগতে তোমাৰ স্মৃতিশক্তিৰ প্ৰশংসা কৰিবই লাগিব। এটা কথা অৱশ্যে জানিবৰ মন গৈছে— তুমি বাৰু বিশেষ বিশেষ ব্যক্তিৰ নাম, স্থান, চন, তাৰিখ আদি ডায়েৰীত লিখি ৰাখা নেকি?

আৰু এটা কথা জানিবলৈ মন গৈছে— তোমাৰ লেখাবোৰ যে ইমান দীঘলীয়াকৈ লিখা, আগতীয়া খচৰা (কঙ্কনে কোৱা আৰ্হি) কৰি লোৱা নে পোনে পোনে টাইপ কৰা?

মোৰ ভাই এবাৰেই 'একেটাই কামিজ, তাৰো ছিগো ছিগো চিলাই'— আজিকালি বহুসময় ম'বাইল চাই থাকিবৰ মন নাযায়।

আজিলৈ সামৰোঁ বন্ধু, বহুত লিখিলোঁ। অতিমাৰীৰ সময়ত সাৱধানে থাকিবা, কুশলে থাকিবা। ইতি।

**মদন চন্দ্ৰ ডেকা**

●●●

# মদন চন্দ্ৰ ডেকালৈ চিঠি

মৰমৰ মদন,

তোমাৰ পত্ৰ লভি বদনে হৰিষ। কোনো সহপাঠীয়ে যে মোলৈ পত্ৰ প্ৰেৰণ কৰিব ভাবিব পৰা নাছিলোঁ; তোমাক সঁচাকৈয়ে ধন্যবাদ। এৰা, কটন এৰি অহা বহুত দিন হ'ল; বহুতৰ স্মৃতি হেৰাল আৰু বহুতৰ থাকি গ'ল। একেলগে পঢ়া সকলো সহপাঠীৰ সৈতে বন্ধুত্ব কৰা সম্ভৱপৰো নাছিল। তাতে দ্বাদশ শ্ৰেণীত ভাল ফলাফল কৰি ভৱিষ্যতে ভাল 'লাইন' লোৱাৰো মানসিক হেঁচা কিছু আছিল। গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি সৰুৰে পৰা লিখিছিলোঁ যদিও মাজতে তিনিটা দশক হাতত একো তুলি লোৱা নাছিলোঁ।

মোৰ দ্বিতীয়জন ভিনদেউৰ মৃত্যুত বাইদেউৱে স্মৰণিকাখনৰ বাবে কিবা এটা লিখিবলৈ কোৱাতহে আকৌ লিখিবলৈ ধৰোঁ। সৌভাগ্যক্ৰমে, তাৰ পিছতেই আমাৰ কটন কলেজৰ 'হোৱাটচ্ এপ্' গোটটোও আৰম্ভ হয় আৰু মোৰ লেখাৰ ধাৰা অব্যাহত থাকে। আমাৰ গোটটোৰ সাহিত্য সাধনাত অনুপ্ৰেৰণা যোগোৱাৰ ক্ষেত্ৰত তুমি সদায় মুখ্য ভূমিকা পালন কৰি আহিছা, তাৰ বাবে তুমি প্ৰশংসাৰ পাত্ৰ। মই লিখি যাওঁতে পোনে পোনে লেপটপতে টাইপ কৰি যাওঁ, বেলেগকৈ খচৰা নিলিখোঁ। মানুহৰ নাম, ধাম, শৈশৱৰ নানা কথা ইত্যাদি নিজে নিজে মনত থাকি গৈছে দেখোন! ডায়েৰীত কেতিয়াও একো কথা লিখি থোৱা নাই। বোধকৰো এইটো গুণ মাতৃদেৱীৰ পৰা লাভ কৰিছোঁ। মায়ে মৃত্যুৰ আগলৈকে ৮০ বছৰ বয়সত দেৱকান্ত বৰুৱা, ৰবি ঠাকুৰ, ৱৰ্ডচৱৰ্থ, কীটচ, ৰবাৰ্ট ফ্ৰষ্ট, হুইটমেন্ আদি কবিসকলৰ কবিতা স্মৃতি শক্তিৰ পৰা সলসলীয়াকৈ আবৃত্তি কৰি যাব পাৰিছিল।

বিশেষ নাই। আজিলৈ ইমানতে সামৰিছোঁ। নিজৰ সৈতে পৰিয়ালৰ সকলোৰে যত্ন ল'বা। ইতি-

**পংকজ কুমাৰ নেওগ**

●●●



# প্লাষ্টিক আৰু প্ৰদূষণ

**কৃষ্ণা শৰ্মা**

বৰ্তমান মানৱ জাতিৰ বাবে চৰম প্ৰত্যাহ্বান হৈছে জলবায়ু পৰিৱৰ্তন আৰু ভূপৃষ্ঠৰ উষ্ণতা বৃদ্ধি। ভূপৃষ্ঠৰ উষ্ণতা উৰ্ধগামী হোৱাৰ ফলতেই মেৰু পৃষ্ঠৰ বৰফ বেছিকৈ গলিবলৈ ধৰিছে আৰু তাৰ লগে লগে সাগৰৰ জলস্তৰো লাহে লাহে বাঢ়ি যোৱাটোও মানৱ জাতিলৈ এক ভয়ংকৰ বিপদৰ আগজাননী বুলি ক'ব পাৰি। মানুহৰ বিভিন্ন প্ৰকাৰৰ কাৰ্য্য-কাৰ্য্যৰ ফলতে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি গৈ বায়ুমণ্ডল দূষিত হৈছে। তদুপৰি প্লাষ্টিকজাত সামগ্ৰী বিশেষকৈ পলিথিন বেগৰ বহুল ব্যৱহাৰ আৰু ইয়াক নিষ্কাষণ কৰিব নোৱৰা বাবে সমগ্ৰ ভূ-মণ্ডলতে ই ভয়ানক ধৰণে প্ৰদূষণৰ সৃষ্টি কৰি জীৱজগত আৰু উদ্ভিদ জগতলৈ বিপদ নমাই আনিছে।

আমাৰ মহামান্য প্ৰধান মন্ত্ৰী মহোদয়ে অহা ২ অক্টোবৰৰ পৰা স্বচ্ছতা অভিযানৰ অংশ হিচাপে Single Use প্লাষ্টিকৰ ব্যৱহাৰ ভাৰতবৰ্ষত নিষিদ্ধ কৰিছে। ভাৰতবৰ্ষই আমাৰ পৃথিৱীখনক প্ৰদূষণ মুক্ত কৰাৰ এক সংকল্প লৈ সকলোৱে প্লাষ্টিকৰ ব্যৱহাৰ কমাই পলিথিনৰ বেগ একেবাৰে বৰ্জন কৰিবলৈ সংকল্প লৈছে। আমি প্ৰত্যেকেই নিজৰ নিজৰ ঘৰখন যিদৰে পৰিষ্কাৰ কৰি ৰাখোঁ, ঠিক তেনেদৰে ঘৰৰ বাহিৰখনো যদি পৰিষ্কাৰ কৰি ৰাখিব পাৰোঁ, আমাৰ ধৰিত্ৰীমাতৃক প্ৰদূষণৰ পৰা ৰক্ষা কৰা হ'ব।

প্লাষ্টিকজাত সামগ্ৰী কৃত্ৰিম পলিমাৰৰ পৰা তৈয়াৰ কৰা হয়। কৃত্ৰিম পলিমাৰৰ পৰা পলিথিনৰ বেগ আৰু প্লাষ্টিকৰ বটলকে ধৰি বিভিন্ন প্লাষ্টিকৰ সামগ্ৰী বনোৱা হয় যাৰ উদাহৰণ দি শেষ কৰিব নোৱাৰি। প্ৰকৃতিত জৈৱিক পলিমাৰ জীৱ আৰু উদ্ভিদত থাকে কিন্তু কৃত্ৰিম পলিমাৰ এনে এবিধ সামগ্ৰী যাৰ পৰা তৈয়াৰ কৰা সামগ্ৰীৰ বিনাশ কেবাশ বছৰলৈকে নহয়। মাটিত পেলালে মাটিৰ লগত মিলি নাযায়, যাৰ ফলত মাৰ্টিৰ উৰ্বৰতা শক্তিও হ্ৰাস পাবলৈ ধৰে। ইয়াক জুইত পুৰিও বিনষ্ট কৰিব নোৱাৰি যিহেতু ইয়াৰ পৰা নিৰ্গত ধোঁৱাই আমাৰ বায়ুমণ্ডল ভয়ানক ধৰণে প্ৰদূষিত কৰে। পলিথিনৰ বস্তুসমূহে ভূগৰ্ভৰ জলস্তৰতো ক্ষতি সাধন কৰে। তৃণভোজী প্ৰাণীৰ খাদ্যৰ লগতে পেটলৈ গৈ লাহে লাহে বিভিন্ন ৰোগৰ দ্বাৰা ক্ষতিসাধন কৰে আৰু তাৰ প্ৰভাৱ মানৱ দেহতো আহি পৰে। নলা-নৰ্দমাৰ পানী যোৱা পথ বন্ধ কৰি বানপানীৰ সৃষ্টি কৰে। বিভিন্ন নগৰ চহৰৰ বৰষুণৰ ফলত হোৱা বানপানী বৃদ্ধি পোৱাৰো ইয়ো এটা কাৰণ। এই নলা-নৰ্দমাৰ পৰা বৈ যোৱা প্লাষ্টিকৰ সামগ্ৰীসমূহ যেতিয়াই নদীত পৰেগৈ, পানীত থকা জলচৰ প্ৰাণী সমূহে ভক্ষণ কৰাৰ ফলত জলচৰ প্ৰাণী সমূহো বিভিন্ন ৰোগত আক্ৰান্ত হয় আৰু সেই জলচৰ প্ৰাণী মানুহে ভক্ষণ কৰাৰ ফলত মানুহ বহুতো জটিল ৰোগত আক্ৰান্ত হয়। ঠিক সেইদৰে সাগৰতো

ইয়াৰ একেই প্ৰভাৱে সমগ্ৰ পৃথিৱীৰ সাগৰলৈ এক ভাবুকিৰ সৃষ্টি কৰিছে। পলিথিন ব্যৱহাৰ কৰি কাগজৰ বস্তুৰ দৰে সকলোৱে য'তে-ত'তে পেলাই দিয়াৰ বাবেই আচলতে পৰিৱেশ দূষিত হৈছে।

বৈজ্ঞানিক সকলৰ মতে মানুহে প্লাষ্টিক ব্যৱহাৰৰ কুফল বিলাক নজনাৰ ফলতেই কিছুমান ভয়ংকৰ বেমাৰৰ বলি হ'ব লগা হৈছে। বিশেষকৈ কেঞ্চাৰ আদিৰ দৰে ভয়াবহ ৰোগৰো কাৰণ এই প্লাষ্টিকেই কেতিয়াবা হয়। কিন্তু বৰ্তমান পলিথিনৰ বেগ আমাৰ দৈনন্দিন জীৱনত আটাইতকৈ বেছি ব্যৱহৃত সামগ্ৰী সমূহৰ ভিতৰত এক বুলি ক'লেও ভুল নহ'ব। কাৰণ প্ৰতিটো ঘৰুৱা কামৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়। বস্তু এটা ক'ৰবালৈ হাতত লৈ যাবলৈ বা বস্তু ভৰাই থ'বলৈ আৰু বিশেষকৈ জাবৰৰ টোপোলা কৰি ডাষ্টবিনত পেলাবলৈ। পাচলি বেপাৰী বা অন্যান্য কেঁচা সামগ্ৰীৰ বেপাৰী সকলৰ বাবে পলিথিনৰ বেগ নহ'লেই নহয়। কাৰণ গ্ৰাহকক বেগ নিদিলে বস্তু বিক্ৰী নহ'ব। বজাৰলৈ গ'লে কেঁচা সামগ্ৰী ভৰোৱা বেগ প্ৰায় সকলো লোকেই নিনিয়ে বুলি ক'লেও ভুল নহ'ব। আজিকালি ব্যস্ত জীৱন যাত্ৰাৰ মাজত বিভিন্ন কামৰ মাজতে বজাৰখিনিও কৰি লোৱা হয় আৰু যিহেতু বেগৰ কথা চিন্তা কৰিব নালাগে, গতিকে যেতিয়াই তেতিয়াই বজাৰো কৰিব পাৰি।

পলিথিনৰ বেগ বেপাৰী সকলে ব্যৱহাৰ কৰাৰ আগতে বজাৰ কৰিবলগীয়া হ'লে নিজৰ বেগ নহ'লে নহৈছিল। আগতে কেনি যায় বুলি মানুহক সুধিবই নালাগে। দেখিলেই প্ৰশ্ন কৰিব পাৰি 'বজাৰলৈ যায় হ'বলা'? চাইকেল লৈ গ'লে কেৰিয়াৰত চট্ বা কাপোৰৰ বেগ এটা থাকে। পাচলি বজাৰলৈ গ'লে মোনাতে বস্তু দিয়ে। মাছ বা মাংসৰ বাবে অসুবিধা আছিল কাৰণ কাগজতে বান্ধি দিছিল। গোটা মাছ বাঁহৰ মিহি কামি এডালেৰে হাততে ওলোমাই আনিছিল। তেতিয়া আজিৰ দৰে খুব কম সংখ্যক বেপাৰীয়েহে মাছ কাটি দিছিল। কিছু অসুবিধা নোহোৱাও নহৈছিল। কিন্তু পলিথিনৰ বেগ যেতিয়াৰ পৰা পাচলি, মাছ আৰু মাংস বেপাৰীয়ে ব্যৱহাৰ কৰিবলৈ ল'লে, মানুহৰ বজাৰ কৰা কামটো একেবাৰে উজু হৈ গ'ল। আগতে গেলামালৰ বস্তু বান্ধি দিছিল কাগজৰ পেকেটত। তেতিয়াৰ দিনত টিপ টপ ড্ৰেচৰ কলেজীয়া ল'ৰাক মাকে বজাৰ কৰাৰ কথা ক'লে খঙেই উঠি যায় কাৰণ হাতত বজাৰৰ মোনাখন লৈ কেনেকে আহিব। ৰাতি হ'লে যেনে তেনে এখন পেপাৰেৰে বেগটো যাওঁতে বান্ধি লৈ আহোঁতে দাঙি আনিব পাৰি কিন্তু দিনত নহ'ব। কেতিয়াবা পেকেট ফাটি চেনী-চাউল একাকাৰ নোহোৱাও নহয়। সেইদৰে কাপোৰৰ বজাৰতো কাপোৰ কিনিলে কাগজৰ পেকেটতেই দিছিল। কিন্তু এতিয়া সলনি হৈ গ'ল। প্ৰথমতে পলিথিনৰ বেগ বিলাক ডাঙৰ চহৰ বিলাকত আৰু গুৱাহাটীৰ ডাঙৰ দোকান বিলাকত দিছিল। মানুহে বৰ সাদৰেৰে ব্যৱহাৰৰ পিছত জাপি-কুচি বহুদিনলৈ ৰাখি তাক বিভিন্ন সামগ্ৰী কঢ়িয়াবলৈ ব্যৱহাৰ কৰিছিল কিয়নো পলিথিনৰ কেৰিবেগ তেতিয়ালৈকে দুষ্প্ৰাপ্য সামগ্ৰীৰ দৰে আছিল। কেৱল মাত্ৰ জোতাৰ দোকানতহে অতীতৰ দৰেই কাগজৰ পেকেটেই ব্যৱহাৰ হৈ আছে।

বজাৰ কৰোঁতে কৰোঁতে কেনেকৈ আমাক পলিথিনে লাহে লাহে গ্ৰাস কৰিলে তলকিবই নোৱাৰিলোঁ।

বিভিন্ন ফেক্টৰীত তৈয়াৰো হ'ব ধৰিলে আৰু লগে লগে সকলো বেপাৰীয়ে ব্যৱহাৰ কৰাৰ লগে লগে ইয়াৰ সংখ্যা ইমান বাঢ়ি গ'ল যে আমাৰ মাটি-পানী সকলো প্লাষ্টিকময় হৈ গ'ল। আইনাৰ বটল নোহোৱা হ'ল। চিনামাটিৰ ব্যৱহাৰ কমি গ'ল যিহেতু সামগ্ৰী সমূহ ব্যৱহাৰৰ বৰ সুবিধা। কিন্তু সকলোতকৈ ভয়ানক অৱস্থা তেতিয়াৰ পৰা আৰম্ভ হ'ল যেতিয়াৰ পৰা আমি জাবৰখিনি বান্ধি-কুন্ধি পলিথিনৰ সৈতে পেলাবলৈ আৰম্ভ কৰিলোঁ। আগতে সকলোৰে ঘৰৰ পিছফালে এটুকুৰা জাবৰ পেলোৱা ঠাই আছিল। মানুহে গাতো খান্দি লৈছিল বা জাবৰখিনি পুৰিও পেলাইছিল। যিবিলাক অঞ্চলত ডাষ্টবিন আছিল, জাবৰখিনি নি ডাষ্টবিনত ঢালি পেলাই থৈ আহিছিল। আগতে জাবৰৰ টোপোলা বনোৱা অভ্যাস নাছিল। মিউনিচিপালিটি বা পৌৰ সভাৰ কৰ্মীয়ে জাবৰ নিয়া গাড়ীত লৈ গৈছিল। কিন্তু আজিকালি নিয়ম সলনি হ'ল, মানুহৰ সংখ্যাও বহুত বেছি হ'ল। যেতিয়াই পেকেটত বান্ধি বান্ধি জাবৰ পেলোৱা আৰম্ভ হ'ল তেতিয়াৰ পৰাই আৰম্ভ হৈছে সমস্যাৰ। ইয়াৰ বাহিৰে জনসাধাৰণৰো উপায় নাই। এই পলিথিনৰ বেগেই ঘাইকৈ সমস্যাৰ সৃষ্টি কৰিছে। কিন্তু জাবৰখিনি পেলাবলৈ সুবিধা কৰি দিয়াৰ লগতে জাবৰ লৈ যোৱাৰ সুব্যৱস্থা কৰা উচিত হ'ব। এইক্ষেত্ৰত জাবৰ নিষ্কাষণৰ বাবে ডঃ অমৰজ্যোতি কাশ্যপ মহোদয়ে যি অভিনৱ পদ্ধতি উলিয়াইছে, সেই পদ্ধতি মতেও জাবৰ নিষ্কাষণৰ লগতে খেতিৰো জৈবিক সাৰ তৈয়াৰ হ'ব।

গতিকে এতিয়া আমি সকলোৱে চৰকাৰে নিষিদ্ধ কৰা পলিথিনৰ বেগৰ ব্যৱহাৰ এৰিব লাগিব। বজাৰলৈ মোনা নিব লাগিব আৰু আগে ব্যৱহাৰ কৰা পলিথিনৰ ভাল বেগবোৰ জাপি-কুচি কাপোৰৰ মোনাৰ দৰে পুনৰ ব্যৱহাৰ কৰিব লাগিব। ভুলতো যাতে কোনেও নেপেলায় তাৰ প্ৰতি সজাগ হ'ব লাগিব। খোৱা বস্তু থ'বলৈ প্লাষ্টিকৰ বটল টেমা আদিৰ সলনি ষ্টিল, চিনামাটি বা মাটিৰ টেমা ব্যৱহাৰ কৰাই ভাল। মুঠতে আজি ত্ৰিশ বা চল্লিশ বছৰৰ আগতে আমি খোৱা বস্তু যেনেদৰে মজুত কৰিছিলোঁ সেয়াই আছিল বোধহয় বেছি স্বাস্থ্যসন্মত। আগতে বস্তু শেষ হ'লে আইনাৰ বটলত বস্তু থ'ব পাৰিছিল। আটা, ময়দা, চেনী আদি খালি হোৱা টিনৰ টেমা। প্লাষ্টিক যুগ অহাৰ লগে লগে এই আইনাৰ বটল, টিনৰ টেমা নোহোৱা হৈ গ'ল। ষ্টিলৰ টেমা কিনিবলৈ গ'লেও যথেষ্ট দাম পৰে। কিন্তু যদিও ব্যৱহাৰ কৰি আছোঁ ইয়াৰ অপকাৰিতাৰ বিষয়ে নজনাৰ বাবেই ঘটনাবিলাক ঘটি আছে। এতিয়া মানুহ সজাগ হৈছে আৰু বুজিও পাইছে। গতিকে প্ৰথমতে অলপ অসুবিধা হ'লেও লাহে লাহে সহজ। আমি সকলোৱে এটা কথা সদায় মনত ৰখা উচিত যে আমি ব্যৱহাৰ কৰা প্লাষ্টিক, পলিথিন কেতিয়াও পেলাই দিব নালাগে। প্লাষ্টিক সংগ্ৰহৰ বাবে অহা লোকক দিলে তেওঁলোকে recycle কৰা কাৰখানালৈ পঠাব পাৰিব। Recycle কৰি আকৌ নতুন বস্তু বনাব পাৰিব। তদুপৰি ৰাস্তা বনাওঁতে topping তো ইয়াৰ ব্যৱহাৰ কৰা হয়। মুঠতে আমি লাহে লাহে প্লাষ্টিকৰ ব্যৱহাৰ কমাই আনি আনি ইয়াক বাদ দিয়াই শ্ৰেয়। তাতোকৈ উল্লেখনীয় কথাটো হ'ল যে পলিথিনৰ বেগকে আদি কৰি কোনো প্লাষ্টিকৰ সামগ্ৰী আমি মাটি আৰু নলা-নৰ্দমাত আৰু কেতিয়াও নেপেলাওঁ বুলি দৃঢ় সংকল্প ল'লেহে আমাৰ পৃথিৱীক প্ৰদূষণমুক্ত কৰাৰ দিশে আগবাঢ়িব পৰা যাব।

●●●

# শৈশৱৰ স্মৃতি

*প্ৰায় সকলো মানুহৰে জীৱন-চক্ৰৰ আটাইতকৈ ভাল লগা সময়ছোৱাই হ'ল শৈশৱ। শৈশৱৰ স্মৃতি, সেয়া সুখকৰ হওক বা দুখ-যন্ত্ৰণাৰে ভৰা হওক, ভৱিষ্যতৰ জীৱনৰ অমল উৎস হৈ সকলোৰে জীৱন-পথ ভৰুণ কৰি তুলিবই। আৰু স্মৃতি ৰোমন্থনৰ বাবে যেতিয়াই অৱকাশ পোৱা যায়, তেতিয়াই শৈশৱৰ স্মৃতিয়ে মনত দোলা দি যাবই। আমি এতিয়া ষাঠিৰ উৰ্দ্ধৰ বন্ধু-বান্ধৱী বিলাকে শৈশৱৰ স্মৃতি ৰোমন্থন কৰি সুখ অনুভৱ কৰোঁ আৰু আনকো তাৰ ভাগ দিওঁ...*

# শৈশৱৰ স্মৃতি

**সন্ধ্যা বৰুৱা**

সঁচা, সৰুকালৰ কথা মনত পৰিলেই মনটো সেমেকি যায়।

গৰমৰ বন্ধত লক্ষীমপুৰৰ আইতাহঁতৰ ঘৰলৈ যাওঁ। আমি যাম বুলি গম পালে আইতাই মামাহঁতৰ হতুৱাই বজাৰ সমাৰ কৰাই থয়। মাহীহঁতে বিভিন্ন পিঠা-পনা বনাই আমালৈ আগ্ৰহেৰে বাট চাই থাকে। প্ৰায় সমবয়সীয়া সৰু মামাই বাৰীৰ পৰা বিভিন্ন ফল-মূল আনি সজাই থয় যাতে আমি আহিয়েই খাব পাৰোঁ। ককাই ইতিমধ্যে মাছ-মাংসৰ কথাও গাঁৱৰ খুৰা এজনক কৈ থয়। সেই সময়ত আইতাহঁতৰ ঘৰৰ ভিতৰত মাংস নাৰান্ধিছিল। বাহিৰৰ চৌকাৰ খৰিত ৰন্ধা অমিতা, জিৰা, জালুকীয়া মাংসৰ জোলৰ জুতিৰ কথা মনত পৰিলে আজিও জিভাৰ পানী পৰে। ক'ত গ'ল সেই দিনবোৰ?

আজি বন্ধ দুৱাৰৰ মাজত বৰ মনত পৰিছে। আমাৰ ল'ৰা-ছোৱালীয়ে একোৱেই নাপালে। যি অকণমান পাইছিলে লকডাউনে সকলো শেষ কৰিলে। এতিয়া সিহঁতৰ ম'বাইল, লেপটপ, আইপেড এইবোৰেই লগৰী হ'ল!

●●●

# শৈশৱৰ স্মৃতি

**ৰঞ্জনা দত্ত**

সৰুতে বছৰেকীয়া পৰীক্ষাৰ পিছৰ দীঘলীয়া ঠাণ্ডা বন্ধবোৰ আমাৰ বৰ প্ৰিয় আছিল। নৱেম্বৰৰ মাজ ভাগৰ পৰা ফেব্ৰুৱাৰি মাহলৈকে প্ৰায় আঢ়ৈ মাহজোৰা বন্ধবোৰত দাদা, মই আৰু ভণ্টি শ্বিলঙৰ পৰা উজনি অসমৰ বিভিন্ন ঠাইত থকা আমাৰ ককাদেউতা, মামা, মাহী আদিৰ ঘৰত কটাইছিলোঁগৈ। কেতিয়াবা বলিয়াঘাটৰ ককাদেউতাহঁতৰ ঘৰলৈ, কেতিয়াবা তিতাবৰৰ মামাহঁতৰ ঘৰলৈ নহ'লে মহা বা মামাহঁত কাম কৰা চাহ বাগিচাবোৰলৈ গৈ বেছ কিছুদিন কটাই আহোঁ। কি যে আনন্দৰ দিন আছিল সেইবোৰ !

এবাৰ তিতাবৰৰ আইতাহঁতৰ ঘৰত থকা সময়তে বাগানত কাম কৰা ডাঙৰ মামা আহি ওলালেহি। মামা দুদিনমান থাকি বাগানলৈ উভতি যাওঁতে তেওঁৰ লগত আমি তিনিওটা, সৰু মাহী, ডাঙৰ মাহীৰ ল'ৰা-ছোৱালী তিনিটা মিলি গোটেই জাক ওলালোঁ কেইদিনমান বাগানত থকাকৈ। মামা সেইসময়ত মেনেজাৰ হিচাপে কাম কৰা কৰুনাটিং চাহ বাগিচাখন ডেৰগাঁৱৰ ওচৰৰ মিছামৰাৰ পৰা যথেষ্ট ভিতৰৰ ফালে অৱস্থিত আছিল। বাগিচাখন যথেষ্ট ভিতৰুৱা আছিল বাবেই নেকি নাজানো বঙলাটোত বিজুলী সংযোগ নাছিল। প্ৰকাণ্ড টিলা এটাৰ ওপৰত থকা চাহাবৰ দিনতে বনোৱা এটা বগা সুন্দৰ বঙলা। টিলাটোৰ এমূৰে থকা গেটেৰে গাড়ী সোমায় আৰু আন মূৰত থকা বেলেগ এখন গেটেৰে গাড়ী ওলাই যাব পাৰি। বঙলাৰ চাৰিওফালে বহুত দূৰলৈকে কেৱল চাহগছৰ শাৰী। কুলি বস্তি যথেষ্ট দূৰত। বাংলোটো বৃটিছ চাহাবৰ নক্সাৰে বনোৱা। চাৰিটা প্ৰকাণ্ড কোঠালি। বাথৰুমটোও বেছ ডাঙৰ, তাতে এটা শিলৰ বাথটাব। দুৱাৰবোৰ অস্বচ্ছ গ্লাছৰ আৰু চাবি পকাইহে বাথৰুমৰ দুৱাৰ বন্ধ কৰিব পাৰি। প্ৰকাণ্ড ঘৰটোৰ তিনিও কাষে বহল বাৰাণ্ডা। ঘৰটোৰ ভিতৰত সোমায়ে একোণত এটা পুৰণি অচল কেৰাচিন তেলেৰে চলোৱা ফ্ৰিজ আৰু বেৰৰ হুকত ওলমি থকা কিছুমান চাহাবৰ দিনৰে ষ্টিক আৰু টুপী। চাৰিওফালে কিবা জয়াল জয়াল ভাব। ঘৰটোৰ গাতে লাগি থকা টিলিকি আমজোপাৰ পৰা ওৰে ৰাতি পোক লগা আমবোৰ টিঙৰ চালত পৰি হোৱা টুং টাং শব্দ আৰু নাম নজনা কীট-পতংগৰ অদ্ভুত কোলাহলৰ মাজত আমি গোটেইকেইটা গধূলিৰ পিছৰ পৰা সাধাৰণতে লগ এৰা-এৰি নহৈছিলোঁ। পাকঘৰটো আছিল বাংলোটোৰ পিছফালে টিঙৰ চালি দিয়া দীঘলীয়া বাৰাণ্ডা এখন পাৰ হৈ এমূৰত। আগফালৰ বাৰাণ্ডাখনত ওলোমাই থোৱা দেৱাল ঘড়ীৰ সময় চাই বাগানীয়া চকীদাৰজনে প্ৰতি ঘণ্টাই ঘণ্টাই কোব দিছিল আৰু সেইমতেই বাগানৰ কাম-কাজ চলিছিল। গধূলি হোৱাৰ আগে আগে ৰাতিৰ চকীদাৰজনে বাহিৰৰ বাৰাণ্ডাত এটা পেট্ৰমাক্স লাইট আৰু বাকী কোঠালিবোৰত একোটাকৈ কেৰাচিন তেলৰ লেম্প থৈ গৈছিল। ওচৰত থকা কেইবাখনো বাগানৰ মেনেজাৰবিলাক গধূলিৰ পিছত সদায় মিছামৰা ক্লাবলৈ গৈছিল। মামা ক্লাবলৈ যোৱাৰ পিছত মামীয়ে চকীদাৰজন যোগালি হিচাপে লৈ পাকঘৰত ব্যস্ত হৈ পৰিছিল। আমি গোটেই কেইটা একেলগ

হৈ মেল মাৰি সময় কটাইছিলোঁ। দাদা আৰু মাহীৰ ডাঙৰ ল'ৰা মুনে আমাক ভয় খুৱাবলৈ সদায় নতুন নতুন বুদ্ধি পাঙিছিল।

সিদিনা গধূলি আমি আটাইকেইটা একেলগে বিছনাত বহি লুডো খেলি খেলি আড্ডা মাৰি আছিলোঁ। ৰাতি খুব সম্ভৱ ৯.০০-৯.৩০ মান বাজিছিল।

মাহীৰ ল'ৰা মুনে হঠাতে পেটটো খামুচি চিঞৰি উঠিল—

—"আৰু কন্ট্ৰ'ল কৰিব নোৱাৰোঁ দেই। ব'ম ফুটিলে তোমালোকৰ হে দিগদাৰি হ'ব। মই পটকে টয়লেটৰ পৰা আহেঁাগৈ দেই"

— "ৰ'বা ময়ো যাওঁ তোমাৰ লগত। মই দুৱাৰ মুখতে ৰৈ থাকিম"।

মুনৰ লগতে দাদাও ৰূমৰ পৰা ওলাই গ'ল।

প্ৰায় ৫ মিনিট মানৰ পিছত বাহিৰৰ খিৰিকীত মৃদু শব্দৰে কোনোবাই টক্‌টক্‌াই শব্দ কৰিবলৈ ধৰিলে। আমি প্ৰথমতে কিছু ভয় খালেও ইহঁত দুটাৰ বদমাচি বুলি ধৰি ল'লোঁ। লাহে লাহে বিছনাৰ পৰা নামি গৈ পৰ্দাৰ ফাঁকেদি বাহিৰলৈ চাই দেখিলোঁ- মূৰৰ পৰা মুখলৈকে কাপোৰেৰে ঢাকি টুপী আৰু দীঘল পোছাক পিন্ধা দুজনী ছোৱালী। এজনী খিৰিকীৰ একেবাৰে কাষত আৰু আনজনী অলপ দূৰত সামান্য আন্ধাৰত থিয় হৈ আছে।

পেটে পেটে ভয় লাগিলেও মই হাঁহি হাঁহি সিহঁতক ক'লোঁ— "হ'ব দিয়া। ভয় নুখুৱালেও হ'ব। আমি একো ভয় খোৱা নাই।"

দুয়োটা অগা-পিছাকৈ আহি ভিতৰ সোমালেহি। দাদাই মাহীৰ লং স্কাৰ্ট পিন্ধি মূৰটো কাপোৰ এখনেৰে ঢাকি বেৰত ওলোমাই থোৱা পুৰণি টুপী এটা পিন্ধি আছে। তাৰ ৰূপটো দেখি আমি গোটেই মখাই বাগৰি বাগৰি হাঁহিছোঁ। হঠাতে মুনে ক'লে

— "ৰুণদাই মই টয়লেট যোৱাৰ সময়তে ইমান সোনকালে যে এইবোৰ কেনেকৈ কৰিলে গমেই নাপালোঁ।" লগে লগে মাহী জঁপিয়াই আহি মোক গবা মাৰি ধৰিলেহি।

— "মুন তুমি নাছিলা? তেনেহ'লে দাদাৰ পিছফালে থকা ছোৱালীজনী কোন আছিল? মাহী আৰু মই স্পষ্টকৈ দেখিছোঁ।" মই ভয়াৰ্ত কণ্ঠেৰে সুধিলোঁ।

এইবাৰ আমি গোটেইকেইটা ভয়ত কঁপিবলৈ ল'লোঁ। মামা-মামীক কথাবোৰ ক'লোঁ যদিও তেওঁলোকে একেবাৰে বিশ্বাস নকৰিলে। মাত্ৰ চকীদাৰজনে মনে মনে দাদাক মৃদু ধমকি দি কৈছিল— "বাবু পুৰণা চাহাবৰ বস্তু কিয় হাত দিছিলি!"

নাজানো কি দেখিছিলোঁ স্পষ্ট আৰু অস্পষ্টৰ মাজত! তাৰ পিছত আৰু দুৰাতি আছিলোঁ যদিও একো অঘটন ঘটা নাছিল আৰু একো দেখা পোৱা নাছিলোঁ। মামাই আমাৰ ভয় দেখি পিছৰ দুদিন ৰাতি ক্লাবলৈ যোৱা নাছিল আৰু আমাৰ লগত ঘৰতে তাছ খেলি গল্প মাৰি সময় কটাইছিল। ইমান বছৰৰ মূৰত আজিও মাহীক লগ পালে কথাটো ওলায়। আমি দুয়োজনীয়ে একেলগে ইমান ভুল দেখিলোঁনে! সঁচাকৈ আমাৰ জীৱনৰ ই এক ডাঙৰ কুহেলিকা।

●●●

# শৈশৱৰ এপৃষ্ঠা

**কস্তুৰী নিভা গগৈ**

মোৰ বিদ্যাৰম্ভ হৈছিল শ্বিলঙৰ মাল্কী প্ৰাথমিক বিদ্যালয়ত। স্কুলৰ ওচৰতে আমাৰ দুমহলীয়া কাঠৰ ধুনীয়া ঘৰটো। দেউতাই চৰকাৰে দিয়া বিল্ডিং এডভান্স লৈ ঘৰটো সজাইছিল। ওপৰ মহলাত আমি থাকোঁ আৰু তলৰ মহলাৰ দুটা পাৰ্টত দুঘৰ ভাৰাতীয়া পৰিয়াল। এঘৰত আপোন মানুহ, আন ঘৰত অনা-অসমীয়া সৰু পৰিয়াল এটা।

বাৰীখন স্কোৱাচ, কল, প্লাম, শাক-পাচলি তথা বিভিন্ন ফুলেৰে ৰমকজমক আছিল। চৌহদৰ সীমাবেৰৰ এফালে চুবুৰীয়া বৰদলৈ খুৰা, আনফালে চেতিয়া খুৰা, পাছফালে নেপালী এঘৰ, ওচৰে-পাজৰে খাচীয়া পৰিয়ালসমূহ। সন্মুখৰ খট্‌খটী নামি ৰাস্তা আৰু সিফালে জিৰি জিৰি বৈ যোৱা পাহাৰী নিজৰা এটি। পুৰা সৰল গছৰ সিৰ সিৰ শব্দ জুৰিটিৰ জিৰ্ জিৰ্ শব্দ সন্মুখৰ সেউজীয়া পাহাৰীয়া পথৰ সুন্দৰ দৃশ্যৰাজি আজিও মোৰ মানসপটত লগতে কৰ্ণকুহৰত সজীৱ হৈ আছে। অলপ আহিয়েই স্কুলখন। স্কুলৰ কাষেদিয়েই বৈ গৈছে জুৰিটি। কাঠৰ চাং বঙলাৰ স্কুলখন খট্‌খটী বগাই শ্ৰেণী কোঠালিলৈ যাবলৈ বৰ ভাল লাগে আৰু প্ৰকৃতিৰ নিয়ম মানি শিক্ষয়িত্ৰীৰ অনুমতি লৈ বাহিৰ ফুৰিবলৈ চাংবঙলাৰ তললৈ সোমাওঁ। স্কুলঘৰৰ সন্মুখত খেলপথাৰ পাৰ হৈ জুৰিটিলৈ নামি যোৱা পথ আকৌ শিলে শিলে বগাই জুৰিৰ সিফাললৈ যাব পাৰি। সিটো মূৰত কেইঘৰমান ৰজকৰ পৰিয়াল। ৰজকৰ পৰিয়ালৰ ছোৱালী (নামটো মনত পেলাব পৰা নাই) আমাৰ সহপাঠী আছিল। টিফিন খোৱা ছুটীৰ সময়ত আমি তাইৰ লগত শিলে শিলে বগাই সিপাৰলৈ যাওঁ আৰু তাইৰ লগতে উভতি আহোঁ, এইটো আমাৰ বৰ আনন্দদায়ক আছিল কিন্তু ঘৰত গালি খোৱাৰ ভয়ত কোনেও কথাটো নজনাইছিলোঁ। কেৱল ক খ শ্ৰেণীহে মই সেই স্কুলত পঢ়িছিলো যদিও সেইকণ সেন্দুৰীয়া স্মৃতি আজিও মোৰ বুকুৰ মাজত সোমাই আছে।

সৌ সিদিনা অৰ্থাৎ ২০১৮ চনৰ ডিচেম্বৰ মাহৰ বৰদিনৰ সময়ত জী-জোঁৱাইসহ আমি পৰিয়ালটো শ্বিলং ফুৰিবলৈ যাওঁতে মই সুধি-পুছি নিশা সেই স্কুলখন বিচাৰি উলিয়াইছিলোঁ। স্কুল চৌহদত সোমাই মই বেছ উৎফুল্লিত হৈ পৰিছিলোঁ। স্কুলঘৰ নতুনকৈ সজালে- সন্মুখৰ খেলপথাৰত শিশু পাৰ্কৰ খেল-ধেমালি ঝুলনা আদি বিভিন্ন সা-সঁজুলি হ'ল, জুৰিৰ পাৰত ষ্টীলৰ ৰেলিং হ'ল, চৌহদত চকীদাৰৰ বাসগৃহ হ'ল। পৰিৱেশ সুন্দৰ হ'ল। স্কুলঘৰ ৰখীয়া চন্দন বড়োক পালোঁ তেওঁৰ পৰা প্ৰধান শিক্ষকৰ ফোন নং ল'লো, পাছত কথা হ'ল আৰু আজিও যোগাযোগ অটুট আছে। জুৰিৰ সিফালৰ ৰজকৰ পৰিয়ালকেইটি এতিয়া বেছ অৱস্থাসম্পন্ন আৰু শিক্ষিত সম্ভ্ৰান্ত বুলি জানিব পাৰি ভাল লাগিল। স্কুলখন মেঘালয় চৰকাৰৰ অধীনত আৰু বৰ্তমান ইংৰাজী মাধ্যমৰ হ'ল। পাছত প্ৰধান শিক্ষক দেৱানন্দ বৰাদেৱে মোক জনালে

১৯৬৩ চনত মোৰ স্কুলত নামভৰ্তিৰ ৰেকৰ্ডো আছে - মোৰ নাম 'ক' শ্ৰেণী দেউতাৰ নাম ইত্যাদি। খবৰটো পাই মোৰ হিয়া উলাহে নধৰা হৈছিল।

শ্বিলং পাহাৰৰ পৰা গুৱাহাটীলৈ নামি আহিবলৈ বস্তু বাহানি গাড়ীত বোজাই থাকোঁতে কোনোবা আপোন মানুহে ধেমালি কৰি কৈছিল মোক আৰু ককাইদেউকো মালবস্তুৰ লগতে উঠাই দিওঁ নেকি বুলি। ককাইদেৱে কাণসাৰেই কৰা নাছিল। মই পিছে ভাইটিক কোলাত লৈ থকা মাক ধৰি কান্দিছিলোঁ 'মই নাযাওঁ মই নাযাওঁ' বুলি, মায়েও চকুপানী টুকি আছিল হয়তো শ্বিলং আৰু ঘৰখন এৰাৰ বেদনাত। ককাইদেউৰ ডাঙৰ টেমা এটাত ভৰ্তি মাৰ্বল গুটি এগাল আছিল। সেইটো বস্তু-বাহানিৰে ভৰা গাড়ীখনত নধৰাত তুলি নিদিয়া বাবে সি মোক মাতি কৈছিল- আহচোন এইফালে আমি মাৰ্বল গুটিবোৰ হেৰুৱাই পেলাওঁ আহ বুলি চব বগৰাই হাতেৰে চিঞৰি চিঞৰি চিটিকাই দিছিল। মোকো তেনেকৈ দিব দিছিল বাবে ময়ো দিছিলোঁ। এই ছবিখনো মোৰ মনৰ মাজত ৰৈ গ'ল সাঁচতীয়া ধন হৈ। শিশু এটিয়ে মৰমৰ মাৰ্বল গুটিকেইটা এৰিবলৈ মনত চাগৈ কিমান দুখ পাইছিল!

●●●

# ধুবুৰী চহৰত মোৰ শৈশৱ

**পংকজ কুমাৰ নেওগ**

যোৰহাটৰ দহাবৰাচুকত মোৰ জন্ম হৈছিল; বোধকৰো মোৰ এবছৰমান হওঁতে আৰু ডাঙৰ বাইদেউৰ বিয়া হৈ যোৱাৰ পাছত দেউতাৰ বদলিৰ নিৰ্দেশ অহাত আমি ধুবুৰীলৈ গুচি আহোঁ। ধুবুৰীৰ সৰুকালৰ কথা কিছু ভালকৈ আৰু কিছু চকামকাকৈ মনত আছে। আমাৰ মা-দেউতাৰ আমি নটা সন্তান আৰু ময়েই সকলোতকৈ সৰু। ডাঙৰ ভাগিনটো জন্ম হোৱাৰ পাছত বাইদেউ ঘৰলৈ আহিলে মই হেনো ভাগিনটোক দেখি হিংসাত জ্বলি-পুৰি মৰোঁ আৰু সুবিধা পালেই তাক আঁকুহি- বাঁকুহি কন্দুৱাবলৈ চেষ্টা কৰোঁ। কোনোবা এবাৰ বাইদেৱে ভাগিনটোক লৈ আমাৰ তাত কেইদিনমানৰ কাৰণে থাকিবলৈ আহিছিল; এদিন হঠাতে বাইদেৱে পিন্ধা গহনা-গাঁঠৰিবোৰ নাইকিয়া হ'ল। গোটেই ঘৰখনত হুলস্থুল লাগিল। বাইদেৱে হেনো ৰাতি শুবলৈ যোৱাৰ আগেয়ে ড্ৰেছিং টেবুলখনৰ ওপৰতে সকলোবোৰ খুলি থৈছিল। গহনাখিনি কেনেকৈ অন্তৰ্ধান হ'ল সকলোৱে চিন্তা লাগিল। সন্দেহ কৰিবলগীয়া ঘৰত কোনো নাছিল বা অহাও নাছিল। বহুত দেৰি ঘৰৰ ভিতৰে-বাহিৰে বিচাৰ-খোচাৰ কৰাৰ পিছত মা নে বাইদেৱে কোনোবা এখন খিড়িকীৰ বাহিৰত গহনাখিনি বিচাৰি পালে। খিড়িকীখনৰ প্ৰায় কাষতে লাগি থকা বাঁহৰ জেওৰাখনৰ তলতে বস্তুখিনি পৰি আছিল; হয়তো আৰু অলপ জোৰে দলিওৱাহেঁতেন গহনাখিনি গৈ সিটো ঘৰৰ চোতালত পৰিলেহেঁতেন। ভাগিন পোৱালিটোৰ প্ৰতি ঈৰ্ষান্বিত হৈ সেই দুষ্কাৰ্য কোনে কৰিছিল সি আছিল সকলোৰে অনুমেয়।

ধুবুৰীত আমি দুবাৰ ঘৰ সলাইছিলোঁ; প্ৰথম দুটা ঘৰ আছিল বিদ্যাপাৰা আৰু ছাতিয়ানতলা নামৰ অঞ্চল দুটাত। শেষৰ ঘৰটো আছিল ধুবুৰী চহৰৰ মাজৰ ডি কে ৰোডত। ছাতিয়ানতলাৰ ঘৰটোতে ডাঙৰ ভাগিনটোৰ জন্ম হৈছিল। আমি থকা কোনোবা এটা ঘৰৰ পিছফালে গদাধৰ নে ব্ৰহ্মপুত্ৰ নদীখন সম্ভৱ খুব দূৰৈত নাছিল। কোনোবা এবাৰ বাৰিষা পানী বাগৰি ঘৰৰ চৌহদ বুৰাই পেলোৱা মনত আছে। পাকঘৰটো মূল ঘৰৰ পৰা কিছু আঁতৰত আছিল বাবে এখন বাঁহৰ সাঁকো দিবলগীয়া হৈছিল। পাকঘৰটোৰ মুধচত প্ৰকাণ্ড অজগৰ সাপ এডাল ওলমি থকা দৃশ্যটো এতিয়াও চকামকাকৈ মনত পৰে। বোধকৰো পানীত উটি আহিছিল। বানপানীৰ সময়ত গুৱাল আৰু পানীভাৰীয়ে নাও চলাই ঘৰত গাখীৰ আৰু খোৱাপানী দিবলৈ অহা আৰু আমিও নাৱত উঠি ধুবুৰীৰ জে'ইলত সেই সময়ত কৰ্মৰত দদাইদেউ এজনৰ ঘৰলৈ যোৱা মনত পৰে। খৰাংকালি ঘৰৰ পিছপিনে বালি-চাপৰিত বাইদেউহঁতৰ সৈতে খেলিবলৈ গৈছিলোঁ। বাইদেউহঁতৰ লগত স্কুলত একেলগে পঢ়া বান্ধৱীবোৰো খেলিবলৈ আহিছিল। বাইদেউহঁত দুটা দলত বিভক্ত হৈ চোৰ-পুলিচ অথবা চীন-ভাৰতৰ যুদ্ধ-যুদ্ধ আদি খেল খেলিছিল। দুই হাতে বালিৰ মুঠি লৈ ইপক্ষই-সিপক্ষক দলিওৱা কাৰ্যই গোলা-বাৰুদ বৰ্ষণক প্ৰতিনিধিত্ব কৰিছিল। মই বাইদেউহঁতকৈ যথেষ্ট সৰু আছিলোঁ বাবে সিহঁতৰ খেলা-ধুলাবোৰত খুব কমেইহে অংশগ্ৰহণ কৰিবলৈ পাওঁ; বোধকৰো দৰ্শকৰ শাৰীতহে বেছিভাগ সময় বহি কটাইছিলোঁ। আমাৰ নিকটৱৰ্তী প্ৰতিবেশী আছিল এঘৰ বঙালী মানুহ;তেওঁলোকৰ কচি আৰু বুঢ়ী নামেৰে এহাল ল'ৰা-ছোৱালী আছিল। কচি আছিল মোৰ সমবয়সী বা অলপ সৰু। এদিন তাক লগ ধৰি 'ব'ল আমি নদীত বৰশী টুপাবলৈ যাওঁ' বুলি নদীৰ পাৰলৈ লৈ গ'লোঁ। পাৰলৈ গৈ নো কি কৰিলোঁ মনত নাই, এনেয়ে অনাই-বনাই ঘূৰি অলপ সময়ৰ পাছত ঘৰলৈ পুনৰ উভতিলোঁ। কচিয়ে বোধকৰো উভতি আহি মাকক কথাষাৰ ক'লে; অলপ পাছত তাৰ মাক ওলাই আহি - 'দুষ্ট ছেলে, আমাদেৰ কচিকে কেন নদীৰ ধাৰে নিয়ে গেছিলে' বুলি ভীষণ গালি পাৰিবলৈ ধৰিলে। ইমানেই গালি খালোঁ যে কচিৰ সৈতে বন্ধুত্ব সিমানতে অন্ত পৰিছিল।

আমাৰ মায়ে ধুবুৰী ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী হিচাপে কাম কৰিছিল। মায়ে ওপৰৰ শ্ৰেণীত ইংৰাজী আৰু অসমীয়া পঢ়ুৱাইছিল আৰু ছাত্ৰীসকলৰ মাজত অতি প্ৰিয় আছিল। ঘৰত থাকিবলৈ অমান্তি হ'লে বা চিঞৰ-বাখৰ কৰিলে মোকো কেতিয়াবা মায়ে স্কুললৈ লৈ যায় আৰু শ্ৰেণীত পাঠদান কৰাৰ সময়ত শিক্ষকসকলৰ জিৰণি কোঠাতে মোক মনে মনে বহি থাকিবলৈ দিয়ে। মায়ে শ্ৰেণীত পঢ়ুৱাই উভতি নহালৈকে কিনো কৰিছিলোঁ এতিয়া মনত নাই; কেতিয়াবা বহি বহি আমনি লাগিলে জিৰণি কোঠাৰ পৰা ওলাই গৈ মায়ে নো কোনটো শ্ৰেণীত পঢ়ুৱাই আছে বিচাৰি বিচাৰি উলিয়াওঁ আৰু বিনাদ্বিধাই শ্ৰেণীটোত প্ৰৱেশ কৰি সকলোকে হাঁহিৰ খোৰাক যোগাওঁ। ব্লেক-ব'ৰ্ডৰ তলত ৰখা চকমাটি টুকুৰাবোৰৰ প্ৰতি মোৰ সদায় দুৰ্বলতা আছিল আৰু মায়ে ছাত্ৰীসকলক পাঠ দি থকাৰ সময়ত মই ব'ৰ্ডখনত মোৰ চিত্ৰবিদ্যাৰ নমুনা দেখুৱাবলৈ ব্যস্ত হৈ পৰোঁ। মোৰ এই কাৰ্যই স্বাভাৱিকতে শ্ৰেণীটোৰ মনোযোগ ভংগ কৰিছিল। মোৰ চিত্ৰাংকন সমাপন হ'লে শ্ৰেণীতেই মাক চিঞৰি সোধোঁ - 'মা, চা চোন, মোৰ ছবি অঁকা


ভাল হৈছে নে?' মায়ে উপায় নাপাই সোধে — 'কি আঁকিছ বাৰু এইবোৰ, আমাক বুজাই দেচোন।' মই উত্তৰ দিওঁ—'এইটো আলু, এইটো কচু, সেইটো বেঙেনা,' ইত্যাদি। শ্ৰেণীৰ সকলোবোৰ ছাত্ৰীয়ে গিৰ্জনি মৰা হাঁহিটো এতিয়াও মনত পৰে। মায়ে ধুবুৰীত পঢ়ুওৱা এগৰাকী ছাত্ৰী পৰৱৰ্তী সময়ত কটন কলেজিয়েট স্কুলত আমাৰ ইংৰাজী বিষয়ৰ শিক্ষয়িত্ৰী হৈছিল; মই নিজকে চিনাকি দিম বুলি ভাবি থাকোঁতে কামফেৰা কেতিয়াও কৰা নহ'ল। এইখিনিতে আৰু এটা কথা মনত পৰে। সৰুতে মই শনিবাৰবোৰৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিলোঁ। শনিবাৰে স্কুল সোনকালে ছুটী হোৱা বাবে মা দুপৰীয়া ১২ মান বজাতেই ঘৰ পাইছিলহি আৰু স্কুলত শিক্ষক-শিক্ষয়িত্ৰীসকলে দুপৰীয়া টিফিনত খাবলগীয়া চিঙৰা আৰু মিঠাই সেইদিনা মায়ে নাখাই মোলৈ লৈ আনিছিল। এইটো কাৰণতে শনিবাৰৰ দিনা বাহিৰৰ গেটত ওলমি মালৈ বাট চাই থকা কথা মনত পৰে।

আমি ধুবুৰীত থকা সময়খিনিত ডাঙৰ মামা ধুবুৰীৰ ডেপুটি কমিশ্যনাৰ বা ডি চি হৈ আছিল। ব্ৰহ্মপুত্ৰৰ পাৰত ডাঙৰ চৌহদৰ সৈতে ডাঙৰ বাংলোটোলৈ গৈ আমি বৰ স্ফূৰ্তি কৰিছিলোঁ। সেইটো ঘৰতে বাহিৰৰ বিশাল ঘাঁহনিডৰাত আমি বাইদেউহঁতৰ সৈতে মিলি মইনা পাৰিজাত চ'ৰা পাতি আৰু ৰুমাল-চুৰি আদি খেলেৰে ৰং-ধেমালি কৰা মনত আছে। মামাহঁতৰ ঘৰৰ ওচৰতে থকা পাঁচপীৰলৈ গৈ শুকুৰবাৰে মমবাতি জ্বলোৱা আৰু বাতাছা খোৱা এতিয়াও মনত পৰে। মা-দেউতাৰ সৈতে কেতিয়াবা 'ৰূপালী' আৰু 'বসন্ত' চিনেমা হললৈ চিনেমা চাবলৈ যোৱা, মাৰ সৈতে সদায় প্ৰাতঃভ্ৰমণলৈ ওলোৱা, নতুন বছৰৰ দিনা কুঁৱলিয়ে ঢাক খাই থকা পুৱা বাটে বাটে ফুৰিবলৈ যাওঁতে লগ পাই যোৱা সকলো বাটৰুৱাকে 'Happy New Year-আজি নতুন বছৰ' বুলি সম্ভাষণ জনোৱা এই সকলোবোৰ কথা মোৰ স্মৃতিৰ মণিকোঠাত সদায় সজীৱ হৈ ৰ'ব। ১৯৬২ নে ১৯৬৩ চনত ধুবুৰীৰ ওচৰৰ কালডোবা আৰু আগমণি নামৰ দুখন ঠাইত প্ৰলয়ংকৰী ঘূৰ্ণি বতাহে মানুহ, পশুধন আৰু অন্যান্য সা-সম্পত্তিৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। বহুলোকৰ মৃত্যু হোৱাৰ লগতে বহুতৰ হাত-ভৰি আদি অংগ-প্ৰত্যংগ ছিঙি চিৰকাললৈ ঘূণীয়া হৈ পৰিছিল। বা-মাৰলিত আঘাতপ্ৰাপ্ত সকলো লোকক ধুবুৰীলৈ আনি চিভিল হস্পিতাল আৰু অন্যান্য বহুতো ঠাইত চিকিৎসা প্ৰদান কৰা হৈছিল। মাহঁতৰ ছোৱালী বিদ্যালয়খনত ভুক্তভোগীসকলৰ বাবে এটা ত্ৰাণ-শিবিৰ খোলা হৈছিল আৰু স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও স্বেচ্ছাসেৱক বা সেৱিকা হিচাপে কৰ্তব্য পালন কৰিছিল। কি কাৰণে মই এদিন মাৰ সৈতে স্কুললৈ যাবলগীয়া হ'ল বা গৈছিলোঁ নাজানো- কিন্তু মানুহবোৰৰ অবৰ্ণনীয় দৃশ্য দেখি মোৰ শিশুমন বিচলিত হৈ পৰিছিল। শ্ৰেণীৰ কোঠা আৰু বাৰাণ্ডাবোৰৰ মজিয়াত শাৰী শাৰীকৈ ৰোগীবোৰ শুৱাই থোৱা হৈছে, কোনোজনৰ মূৰত, কোনোজনৰ ভৰিত আৰু কোনোজনৰ হাতত বেণ্ডেজ। কোনোবাই যন্ত্ৰণাত কাতৰ হৈ চিঞৰিছে, কোনোজনে বা উচ্চ স্বৰে কান্দিছে! চাৰিওফালে ব্লিচিং পাউদাৰ, ফেনাইল, ডেটল আৰু কিবাকিবি ঔষধৰ গোন্ধ। সেই এটা সৰুতে দেখা দৃশ্য বোধকৰো কেতিয়াও পাহৰিব নোৱাৰিম।

মোৰ আনুষ্ঠানিক বিদ্যাশিক্ষা ধুবুৰীত আৰম্ভ হোৱা নাছিল, কিন্তু সৰু বাইদেৱে মোক দুদিনমান বি

চি মেম'ৰিয়েল বিদ্যালয়ৰ নিম্ন বুনিয়াদী শাখালৈ লৈ যোৱা মনত পৰে। 'ক'-শ্ৰেণীত দেউতাই নাম লগাই দিছিল যদিও নাজানো কিন্তু পঢ়া-শুনা কৰা মনত নাই। পিছলৈ কেইদিনমান নাৰ্ছাৰী স্কুল এখনলৈ অহা-যোৱা কৰিছিলোঁ। বাইদেউ এগৰাকীয়ে - 'বাপুৰাম সাপুৰে, কোথা যাস দুপুৰে, আই বাবা দেখে যা, দুটি সাপ দেখে যা' এনেধৰণৰ এটা বাংলা ছড়া (কবিতা)হে অংগী-ভংগীৰে গাবলৈ শিকোৱা মনত আছে। আৰু এটা কাহিনীৰে লেখাটোৰ সামৰণি মাৰিম। আগেয়ে উল্লেখ কৰিছোঁ যে ধুবুৰীত আমি দুবছৰমান ঘৰ সলনি কৰিছিলোঁ, তাৰে কোনোবা এটা ঘৰৰ সন্মুখত আহল-বহলকৈ কিছু ঠাই আৰু এজোপা ডাঙৰ কামিনী ফুলৰ গছ আছিল। আবেলি সময়ত বাইদেউহঁতৰ লগৰীয়া বা ওচৰৰ ল'ৰা-ছোৱালীবোৰ আহি আমাৰ ঘৰৰ চৌহদত খেলা-ধূলা কৰে। খেলিবলৈ অহা দুটামান ল'ৰা আছিল বৰ অঘাইটং আৰু মোতকৈ বয়সতো ডাঙৰ, সিহঁতে কামিনী গছজোপাত বগুৱা বাই ইটো ডালৰ পৰা সিটো ডাললৈ জঁপিয়াই ফুৰি ধিতিঙালি কৰি ভাল পাইছিল। এদিন আবেলি ময়ো বাহিৰত কোনোবা এজনৰ সৈতে খেলি আছিলোঁ, এনেতে গছৰ ওপৰত উঠি থকা কোনোবা এটা অঘাইটঙে মোক হাত বাউলি গছৰ তললৈ মাতি পঠিয়ালে আৰু ক'লে— 'ঐ পোৱালি, হাঁকৈ মুখখন মেলি অলপ সময় ওপৰলৈ চাই থাকচোন, তোক কিবা এটা বস্তু দেখুৱাম!' হোলাৰ ভাই মোলা মইনো কি সন্দেহ কৰিম? লগে লগে সি কোৱাৰ দৰে হাঁ-কৈ মুখখন মেলি আৰু ডিঙিটো বেঁকা কৰি ওপৰলৈ চালোঁ। কেই ছেকেণ্ডমানৰ ভিতৰতে কিছু গৰম গৰম কটু গন্ধযুক্ত এবিধ তৰল পদাৰ্থ আহি মোৰ মুখ গহ্বৰত প্ৰৱেশ কৰিলে; অকল মুখ গহ্বৰেই নহয় সমস্ত মুখমণ্ডল আৰু মূৰটোও সেইবিধ তৰল পদাৰ্থৰে ভালকৈ বিধৌত হ'ল! হঠাতে কিনো হ'ল তৰ্কিব পোৱাৰ আগয়েই অঘাইটংটো গছৰ পৰা জাঁপ মাৰি পলাই পত্ৰং দিলে। তাৰ পাছত কি হৈছিল মনত নাই; মায়ে যে মোক বেঙা বুলি ধমক দি বা কাণচেপা এটা দি কাপোৰ-কানি খুলি ভালকৈ মুখ আৰু গা ধুবলৈ বাধ্য কৰিছিল সি আছিল ধ্ৰুৱপ! মুখ-গহ্বৰত প্ৰৱেশ কৰা তৰলখিনি লগে লগে ওকালি পেলাবলৈ মোৰ বুদ্ধি হৈছিলেনে নাই বা? কেনেবাকৈ পাকস্থলী পাইছিলে গৈ যদিও ভগৱানৰ কৃপাত এই অধমক অপকাৰ কৰা নাছিল চাগে!

●●●



# তস্মৈ শ্ৰীগুৰৱে নমঃ

গুৰুৰ প্ৰতি অচলা ভক্তি নাথাকিলে শিক্ষাগ্ৰহণ সম্পূৰ্ণ নহয় বুলি কথা এষাৰ আছে। শ্ৰদ্ধাৱান্ লভতে জ্ঞানম্। তিনি কুৰিৰ দেওনা পাৰ হৈ এৰি অহা পঢ়াশলীয়া দিনবোৰলৈ উভতি চাই আমি দেখিছোঁ যে ভৱিষ্যতৰ পথ পৰিক্ৰমাত গুৰুৰ আশীৰ্বাদে আমাক অমলিন কৰি ৰাখিছে। নিজ নিজ শিক্ষাগুৰুৰ প্ৰতি আমি শ্ৰদ্ধা নিৱেদন কৰিছোঁ...

# প্ৰথম শিক্ষাগুৰু

**বিপুল চন্দ্ৰ খাটনিয়াৰ**

মানুহে মোৰ হাতৰ আখৰ অলপ ভাল বুলিয়েই কয়। আৰু যেতিয়াই কোনোবাই মোৰ আখৰৰ প্ৰশংসা কৰে তেতিয়াই মোৰ ৰহমান ছাৰলৈ মনত পৰে।

চৈয়দুৰ ৰহমান। মোৰ প্ৰথম শিক্ষাগুৰু। আখৰ লিখিবলৈ তেখেতেই শিকাইছিল— ফলিত নহয় কিন্তু কলপাতত। সদায় ছাৰে বহল বহল কলপাত সমানকৈ কাটি ঘৰৰ পৰাই পৰিষ্কাৰ কৰি লৈ আনিছিল। লগতে আনিছিল কাঠখৰিৰ এঙাৰ। স্কুললৈ আহি ছাৰে আমাৰ পানীৰ লগত মিলাই এঙাৰৰ চিয়াহী বনাবলৈ শিকাইছিল। সেই এঙাৰৰ চিয়াহী কলপাতৰ ওলোটা পিঠিত পাখি কলমেৰে লিখিবলৈ দিছিল।

কলপাতৰ পিঠিফাল মিহি। তাতে সমান সমানকৈ আঁচ পাৰি থোৱাৰ নিচিনা। এঙাৰৰ চিয়াহীৰে লিখিলে খুব ভালকৈ লিখা গৈছিল আৰু দুটা আঁচৰ ওপৰ-তল দুয়োফালে লগাই লিখিলে আখৰবোৰ সমান সমান হৈছিল। চাৰে আমাক ক আৰু খ শ্ৰেণীত ফলি ব্যৱহাৰ কৰিবলৈ দিয়া নাছিল।

পিছলৈ প্ৰথম শ্ৰেণীৰ পৰা যেতিয়া ফলি ব্যৱহাৰ কৰিবলৈ ল'লোঁ তেতিয়া ছাৰৰ সেই কষ্টৰ ফল আমি পালোঁ— আমাৰ প্ৰায় সকলো সহপাঠীৰে আখৰবোৰ গোট গোট আৰু সমান আছিল, দেখিবলৈও সুন্দৰ আছিল। লগতে পোন পোন। যেতিয়াই বিহপুৰীয়ালৈ যাওঁ তেতিয়াই সুবিধা পালে ছাৰক দেখা কৰিবলৈ গৈছিলোঁ। যোৱা বছৰ দেউতা ঢুকোৱাৰ সময়ত গৈ কিন্তু ছাৰক লগ নাপালোঁ। যোৱা আগষ্ট মাহৰ কোনোবা এটা দিনত ছাৰে ইহ সংসাৰ ত্যাগ কৰি বেহেস্তলৈ গমন কৰিলে।

●●●

# মোৰ জীৱনৰ প্ৰথম শিক্ষাগুৰু
# পৰম শ্ৰদ্ধাৰ প্ৰয়াত কুন্তী বালা বিষয়া বাইদেউ

**কৃষ্ণা শৰ্মা**

চনটো বোধকৰো ১৯৬৩ চন। (...বেক কেলকুলেচন কৰি)। মা ঢুকুৱাৰ পাছত শ্ৰাদ্ধ হৈ যোৱাৰ পাছতে আমি গুৱাহাটীৰ শান্তিপুৰৰ ভাৰাঘৰৰ পৰা আহি চেনিকুঠিৰ ('চাৰু কুটিৰ' ভেটেৰিনেৰী কেম্পাচৰ বিপৰীত ফালে) ঘৰলৈ অহাৰ কিছুদিন পাছতে এদিন আমাক মানে মোক, বাইদেউ কাবেৰী আৰু ভাইটিক লগত লৈ প্ৰভাত দাদাই (...দেউতাৰ ঘৰুৱা পিয়ন) স্কুললৈ নাম লিখাবলৈ লৈ গ'ল। মই 'ক' মান, বাইদেউ 'প্ৰথম' মান। তাৰ আগতে আবেলি আবেলি প্ৰভাত দাদাক কুটুৰি কুটুৰি কাবেৰী, মই আৰু ফটিকে দুই, তিনিপাক মান মাৰি চেনিকুঠি নিম্ন বুনিয়াদী বিদ্যালয়খন বাহিৰৰ পৰাই পৰিদৰ্শন কৰি আহিছিলোঁ। ফটিকে আমাৰ ঘৰত কাম কৰিছিল। সময়ত স্কুলত নাম লিখিলোঁ। মই কিন্তু নামটো কৃষ্ণা বালা দেৱী দিব লাগে বুলি ক'লোঁ। মোৰ বাইদেৱে প্ৰথমতে শ্বিলঙত আৰু তাৰ পাছত শান্তিপুৰ স্কুলত পঢ়া বাবে নাম লৈ একো কথা নাই। আগৰ শৰ্মা উপাধিৰ নামটোকে দিলে। ময়ে গণ্ডগোল কৰিলোঁ এনেকে ল'ৰাই উপাধি লিখে বুলি। সেই মতেই দিলে। পাছত সকলোৱে বুজাওঁতে বোধকৰো ভৰলুমুখ স্কুললৈ আহোঁতে এতিয়াৰ নামটো হ'ল।

নাম লগোৱাৰ বোধকৰোঁ কেইদিনমান পাছতহে স্কুললৈ গৈছিলোঁ। ইউনিফৰ্ম ৰেডি হোৱা নাছিল। ইউনিফৰ্ম আছিল পাতল নীলা বৰণৰ ফ্ৰক। মূৰত ৰঙা ফিটা, তাৰ আগলৈকে মূৰত ফিটা-চিটা নাই। মূৰত 'বেন' মাৰিছিলোঁ। বাইদেৱে নিজেই মূৰ আঁচুৰিব পাৰে। মই নাজানো। আমাক চোৱা-চিতা কৰিবলৈ তেতিয়া এগৰাকী দিদি আছিল (দিদিৰ আৰু ফটিকৰ কথা মই বেলেগ এদিন লিখিম) কিন্তু মই দিদিক নিদিওঁ মূৰ আঁচুৰিবলৈ। ইফালে দেউতাই মূৰ আঁচুৰি ফিটা বান্ধি দিয়ে। মই বেয়া হৈছে বুলি টান মাৰি খুলি দিওঁ। মোৰ চুলি একেবাৰে কেঁকোৰা আছিল বাবেও অসুবিধা হৈছিল বোধকৰোঁ। তাৰ পাছত কিবা প্ৰকাৰে ফিটা বন্ধা হ'ল। প্ৰভাত দাদাৰ লগতে স্কুললৈ গ'লোঁ। দেউতা সেই সময়ত বোধকৰোঁ চাকৰিৰ কামত খুব ব্যস্ত থকাত আমাক প্ৰভাত দাদাই সকলো কৰি দিছিল। তেতিয়া তলৰ ক্লাছবিলাক পুৰা হৈছিল। স্কুলত সোমাই বৰ ভয় লাগিছিল। প্ৰভাত দাদাই প্ৰথম বেঞ্চতে বহুৱাই দিলে। বাহিৰত দুগৰাকী বাইদেউৰ লগত কথা পাতিলে আৰু মোক বহিবলৈ মৰমেৰে কৈ আঁতৰি গ'ল। অলপ পাছতে বাইদেউ সোমাই আহিল। দেখি মোৰ ভয়ত অণ্ঠ-কণ্ঠ শুকাই গ'ল। শকত-আৱত চেহেৰাৰ আছিল বাইদেউ। লাহে লাহে প্ৰভাত দাদালৈ মনত পৰিল আৰু অলপ পাছতে ভয়তে কান্দিবলৈ ধৰিলোঁ। বাইদেউ কিন্তু বৰ মৰমীয়াল আছিল। মোক মৰম কৰি ক'লে তোমাৰ দাদা যোৱা নাই নহয়। আছে নহয় বাহিৰতে এই বুলি

কৈ মোক এবাৰ মতাই আনি দেখুৱালে। সেই দিনটো মাজে মাজে মনত পৰে। কেতিয়াবা কিবা কথা বেয়া লাগিলে মনতে তুলনা কৰোঁ সেই দিনটোৰ লগত। কিমান অসহায় লাগিছিল।

গোটেই সময়খিনি তেনেকৈয়ে বোধকৰোঁ গ'ল। মোৰ বাহিৰে আৰু কাকো কন্দা দেখা নাছিলোঁ। সেই দিনটো কোনোৰকম পাৰ হ'ল। উভতি যাওঁতে বাইদেৱে গোটেই ৰাস্তা কিবা কিবি কৈ গ'ল। সকলোৱে জোকালে। বাহিৰত ভিজা মেকুৰী। ঘৰত বাইদেউৰ লগত খুব কাজিয়া কৰিছিলোঁ বাবে। তথাপি বহুত অনিচ্ছাত স্কুললৈ অহা-যোৱা কৰিলোঁ। দেখিলে গালি পাৰিব যেন লগা কিন্তু প্ৰকৃততে মৰম কৰা বাইদেউগৰাকী আছিল কুন্তী বালা বিষয়া। উজান বজাৰৰ প্ৰয়াত বৰদা কান্ত বিষয়াৰ পত্নী আছিল। যিমান দূৰ মনত আছে আমাৰ লগত আছিল গীতা ডেকা (আমাৰ গ্ৰুপৰে বৰ্তমান মহামান্য ন্যায়ধীশ), অজন্তা বৰা (বেংক বিষয়া), ফাইজা আৰু ৰূপা, দীপা (যঁজা)। মই ৰূপা, দীপাৰ লগত বহিছিলোঁ। তাৰ পাছত আমাৰ লগত ফটিকো যায় আৰু তাতে ৰৈ থাকে। ফটিক বোধকৰোঁ এঘাৰ-বাৰ বছৰীয়া মানেই আছিল। কুন্তী বালা বাইদেৱে বহুত দয়া কৰি ফটিকক মই দেখি থকাকৈ বাৰাণ্ডাতে থিয় হৈ থাকিবলৈ অনুমতি দিলে। মই ফটিকক মাজে মাজে চাই থাকোঁ।

এদিন হ'ল কি ফটিক অলপ আগুৱাই আহি বেৰাৰ ওচৰত আছিল। ব্লেকব'ৰ্ডখন খিৰিকীৰ কাষতে বেৰত আওজাই থোৱা হয়। ফটিকৰ কিলাকুটি লাগি ব'ৰ্ডখন ধম্ কৰে বাগৰি পৰিল। মোৰ হাত-ভৰি কঁপিব ধৰিলে। আজিতো বাইদেৱে ফটিকক গালি দিব। কিন্তু ফটিকক একো নক'লে। সি নিজেই ব'ৰ্ডখন তুলি দিলে। তাৰ পাছত লাহে লাহে সকলো সহজ হৈ আহিল। আমি পঢ়িলে লগতে ফটিকো বহে পঢ়িবলৈ।

বাইদেউৰ ছবিটো মনলৈ আহিলে মনত পৰে গৰম বন্ধৰ আগদিনা মৰ্ণিং স্কুলৰ দিনা বাইদেৱে ছোৱালীবিলাকে দিয়া সকলোবোৰ ফুল মূৰত গুজি লৈ ফুৰাৰ দৃশ্যটো। আমাক নিজৰ নামটো শিকোৱা 'কুন্তী বালা বিষয়া'। কুন্তী বালা বাইদেউক কেতিয়াবা মনত পৰে। মই কেতিয়াও পাহৰিব নোৱাৰোঁ। মোৰ প্ৰথম শিক্ষাগুৰু। আজি দেৰিকৈ হ'লেও বাইদেউলৈ মোৰ সেৱা জনাইছোঁ।

●●●

# মোৰ সংস্কৃত শিক্ষাগুৰু

**পংকজ কুমাৰ নেওগ**

সংস্কৃতৰ নতুন শিক্ষকজন আহিয়েই আমাক ক'লেহি— "তহঁতে কি কি শিকিছ, ব্যাকৰণ আৰু ট্ৰেন্সলেশ্যনৰ বহীবোৰ দেখুৱা।" বীৰদৰ্পে আগুৱাই গৈ নিজৰ বহীবোৰ নতুন ছাৰক দেখুৱালোঁ। মোৰ সংস্কৃতৰ বহীত ব্যাকৰণ বা অনুবাদৰ এটাও ভুল নাই— আগৰ ছাৰজনে চাই সকলোবোৰ শুদ্ধ বুলি 'ৰাইট' দি গৈছে। ৫-১০ মিনিটমানৰ মূৰত নতুন ছাৰে হঠাতে "এইবোৰ কি লিখিছ, গৰু!" বুলি চিঞৰ

এটা মাৰি মোৰ বহীকেইখন কোঠাটোৰ এটা চুকলৈ দলিয়াই পঠিয়ালে ! কি হ'ল বুলি মই হতভম্ব হ'লোঁ। বহীকেইখন মজিয়াৰ পৰা তুলি নি চুচুক চামাককৈ ছাৰৰ ওচৰলৈ গ'লোঁ। ছাৰে এইবাৰ পকেটৰ পৰা ৰঙা চিয়াহী থকা কলম এটা উলিয়াই মই ভুলকৈ লিখা ব্যাকৰণ আৰু ইংৰাজীৰ পৰা সংস্কৃতলৈ কৰা অনুবাদবোৰ শুদ্ধ কৰি যাবলৈ ধৰিলে। লগে লগে মুখেৰে ভোৰভোৰাই থাকিল। মই সংস্কৃত ভালকৈ শিকিছোঁ বুলি থকা অহংকাৰ হঠাতে ধুমকৈ ফুটি থাকিল। সেইদিনাৰ পৰা ছাৰৰ তত্বাৱধানত সংস্কৃত ব্যাকৰণ আৰু অনুবাদ খুব সাৱধানতা আৰু মনোযোগেৰে শিকিবলৈ ধৰিলোঁ। মেট্ৰিক পৰীক্ষাত আমাৰ লগৰ সুভাষ চন্দ্ৰ শৰ্মাই ৮৮ নম্বৰ পাই সংস্কৃতত সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল; মই লাভ কৰিছিলোঁ ৮৪ নম্বৰ। সপ্তম শ্ৰেণীত সেই ঘটনাটো নঘটাহেঁতেন মেট্ৰিকত কেতিয়াও সংস্কৃত বিষয়ত ভাল কৰিব নোৱাৰিলোহেঁতেন। আজি গুৰু পূৰ্ণিমা তিথিত শ্ৰদ্ধেয় আদ্যনাথ শৰ্মা ছাৰক সুঁৱৰিছোঁ। তেখেত ধুবুৰী স্কুলৰ পৰা বদলি হৈ আমি সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতে কলেজিয়েট স্কুললৈ আহিছিল।

●●●

# গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণু ....

**মদন চন্দ্ৰ ডেকা**

১৯৮৬ চনৰ অক্টোবৰ মাহ। দুৰ্গা পূজাৰ ষষ্ঠীৰ দিনাই কপিলী, হাৰিয়া পাৰ বাগৰি কামপুৰ, ডবকা, যমুনামুখৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলালে। দক্ষিণপাটৰ ফালেৰে নগাঁও চক্ৰতো পানী সোমাল। সপ্তমীৰ দিনা ৰহা, ধৰমতুল, মৰিগাঁও আদি পানীত বুৰ গ'ল। লাহৰিঘাট, ভুৰাগাঁও, মৈৰাবাৰী, ধিঙৰ কথা ক'বই নালাগে। অষ্টমীৰ দিনা কলং উভতি বৈ নগাঁও চহৰ বুৰাই পেলালে। 'পোৱালি হাকিম' মোৰ অৱস্থা পানীত হাঁহ নচৰা হ'ল। প্ৰথম দুদিন কামপুৰ, ৰহা আদিত সাহায্য সামগ্ৰী বিতৰণৰ দিহা কৰাত ব্যস্ত ৰাখিছিল উপায়ুক্ত মহোদয়ে। উপায়ুক্ত আছিল প্ৰয়াত উপেন্দ্ৰ নাথ ভূঞা। কিন্তু তৃতীয় দিনা যেতিয়া নিজৰ এলেকাতে পানী উঠিল, তেতিয়া বাহিৰলৈ যোৱাৰ প্ৰশ্নই নুঠে। উদ্ধাৰ আৰু সাহায্য এই দুয়োটা কাম চম্ভালা দুৰূহ হৈ পৰিল। বানপানীতকৈও ভয়াৱহভাৱে বাঢ়িল অভিযোগৰ বৰষুণ আৰু অগপ চৰকাৰৰ দিনৰ প্ৰথমটো বন্যাবিলাসৰ অহেতুক তৎপৰতা। নগাঁও আৱৰ্ত ভৱনত পীৰা পাৰি বহি পৰিল চাৰিজন কেবিনেট মন্ত্ৰী। পঁচিশজনমান মণ্ডল লৈ (৫৭জনৰ আটায়ে কামিলা নোহোৱাত বাকীসকলক নিজ নিজ এলেকাতে থাকিবলৈ দিয়া হৈছিল) চলি থকা মোৰ অভিযান তেতিয়া পৰাজয়ৰ গ্ৰাসত পৰোঁ পৰোঁ। উপায়ুক্ত, দুজন অতিৰিক্ত উপায়ুক্ত আৰু সদৰ মহকুমাধিপতি প্ৰতাপ চন্দ্ৰ দে- মোৰ বাহিৰে জিলাৰ সদৰত বিষয়া সিমানেই। আন সকলো বিষয়া পূজাৰ ছুটীত। এগৰাকী বিধায়কে ইতিমধ্যে মই চলাই থকা জীপ গাড়ীখনো নি বান সাহায্যৰ কামত (?) লাগিলগৈ। এছ ডি আৰ এফ তেতিয়া গঠন কৰা হোৱা

নাই। এন ডি আৰ এফৰ নাম শুনা নাই। এনে অৱস্থাত উপায়ুক্তৰ শৰণাপন্ন হ'লোঁ, সাহায্য বিচাৰি—মোক কেইজনমান দক্ষ বিষয়া লাগে, নগাঁও চহৰত স্থাপন কৰা সাহায্য শিবিৰসমূহ তদাৰক কৰিবলৈ। মিউনিচিপালিটিৰ মানুহ থাকিবই। লগে লগে জিলাখনৰ বিভিন্ন বিভাগৰ মূৰব্বী বিষয়া ছজনক মোৰ লগত এটাচ্ছ্ কৰি দিয়া হুকুম ওলাল। কিয়নো সাহায্য সামগ্ৰী বিতৰণৰ সমুদায় হিচাপ মই ৰাখিব লাগিব। যেন কোদোৰ বাহত জুইহে লাগিল। ইগ' লৈ ইমান ডাঙৰ সমস্যা হ'ব পাৰে বুলি কল্পনাও কৰিব পৰা নাছিলোঁ। গতিকেই হুকুম সংশোধন ঘটাই তদানীন্তন নগাঁও জিলাৰ গ্ৰামোন্নয়নৰ প্ৰকল্প সঞ্চালক মৃণাল কুমাৰ বৰুৱাক পৰ্যৱেক্ষক হিচাপে দায়িত্ব দিয়া হ'ল। থাকিলোঁ, ময়ো থাকিলোঁ... জিলাৰ সেই ছজন মূৰব্বী বিষয়াও থাকিল। হিচাপ অৱশ্যে ময়ে ৰাখিলোঁ, ইতিমধ্যে মোৰ জ্যেষ্ঠ সতীৰ্থগৰাকীও আহি পালে। বানপানী লাহে লাহে শুকাবলৈ ল'লে। যাব পৰা মানুহবিলাক শিবিৰ এৰি ঘৰাঘৰি যাবলৈ আৰম্ভ কৰিলে। এইবাৰ আহিল ক্ষয়-ক্ষতিৰ খতিয়ান লোৱাৰ সময়।

তেনেকুৱা সময়তে এদিন আবেলি মৃণাল কুমাৰ বৰুৱা ছাৰে নতুনকৈ কিনা চৰকাৰী গাড়ীখন লৈ মোৰ কাৰ্যালয় পালেহি। মোক মতাই আনি ক'লে 'ব'লক, এপাক ক্ষয়-ক্ষতিৰ বুজ লৈ আহোঁ।' মুহূৰ্ততে সাজু হৈ আহি গাড়ীৰ পিছৰ ছিটত উঠিব খোজোঁতেই তেখেতে ক'লে, 'কি কৰে? গাড়ী চলাওক'। মই সেমেনা-সেমেনিকৈ ক'লোঁ যে মই গাড়ী চলাব নাজানো। 'আপুনি কি এছ ডি চিহে' বুলি তেখেত ড্ৰাইভিং ছিটত বহি মোক সন্মুখৰ ছিংগল ছিটত বহিবলৈ দিলে। এলেকা সম্পূৰ্ণকৈ জনা আছিল বাবে তেখেতক মন ভৰাই ঘূৰাই আনিলোঁ।

সিদিনা সন্ধিয়া সাতমান বজাত অফিচ সামৰি মোৰ লগত থকা জীপখন (ভালখন মাননীয় বিধায়কে ওভতাই দিয়াই নাই)ৰ ড্ৰাইভাৰ ডিম্বেশ্বৰ শইকীয়াক ক'লোঁ— 'শইকীয়া, গাড়ী চলাবলৈ শিকিব লাগিছিলহে।' শইকীয়াই হ'ব বুলি ক'লে। মই যেতিয়া ক'লোঁ যে মই সেই মুহূৰ্ততে আৰম্ভ কৰিব খোজোঁ, শইকীয়া হতভম্ব হ'ল যদিও সন্মত হ'ল। বাছি ল'লোঁ ডছন হাইস্কুল (এতিয়া হায়াৰ ছেকেণ্ডাৰী)ৰ খেলপথাৰ। প্ৰথম গাড়ী চলাবলৈ শিকা তাতে লাইট জ্বলাই! এঘণ্টামান অভ্যাস কৰিলোঁ। কি শিকিলো নাজানো, কিন্তু পিছদিনা নগাঁও-জুৰিয়া শিলগুটি দিয়া ৰাস্তা আৰু তাৰো পিছদিনা নগাঁও-জখলাবন্ধা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত গাড়ী দৌৰাই দিলোঁ। কাষৰ ছিটত অতি সতৰ্ক হৈ অৱশ্যেই ডিম্বেশ্বৰ শইকীয়া। সেই তেতিয়াৰে পৰা আজিলৈকে গাড়ী চলায়েই আছোঁ।

আমোদজনক কথাটো হ'ল, মই শিকা গাড়ীখন আছিল লেফ্ট হেণ্ড ড্ৰাইভ মহিন্দ্ৰা জীপ। আচৰিত ধৰণে ৰাইট হেণ্ড ড্ৰাইভলৈ শ্বিফট্ কৰোঁতে মোৰ কোনো অসুবিধা নহ'ল।

পিছে মোৰ দুখ থাকি গ'ল মোৰ গাড়ী চালনাৰ গুৰু ডিম্বেশ্বৰ শইকীয়াক মই গামোচা এখন পিন্ধায়ো কৃতজ্ঞতা যাচিব নোৱাৰিলোঁ। এনে অনেক অশলাগী কাম কৰি থৈছোঁ জীৱনত যে কৃতঘ্নতাৰ পাত্ৰ মোৰ উপচি পৰিছে।

●●●

# আৰোগ্য

**পংকজ কুমাৰ নেওগ**

আশী বছৰীয়া সাৰদা দেৱীক হস্পিতালখনৰ নাৰ্ছ আৰু ডাক্তৰ কেইগৰাকীয়ে বিদায় সম্ভাষণ জনাবলৈ সাজু হ'ল। দুসপ্তাহৰ আগেয়ে ক'ভিড ধনাত্মক হৈ হস্পিতালত ভৰ্ত্তি হোৱা আইতাগৰাকী আজি সম্পূৰ্ণৰূপে নিৰাময় লভি ঘৰলৈ যাবলৈ ওলাইছে। নাৰ্ছ এগৰাকীয়ে গামোচা এখন আনি হস্পিতালৰ জ্যেষ্ঠ ডাক্তৰজনৰ হাতত দিলে আৰু তেওঁ সেইখন সাৰদা দেৱীৰ ডিঙিত আলফুলকৈ পিন্ধাই দিলে। উপস্থিত সকলোৱে জাউৰিয়ে জাউৰিয়ে হাতচাপৰি মাৰিলে। আন এগৰাকী নাৰ্ছে বিস্কুট, আপেল, বেদনা, কল, আঙুৰ আদিৰ ডাঙৰ টোপোলা এটা সাৰদা দেৱীৰ হাতত তুলি দিলে। টোপোলাটো ভৰিৰ ওচৰতে থৈ বহি থকা চকীখনৰে পৰা সাৰদা দেৱীয়ে সকলোকে নমস্কাৰ কৰিলে। হস্পিতালৰ পৰা আয়োজন কৰা বিদায় পৰ্বত তেওঁ যথেষ্ট আবেগিক হৈ পৰিল। এইবাৰ হস্পিতালৰ অইন এজন কৰ্মচাৰী আহি সাৰদা দেৱীক হাতত ধৰি নি ওচৰতে ৰৈ থকা এম্বুলেন্সখনত উঠাত সহায় কৰিলে। এম্বুলেন্সৰ দুৱাৰ বন্ধ হৈ যোৱাৰ লগে লগে ৩০ কি.মি. দূৰৈত থকা সাৰদা দেৱীৰ গাঁৱলৈ বুলি গাড়ী চলিবলৈ ধৰিলে। গাড়ীৰ প্ৰত্যেকটো জোকাৰণিৰ লগে লগে সাৰদা দেৱীৰ মনটোৱেও সমানে জোকাৰণি খাবলৈ ধৰিলে। গাঁৱৰ জহি-পমি যোৱা সৰু ঘৰ এটাত তেওঁ অকলে থাকে, ঘৰত খাবলৈ একো নাই আৰু হাতত ফুটা কড়ি এটাও নাই। কাইলৈ বা পৰহিলৈ হস্পিতালৰ পৰা দিয়া বস্তুকেইটাৰে যেনে তেনে চলি যাব কিন্তু তাৰ পিছত? খুজি-মাগি খাবলৈকো গাঁৱৰ সকলোৱে এই সময়ত শোচনীয় অৱস্থা। তাতে ভূতৰ ওপৰত দানহ পৰাদি চাৰিওপিনে প্ৰলয়ঙ্কৰ বানপানী! তেওঁক কোনেনো এই সময়ত সহায় কৰিব? সাৰদা দেৱীহঁতৰ গাঁৱত সেইদিনা হস্পিতালৰ মানুহ কিছুমান আহি ঘৰে ঘৰে কিবা বেমাৰ পৰীক্ষা কৰিছিল; তেওঁৰো নাকত দীঘল কপাহৰ দৰে কিবা এডাল সুমুৱাই দিছিল। কিছুমান মানুহক মুখ মেলিবলৈ দি কপাহৰ সৰু নুৰাৰে মুখ নে ডিঙিৰ পৰা থু-খেকাৰো গোটাইছিল। তাৰ পিছত গাঁৱৰ কেইবাজনো মানুহৰ সৈতে তেওঁকো দেখোন হস্পিতালৰ ডাঙৰ বগা গাড়ীখনত উঠাই চহৰৰ হস্পিতাললৈ লৈ গ'ল। হস্পিতালৰ মানুহকেইজনে কৈছিল তেওঁলোকৰ কিবা এটা বেমাৰ হৈছে, কেইদিনমান হস্পিতালত থাকিলে আকৌ ভাল হৈ যাব। প্ৰথম দিনা সাৰদা দেৱীৰ বৰ ভয় লাগিছিল কিন্তু লাহে লাহে ভয় কমিল। হস্পিতালৰ বিছনাত দেখোন বহুত ৰোগী; সকলোৱে হেনো জ্বৰ, কাহৰ দৰে বেমাৰ। সকলোৱে মুখত কাপোৰৰ এখন ঢাকনি। সাৰদা দেৱীৰ গাটোও অলপ জ্বৰ জ্বৰ যেন লাগিছিল যদিও খুব এটা বেয়া লগা নাছিল। নাৰ্ছে কিবা ঔষধ খাবলৈ দিয়াৰ দুদিন মানৰ পিছতে তেওঁ যথেষ্ট ভাল পাইছিল। হস্পিতালত থাকি তেওঁৰ ভালেই লাগিবলৈ ধৰিলে; অন্ততঃ পুৱা, গধূলি চাহ আৰু দুইবেলা মাছ, মঙহ, কণীৰে ঢেৰ খোৱা বস্তু! এনেইনো সাৰদা দেৱীয়ে সেইবোৰ বস্তু আজিকালি ক'ত খাবলৈ পায়? কোনোমতে খুজি-মাগি এবেলা ভাতমুঠি খোৱাই ডাঙৰ কথা হৈ পৰিছে। লগত থকা একমাত্ৰ পুতেকটোৱেও চহৰলৈ কিবা কাম বিচাৰি যে ওলাই গ'ল

আৰু কাহানিও উভতি নাহিল। সেয়া হ'ল বহুত দিনৰ আগৰ কথা। সাৰদা দেৱীৰ খবৰ ল'বলৈ এতিয়া কোনো নাই, বাৰ্ধক্যৰ বাবে নিজে এতিয়া কিবা কাম কৰি খোৱাও অসম্ভৱ। গাঁৱৰ ৰাইজে এতিয়ালৈকে অলপ খা-খবৰ কৰি আছে বাবেহে!

এম্বুলেন্সখন ইমান সময় গৈ থকা প্ৰধান বাটটোৰ পৰা ফালৰি কাটি গাঁৱৰ পথটোত প্ৰৱেশ কৰাৰ লগে লগে সাৰদা দেৱী সন্ত্ৰস্ত হৈ পৰিল; কিছু সময়ৰ পিছত তাৰমানে তেওঁ গাঁৱৰ ঘৰ গৈ পাব। নিজৰ অজানিতে তেওঁৰ চকুহাল সেমেকি আহিল। ভগৱানে তেওঁক কিয় বাৰু ইমান সোনকালে আৰোগ্য কৰি পঠিয়ালে? ঘৰত অকলশৰে, অনাহাৰে পৰি থকাতকৈ তেওঁৰ বাবে হস্পিতালত ৰোগী হৈ পৰি থকাই ভাল আছিল। এটা মুহূৰ্তৰ বাবে সাৰদা দেৱীৰ চকুৰ আগত তেওঁৰ চাৰিওফালে শাৰী শাৰীকৈ পৰি থকা হস্পিতালৰ ৰোগীবোৰৰ চিত্ৰখন ভাহি উঠিল।

●●●

# দুষ্টামি

**মদন চন্দ্ৰ ডেকা**

বাহিৰত দৈৰ প্লাষ্টিকৰ পাত্ৰটো আছিল। দৈ কেতিয়া আনি খাইছিল, মনত নাই। কিন্তু এই যে কোৱা হয় 'কিনা হাঁহৰ ঠোঁটলৈকে মঙহ', সেই সূত্ৰে পাত্ৰটোৰ উপযোগিতা শেষ হৈ যোৱা নাই। কেতিয়াবা যদি ফুলত বা পাচলিৰ খেতিত পানী দিবলৈ মগ হিচাপে ব্যৱহাৰ কৰিছে, আন কেতিয়াবা আকৌ ভাতকেৰেলা ছিঙি সেইটোতে ভৰাই আনি ৰান্ধনীক দিছেহি। আজিও বাহিৰতে থকা দৈৰ খালী পাত্ৰটোত সৰি থকা পাণ চাৰিখিলা আৰু এসাঁজ জোৰাকৈ জলকীয়া কেইটামান ছিঙি আনি ৰান্ধনিঘৰত থ'লেহি কাথকটীয়াই। ৰান্ধনিঘৰত কোনো নাই। ইফালে-সিফালে চাই ডাইনিং টেবুলৰ ওপৰতে থকা বৈয়ামটো খুলি নাৰিকলৰ লাডু এটা মুখত ভৰাই বিশ্বজয় কৰাৰ আনন্দেৰে ভৰি টিপি টিপি খোজকাঢ়ি চোতাল পালেহি। নাই, কোনেও দেখা নাই। শ্ৰীমতীয়ে গম নাপালেই হ'ল। উলাহতে হাতত থকা দৈৰ খালী পাত্ৰটো চোতাললৈ দলিয়াই দিলে। মনৰ চকুৰে কল্পনা কৰিলে শ্ৰীমতীৰ মুখখন। চোতাললৈ আহিয়েই 'এইটো ইয়াত কোনে পেলালে, নিশ্চয় এই বুঢ়াটোৰ কাম হ'ব' বুলি ভোৰভোৰাই পাত্ৰটো বুটলি আনি নিৰ্দিষ্ট ঠাইত থ'বলৈ যাব। হঠাতে কাথকটীয়াৰ মাকলৈ মনত পৰিল। তেওঁ সৰু থাকোঁতে মাকে ঘৰ বা চোতাল সাৰি থাকোঁতে দুই-এক সামগ্ৰী ঝাৰু বা বাঢ়নীটাৰৰ আগত দলিয়াই দিয়ে। মাকৰ যেতিয়া খং উঠে, তেওঁ বৰ স্ফূৰ্তি পায় আৰু 'কি মজা, কি মজা' বুলি জঁপিয়াই জঁপিয়াই হাত চাপৰি মাৰি হাঁহে। ঘৈণীয়েকৰ খং উঠা সেই চেহেৰাটো কল্পনা কৰি কাথকটীয়াৰ বৰ স্ফূৰ্তি লাগিল আৰু 'কি মজা, কি মজা' বুলি হাত চাপৰি বজাই জঁপিয়াবলৈ উদ্যত হ'ল। ঠিক তেনেতে ভিতৰৰ পৰা শ্ৰীমতী কাথকটীয়া ওলাই আহি কটমটকৈ চোৱাত শ্ৰীমানে সুৰসুৰকৈ দৈৰ খালী পাত্ৰটো বুটলি আনি নিৰ্দিষ্ট ঠাইত থ'বলৈ আগবাঢ়িল।

●●●

# এশৰাই কবিতা

## অনুভৱ

কৃষ্ণা শৰ্মা

(১)
২০২০! অলেখ সপোন দেখিছিলোঁ,
অনেক আশাৰে আদৰি লৈছিলোঁ তোমাক
এতিয়া সকলো যেন হ'ব ধুলিসাৎ
ৰঙীন জীৱন বোৰ যেন হেৰাই গ'ল।
অদৃশ্য ৰক্তবীজ দানৱ কভিড- ১৯,
কাক কেতিয়া লম্ভে
কোনে জানে???

(২)
যুদ্ধই সলালে জীৱন,
অসহায় সকলো; শত্ৰু এতিয়াও অপৰাজিত।
সুৰক্ষাৰ ছত্ৰছায়াত নিজকে আৱদ্ধ,
বোমাতঙ্কত ট্ৰেঞ্চত লুকুৱাৰ দৰেই।
কৰ্মহীন, আশ্ৰয়হীন, অৰ্থহীন হৈ পৰা
লক্ষ লক্ষ জন দৌৰিছে পৰিয়াল বিচাৰি,
কিন্তু ঘৰতেই বা আছে কি?
পেটৰ ভোকে উলিয়াই আনিছিল
এমুঠি অন্নৰ যোগাৰৰ বাবে;
কিন্তু হায়! হঠাতে কি হৈ গ'ল।
পেটৰ ভোকেই ঘূৰালে আকৌ ঘৰলৈ।

(৩)
হঠাতে কৰ'নাই কৰিলে ঠিকনাবিহীন...
শূন্য হাত...
পুৰণা ঠিকনা আপোন ঘৰৰ সন্ধানত
শত সহস্ৰ জন ...
নাই হিচাপ খোজৰ শত, হাজাৰ, লক্ষ লক্ষ।
কোলাত নিদ্ৰামগ্ন সন্তান,
গন্তব্য পুৰণা ঠিকনা; আপোন ঘৰখন,
ক্ষুধাৰ্ত নিদ্ৰামগ্ন, পিতৃৰ বোকোচাত,
মাতৃৰ আঁচলৰ তলত নহ'লে-
নিদ্ৰাদেৱীয়ে সাবটিলে খোজকাঢ়োঁতেই
অজানিতে চুচৰি গৈছে বাকচৰ ওপৰতে।
সকলোৰে যেন পাব পৰিত্ৰাণ,
যেতিয়াই পাব পৰিয়াল।
মাতৃ, পিতৃ, অথবা ভাই-ভনী
সেয়ে পৰিয়াল-আপোন ঠিকনা
শেষ আশ্ৰয় য'ত ভাত নহ'লেও
আছে এষাৰ মৰমৰ মাত।
ধৰিবলৈ আপোনজনৰ এখন হাত।

(৪)
লগ পাব পৰিয়াল! বহুত হেঁপাহ!
মাজত মাথোঁ এটা নিশা,
নিশাৰ অভিশপ্ত ৰেলখনে চূৰমাৰ কৰিলে
সকলো।
পৰি ৰ'ল সাঁচতীয়া সম্পদ ৰেলৰ আলিতে,
বহুত হেঁপাহ! লগ পাব পৰিয়াল,
অৱশেষত পালে গৈ উৰাজাহাজত
জীৱনত যি আছিল সপোনৰো অগোচৰ।

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতিত...

**জোনা মহন্ত**

"মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে?
কথা মালিকাৰ গন্ধ লাগি
সোণৰ সোপান ভাগেনে?"

বিষ্ণু ৰাভা,
বহু প্ৰশ্নই হয়তো
ৰৈ গ'ল তোমাৰ মনত
সৰ্বত্ৰে সগৌৰৱেৰে
গুঞ্জৰিত তোমাৰ সুৰীয়া গীত
গভীৰ কণ্ঠেৰে উচ্চাৰিত
তোমাৰ কবিতাৰ পংক্তি
উজলাই তুলিলা কলা সংস্কৃতিৰে
সমগ্ৰ বিশ্বত তোমাৰ নাম
তোমাৰ জাতীয় চেতনাৰে
গঢ়িলা সমন্বয়ৰ সেঁতু
হাজাৰ বাধাৰ প্ৰাচীৰ ভাঙি
অৰ্পিলা ওৰেটো জীৱন
কৃষক, হালোৱা, বনুৱাৰ হকে
তুমি বিপ্লৱী, তুমি মুক্তি যুঁজাৰু
একেধাৰে কবি, সাহিত্যিক, নাট্যকাৰ
সংগীতজ্ঞ, অভিনেতা
'নটৰাজ নৃত্য'ৰ প্ৰদৰ্শনেৰে
বিভূষিত হ'লা কলাগুৰু
শংকৰদেৰৰ চিত্ৰ অংকনেৰে
দিলা পৰিচয় চিত্ৰকাৰৰ
সুন্দৰৰ পূজাৰী
প্ৰতিজন জনতাৰ প্ৰাণৰ আপোন
তুমি সুবাস অসমৰ
তুমি সুবাস সৃষ্টিৰ।

# সৌন্দৰ্য এখন চাদৰ

**তপোধন দাস**

সৌন্দৰ্য এখন চাদৰ
শুকুলাকৈ পাৰি থোৱা তুষাৰত
তুষাৰে ঢকা পাহাৰত
সেউজীয়া ভৈয়ামত
নীলা হৈ ওলমি থকা আকাশত
(ঢৌ খেলা নীলা সাগৰত)

সৌন্দৰ্য পমা ডাৱৰ আকাশৰ
ক'ৰবাত শুকুলা
ক'ৰবাত মাগুৰ বৰণীয়া

সৌন্দৰ্য দৃষ্টিহীন অপূৰ্ব সৃষ্টি
দুচকুৰ অপূৰ্ণ তৃষা
সৃষ্টিৰ প্ৰহেলিকা।

# মুক্তি

**পঙ্কজ কুমাৰ নেওগ**

“ভাল হৈ যাব”
এটা প্ৰাচীন সান্ত্বনা বাণী!
অৰ্থহীন এষাৰ কথা,
তথাপি কিবা এষাৰতো ক’ব লাগিব।

মাজনিশাৰ নিস্তব্ধতা ছিৰাছিৰ কৰি অহা,
এম্বুলেন্সখনৰ ষ্ট্ৰেছাৰত দুজন পেৰামেডিকে
প্ৰতিবেশী বন্ধুক তুলি লৈ উভতি গৈছিল;
কোনেও বাহিৰলৈ গৈ এষাৰ মাত দিয়া সম্ভৱ নহ’ল!
কেৱল বন্ধুপত্নীক ফোন কৰি আশ্বাস দিছিলোঁ
“ভাল হৈ যাব”

এসপ্তাহ পাৰ হৈ গ’ল
প্ৰতিবেশী বন্ধু নাহিল উভতি;
এদিন শুনিলোঁ কান্দোনৰ ৰোল প্ৰতিবেশীৰ ঘৰৰ পৰা
বুকু চিৰিংকৈ গ’ল... মোবাইলটো তুলি ল’লোঁ,
এইবাৰ দিম কি সান্ত্বনা বাণী?
থাওক নালাগে এতিয়া, অলপ পিছতহে ল’ম বাতৰি...

আমাৰ ফোনটোহে বাজিল লগে লগে
কান্দি বাউলী হোৱা প্ৰতিবেশী বন্ধু পত্নীয়ে
বিলাপ কৰিলে চিঞৰি;
“তেখেত সঁচাকৈয়ে ভাল হৈ গ’ল!
কেৱল নিজৰ ঘৰ পাহৰি ঈশ্বৰৰ ঘৰতহে
ভুলতে সোমাল”!

# কিছু সময়ৰ প্ৰয়োজন হ'ব

**ৰঞ্জনা দত্ত**

সুন্দৰ বিশাল মাগুৰি বিল
মাজে মাজে ঘনকৈ ফুলা
বেঙুনীয়া মেটেকা আৰু
বগা গুলপীয়া ভেঁট ফুল।
কেৱল হাত নাওৰ চপ্ চপ্ শব্দ
আৰু পক্ষীৰ কলৰৱ।
দেশ বিদেশৰ নাম নজনা কতনা চৰাই!
ঠায়ে ঠায়ে সৰগীয় প্ৰেমালাপ
দুই এযোৰ চাকৈ চকোৱাৰ।
আস্! কিযে হৈ গ'ল!
চকুলোক বাধা দিব পৰা নাই।
ডিবুৰু চৈখোৱা...
নীলা পানীৰ মাজে মাজে
শুভ্ৰ বালিৰ চৰ,
কোনোবাটো চৰত যদি
ঘন সেউজীয়া ঘাঁহৰ চাদৰ
আন কোনোবাটোত
শুকুলা কঁহুৱাৰ খেলা।
চিকমিকিয়া পানীত
সাঁতুৰি নাদুৰি ফুৰা
জাকে জাকে মাছ আৰু শৰালি হাঁহ।
ৰূপোৱালী বালিত
ৰঙ বিৰঙী দেশী আৰু
পৰিভ্ৰমী চৰাইৰ মেলা।
সিপাৰে জনজাতীয় গাঁও
আৰু গৰু-ম'হৰ খুঁটি।
নৌকা ভ্ৰমণত দেখা
সাউৎকৰে ভূমুকি মৰা
ডলফিন বোৰ...
শুনিছিলোঁ কিছু দূৰতে হেনো
দৌৰি ঢাপৰি ফুৰে
জাক জাক বনৰীয়া ঘোঁৰা।
আৰু আছে—
কেইবাবিঘা মাটি জুৰি
সহস্ৰ শিপাৰে বিস্তৃত পুৰণি
বিয়াগোম বৰগছ জোপা!
কিন্তু পৰিৱেশ অন্ধ সিহঁতৰ
লোলুপ দৃষ্টিত আছিল
কেৱল পনীয়া সোণ।
৯০০ মিটাৰ আকাশী দূৰত্ব,
ৰাস্তাৰ দূৰত্ব কেৱল ৮.৬ কিমি
জুই জানো বাটেৰে যায়?
জ্বলি উঠিছে বিধ্বংসী আগ্নেয়গিৰি...
কেউদিশে তেল আৰু জুয়ে পোৰা গোন্ধ।
পনীয়া সোণবোৰ শেষ হোৱালৈ
এঙাৰ ক'লা ধোঁৱা
আৰু লেলিহান শিখা কমিব।
বাৰিষাৰ বানে ধুৱাই নিব
এঙাৰ আৰু ক'লা লিকটিয়া তেলবোৰ।
ঠায়ে ঠায়ে মূৰ দাঙি উঠিব
সেউজীয়াবোৰ।
পৰিভ্ৰমী চৰাইবোৰো আহিব আগৰ দৰেই।
হুমুনিয়াহ কাঢ়িব
হেৰাই যোৱাবোৰক সুঁৱৰি!
কিন্তু একেবাৰে আগৰ দৰে হ'বলৈ
বেছ কিছু সময়ৰ প্ৰয়োজন হ'ব।

# চছমাৰ জীৱন

**অগস্ত্য বৰুৱা**

চছমাৰ ভগা কাঁচৰ মাজেদি চাওঁতে
চোতালখন টুকুৰা টুকুৰ হৈ আছিল

তোমাৰ মুখ আৰু হৃদয় দুফালে থকাৰ দৰে

বিভিন্ন অজুহাতত কাচখন সলোৱা হোৱা নাছিল
আৰু মোৰ পৃথিৱীখনো টুকুৰা টুকুৰ হৈ আছিল

স্থিতি আৰু ভ্ৰম
সকলো একাকাৰ হৈ পৰিছিল

লাহে লাহে ভ্ৰমেই হৈ পৰিছিল জীৱন
চোতালখনৰ এটা টুকুৰাত তোমাৰ চকু
হৃদয়খন আন এটা টুকুৰাত

একেলগে কৰিব নোৱাৰি
চৰম হতাশাত পাৰ হৈছিল সময়

জোৰাটাপলি মৰা সময় একাষৰীয়া কৰি
এদিন কাচখন সলাই পেলালোঁ

চকুতেই বিচাৰি পালোঁ হৃদয়লৈ যোৱা বাট।।

# মৃত্যুৰ ঊৰ্দ্ধত

**শৰৎ বৰকাকতি**

উশাহে আনে
মৃত্যুৰ খবৰ
বতাহত
কাতৰ চিঞৰ
হৃদয়ত গুণগুণ
জীৱনৰ ঘোষা
অমিয়া সুৰৰ।

দুচকু বাগৰি আহে নীৰ
অখণ্ড জীৱনৰ অচলা ভক্তিৰ
লোতকত লীণ যায়
কালিমা ভয়ৰ
বিকীৰিত হয় তাতে
পুৱাৰ প্ৰথম পোহৰ।
প্ৰলয়ৰ সময় সীমিত

জীৱন অসীম অনন্ত
ব্যাপ্তিৰ উৎসক কৰিছোঁ নমন
জগতৰ শিল্পীৰ অকণি শিল্প হৈ
কৰিব নোৱাৰোঁ মই
সৃষ্টিক অনাদৰ।

# শব্দবোৰ জীয়ন দি থৈ...

**মদন চন্দ্ৰ ডেকা**

শব্দবোৰ মাজে মাজে উঠি আহে
লিহিৰি হাতেৰে খেলে
অগস্ত্য বৰুৱাৰ কাপেদি

শব্দবোৰ আকৌ উঠি আহে
বগা এপ্ৰ'নৰ লগতে
অমল শইকীয়াৰ স'তে খিলখিলাই হাঁহে

কেতিয়াবা শব্দবোৰ ঘূৰি ফুৰে
পাঠশালাৰ বাটে-ঘাটে
কঙ্কন শৰ্মাৰ স'তে কটায়
বহুতো নিবিড় মুহূৰ্ত

শব্দবোৰ ধুমুহা হয়
আকাৰ লয় নিশাৰ অন্ধকাৰৰ
অথবা ঐতিহ্যৰ ফুৰফুৰীয়া গোন্ধ একোটা
নিৰলে খেলে পূৰ্ণেন্দু শৰ্মা
আৰু ৰাতুল বৰুৱাৰ সৈতে

ভাল লগা ভালপোৱা সকলো শব্দ
সকলোবোৰ শব্দ
থূপ খাই থাকে
মাথোঁ ৰত্নকান্ত শৰ্মাৰ তুণত

জীয়ন দি থোৱা কেইটামান শব্দ
মীনাক্ষি ৰায় ডাকুৱাৰ নিত্য সহচৰী
যেতিয়াই মন যায় উঠি আহে
আপোনমনে খেলে মীনাক্ষিৰ স'তে

শব্দবোৰৰ কিছুমানে কঢ়িয়াই আনে
বেদনাৰ ভাষা
দুখৰ আৰ্তি আৰু হিয়াৰ আকুতি মিলি
গঢ়ে নিতে জীৱনৰ পৰিভাষা
ৰুমিমা দাস - জোনা মহন্তৰ কাপত কৰে
নিয়মিত খেলা

শব্দ ইজেলতো থাকে
নৈঃশব্দৰ মাজতো কথা কয় কেনভাচে
ভাল পায় জীয়ন দিয়া শব্দই ৰঞ্জনা দত্তক

শব্দৰ সুগন্ধি পখিলা
কস্তুৰী নিভা গগৈৰ আজন্মৰ সখী
উৎসৱে-পাৰ্বণে দুঃসময়ৰ গাথা লৈ
শব্দ স্ৰোতত মুখৰিত হয় অমোঘ সময়

শব্দবোৰ ফুলৰ বুকুত থাকে
শব্দৰ কৰ্ষণ কৃষি আৰু কৃষ্টিৰ পথাৰত
বিৰাজ জ্যোতি গোস্বামীৰ সৈতে খেলি
নাভাগৰে শব্দ

জীয়ন দিয়া শব্দই ৰূপ লয় গীতৰ
বাহ সাজে কণ্ঠত
আঙুলিৰ পৰশত প্ৰাণ পায় শুই থকা শব্দ
সাৰে আছে শৰৎ বৰকাকতি
কোমল শব্দৰ বাট পোনাই

জীয়ন দিয়া শব্দবোৰ
একোজুপি মহীৰূহ হ'ল
এখিলা এখিলা মহাজীৱনৰ পাত হ'ল
সময়ৰ এপিটাফ হ'ল
গভীৰৰ পৰা গভীৰতৰ হ'ল
উত্তোলিত সপোনৰ উত্তুঙ্গ শিখৰ হ'ল

হয় হীৰুদা,
তুমি জীয়ন দি থৈ যোৱা শব্দবোৰ
সকলোৱে মিলি আতোলতোল কৰি ৰাখিছে
শব্দবোৰত এতিয়া অলেখ সুগন্ধি পখিলা।।

# জুৰ

## পূৰ্ণেন্দু শৰ্মা

জাৰণিৰ মাজত
জুৰ লওঁ বুলি বহোঁতেই
যুৰীয়া চৰাই হালে
বা লগাই ক'লে -
চম্পাৱতী নৈৰ পাৰৰ
ঢলি পৰা বেলিৰ ৰং
আজিও মন পৰশা
যেন সিপাৰৰ গাঁৱৰ
সপোন গঁথা।

# শৰৎ আহিব

## কঙ্কন শৰ্মা

শেৱালিপাতে সুধিলে কঁহুৱা বনক...
ফুলিবানে এইবাৰ?
হালিজালি
চুই দিবানে মোক?
নে থাকিবা দূৰে দূৰে!

ইমান দুৰ্দিনতো চোৱা
কিমান নিৰ্মল আকাশ!
বিলৰ পানী
আইনা হৈ ৰৈ আছে
চোৱা নিজৰ মুখৰ প্ৰকাশ!

কোনোৱে এৰা নাই
নিজৰ কাম
শুকুলা মেঘক আহিব দিয়া
নিয়ৰ সৰিব দিয়া
ময়ো ফুলিম
তুমিও ফুলিবা
জাতিস্কাৰ হ'ব শৰৎ!
দুৱাৰ খুলি থোৱা
সোমাব সুৱাস...
বন্ধ মানুহবোৰ
ওলাই আহক...
আলফুলে সাবটি ল'ব আমাক।
লাহে লাহে দূৰ হ'ব প্ৰভেদ
এয়া প্ৰকৃতিৰে নিৰ্দেশ!

# শাওণৰ গোন্ধত বাঢ়িছে ৰ'দৰ পথাৰ

**অমল শইকীয়া**

পথাৰ!
পলসুৱা পথাৰ
বোকা মাটিৰ পথাৰ
ৰ'দত চিনাকি গোন্ধৰ পথাৰ।

শাওণৰ গোন্ধত বাঢ়িছে ৰ'দৰ পথাৰ

শাওণে কথা ক'লে ৰ'দক অকলে গোপনে
সেউজীয়াবোৰ সিঁচি দিয়াৰ গভীৰ প্ৰতিশ্ৰুতিৰে
পথৰুৱা সুখত বৰ্ণিল কৃষকৰ ঘৰ্মাক্ত শৰীৰ
পাগুৰি সুলকি নপৰে
কৃষকৰ পাগুৰিত ধৰি ৰাখে ৰ'দ
ৰ'দ আৰু পাগুৰিৰ খেলা
কোনেও নেদেখা খেল দুপৰৰ
বেলা।

শাওণৰ গোন্ধত বাঢ়িছে ৰ'দৰ পথাৰ!
পথাৰত বাঢ়িছে কৃষকৰ হাবিয়াস
এদিন সেউজীয়াবোৰৰ গা
সোণোৱালী হ'ব
সোণগুটিৰে ভৰিব হেঁপাহৰ পথাৰ
কৃষকৰ কান্ধত উঠি
মিচিকি হাঁহিব, নাচিব, গীত গাব জিৰিক জিৰিক।

এক ভৰুণ আশাৰে শাওণৰ পথাৰত বাঢ়িছে
কৃষকৰ গান
যেনেদৰে শাওণৰ গোন্ধত বাঢ়িছে ৰ'দৰ পথাৰ।

# নিৰ্মালি

**মীনাক্ষি ৰায় ডাকুৱা**

আন্ধাৰে হেঁচুকি নিয়ে হৃদয়ৰ ৰাগ-অনুৰাগ
মোৰ নিস্তৰঙ্গ বিবৰ্ণ দিনবোৰ
যেন নিথৰ মৌনমুখৰ এক
বেজেৰুৱা নৈঃশব্দৰ অবিনশ্বৰ উপত্যকা
তোমাৰেই স্নেহময় বিকিৰিত ৰ'দত
নতুন উজ্জীৱনী সুৰত বাজি উঠে
আশ্চৰ্য এক আৱহ সংগীতত

তোমাৰ সেই অপৰূপ দ্যুতি
গ্লানিৰ কালিমা মচি দি
আনি দিয়ে জীৱনৰ গতি

পাহৰণিত হেৰায় কতকালৰ দুখ-ভাগৰ
প্ৰাপ্তিৰ আকাংক্ষাৰে জীৱন মাদকতাময়
শৰতৰ নীলাকাশ বসন্তৰ শিল্প বৈভৱ

পুৱতি নিশাৰ উজ্জ্বল নক্ষত্ৰৰ দৰে
ভৰি উঠে হৃদয়ৰ সোণৰ মঞ্জুষা
তোমাৰ আন্তৰিক আশিস নিৰ্মালিৰে
জীৱনৰ সেমেকা পলসুৱা মাটিত
তোমাৰ গভীৰ পদচিহ্নৰ অনুভৱ যেন
সেউজ প্ৰতিভাৰ সোণালী ফচল
উৰ্বৰ বীজৰ পুণ্যময় ফল।

# সুখৰ সংজ্ঞা

**ৰুমিমা দাস**

সুখৰ সংজ্ঞা বিচাৰি
হাবাথুৰি খাই ফুৰোঁতে
ভাব হয় মাজে মাজে
খলা-বমা পথতেই
আছে জীৱনৰ সুখ
হাঁহি-কান্দোনৰ মাজতেই দেখোঁ
জীৱনৰ প্ৰকৃত আনন্দ
পাৰিছোঁ নে বাৰু মিলাব হিচাপ?
জনা হ'লে
হয়তো পালোহেঁতেন
জীৱনৰ জটিল সমস্যাৰ
সৰল সমাধান
দোমোজাৰে ভৰা জীৱনৰ
কঠিন সমীকৰণ
তথাপি অবিৰত প্ৰচেষ্টা
অবিৰত সন্ধান সুখৰ সংজ্ঞাৰ

# দেশপ্ৰেম

**কস্তুৰী নিভা গগৈ**

কপালৰ কেঁচাঘাম মাটিত পেলাই
শস্য শ্যামলা কৰা
কৃষকজনো দেশপ্ৰেমিক,
বিৰিখ-লতা পশু-পক্ষীৰ যতনেৰে
পৃথিৱীখন বিনন্দীয়া কৰি তোলা
প্ৰকৃতি প্ৰেমীজনো দেশপ্ৰেমিক,
কৃষ্টি সংস্কৃতি নৃত্য গীত নাট বাদ্যৰে
হৃদিমন ওপচাই তোলা
শিল্পী সত্বাও দেশপ্ৰেমিক,
গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ সাহিত্যৰ
ৰসাস্বাদনৰে মানসিক তুষ্টি দিয়াজনো দেশপ্ৰেমিক,
মানৱতাৰ সেৱাৰে
ৰুগ্ন ভগ্ন জীৰ্ণ শীৰ্ণ শৰীৰৰ নিৰাময়ৰ বাবে
যুঁজ দিয়া চিকিৎসক চিকিৎসা কৰ্মীজনো দেশপ্ৰেমিক,
বাটপথ ঘৰবাৰী গাওঁ চহৰ নগৰ দলং নলা নৰ্দমা
সুন্দৰকৈ সজাই তুলিব পৰা
অভিযন্তা স্থপতিবিদজনো দেশপ্ৰেমিক,
শিক্ষাদানত ব্ৰতী হৈ
সমাজক শিক্ষিত কৰাজনো দেশপ্ৰেমিক,
নিজ গাঁও চহৰ নগৰ
স্বচ্ছ পৰিচ্ছন্ন প্ৰদূষণমুক্ত
কৰি তুলিব পৰাজনো দেশপ্ৰেমিক,
জ্ঞান বিজ্ঞান প্ৰজ্ঞান
তপস্যা সাধনা ধ্যানত ব্ৰতী
মহৰ্ষিজনো দেশপ্ৰেমিক,

শান্তি
সত্য
উন্নতি
প্ৰগতিৰ বাবে
দুৰ্নীতি ৰোধ কৰিবলৈ
অনশন আন্দোলন
শ্লোগান দিয়াজনো দেশপ্ৰেমিক,
সীমান্তত যুদ্ধৰ বাবে প্ৰতিনিয়ত সাজু
অক্লান্ত প্ৰহৰী সকল দেশপ্ৰেমিক,
চোৰ তস্কৰ ডকাইত ধৰিবলৈ
তহল দি ফুৰা আৰক্ষী সকলো দেশপ্ৰেমিক,
দেশপ্ৰেমৰ বাবেই
জনগণমন জনতা জনাৰ্দ্দনৰ সেৱা
দেশমাতৃৰ সেৱা অবিৰাম
দেশৰ বাবেই দেশৰ মাটিৰ বাবেই
শিৰোণত কৰোঁ
চিৰদিন চিৰকাল।

# এ ডেড ৰিভাৰ

**ৰত্ন কান্ত শৰ্মা**

জোনাকে ধোৱা
ৰাতিৰ অৰণ্য
সেয়াই ঠিকনা
তাৰ পৰাই
আহিছিল বৈ
একা বেঁকাকৈ
তোমাৰ বুকুৰ মাজেৰে
মোৰ কবিতাৰ নৈ
বুকুত থৈ জোন
চকুত থৈ একাঁজলি নীলা
কি জানো হ'ল সেইদিনা
মহানগৰে মাতিছিল হাতবাউলি
আহোঁ বুলিয়েই
গুচি আহিছিলোঁ
এৰি থৈ নৈখন
মৰমেৰে বুকু ভৰা
এৰি থৈ নাহৰ আৰু
বকুলৰ ছাঁ
মহানগৰ
সুন্দৰ সুউচ্চ অট্টালিকা
সুদৃশ্য ৰাজপথ
কি নাই তাত
নাছিল হৃদয়
উভতি আহোঁতে
বহুত পলম হ'ল
এৰি থৈ আহিছিলোঁ য'ত
জিলমিল জোন
আৰু নীলা আকাশ
তাত নৈখন নাই
আছে এখন মৰুভূমি
নাই তাত কঁহুৱা বন
শৰালিৰ জাক
পখীৰো নাই কোনো কোলাহল
পৰি আছে শৃংখলহীন
কিছুমান অবুজ শব্দ
সিঁচৰিত হৈ আছে
বৰ্ণ বিন্যাসহীন শব্দবোৰ
সন্ধানহীন নদীৰ উৎস
জীৱনৰ বিয়লি বেলাত
হেঙুলীয়া অঙ্গৰাগেৰে
হৃদয় বিচাৰি আহি
নাপালোঁ বিচাৰি
এতিয়া তাত এখন মৃত নদী।

২৮ মে’ ২০১৮ ৰ দিনা মোৰ আত্মীয় তথা বন্ধু এজনে তেওঁৰ পত্নী আৰু দুজনী ছোৱালী আৰু এজন ল’ৰাৰ সৈতে চাৰিচকীয়া বাহন নিজে চলাই ঘৰলৈ আহি থাকোঁতে হঠাৎ গাড়ীৰ গতিবেগ কমাই পথৰ দাঁতিত ৰখাই দিলে। অলপ পিছত পত্নীয়ে গম পালে তেওঁৰ মানুহজনৰ হৃদক্ৰিয়া বন্ধ হৈ গৈছে। তাৰেই পৰিপ্ৰেক্ষিতত তলৰ কবিতাটি -

# মৰ্মান্তিক বেদনা

**ছাহ আলম**

মৃত্যুৰ সংবাদ
সঁচাই অসহনীয়।
দূৰণিৰ পৰা কাউৰীজনীয়ে আহি সমুখৰ গছৰ ডালত বহি কা কা কৰি বুজাব খুজিছে।
মোৰ মনটো অজানিতে বিষাদগ্ৰস্ত হৈ পৰিল।
খেদি দিলোঁ কাউৰীজনীক।
কিবা যেন ভাল লগা নাই,
কিবা ক’ৰবাত হ’ল নেকি?
মৰমৰ বন্ধু-পত্নীজনীৰ পৰা বাৰ্তা পালোঁ,
মোৰ মৰমৰ বন্ধুজনৰ
হেনো হৃদক্ৰিয়া বন্ধ হ’ল আচম্বিতে।
দুজনী জীয়ৰী আৰু এটি পুত্ৰ সন্তানৰ সৈতে পত্নীক এৰি থৈ গুচি গ’ল।
তাইৰ (বন্ধু পত্নী) চকু চকুলোৰ বন্যাৰে ভৰি পৰিল।
এন্ধাৰ দেখিছে হেনো চৌদিশে তাই।
বহুত দায়িত্ব এৰি থৈ গ’ল দুৰ্ভগীয়া বন্ধু পত্নীৰ কান্ধত;
সঁচাই অসহনীয়।
মোৰ ওঁঠ ৰুদ্ধ হ’ল।
ভাষাই বিচাৰি নেপালোঁ;
নাই মোৰ ওচৰত সান্ত্বণা বাণী।
হে আল্লাহ মৃতকৰ আত্মাক বেহেস্থত দান কৰা!
আৰু নিঠৰুৱা হোৱা সকলক তোমাৰ কৃপা দৃষ্টি সদায় ৰাখিবা!
এয়াই মোৰ কামনা।

# ঊষা সামগত

## বিৰাজ জ্যোতি গোস্বামী

নিস্তব্ধতাৰ কোলাহলত
মুখৰিত মোৰ মন
দীঘল কৰিড'ৰটোত
মোৰ অফুট ওঁঠৰ বিৰবিৰণি
ত্ৰাহি কৃষ্ণ ত্ৰাহি কৃষ্ণ ত্ৰাহি মধুসুদনম
কৰ'নাৰ কিৰিলি
সৰ্বত্ৰ সৰ্বথা
মাজে মাজে ভাহি আহে
কোনো মুমূৰ্ষুৰ গেঙনি
দীঘল কম্পিত গধুৰ নিশাহবোৰ

চোৰা ৰীতামণি
মই তোমাৰ ঠিক তলতেই
পায়চাৰি কৰি আছোঁ
হে এক অতন্দ্ৰ প্ৰহৰী তোমাৰ
বাহিৰত ঘিটমিটীয়া আন্ধাৰ
অতিঘন, নিকপকপীয়া
তাৰ মানে ৰীতামণি
ঊষা সমাগত
তোমাৰ সতে মোৰ
আৰু এটা দিনৰ আশাত
মই ৰৈ আছোঁ
ওঁঠত আকুতিৰ বিৰবিৰণিৰে
মোক মাত নিদিয়াকৈ কিন্তু
গুচি নেযাবা সঙ্গোপনে
মই বৰ বেয়া পাম।

# সূৰ্য্যোদয়ৰ বতৰা

## তপোধন দাস

ৰজনীৰ শেষত আহেই ঊষা
বহু শংকাৰ শেষতো আহে আশা
আশাত বহেহি ভৰসা
ভৰসাতো থাকে অদৃশ্য সৌভাগ্য
ওভতাই দিয়ে কাঢ়ি থোৱা হাঁহি
সৌভাগ্য চমকপ্ৰদ আশা প্ৰতিক্ষিত
ঊষাত নাথাকে সূৰ্য্যাস্তৰ বতৰা
থাকে পুৱাৰ আভা
থাকে সূৰ্য্যোদয়ৰ বতৰা
আমি তেনেকৈ থাকোচোন আহাঁ
সূৰ্য্যোপাসনাত আহুতি দি নিৰাশা!

# শাওণ মাহত

**কৃষ্ণা শৰ্মা**

ঈশান কোণত হৃদয় গধুৰ
বিমৰ্ষ কলীয়া ডাৱৰ,
বজ্ৰৰ গৰ্জনত
কঁপনি উঠা বুকুৰে
উচুপি উঠিল আকাশখন।
টোপা টোপে সৰা চকুপানীয়ে
তিয়ালে মোৰ কাপোৰ সাজো।
সূৰুযে ভূমুকি মাৰি
মিচিকিয়া হাঁহিৰে ক'লে,
মেলি দিয়া তোমাৰ সাজযোৰ।
কিন্তু নাই!
আকাশে আকৌ ওন্দোলালে মুখ
কৰি সূৰুযৰ হাঁহি ম্লান।

# অসুখ

**অগস্ত্য বৰুৱা**

ফোনৰ আনটো মূৰৰ পৰা সোধা এক সৰল প্ৰশ্ন

'কুশলে আছানে'

নিতান্তই সাধাৰণ কথাটো
আজিকালি অসাধাৰণ হৈ পৰে

বতাহত খবৰ আহে

কোনোবা ঘৰত বন্দী
কোনোবা চিকিৎসা কক্ষত
হয়তোবা ক্ৰিটিকেল কেয়াৰত

এইবোৰ শুনাৰ পাছত ফোনৰ সিপাৰৰ সুহৃদৰ মাতত
কলিজা মোচৰ খাই উঠে

চকুৰ কোণ মচি কওঁ
কুশলে আছোঁ

এক অনিশ্চয়তাত দুলি থাকে তোমাৰ সুশ্ৰী মুখ

দেখা পামনে
পামনে দেখা

মাজতয়ে এক অচিন অদৃশ্য অসুখ।।

# নদীৰ তলৰ সুৰংগ

**পংকজ কুমাৰ নেওগ**

বাহ! বাহ! বাহ!
ব্ৰহ্মপুত্ৰৰ তলেৰে যাব সুৰংগ
শুনিয়েই লাগিছে মনত আনন্দ!
গহপুৰে নুমলীগড়ৰ সৈতে
পানীৰ তলেৰে হেণ্ডচেক কৰিব,
ঘণ্টাত ৮০ কিলোমিটাৰ বেগেৰে দৌৰিব গাড়ী
অৰুণাচলৰ বাবেও বৰ সহজ হ'ব
অসমৰ সৈতে ততালিকে সংযোগ হ'ব;
চাৰিটা মসৃণ পথৰ সুৰংগ ১৫ কিলোমিটাৰ
ভাৰতবৰ্ষত অদ্বিতীয় হ'ব,
নদীৰ তলেৰে নিৰ্মিত প্ৰথম সুৰংগ হ'ব।
শুনিছোঁ চীন দেশৰ 'টাইহু' হ্ৰদৰ
তলেৰে যাবলগীয়া সুৰংগতকৈয়ো
অসমৰ সুৰংগ এই দীৰ্ঘতৰ হ'ব,
বাহ! বাহ! মনত বৰ আনন্দ লাগিব!
অসমী আইৰ নাম বিশ্বত উজলি উঠিব!
সুৰংগৰ মাজেৰে ভাৰতীয় সৈন্য
যুদ্ধৰ আহিলা লৈ আগুৱান হ'ব,
নদীৰ দলংবোৰ ধ্বংস হ'লেও
সুৰংগ অক্ষত হৈ ৰ'ব;
ইংলণ্ডৰ পৰা ফৰাচী দেশলৈ
পানীৰ তলেৰে যোৱা ৰে'লগাড়ীৰ দৰেই,
অসমৰ ৰাইজে আনন্দ লভিব
পানীৰ তলেৰে পানী নুচুৱাকৈ যাব!
বিজ্ঞান প্ৰযুক্তিৰে সুৰংগ বিশ্বত জিলিকি উঠিব,
পানী আৰু জুইৰ পৰা সুৰক্ষিত হৈ
বাতানুকুল সুৰংগৰ নিৰ্মাণ হ'ব,
পদপথ, নিষ্কাষণ আৰু জৰুৰী প্ৰস্থানৰো
সুন্দৰ ব্যৱস্থা থাকিব;
বাহ! বাহ! অতিকৈ চমৎকাৰ হ'ব,
অসমলৈ সুদিন উভতি আহিব!
কিন্তু কিছুমান প্ৰশ্নৰ উত্তৰবোৰ
কোনেও নিদিয়ে বাৰু কিয়?
মাজুলী-যোৰহাট সংযোগী দলংখন
কাহানিকৈ হৈ উঠিব?
উত্তৰ গুৱাহাটীৰ সৈতে উজান বজাৰখন
দলঙেৰে সংযোগ কেতিয়া হ'ব?
গুৱাহাটী নগৰীত ঘৰে ঘৰে ৰাইজৰ
পৌৰনিগমৰ পানী কেতিয়া ওলাব?
মৰমৰ গুৱাহাটী স্মাৰ্ট চিটি হ'বলৈ
মেট্ৰ', মন'ৰেইল, টুইন-টাৱাৰ ইত্যাদি
কোন শতিকাত বাৰু দিঠক হ'ব?
বৃষ্টিৰে সৃষ্টি হোৱা মহানগৰীৰ বন্যা
সমাধান কেতিয়াবা হ'ব নে বাৰু?
বানপানী চিৰদিন অসমৰ সমস্যা
নে জাতীয় উৎসৱ হৈ ৰ'ব?

# শৰৎ আহিল

## কস্তুৰী নিভা গগৈ

শেৱালিৰ সুবাসে বতৰা আনিলে
শৰৎ আহিল মৰতলৈ
শুকুলা ডাৱৰেও
শৰৎ অহাৰ বাতৰি আনিলে
পথাৰৰ কঁহুৱাই দুলি দুলি
শৰতকে আদৰিলে
সেউজীয়া ধাননিয়েও দিলে জাননী
শৰতৰ হ'ল আগমনী
চৌদিশে শৰতৰ বতৰা
দুৰ্গতিনাশিনী আহিব ধৰালৈ
উলাহ-মালহেৰে উদুলি-মুদুলি
চহৰ-নগৰৰ পদূলি
শৰৎ ঋতু আহিল বুলি।

# এটি কবিতা

## জোনা মহন্ত

কেৰাহীত তেলৰ বন্যা,
মাজে মাজে জোৱাৰৰ দৰে
উফন্দি উঠে মাছ টুকুৰাৰ
আত্মাৰ কিৰিলিত।
আনটো চৌকাত বাজি উঠে
ভাপ ইঞ্জিনৰ সেই উকিটোৰ দৰে
প্ৰেচাৰ কুকাৰৰ হুইচেলটো।
দুয়োটা চৌকাৰ মাজত মই,
যেন যানবাহনৰহে আৰক্ষী
দুয়োখন হাতেৰে
এবাৰ কেৰাহীত
এবাৰ প্ৰেচাৰ কুকাৰত
এবাৰ গেছ ষ্ট'ভৰ ন'ব দুটাত
ৰন্ধনৰ পৰিচালন
উহ্!
আলুকেইটা চোন
কঁচাইৰ দোকানৰ মাংসৰ টুকুৰাৰ দৰে থালখনত
লেবেজান হৈ পৰি আছে।
তাৰ মাজতে মোবাইল
বহু সংবাদ লৈ
মনৰ মাজত
উতলি উঠে-
উতলি থকা দাইলৰ দৰে
কথাবোৰ।
কি যে যন্ত্ৰণা,
কি যে জীৱন,
আঞ্জা বাৰু হ'ব,
ভাত বাৰু হ'ব,
পিছে কবিতা জানো হ'ব?
তাকেই কেতিয়াবা ভাবোঁ
কবিতাৰো যদি এখন
সুস্বাদু আঞ্জা হ'লহেঁতেন!

# জঙ্গম

**ৰঞ্জনা দত্ত**

ওভতনি যাত্ৰা ঘৰলৈ
শুকান মুখ আৰু
খালি হাতেৰে
এমুঠি শ্ৰমিকৰ দল
এই যাত্ৰা অকল্পনীয়...
নিচাগ্ৰস্ত মানুহৰ দৰে
ভাৰসাম্যহীন সিহঁতজাক
গৈ আছে পদব্ৰজে
১৫০ মাইল কম বাটতো নহয়!
গহীন অৰণ্য,
গলি যোৱা আলকাতৰা
আৰু ভজা বালিৰ বাট।
শুকান ৰুটি আৰু পানী
'জমলো মড়কম'
জলকীয়াৰ বাগিচাত
কণমানি হাত দুখনেৰে
জলকীয়া তোলে অবিৰাম।
কেইটামান টকা
তাকো তাই ঘৰলৈ সাঁচে।
পুতলা খেলা দিনবোৰতেই
ভাত মোকলোৱা চিন্তা
স্কুললৈ যোৱাৰ বয়সতে
শ্ৰমিক হোৱাৰ তাগিদা
মাক-বাপেকক কিছু
সকাহ দিয়াৰ ইচ্ছাত।
তিনি দিনৰ অবিৰত যাত্ৰা
ঘৰ পাবলৈ আৰু কিমান বাট?
কিমান বাট বাকী আছে
আৰু?
"গৈ থাকা, গৈ থাকা, ৰ'বলৈ সময় নাই"
মা মোক আকোৱালি লোৱাচোন
মোৰ খোজ আৰু নচলে
বাবা মোৰ বৰ পিয়াহ লাগিছে
উশাহটো যে আৰু নুঘূৰে...
ঘৰ পাবলৈ হেনো
বেছি বেলি নাই।।।

# শৰৎ আহিল

**শৰৎ বৰকাকতি**

শুকুলা ডাৱৰৰ
জাপিটো শিৰত লৈ
চিকিমিকি ৰ'দৰ
চেলেংখন গাত লৈ
সেমেকা সেউজীয়া
পাটৰ চুৰিয়া পিন্ধি
কোন আহে,
এখুজি দুখুজি কৈ
সেয়া লাহে লাহে...

যোৱানিশা বৰষুণে
ধূলিবোৰ ধুই নিলে
তেওঁ আহিব বুলি
কেইটিমান ফুল
বাটত সিঁচি দিলে
ডোঙাপতা পানীত
খোজটো নপৰাকৈ
আগবাঢ়ে
তেওঁ লাহে লাহে...

ওঁঠত বিৰিঙে তেওঁৰ
অচঞ্চল মৃদু হাঁহি
জোলোঙাত লৈ আনে
ভুৱন ভুলোৱা বাঁহী
কঁহুৱা বনত তেওঁ
এধানি জিৰাব
জোনটো জ্বলিলেই
বাঁহীটো বজাব
সৰগ নমাব,
সুবাস ভৰাই দিব
শেৱালিৰ পাহে পাহে
শৰৎ কোঁৱৰ শুব
শেৱালিৰ দলিচাত
পুৱা লাহে লাহে...

## আহিন আহিবলৈ বহুদিন বাকী

**ৰত্ন কান্ত শৰ্মা**

দোকমোকালিতে
মেলি দিলোঁ খিৰিকী দুৱাৰ
আবতৰীয়া এমুঠি শেৱালি
আছে সৰি চোতাল ভৰি
বৰষুণে ধোৱা তাৰে এপাহি
আনিলোঁ বুটলি
শুভ্ৰ পাহিত
তোমাৰচোন মিচিকি হাঁহি
চাটকৈ উৰি যোৱা
শালিকাজনীয়ে চিঁ চিঁকৈ কৈ গ'ল
বাৰিষাৰ গোন্ধ
গছে পাতে লাগিয়ে আছে
কিহৰ খদমদম শৰতৰ বাবে
আহিন আহিবলৈ বহুদিন বাকী।

# বেৰঙী বাস্তৱ

**ৰুমিমা দাস**

শেৱালিৰ সুগন্ধত মতলীয়া নিশা
অথচ পুৱাৰ পোহৰত অসাৰ
নিশাৰ সুগন্ধ
নিশা ফুলা শেৱালিয়ে
সুৰভি বিলাই চৌদিশ
আমোলমোলাই তোলে
নাজানে বিৰহ
পুৱাতে তলসৰা শেৱালিৰ ব্যথিত বুকুৰে
নিশাৰ গৌৰৱ তচনচ কৰে
সময়ে সময়ে
জীৱনক দেখুৱায় উত্থান কিম্বা পতনৰ ৰং
হয়তো এনেকৈয়ে ৰংবোৰ এদিন
ৰংহীন হৈ পৰিছিল
উশাহবোৰ হুমুনিয়া হৈ পৰিছিল
শৰতৰ শাৰদী পুৱাতে
শেৱালি সৰাদি সৰি গৈছিল
জীৱনৰ ৰঙীন প্ৰতিটো পল
আজিৰ শাৰদীয় জোনাকত
উদ্ভাসিত হোৱা নাই
দুখৰ উৰুখা পঁজা
সেমেকা চকু হালে বিচাৰি পোৱা নাই
অতৃপ্ত বাসনাৰ হেৰোৱা ৰং
ৰংহীন আজিৰ কঠিন বাস্তৱ।

# স্থিতি

**পূৰ্ণেন্দু শৰ্মা**

দুৰ্বাৰ
দুৰ্জয়
দক্ষ মই,
অশান্ত লহৰিত
মোৰ এই আগমন।
আই
কুশলে থাকিবা,
তোমাৰ শেৱালি চিকুণ চোতালত
সৰি পৰিছে
জালিকটা জোনাক।।
***

# মোৰ আহিন

**কঙ্কন শৰ্মা**

(১)
আহিন বুলিলে
মোৰ
কোলাই বোকোচাই শিহৰণ
মোৰ ধাননি গাভৰু হ'ব!
ফুলৰ চোঁৰৰ বুলাই
লখিমী আহিব!
মোৰ আহিন
আহিব এনেদৰে—
সুদিনতো দুৰ্দিনতো—
আমাৰ মনত
শান্তিৰ পৰশ দিব
আনিব লগত জোনাক
শীতল বতাহ এজাক—
মোৰ অনুভৱে অনুভৱে
আহিন বিয়পি যাব...

(২)
যোৱাৰাতি
ফুলৰ নাৱত উঠি
দেখোঁ...
নিয়ৰ মেঘৰ মিতিৰালি
কুঁৱলীয়ে ক'লে...
আমি হ'লো তিনিভনী
শৰৎ আহে
আমি আদৰোঁ দিনে ৰাতি
এইবাৰ
নিশ্চুপ পৃথিৱী
মোৰ আহিন
দুৱাৰডলিত...

# মৃদুময়ী কেনে আছা তুমি

**অমল শইকীয়া**

কেনে আছা তুমি
মৃদুময়ী
মোৰ কল্পিত ৰাজ্যত সুখৰ গীত গাই তুমি
সিঁচি আছানে
শব্দৰ ৰ'দালি সুখ?

মই জীৱন্ত সেউজ শব্দৰে
তোমাৰ সেউজীয়া উপত্যকাত।
তোমাৰ প্ৰেমৰ আৰুহ সংগীতৰ মমতাময়ী
সুৰৰ লহৰত
মই আঙুলি নচুৱাই লিখি আছোঁ সুখ আৰু
প্ৰগতিৰ ৰূপোৱালী গান।
তুমি এই সকলো বতৰা জানা মৃদুময়ী।

শাওণৰ সেউজীয়াত
তুমি নাই বুলি জনাৰ পাছতো আঘোণৰ
ৰ'দে ধোৱা সোণোৱালীত
তোমাক বিচাৰি ফুৰাৰ মোৰ হেঁপাহ ঔফুলীয়া।
তুমি জানানে মৃদুময়ী !
স্বপ্নপিয়াসী মনে নিজকে নিজে সুধি চাওঁ
কেনে আছে মোৰ হেঁপাহৰ মৃদুময়ী?
তুমি জীয়াই থাকিলে মই উশাহ ল'ম
তুমি টোপনি গ'লে মই সপোন দেখিম
তুমি খালে মই শকতি পাম।
আৰু তুমি হাঁহিলে
মই সুখবোৰ সিঁচি যাম এফালৰ পৰা।

সঁচাকৈ কোৱাচোন
তুমি কেনে আছা মৃদুময়ী?

# জীৱনৰ সম্বল

## মীনাক্ষি ৰায় ডাকুৱা

ধ্যানস্থ পৃথিৱীৰ বুকুত সময়ৰ পদসঞ্চাৰ শুনি
নাভিমূলৰপৰা এক গভীৰ প্ৰশ্বাসে
আপ্লাত কৰে মোক অহৰ্নিশে
পুলক বিস্ময়ে আকৰ্ষণ কৰে বাৰে বাৰে
প্ৰৱল ইচ্ছাশক্তিৰে সম্পৃক্ত চিন্ময় ভাবনাত
সুখ-দুখ সমস্ত অনুভূতিৰ অনুভৱত
নিবাৰণ কৰে মোৰ ধূলি-ধূসৰিত
প্ৰাত্যহিকৰ সমস্ত লাজ আৰু কুণ্ঠা
অপৰাহ্ন বেলাত কাষত কোনো নাথাকিলেও
নিঃসঙ্গতাই মোক কেতিয়াও বিবশ নকৰে
স্পৰ্শ নকৰে জীৱনৰ অনিশ্চয়তাৰ অনুভূতি
সৈনিকৰ পৱিত্ৰতাৰে আঘাত কৰি
বাৰে বাৰে দূৰীভূত কৰোঁ
অবাঞ্চিত পৰাজয়ৰ নিত্যদিনৰ গ্লানি
জীৱনৰ প্ৰাৰ্থনাৰে উদ্দীপ্ত কৰি তোলোঁ
অপৰাজেয় নিজৰ অন্তঃস্থিত প্ৰাণসত্বাক
সকলো আবিলতা ধুই নিকা কৰোঁ
দুচকু কঁপোৱা আবেলিৰ স্নিগ্ধ পোহৰত
তেজৰ উচ্ছ্বাসত পীড়িত স্নায়ু
ৰাতিৰ নিয়ৰত অৱগাহন কৰি
প্ৰভাতৰ সূৰ্যৰ বাবে হৈ ৰয় উন্মুখ
অমানিশাৰ অন্তত স্বতঃসিদ্ধ বাঢ়ি অহা
পূৰ্ণিমাৰ অপেক্ষাত নিশ্চিন্তে থাকোঁ মই
অযুত আশা আৰু চেতনাৰ অতীত মন্থনত

নিৰালম্ব জীৱনত অবিনাশী অস্তিত্ব মোৰ
মোৰ জীৱনীশক্তি এক গভীৰ প্ৰতীতি
তিল তিলকৈ সযতনে গঢ়ি তোলা
মোৰ জীৱন সম্বল।

# অনিশ্চিত

**মদন চন্দ্ৰ ডেকা**

মোৰ বাওঁহাত সোঁহাতৰ ঘোৰ বিৰোধী
ঠিক ঋষি উদ্দালক আৰু ঋষিপত্নী চণ্ডীৰ দৰে

সোঁহাতে বিচাৰে হৃদয়বেত্তা মোৰ পৰিচয় হওক
বাঁওহাতৰ মতে ঋদ্ধি মুখ্য কথা

বাওঁহাতৰ নিৰ্দেশ - কেজুৱেল ড্ৰেছ কৰাঁ, মেটাৰবোৰ কেজুৱেলি চোৱাঁ, জীৱন টেনশ্যন ফ্রি হৈ কটোৱাঁ।
ফৰ্মেল ড্ৰেছ কৰিবাঁ - সোঁহাতে কয় - সকলো বিষয় সমানে গুৰুত্ব দি চাবাঁ, কৰ্ম তোমাৰ সাফল্যৰ মাপকাঠি।

সোঁহাত নে বাওঁহাত
বাওঁ নে সোঁ!

মিলা-মিচা কৰি চলাঁ - ভুতুংকৈ ওলাই আহি মনটোৱে ক'লে।

আৰু মই ভাৰসাম্য ৰক্ষাৰ ৰছীডালত ভৰি থ'লোঁ।

●●●

# চণ্ডী

**মীনাক্ষি ৰায় ডাকুৱা**

ৰামায়ণত আমি পাওঁ— গৌতম মুনিৰ পত্নী অহল্যা স্বামীৰ অভিশাপত পাষাণত পৰিণত হৈছিল আৰু ৰামচন্দ্ৰৰ পাদস্পৰ্শত তেওঁৰ অভিশপ্ত জীৱনৰ সমাপ্তি ঘটিছিল। মহাভাৰতৰ ঠিক একেধৰণৰ চৰিত্ৰ ব্ৰাহ্মণ পত্নী চণ্ডীৰো অভিশপ্ত জীৱন কাটিছিল পাষাণৰূপত ‑ তৃতীয় পাণ্ডৱ অৰ্জুনৰ পাদস্পৰ্শত যাৰ শাপমুক্তি হৈছিল।

কুৰুক্ষেত্ৰ যুদ্ধৰ পিছত ৰজা যুধিষ্ঠিৰে এক বিৰাট অশ্বমেধ যজ্ঞৰ আয়োজন কৰে আৰু এই যজ্ঞৰ অশ্বৰক্ষক আছিল তৃতীয় পাণ্ডৱ অৰ্জুন আৰু কৃষ্ণপুত্ৰ প্ৰদ্যুম্ন। সেই অশ্বই ভাৰতৰ বিভিন্ন গাওঁ, চহৰ, জনপথ অতিক্ৰম কৰি আছে আৰু অৰ্জুনো তাৰ পিছে পিছে গৈ আছে। এইদৰে ঘূৰোঁতে ঘূৰোঁতে যজ্ঞাশ্ব এসময়ত এখন বনৰ মাজত প্ৰৱেশ কৰিলে। বনৰ মাজেৰে যাওঁতে অশ্বটোৱে হঠাতে এচটা শিলৰ সন্মুখত আহি উপস্থিত হ'ল। ক্লান্ত ঘোঁৰাটোৱে শিলচটা দেখা পাই তাৰ ওপৰত গা ঘঁহোতেই শিলটোৱে চুম্বকৰ দৰে ঘোঁৰাটোক টানি ধৰিলে। এই আচৰিত ঘটনা দেখি অৰ্জুন আৰু তেওঁৰ সঙ্গীসকল বিস্মিত হ'ল। শিলটোৰ পৰা যজ্ঞ ঘোঁৰা কিদৰে উদ্ধাৰ কৰিব পৰা যাব তেওঁলোকে ভাবি নাপালে। কিছু সময় পিছত তেওঁলোকে ওচৰতে সৌভৰি নামৰ এক ঋষিৰ আশ্ৰম দেখা পালে। তেওঁলোকে এই বিপদৰ পৰা উদ্ধাৰ লাভ কৰিবলৈ ঋষিৰ ওচৰত উপস্থিত হ'ল। অৰ্জুনে ঋষিক সম্বোধন কৰি ক'লে— "হে ঋষিবৰ, মই তৃতীয় পাণ্ডৱ অৰ্জুন। এনেকুৱা আশ্চৰ্য ঘটনাৰ কিদৰে প্ৰতিকাৰ কৰিব পাৰি? হে মহাত্মন্, আপুনি আমাক এই বিপদৰ পৰা ৰক্ষা কৰক।" অৰ্জুনৰ এই কাতৰ বাণী শুনি ঋষিয়ে মিচিকিয়াই হাঁহি ক'লে— "অৰ্জুন তুমি বৃথা কষ্ট পাইছা। স্বয়ং নাৰায়ণ তোমাৰ সাৰথি হোৱা সত্বেও তোমাৰ ইমান সংশয় কিয়? এই শিলৰ পৰা বৰ অনায়াসে তুমি অশ্বমেধ যজ্ঞৰ ঘোঁৰাক উদ্ধাৰ কৰিব পাৰিবা।" এইবুলি কৈ ঋষি সৌভৰিয়ে অৰ্জুনক ব্ৰাহ্মণ পত্নী চণ্ডীৰ কাহিনী শুনালে।

মহাভাৰতৰ কালত উদ্দালক নামেৰে এজন ঋষি আছিল। ঋষি উদ্দালকে চণ্ডী নামেৰে অতি কম বয়সৰ এক মুনিকন্যাক বিয়া কৰায়। বিয়াৰ পিছত ঋষিয়ে বালিকা স্ত্ৰীক নানা ধৰণৰ ৰীতি-নীতি শিকাবলৈ যত্ন কৰে, কিন্তু চণ্ডীয়ে স্বামীৰ কথাত কাণসাৰ নকৰে। চণ্ডীয়ে স্বামীৰ মুখৰ ওপৰতে ক'লে— "আপোনাৰ কথা মই কেতিয়াও নুশুনো। আপুনি যি ক'ব মই তাৰ ঠিক বিপৰীত কামটো কৰিবলৈকে ভাল পাম।" বালিকা স্ত্ৰীৰ মুখত এই কঠোৰ বাক্য শুনি ঋষি উদ্দালক হতাশ আৰু ভীত হ'ল। এতিয়াৰ পৰাই যদি এই নাৰী ইমান অবাধ্য হয় তেন্তে পৈণত বয়সত চণ্ডীৰ সৈতে সংসাৰ যাত্ৰা নিৰ্বাহ কৰাই দুঃসাধ্য হ'ব। কি কৰিব, কি নকৰিব তাকে লৈ উদ্দালক বিমোৰত পৰিল। তপোবনৰ অন্যান্য মুনিপত্নী সকলৰ ওচৰলৈ গৈ

এদিন উদ্দালকে চণ্ডীৰ এই দুৰ্বিনীত ব্যৱহাৰৰ কথা ক'লে। উদ্দালকৰ চিন্তা দেখি মুনিপত্নী সকলে সান্ত্বনা দি ক'লে— "ঋষিবৰ, আপোনাৰ স্ত্ৰী চণ্ডী নিতান্ত বালিকা। এই অৱস্থাত কোনটো হিত আৰু কোনটো অহিত, সেয়া তেওঁ বুজিব পৰা নাই। আপুনি চিন্তা নকৰিব পৰিণত বয়সত এই নাৰী আপোনাৰ একান্ত অনুবৰ্তিনী হৈ উঠিব।" উদ্দালকে ভাবিলে, হয়তোবা সেয়ে হ'ব। কিন্তু চণ্ডীৰ যিমানেই বয়স বাঢ়ি আছে, তেওঁ ক্ৰমশঃ বেছি দুৰ্বিনীত হৈ উঠে। স্ত্ৰীৰ এই ব্যৱহাৰত উদ্দালকৰ মনত সুখ নাই। জপ-তপ, কৃষ্ণ কথা তেওঁৰ এই সকলোবোৰ পণ্ড হৈ যাবৰ উপক্ৰম হ'ল। এই নাৰীয়ে তেওঁৰ জীৱন যাপন একেবাৰে অসহ্য কৰি তুলিছে। অনেক বছৰ ধৰি উদ্দালকে ধীৰে ধীৰে চণ্ডীক সহ্য কৰে আৰু কেনেকৈ চণ্ডীৰ পৰিৱৰ্তন হ'ব তাকেই মনে মনে ভাবে।

এদিনাখন উদ্দালকে চণ্ডীক ক'লে— "চণ্ডী তুমি মোৰ কমণ্ডলুটো আনি দিয়াচোন। আজি মই এক যজ্ঞ সম্পন্ন কৰিম। যি যজ্ঞৰ দ্বাৰা মই প্ৰাৰ্থিত বৰ লাভ কৰাত সমৰ্থ হ'ম। কমণ্ডলু আনি তুমি যজ্ঞৰ আয়োজন কৰা।" স্বামীৰ আহ্বান আৰু আদেশত চণ্ডী অলপো বিচলিত নহৈ অতি তীব্ৰভাৱে ক'লে— "স্বামী, মই আপোনাৰ কমণ্ডলু আনিব আৰু যজ্ঞৰ আয়োজন কৰিব নোৱাৰিম। আপুনি মিছাতে কিয় যজ্ঞ কৰিছে? আপোনাৰ এই গোবিন্দ-ভজনা মই পছন্দ নকৰোঁ। কেৱল সেয়ে নহয়, মই বিশ্বাস নকৰোঁ যে গোবিন্দক ভজনা কৰিলে কোনো কাম্য বস্তু লাভ কৰিব পৰা যায়। হে ঋষি, আপুনি প্ৰাজ্ঞ হৈও এনেধৰণৰ যজ্ঞত বিশ্বাস কৰেনে? মানুহৰ কৰ্মফলেই মানুহৰ জীৱনৰ নিয়ন্তা। এনে যজ্ঞৰ দ্বাৰা কোনো ফল লাভেই হ'ব নোৱাৰে।" চণ্ডীৰ মুখত এনে নাস্তিকৰ দৰে কথা শুনি গোবিন্দভক্ত উদ্দালকে মনত বৰ দুখ পালে। এই নাস্তিক স্ত্ৰীৰ সৈতে তেওঁ কিদৰে জীৱন অতিবাহিত কৰিব? ঠিক এনে সময়তে বন্ধুবৰ ঋষি কৌণ্ডিন্যৰ পৰা উদ্দালকে খবৰ পালে যে কৌণ্ডিন্য তেওঁৰ আশ্ৰমলৈ আহিব। এই সংবাদ পাই উদ্দালক বিমোৰত পৰিল। ঋষি কৌণ্ডিন্য কৃষ্ণ ভক্ত। চণ্ডীয়ে নিশ্চয় তেওঁৰ অসন্মান কৰিব। চিন্তা কৰি কৰি উদ্দালকে এটি উপায় ভাবি উলিয়ালে। তেওঁ চণ্ডীক কৌণ্ডিন্য অহাৰ সংবাদ দি কপটভাৱে খং দেখুৱাই ক'লে— "এই সময়ত মোক কৌণ্ডিন্যৰ কি প্ৰয়োজন? তেওঁৰ এই আকস্মিক আগমনত মই অত্যন্ত ক্ষুব্ধ হৈছোঁ। এতিয়া তেওঁৰ সমাদৰৰ বাবে ক'ৰ পৰা ফলমূল গোটাওঁ। মোৰ পক্ষে কৌণ্ডিন্যক সমাদৰ কৰা সম্ভৱ নহয়?" পতিৰ মুখত এই কথা শুনি চণ্ডীয়ে যথাৰীতি ইয়াৰ বিপৰীত কথা ক'ব ধৰিলে— "ই কি কথা স্বামী! কোনোবা অতিথি ঘৰলৈ আহিলে তেওঁক আপ্যায়ন কৰা আমাৰ কৰ্তব্য। এই কৰ্তব্য জ্ঞানখিনিও আপোনাৰ নাইনে? আপোনাৰ ৰীতি-নীতি, চাল-চলন একেবাৰেই উদ্ভট। সি যি কি নহওক, আপুনি নকৰিলেও মই ঋষিক সমাদৰ কৰি আপ্যায়নৰ বন্দৱস্ত কৰিম।"

চণ্ডীৰ কথা শুনি উদ্দালকে মনে মনে হাঁহিলে, কাৰণ তেওঁ সেয়াই বিচাৰিছিল। যথাসময়ত কৌণ্ডিন্য মুনি আশ্ৰমলৈ আহিল। চণ্ডীয়ে তেওঁক মহাসমাদৰেৰে আহ্বান কৰি আপ্যায়ন কৰিলে। কিছু সময় বিশ্ৰাম লোৱাৰ পিছত কৌণ্ডিন্যই উদ্দালকক কিছু কৃষ্ণ কথা শুনাবলৈ ক'লে। উদ্দালকে ক'লে যে নিজৰ স্ত্ৰী চণ্ডীৰ বাবে তেওঁৰ জীৱনৰ পৰা কৃষ্ণ কথা হেৰাই যোৱাৰ উপক্ৰম হৈছে। এইবুলি কৈ উদ্দালকে ঋষি

কৌণ্ডিন্যক সকলো কথা বিৱৰি ক'লে। চণ্ডী সম্পৰ্কে এই কথা শুনি ঋষি কৌণ্ডিন্যও বৰ দুঃখিত হ'ল। ইয়াৰ পিছদিনাখন আছিল উদ্দালকৰ পিতৃৰ শ্ৰাদ্ধ কাৰ্য্য। দুয়ো ঋষি মিলি যুক্তি কৰিলে যে ৰাতিপুৱা শোৱাৰ পৰা উঠিয়েই সেই শ্ৰাদ্ধকাৰ্য্য সম্পন্ন কৰিব। পিছদিনাখন ৰাতিপুৱা উদ্দালকে চণ্ডীক ক'লে— "চণ্ডী, আজি পিতৃদেৱৰ শ্ৰাদ্ধ, তুমি তাৰ আয়োজন কৰা।" চণ্ডীয়ে কৌণ্ডিন্য মুনিৰ সন্মুখতে তৎক্ষণাৎ কৈ উঠিল— "মানুহৰ শ্ৰাদ্ধৰ কি প্ৰয়োজন সেয়াই মই বুজি নাপাওঁ। আপোনাৰ পিতৃৰ শ্ৰাদ্ধত সহযোগিতা কৰাৰ কোনো ইচ্ছাই মোৰ নাই।" চণ্ডীৰ দুৰ্বিনীত ব্যৱহাৰ দেখি উদ্দালক নিশ্চুপ হৈ থাকিলেও ঋষি কৌণ্ডিন্যৰ কিন্তু প্ৰচণ্ড ক্ৰোধ জন্মিল। তেওঁৰ ক্ৰোধ ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে আৰু শেষত চণ্ডীৰ বাক্যবাণ শিষ্টতাৰ সীমা চেৰাই গ'লে চণ্ডীক ক'লে— "মুখৰা নাৰী, মোৰ অভিশাপত তুমি পাষাণ হৈ যোৱা।" কৌণ্ডিন্যৰ ক্ৰোধ আৰু অভিশাপৰ ভয়াবহতা দেখি চণ্ডীৰ সম্বিত ঘূৰি আহিল। তেওঁ বুজি পালে, তেওঁৰ স্বামী উদ্দালকে কি অসীম কষ্ট স্বীকাৰ কৰি তেওঁৰ সৈতে বসবাস কৰি আছে। নিজৰ দোষ স্বীকাৰ কৰি চণ্ডীয়ে কেনেকৈ তেওঁৰ শাপমুক্তি হ'ব তাক জানিব বিচাৰিলে। তেতিয়া ঋষি কৌণ্ডিন্যই ক'লে যে তৃতীয় পাণ্ডৱ অৰ্জুনৰ স্পৰ্শত চণ্ডীৰ শাপমুক্তি হ'ব।

সৌভৰিৰ পৰা এই কাহিনী শুনি অৰ্জুন সেই পাষাণৰ কাষলৈ ঘূৰি আহি তাক স্পৰ্শ কৰিলে। অৰ্জুনৰ স্পৰ্শত চণ্ডী শাপমুক্ত হৈ পাষাণৰ পৰা মানৱী হ'ল। অৰ্জুনেও তেওঁৰ অশ্বমেধ যজ্ঞৰ অশ্ব ঘূৰাই পালে।

(মদন চন্দ্ৰ ডেকাৰ 'অনিশ্চিত' কবিতাটিৰ দ্বাৰা অনুপ্ৰাণিত হৈ)

●●●

# Smile, the ultimate goal

**Dilip Sarma**

Recently, finished reading Herman Hesse's "Siddhartha" (not the "exalted one" but the protagonist with same name from the same period) for the n-th time. Each time you read this book, you notice something that you didn't notice earlier.

This time I learnt that the "ultimate goal of life is to smile- smile with love, quietly & softly, little mischievously, perhaps benevolently."

●●●

# মহাভাৰতৰ কিছু জনা-অজানা কাহিনী

সংগ্ৰহ ঃ পংকজ কুমাৰ নেওগ

(১)

মহাভাৰতত একলব্যৰ বিষয়ে বিশেষ একো কথা উল্লেখ নাই, কিন্তু হৰিবংশ পুৰাণত তেওঁৰ বিষয়ে কিছু কথা বৰ্ণনা কৰা আছে। হৰিবংশ পুৰাণ মতে যাদব শ্ৰেষ্ঠ বসুদেৱৰ দেবশ্ৰবা নামৰ এজন ভায়েক আছিল। দেবশ্ৰবাৰ এটি পুত্ৰ সন্তান জন্ম হওঁতে আকাশবাণী হয় যে এজন যদুবংশীৰ হাততে সেই পুত্ৰৰ মৃত্যু হ'ব। আকাশবাণী শুনি ভয়তে বিতত হৈ দেবশ্ৰবাই পুত্ৰক নদীত উটুৱাই দিয়ে। নদীত উটি গৈ শিশুটি মগধ ৰাজ্যৰ এখন জংঘল পায়গৈ আৰু সেই জংঘলৰ ব্যাধৰাজ হিৰণ্যধনুৱে শিশুটিক নিজ পুত্ৰ হিচাপে তুলি নাম দিয়ে একলব্য। একলব্য যদুবংশৰ দৰে এটা মহান বংশত জন্ম হোৱাৰ বাবে অতি প্ৰতিভাৱান আৰু দুৰ্ধৰ্ষ ধনুৰ্ধৰ আছিল। বহুত বছৰৰ পিছত ভগৱান শ্ৰীকৃষ্ণই যেতিয়া কংসক বধ কৰে, তেওঁৰ মৃত্যুৰ প্ৰতিশোধ ল'বলৈ শহুৰেক জৰাসন্ধই ১৭ বাৰ মথুৰা আক্ৰমণ কৰিছিল আৰু প্ৰত্যেকবাৰে শোচনীয়ভাৱে পৰাজয় বৰণ কৰে। জৰাসন্ধই তেওঁৰ ৰাজ্যত একলব্যৰ দৰে মহান ধনুৰ্ধৰ এজনৰ কথা জানিব পাৰি একলব্যক নিজৰ সেনাপতি পাতে; সেনাপতি হিচাপে নিযুক্ত হোৱাৰ পিছত একলব্যই যাদব সেনাবাহিনীৰ এটা ডাঙৰ অংশ বিধ্বস্ত কৰিছিল। তেওঁৰ অমিত পৰাক্ৰমৰ সন্মুখত সেনাবাহিনী ছেদেলি-ভেদেলি হৈ পৰাত ভগৱান কৃষ্ণ স্বয়ং যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হয় আৰু অৱশেষত একলব্যই যুদ্ধক্ষেত্ৰত প্ৰাণত্যাগ কৰে। এইদৰে আকাশবাণী সত্য প্ৰমাণিত হ'ল আৰু একলব্যৰ জীৱনৰ সমাপ্তি ঘটে।

(২)

মহাভাৰত কাব্যখনৰ প্ৰকৃত নাম আছিল 'জয়ম্' বা 'জয়'। মূল কাব্যখনৰ প্ৰথমতে নাম আছিল 'জয়'; যথাক্ৰমে নামবোৰ সলনি হৈ 'বিজয়', 'ভাৰত' আৰু 'মহাভাৰত' হৈছিল। 'জয়' কাব্যখনত ২৫০০০ শ্লোক আছিল যদিও শেষৰখন মহাকাব্যত প্ৰায় ১ লক্ষৰো বেছি শ্লোক সন্নিবিষ্ট হয়। 'জয়' আছিল 'আধ্যাত্মিক' আৰু 'বিজয়' আছিল 'বস্তুগত' বিজয়ৰ কাহিনী; ভাৰত হ'ল এটা বংশৰ কাহিনী আৰু মহাভাৰতত ভাৰত-বৰ্ষ নামৰ দেশখনৰ জ্ঞান-গৰিমাও সন্নিবিষ্ট হয়।

(৩)

কনিষ্ঠ পাণ্ডৱ সহদেৱ আছিল এজন ভৱিষ্যৎ দ্ৰষ্টা আৰু ভৱিষ্যতৰ সকলো কথা বা কুৰুক্ষেত্ৰৰ যুদ্ধত হ'বলগীয়া কথাবোৰ জানি-শুনিও মনে মনে থাকিবলগীয়া হৈছিল। সহদেৱৰ ওপৰত এটা অভিশাপ আছিল যে এইবোৰ কথা প্ৰকাশ কৰিলেই তেওঁৰ মৃত্যু হ'ব। মহাভাৰতৰ কোনো এখন সংস্কৰণৰ মতে পাণ্ডুৰ মৃত্যুৰ পিছত তেওঁৰ শৰীৰ তথা মগজু ভক্ষণ কৰি সহদেৱে এই দিব্যদৃষ্টি লাভ কৰিছিল; আন কিছু সংস্কৰণৰ মতে সহদেৱ আছিল এজন বিদগ্ধ জ্যোতিৰ্বিদ। সহদেৱৰ বিষয়ে কাহিনী এটা শুনিবলৈ পোৱা

যায়। সৰুতে নিজৰ অদ্ভুত শক্তিৰ দ্বাৰা যেতিয়া সহদেৱে ভৱিষ্যতে ঘটিবলগীয়া সকলোবোৰ ঘটনাৰ কথা গম পায় তেওঁ হেনো ককায়েক সকলক আৰু মাতৃদ্বয়ক কথাবোৰ ক'বলৈ দৌৰ মাৰি যাওঁতে এজন অচিনাকি লোকে বাট ভেটি ধৰে; লোকজন আছিল শ্ৰীকৃষ্ণ। তেওঁ সহদেৱক মনে মনে থাকিবলৈ উপদেশ দি উপযাচি কোনো লোকৰ সৈতে কথা পতা বাৰণ কৰে, আনকি কোনো লোকে কিবা প্ৰশ্ন কৰিলে তেওঁকহে ওলোটাই প্ৰশ্ন কৰিবলৈ শ্ৰীকৃষ্ণই দিহা দিলে। বেচেৰা সহদেৱৰ কোনো উপায় নাছিল আৰু ভৱিষ্যতে আহিবলগীয়া সকলো বিপৰ্যয়ৰ কথা জানিও মনে মনে থাকিবলগীয়া হ'ল।

(৪)

দুৰ্যোধনৰ প্ৰকৃত নাম আছিল 'সুয়োধন' আৰু বাকী কৌৰৱসকলৰো নাম সেইদৰে আছিল 'সুশাসন', 'সুশালা' ইত্যাদি। আমি জনা বা শুনা দৰে নামবোৰ দুঃশাসন, দুঃশালা ইত্যাদি নাছিল আৰু মহাভাৰতত তেওঁলোকে ধাৰণ কৰা দুষ্ট চৰিত্ৰৰ বাবে সেইবোৰ উপনাম দিয়া হৈছিল। সংস্কৃত ভাষাত 'দু' আৰু 'সু' এই শব্দ দুটাই 'বেয়া' আৰু 'ভাল' বুজোৱাৰ কথা সকলোৱে জানে। অইন এটা কাহিনীৰ মতে দুৰ্যোধন জন্ম হওঁতে ধৃতৰাষ্ট্ৰই পুত্ৰৰ নাম ৰাখিছিল সুয়োধন। সুয়োধন গদাযুদ্ধত সৰুৰে পৰা অতি আগ্ৰহী আছিল। গুৰু দ্ৰোণাচাৰ্যৰ পৰা গদাযুদ্ধত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পিছত সুয়োধনে বলৰামৰ পৰা উন্নত শিক্ষা লাভ কৰিবলৈ যায়। শিক্ষা সমাপ্তিৰ দিনা গুৰু-শিষ্যৰ মাজত অনুষ্ঠিত হোৱা এখন অনুশীলনী যুদ্ধত সুয়োধনে বলৰামক পৰাস্ত কৰে, ইয়াতে অতি সন্তুষ্ট হৈ বলৰামে সুয়োধনক দুৰ্যোধন নামেৰে নামকৰণ কৰে। দুৰ্যোধনৰ অৰ্থ হ'ল 'যুদ্ধত অপৰাজেয়'।

(৫)

'বেদব্যাস' কোনো বা কাৰো নাম নহয়, এটা 'পদবী'হে আছিল। আমি জনামতে মহাভাৰতখন 'বেদব্যাসে' ৰচনা কৰা আৰু ভগৱান 'গণেশে' লিখা। যিসকলৰ বেদৰ জ্ঞান আছিল তেওঁলোককহে 'বেদব্যাস' নাম দিয়া হৈছিল। কৃষ্ণদ্বীপায়নৰ আগেয়ে ২৭ জন বেদব্যাস আছিল; তেখেত আছিল ২৮ নম্বৰ বেদব্যাস। কৃষ্ণৰ দৰে শ্যাম বৰণীয়া ৰঙৰ আৰু এটা দ্বীপত জন্ম হৈছিল বাবে এই ২৮ নম্বৰ বেদব্যাস গৰাকীৰ নাম আছিল কৃষ্ণদ্বীপায়ন।

(৬)

ধৃতৰাষ্ট্ৰৰ দুইপুত্ৰ 'বিকৰ্ণ' আৰু 'যুযুৎসু' দুৰ্যোধনে কৰা কৰ্মৰাজিৰ পক্ষপাতী নাছিল; পাশাখেলত দ্ৰৌপদীক পণ হিচাপে ৰখা কাৰ্যৰো দুয়ো ঘোৰ বিৰোধিতা কৰিছিল। বিকৰ্ণ আছিল ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ তৃতীয় পুত্ৰ আৰু দুৰ্যোধন আৰু দুঃশাসনৰ পিছতে তৃতীয় পৰাক্ৰমী কৌৰৱ বীৰ। অনিচ্ছা সত্বেও কুৰুক্ষেত্ৰৰ যুদ্ধত বিকৰ্ণই কৌৰৱৰ পক্ষে যুঁজ কৰিছিল; দ্ৰোণাচাৰ্যই বিকৰ্ণক কৌৰৱ পক্ষৰ এজন মহান যোদ্ধা বুলি বৰ্ণনা কৰি থৈ গৈছে। যুযুৎসু ধৃতৰাষ্ট্ৰৰ পুত্ৰ হ'লেও মাক আছিল 'সৌবালী' নামৰ কুন্তী দেৱীৰ এগৰাকী পৰিচাৰিকা। গতিকে পিতৃৰফালৰ পৰা যুযুৎসু আছিল এশ কৌৰৱ আৰু দুঃশালাৰ অৰ্ধ ভ্ৰাতৃ। কৌৰৱ আৰু পাণ্ডৱ সকলৰ মাজত কুৰুক্ষেত্ৰ যুদ্ধ আৰম্ভ হোৱাৰ আগতে যুযুৎসু পাণ্ডৱ শিবিৰলৈ গুচি যায়। যুযুৎসু আছিল কুৰুক্ষেত্ৰৰ যুদ্ধত জীয়াই থকা ধৃতৰাষ্ট্ৰৰ একমাত্ৰ পুত্ৰ তথা কৌৰৱ।

(৭)

মহাভাৰতৰ অভিমন্যু দৰাচলতে ‘কালযবন’ নামৰ দৈত্য এটাৰ আত্মা আছিল। কালযবনক পুৰি ছাৰখাৰ কৰাৰ পিছত তাৰ আত্মাটোক আটক কৰি শ্ৰীকৃষ্ণই দ্বাৰকাত থয়। শ্ৰীকৃষ্ণৰ মতে অভিমন্যু কালযবনৰ এনে এজন শক্তিশালী অৱতাৰ আছিল যি হয়তো পৰৱৰ্তী সময়ত কৃষ্ণৰ মৃত্যুৰ কাৰণ হ’লহেঁতেন। অভিমন্যুৰ এটাই দুৰ্বলতা আছিল যে চক্ৰবেহুৰ বিষয়ে তেওঁৰ জ্ঞান আছিল অসম্পূৰ্ণ। অভিমন্যুৰ আত্মাই যাতে মোক্ষ লাভ কৰিব পাৰে তাৰ বাবেই কুৰুক্ষেত্ৰৰ যুদ্ধত চক্ৰবেহু ৰচি অভিমন্যুক হত্যা কৰা হৈছিল। ভগৱান শ্ৰীকৃষ্ণই সেইবাবে অভিমন্যুক চক্ৰবেহুৰ পৰা নিজকে উন্মুক্ত কৰি বাহিৰলৈ ওলাই অহা বিদ্যা শিকোৱা নাছিল।

(৮)

যুৱৰাজ দেৱব্ৰতৰ ডেকা বয়সত দেউতাক শান্তনু এদিন চিকাৰ কৰিবলৈ গৈ সত্যৱতী নামৰ এক ধীৱৰ কন্যাৰ প্ৰেমত পৰে। সত্যৱতীৰ দেউতাকে কিন্তু এটা চৰ্ত সাপেক্ষেহে শান্তনুলৈ সত্যৱতীক বিয়া দিবলৈ সাজু হ’ল; চৰ্তটো হ’ল সত্যৱতীৰ পুত্ৰসন্তান সকলেহে ৰাজ সিংহাসন লাভ কৰিব। চৰ্ত শুনি অমান্তি হৈ শান্তনু দুখে-বেজাৰে ঘৰলৈ উভতিল। দেৱব্ৰতে দেউতাকৰ বিৰহী ৰূপ চাই থাকিব নোৱাৰি সত্যৱতীক ৰজা শান্তনুক স্বামীৰূপে গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা কৰে আৰু কথা দিয়ে যে তেওঁ নিজে কেতিয়াও সিংহাসনৰ দাবীদাৰ নহয়। সত্যৱতী দেৱব্ৰতৰ কথাত সন্তুষ্ট নহ’ল, দেৱব্ৰত স্বয়ং দাবীদাৰ নহ’লেও ভৱিষ্যতে তেওঁৰ পুত্ৰসকলে সিংহাসন দাবী কৰাৰ সম্ভাৱনা আছে। সত্যৱতীৰ আশংকা দূৰ কৰিবলৈ দেৱব্ৰতে লগে লগে প্ৰতিজ্ঞা কৰে যে জীৱনত তেওঁ কেতিয়াও বিবাহ নকৰে আৰু সন্তান জন্ম নিদিয়ে। এই প্ৰতিজ্ঞাৰ বাবে দেৱব্ৰতৰ অইন এটা নাম ‘ভীষ্ম’ বা ‘ভীষণ প্ৰতিজ্ঞাধাৰী’ বুলি জনা যায়।

(৯)

মহাবীৰ কৰ্ণই শব্দভেদী বাণবিদ্যা অভ্যাস কৰোঁতে এদিন বনৰীয়া জন্তু বুলি গাই এজনীলৈ শৰ মাৰি গাইজনীক হত্যা কৰে। গাইজনীৰ গৰাকী আছিল এজন ব্ৰাহ্মণ; তেওঁ কুপিত হৈ কৰ্ণক শাও দিয়ে যে যুদ্ধক্ষেত্ৰত মনোযোগ ভঙ্গ হৈ যুদ্ধৰ পৰা বিৰত থকা অৱস্থাতে শত্ৰুৱে তেওঁক হত্যা কৰিব। কুৰুক্ষেত্ৰৰ যুদ্ধত কৰ্ণৰ ৰথৰ চকা বোকাত লাগি ধৰাত সেই চকা উলিয়াবলৈ যাওঁতে অৰ্জুনৰ বাণত কৰ্ণ নিহত হয়। অন্য এটা কাহিনীমতে কৰ্ণই এবাৰ মহেন্দ্ৰ পৰ্বতলৈ গৈ তেওঁৰ ‘বিজয় ধনু’ৰে ধনুৰ্বিদ্যা অভ্যাস কৰিছিল। দুৰ্ভাগ্যবশতঃ কাঁড় এডাল লাগি গাই এজনীৰ মৃত্যু হয়। গাইজনী আছিল দৈনিক অগ্নিহোত্ৰ যাগ কৰা ব্ৰাহ্মণ এজনৰ হোমৰ গাই। কৰ্ণই ব্ৰাহ্মণজনক এই খবৰটো অৱগত কৰি তেওঁৰ অনাহুত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা জনায়। ব্ৰাহ্মণজনে কিন্তু কৰ্ণক শাও দিয়ে যে যুদ্ধক্ষেত্ৰত কৰ্ণৰ ৰথৰ চকা হঠাতে বোকাত বহি যাব; সেই ক্ষণত কোনো ধৰণৰ উপায় বা চিন্তা তেওঁৰ মনলৈ নাহিব আৰু সেই ছেগতে তেওঁৰ মুখ্য শত্ৰুজনে কৰ্ণৰ শিৰ ছিন্ন কৰি ভূপতিত কৰিব। এইদৰেই মহাবীৰ কৰ্ণই এজন ব্ৰাহ্মণৰ অভিশাপত কুৰুক্ষেত্ৰৰ ৰণত মৃত্যুবৰণ কৰিছিল।

(১০)

অজ্ঞাতবাসৰ সময়ত অৰ্জুন নপুংসকৰূপে ৰজা বিৰাটৰ ঘৰত দিন কটাইছিল। অৰ্জুনৰ নাম আছিল বৃহন্নলা। সৰগৰ অপ্সৰা উৰ্বশীয়ে ইন্দ্ৰলোকত অৰ্জুনক নিজৰ স্বামী হিচাপে পাবলৈ আগ্ৰহ প্ৰকট কৰাত অৰ্জুনে উৰ্বশীক ‘মাতা’ বুলি সম্বোধন কৰে আৰু বিবাহপাশত বহিবলৈ অমান্তি হয়। উৰ্বশী এসময়ত অৰ্জুনৰ পূৰ্বপুৰুষ পুৰুৰৱাৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। অৰ্জুনে উৰ্বশীৰ প্ৰেম উপেক্ষা কৰা বাবে খঙৰ ভমকত অৰ্জুনক নপুংসক হ’বলৈ শাওপাত দিয়ে। ইন্দ্ৰই উৰ্বশীৰ অভিশাপৰ কথা জানিব পাৰি অৰ্জুনক শান্ত্বনা দি কয় যে পাণ্ডৱসকলৰ অজ্ঞাতবাসৰ সময়ত সেই অভিশাপ দৰাচলতে অৰ্জুনৰ বাবে ‘বৰ’ ৰূপে কাম কৰিব আৰু অজ্ঞাতবাস শেষ হোৱাৰ লগে লগে তেওঁ পুনৰ আগৰ অৱস্থাপ্ৰাপ্ত হ’ব। বাৰ বছৰ বনবাস খটাৰ পিছত ত্ৰয়োদশ বছৰটো পাণ্ডৱ সকল ৰজা বিৰাটৰ ৰাজসভাত ছদ্মবেশে থাকিবলগীয়া হৈছিল আৰু সেই বছৰটো অৰ্জুনে উৰ্বশীৰ অভিশাপৰ সহায়ত বৃহন্নলা হৈ ৰাজকন্যা উত্তৰাক গীত আৰু নৃত্যৰ শিক্ষা দিয়ে।

●●●

# ঈদুল আজহা, কোৰবানী আৰু ইয়াৰ তাৎপৰ্য

**ফাইজুৰ ৰহমান**

ঈদ মানে আনন্দ, উৎসৱ। ইছলাম ধৰ্মাৱলম্বী মানুহৰ বাবে ঈদ হ’ল ধৰ্মীয় উৎসৱ। এই ঈদ দুটা— (১) ঈদুল ফিটৰ আৰু (২) ঈদুল আজহা।

**ঈদুল আজহা ঃ** ইছলামিক পঞ্জিকাৰ শেষ মাহ জিলহজ্জ মাহ। এই জিলহজ্জ মাহক হজৰ মাহ বুলিও কয়। এই মাহৰ ১০ তাৰিখে বিশ্বৰ মুছলিমসকলে ‘ঈদুল আজহা’ পালন কৰে। এই ঈদক ‘কোৰবানীৰ ঈদ বা বকৰি ঈদ বুলিও কয়। এই উৎসৱটিয়ে আচলতে আল্লাহৰ নবী হজৰত ইব্ৰাহিম (আ) আৰু তেওঁৰ পুত্ৰ ইছমাইল (আ)য়ে আল্লাহৰ ওচৰত কৰা মাহাত্ম্যপূৰ্ণ কোৰবানীৰ স্মৃতি বহন কৰে। ঘটনাটো এনে ধৰণৰ...

হজৰত ইব্ৰাহিম আল্লাহৰ বৰ প্ৰিয়। এবাৰ আল্লাই হজৰত ইব্ৰাহিম (আ)ক সপোনত আদেশ কৰিলে — ‘হে ইব্ৰাহিম, মোৰ প্ৰতি ভালপোৱাৰ প্ৰমাণ হিচাপে তোমাৰ অতিকৈ প্ৰিয় এপদ সম্পদ উচৰ্গা কৰা’। পিছদিনা হজৰতে এশটা উট কোৰবানী কৰিলে।

নিশা পুনৰ সপোনত আদেশ আহিল— ‘তোমাৰ অতি মৰমৰ বস্তু উচৰ্গা কৰা।’ পিছদিনা পুনৰ এশটা উট কোৰবানী কৰিলে। নিশা সপোনত পুনৰবাৰ একেই আদেশ আহিল— ‘হে ইব্ৰাহিম, তোমাৰ

অতিকৈ প্ৰিয় সম্পদ মোৰ নামত উচৰ্গা কৰা।' এইবাৰ হজৰত ইব্ৰাহিমে (আ) চিন্তা কৰিলে তেওঁৰ একমাত্ৰ পুত্ৰ ইছমাইল তেওঁৰ প্ৰাণতকৈও অধিক মৰমৰ। অৱশেষত তেওঁ পুত্ৰ স্নেহক একাষৰীয়া কৰি ইছমাইলকে কোৰবানী দিবলৈ সিদ্ধান্ত ল'লে। কথাটো গভীৰ উৎকণ্ঠাৰে পুতেকক জনালে। পুত্ৰ ইছমাইলেও তৎকালে সন্মতি দি ক'লে— 'আব্বাজান, আপুনি আল্লাহৰ আদেশ যথাযথভাবে পালন কৰক।' সন্তানৰ সন্মতিমৰ্মে মাকক নজনোৱাকৈয়ে মৰুভূমিৰ ফালে বাপেক-পুতেক দুয়োৱে খোজ ল'লে। নিৰ্জন মৰুভূমি অঞ্চলত ইব্ৰাহিমে (আ) পুত্ৰক কোৰবানীৰ বাবে সাজু কৰিলে। পুত্ৰ ইছমাইলেও আনন্দমনেৰে কোৰবানীৰ বাবে ডিঙি পাতি দিলে। ইব্ৰাহিমে (আ) চকুত কাপোৰ বান্ধি ল'লে। বাৰে বাৰে যত্ন কৰিও ইছমাইলৰ ডিঙিত ধাৰাল ছুৰীৰে আঘাত কৰিব নোৱাৰিলে, বৰং তাৰ সলনি আল্লাহৰ নিৰ্দেশত এটি ডুম্বাৰ (এবিধ ছাগলীৰ দৰে জন্তু) কোৰবানী হ'ল আৰু দৈৱ বাণী হ'ল— 'হে ইব্ৰাহিম, তুমি মোৰ পৰীক্ষাত সফল হ'লা। ধন্য তোমাৰ ভক্তি আৰু বিশ্বাস।' আল্লাহৰ প্ৰতি থকা হজৰত ইব্ৰাহিম (আ)ৰ ভক্তি আৰু পুত্ৰ ইছমাইলৰ অগাধ বিশ্বাসৰ এই পৰম্পৰাই কালক্ৰমত কোৰবানী ঈদৰ জন্ম দিলে। চমুকৈ 'ঈদ-উল-আজহা' বা 'বকৰি ঈদৰ' এয়ে তাৎপৰ্য।

বিশ্বৰ বিভিন্ন জাতি-উপজাতি, আত্মোৎসৰ্গৰ প্ৰথা, নৰবলিৰ দ্বাৰা কলংকিত হৈছিল। নৰবলিৰ সলনি যে মানুহৰ পোহনীয়া জন্তু (খাদ্য হিচাপে ব্যৱহৃত) কোৰবানী কৰিহে ত্যাগৰ আদৰ্শ প্ৰদৰ্শন কৰিব পৰা যায় সেই পন্থা ইছলাম ধৰ্মৰ কোৰবানী প্ৰথাই প্ৰদৰ্শন কৰিছে। জীৱন আৰু সমাজত বিৰাজ কৰা হিংসা, ঘৃণা, শত্ৰুতা, নিৰ্যাতন, উৎপীড়ন, লোভ, লালসা, পৰশ্ৰীকাতৰতা, অহংভাব আদি পাশবিক চৰিত্ৰবোৰক বলি দিয়াই কোৰবানীৰ প্ৰধান উদ্দেশ্য আৰু মহত্ব।

ধৈৰ্য আৰু একাগ্ৰচিত্তে নিজৰ প্ৰিয় সম্পদ এভাগি আনৰ সন্তুষ্টিৰ অৰ্থে ত্যাগ কৰিবই লাগিব। এই ত্যাগ অহংকাৰশূন্য তথা পবিত্ৰ বুলি তেতিয়াহে গণ্য কৰা হয় যেতিয়া মানুহে আনৰ অন্তৰ দখল কৰিব পাৰে। আনৰ সুখত সুখী, আনৰ দুখত দুখী ইছলামী আদৰ্শৰ সোপান। ই অন্তৰখন বিকশিত কৰি তোলে আৰু পবিত্ৰময় কৰি ৰাখে।

ঈদৰ দিনা ৰাতিপুৱা পুৰুষ মহিলা সকলোৱে গা-পা ধুই প্ৰত্যেকে নিজৰ সাধ্যানুসাৰে নতুন কাপোৰ পিন্ধি, গাত সুগন্ধি লগাই আল্লাহৰ নাম-কীৰ্তন কৰে আৰু সৰুজনে ডাঙৰক তচলিম কৰে (মানে সেৱা কৰে) আৰু ডাঙৰে সৰুজনক দোৱা, আশীৰ্বাদ দিয়ে। ল'ৰাৰ পৰা বুঢ়ালৈ সকলো পুৰুষে সমূহীয়া নামাজৰ বাবে ঈদগাহ (সমূহীয়া ভাবে ঈদৰ নামাজ পঢ়া ফিল্ড) লৈ বুলি ৰাওনা হয়। ঈদগাহত হাজিৰ হৈ বিশ্বপালকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে। দুখীয়া নিচলা সকলেও নিশ্চিত সুস্থিৰ মনেৰে পবিত্ৰ ঈদৰ নামাজত ভাগ ল'বলৈ সুযোগ পায়। পবিত্ৰ ঈদৰ নামাজৰ শাৰী দেখিবলৈ কেনে সুন্দৰ আৰু চিত্তাকৰ্ষক! ইয়াত দিন হাজিৰা কৰা মানুহ, নিচলা, ভিকহু, চাকৰিয়াল, বুদ্ধিজীৱী, উকিল, শিক্ষক, ছাত্ৰ, খেলুৱৈ, মন্ত্ৰী-বিধায়ক আদি কৰি বিভিন্ন ব্যৱসায়িক মানুহৰ অৱস্থান, য'ত কোনো আত্মমৰ্যাদাৰ প্ৰশ্ন নুঠে। সকলোৱেই

আল্লাহৰ দাস। সকলো মানুহ সমান। পৰস্পৰৰ ভাই ভাই। ভেদাভেদ, জাতিভেদ, বৰ্ণভেদ, কুলভেদ, উচ্চ-নীচ, সৰু-বৰ, ভদ্ৰ-সম্ভ্ৰান্তৰ প্ৰশ্ন নাই। মানৱ বিশ্বাসৰ মিলন তীৰ্থ।

নামাজৰ অন্তত প্ৰত্যেকে প্ৰত্যেকৰ লগত আলিঙ্গন কৰি পাৰস্পৰিক শুভেচ্ছা জ্ঞাপন কৰে, যিটোৱে মানুহৰ মাজত সৃষ্টি কৰে ভ্ৰাতৃত্ববোধ, সহানুভূতি আৰু সহমৰ্মিতা। ইয়াৰ উপৰিও যিসকল ব্যক্তি এই সংসাৰৰ পৰা বিদায় লৈ গৈছে যেনে কাৰোবাৰ পিতৃ-মাতৃ, দাদা-দাদী, নানা-নানী, ভাই-ভনী ইত্যাদি সকলোবোৰ ইষ্ট-কুটুমৰ বাবে কবৰস্থানৰ কাষলৈ গৈ সেইসকলৰ বেহেস্ত (স্বৰ্গ) প্ৰাপ্তিৰ বাবে মহান আল্লাহৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে।

তাৰ পিছতেই জন্তু কোৰবানীৰ কাম আৰম্ভ হয়। কোৰবানীৰ মাংস সমানে তিনিভাগত ভাগ কৰা হয়। এভাগ দুখীয়া-গৰীৱক ভগাই দিব লাগে, এভাগ নিজৰ আত্মীয়-স্বজনৰ মাজত বিলাই দিব লাগে আৰু এভাগ নিজৰ বাবে ৰখা হয়। কোৰবানী কৰা জন্তুৰ চামৰাৰ মূল্য দুখীয়া-গৰীবৰ মাজত বিতৰণ কৰিব লাগে।

এই ঈদে বহন কৰি আছে ইছলামৰ এক পবিত্ৰ ধৰ্মীয় সংস্কৃতি, যি স্পৰ্শ কৰি যায় প্ৰতিজন মুছলমান, আবাল-বৃদ্ধ- বনিতাৰ হৃদয়, মন। ই এটা বিশ্বব্যাপী ইছলামী উৎসৱ। উৎসৱ হ'লেও ইয়াত সকলো ধৰণৰ সস্তীয়া নাচ-গান, বাদ্য-বাজনা, নাটক, চিনেমা আদি প্ৰদৰ্শন কৰাত বাধা আছে। অৱশ্যে আজিকালি ডেকাসকলৰ মাজত নতুনকৈ ঈদ উৎসৱ পতাৰ প্ৰৱণতা হৈছে। সেই মেহফিলত মাৰ্জিত ভাৱে সৰু সৰু ল'ৰা-ছোৱালীৰ মাজত খেল-ধেমালি, জিকিৰ-জাৰী, কোৰাণ পাঠ আদিৰ প্ৰতিযোগিতাও হয়।

**বিশেষ দ্ৰষ্টব্য ঃ** বৰ্তমান সংহাৰী তথা সৰ্বগ্ৰাসী কৰ'না ভাইৰাচৰ পৰা ৰক্ষা পাবৰ বাবে ঈদগাহৰ সমূহীয়া নামাজ গোটেই বিশ্বজুৰি বৰ্জন কৰা হৈছে। অসমতো ইয়াৰ ব্যতিক্ৰম নহয়। অৱশ্যে বাকী সকলোবোৰ গতানুগতিকভাৱে চলি আছে। সেয়ে ঈদৰ উছাহ ম্লান নপৰে।

●●●



**পংকজ কুমাৰ নেওগৰ**
**ইংৰাজী শিশু কবিতা (Rhymes) দুটিৰ অসমীয়ালৈ ভাবানুবাদ**

## Pussy Cat, Pussy Cat Where Have You Been

# মৰমৰ মেকুৰীজনী মোৰ

বহুত দিনৰ মূৰত ঘৰৰ মেকুৰীজনীক,
পুৱাতে লগ পালোঁ আজি দুৱাৰদলিত;
মনত লাগিল ৰং, হৈ কিছু আচৰিত,
সুধিলোঁ লাহেকৈ তাইক - “গৈছিলা ক’ত”?
গাটো জোকাৰি তাই কলে মোক ভেমত,
“লণ্ডনলৈ গৈছিলোঁ মই ৰাণীৰ নিমন্ত্ৰণত”;
মেকুৰীজনীক আকৌ প্ৰশ্ন কৰিলোঁ এটি,
লণ্ডনত তাই বাৰু কৰিছেনো কি?
দুৱাৰদলিতে তাই এঙামুৰি দি,
উত্তৰ দিলে কিন্তু ভালকৈ ভাবি;
“ৰাণীৰ আসন তলে দুষ্ট নিগনি এটি;
মোকেই সিয়াৰি সি দিছিল খৰ-লুটি!
এপাকত দিলোগৈ তাক কাণত মোচৰ,
পত্ৰং দি আৰু নাচাপিল ওচৰ”!!

## Peter Peter, Pumpkin Eater

# ভদাইৰ ৰঙালাও খেতি

জাঁজী নৈৰ পাৰতে এপূৰা মাটিত
ভদাইৰ ৰঙালাও খেতি;
প্ৰথমা ঘৈণী যদিওবা ‘লাগী’ তাৰ,
নধৰে যে ঘৰটোত আঁটি;
সেইজনী ঘৈণীক ভদাইয়ে থলেহি,
ডাঙৰ ৰঙালাও এটাৰ খোলাত;
খোলাটোত থাকিয়েই সুখী হৈ ৰ’ল,
তাই নামাতিলে এটিও মাত;
আনজনী ঘৈণী ভদাইৰ ‘এলাগী’,
দেখিব নোৱাৰে সি;
শেতেলি এৰিয়েই ভদাই যায় খেতিলৈ,
বেচেৰীয়ে কৰিবনো কি?
ভদাইয়ে এদিন পঢ়া-শুনা কৰি,
শিকে অনেকবোৰ কথা;
আখৰ চিনি পোৱা এলাগী ঘৈণীলৈ,
তেতিয়াহে লাগে তাৰ বেথা!

# সাজি কোৱা নাই

*বিপুল চন্দ্ৰ খাটনিয়াৰে 'সাজি কোৱা নাই' শিৰোনামেৰে এটি স্ব-নিৰ্বাচিত শিতান আমাৰ গোটৰ মঞ্চত আৰম্ভ কৰি তেওঁৰ জীৱনত ঘটা সচাঁ ঘটনা কিছুমান উপন্যাসোপম শৈলীৰে আমাক পঢ়িবলৈ সুবিধা দিছে। তাৰেই দুটা কাহিনী আগবঢ়োৱা হ'ল...*

## (১)

সাতাশী চনৰ কথা। মই তেতিয়া গুৱাহাটীৰ ৰিজিঅনেল অফিচত কৰ্মৰত।

এক মাৰ্চৰ দিনা কৃষ্ণনগৰ মছজিদৰ কাষৰ ভাড়াঘৰটোত সোমালোঁ। তেতিয়া ক্ষুদ্ৰ সংসাৰ— আমি দুটা আৰু নিকুমনি। তাইৰ তেতিয়া এবছৰ হোৱাই নাই।

ত্ৰিশ মাৰ্চৰ সন্ধিয়া আৰ এম এ মাতি নি ক'লে— এনুৱেল ক্ল'জিঙত সহায় কৰিবলৈ মই চাৰিদিনৰ কাৰণে তেজপুৰ ব্ৰাঞ্চলৈ যাব লাগে। ইম্মিডীয়েট। মই ক'লোঁ- ছাৰ, নাইট চুপাৰত গ'লে মাজ ৰাতিহে পামগৈ। তাতকৈ ৰাতিপুৱা যাওঁ? মানি ল'লে দেই (সেইসময়ত বাছৰ সংখ্যা বহুত কম আছিল)। অফিচ এৰাৰ আগতে তেজপুৰ ব্ৰাঞ্চত ফোন কৰি হোটেলৰ ৰূম এটা বুক কৰি থ'বলৈ ক'লোঁ। সেই সময়ত হোটেলৰ সংখ্যাও বৰ কম আছিল।

ঘৰলৈ গৈ শ্ৰীমতীক ক'লোঁ যে ৰাতিপুৱাই তেজপুৰলৈ যাম চাৰিদিনৰ কাৰণে। উত্তৰত ক'লে তায়ো যাব বুলি। কাৰণ কেবাটাও। প্ৰথম— কেঁচুৱাজনী লৈ নতুন ঘৰটোত অকলে ভয় লাগিব। দ্বিতীয়— তেজপুৰলৈ তাই কেতিয়াও যোৱা নাই। আকৌ বহুদিনৰ হেঁপাহ- অগ্নিগড় আদি চাবলৈ। মই ক'লোঁ— ঠিক আছে, ব'ল। পাছত কিন্তু নক'বি— নি ব'ৰ কৰিলোঁ বুলি! যি কি নহওক, পিছদিনা পুৱাই ধেমাজি এক্সপ্ৰেছত তেজপুৰ অভিমুখে ৰাওনা দিলোঁ। দলগাঁৱৰ বৰফি আৰু ওৰাঙৰ ৰসগোল্লা খাই খাই বোধকৰোঁ দুপৰীয়া একমান বজাত তেজপুৰ পালোঁগৈ।

ব্ৰাঞ্চত গৈ খবৰ পালোঁ যে তেতিয়া তেজপুৰত থকা আৰু খোৱাৰ কাৰণে ভাল হোটেল আছিল পাৰিজাত। কিন্তু পাৰিজাতত বুকিং পিছদিনাৰ পৰাহে পোৱা গ'ল। গতিকে সেই দিনটোৰ কাৰণে বেলেগ এখন ব্যৱস্থা কৰি থৈছে।

গৈ দেখিলোঁ হোটেলখন চোন বঢ়িয়া। নতুন, চকুত লগা। চাফ চিকুণ। মাক-জীয়েকক ৰূমত এৰি মই অফিচলৈ গ'লোঁগৈ। সন্ধিয়া সাতমান বজাত ৰূমলৈ ঘূৰি গৈ ৰিপ'ৰ্টটো ল'লোঁ। নাই, বেছ কম্ফৰ্টেবোল হোটেল। হৈ হাল্লা নাই। খোৱা-বোৱাও ভাল। মঞ্জুৱে কেঁচুৱাৰ কাপোৰ ধুই এবাৰ গৈ চাদত মেলি দিছে, পিছত আনিছেগৈও— তাইক ৰূমতে থৈ।

অ' এটা কথা কোৱাই হোৱা নাই। হোটেলখনৰ নাম কন্যাপুৰ। দুমহলীয়া। এমহলা মাটিৰ ওপৰত,

এমহলা তলত, মানে আণ্ডাৰগ্ৰাউণ্ড। ভাড়া বেছি কাৰণে তাত সাধাৰণতে অৰুণাচলৰ পৰা অহা মানুহহে থাকে। ওপৰৰ ৰুম খালী নথকাৰ কাৰণে আমাক তলৰ ৰুম এটাহে দিছিলে। তলত মাজত প্ৰকাণ্ড কৰিড'ৰ- দুয়োফালে বোধকৰো পাঁচটা পাঁচটা ৰুম আছিল। দকচি খাই এঘাৰমান বজাত বিছনাত পৰিলোঁ। লগে লগে কিজানি টোপনিও গ'লোঁ। মই এক টোপনিৰ মানুহ। আৰু এবাৰ টোপনি গ'লে সৰু সুৰা ভূমিকম্পতো মোৰ টোপনি নাভাগে।

হঠাৎ ধহমহাই সাৰ পাই দেখিলোঁ মঞ্জুলাই মোক হেঁচুকি হেঁচুকি ফুচফুচাই উঠিবলৈ কৈছে। ইংগিতেৰে কথা ক'বলৈ মানা কৰিলে। ফুচফুচাই মোক শুনিবলৈ ক'লে।

হয়তো!

দুৱাৰৰ বাহিৰত জুনুক জুনুক শব্দ! কোনোবাই যেন ক'ৰিডৰেদি অহা-যোৱা কৰি আছে! আৰু যেন নাৰী কণ্ঠৰ চেঁপা হাঁহি! মই মঞ্জুক ক'লোঁ- ধেৎ, চিন্তা কৰিবলৈ কি হ'ল। কোনোবাই নিশ্চয় কোনোবা এটা ৰুমত পাৰ্টি-চাৰ্টি কৰিছে। শুই থাক, শুই থাক!

কৈ মই আকৌ শুই গ'লোঁ। অলপ পিছততো মোক আকৌ জগাই দিলে। জুনুক জানাক অহা-যোৱা চলিয়েই আছে। মাজে মাজে কান্দোনৰ শব্দ!

এইবাৰ কিন্তু মোৰ বৰ খং উঠিল। পাৰ্টি কৰিছে কৰক, আনক ডিষ্টাৰ্ব কিয় কৰিব? মই ক'লোঁ- ৰহ। দুযাৰমান শুনাই থৈ আহোঁ। এইবুলি ঘপকৈ দুৱাৰখন খুলি ক'ৰিডৰলৈ ওলাই দেখোঁ কোনোতো নাই!

ক'ৰিডৰটো মন কৰিলোঁ- এফালে বন্ধ, পকা দেৱাল। আনফালে গ্ৰীল, তলা মৰা। অকণমান ইফাল-সিফাল কৰি দেখিলোঁ আমাৰ ৰুমটোৰ বাদে বাকী এটাতো দেখোন মানুহেই নাই- চবতে তলা!

হঠাতে দেখোন মোৰ গাটো জিকাৰ খাই উঠিল! গাৰ নোমবোৰ থিয় হৈ গ'ল! দৌৰাদৌৰিকৈ ৰুমলৈ ঘূৰি আহি দুৱাৰখন বন্ধ কৰি দিলোঁ।

মঞ্জুক ক'লত তায়ো কঁপিবলৈ ধৰিলে আৰু নিকুমনিক সাবটি ধৰিলে। কিংকৰ্তব্যবিমূঢ় হৈ ময়ো সিহঁতক সাবট মাৰি ধৰিলোঁ! এনেদৰেই দুঘণ্টামান পাৰ কৰিলোঁ- শুবলৈ আৰু সাহস নহ'ল। বাহিৰত পুনৰ অহা-যোৱা চলিয়েই থাকিল- চাৰিমান বজালৈকে। আৰু আমি তেনেকৈয়ে বহি থাকিলোঁ।

ৰাতিপুৱাৰ লগে লগে টালি-টোপোলা বান্ধিলোঁ— পাৰিজাতত বুকিং কৰাই আছিল। ওলাই গৈ দেখিলোঁ কাউণ্টাৰত বহি আছিল হোটেলৰ স্বত্বাধিকাৰী শ্ৰীমতী ..বৰঠাকুৰ- মঞ্জুৰ ওচৰ সম্বন্ধীয় বায়েক নে পেহীয়েক। দেখিয়েই চিনি পালে (তেওঁ মোৰ নামটো নাজানিছিল বাবে আমি থকা গম পোৱা নাছিল।) বিল চিল নল'লে আৰু দুই-এদিন আৰু থাকিবলৈ জোৰ কৰিলে। আমি কোনোমতে তেওঁৰ পাল্লাৰ পৰা নিজকে ৰক্ষা কৰি পাৰিজাত পালোঁগৈ।

পিছত অফিচত গৈ যেতিয়া নিশাৰ কাহিনী ক'লোঁ এজনে তেতিয়া ইচইচাই উঠিল। ক'লে আগদিনা গম পোৱা হ'লে আমাক কেতিয়াও তাত থাকিবলৈ নিদিলেহেঁতেন। তেওঁহে ক'লে- সেইখন হোটেলৰ তলৰ মহলাত তাৰ দুবছৰমান আগতে দুজনী ছোৱালীৰ মৃত্যু হৈছিল আৰু ক'ৰ ছোৱালী বা কেনেকৈ মৰিল কোনেও নাজানিছিল। আৰু ঘটনাটোৰ পিছত প্ৰায় কোনো মানুহেই তাত থাকিবলৈ নগৈছিল-

মাত্ৰ অৰুণাচলৰ পৰা অহা মানুহহে তাত থাকিছিল!

আজিও মনত পৰি মোৰ গাৰ নোমবোৰ থিয় হৈ গৈছে।

## (২)

কটন কলেজৰ ছাত্ৰ আছিলোঁ বুলি ক'বলৈ যেনেকৈ গৌৰৱ অনুভৱ কৰোঁ তেনেকৈয়ে গৌৰৱ অনুভৱ কৰোঁ, যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয়ৰ ছাত্ৰ আছিলোঁ বুলি ক'বলৈ। আজিৰ অসমৰ শিক্ষা জগতত দুইখনেই কিছু ম্লান পৰিছে যদিও দীৰ্ঘকাল ধৰি দুয়োখনেই অসমৰ শিক্ষা জগতত ভোটা তৰা হৈ জিলিকি আছিল।

১৯৭২ চনত অষ্টম শ্ৰেণীত থাকোঁতে মই আমাৰ স্কুলৰ আলোচনী 'জেউতি'ৰ অসমীয়া শাখাৰ সম্পাদক নিৰ্বাচিত হৈছিলোঁ। ইংৰাজী শাখাৰ সম্পাদক আছিল লুতফুৰ। শ্ৰদ্ধেয় কেশৱ শৰ্মা ছাৰ অসমীয়া বিভাগৰ উপদেষ্টা আছিল। ইংৰাজী বিভাগৰ উপদেষ্টা কোন আছিল মনত নাই।

দুই গুৰুৰ পৰামৰ্শ অনুযায়ী আমি আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত ভালদৰেই আগবাঢ়িছিলোঁ। স্কুলৰ নিৰ্বাচন বছৰৰ মাজভাগত হোৱাৰ কাৰণে আলোচনীখনৰ প্ৰকাশৰ সময় হয় মানে আমি নৱম শ্ৰেণী পালোঁগৈ। অৱশেষত সেই দিনটো আহি পৰিল যিদিনা জেউতি প্ৰকাশ পাব। আমি সম্পাদকদ্বয়ে স্কুল ছুটীৰ পিছত প্ৰেছলৈ গৈ সকলো ঠিকঠাক কৰিলোঁগৈ। এঘাৰশ ছাত্ৰ, এশ দহজন শিক্ষক আৰু অন্যান্য স্কুল কলেজত দিয়াৰ কাৰণে প্ৰায় চৌদ্ধশ কপি ছপা কৰা হৈছিল। ঠিক কৰা হ'ল যে পিছদিনা প্ৰেছৰ মানুহে আহি স্কুলত দি যাব।

আমাৰ ঘৰৰ কাষতে চি কে বি কৰ্মাচ কলেজৰ অধ্যাপক শ্ৰীৰাজখোৱা ছাৰৰ ঘৰ আছিল। ছাৰ সেইদিনা ৰাতিৰ বাছত গুৱাহাটীলৈ যাব। বিয়া হোৱা বেছিদিন হোৱা নাই। গতিকে বাইদেৱে যাতে ভয় নকৰে তাৰ কাৰণে মোকে কোৱা হ'ল ৰখীয়া হিচাপে ৰাতিটো থাকি দিবলৈ, ভাতো তাতেই খাবলৈ ক'লে।

আঠমান বজাত ছাৰৰ ঘৰলৈ গ'লোঁ। বাইদেৱে ভাত ৰান্ধি আছিল। মোক ক'লে— 'ড্ৰয়িং ৰুমতে বহা'। ছাৰৰ ঘৰত বহিবলৈ মই আগৰ পৰাই ভালপাওঁ। কাৰণ তেখেতৰ ঘৰটো অসমীয়া আৰু ইংৰাজী কিতাপৰ সৰু-সুৰা এটা পুথিভঁৰালেই আছিল। গতিকে মই বহি ল'লোঁ। টেবুলৰ ওপৰতে দেখিলোঁ সেই বছৰৰে চি কে বি কমাৰ্চ কলেজৰ আলোচনীখন। সেইখনকে খুলি পাত লুটিয়াওঁতে এঠাইত মোৰ চকু ৰৈ গ'ল। এটা কবিতা বৰ চিনাকি চিনাকি লাগিল। লিখিছিলে কমাৰ্চৰে এজন ছাত্ৰই। হয়তো ! এই কবিতাটো আমাৰ জেউতিৰ প্ৰথম পৃষ্ঠাত ছপা হৈছে। আমাৰ কবিতাটো ১৯৭২ চনৰ আমাৰ স্কুলৰ সাহিত্য প্ৰতিযোগিতাত কবিতা খণ্ডত প্ৰথম পুৰস্কাৰ পাইছিল। লিখিছিলে আমাতকৈ এক শ্ৰেণী তলত পঢ়া এজন ল'ৰাই- থাকক নামটো নলওঁ।

মোৰ মূৰে কাম নকৰা হ'ল। এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে? তেতিয়া কৰিবলৈও একো নাই। ভাত-পানী খাই শুই থাকিলোঁ।

পিছদিনা ঘৰলৈ যাওঁতে বাইদেউৰ পৰা আলোচনীখন খুজি নিলোঁ। ঘৰলৈ গৈ লৰালৰিকৈ খাই বৈ

স্কুললৈ ওলালোঁ। আমাৰ ঘৰৰ পৰা অলপ আগত সঞ্জয় কৃষ্ণৰ ঘৰ। তেতিয়া সদায় মই স্কুললৈ যাওঁতে সঞ্জয়ৰ লগত একেলগে যাওঁ সিহঁতৰ গাড়ীত। ভাবিলোঁ আজি তাক ক'ম অলপ সোনকালে যাওঁ ব'লা বুলি।

সঞ্জয়ৰ ঘৰ পোৱাৰ আগতেই মোক ৰাস্তাতে পালে ৰে'ল মহন্তই। তেওঁৰ আচল নাম অভিনৱ প্ৰকাশ মহন্ত। অতি চোকা ল'ৰা- আমাতকৈ এবছৰ ওপৰৰ। কটনৰ দ্বিতীয় নে তৃতীয় ছাত্ৰাবাসত আছিল, বহুতে চিনি পাব।

ৰে'ল মহন্ত নামটো এনেয়ে পোৱা নাছিলে। তেওঁ পিন্ধিছিলে পাঞ্জাবী চোলা আৰু ধূতী। আচলতে আমাৰ স্কুলত চোলাটো নীলা হ'ব লাগিছিল, তলত যাৰ যি মন যায় পিন্ধিব পাৰিছিল। সেই সাজ পিন্ধি অভিনৱে যোৰহাটৰ পদপথেদি বিশ্বাশবদে স্কুললৈ অহা-যোৱা কৰিছিল। আগত মানুহ থাকিলে ৰে'লৰ উকিৰ দৰে শব্দ কৰি ঠেলা হেঁচা কৰি আগবাঢ়ি গৈছিল। আৰু এটা কথা আছিল। গোটেই বছৰ তেওঁ টেকেলি এটাত টকা জমা কৰিছিল আৰু তাকে লৈ প্ৰত্যেক বছৰে গৰমৰ বন্ধত এদিন ঘৰৰ পৰা মনে মনে ওলাই ৰে'লত উঠি ক'ৰবালৈ গুচি গৈছিল। অৱশ্যে বন্ধ শেষ হোৱাৰ আগতে আকৌ ঘূৰি আহিছিল। এইদৰে স্কুলত থাকোঁতেই তেওঁৰ গোটেই দেশ চোৱা হৈ গৈছিল হেনো। এই দুটা কাৰণতে যোৰহাটত তেওঁক সকলোৱে ৰে'ল মহন্ত বুলিয়েই জানিছিল।

মোক ৰাস্তাতে পাই ক'লে— কি গাড়ীত যাব লাগে হে? ব'লা আজি মোৰ লগত। আৰু টানি আজুৰি মোক লৈ গ'ল। সেইদিনা ৰে'ল মহন্তৰ যহতে দহ মিনিটমান আগতেই স্কুল গৈ পালোঁ।

স্কুলৰ গেটৰ ওচৰতে পালোঁ ধ্ৰুৱদাদাক। মানে বৰ্তমানৰ ড° ধ্ৰুৱজ্যোতি বৰা। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। তেতিয়া আমাৰ স্কুলৰে দ্বাদশ শ্ৰেণীৰ ছাত্ৰ। মই ধ্ৰুৱদাদাক কবিতাটোৰ কথাটো ক'লোঁ আৰু কমাৰ্চৰ আলোচনীখনো দেখুৱালোঁ। তেখেতে মোক লগে লগে অধ্যক্ষ জেহিৰুল হুছেইন ছাৰৰ কক্ষলৈ লৈ গ'ল। ছাৰক কথাটো জনোৱাৰ লগে লগে কেশৱ শৰ্মা ছাৰকো মতাই অনালে। আৰু দুজনমান শিক্ষককো মতাই অনা হ'ল। আমাৰ কবিজনকো অষ্টম শ্ৰেণীৰ পৰা মতাই অনা হ'ল। তাক যেতিয়া সোধা গ'ল তেতিয়া বেচেৰাই ভয়তে কান্দি দিলে। স্বীকাৰো কৰিলে যে সি কমাৰ্চৰ আলোচনীখনৰ পৰাই কবিতাটো চুৰ কৰি আনি আমাৰ স্কুলৰ প্ৰতিযোগিতাত দিছিল। কেউজন ছাৰে আলোচনা কৰি লগে লগে প্ৰেছলৈ খবৰ পঠালে যাতে আলোচনীখিনি খবৰ নিদিয়া পৰ্যন্ত পঠাই নিদিয়ে।

তাৰপিছত মোক লগত লৈ কেশৱ শৰ্মা ছাৰে আৰু এজন শিক্ষক লগত লৈ কমাৰ্চ কলেজলৈ গ'ল। তাতে আমি কমাৰ্চৰ অধ্যক্ষৰ লগত দেখা কৰিলোঁ। আলোচনা মৰ্মে অধ্যক্ষ মহোদয়ে আমাক এন অ চি মানে আপত্তি নাই বুলি প্ৰমাণ-পত্ৰ এখন দিলে এটা চৰ্তসহ। চৰ্তটো হ'ল যে কবিতাটো আমাৰ আলোচনীখনত প্ৰকাশ হ'ব যদিও কবিৰ নাম আৰু কমাৰ্চ কলেজৰ ছাত্ৰ বুলি তাত উল্লেখ থাকিব লাগিব।

চাৰি-পাঁচ দিনমানৰ মূৰত আমাৰ আলোচনীখন প্ৰকাশ হ'ল— আচল কবিৰ নাম আদি ছপা কৰি আমাৰ প্লেগিয়াৰিষ্ট জনৰ নামৰ ওপৰত ষ্টিকাৰ লগাই দিয়াৰ পিছত।

●●●

# ছিডনীৰ সমুদ্ৰৰ বুকুত Whale watching

**কস্তুৰী নিভা গগৈ**

অষ্ট্ৰেলিয়াৰ ছিডনী এখন অতি পুৰণি আৰু সুন্দৰ ঠাই। সমুদ্ৰতীৰত থকা ছিডনীৰ অপেৰা হাউচ বিশ্বৰ অন্যতম আশ্বৰ্যকৰ গৃহ বাবে অতি আকৰ্ষণীয়। অপেৰা হাউচৰ উপৰিও Darling Harbour, Harbour bridge, China Park, Sea life, Madam Tussue, Manly beach, Sydney eye ইত্যাদি সকলোবোৰ অতি আকৰ্ষণীয় আৰু উল্লেখযোগ্য পৰ্যটনথলী বাবে সমগ্ৰ বিশ্বৰে পৰ্যটক সকলক যুগে যুগে আকৰ্ষণ কৰি আহিছে।

সমুদ্ৰৰ বুকুত Whale watching অৰ্থাৎ তিমি মাছ চাবলৈ সৰু সৰু সুন্দৰ তিনি মহলীয়া Steamer চলে। এনেকুৰা এখন Steamerত আমি Whale watchingৰ প্ৰয়োজনীয় টিকট সংগ্ৰহ কৰি যাত্ৰাৰম্ভ কৰিলোঁ। দেশ-বিদেশৰ বিভিন্ন বয়সৰ যথেষ্ট পৰ্যটকৰে ষ্টীমাৰখন ভৰি পৰিল। মই একেবাৰে তলৰ মহলাৰ কাষৰ আসন এখনত বহি ল'লোঁ যাতে সুন্দৰভাবে ফটো video আদি গ্ৰহণ কৰিব পাৰোঁ। মাজৰ মহলা আৰু বিশেষকৈ বেলকনিখনত ডেকা-গাভৰু পৰ্যটকৰে ভৰি পৰিল।

তলৰ মহলাত মোৰ একেবাৰে বিপৰীত দিশত এগৰাকী মহিলা। ষ্টীমাৰ চলি যোৱাৰ লগে লগে গাইডে পাৰৰ ঠাইবোৰৰ বিশেষত্ব আদি সাৱলীলভাৱে বৰ্ণনা কৰি গ'ল। এঘণ্টা যাত্ৰাৰ পাছত ষ্টীমাৰখন সমুদ্ৰৰ ভিতৰৰ ফালে আগবাঢ়ি যোৱাৰ লগে লগে তিমি মাছৰ জঁপিয়া-জঁপি পৰিলক্ষিত হ'ল। ইফালে-সিফালে আৰু দুখন পৰ্যটকৰে পৰিপূৰ্ণ ষ্টীমাৰ দেখা গ'ল। Whale বোৰেও পোৱালিবোৰৰ সৈতে পানীৰ ঢৌত জপিয়া- জঁপি কৰিছে— পানীত বুৰ মাৰে আৰু জঁপিয়াই ওলাই আহে। কোনোবাবাৰ মুখমণ্ডল কোনোবাবাৰ ফিচাখণ্ড দেখুৱায় যেন বৰধেমালি-সৰুধেমালিহে দেখুৱায় এনেকুৱাহে লাগে। পানীত বুৰ মাৰে আৰু ভুটুংকৈ জঁপিয়াই ওলাই আহে। বহুকেইটা তিমি মাছে এনেদৰে নাচোন-বাগোন কৰে এনেহে লাগে যেন পৰ্যটকক দেখুৱাবলৈহে ওলোটাই ওভোতাই পানীৰ উত্তাল তৰংগত নানা তৰহৰ খেল-ধেমালিৰ ৰংমেলা পাতিছে। হেঁপাহ পলুৱাই চাইছোঁ, ফটো তুলিছোঁ, video কৰিছোঁ।

জলতৰংগৰ উত্থান-পতনৰ লগে লগে ওপৰৰ বেলকনিৰ বেছিভাগ পৰ্যটকৰে মূৰ আচন্দ্ৰাই কৰিব ধৰিলে। সকলোবোৰ তলৰ মহলালৈ আহি চকীত বহি টেবুলত মূৰ পেলাই দিলেহি। আমাৰ খালী কোঠালিটো এইবাৰ পৰ্যটকৰে ভৰি পৰিল। ভালদৰে তিমি মাছৰ নাচোন-বাগোন খেল-ধেমালি দেখুৱাই ষ্টীমাৰখনেও ওভতনি যাত্ৰা আৰম্ভ কৰিলে। এঘণ্টা উভতনি যাত্ৰাৰ পাছত পৰ্যটকসকল সুস্থিৰ হ'ল। বাটত এটা ঘাটত যাত্ৰী নমাই আৰম্ভণিৰ স্থানলৈ ষ্টীমাৰে গতি কৰিলে। সময়ত আমাৰ স্থান পালোঁহি। সকলোৱে ধীৰে-সুস্থিৰে ষ্টীমাৰৰ পৰা নামিলে। এক মনোৰম যাত্ৰা আৰু অভিনৱ ৰোমাঞ্চকৰ অভিজ্ঞতাৰে তিমি মাছৰ নাচোন-বাগোন চাই অভিভূত আৰু আপ্লুত হ'লোঁ।

●●●

# কিছু অভিজ্ঞতা

**শ্ৰুতিধৰা চক্ৰৱৰ্তী**

১৯৯৩ চনৰ কথা। পোলেণ্ডৰ ক্ৰেকো চহৰত থকা জেগিয়লেনিয়ান বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তৰ্জাতিক সংস্কৃত সন্মিলনত এখন গবেষণা পত্ৰ উপস্থাপন কৰিবলৈ আমন্ত্ৰণ পালোঁ। সেই সময়ছোৱা মোৰ বাবে আছিল কৰ্ম জীৱনত আগুৱাই যোৱাৰ সময়। সেয়েহে এনে এটা সুবৰ্ণ সুযোগ এৰি দিবলৈ মোৰ মুঠেও মন নগ'ল। পোলেণ্ডত থকা কালছোৱাৰ খৰচ বহন কৰিব সন্মিলনৰ আয়োজকে আৰু যাতায়াতৰ খৰচ বহন কৰিব আমাৰ বিশ্ববিদ্যালয়ে বুলি ঠিক হ'ল। পিছে মোৰ অভিভাৱকসকল মোৰ এই যাত্ৰাৰ বিষয়ে অত্যন্ত চিন্তিত হৈ পৰিল। ইয়াৰ আগতে বহুবাৰ দেশৰ বিভিন্ন ঠাইলৈ অকলেই গৈছোঁ। কিন্তু বিদেশলৈ অকলে যাব পাৰিম নে নাই সেই বিষয়টোৱে তেওঁলোকক চিন্তাত পেলালে। গতিকে সিদ্ধান্ত হ'ল যে পোলেণ্ডত প্ৰথমতে গৈ মই ৱাৰ্শ'ৰ ইস্কন মন্দিৰত থাকিম আৰু তাত থকা ভক্ত সকলে দুদিন পিছত মোক ক্ৰেকোলৈ যোৱা ট্ৰেইনত তুলি দিব। সেইমতেই মোৰ ভনীজোঁৱাই শ্ৰী জীৱই ৱাৰ্শ'ত থকা মন্দিৰৰ লগত যোগাযোগ কৰি সকলো ঠিক কৰি থ'লে।

ছেপ্টেম্বৰ মাহৰ ২০ তাৰিখে পুৱতি নিশাতে মোৰ গৃহস্থ আৰু আমাৰ ৮ বছৰীয়া একমাত্ৰ সন্তান প্ৰজ্ঞানে (সোণাই) মোক দিল্লীৰ এয়াৰপোৰ্টত থ'বলৈ গ'ল। যাবৰ সময়ত সোণাই মোক সাবটি ধৰি বাৰে বাৰে সুধিবলৈ ধৰিলে— "মা, তুমি ঠিকে ঠিকে যাব পাৰিবাতো?" তাৰ চিন্তা দেখি মোৰো মনটো সেমেকি উঠিল। তাক আশ্বাস দি মই কথা দিলোঁ যে যেতিয়াই পাৰোঁ মই ফোন কৰিম। এয়াৰ ইণ্ডিয়াৰ বিমানত উঠি গম পালোঁ যে মোৰ আসন ইকনমি ক্লাছৰ পৰিৱৰ্তে এক্সিকিউটিভ ক্লাছলৈ উন্নীত কৰা হৈছে। যথেষ্ট আৰামেৰে গৈ জাৰ্মানীৰ ফ্ৰেঙ্কফুৰ্ট বিমান বন্দৰত উপস্থিত হ'লোঁ। বিশাল, সুন্দৰ বিমান বন্দৰ। তাতে দুঘণ্টা ৰৈ পোলেণ্ডলৈ বেলেগ বিমানেৰে যাব লাগিব।

এই সময়খিনিৰ ভিতৰতে দেখাত মোৰ সম বয়সীয়া ছোৱালী এজনী মোৰ কাষলৈ আহি পৰিচয় হ'ল। ইস্কন মন্দিৰলৈ যাম বাবে মই শাৰী পিন্ধিহে গৈছিলোঁ। মোৰ প্ৰতি হয়তো ছোৱালীগৰাকীৰ সেয়েহে কৌতুহল হ'ল। সি যি কি নহওক, গম পালোঁ যে তেওঁৰ নাম মাৰিয়া আৰু পোলেণ্ডৰ ৱাৰ্শ'ত নামি ট্ৰেইনেৰে উজ্জ্ নামৰ ঠাইখনলৈ যাব। মাৰিয়াৰ লগত বহুত কথা পাতিলোঁ। কেতিয়া যে আহি ৱাৰ্শ' পালোঁহি গমেই নাপালোঁ। ইতিমধ্যে মাৰিয়াই মই ক'লৈ যাম সোধাত কৈছিলোঁ যে ৱাৰ্শ'ৰ মিছাদুৰ নামৰ ঠাই টুকুৰালৈ যাম। তেওঁ ঠাইখন ক'ত সেইটো ভালকৈ ধৰিব নোৱাৰিলে। সেইকাৰণে এয়াৰপোৰ্টৰ পৰাই খুচুৰা পইচা ভৰাই ইস্কন মন্দিৰলৈ ফোন কৰি গম পালে যে মই যাব লগা মিছাদুৰ নামৰ ঠাই টুকুৰা

চহৰৰ উপকণ্ঠতহে অৱস্থিত। টেক্সিৰে তালৈ যোৱাটো সমীচীন নহ'ব। মাৰিয়াই মোক অকলে এৰি দিব নুখুজিলে। তেওঁৰ লগতে ৱাৰ্শ'ৰ মূল ট্ৰেইন ষ্টেচন পালোঁগৈ। তাৰ পৰা মোক বাছ ষ্টেচনলৈ যাবৰ বাবে এখন টেক্সি ধৰাই দি মাৰিয়াই মোৰ পৰা বিদায় ল'লে। বুজা গ'ল যে পোলেণ্ডৰ মানুহবোৰে ইংৰাজী মুঠেও নুবুজে। মহা বিপদত পৰিলোঁ।

টেক্সিচালকজন ডেকা ল'ৰা। দুই এটা ইংৰাজী শব্দ জানে। মোক সুধিলে— 'হুৱেৰ গ'? মই ক'লোঁ যে মিছাদুৰলৈ যাবৰ কাৰণে এখন বাছত উঠিব লাগে। ল'ৰাটোৱে অবাক হৈ মোলৈ চাই সুধিলে— 'বাছ? হোৱাত বাছ?' মই বুজিলোঁ যে ই বাছ কি বুজা নাই। কি কৰিম ধৰিব নোৱাৰি ৰাস্তাৰে গৈ থকা বাছ এখন দেখুৱাই আকাৰে ইঙ্গিতে বাছ কি বুজাই দিলোঁ। তেওঁ ক'লে— 'অ'হ! বুছ?' বুজিলোঁ যে এওঁলোকে বাছক বুছ বুলি কয়। আস্থানত নামি ভাবি আছোঁ, কোনখন বাছ বা মিছাদুৰলৈ যায়! এনেতে কাষেৰেই এগৰাকী বৃদ্ধা পাৰ হৈ বাছবোৰৰ পিনে গৈ থকা দেখি তেখেতকে সুধিলোঁ— 'বুছ মিছাদুৰ'? তেওঁ মোৰ হাতত ধৰি মোক বাছবিলাকৰ ওচৰলৈ নি নিৰ্দিষ্ট এখন বাছ দেখুৱাই দি ক'লে 'বুছ মিছাদুৰ'। সেইমতেই মই বাছখনত উঠিলোঁ। পিছে টিকট ক'ত পাম? বিমোৰত পৰি ইংৰাজীতে কথাষাৰ আনে শুনাকৈ কাষতে বহা মহিলাগৰাকীক সুধিলোঁ। এই মানুহগৰাকীয়ে ইংৰাজী নুবুজে। তেওঁ বোধহয় মই কি সুধিছোঁ বুজা নাই বুলি বাছত থকা সকলো যাত্ৰীক ডাঙৰকৈ জনালে। এইবাৰ মোক সহায় কৰিবলৈ আগুৱাই আহিল আন এগৰাকী আদহীয়া মহিলা। সৌভাগ্যক্ৰমে তেওঁ ইংৰাজী বুজি পায়। তেওঁৰ পৰা জানিলোঁ যে পলিশ ভাষাত টিকটক বিলেট বোলে, আৰু বিলেট দোকানতহে কিনিবলৈ পোৱা যায়। তেওঁ মোক চিন্তা কৰিবলৈ মানা কৰিলে আৰু বেগৰ পৰা উলিয়াই মোৰ হাতত এটা টিকট গুঁজি দিলে। লগতে মোক জনালে যে তেৰোঁ মিছাদুৰলৈকে যাব। কিছুসময় যোৱাৰ পিছত মিছাদুৰ পাই দুয়ো বাছৰ পৰা নামিলোঁ। ইতিমধ্যেই বেলি লহিওৱাৰ পথত। ইমান নিজান ঠাইখন! মন কৰিবলগীয়া কথাটো হ'ল এই যে সেই মহিলাগৰাকী মোৰ লগতে কিছুপৰ ৰৈ থাকিল। ক'ত বা মন্দিৰটো? কাকনো সুধিম? কোনো এটা নৰমনিষ নাই সুধিবলৈ। এনেতে দূৰৰ পৰাই আমাক দেখি এগৰাকী ছোৱালী দৌৰি আহিল। মোক শাৰী পিন্ধা দেখি তেওঁ বুজিছিল যে মই ইস্কনলৈ যাম। তেৰোঁ তাতেই থাকে। মই যেন তেতিয়াহে উশাহ পালোঁ। মোৰ দয়ালু সহযাত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰি ইস্কনলৈ খোজ ল'লোঁ...।

●●●

# পণ্ডিচেৰীলৈ ফুৰিবলৈ গৈছিলোঁ

**মীনাক্ষি ৰায় ডাকুৱা**

ভাষা, সংস্কৃতি, পৰিচ্ছদ, খাদ্যাভ্যাস প্ৰভৃতি সকলোবোৰতেই ভাৰতৰ অন্যান্য ঠাইৰ পৰা স্বতন্ত্ৰ হ'লেও পৰ্যটকসকলৰ ওচৰত দক্ষিণ ভাৰত তুলনাহীন। ইংৰাজী ১৯৯৯ চনৰ জানুৱাৰি মাহৰ ১৫ তাৰিখে

ইণ্ডিয়ান এয়াৰ লাইন্সৰ বিমানেৰে আমি গুৱাহাটীৰ পৰা চেন্নাইলৈ গৈ তাৰপৰা টেক্সিৰে ভেলোৰলৈ গৈছিলোঁ। উদ্দেশ্য আছিল ভেলোৰৰ 'খৃষ্টিয়ান মেডিকেল কলেজ আৰু হস্পিতাল' (CMCH) ত চিকিৎসা সেৱা গ্ৰহণ কৰা। মোৰ লগত গৈছিল মোৰ ভাই দীলিপ (অমল নাৰায়ন ৰায় ডাকুৱা)। CMCH ত চিকিৎসা সেৱা লোৱাৰ পিছত আমি হাতত উপৰঞ্চি সময় পালোঁ, কাৰণ আমাৰ ঘূৰি অহাৰ বিমানৰ টিকট দুদিন পিছৰ তাৰিখতহে কটা আছিল। ভ্ৰমণৰ আগ্ৰহ মানুহৰ চিৰকালীন। গতিকে হাতত পোৱা এই দুদিনত আমি পণ্ডিচেৰীলৈ ফুৰিবলৈ গ'লোঁ।

ভেলোৰাৰ পৰা পণ্ডিচেৰীলৈ বাছেৰে যাব পাৰি যদিও আমি টেক্সি ভাৰা কৰিয়েই গ'লোঁ। সৰু ঠাই হ'লেও পণ্ডিচেৰী কিন্তু এখন ৰাজ্য বা প্ৰদেশ। কিংবদন্তিয়ে কয়—পণ্ডিচেৰীত অগস্ত্য মুনিৰ আশ্ৰম আছিল। পণ্ডিচেৰীৰ প্ৰাচীন নাম বেদপুৰী। সেয়া ইতিহাস। ইতিহাসতেই উল্লেখ আছে, ইয়াত বিশ্ববিদ্যালয় আছিল। ইতিহাসৰ পট পৰিৱৰ্তনৰ লগে লগে ঠাইখনৰ নাম সলনি হৈ পুলিচেৰী(ধীৱৰ সকলৰ গাঁও) হয়। ওঠৰ শতিকাত ফৰাচীসকলে পূৰ্বতটৰেখাৰ এই ঠাইখন দখল কৰি নাম ৰাখে পণ্ডিচেৰী। ফৰাচী উপনিৱেশ পণ্ডিচেৰী বিদেশী শাসনমুক্ত হৈ ১৯৫৪ চনত ভাৰতৰাষ্ট্ৰৰ অন্তৰ্ভূক্ত হয়।প্ৰায় ২০০ বছৰ ফৰাচীসকলৰ অধীনত থকাৰ ফলত বৰ্তমানেও এই ঠাইৰ শিল্প সংস্কৃতি আৰু স্থাপত্যৰ ওপৰত ফৰাচী প্ৰভাৱ সুস্পষ্ট। আজিও ইয়াত ফৰাচী স্মাৰক বিয়পি আছে। কাৰিকল, মাহে, ইয়ানামা আৰু পণ্ডিচেৰীক লৈ এই ৰাজ্য গঢ়ি উঠিছে। পণ্ডিচেৰীৰ স্থানীয় নাম পণ্ডি। পণ্ডিচেৰী বৰ্তমানে পুডুচেৰী নামে পৰিচিত। এই নামৰো এটা ঐতিহাসিক পট ভূমিকা আছে। তামিল ভাষাত পুডু শব্দৰ অৰ্থ নতুন আৰু চেৰী শব্দৰ অৰ্থ চহৰ অৰ্থাৎ নতুন চহৰ। আকৌ বহুতে ভাবে পুলিচেৰীৰ পৰা আহিছে পুডুচেৰী। বঙ্গোপসাগৰৰ পাৰত পণ্ডিচেৰী এখন সুন্দৰ আটকধুনীয়া চহৰ। পণ্ডিচেৰীৰ প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ শান্ত পৰিচ্ছন্ন পৰিৱেশ আৰু প্ৰাচীন ফৰাচী স্থাপত্য শিল্পৰ নিদৰ্শন।

ভেলোৰৰপৰা ৰাতিপুৱাই যাত্ৰা আৰম্ভ কৰি আমি ৯-৩০ বজাত গৈ পণ্ডিচেৰীত উপস্থিত হ'লোঁ। পণ্ডিচেৰীত উপস্থিত হৈ আমি প্ৰথমে আশ্ৰমৰ কাষৰ এখন বাঙালী মালিক পৰিচালিত হোটেল 'জুবিলী'ত এটা ডাবল বে'ডৰ ঘৰ ল'লোঁ। গোটেই বিশ্বত পণ্ডিচেৰী বিশেষভাৱে সমাদৃত হয় বিপ্লৱী দেশপ্ৰেমিক, দাৰ্শনিক ঋষি অৰবিন্দ ঘোষৰ মানস কন্যা শ্ৰীঅৰবিন্দ আশ্ৰমৰ বাবে। অৰবিন্দ ঘোষ আছিল মনীষী। বিদেশী শিক্ষাৰ পোহৰত তেওঁ নিজৰ জীৱনৰ সন্ধিক্ষণ চিনিবলৈ সক্ষম হৈছিল। তেওঁৰ মনৰ অভ্যন্তৰত জন্ম লৈছিল দেশসেৱাৰ বাসনা। ঘোঁৰাত উঠাৰ পৰীক্ষাত উপস্থিত হ'ব নোৱৰাৰ বাবে ভাৰতীয় অসামৰিক সেৱা (ICS) ৰ চাকৰিত তেওঁ যোগদান কৰিব পৰা নাছিল। প্ৰথম জীৱনত বিপ্লৱেৰে পৰাধীন দেশক শৃঙ্খলামুক্ত কৰিবলৈ ব্ৰতী হোৱাত আলিপুৰ বোমা মামলাত তেওঁ এবছৰ জেল খাটিবলগীয়া হয়। সেই সময়তে তেওঁৰ জীৱনলৈ আহে এক গতি পৰিৱৰ্তন (টাৰ্নিংপইণ্ট)। কাৰাগাৰতে যেন তেওঁ দৰ্শন পালে নাৰায়ণৰূপী শ্ৰীকৃষ্ণৰ। কাৰাগাৰ তেওঁৰ বাবে হৈ উঠিল এক আশ্ৰম। পিছত মঞ্চত থিয় হৈ তেওঁ ঘোষণা

কৰে যে একমাত্ৰ স্বাধীনতাই আমাৰ লক্ষ্য নহয়। তাৰ লগত সংযুক্ত কৰিব লাগিব সনাতন ধৰ্মৰ পুনৰুদ্ধাৰ, যি সমগ্ৰ মানৱজাতিৰ ধৰ্ম, যি সাৰ্বজনীন হোৱা প্ৰয়োজন। হিংসাৰ পথ ত্যাগ কৰি বিপ্লৱী আন্দোলনৰ পৰা নিজক বিচ্ছিন্ন কৰিলেও তেওঁৰ মনত কোনো হতাশা বা ব্যৰ্থতাৰ মনোভাব নাছিল। নিজৰ অন্তৰস্থিত ভগৱানৰ 'সুস্পষ্ট আদেশ' অনুযায়ী ১৯১০ চনৰ ৪ এপ্ৰিল তাৰিখে যতীন্দ্ৰ নাথ মিত্ৰ ছদ্মনাম লৈ অৰবিন্দ ঘোষ ভাৰতৰ পৰা ইংৰাজসকলৰ চকুত ধূলি দি পণ্ডিচেৰীলৈ আহে ফৰাচীৰ আশ্ৰয়ত। পণ্ডিচেৰীলৈ আহি তেওঁ নিজকে বিস্তাৰ কৰে— এক নতুন আধ্যাত্মিক পথত নিমগ্ন হৈ বিপ্লৱৰ জ্বালামুখী বঙ্গদেশৰ পৰা বহুদূৰত আৰম্ভ হয় তেওঁৰ মহাসিন্ধু যাত্ৰা।

অৰবিন্দৰ বিপ্লৱী মন সম্পূৰ্ণ শান্ত হয় বঙ্গোপসাগৰৰ নীল সমুদ্ৰত বৈ পণ্ডিচেৰীলৈ আহি আৰু নিজকে দৰ্শনত নিমজ্জিত কৰি। ইয়াৰ 'আৰ্য' পত্ৰিকাত দৰ্শনতত্ব লৈ তেওঁ প্ৰতি মাহে লিখে। The Life Devine, The Synthesis of Yoga, The scent of Veda, Essays on the Gita, The Human Cycle ইত্যাদি। ক্ৰমশঃ অৰবিন্দক কেন্দ্ৰ কৰি গঢ়ি উঠে আশ্ৰম। বিপ্লৱীৰ পৰা তেওঁ ৰূপান্তৰিত হ'ল ঋষিলৈ।

১৯২৪ চনৰ ২৪ নৱেম্বৰত শ্ৰী অৰবিন্দই পূৰ্ণসিদ্ধি লাভ কৰাৰ পিছত তেওঁ বহিৰ্জগতৰ পৰা সম্পূৰ্ণ নিৰ্লিপ্ত থকাৰ বাবে আশ্ৰম চোৱাচিতা কৰাৰ ভাৰ পৰে শ্ৰী অৰবিন্দৰ বিদেশিনী শিষ্যা শ্ৰীমাৰ ওপৰত। ১৯৫০ চনত শ্ৰীঅৰবিন্দৰ মহাসমাধিৰ পাছত এই আশ্ৰমৰ সমস্ত কাম-কাজ পৰিচালিত হৈছিল শ্ৰীমাৰ নিৰ্দেশত। শ্ৰীমাৰ আচল নাম মীৰা আলফাসা। ১৮৭৮ চনৰ ২১ ফেব্ৰুৱাৰি তাৰিখে পেৰিচৰ এক অত্যন্ত সমৃদ্ধিশালী পৰিয়ালত মীৰা আলফাসাৰ জন্ম হৈছিল। পূৰ্ণ মাতৃশক্তি লৈয়েই মীৰাই জন্মগ্ৰহণ কৰিছিল। প্ৰাথমিক শিক্ষালাভ কৰাৰ আগতে মাত্ৰ চাৰি বছৰ বয়সতেই মীৰাই কঠোৰ যোগসাধনাত সিদ্ধিলাভ কৰিছিল। ১৯১৪ চনৰ ২৯ মাৰ্চ তাৰিখে তেওঁ প্ৰথম ভাতৰলৈ আহে আৰু পণ্ডিচেৰীত উপস্থিত হয়। লোকশিক্ষাৰ হেতু মীৰাই শ্ৰী অৰবিন্দৰ ওচৰত দীক্ষা লয় আৰু শ্ৰী অৰবিন্দৰ 'আৰ্য' পত্ৰিকাৰ প্ৰকাশত সহায়তা কৰে। প্ৰথম বিশ্বযুদ্ধৰ সময়ত ফৰাচী চৰকাৰৰ নিৰ্দেশ ক্ৰমে তেওঁ ভাৰাক্ৰান্ত হৃদয়েৰে পেৰিচলৈ উভতি যায়। কিন্তু ১৯২০ চনৰ ২৪ এপ্ৰিল তাৰিখে পণ্ডিচেৰীত দ্বিতীয়বাৰ পদাৰ্পণ কৰি তেওঁ আশ্ৰমৰ ভাৰ নিজৰ হাতত লয়। তেতিয়াই মীৰা আলফাসা নামটো চিৰকালৰ বাবে পৰিত্যাগ কৰি স্ব-মহিমাৰে আত্মপ্ৰকাশ কৰে শ্ৰীমা ৰূপে। শ্ৰীঅৰবিন্দই ১৯২৮ চনত শ্ৰীমাৰ প্ৰকৃত স্বৰূপ বৰ্ণনা কৰি লিখি উলিয়াইছিল "The Mother" কিতাপখন। শ্ৰীমাই নিজৰ অভিজ্ঞতা আৰু উপলব্ধিৰ কথা ১৯১২ চনৰপৰা ১৯৩৭ চনলৈ প্ৰতিদিন লিখা ডায়েৰী যেতিয়া "Prayars and Meditation" নামেৰে কিতাপ আকাৰে ছপা হৈ ওলায় তেতিয়া জগত সভাত লেখিকাৰ পৰিচয় শ্ৰীমা বা দি মাডাৰ। শ্ৰীমাৰ উক্ত কিতাপখন পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ।

পণ্ডিচেৰীৰ প্ৰধান দ্ৰষ্টব্য হ'ল শ্ৰী অৰবিন্দ আশ্ৰম, অৰোভিল নগৰী আৰু মাতৃমন্দিৰ। আশ্ৰমৰ ভিতৰত আমি শিল্পকেন্দ্ৰ, হেণ্ডলুম পেপাৰ ইণ্ডাষ্ট্ৰি, আয়ুৰ্বেদিক ডিচ্‌পেনচাৰী, লাইব্ৰেৰী, ডেয়াৰী, পোলট্ৰি,

ঋষি অৰবিন্দৰ সাধনকক্ষ আৰু শ্ৰীঅৰবিন্দ আন্তৰ্জাতিক শিক্ষাকেন্দ্ৰ চালোঁ। 'শ্ৰীঅৰবিন্দ শিক্ষাকেন্দ্ৰ' নামৰ এই বিশ্ববিদ্যালয়ত দেশ বিদেশৰ বহু শিক্ষাৰ্থী অভিনৱ শিক্ষা পদ্ধতিৰে জ্ঞান ভাণ্ডাৰ সমৃদ্ধ কৰি আছে। পণ্ডিচেৰীৰ পৰা ১১ কিলোমিটাৰ দূৰত আছে শ্ৰীমাৰ কল্পনাৰ বাস্তৱ ৰূপ অৰোভিল বা অৰবিন্দ নগৰী। এই অৰোভিলৰ ৰূপকাৰ হ'ল অৰবিন্দ চোচাইটি। ভাৰত চৰকাৰ সহ পৃথিৱীৰ ১২৬ খন দেশ ইউনেস্ক'ৰ আৰ্থিক সহযোগিতাত এই অৰোভিল নগৰ তৈয়াৰ হয়। ১৯৬৮ চনৰ ২৮ ফেব্ৰুৱাৰি তাৰিখে ভাৰতৰ ৰাষ্ট্ৰপতি সহ ১২৪ খন দেশৰ প্ৰতিনিধিৰ উপস্থিতিত সেইবোৰ দেশৰ মাটি আন এটি পদ্মকোৰকত স্থাপন কৰি অৰোভিল নগৰ তৈয়াৰীৰ কাম আৰম্ভ কৰা হয়। মুঠ ২৬০০ একৰ জমিৰ ওপৰত আৰোভিল নগৰ চাৰিটা অঞ্চলত বিভক্ত। আৰোভিলত ৫০ হেজাৰ ঘৰ তৈয়াৰ কৰাৰ পৰিকল্পনা আছিল। শ্ৰীমাৰ সেই মহান স্বপ্ন আজি বাস্তৱায়িত হৈছে। শ্ৰীঅৰবিন্দই অৰোভিলক কৈছিল-দি চিটি অফ্ ডন।

অৰোভিলৰ মূল আকৰ্ষণ হ'ল মাতৃমন্দিৰ। ৰঙা মাটিৰ পথ, ফুল-ফলৰ গছ, ফুলৰ গোন্ধ, চৰাইৰ কলৰোল যাৰ বৈশিষ্ট্য। গেটৰ মাজেদি আমি ভিতৰলৈ সোমাই গলোঁ। কিছুদূৰ আগবাঢ়ি গৈ দেখা পালোঁ বিশাল সেউজীয়া লনৰ ওপৰত সুউচ্চ পৃথিৱীৰ দৰে গোলাকাৰ মাতৃমন্দিৰ। মাতৃমন্দিৰৰ গাত সজোৱা আছে সোণালী গোলাকাৰ ধাতুখণ্ড। উপাসনা গৃহ আলোকিত হৈ আছে সূৰ্যালোকত। ফৰাচী স্থপতিবিদ ৰজাৰ আৰ্চাৰৰ পৰিকল্পনাত এই মাতৃমন্দিৰ নিৰ্মাণ কৰা হৈছিল। মাতৃমন্দিৰৰ অভ্যন্তৰত আছে মেডিটেচন হল বা প্ৰাৰ্থনাগৃহ। বিশেষ অনুমতি লৈ ইয়াত ধ্যান কৰিব পৰা যায়। অৰোভিলৰ এই মাতৃমন্দিৰ স্থাপত্য শিল্পৰ এক অসাধাৰৰণ সৃষ্টি।

অৰোভিলৰ তলৰ মহলাত আছে দৰ্শনীয় আৰু কিনাৰ বাবে আশ্ৰমৰ তৈয়াৰী নানা বস্তু বাহানিৰে সজোৱা শ্বো-ৰুম। পুৰুষ আৰু মহিলাৰ আধুনিক পোচাক, চাবোন, চেণ্ট, ধূপকাঠি, ডিচ, কাঁহী, বাটি, গিলাচ, খাদ্যদ্ৰব্য, সুদৃশ্য কাঠৰ তৈয়াৰী বস্তু ইত্যাদি নানা ধৰণৰ সামগ্ৰী পোৱা যায়। বস্তুবোৰ দেখাত যেনে সুন্দৰ আৰু প্ৰাকৃতিক গুণেৰে ভৰা দামতো যুক্তিযুক্ত। পণ্ডিচেৰী ভ্ৰমণৰ স্মৃতি হিচাপে আমি চেণ্ট, ধূপকাঠি আৰু কেইটামান কাঠৰ বস্তু কিনিলোঁ।

অৰোভিলৰ ওপৰ মহলাত গৈ দেখিলোঁ শ্ৰী অৰবিন্দৰ ওপৰত তৈয়াৰ কৰা এটি অসাধাৰণ ভিডিও ফুটেজ, যি এডিটিঙৰ গুণত হৈ উঠিছে অনবদ্য। ইমান কম সময়ৰ ভিতৰত যে ইমান বহুত কিছু দেখিবলৈ পোৱা যায় সেয়া নেদেখিলে বিশ্বাস কৰা টান। হলৰ নিস্তব্ধতা pin drop silence অৰশ্যই উল্লেখযোগ্য।

ইয়াৰ পিছত আমি ঋষি অৰবিন্দৰ সমাধি স্থল দৰ্শন কৰিলোঁ। পবিত্ৰ আম্ৰবৃক্ষৰ তলত শ্বেতপাথৰৰ বেদীৰ তলত শায়িত হৈ আছে স্বাধীনতা সংগ্ৰামী, দাৰ্শনিক, ঋষি অৰবিন্দ। আৰু শ্ৰী অৰবিন্দ ১৯৭৩ চনৰ ১৭ নৱেম্বৰত ৯৫ বছৰ বয়সত দেহাৱসান হোৱা শ্ৰীমাৰ সমাধি স্থল একে ঠাইতে। ইয়াত পুৱা গধূলি প্ৰাৰ্থনা হয়। এই সমাধি মন্দিৰ খোলা থাকে ৰাতিপুৱা ৮-০০ বজাৰ পৰা ১২-০০ বজালৈ আৰু

আবেলি ২-০০ বজাৰ পৰা সন্ধিয়া ৬-০০ বজালৈ। ২০০০ একৰ জমিৰে অৰোভিলত আছে ১২৭ খন বিদেশী ৰাষ্ট্ৰৰ নাগৰিকৰ থকাৰ ব্যৱস্থা। ১০০০ জনৰ খোৱা বোৱাৰ ব্যৱস্থা আছে। অৰোভিলৰ বিশেষত্ব হ'ল ইয়াৰ বেছিভাগ পোহৰ ছোলাৰ চিষ্টেমত জ্বলে। ৰন্ধা-বঢ়াৰ ব্যৱস্থাও ছোলাৰ কিচেনত হয়। শ্ৰীমাৰ স্বপ্নৰ ইউনিৰ্ভাচেল টাউন হ'ল এই অৰোভিল। আশ্ৰমৰ ভিতৰৰ এখন গেষ্ট হাউচত আমি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ।

ইয়াৰ পিছত আমি আশ্ৰমৰ পৰা বিচৰোড বা গুৰবেট ৰোডেদি খোজকাঢ়ি গৈ বঙ্গোপসাগৰৰ বিচত উপস্থিত হ'লোঁ। জীৱনত প্ৰথমবাৰৰ বাবে সাগৰ দৰ্শন কৰি এক অনাস্বাদিত অনুভৱেৰে অতিশয় পুলকিত হ'লোঁ। দেখিলোঁ বঙ্গোপসাগৰৰ বাঁধভঙা উচ্ছলতা। যি উচ্ছলতা দেখি মনত হ'ল যেন কোনো ষোড়শী গাভৰুৱে তাইৰ প্ৰস্ফুটিত যৌৱনৰ উপচাৰেৰে নৃত্যৰ তালে তালে ভ্ৰমণাৰ্থী সকলক স্বাগতম জনাই আছে। এই তৰঙ্গ-বিভঙ্গই দেহ, মনৰ ক্লান্তি আৰু অৱসাদ নিমিষতে আঁতৰাই আনি দিয়ে নিৰ্মল নৈসৰ্গিক আনন্দ। শান্ত পৰিৱেশত সাগৰৰ অশান্ত ঢৌবোৰে মনত পেলাই দিয়ে প্ৰকৃতিৰ আদিম ৰূপচ্ছটা। ঘূৰাই পোৱা যায় নতুনকৈ জীয়াই থকাৰ অনুভূতি। চুনামিত দীৰ্ঘ সমুদ্ৰসৈকতৰ বহুখিনি ভাঙি সমুদ্ৰগৰ্ভত জাহ গৈছে। বাকী সৈকতক ৰক্ষা কৰা হৈছে প্ৰকাণ্ড প্ৰকাণ্ড শিলাখণ্ডেৰে। সাগৰৰ পাৰৰ এই ৰোডতে দৰ্শন কৰিলোঁ ফৰাচী সৈনিকসকলৰ স্মৃতি-স্মাৰক ওৱাৰ মেমেৰিয়েল, স্তম্ভ বেষ্টিত পিলাৰেৰে তৈয়াৰী গান্ধীমূৰ্তি আৰু লাইট হাউচ। এনেকুৱা লাইট হাউচ মেৰিনা বিচ আৰু কন্যাকুমাৰীতো আছে।

বিপৰীত দিশত জৱহাৰলাল নেহৰুৰ মূৰ্তি দৰ্শন কৰিলোঁ। কিছুদূৰ আগুৱাই গৈ দেখিলোঁ ফৰাচী সকলৰ তৈয়াৰী বোটানিকেল গাৰ্ডেন। ইয়াৰ পিছত আশ্ৰমৰ বিপৰীতফালে দৰ্শন কৰিলোঁ চোল ৰজাসকলৰ দিনতে নিৰ্মিত সুপ্ৰাচীন মানাকূলা বিনয়াগাৰ অৰ্থাৎ সিদ্ধিদাতা গণেশৰ মন্দিৰ। কথিত আছে, এই মন্দিৰৰ দেৱতা বৰ জাগ্ৰত বিশেষকৈ নৱ-দম্পতি সকলৰ বাবে। এই দেৱতাৰ আশীৰ্বাদত অকল স্থানীয় অধিবাসীসকলৰে নহয়, ভ্ৰমণাৰ্থী সকলৰো মনোবাসনা পূৰ্ণ হয়। ফেব্ৰুৱাৰি মাৰ্চত এই মন্দিৰত 'মাসি-মগম' উৎসৱ অতি আড়ম্বৰেৰে পালিত হয়। বিৰাট গণেশ মূৰ্তি দৰ্শন কৰি আমি মনত বৰ পৰিতৃপ্তি লাভ কৰিলোঁ। গণেশ মন্দিৰৰ পৰা কিছু দূৰ আগুৱাই গৈ ডুপ্লেৰ বাসভৱন অৰ্থাৎ বৰ্তমানৰ ৰাজভৱন আৰু ভৱন সংলগ্ন সেউজীয়া বাগিচা চালোঁ। ইয়াৰ পিছত আমি দ্বাদশ শতাব্দীত তৈয়াৰী প্ৰাচীন বৰদা ৰজা মন্দিৰ দৰ্শন কৰিলোঁ।

নিশাটো হোটেলত কটাই পিছদিনাখন আমি ৰুচেণ্ট লুইচ ৰোডত অৱস্থিত পণ্ডিচেৰী মিউজিয়াম আৰু গেলাৰী চালোঁ। চোল, পল্লৱ, বিজয়নগৰ প্ৰভৃতি ৰজাসকলৰ দিনৰ মুদ্ৰাৰ সৈতে নানান ব্যৱহৃত বস্তু সযত্নে কাঁচৰ শ্বো-কেচত সুন্দৰকৈ সজাই থোৱা আছে। এই সংগ্ৰহ ভাৰতীয় সংস্কৃতিৰ গৰ্ব। তদুপৰি খননকাৰ্যৰ ফলত প্ৰাপ্ত বিভিন্ন ধাতুৰ মূৰ্তি, শিলৰ তৈয়াৰী নানান দেৱ-দেৱীৰ মূৰ্তি অতীতৰ শিল্পী সকলৰ অসাধাৰণ দক্ষতাৰ স্বাক্ষৰ বহন কৰিছে। দৰ্শন সময় ৰাতিপুৱা ১০-০০ বজাৰপৰা আবেলি ৫-০০ বজালৈ। সোমবাৰ আৰু চৰকাৰী ছুটীৰ দিনত মিউজিয়াম বন্ধ থাকে। ইয়াৰ পিছত আমি ৰঁম্যাৰ্ব্যোলা

লাইব্ৰেৰী চালোঁ। ১৮৭২ চনত তৈয়াৰী এই লাইব্ৰেৰী ফৰাচী স্থাপত্য শিল্পৰ এক উৎকৃষ্ট নিদৰ্শন। এই লাইব্ৰেৰীত ফৰাচী আৰু ইংৰাজী সাহিত্যৰ বহু দুষ্প্ৰাপ্য কিতাপৰ সংগ্ৰহ আছে। ইয়াৰ পিছত আমি জৱহাৰলাল টয় মিউজিয়াম আৰু ফ্ৰেঞ্চ ইনষ্টিটিউট চালোঁ। আমি সোতৰ আৰু ওঠৰ শতিকাত ফৰাচীসকলৰ তৈয়াৰী কেইটামান সুন্দৰ চাৰ্চ দৰ্শন কৰিলোঁ। ইয়াৰ পিছত আমি চাম্বাৰ বোটিং ক্লাব, সুব্ৰহ্মণ্য-ভাৰতী স্মৃতি মন্দিৰ, একোৱাৰিয়াম আৰু তিৰুকামেশ্বৰ মন্দিৰ দৰ্শন কৰিলোঁ। ইয়াৰ পিছত চহৰৰ পৰা ৮ কিঃমিঃ দূৰত চুনাম্বাৰত থকা খাঁড়ি বা বেক ওৱাটাৰ ক্ৰীক আৰু বিচ ওৱাটাৰ স্পোৰ্টচ কমপ্লেক্স চালোঁ। ইয়াত বোটিঙৰ ব্যৱস্থা আছে যদিও আমি বোটিং নকৰিলোঁ। এটা বিশেষ তাৎপৰ্যপূৰ্ণ কথা হ'ল যে, পণ্ডিচেৰী ভাৰতৰ অন্তৰ্ভুক্ত হ'লেও ইয়াৰ বহু পথৰ নাম বৰ্তমানেও ফৰাচী ভাষাত লিখা আছে। উদাহৰণ হিচাপে এটা বৃহৎ বহল পথৰ নাম ৰুদেলা কম্পাগনি।

পণ্ডিচেৰীৰ দৰ্শনীয় স্থানবোৰ চোৱাৰ মাজেৰে দিনৰ ১-০০ বজাত আমি বেচমেণ্টত অৱস্থিত এখন অতি পৰিচ্ছন্ন হোটেলত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ। ষ্টীলৰ কাঁহীৰ ওপৰত পাৰি দিয়া কলপাতত নানাধৰণৰ সুস্বাদু ব্যঞ্জনেৰে ভাত খাই আমি বৰ তৃপ্তি লাভ কৰিলোঁ। পণ্ডিচেৰী ঘূৰি-পকি চাই গাড়ীৰে ৰাতি ৯-০০ বজাত আমি ভেলোৰত আগৰেপৰা থকা হোটেল "Sholay" ত আহি উপস্থিত হ'লোঁ। কাপোৰ-কানি সলাই হাত-ভৰি ধুই মেলি অলপ জিৰণি ল'লোঁ। তাৰ পিছত ৰাতিৰ আহাৰ খাই আমি শান্তিৰে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় গ্ৰহণ কৰিলোঁ।

পণ্ডিচেৰীত আছে প্ৰাণৰ উচ্ছ্বাস, আশ্ৰমত নিয়ম মানি চলাৰ জীৱন, ইতিহাসৰ লগত ফুচ-ফুচনি। পণ্ডিচেৰী ভ্ৰমণ জীৱনৰ এক অনন্য অভিজ্ঞতা। সেই অভিজ্ঞতাৰ উপলব্ধি অন্তৰত চিৰকাল অম্লান হৈ থাকিব।

●●●

# ভেনিজুৱেলালৈ গৈছিলোঁ

**পংকজ কুমাৰ নেওগ**

২000 চনৰ আগষ্ট মাহৰ তৃতীয় নে শেষ সপ্তাহ; দুলিয়াজানৰ 'অইল'ত কাম কৰি আছোঁ। হঠাতে এদিন খবৰ আহিল 'অইল ইণ্ডিয়া'ৰ কাৰিকৰী দল এটাৰ সৈতে ময়ো ভেনিজুৱেলাৰ কেৰাকাচলৈ যাব লাগে। দলটোত আছিল ছজনীয়া অইল ইণ্ডিয়াৰ পৰিচালন সঞ্চালকৰ সৈতে আমি পাঁচজন বেলেগ বেলেগ বিভাগৰ। অইল ইণ্ডিয়া ৰাজস্থান প্ৰজেক্টৰ বাঘেৱালা তৈলক্ষেত্ৰত ১৯৯১ চনত গধুৰ খাৰুৱা তেলৰ ভাণ্ডাৰ (Heavy oil Reservoir) আৱিষ্কাৰ হৈছিল। এনেধৰণৰ তৈল ভাণ্ডাৰৰ পৰা

অৰ্থনৈতিকভাৱে কেনেকৈ খাৰুৱা তেল নিষ্কাষণ কৰিব পাৰি আৰু ভেনিজুৰেলা চৰকাৰে এই ক্ষেত্ৰত আমাক কি ভাৱে সহায় কৰিব পাৰে সেইবোৰ কথা-বতৰা পাতিবলৈ আমাৰ দলটোক পঠিওৱা হৈছিল। ভেনিজুৰেলা এনে ধৰণৰ গধুৰ তেল উৎপাদনকাৰী দেশবোৰৰ ভিতৰত অন্যতম আৰু তাৰ জাতীয় তৈল কোম্পানীটোৰ নাম হ'ল 'পেট্ৰ'লিঅ'চ ডে ভেনিজুৰেলা' বা চমুকৈ পি ডি ভি এছ এ (PDVSA)। আমাৰ মুখ্য উদ্দেশ্য আছিল পি ডি ভি এছ এৰ জৰিয়তে ভেনিজুৰেলাৰ তৈল মন্ত্ৰণালয়ৰ লোকসকলক লগ ধৰা। দিল্লীস্থিত ভেনিজুৰেলাৰ দূতাবাসৰ পৰা মিটিং আৰু অধিৱেশনবোৰ আগতীয়াকৈ ঠিক কৰা হৈছিল। মই দিল্লীলৈ গৈ কেইদিনমান থাকিবলগীয়া হ'ল। সেই সময়ত অইল ইণ্ডিয়াৰ অফিচটো আছিল পাৰ্লিয়ামেণ্ট ষ্ট্ৰীটৰ এলাহাবাদ বেংক বিল্ডিঙত। মোক থাকিবলৈ দিলে কনাট প্লেচৰ হোটেল 'মেৰিনা'ত। ভেনিজুৰেলাৰ 'ভিচা' আৰু 'মেডিকেল টেষ্ট'ৰ বাবে দুই-তিনিদিন মান লাগিল। দক্ষিণ আমেৰিকালৈ যাত্ৰা কৰিবলৈ ওলোৱা বাবে দুটামান বিশেষ 'ভেকচিন' ল'বলগীয়া হ'ল। অৱশ্যে বৈদেশিক মুদ্ৰা আৰু প্লেনৰ টিকট আদি যোগাৰ কৰি দিবলৈ অইল ইণ্ডিয়াৰ এজেন্সী আছে। ভেনিজুৰেলাৰ 'ভিচা'ৰ ব্যৱস্থাও তেওঁলোকে কৰিলে। যি নহওক সকলোবোৰ কাম ঠিকে-ঠাকে হৈ যোৱাত আমি 'এয়াৰ ফ্ৰান্সে'ৰে দিল্লীৰ পৰা কেৰাকাচলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। ১৪,২০০ কিলোমিটাৰ পথছোৱাত আমি পেৰিচৰ 'চাৰ্জ-ডি-গল' বিমান কোঠত কিছুসময় জিৰণি লৈ তাৰ পৰা অইন এখন বিমানত উঠিছিলোঁ। প্ৰায় ২৪ ঘণ্টামানৰ পাছত আমি কেৰাকাচ গৈ পাইছিলোঁ। কেৰাকাচৰ 'চাইমন বলিভাৰ' বিমানকোঠ—এফালে সাগৰ আৰু সাগৰৰ কাষতেই পৰ্বতমালা; তাৰ মাজতেই কোনোবা এবাৰ হঠাতে বিমানখন নমাই বিমানকোঠত অৱতৰণ কৰিলে। বিমানকোঠ সাগৰ পৃষ্ঠত; নামিয়েই ভীষণ গৰম লাগিছিল যদিও টেক্সীৰে লাহে লাহে পাহাৰৰ ওপৰলৈ উঠোঁতে গা জুৰ পৰিল। কেৰাকাচ চহৰ সমুদ্ৰ পৃষ্ঠৰ পৰা প্ৰায় ৩০০০ ফুট উচ্চতাত। আগৰে পৰা আমাৰ বাবে হোটেল আৰক্ষণ কৰা আছিল। হোটেলৰ 'ফ্ৰণ্ট ডেস্ক'ত থকা কৰ্মচাৰীসকলে ইংৰাজীত কথা ক'ব পৰা হেতুকে আমাক আমাৰ কোঠাবোৰ চমজাই দিয়া বা বস্তু-বাহানি নিয়া-মেলা কামবোৰ সুকলমে হৈ গ'ল। নিশা ৰেষ্টুৰেণ্টলৈ খাব যোৱাৰ সময়তহে সমস্যাই দেখা দিলে। খোৱা বস্তুৰ 'মেনু' বা তালিকা স্পেনিচ ভাষাত, কোনটো খোৱাবস্তুত কি আছে বুজি পোৱা টান। ৰেষ্টুৰেণ্টৰ খোৱা বস্তুৰ নিৰ্দেশ লোৱা পৰিচাৰক-পৰিচাৰিকা সকলেও ইংৰাজী বুজি নাপায়। যি কোনো বস্তু খাবলৈ মই ৰাজী কিন্তু গো-মাংস যাতে ভুলতো নলওঁ তাৰ বাবে সাৱধান হ'লোঁ। আমাৰ লগৰ কিছুমানে সাগৰীয় খাদ্য ল'লে; বিচাৰি বিচাৰি এটা 'ডিচ' 'চিকেন কাৰি' আৰু ভাত বুলি গম পাই তাকে মোক পৰিৱেশন কৰিবলৈ নিৰ্দেশ দিলোঁ। বেছ তৃপ্তিৰে খোৱা-বোৱা কৰা হ'ল। আমাৰ দলত দক্ষিণ ভাৰতীয় শাকাহাৰী এজন আছিল, তেওঁ বা কি খাইছিল মনত নাই। পিছদিনা পুৱা প্ৰাতৰাশ কৰাৰ সময়ত অৱশ্যে সিমান সমস্যা নহ'ল। 'ব্ৰেকফাষ্ট মেনু' চাই ডবল্ অমলেট আৰু ব্ৰেড, কিছু ফল-মূল, ফ্ৰুট জুচ আৰু চাহৰ নিৰ্দেশ দিব পাৰিলোঁ। অমলেটৰ সৈতে অলপ সুস্বাদু শাকভজা দিছিল, দেখিবলৈ অনেকখিনি আমাৰ পালেং শাক ভজাৰ দৰেই। আমি থকা গোটেই কেইদিন অমলেটৰ সৈতে সেই শাকভজা খালোঁ। শাকবিধ কি আছিল সুধিম বুলিও থাকি গ'ল। আন কোনো ঠাইত বা দেশত কণীৰ

সৈতে শাকপাত ভজা খাবলৈ দিয়া আজিলৈকে পোৱা নাই।

পি ডি ভি এছ এ অফিচৰ পৰা আমাৰ বাবে তিনিখন লিমোছিন পঠিয়াই দিয়া হৈছিল। খাৰুৱা তেল ৰপ্তানীত ভেনিজুৱেলাৰ স্থান বিশ্বৰ ভিতৰত পঞ্চম। পশ্চিম গোলাৰ্দ্ধৰ দেশবোৰৰ ভিতৰত ভেনিজুৱেলাত থকা সাধাৰণ খাৰুৱা তেলৰ ভাণ্ডাৰ (৭৭.৫ বিলিয়ন বেৰেল) সৰ্ববৃহৎ আৰু সমগ্ৰ বিশ্বৰ প্ৰায় আধা। ইয়াৰ সৈতে 'অৰিন'কো বেল্ট'ত থকা 'টাৰ' সদৃশ গধুৰ বা অতি গধুৰ তৈল ভাণ্ডাৰ (২৩৫ বিলিয়ন বেৰেল)খিনি যোগ দিলে বিশ্বৰ ভিতৰত ভেনিজুৱেলাই প্ৰথম স্থান অধিকাৰ কৰিব। অইল ইণ্ডিয়াৰ পৰিচালন সঞ্চালকে পি ডি ভি এচ এৰ বিভিন্ন বিষয়াসকলৰ উপস্থিতিত আমাৰ মিটিংখন আৰম্ভ কৰিলে। তেওঁলোকৰ প্ৰায় সকলোৱে ইংৰাজী ক'ব পাৰিছিল আৰু বুজি পাইছিল। যদি দোভাষীও ৰাখিছিল এতিয়া মোৰ ভালকৈ মনত নাই। আমাৰ উদ্দেশ্য তেওঁলোকৰ সন্মুখত প্ৰকট কৰাত ভেনিজুৱেলাৰ চৰকাৰৰ হৈ পি ডি ভি এছ এই অইল ইণ্ডিয়ালৈ সকলো ধৰণৰ সহায় আগবঢ়াবলৈ সন্মতি প্ৰকাশ কৰে। তেওঁলোকৰ মতে দুই ধৰণে অইল ইণ্ডিয়ালৈ সহায়ৰ হাত আগবঢ়াব পৰা যায় — প্ৰথম কথা বাঘেৱালা তৈলক্ষেত্ৰৰ গধুৰ খাৰুৱা তেল নিষ্কাষণৰ বাবে তেওঁলোকে এটা পৰীৰক্ষামূলক আঁচনি (পাইলট প্ৰজেক্ট) ল'ব পাৰে। এই আঁচনিৰ সকলোবোৰ পৰিকল্পনা আৰু ৰূপায়ণ পি ডি ভি এচ এৰ অভিযন্তা আৰু ভূ-বিজ্ঞানীসকলে মিলি কৰিব। আঁচনিৰ কেইবাটাও পৰ্যায় হ'ব পাৰে। পৰীক্ষাগাৰত কৰিবলগীয়া পৰীক্ষা, কম্পিউটাৰ মডেলিং ইত্যাদিৰ পাছত তেওঁলোকে তৈলক্ষেত্ৰৰ দুটামান তৈলখাদত নিজৰ প্ৰযুক্তি নিয়োগ কৰি চাব; যদি আশা কৰা মতে ফলাফল পায় আৰু আঁচনি অৰ্থনৈতিকভাৱে সৰল হয় তেনেহ'লে সেই প্ৰযুক্তিয়েই বাঘোৱাল তৈলক্ষেত্ৰৰ গধুৰ খাৰুৱা তেল নিষ্কাষণৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। আনহাতে অইল ইণ্ডিয়াৰ কিছু অভিযন্তা, ভূ-বিজ্ঞানীকো তেওঁলোকে ভেনিজুৱেলাত যথাযথভাৱে প্ৰশিক্ষণ দি উপযুক্ত কৰি তুলিব পাৰে যাতে গধুৰ তেল নিষ্কাষণত তেওঁলোকে অভিজ্ঞতা লাভ কৰি ভৱিষ্যতে নিজাববীয়াকৈ 'অইল ৰাজস্থান প্ৰজেক্ট'ৰ কাম-কাজ চলাব পাৰে। ওপৰত উল্লেখ কৰা কথাবোৰেই আছিল তিনিদিন মান জুৰি চলা আলোচনা-বিলোচনাবোৰৰ সাৰাংশ। তাৰ উপৰি এনেধৰণৰ দীৰ্ঘম্যাদী আঁচনিবোৰৰ বাবে অইল ইণ্ডিয়া বা ভাৰত চৰকাৰে পি ডি ভি এছ এ বা ভেনিজুৱেলা চৰকাৰক প্ৰযুক্তি হস্তান্তৰকৰণৰ নামত কিমান বা কেনেভাৱে বৈদেশিক মুদ্ৰা দিব লাগিব সেইবোৰৰ ওপৰতো আলোচনা চলিছিল। মিটিংবোৰৰ শেষত সাধাৰণতে আমি বাঘেৱালা তৈলক্ষেত্ৰৰ বিভিন্ন ধৰণৰ ভূ-তাত্ত্বিক, ভূ-বৈজ্ঞানিক আৰু ইঞ্জিনিয়াৰিং তথ্যবোৰ পি ডি ভি এছ এৰ অভিযন্তা আৰু ভূ-বিজ্ঞানীসকলৰ সৈতে আদান-প্ৰদান আৰু আলোচনা কৰিছিলোঁ আৰু তেওঁলোকেও কম্পিউটাৰ মডেলিং/চিমুলেশ্যনৰ দ্বাৰা তেনেধৰণৰ খাৰুৱা তৈল ভাণ্ডাৰৰ পৰা বিভিন্ন প্ৰযুক্তিৰে লাভ কৰিব পৰা সম্ভাব্য তেলৰ পৰিমাণ নিৰূপণ কৰি আমাক দেখুৱাইছিল।

পি ডি ভি এছ এই তেওঁলোকৰ কোম্পানীৰ হেলিকপ্টাৰেৰে নি আমাক তেওঁলোকৰ কিছুমান তৈলক্ষেত্ৰ আৰু তৈলক্ষেত্ৰত চলি থকা কাম-কাজবোৰ দেখুৱালে। ভূ-গৰ্ভৰ তৈলভাণ্ডাৰৰ পৰা গধুৰ খাৰুৱা তেল কূপবোৰৰে উৎপাদন কৰি পাইপ লাইনেৰে পঠিয়াবলৈ অন্য এলানি কূপৰ জৰিয়তে ভূ-

গৰ্ভলৈ গৰম-পানীৰ বাষ্প (Steam) উচ্চ চাপত 'পাম্প' কৰি পঠিওৱা হয় আৰু উৎপাদন কূপবোৰৰ পৰা তেল বৈদ্যুতিক পাম্পেৰে উত্তোলন কৰা হয়। উচ্চ চাপ আৰু তাপত থকা বাষ্প তললৈ গৈ ভূ-গৰ্ভৰ গধুৰ খাৰুৱা তেল গলাই পাতল কৰে আৰু বৈদ্যুতিক পাম্পবোৰে লগে লগে সেই তেল উলিয়াই বাহিৰৰ পাইপ লাইনলৈ পঠিয়ায়। পাইপ লাইন, তেল মজুত কৰা ভাণ্ডাৰ আদিৰ পৰা তাপ বিকিৰণ ঘটি তেল যাতে আকৌ গোট নামাৰে তাৰ বাবে গোটেই সা-সৰঞ্জাম তাপ বিকিৰণ ৰহিত কৰাৰ উপৰি সেইবোৰ অতি উচ্চ তাপত ৰখাৰ ব্যৱস্থা থাকে। তৈল উৎপাদন আৰু গৰম বাষ্প 'পাম্প' কৰা কূপবোৰো উচ্চ তাপ সহনশীল পাইপ আৰু অন্যান্য সৰঞ্জামেৰে প্ৰস্তুত কৰা আৱশ্যক। সাধাৰণভাৱে কৰা শীতল খাৰুৱা তেল নিষ্কাষণতকৈ গধুৰ তেলৰ উষ্ণ নিষ্কাষণ বেছি ব্যয়বহুল। কেৰাকাচ চহৰৰ পৰা প্ৰায় ৫০০ কিলোমিটাৰ আঁতৰৰ 'লেক মাৰাকাইব' আছিল এনে এখন আমি ভ্ৰমণ কৰা ঠাই। মাৰাকাইব' হ্ৰদৰ পাৰত অৱস্থিত ই ভেনিজুৱেলাৰ দ্বিতীয় বৃহৎ চহৰ আৰু সৰ্ববৃহৎ খাৰুৱা তেল উৎপাদন কৰা অঞ্চল। কেৰিবিয়ান সাগৰলৈ যোৱাৰ প্ৰৱেশদ্বাৰ বুলিও লেক মাৰাকাইব' জনাজাত।

ভেনিজুৱেলাত আমি দেখিবলৈ পোৱা অন্য এক আকৰ্ষণীয় তৈলজাত সামগ্ৰী আছিল 'অৰিমালশ্যন্'। আগেয়ে উল্লেখ কৰিছোঁ যে ভেনিজুৱেলাৰ অৰিনক' বলয় বা বেল্টত এক বৃহৎ পৰিমাণৰ গধুৰ খাৰুৱা তেল বা বিটুমেনৰ ভাণ্ডাৰ আছে। কয়লা বা খাৰুৱা তেলৰ দৰে বিটুমেনো অতি মূল্যৱান। সাধাৰণ অৱস্থাত বিটুমেন অতি উচ্চ সান্দ্ৰতা (Viscosity)ৰ আৰু ৮-১০ এ পি আই ঘনত্বৰ পদাৰ্থ। এনে অৱস্থাত বিটুমেন কল-কাৰখানাবোৰৰ ইন্ধন হিচাপে অব্যৱহাৰ্য। বিটুমেনৰ সৈতে ৩০% শুদ্ধ পানী আৰু অলপ ফেনাইল বা এলকহল জাতীয় 'পৃষ্ঠ সক্ৰিয়কাৰক (Surfactant) মিহলালে অৰিমালশ্যন্ তৈয়াৰ হয় আৰু ইয়াক সাধাৰণ ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি। অৰিমালশ্যনৰ বহুধৰণৰ উপযোগিতা আছে—

ঃ কয়লা বা গধুৰ ইন্ধন তেলেৰে চলাবলগীয়া কল-কাৰখানাত ইয়াৰ উপাদান সামান্য সলনি কৰি ব্যৱহাৰ কৰিব পাৰি।

ঃ সহজে দাহ্য আৰু দহন-প্ৰক্ৰিয়া অতি উত্তম।

ঃ অৰিমালশ্যন তৈয়াৰ কৰা, ৰখা বা ব্যৱহাৰ আৰু পৰিবহণ তেনেই উজু।

ঃ দাম আন্তঃৰাষ্ট্ৰীয় কয়লাৰ প্ৰায় সমপৰ্যায়ৰ।

ঃ ভেনিজুৱেলাত বিটুমেনৰ ভাণ্ডাৰ অতি বৃহৎ।

অৰিমালশ্যনৰ এটাই সমস্যা— ই এবিধ অ-নিউটনিয়ান তৰল পদাৰ্থ আৰু এবাৰ তাপমাত্ৰা ৩০ ডিগ্ৰী চেলছিয়াচৰ তললৈ গ'লে ইয়াক পুনৰ পাম্প কৰি পাইপ লাইনেৰে পৰিবহণ কৰা অসম্ভৱ। ভেনিজুৱেলা চৰকাৰে অৰিমালশ্যনৰ উৎপাদন লাহে লাহে কমাই আহিলেও ইটালী, চীন, জাপান আদি দেশৰ কাৰখানাবোৰৰ বয়লাৰত এতিয়াও ইয়াক ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়।

কেৰাকাচ দক্ষিণ আমেৰিকাৰ এখন অতি মনোৰম চহৰ; চাবলৈ বহুত স্থানেই আছে কিন্তু এইদৰে চৰকাৰী কামত আহিলে ফুৰা-চকা সম্ভৱপৰ নহয়। ভেনিজুৱেলাৰ 'এঞ্জেল' জলপ্ৰপাত বিশ্বৰ আটাইতকৈ

ওখ জলপ্ৰপাত; 'কানাইমা' জাতীয় উদ্যানত অৱস্থিত প্ৰায় ১০০০ মিটাৰ উচ্চতাৰ এই জলপ্ৰপাতৰ দৃশ্য অতি মনোৰম। চহৰৰ ভিতৰত 'প্লাজা বলিভাৰ', 'পেন্থিয়ন নেশ্যনেল', 'চিটি ৱাল', 'পাৰ্ক নেশ্যনেল', ভেনিজুৱেলাৰ স্থানীয় হস্তনিৰ্মিত সামগ্ৰী, আচবাব ইত্যাদি কিনিবলৈ পোৱা আৰু স্থানীয় খাদ্যৰ জুতি ল'ব পৰা 'এল্ হাটিল্লো' নামৰ সৰু চহৰখন এইবোৰেই প্ৰধান। মিটিং আৰু তৈলক্ষেত্ৰবোৰৰ ভ্ৰমণৰ অন্তত আমি মাত্ৰ এবেলা সময়হে চহৰ ফুৰিবলৈ সময় পাইছিলোঁ। সেইখিনি সময় আমি স্থানীয় বজাৰতেই ঘূৰি-পকি দুই এপদ বস্তু কিনিছিলোঁ। আমি বজাৰলৈ ওলাই যোৱাৰ আগেয়ে সকলোৱে সাৱধান বাণী শুনালে, কেৰাকাচ চহৰত চোৰ, ডকাইত, পকেটমাৰৰ উপদ্ৰৱ বেছি। বিদেশী মানুহ দেখা পালে ৱালেট, পাছপ'ৰ্ট চুৰ কৰিবলৈ চেষ্টা কৰিব পাৰে। আমি অতি সাৱধানে ৱালেট আৰু পাছপ'ৰ্ট লৈ ফুৰিছিলোঁ। দোকান এখনৰ পৰা 'টমি হিলফগাৰ'ৰ জেকেট এটা কিনিবলৈ মই মোৰ 'এমেক্স ক্ৰেডিট কাৰ্ড'খন ব্যৱহাৰ কৰা মনত পৰে; তেওঁলোকে কি হিচাপ-নিকাচ কৰি পঠিয়ালে নাজানো মোলৈ কেতিয়াও ক্ৰেডিট কাৰ্ডৰ বিল নাহিল!

আমাৰ দলত প্ৰশান্ত দা আছিল জ্যেষ্ঠ ভূ-বৈজ্ঞানিক। তেখেতৰ কথা-কাজ সকলো সময়তে ধেমেলীয়া, সকলোকে তেওঁ হাঁহিৰ খোৰাক যোগাইছিল। হোটেলত নৈশাহাৰৰ সময়ত তেওঁ সদায় এখন বিশেষ টেবুলত বহে আৰু এগৰাকী বিশেষ পৰিচাৰিকাই তেওঁৰ খাদ্যৰ নিৰ্দেশ লৈ খাদ্য পৰিৱেশন কৰিব লাগে। প্ৰশান্ত দা প্ৰথম নিশাই হোটেলৰ সুন্দৰী পৰিচালিকাসকলক দেখি উত্ৰাৱল — 'হেৰা, সকলোবোৰ দেখোন ষ্টেফী গ্ৰাফৰ দৰে হে দেখিবলৈ'। মই উত্তৰ দিলোঁ— 'প্ৰশান্ত দা, ষ্টেফী গ্ৰাফ, গেব্ৰিয়ালা চাবাটিনি, আৰাঞ্জা চাঞ্চেজ সকলোবোৰকে দেখা পাব, আপুনি এতিয়া বিশ্ব সুন্দৰীৰ দেশত। জানেনে, এতিয়ালৈকে (২০০০ চন) ভেনিজুৱেলাৰ সুন্দৰী সকলে বিশ্ব সৌন্দৰ্য প্ৰতিযোগিতাত কেইটা পুৰস্কাৰ অৰ্জন কৰিছে।' মই ভাৰতবৰ্ষ এৰাৰ আগেয়ে ইণ্টাৰনেটত চাই অহা তথ্য এটা প্ৰশান্ত দাক দিলোঁ — 'ভেনিজুৱেলাৰ সুন্দৰীয়ে এতিয়ালৈকে ৪টা মিছ ইউনিভাৰ্ছ, ৫টা মিছ ৱৰ্ল্ড, আৰু ৩টা মিছ ইণ্টাৰনেশ্যনেল খিতাপ অৰ্জন কৰিছে। ভেনিজুৱেলানসকলৰ ৬০ শতাংশ ইউৰোপৰ - বিশেষকৈ পৰ্তুগীজ, ইটালী, জাৰ্মানী, ফ্ৰান্স, ইংলেণ্ড, পোলেণ্ডৰ লোক; গতিকে জন্মসূত্ৰেই তেওঁলোক ধুনীয়া ককেচিয়ান জাতিৰ। দ্বিতীয়তে, দেশৰ বেছিভাগ যুৱতী উচ্চ বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সৌন্দৰ্য প্ৰতিযোগিতাবোৰৰ প্ৰতি অতি আগ্ৰহশীল; তেওঁলোক সাংঘাতিক পেছাদাৰী আৰু নিজৰ ৰূপত শান দিবলৈ চকু, মুখ, নাক, কপাল, ওঁঠ বা শৰীৰ যিকোনো অংগ যি কোনো সময়ত অস্ত্ৰোপচাৰ কৰিবলৈ দ্বিধাবোধ নকৰে। তৃতীয়তে পাঁচ বছৰ বয়সৰ পৰা ইচ্ছুক নাবালিকাসকলে 'মডেলিং' আৰু নিজকে 'মোহনীয়া' কৰিব পৰা (Modeling & Charm School) বিদ্যালয় বা শিক্ষা অনুষ্ঠানলৈ যাব পাৰে।' মোৰ কথা শুনি প্ৰশান্ত দাৰ মাত হৰিল। তেওঁক শেষবাৰৰ বাবে এটা সাৱধান বাণী শুনালোঁ— 'হেন জানি প্ৰশান্ত দা, আপুনি ইয়াৰ হোটেলৰে হওক বা বাহিৰৰে হওক, সুন্দৰীগণৰ পৰা আঁতৰি থকাই মংগল! কেনেবাকৈ ইয়াত মন বহিলে দিল্লী বা ঘৰ গৈ নাপায়গৈ!'

চাওঁতে চাওঁতে ছদিনৰ মূৰত আমাৰ উভতিবৰ সময় হ'ল, আমি ভেনিজুৱেলালৈ যিটো পথেৰে

গৈছিলোঁ সেই একে পথেৰে পেৰিচ হৈ প্ৰত্যাৱৰ্তন কৰিলোঁ। 'বিশ্ব সুন্দৰী'সকলৰ দেশ এৰি অহাৰ সময়ত প্ৰশান্ত দাৰ মনটো যেন কিছু সেমেকিছিল। উভতি অহাৰ আগেয়ে এটা নিশা আমাৰ পৰিচালন সঞ্চালকৰ ফালৰ পৰা আৰু আন এটা নিশা পি ডি ভি এছ্ এৰ ফালৰ পৰা নৈশ ভোজৰ আয়োজন কৰা হৈছিল। সেয়া আছিল ২০ বছৰৰ আগৰ কথা। আমি উভতি অহাৰ পাছত পি ডি ভি এচ এৰ সৈতে পতা কথা-বতৰাবোৰ কিমান দূৰ আগবাঢ়িছিল বা আমাৰ তৈল মন্ত্ৰালয়ে কি মতামত দিছিল সেইবোৰ কথাৰ আমি ভূ নাপাওঁ। মাজতে আমাৰ কিছু লোকক প্ৰশিক্ষণৰ বাবে ভেনিজুৱেলালৈ পঠিওৱাৰ কথাও শুনা পাইছিলোঁ। কিন্তু ইতিমধ্যে ভেনিজুৱেলাৰ আভ্যন্তৰিক সমস্যাবোৰ জটিল হৈ পৰাৰ বাবে হয়তো এই কথাবোৰ তল পৰিছিল।

১৯৬০ চনত বিশ্বৰ অন্যতম চহকী দেশৰূপে স্বীকৃত ভেনিজুৱেলাখন ৰাষ্ট্ৰপতি হিউগো ছাভেজ আৰু নিকোলাচ মাডুৰ'ৰ শাসন কালত সম্পূৰ্ণৰূপে বিধ্বস্ত হ'ল। পি ডি ভি এছ্ এৰ দৰে পৃথিৱীৰ অন্যতম বৃহৎ আৰু শ্ৰেষ্ঠ তৈল কোম্পানীটোৰ পৰা প্ৰাপ্ত ৰাজহেৰে ১৫ বছৰ ধৰি ছাভেজে দেশৰ ৩০ কোটি জনতাৰ বাবে শিক্ষা, স্বাস্থ্য, খাদ্য, আৱাস গৃহ নিৰ্মাণ, পেঞ্চন আৰু নানাধৰণৰ সামাজিক কাৰ্যৰ বাবে জধেমধে খৰচ কৰিবলৈ ধৰিলে। দেশৰ দৰিদ্ৰতা যথেষ্ট কমিল যদিও দিনে দিনে খাৰুৱা তেলৰ ওপৰত থকা নিৰ্ভৰশীলতা বাঢ়িবলৈ ধৰে। ভূ-গৰ্ভৰ তৈল ভাণ্ডাৰবোৰৰ পৰা জধেমধে তৈল উত্তোলন কৰিবলৈ নিৰ্দেশ দিয়াৰ ফলত তৈলকূপবোৰৰ পৰা অভূতপূৰ্বভাৱে উৎপাদন কমিবলৈ ধৰিলে। খাৰুৱা তেলৰ পৰা লাভ কৰা এক পইচাও তৈলক্ষেত্ৰবোৰৰ উন্নয়নৰ বাবে বা হ্ৰাস পোৱা তৈল উৎপাদন বঢ়াবলৈ আৱশ্যক হোৱা অতিৰিক্ত কূপবোৰৰ খনৰ বাবে মঞ্জুৰ নহ'ল। ভূ-গৰ্ভৰ তৈল ভাণ্ডাৰবোৰৰ প্ৰাকৃতিক চাপ বাহাল ৰাখিবলৈ অতিকৈ প্ৰয়োজন হৈ পৰা পানী বা গেছ সংযোজন আঁচনিবোৰো (Water and Gas Injection Projects) বন্ধ হৈ পৰিল। পি ডি ভি এছ্ এৰ যিসকল মুৰব্বী বা কাৰিকৰী বিশেষজ্ঞই ৰাষ্ট্ৰপতিৰ এইবোৰ কথাৰ বিৰোধিতা কৰিলে তেওঁলোকক লগে লগে বৰ্খাস্ত কৰা হ'ল। কোম্পানীৰ হাজাৰ হাজাৰ লোকে চাকৰি হেৰুৱালে; যিকেইজন বাকী থাকিল তেওঁলোকেও দৰমহাৰ নামত মাত্ৰ কেইটামান টকাহে পাবলৈ ধৰিলে। নিজৰ ইচ্ছামতে জধেমধে মিলিটেৰী বিষয়াসকলক তৈলক্ষেত্ৰবোৰত নিযুক্তি দিবলৈ ধৰাত তৈল প্ৰদূষণ, দুৰ্ঘটনা ইত্যাদি বাঢ়িবলৈ ধৰে। ইয়াৰ উপৰি বাহিৰত ভেনিজুৱেলাৰ সুনাম প্ৰচাৰৰ অৰ্থে হিউগো ছাভেজে কিউবা, অন্যান্য দক্ষিণ আমেৰিকাৰ দেশ আৰু চীন দেশলৈ কম মূল্যত খাৰুৱা তেল যোগান ধৰিবলৈ আৰম্ভ কৰিলে। ছাভেজৰ মৃত্যুৰ পাছত ২০১৩ চনত নিকোলাচ মাডুৰ' ক্ষমতালৈ আহে কিন্তু তেৰোঁ ভেনিজুৱেলাৰ পৰি অহা অৰ্থনৈতিক অৱস্থাৰ একো উন্নতি সাধন কৰিব নোৱাৰিলে। ২০১৫ চনত বিশ্বৰ খাৰুৱা তেলৰ দামৰ পতন ঘটাত ভেনিজুৱেলাত কেনে এক অবৰ্ণনীয় অৱস্থা হৈছিল আমি সকলোৱে জানো। দুৰ্ভিক্ষ, বেমাৰ-আজাৰত পৰি খোৱা-বস্তু, পানী, ঔষধ ইত্যাদি একো কিনিব নোৱৰা হাজাৰ হাজাৰ লোক কপৰ্দকশূন্য হৈ নিকটৱৰ্তী দেশবোৰলৈ শৰণাৰ্থী হৈ যাত্ৰা কৰাৰ কৰুণ দৃশ্য এতিয়াও মনত পৰে। দেশৰ অৱস্থাৰ অৱনতি ঘটাৰ লগে লগে মাডুৰ'ই বিপৰীত পক্ষৰ ৰাজনৈতিক নেতাসকলক বন্দী কৰি টিভিৰ বাতৰি প্ৰতিষ্ঠান, সাংবাদিক সকলোৰে ওপৰত নিষেধাজ্ঞা জাৰি কৰে আৰু নিজ পক্ষৰ সমৰ্থকেৰে ভৰা ভেনিজুৱেলা ছুপ্ৰিম

ক'ৰ্টৰ সহায়ত জাতীয় পৰিষদ বা 'নেশ্যনেল এচেম্বলি'ৰ সকলো শক্তি কাঢ়ি নিজৰ প্ৰভূত্ব স্থাপন কৰে। ২০১৮ চনৰ নিৰ্বাচনত এক বিশাল ভোটৰ ব্যৱধানত মাদুৰ' দ্বিতীয় বাৰৰ বাবে বিজয়ী হয়। পশ্চিম গোলাৰ্দ্ধৰ বহুতো দেশে এই নিৰ্বাচনৰ ফলাফলৰ বৈধতাৰ প্ৰতি এতিয়াও সন্দেহ প্ৰকাশ কৰে। ২০১৯ চনৰ জানুৱাৰি মাহত জাতীয় পৰিষদৰ মুখ্য বিষয়া গুৱাইড'ই ভেনিজুৱেলা সংবিধানৰ দোহাই দি নিজকে মধ্যকালীন ৰাষ্ট্ৰপতি হিচাপে ঘোষণা কৰে। দুয়োজন প্ৰতিদ্বন্দ্বীৰ মাজত দেশ শাসনৰ বাঘজৰী লৈ এতিয়াও টনা-আজোৰা চলি আছে।

২০০৩ চনৰ জানুৱাৰি মাহত ময়ো অইল ইণ্ডিয়া এৰি ওমানলৈ গুচি অহাৰ পাছত ভেনিজুৱেলাৰ সৈতে হ'বলগীয়া আঁচনিৰ সম্বন্ধে একো খবৰ নাপাওঁ। বোধকৰোঁ পৰিকল্পনা কৰা সকলো কাম-কাজ অইল ইণ্ডিয়াই অৱশেষত প্ৰত্যাহাৰ কৰিছিল। ইণ্টাৰনেটৰ এটা খবৰ অনুসৰি কানাডাৰ বেলগ্ৰেভ অইল এণ্ড গেছ কৰ্প'ৰেশ্যনৰ তত্বাৱধানত অইল ইণ্ডিয়াই ২০১৮ চনৰ নৱেম্বৰ মাহত ৰাজস্থানৰ বাঘেৱালা কূপ নং-৮ত চাইক্লিক্ ষ্টিম ইনজেকশ্যন পদ্ধতিৰে গধূৰ খাৰুৱা তেল সফলতাৰে ভূ-গৰ্ভৰ পৰা নিষ্কাষণ কৰে। ইয়াৰ লগে লগে অইল ইণ্ডিয়াৰ ইতিহাসত এক নতুন অধ্যায় সূচনা হ'ল।

●●●

# লাখুটি

**অমল শইকীয়া**

চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত ধিৰাজ চলিহাই আজিকালি প্ৰাতঃভ্ৰমণত নিয়মীয়াকৈ যাবলৈ আৰম্ভ কৰিছে।

'দেউতা! পুৱা যাওঁতে সদায় লাখুটিডাল লৈ যাবা চোন? খোজ দিওঁতে ক'ৰবাত পৰি যাব পাৰাযে'।

'কি কথা মাজনী! তোমালোকৰ দেউতা এতিয়াই বুঢ়া হোৱা নাইতো। এতিয়াও খৰকৈ খোজ কাঢ়িব পৰা হৈ আছেতো। পুৱা মোৰ লগত খোজ কাঢ়িবলৈ ওলালেই গম পাবা।'

নেমুৰস দিয়া ফিকা চাহকাপত চুমুক দিওঁতেই চলিহাৰ ম'বাইলটো গৰ্জি উঠিল। 'দেউতা! তোমাৰ ফোন। মিলন কাকতি নামৰ মানুহ এজনৰ।'

-'মানুহ' এজনৰ নহয় মাইনা মোৰ লগৰ ল'ৰা এটাৰহে। দিয়াচোন মোক ম'বাইলটো'।

'হেৰি! শুনিছেনে, ৯ বাজিল। বলক, ডাক্তৰৰ ওচৰলৈ গৈ আপোনাৰ প্ৰেচাৰটো পৰীক্ষা কৰি আহোঁ। ৰাস্তাত কিন্তু গাড়ীৰ বহুত ভিৰ থাকে, লাখুটিডাল লগত লৈ ল'ব।'

-'কি হ'ল, তোমালোক সকলোৰে মই বুঢ়া হ'লোঁ বুলি ভাবিয়েই ল'লা নেকি? চোৱা মই এতিয়াও ডেকা হৈয়ে আছোঁ। লাখুটিডাল এতিয়াই নেলাগে দিয়া।'

●●●

# স্নেপশ্বট

*মদন চন্দ্ৰ ডেকাৰ শিতান 'স্নেপশ্বট'ত শ্ৰী ডেকাই চাকৰি জীৱনৰ বিভিন্ন আৰু বিচিত্ৰ অভিজ্ঞতাৰ বৰ্ণনা কৰিছে। তাৰেই তিনিটা স্নেপশ্বট আগবঢ়োৱা হ'ল ঃ*

**(১)**

কালি বৰদৈচিলাজনীয়ে উজনি-নামনি একাকাৰ কৰি ৰাজ্য চূৰ্ণ-বিচূৰ্ণ কৰিলে। কালি আছিল দুই বহাগ। দুই বহাগ উচ্চাৰণ কৰাৰ লগে লগেই মনলৈ আহিল ১৯৮৫ চনৰ বহাগৰ দুই তাৰিখৰ কথা। সিদিনাও বৰদৈচিলাই সংহাৰী মূৰ্তি ধৰি এফালৰ পৰা ধ্বংসলীলা চলাই গৈছিল।

মই তেতিয়া নগাঁও সদৰ ৰাজহ চক্ৰত সংলগ্ন উপপ্ৰতি সমাহৰ্তা, ইংৰাজীত Attached Sub-Deputy Collector, in short SDC. নগাঁও চক্ৰৰ লোমাটি, ৰাঙলু আদি কেইবাখনো গাঁও একপ্ৰকাৰ নিঃশ্চিহ্ন কৰি পেলাইছিল ধুমুহাই। মোৰ জ্যেষ্ঠ সতীৰ্থগৰাকী বিহুৰ বন্ধ বুলি শিৱসাগৰৰ ঘৰলৈ গৈছিল। গতিকে দায়িত্ব পোনে পোনে মোৰ ওপৰত। পুৱাই ক্ষতিগ্ৰস্ত গাঁৱৰ গাঁওবুঢ়াসকলে আহি ভাগে ভাগে খবৰ দিলেহি। তেওঁলোকৰ জৰিয়তে সংশ্লিষ্ট মণ্ডলকেইজনক খবৰ দি গাঁৱলৈ যাবলৈ দিলোঁ। প্ৰাথমিক নিৰ্দেশ হিচাপে ধুমুহাই ঘৰ-বাৰী সম্পূৰ্ণকৈ ভাঙি পেলোৱা মানুহবিলাকক স্কুল ঘৰ আদিত আশ্ৰয় শিবিৰ পাতি ৰাখিবলৈ ক'লোঁ। কোনোবাই যদি আঘাত পাইছে, তেওঁলোকক স্বাস্থ্যকেন্দ্ৰলৈ পঠিয়াবলৈ পৰামৰ্শ দিলোঁ।

বিয়া তেতিয়াও পতা নাই। নগাঁৱৰ নতুন বজাৰ অঞ্চলৰ এটা ভাৰাঘৰত থাকোঁ। লৰালৰিকৈ চিৰা-গুড়ৰ জলপান খাই অতিৰিক্ত উপায়ুক্ত কৃপাল দাস (বৰ্তমান প্ৰয়াত) ছাৰৰ বাসভৱন পালোঁ। উদ্দেশ্য এখন জীপগাড়ী যোগাৰ কৰা। বিস্তৃত অঞ্চলৰ মানুহৰ উদ্ধাৰ-সাহায্যৰ কাম তদাৰক কৰিবলৈ গাড়ী এখন লাগিবই।

অতিৰিক্ত উপায়ুক্ত মহোদয়ৰ প্ৰাথমিক সম্ভাষণ আশাব্যঞ্জক পাই মই প্ৰাকৃতিক দুৰ্যোগৰ বতৰা আৰু গাড়ীৰ প্ৰয়োজনৰ কথা ক'লোঁ।

এক মুহূৰ্ত মোলৈ আচৰিত হৈ চাই থাকি তাচ্ছিল্যৰ হাঁহি এটা মাৰি মহাশয়ে উচ্চাৰণ কৰিলে - 'এছ ডি চিকো গাড়ী লগা হ'ল!"

মোৰ আত্মসন্মান বৰ প্ৰবল। এক মুহূৰ্তও তেখেতৰ বাসভৱনত নৰৈ সৌজন্যসূচক মাতষাৰো নিদিয়াকৈ উছাট মাৰি ওলাই আহিলোঁ। খঙত একো নাই হৈ ওলাই আহোঁতে ৰাস্তাৰ দাঁতিত পুতি থোৱা ড্ৰাম এটাত বাঁওভৰিখনেৰে প্ৰচণ্ড খুন্দা মাৰিলোঁ। ঠাইতে বাগৰি নপৰিলোঁ বা বহি নিদিলোঁ যদিও গম পালোঁ যে তেজ বৈ আহিছে। তেনেকৈয়ে আহি জয়শ্ৰী চিনেমা হলৰ ওচৰৰ টেক্সী ষ্টেণ্ড পালোঁ। ৰৈ থকা একমাত্ৰ টেক্সীখন লৈ ৰাঙলু অভিমুখে গৈ থাকোঁতেহে লংপেণ্টৰ ভৰি কোচাই চালোঁ। আঁঠুটোৰ তলতে

এৰখলা নাই। চিনটো আইডেণ্টিফিকেশ্যনৰ বাবে ব্যৱহাৰ কৰিব পৰাকৈ আজিও ৰৈ গ'ল।

সেইটো বৰ বেয়া সময় আছিল। এছ ডি চিয়ে সকলো ধৰণৰ দায়িত্ব পালন কৰিব লাগিব অথচ কোনোধৰণৰ সুবিধাও দিব নালাগিব। সময় দ্ৰুতগতিত সলনি হৈছে। ময়েই চক্ৰ বিষয়া (এছ ডি চি)ৰ বাবে এশখন গাড়ী কিনাৰ প্ৰস্তাৱ দিহে অৱসৰ লৈছোঁ।

## (২)

মোৰ জ্যেষ্ঠ সতীৰ্থ চৈয়দ ৰফিক আলী, তেখেতৰ পৰিবাৰ চালেহা বেগম, আল্পনা আৰু মই কহিনূৰ থিয়েটাৰ চাই আছোঁ। গোৱালপাৰা কলেজ প্ৰাঙ্গনত। ল'ৰা-ছোৱালী নিয়া নাই ৰসভঙ্গ কৰে বুলি। জিলাৰ সদৰ হ'লেও গোৱালপাৰা মফস্বলীয় চহৰেই আছিল। গতিকে বাহিৰৰ পৰা গৈ তাত চাকৰি কৰা লোকসকল এটা পৰিয়াল হিচাপে আছিল। আমাৰ পৰিয়াল দুটা অধিক ঘনিষ্ঠ আছিলোঁ বোধহয় একে জাতৰ, এ চি এছৰ হোৱা বাবে।

নাটকৰ পাগ উঠিছে। কাহিনী প্ৰায় শীৰ্ষত উঠোঁ উঠোঁ। নাটকৰ ভিতৰত এনেকৈ সোমাই পৰিছোঁ যে চাৰিওফালৰ পৰিৱেশ পৰিস্থিতিৰ জ্ঞান সমূলঞ্চে নাইকিয়া হৈ পৰিছে।

হঠাৎ সোঁবাহুত কাৰোবাৰ টোকৰ। মূৰ ঘূৰাই চাই দেখোঁ উপায়ুক্তৰ বাসভৱনত কাম কৰা পিয়ন এজন। ইঙ্গিতেৰে কি হ'ল বুলি সোধোঁতে উপায়ুক্তই তেতিয়াই মাতিছে বুলি ক'লে। ৰফিক আলী চাহাব আৰু মোক। ঘড়ী চালোঁ। দহ বাজিছে ৰাতি। দুয়োটা পৰিয়াল ওলাই আহিলোঁ থিয়েটাৰ গৃহৰ পৰা। লগত গাড়ী নাছিল। আমাৰ থকা ঠায়ো একেফালে নাছিল। দুই বীৰাঙ্গনা, আল্পনা আৰু চালেহা, যাব লাগিব দুটা ৰাস্তাৰে আৰু আমি দুজন ওলোটা দিশে। উপায়ুক্তৰ পিয়নে লৈ অহা গাড়ীখনেৰে তেওঁলোক দুগৰাকীক থ'বলৈ পঠাই আলী চাহাব আৰু মই এঘাৰ নম্বৰ গাড়ীৰে উপায়ুক্তৰ বাসভৱনলৈ আগবাঢ়িলোঁ।

সেইদিনা আছিল ১৯৯২ চনৰ ডিচেম্বৰ মাহৰ ৬ তাৰিখ। অযোধ্যাৰ বাবৰি মছজিদ সিদিনা ধ্বংস কৰি পেলোৱা হৈছিল। আৰু তাৰ হিংসাত্মক প্ৰতিক্ৰিয়া ঘটিছিল সমগ্ৰ দেশতে। অসমো সাৰি নগ'ল।

উপায়ুক্ত আছিল পিছলৈ মুখ্য সচিব হৈ অৱসৰ লোৱা টি ওৱাই দাস। মোৰ দায়িত্বত তিনিখন থানা পৰিল - দুধনৈ, ৰংজুলি আৰু ধূপধৰা। গাড়ী এখন বন্টন কৰিলে। পিছদিনা ৰাতিপুৱাই দায়িত্ব পালন কৰিবলৈ সাজু হ'বলৈ কৈ উপায়ুক্ত মহোদয়াই বিদায় দিলে।

ঘৰলৈ আহি ভাতকেইটা খাই উঠিছোঁ মাত্ৰ। মই থকা ভাড়াঘৰৰ মালিকে খিড়িকীৰে ক'লে, 'ডেকা চাহাব, আপোনাৰ ফোন। ডি চি চাহেবাই কৰিছে।' দৌৰ মাৰি গৈ ফোন ধৰিলোঁ। 'মদন, তুমি এতিয়াই কৃষ্ণাই যাব। গণ্ডগোল ভী লগিছে।' মই বোলো মেডাম গাড়ী?

'তুমি চিন্তা নকৰিব, গাড়ী আহি আছে না।'

হ'ব মেডাম—বোধকৰোঁ মুখৰ ভিতৰতে ক'লোঁ। সিফালে ফোন ক্ৰেদলত থোৱা গম পালোঁ। আৰু সময় নাই। লৰালৰিকৈ কাপোৰ সলাই ফুল চুৱেটাৰটো ডিঙিৰে সুমুৱাইছোঁ মাত্ৰ, ঘৰৰ সন্মুখত

গাড়ী আহি উপস্থিত।

সেই যে ৰাতি বাৰ বজাত ওলাই গ'লোঁ, পিছৰ পোন্ধৰ দিন আৰু পৰিয়াল-ঘৰ নেদেখিলোঁ। ডিচেম্বৰ মাহৰ ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ পুলিচে জোতা, গৰম কাপোৰ যোগান ধৰিবলগীয়া হ'ল।

পিছৰখিনি ইতিহাস।

আটাইতকৈ মজাৰ কথাটো হ'ল মোৰ লগত গাড়ী চলাবলৈ যোৱা চালকজনো আছিল মইনুল।

**(৩)**

১৯৯২ চনৰ আগষ্ট মাহৰ পৰা ১৯৯৯ চনৰ জুন মাহলৈ মই দুধনৈ চক্ৰৰ সহকাৰী বন্দোৱস্তী প্ৰাধিকাৰী হিচাপে গোৱালপাৰাত আছিলোঁ। বন্দোৱস্তী প্ৰক্ৰিয়া চলি থকাৰ সময়ত জিলাখনৰ কাম নিখুঁতভাৱে কৰিবলৈ আৰু প্ৰয়োজনীয় পৰিদৰ্শনৰ সুবিধাৰ বাবে কেন্দ্ৰীভূত কৰি জিলাৰ সদৰৰ পৰা পৰিচালনা কৰা হয়। সাত বছৰ একেৰাহে একেখন ঠাইতে থকা ধেমালিৰ কথা নহয় আমাৰ চাকৰিত। কিন্তু বন্দোৱস্তী প্ৰক্ৰিয়া শেষ কৰাৰ স্বাৰ্থতে মই গোৱালপাৰাত থাকিবলগীয়া হৈছিলোঁ। মই যে ওলাই আহিবলৈ যত্ন কৰা নাছিলোঁ, সেয়া নহয়। মই আনকি বিভাগীয় মুৰব্বীক বলে নোৱাৰি মন্ত্ৰীকো লগ ধৰিছিলোঁ। কিন্তু মোৰ বদলি হোৱা নাছিল।

বন্দোৱস্তী প্ৰক্ৰিয়াৰ কাম কৰি মই বৰ আনন্দ পাইছিলোঁ। নিজৰ আহৰিত জ্ঞান প্ৰয়োগ কৰিব পাৰিছিলোঁ আৰু সমগ্ৰ প্ৰক্ৰিয়াটোত মই দক্ষতা অৰ্জন কৰিছিলোঁ। আটাইতকৈ সুখপ্ৰদ দিশটো আছিল মোৰ এলেকাৰ গাঁওবিলাকৰ হাজাৰ হাজাৰ মানুহক কৰি দিব পৰা উপকাৰ। দিনৰ পিছত দিন, বছৰৰ পিছত বছৰ তাঁতবাতি কাঢ়িও নামজাৰি-বাটোৱাৰা কৰিব নোৱৰা মানুহবিলাকৰ গাঁৱে গাঁৱে গৈ আয়াসতে নামজাৰি-বাটোৱাৰা কৰি দিয়াৰ পিছত মানুহবিলাকৰ সন্তুষ্টি দেখি নিজেও মানসিক শান্তি পাইছিলোঁ।

গোৱালপাৰাত চাকৰি কৰি বেয়া পোৱা মানুহো আছিল আৰু আছিল বন্দোৱস্তী প্ৰাধিকাৰী হিচাপে নিযুক্তিক সেৱা হিচাপে নাভাবি চাকৰি হিচাপে গণ্য কৰা সতীৰ্থ। গতিকে প্ৰায়েই পদ খালী হৈ আছিল। সাতটা বছৰত মই নিজৰ ভাগৰ ১৯২খন গাঁৱৰ কাম সম্পূৰ্ণ কৰাৰ উপৰি গোৱালপাৰা চহৰকে ধৰি বালিজানা চক্ৰৰ বহু সংখ্যক গাঁও, মাটিয়া চক্ৰৰ বহুত গাঁৱৰ কামো কৰিছিলোঁ। তদুপৰি জ্যেষ্ঠ সহকাৰী বন্দোৱস্তী প্ৰাধিকাৰী আৰু বন্দোৱস্তী প্ৰাধিকাৰী হিচাপেও গোৱালপাৰা আৰু বঙাইগাঁও (তেতিয়া গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত) জিলাৰ কাম চম্ভালিবলগীয়া হৈছিল।

যেতিয়া জৰীপ আৰু নথি প্ৰত্যয়নৰ বাবে গাঁও এখনলৈ যাওঁ, গাঁওখনত ৰাজহুৱা স্থানত আমি বহা ঠাই ঠিক কৰা হয় আৰু সেইখন এখন ৰাজহ আদালত হিচাপে গণ্য কৰা হয়। যিহেতু ৰাইজৰ কাম একাগ্ৰতা আৰু নিষ্ঠাৰে কৰোঁ, ৰাইজেও বৰ সন্মান কৰে লগতে আলহ-উদহ কৰি আপ্যায়ন কৰে। প্ৰায় ৯৫ শতাংশ গাঁৱতেই ৰাজহুৱা ভোজ হয়।

১৯৯৩ চনৰ কথা। দুধনৈ চহৰৰ ওচৰৰ বাজেমণ্ডল শিয়ালমাৰী নামৰ গাঁওখনৰ নথি প্ৰত্যয়ন কৰিবলৈ গৈছোঁ। গাঁওখন মিশ্ৰিত বসতিৰ। তাত নিযুক্ত মণ্ডলজনৰ নাম নাৰায়ণ দাস। তাৰ (সৰু ল'ৰা)

চিন্তা—ছাৰৰ খোৱা ঠিক নহ'ব, মানুহখিনি ভাল নহয়। গতিকে নাৰায়ণ দুদিন আগৰে পৰাই মোৰ খোৱাৰ ব্যৱস্থা কৰাত ব্যস্ত। ৰাইজে কৰিবই—তাৰ ভৰসা নাই ৰাইজৰ ওপৰত।

নথি প্ৰত্যয়নৰ দিনৰ দুপৰীয়া ভোজন বিৰতিত ৰাইজৰ লগত একেলগে খাবলৈ বহিছোঁ। সমাজৰ মুখিয়াল মানুহকেইজন মোৰ কাষত, অলপ দূৰত কাননগো আৰু নাৰায়ণ। খোৱা আৰম্ভ কৰিলোঁ, বৰ সোৱাদলগা ৰাজহুৱা ভোজ— মাছ, মাংস (কুকুৰা) দুয়োবিধেই আছে। তৃপ্তিৰে খাই থাকোঁতে লক্ষ্য কৰিলোঁ যে নাৰায়ণে চুইছেহে—খোৱা নাই। আনকালে হলে গোগ্ৰাসে গিলে। মই সুধিয়েই দিলোঁ — 'নাৰায়ণ, কি হ'ল? পৰ্বত দেখোন খহাই নাই'?

নাৰায়ণে সেমেনাসেমেনি কৰিবলৈ ধৰিলে। কাননগোহে হে উত্তৰ দিলে — 'কি খাব ছাৰ? কালি ৰাতি এটা গাহৰি সি আৰু ধ্বজেনে অকলেই খাইছে। আজি তাৰ মুখত জুতি নাই ।'

উপসংহাৰ ঃ নাৰায়ণ খুব কম বয়সতে ঢুকাল, কেৱল খায়েই।

●●●

# কৰ'নাৰ কৰুণা

**অমল শইকীয়া**

— 'ছাৰ! এটা কথা নহয়। মোৰ পৰিবাৰক পাঁচ বছৰ ধৰি চিকিৎসা কৰিলোঁ। গুৱাহাটী, ডিব্ৰুগড় মেডিকেল আনকি খেনোৰে কোৱাৰ কাৰণে জৰা-ফুকাও কৰি চালোঁ। তথাপিও সতি-সন্ততি এটা নহ'ল। বাকী আছিলগৈ আই ভি এফটো। সেইটো কৰিবলৈ মোটা ধনৰ প্ৰয়োজন কাৰণে ইমান দিনে সাহসেই কৰিব পৰা নাছিলোঁ। এতিয়া ছাৰ! এই লকডাউনৰ সময়ত একোডাল চিকিৎসা নকৰাকৈ মোৰ মানুহজনীয়ে কেনেকৈ গৰ্ভধাৰণ কৰিলে? কাৰণটো কি হ'ব পাৰে ছাৰ!'

— 'কাৰণ আছে।'

— 'সেইটো কি ছাৰ!'

— 'আগতে ঘৰত থাকোঁতে বাৰপাচি কামৰ টেনচন লৈ থাকে। ব্যস্ততাও আছিল বেছি। আচল কামটোৰ প্ৰতি ধ্যানটো কম আছিল। হঠাতে ঘৰতে লকডাউন হৈ যোৱাত কামৰ টেনচন কমিল। আচল কামটোত একাগ্ৰতা মানে মনোযোগ বাঢ়িল। লগতে মৰম-চেনেহৰ এনাজৰীডালো অকণমান আগতকৈ কটকটীয়া হ'ল। গতিকে সাতে পাঁচে মিলি বহু প্ৰত্যাশিত কামফেৰা হ'লগৈ আৰু। নে কি কয়। এইয়া লকডাউনৰে ইতিবাচক ফল বুজিছে। কৰ'নাৰ কৰুণা বুলিবও পাৰে।'

●●●

# লকডাউনৰ অভিজ্ঞতা

*বিশ্বমাৰী কৰ'নাৰ সংক্ৰমণ ৰোধ কৰিবলৈ সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্যতো এবাৰ, দুবাৰকৈ কেবাবাৰো 'লকডাউন' ঘোষণা কৰিবলগীয়া হ'ল। লকডাউনত লাভ কৰা অভিজ্ঞতা আৰু অনুভৱৰ কেইটিমান চিত্ৰ আগবঢ়োৱা হ'ল ঃ*

## লকডাউনৰ সমস্যা

**বিৰাজজ্যোতি গোস্বামী**

লকডাউনৰ লগে লগে আহি পৰা সমস্যাবোৰৰ মাজত মোৰো এটা সমস্যা হ'ল। মোৰ লখৰাত থকা ফাৰ্মত কেইজনীমান গাই আছে, আগবেলা ২০-২২ লিঃ আৰু পাচবেলা প্ৰায় ১১-১২ লিঃ গাখীৰ দিয়ে। সাধাৰণ সময়ত আগবেলাৰ গাখীৰখিনি নেপালী এজনে খীৰাই লৈ যায় আৰু পাচবেলাৰখিনি মোৰ ঘৰলৈ আহে। চিধাচিধি ওহাৰৰ পৰা অহা গাখীৰখিনিৰ দাদা-বাইদেউহঁতৰ আৰু মোৰ কাৰণে ৩ লিটাৰ ৰাখি বাকী ৮-১০ লিটাৰ চাৰ্ভেৰ এখন দৈ-ক্ৰীমৰ দোকানত দিওঁ। সেই নিৰ্ভেজাল গাখীৰটোপাৰ কাৰণে মানুহ ৰৈ থাকে আৰু গাখীৰ আধালিটাৰৰ লগতে অলপ দৈ-ক্ৰীমো বিক্ৰী হৈ যায়। কিন্তু লকডাউনৰ লগে লগে সেই দোকানখন বন্ধ হোৱাত বৰ সমস্যাত পৰিলোঁ। পুৱাৰ ভাগৰখিনি বাৰু নেপালীজনে নিয়ে, পাচে আবেলিৰ ভাগ? গতিকে লকডাউন আৰম্ভ হোৱাৰ দিনাই বজাৰৰ পৰা ১০টা মাটিৰ মলা কিনিলোঁ আৰু মোৰ ফাৰ্মত থকা কৰ্মচাৰীক ভালদৰে শিকাই দিলোঁ দৈ পতাৰ প্ৰণালী। ৩ দিনৰ মূৰত যাওঁ আৰু আগৰ দুদিনৰ দৈ আৰু সেইদিনাৰ গাখীৰখিনি লৈ আহোঁ। ঘৰতো দৈ পাতোঁ। প্ৰথমতে দৈ দাদা, বাইদেউ আৰু ওচৰ-চুবুৰীয়াক বিলাইছিলোঁ। তুলিকাই কেতিয়াও দৈ নাখাইছিল, কিন্তু ভাগ্য সুপ্ৰসন্ন-ঘৰৰ দৈখিনি ইমানেই ভাল হৈছে যে তেওঁ এদিন খোৱাৰ পাচত লাহে লাহে দিনে চাৰি পাঁচবাৰকৈ দৈ খাব ধৰিলে। ময়ো ভাল পালোঁ- হওক দে, কিবা এটা যে খাব ধৰিছে! - মোৰ দৈৰ সুবাস লাহে লাহে প্ৰসাৰ হ'ল আৰু এতিয়া মই যোগান ধৰিব নোৱৰাকৈ অৰ্ডাৰ পাব ধৰিলোঁ। বনকৰা ছোৱালীজনীয়েও দৈ পাতিব জনা হ'ল। এতিয়া মই ঘৰলৈ পৰ্যাপ্ত ৰাখিও সপ্তাহত ২০ লিটাৰমান বিকোঁ।

কালি মোৰ এটা সৰু দুৰ্ঘটনা হ'ল। মই গাখীৰ দৈ আনিবলৈ লখৰালৈ গৈছিলোঁ। তাতে থাকোতেই তুলিকাই ফোন কৰি কেইটামান কল পালে আনিবলৈ ক'লে।

ঘূৰোঁতে প্ৰায় ৬ বাজিল। সময়সীমা শেষ হোৱাৰ বাবে লখৰা বজাৰত লৰা-ঢপৰা। মই তিনিখন ফলৰ দোকান চাই এখনতহে কেইটামান ডাঙৰ চেনিচম্পা পালোঁ। লগতে ডালিম একিলো লৈ ঘূৰি গাড়ীৰ কাষ চাপিছোঁ। এনেতে কঁকালত যেন এটা বজ্ৰহে পৰিলে। মই এশ কিলোৰ মানুহটো কমোৱা তুলাৰ দৰে উফৰি দহফুট দূৰৰ খাৰৈত পৰিলোঁগৈ। লগে লগে কাষৰ ২৫ জনমান মানুহ দৌৰি আহিল। হা ঐ বি ঐ লাগিল। মোৰ সম্বিত ঘূৰি অহাত এটা মাত শুনিলোঁ “আ ঐ বাচেলীটোৰ কি হ’ল ঐ, অলপ মুখত পানী দিচোন।” দেখিলোঁ এগৰাকী ৭৫-৮০ বছৰীয়া মাতৃয়ে যেন বিলাপ কৰিছে। সাউৎকৰে মালৈ মনত পৰিল। মা ঢুকোৱাৰ আগলৈকে (দুবছৰেই হ’ল অ’) মই সন্ধিয়া আহিলেই কৈছিল ‘ঐ সৰু ল’ৰাটো আহিছে, কিবা এটা মুখত দেচোন।’ কোনোবাই শুনিলে ভাবিব মই সঁচাই নিম্ন বুনিয়াদীৰ ল’ৰা, প্ৰায় ষাঠি বছৰীয়া নহয়। মোৰ চকুত পানী দেখি সকলোৱে ভাবিলে এই প্ৰচণ্ড আঘাতটোৰ বাবে কান্দোন, বুকুত বলি থকা ধুমুহাৰ উম কোনেও নাপালে। ভাবিছিলোঁ মোক বাইক জাতীয় কিহবাই খুন্দিয়াই থৈ গ’ল। ঘূৰি চাই দেখোঁ এটা প্ৰকাণ্ড ষাঁড়। ওখই ৫১/২ ফুট (মোৰ কান্ধলৈকে পৰা) আৰু প্ৰায় ৭-৮ কুইণ্টলীয়া এটা ষাঁড়, সাইলাখ মহাদেৱৰ ছবিত থকা নন্দীৰ দৰে। বপুৰাই ইতিমধ্যে মোক খোচাৰো প’জ লৈছিলে কিন্তু মানুহবোৰে আঁতৰাই পঠালে। যি নহওক সকলোৰে শুশ্ৰূষা সহযোগত গাড়ীত বহিলোঁহি। কেইবা ঠাইতো ঘা লাগিল, কাপোৰ ফাটিল। কিন্তু শিৱৰ নামত প্ৰাৰ্থনা আৰু কৃতজ্ঞতা জনালোঁ যে ইমানতেই যে ৰক্ষা পৰিলোঁ। কাৰণ মই উফৰি গৈ পৰোঁতে মোৰ মূৰটো য’ত পৰিছিল তাৰ মাত্ৰ দেৰইঞ্চি দূৰত এটা ডাঙৰ শিল যিটোত পৰিলে মই সিফলীয়া হ’লোহেঁতেন। কঁকালত বহুত দুখ পাইছোঁ কিন্তু অলপ সাৱধান হৈ চলিলে দুদিনমানতে ভাল পাই যাম। ৰাতি বিষতে শুব পৰা নাই। চিলমিলকৈ টোপনি আহোঁতেই কাণত বাজিল ‘আ ঐ বাচেলীটো!!’ লগে লগে ঐক্যতানত মাৰ মাতটো।

●●●

# দুঃসময়ৰ অতিচাৰ

**তপোধন দাস**

৪২/৪৩ বছৰীয়া মাকে এহাতেৰে ১১ বছৰীয়া পুতেকক হাতত ধৰি, কান্ধত কাপোৰ কানিৰ বেগটো লৈ নিউ-জলপাইগুৰিত নিশা ৰেলত উঠিল, অসমলৈ বুলি; পতি, শাহু আৰু ছোৱালীজনীক এৰি থৈ এমাহৰ আগত গৈছিল মাকৰ ঘৰলৈ, লকডাউনে আৱদ্ধ কৰাত ঘূৰিম বুলি ভবা সময় বহুদিন উকলি যোৱাত মনত অনেক উদ্বেগ।

অসমৰ ষ্টেচনত নামি স্বাস্থ্যকৰ্মী আৰু আৰক্ষীৰ উপদেশত পোনতে আহিল কোৱাৰেণ্টাইন কেন্দ্ৰলৈ,

দুদিনৰ মূৰত স্বাব পৰীক্ষাত মাকৰ গাত কৰ'না আছে বুলি ধৰা পৰিল, তেওঁক চিকিৎসা মহাবিদ্যালয়লৈ অনা হ'ল, পুতেকক কোৱাৰেণ্টাইন কেন্দ্ৰতে ৰখা গ'ল।

অকলশৰীয়া সাধাৰণ ব্যৱসায়ী দেউতাকে কেৱল চিকিৎসা মহাবিদ্যালয় আৰু কোৱাৰেণ্টাইন কেন্দ্ৰৰ মাজতে ঢপলিয়াই আছে, কান্দিছে অসহায় হৈ, ল'ৰা পত্নী কাৰো কাষলৈ যাব পৰা নাই, প্ৰতিবন্ধক মাৰাত্মক কৰ'না ভাইৰাছ। তেওঁ নিজেও হৃদ-ৰোগী বুলি জানে; কিন্তু সিদ্ধান্ত ল'লে তৎক্ষণাৎ আৰু ল'ৰাৰ কাষত থাকিবলৈ তেওঁ নিজেও কোৱাৰেণ্টাইন হৈ গ'ল...

বিপন্নতা হয়তো তেওঁৰেই বেছি, যদি কেনেবাকৈ আক্ৰান্ত হয় ক'ভিডত! পত্নীৰ শৰীৰত ক'ভিডৰ উপস্থিতি আছে, লক্ষণ নাই; তেওঁ সোনকালে আৰোগ্য হোৱাৰ সম্ভাৱনা বেছি। ল'ৰাৰ শৰীৰত ক'ভিড থকাৰ প্ৰতিবেদন অপেক্ষাৰত, কিন্তু শিশু সন্তানটিৰ সেই অকলশৰীয়া অৱস্থা দেউতাকৰ অন্তৰে সহ্য কৰিব নোৱাৰিলে।

(এনে এটা অৱস্থা মুহূৰ্তত সম্ভৱ হ'ব পাৰে যাৰে তাৰে ক্ষেত্ৰ ত, হৈ আছে লক্ষজনৰ, দেশে দেশে, বাধা ক'ত !)

মানুহৰ আকস্মিক দুৰৱস্থাৰ এইটো সামান্যতম উদাহৰণ। হাজাৰ মাইলৰো অধিক বাট খোজকাঢ়ি ঘৰমুৱা হোৱা হাজাৰ হাজাৰ শ্ৰমিকে নিজৰ শিশু সন্তানক কোলাত লৈ কান্ধত টোপোলা ওলমাই তপত পকী বাটেদি আনাহাৰে আগুউৱা, অনিশ্চিত আশা লৈ আগুৱাই ভাগৰি বহি পৰা, দুভৰিৰ পতা তাপত জ্বলি পোৱা আৰু তাৰে অনেকে পথৰ কাষত ঢলি পৰি প্ৰাণ এৰা দেখি আছোঁ...

দুঃসময়ৰ বিভৎস অতিচাৰ ইমান নিষ্ঠুৰ হোৱাৰ ইতিহাস লিখোঁতাই হয়তো কান্দিছে অন্তৰত, অসহায় মানুহবোৰে হয়তো প্ৰথম উপলব্ধি কৰিছে ‘জনম কিয় লৈছিলোঁ এই নিৰ্দয় পৃথিৱীত, ক'ত গ'লে বাচিম আমি, কেনেকৈ যাম তালৈ...’

●●●

# লকডাউনত চিকিৎসা জীৱনৰ জীয়া অভিজ্ঞতা

**অমল শইকীয়া**

সমগ্ৰ দেশত লকডাউন। গাড়ী-মটৰ বন্ধ। চাৰিওফালে মাত্ৰ নিস্তব্ধতা। কভিড -১৯ ৰ তাণ্ডৱ। ফোন কৰি কোনো চিকিৎসকৰ পৰা তিলমানো সঁহাৰি নেপাই শেষত নিকটৱৰ্তী চিকিৎসালয়খনেও হাত দাঙি দিয়াত দুজন ৰোগী পৃথক পৃথক সময়ত আহি কে পি মেম'ৰিয়েল চিকিৎসালয়ত উপস্থিত হ'লহি। পৰিয়ালৰ লোক অসহায়। লৰালৰিকৈ মই মুমূৰ্ষ ৰোগী দুগৰাকীক পৰীক্ষা কৰিলোঁ। ৰক্তনলীৰ

স্পন্দন আঙুলিৰে নেপায়, ৰক্তচাপ স্ফিগম'মেন'মিটাৰত ধৰা পৰা নাই। মাত্ৰ কলিজাটোৱে ৰোগী জীয়াই থকা ইংগিত দিছে। যিকোনো মুহূৰ্ততে ৰোগীয়ে শেষ নিঃশ্বাস পেলাব পাৰে।

— 'মই এজন গাইনি বিভাগৰ ডাক্তৰহে। তেওঁলোকক বিশেষকৈ আই চি ইউৰ দৰকাৰ আছে। আপোনাসকলে অনুগ্ৰহ কৰি তেজপুৰ নতুবা গুৱাহাটীলৈ নিয়াৰ ব্যৱস্থা কৰিলে ভাল হ'ব।'

কথাটো শুনি ৰোগীৰ পৰিয়ালৰ লোকসকল ভাগি পৰিল।

— 'ছাৰ! এই পৰিস্থিতিত আমাৰ দেউতাক তেজপুৰ-গুৱাহাটীলৈ নিয়াৰ কথা নক'ব। আমাৰ কাষৰ চিকিৎসালয়ত আশা নাই বুলিয়েই কৈ পঠাইছে। গতিকে আত্মসন্তুষ্টিৰ কাৰণে হ'লেও আপুনি চিকিৎসা সেৱা আগবঢ়াওক ছাৰ! বাকীখিনি ভগৱন্তৰ হাতত এৰি দিলোঁ।'

ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত এম.বি.বি.এছ পাছ কৰাৰ পিছত এটা বছৰ বিভিন্ন বিভাগত আমি ইণ্টাৰনি কৰিব লগা হৈছিল। সেই সময়ত আমি মেডিচিন বিভাগত তিনিমাহ খাটিব লাগিছিল যদিও মই গোটেই বছৰটোৱেই এই বিভাগটোৰ সংস্পৰ্শত আছিলোঁ। তেতিয়াৰ মেডিকেল ফ'ৰ ৱাৰ্ডৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ ডাঃ প্ৰফুল্ল বৰুৱা ছাৰে সন্ধিয়া সন্ধিয়া প্ৰায়ে পোষ্ট গ্ৰেজুয়েট কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক ৱাৰ্ডৰ ৰোগীক সন্মুখত লৈ ক্লাছ বোৰ লৈছিল। আৰু মই কলেজ কেণ্টিনত পৰঠা এটা খাই হাতত নোটবহী এখন লৈ তেওঁলোকৰ পিছফালে চুচুক চামাককৈ জ্ঞানপিপাসু ব্যক্তি এজনৰ দৰে থিয় দি আছিলোঁ। সেই সময়ত মই আৰু এটা কাম কৰিছিলোঁ। সময় সুবিধা পালেই 'কেজুৱেলটি' অৰ্থাৎ 'জৰুৰীকালীন সেৱা'ত উপস্থিত থাকিবলৈ চেষ্টা কৰিছিলোঁ। তাৰ পাছত পাঁচটি বছৰ গাঁৱে-ভূঁয়ে চাকৰি কৰি আয়ত্ব কৰা অভিজ্ঞতাৰ ব্যৱহাৰৰ সময় আজি যেন সমাগত মই বাৰুকৈয়ে অনুভৱ কৰিলোঁ। পলম নকৰি ৰণথলিৰ যোদ্ধাৰ দৰে ৰণক্ষেত্ৰত সাহসেৰে জঁপিয়াই পৰিলোঁ। ৰোগী দুগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰি যুদ্ধকালীন গতিত চিকিৎসা সেৱা আৰম্ভ কৰা হ'ল। হস্পিতালৰ সীমিত সুবিধাৰে অক্সিজেন, চেলাইন, পালচ অক্সিমেট্ৰি, লেবৰেটৰী আৰু পৰিচাযি্কা সকলো সাজু হৈ উঠিল। এজন ৰোগী আগতে হৃদপিণ্ড, উচ্চ ৰক্তচাপ আৰু শেষত শৌচ, বমি ৰোগত আক্ৰান্ত হৈছিল আৰু আনজনৰ কেইবাবাৰো প্ৰষ্টেট্ গ্ৰন্থিৰ অস্ত্ৰোপচাৰ হৈ শেষত হঠাতে বেহুচ হৈ পৰিছিল। প্ৰথমজনৰ লেবৰেটৰী পৰীক্ষাত তেজত শৰ্কৰা শূন্যলৈ নামি যোৱাৰ লগতে পটাছিয়াম তললৈ নামিল। দ্বিতীয়জনৰ শৰীৰত ছডিয়াম আৰু পটাছিয়াম নিম্নগামী হ'ল। চিকিৎসা চলি থাকিল। লাহে লাহে দুয়োগৰাকীয়ে হাত-ভৰি লৰাবলৈ আৰম্ভ কৰিলে... তাৰ পাছত এটা-দুটা কথা ক'বলৈ আৰম্ভ কৰিলে... পিছদিনা এচামুচ-দুচামুচ সিজোৱা ভাত খাবলৈ ল'লে। কিছুদিন চিকিৎসা আগবঢ়োৱাৰ পাছত সম্পূৰ্ণ সুস্থ হৈ উঠাত কালি দুয়োগৰাকীকে মুখত হাঁহি বিৰিঙাই অগা-পিছাকৈ হস্পিতালৰ পৰা বিদায় দিলোঁ। তেওঁলোকক চিকিৎসকৰ মাননিৰ পৰাও সম্পূৰ্ণ ৰেহাই দিলোঁ। এজন চিকিৎসক হোৱাৰ সাৰ্থকতা অনুভৱ কৰি মনটো সন্তুষ্টিৰে ভৰি গ'ল।

●●●

# লকডাউন

**সুৰথ পাঠক**

কি যে সমস্যা ! চহৰত দোকান পোহাৰবোৰ বন্ধ হ'লে কেনে অৱস্থা হয় ! গাওঁবোৰত এনে বন্ধবোৰ বেছি অনুভূত নহয়। আমি বিশেষকৈ গাঁৱৰ ল'ৰাবোৰে (চহৰৰ কথা নাজানো) দৌৰিব পৰা হোৱাৰে পৰা গোটেই শৈশৱকাল (খোৱা, শোৱা সময়খিনি বাদ দি) বাৰীয়ে, পথাৰে, হাবিয়ে-বননিয়ে সমনীয়াৰ লগত ঘূৰি ফুৰিছিলোঁ। গাঁৱত সচৰাচৰ কেবাটাও ঘৰ চাৰিওফালে থাকে, মাজত আহল-বহল চোতাল। ডাঙৰ বাৰী, পুখুৰী। কিন্তু চাকৰি কালত অকণমান মাটিত, চাৰি-পাঁচটা কোঠাতে মেৰুনিৰ (মেউন্নিৰ) গৰুৰ নিচিনাকৈ পাকঘূৰণি খাই জীৱন অতিবাহিত কৰিব লগা হ'ল। গাওঁবোৰৰো চৰিত্ৰ চহৰৰ দৰেই হ'বলৈ ধৰিলে।

কেতিয়ালৈ যে অৱসান হ'ব এনে অৱস্থাৰ!

●●●

# নিষ্ঠুৰ বাস্তৱ

**কৃষ্ণা শৰ্মা**

কৰ'নাৰ সংক্ৰমণতকৈ নিষ্ঠুৰ বাস্তৱ সত্য যেন এতিয়া আৰু একো নাই। কৰ'নাই খেদি ফুৰা পৃথিৱীত ঘৰুৱা আৰেষ্টনিৰ মাজত নিজকে আৱদ্ধ কৰাৰ বাহিৰে বিকল্প নাই। কৰ'নাৰ চিকাৰ হোৱাৰ লগে লগে মানুহ অকলশৰে পিতৃ-মাতৃ, পতি-পত্নী, বাই-ভনী, নাতি-পুতি আদি সকলোকে এৰি থাকিবলগীয়া হয়। সকলো আঁতৰি যায়। অস্পৃশ্য হৈ পৰে। কেতিয়াবা তেনেদৰেই চিৰ বিদায় হয়। অতি মৰমৰ মানুহো বহুত আঁতৰি যায়। আনহাতে সুস্থজনে আপোনজনক মৰমৰ মাত এষাৰিও দিব নোৱাৰে।

টিভিৰ পৰ্দাত চকা মকাকৈ দেখা চেতনা বাইদেউ। হস্পিতালৰ বিছনাত এযোৰ সুন্দৰ সাজেৰে বহি আছে। কাষৰ চেলফৰ ওপৰত মেৰুণ ৰঙৰ বেগটো। ইমান সুন্দৰকৈ হস্পিতাললৈ গৈছিল দেখিয়েই মুখৰপৰা নিজেই ওলাই আহিল- ইমান সুন্দৰ হৈ বহি আছে।

কিন্তু সকলোকে হুঁহুৱাই থাকি অনবৰতে সুন্দৰ সাজ-পাৰ পৰিধান কৰা বাইদেৱে কিমান দুখ পাইছে! আপোন মানুহজনক শেষ বিদায় দিয়াৰ পৰাও বিৰত থাকিবলগীয়া হ'ল। দুখত সমভাগী হ'বলৈও কাষত কোনো নাই। নিজৰ ছোৱালী, আত্মীয়সকল অজস্ৰ শুভাকাঙ্ক্ষী, সকলোৱে দূৰৈৰ পৰাই বাইদেউৰ লগ দিছে। সকলোকে হুঁহুৱাই হুঁহুৱাই নিজে অনবৰতে হাঁহি থকা বাইদেৱে অকলশৰে কান্দিছে এক বন্ধ

কোঠাত। হাঁহি ভালপোৱা মানুহে দুখ পালে বেছি বেয়া লাগে। মনলৈ বাৰে বাৰে আহিছে কৰ'নাই এই মাধমাৰ দিবলৈ বাৰু বাইদেউক কিয় বিচাৰি পালে!

কৰ'না মহামাৰীৰ এই দুৰ্দিনত সকলোৰে কাৰণে অন্তৰে হাহাকাৰ কৰে। নিজৰ বাবেও সকলোৰে শঙ্কা হয়। যিমান পাৰে বেছিভাগ লোকেই সাৱধানে থাকে। কিন্তু তাৰো এটা সীমা থাকে। বাহিৰলৈ ওলাই যাবলৈ বাধ্য হয়।

এসময়ত স্পেনিচ ফ্লু'ৰেও ভয়াৱহ ৰূপ লৈছিল। সেই সময়ত আজিৰ দৰে সুচল যাতায়াতৰ ব্যৱস্থা নথকাৰ বাবে হয়তো কিছু কিছু অঞ্চলতে সীমাবদ্ধ আছিল। অৱশেষত সেই দুৰ্দশাৰ দিন পাৰ হৈ আহিছিল। সুচল যাতায়াতৰ বাবে এতিয়া কৰ'নাৰ গোটেই পৃথিৱীতে সংক্ৰমণ হ'ল। চাৰ্লি চেপলিনৰ প্ৰেয়সীৰো হেনো স্পেনিচ ফ্লুত মৃত্যু হৈছিল আৰু সেই দুখৰ পৰা তেওঁ জীৱনত কেতিয়াও ওলাই আহিব পৰা নাছিল।

বহুতৰ দৰে এহাল চিকিৎসক দম্পতিকো কৰ'নাই প্ৰতাৰণা কৰিলে। ড° তুলিকা গোস্বামী আৰু ড° বিৰাজ জ্যোতি গোস্বামী। দুয়োজনেই কৰ'নাৰ কৰাল গ্ৰাসত পৰিল। তুলিকা আগৰ পৰাই কিছু অসুস্থ যদিও ঠিকেই আছিল। কিন্তু হঠাতে কৰ'নাৰ আক্ৰমণে তুলিকাক ধৰাশায়ী কৰিলে আৰু বিৰাজক অকলশৰীয়া কৰিলে। বিৰাজ যথেষ্ট মনোবল থকা লোক। বেয়া লাগিছে ইমান ধুনীয়াকৈ থকা বিৰাজ আৰু তুলিকাক কৰ'নাই কিয় এই আঘাত দিলে? বিৰাজ এক সৰ্বগুণসম্পন্ন ব্যক্তি বুলিলে ভুল কৰা নহ'ব। চিকিৎসক হিচাপে মন্তব্য নিদিলেও হ'ব। কি খেল, গান-বাজনা, ভায়'লিন বাদন ইত্যাদি বিৰাজ সকলোতে পাৰ্গত। তদুপৰি বিৰাজ অতি অতিথিপৰায়ণ আৰু বন্ধুবৎসল। খেতি বাতি কৰা, নিজে তদাৰক কৰা সুন্দৰ ফুলৰ বাগিচা। মুঠতে বিৰাজৰ গুণ বখানি শেষ কৰিব নোৱাৰি। মোৰ কটন কলেজত পঢ়া দিনৰ সহপাঠী। কি দুৰ্বিসহ বেদনা! অন্তিম ক্ষণতো নিচেই ওচৰত থাকিও এবাৰো মুখখন দৰ্শন কৰিব নোৱাৰে। বহুত দূৰ হৈ যায়। এনেকুৱা নিষ্ঠুৰতাৰ ছবি আগতে দেখা বা শুনা নাছিলোঁ।

এইখিনি মোৰ চিনাকি পৃথিৱীখনৰ মানুহ। টিভিৰ পৰ্দাত নিতৌ দেখি আছোঁ বহুতৰে বিয়োগৰ বাতৰি। যোৰহাটৰ আৰু এগৰাকী চিকিৎসক আৰু তেখেতৰ পত্নী আৰু খবৰ পালোঁ মাক পুতেকৰ একেলগে হোৱা মৃত্যুৰ বাতৰি। কৰ'নাৰ আতঙ্কত বেলেগ ৰোগৰ চিকিৎসাৰো বাবে চিকিৎসাললৈ যাবলৈ সকলোৰে ভয়। বহুত মানুহৰ মৃত্যুও হৈছে তেনেদৰে। আনৰ বিপদত মাত এষাৰ লগাবও যাব নোৱাৰি। কিমান দুখ লগা কথা! কৰ'নাই আমাৰ জীৱনৰ যাত্ৰাপথ সলনি কৰি দিছে। কিমান সুখৰ সংসাৰ থান বান কৰি আছে। কিমান পৰিয়ালৰ সুখ কাঢ়ি নিছে! কোনেও একো কৰিব পৰা নাই। কোন ফালৰপৰা কেতিয়া ধৰাশায়ী কৰে তলকিবই নোৱাৰি। মৃত্যু শাশ্বত সত্য হ'লেও সকলোৰে অস্পৃশ্য হৈ মৃত্যু কাৰো কাম্য নহয়। কৰ'নাৰ ৰূপ একেবাৰে বেলেগ। ইলেকট্ৰিক শ্বক্ লগা মানুহৰ দৰেই অৱস্থা। স্পৰ্শ কৰিলেই বিপদ। আমি এতিয়া উপায়হীন। জীৱনটো এনেদৰেই আগবঢ়াব লাগিব। অতি সন্তৰ্পণে চাই-চিন্তি নিজকে

সুৰক্ষিত কৰি ৰাখি। ঘৰতে সোমাই থাকিলেও আমি চলিব নোৱাৰোঁ। নিজ পৰিয়ালৰ পোহপালৰ বাবে অন্ন-বস্ত্ৰখিনি যোগাৰ কৰিবই লাগিব। একো কৰিব নোৱাৰিলেও আমাৰ অস্ত্ৰ হৈছে মুখৰ ঢাকনি আৰু পৰিষ্কাৰ দুখন হাত। সৰ্বসাধাৰণ লোকৰ বাবে ভেকচিনৰ প্ৰয়োগ নোহোৱালৈকে আমি এনেদৰেই নিজকে বচাব লাগিব। আমাৰ দৰে সাধাৰণ মানুহৰ ভৰসা কেৱল ঈশ্বৰ আৰু ঈশ্বৰৰ দূতৰূপী চিকিৎসক আৰু তেওঁলোকৰ সহায়কাৰী চিকিৎসা কৰ্মীসকল যি সকলক ধন্যবাদ দি কৃতজ্ঞতা প্ৰকাশ কৰিও ধাৰ শুজিব নোৱাৰি। আজি টিভিত দেখিলোঁ এক বৃদ্ধাশ্ৰমৰ তিনিগৰাকী আইতা কৰ'নাত আক্ৰান্ত। এগৰাকীৰ বয়স ১০১। তিনিগৰাকীক দেখি এনে লাগিল যেন অকণো বিচলিত হোৱা নাই। আইতা সকলে কৰ'নাৰ লগত হোৱা যুদ্ধত জয়ী হৈ আহক। যোৱাবাৰ জন্মাষ্টমীৰ দিনটো বৰ আনন্দেৰে পাৰ কৰিছিলোঁ। কিন্তু এইবছৰ এনেকুৱা যে হ'ব কল্পনাও কৰা নাছিলোঁ। এতিয়া আমি জীয়াই আছোঁ। কেৱল ইজনে সিজনক মৰম-চেনেহৰ ভাবৰ আদান-প্ৰদানেৰে। মানুহৰ মৰমেৰে। মানুহৰ মৰমৰ এনাজৰীডালেই এতিয়া সকলোকে সকলো পাহৰাই জীৱন পথত আগুৱাই নি আছে। মহৰ্ষি টলষ্টয়ৰ "মানুহ কিহেৰে জীয়াই থাকে" গল্পটোত কোৱা কথাখিনিৰ মৰ্ম এতিয়াহে উপলব্ধি কৰিব পাৰিছোঁ।

●●●

# লকডাউনত কিবা হেৰুৱালোঁ নেকি ?

**মদন চন্দ্ৰ ডেকা**

হেৰুৱালোঁ নেকি কিবা ? লকডাউনত ?

অখণ্ড সময়ৰ বুকুৰ অনেক লহমা অবাবত হেৰুৱালোঁ। মাথোঁ বহি থাকিলোঁ প্ৰয়োজনীয়-অপ্ৰয়োজনীয় খবৰ শুনি। টিভি ছেটটোৰ সমুখত। হেৰুৱালোঁ বিশ্বাস - কাষৰলৈ অহা প্ৰতিজন মানুহে কৰ'নাৰ বীজাণু কঢ়িয়াই আনিছে বা! হেৰুৱালোঁ আস্থা নিজৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতাৰ ওপৰত।

নিজৰ মহাদেউক হেৰুৱালোঁ - অৱসৰ লোৱাৰ তিনি দশক পিছত তেওঁ এই পৃথিৱীৰ মায়া এৰি থৈ গ'ল। লগতে লৈ গ'ল— মোৰ কৈশোৰ-যৌৱনৰ অলেখ স্মৃতি। শেষ দেখা সম্ভৱ হৈ নুঠিল।

হেৰুৱালোঁ মোৰ ভিনদেউৰ ভায়েকক— আপোন ভিনদেউতকৈ যি কোনোগুণে পৰ নাছিল।

হেৰুৱালোঁ মোৰ গুৰুপত্নীক যাক খুড়ী বুলি মাতিছিলোঁ একেখন গাঁৱতে ঘৰ হোৱা সুত্ৰে, শৈশৱ-কৈশোৰৰ সোণসেৰীয়া স্মৃতি হেৰুৱালোঁ লগতে। লকডাউনৰ বাবে কাৰো খবৰ ল'বলৈ, কাকো মাত এষাৰ লগাবলৈ যাব নোৱাৰিলোঁ।

১৫-০৭-২০২০ তাৰিখে মোৰ লগৰ ঘৰৰ উপেন শৰ্মা কৰ'নাত ঢুকাল। তেওঁৰ ল'ৰাও কৰ'নাত আক্ৰান্ত হৈ সিদিনা জি. এম. চি এইচ্‌ত। কণ্টেইনমেণ্ট জ'নৰ বেহু ভেদি চুবুৰীয়া সুহৃদৰ ঘৰলৈ যাব নোৱাৰিলোঁ। কিবা এটা হেৰুৱালোঁ যেন লাগি থাকিল, আজিও লাগি আছে।

১৯৮০ চনৰ পৰা ছেগা-চোৰোকাকৈ আৰু ১৯৮৪ চনৰ পৰা নিয়মীয়াকৈ বছৰৰ শেষত আলোচনীবোৰ বাইণ্ডিং কৰি থোৱাৰ অভ্যাস। প্ৰান্তিক, প্ৰকাশ, ৰংঘৰ, দেশ, গৰীয়সী, সাতসৰী, বাৰ্তাপখিলী, বিজ্ঞান জেউতি আদি। 'কা' আন্দোলন শাম কটা যেন পাই অৱসৰৰ আগে আগে ২০১৯ চনৰ আলোচনীবোৰ বাইণ্ডিং কৰিবলৈ দিলোঁ। অৱসৰৰ মাহটোৰ ব্যস্ততাৰ কাৰণে খবৰ কৰিবলৈ সময় নহ'ল। অৱসৰৰ পিছদিনাৰপৰা ঘৰুৱা সমস্যা (মোৰ ভতিজাটো ঢুকাইছিল), পেন্সন পেপাৰৰ কাম, মই এৰি অহা এ চি এছ (আই এ এছ হোৱাত) বেট্চৰ মুখপত্ৰ সম্পাদনাৰ কামত লাগি থাকোঁতে আলোচনীৰ কথা মূৰৰপৰা ওলাই গ'ল। যেতিয়া মনত পৰিল তেতিয়া লকডাউন আৰম্ভ হৈ গৈছে। ২১ দিনীয়া, ৪০ দিনীয়া আদি লকডাউন পাৰ হৈ আমি এতিয়া আনলকৰ বতাহ খাই আছোঁ। পিছে বাইণ্ডিঙত দিয়া আলোচনীৰ খবৰ আজিলৈকে উলিয়াব পৰা নাই।

ভাব হৈছে ২০১৯ ৰ সমস্ত আলোচনী হেৰুৱালোঁ।

●●●

# য'তে বাঘৰ ভয় ত'তে ৰাতি হয়... !

**জগদীশ চন্দ্ৰ বসুমতাৰী**

দিনটো কোভিড ৰোগীৰ লগত লাগি লাগি ভাগৰি পৰিছিলোঁ। থিৰাং কৰিলোঁ সন্ধিয়ালৈ ক'ৰবালৈ গৈ বিয়েৰ দুবটল মানকে গিলি আহোঁগৈ... ভবামতেই কাম...। বন্ধু বিপুল খাটনিয়াৰলৈ মেচেজ এটা দি থ'লোঁ... আমাৰ দুয়োৰে মাজত এইবোৰ চলে...

চিনাকি অসমীয়া ধাবা এখনৰ আছুতীয়া কক্ষত আমেজত চকু মুদি মুদি বিয়েৰৰ দুই এটা চিপ মাৰিব আৰম্ভ কৰিছিলোঁহে এথোন... মনে মনে নেদেখাজনক খাটিছিলোঁ যাতে কোনো চিনাকি মানুহ কোঠালৈ সোমাই নাহক...

পিছে ভয় কৰাটোৰেই হ'ল নহয়... ! আমাৰ দৰেই বোধহয় মদিৰা পান কৰাৰ উদ্দেশ্যে কোঠাটোলৈ সোমাই আহিছিল এজন ব্যক্তি। উৎসুকতাৰে মই তেওঁক চাইছিলোঁ। ভাল লাগিল যে মই তেখেতক চিনি নাপাওঁ। আকৌ বিয়েৰৰ মগত চুমুক দিলোঁ... বিন্দাচ...

কিন্তু ই কি... ! মানুহজন দেখোন মোৰ পিনে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি মোৰ ওচৰলৈকে আহি ক'ব আৰম্ভ কৰিলে... ছাৰ আপুনি এগৰাকী নামজ্বলা পৰ্বতাৰোহী নহয় জানো... ? আপুনি TMCH ৰ ডাক্তৰ। মই আপোনাৰ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত আছিলোঁ... মই শিক্ষকতা কৰোঁ...

মোৰ ইমান আমেজেৰে পক ধৰা বিয়েৰৰ নিচা নিমিষতে পলাই ফাঁট মাৰিলে...

●●●

# বিবাহ ইচ্ছুক এজোপা গছৰ কাহিনী

(ওমানৰ সাধুকথা)

**ভাবানুবাদ ঃ পংকজ কুমাৰ নেওগ**

এসময়ত এখন গাঁৱত মোহনা নামেৰে এগৰাকী মহিলা আছিল। মোহনা আছিল বৰ অন্ধবিশ্বাসী; বোধকৰো গোটেই গাঁওখনত তাইৰ দৰে অন্ধবিশ্বাসী কোনো নাছিল। গাওঁখনত সামান্য এটা ঘটনা ঘটিলেও তাই সদায় কিবা অপায় বা অমঙ্গলৰ আশংকা কৰিছিল। আখলঘৰত সোমাওঁতে মোহনাই সদায় সোঁ ভৰিখনহে প্ৰথমে দি সোমায় যাতে তাই কোনো দুৰ্ভাগ্যৰ সন্মুখীন নহয়; বাচনত কফি বনোৱাৰ সময়তো প্ৰথমে কফিখিনি মোহনাই উতলি পৰিবলৈ দিয়ে— তাইৰ মতে এনেদৰে অলপ কফি উতলি পৰাতো ভাল লক্ষণ ইত্যাদি ইত্যাদি!

এদিন মোহনা তাইৰ চাৰিগৰাকী বান্ধৱীৰ সৈতে গাঁৱৰ কুৱাঁটোৰ পাৰলৈ গ'ল। কুৱাঁটোৰ পাৰতে এজোপা বিশাল খেজুৰ গছ আছিল। খেজুৰজোপাৰ ঘেৰ ইমান বহল যে মোহনা আৰু তাইৰ চাৰিওজনী বান্ধৱীয়ে একেলগে হাতত ধৰা-ধৰিকৈহে গছজোপা সাবটি ধৰিব পাৰিছিল। মোহনাই তলসৰা খেজুৰ এটা মুখত দি মাত লগালে— "এইজোপা খেজুৰ গছ ইমান প্ৰকাণ্ড আৰু ফলবোৰ ইমান মিঠা, নিশ্চয় গছজোপা যাদুকৰী"! তাইৰ লগৰ কেইজনীয়ে লগে লগে ভেঙুচালি কৰি উত্তৰ দিলে— "থ, মোহনা তোৰ যাদুকৰী গছ! ইমান অন্ধবিশ্বাসী নহ'বিচোন"! কিন্তু মোহনা আছিল নিজৰ কথাত অটল। বান্ধৱীকেইগৰাকীৰ মুখলৈ থিৰ হৈ চাই তাই ক'লে— "মই আল্লাৰ নামত শপত খাই কৈছোঁ, যদি মোৰ ছোৱালী এজনী জন্ম হয় তেনেহ'লে মই তাইক এই খেজুৰ গছজোপাৰ সৈতে বিয়া দিম আৰু তাই অতি সুখে-সন্তোষে সংসাৰ কৰি থাকিব"। বান্ধৱী চাৰিগৰাকীয়ে মোহনাৰ কথা শুনি হাঁহি উৰুৱাই দিলে। দিন পাৰ হৈ যোৱাৰ লগে লগে মোহনাৰ কথাবোৰ সকলোৱে পাহৰি গ'ল।

এবছৰমান পাৰ হৈ যোৱাৰ পিছত সঁচাকৈয়ে মোহনাৰ মৰম লগা এজনী ছোৱালী জন্ম হ'ল। ছোৱালীজনীৰ নাম থোৱা হ'ল আয়েশা আৰু তাইক সকলো অপায়-অমঙ্গলৰ পৰা কুশলে ৰাখিবলৈ মাকে 'ফাতিমাৰ হাত' থকা (হামসা) সৰু নেকলেচ এডাল পিন্ধাই দিলে। একলা-দুকলাকৈ আয়েশা বাঢ়ি আহিল। চাওঁতে চাওঁতে তাই ডাঙৰ এজনীয়েই হ'ল। মাক মোহনাই ভূত-প্ৰেতৰ বাসস্থান বুলি দঢ়াই দঢ়াই আয়েশাক বুজাই গাঁৱৰ কুৱাঁবোৰৰ ওচৰলৈ আৰু ঘৰৰ পৰা বেছি আঁতৰলৈকো যাবলৈ নিষেধ কৰিলে। আয়েশাই মাকৰ উপদেশ মতেই কথাবোৰ আখৰে আখৰে মানি চলিল। সোতৰ বছৰ পাৰ হৈ

যোৱাৰ পিছত এদিন লগৰীবোৰে আয়েশাক গাঁৱৰ ডাঙৰ কুৰাঁটোৰ পাৰলৈ যাব লগ ধৰিলে। সকলোৱে তাইক জোকাবলৈ ধৰিলে— "আয়েশা, কিমান নো আৰু ঘৰৰ ভিতৰত সোমাই থাক? মাৰৰ দৰে ভয়াতুৰ আৰু অন্ধবিশ্বাসী নহ'বিচোন!" অৱশেষত আয়েশা লগৰীবোৰৰ সৈতে কুৰাঁটোৰ পাৰলৈ যাব বাধ্য হ'ল। বাকী সকলোবোৰ কুৰাঁৰ পৰা পানী তোলাত ব্যস্ত হৈ থাকোঁতে হঠাতে খেজুৰ গছজোপাই ফুচফুচাই আয়েশাৰ কাণত ক'লে— "তোমাৰ মাক কোৱাগৈ, তেওঁ নিজৰ কথা ৰাখে যেন"! আয়েশা চক খাই উঠিল, কোনে ক'লে কথাষাৰ? পিছ মুহূৰ্তত হাঁহি এটা মাৰি ভাবি পালে মাকৰ কথা নুশুনা বাবে হয়তো তাইৰ মনৰ ভ্ৰম হৈছিল। অলপ পৰৰ পিছত আয়েশা আৰু এইবাৰ তাইৰ লগৰীবোৰেও শুনাকৈ খেজুৰ গছজোপাই কৈ উঠিল— "তোমাৰ মাক কোৱাগৈ, তেওঁ নিজৰ কথা ৰাখে যেন"! ভয়তে আয়েশা দুখোজমান পিছুৱাই গ'ল। গছে কেনেকৈ কথা ক'ব পাৰে, ই অসম্ভৱ! এনেতে তৃতীয়বাৰৰ বাবে গছজোপাই ফুচফুচাই ক'লে— "তোমাৰ মাক সুধি চোৱাচোন, তেখেতৰ বা কি মত"? ভয়তে আয়েশা কোবাকুবিকৈ ঘৰলৈ উভতিল আৰু মাকক আহি আদ্যোপান্ত বিৱৰি ক'লে। কথাবোৰ শুনি মোহনাৰ মুখখন কেহেঁৰাজ বটা বৰণীয়া হ'ল। "হাঁয়, হাঁয়! ময়েই পৰিয়ালটোলৈ অনৰ্থ মাতি আনিলোঁ! আয়েশা মাজনী! তই জন্ম হোৱাৰ আগেয়ে এদিন মই আল্লাৰ শপত খাই তোক খেজুৰ গছজোপালৈ বিয়া দিম বুলি কৈছিলোঁ। মোক কথা দে কেতিয়াও আৰু তই সেই কুৰাঁ আৰু খেজুৰ গছজোপাৰ ওচৰলৈ নাযাব যেন"! আয়েশাই মূৰ জোকাৰি মাকক উত্তৰ দিলে— "মা, তুমি এতিয়া তেনে কথা নাভাবিবা; এবাৰ শপত খাইছা যেতিয়া মই সেই খেজুৰ গছজোপাৰ সৈতে বিবাহত বহিবই লাগিব। শপত ভঙ্গ কৰিলে তোমাৰ প্ৰতি 'জিন্ন' ডাঙৰীয়া ৰুষ্ট হ'ব।" জীয়েকৰ কথাত অৱশেষত সৈমান হৈ মোহনাই বিয়াখন পাতিবলৈ সাজু হ'ল। আৰব বিবাহৰ পৰম্পৰা অনুসৰি মোহনাই আয়েশাৰ হাত আৰু ভৰিকেইখন ধুনীয়াকৈ 'হেন্না'ৰে সজালে আৰু বিয়াৰ সাজযোৰ গোলাপী 'আউধ' আতৰেৰে সুগন্ধিময় কৰি তুলিলে। দৰাই কইনাক উপহাৰ দিয়াৰ দৰে মোহনায়ো জীয়েকক নানা আ-অলংকাৰ আৰু কাপোৰ-কানিৰে ওপচাই এটা সময়ত কুৰাঁটোৰ পাৰৰ খেজুৰ গছজোপাৰ কাষত থৈ আহিলেগৈ।

পিছদিনা পুৱাই আয়েশাক এবাৰ চাই আহিবলৈ মোহনা কুৰাঁটোৰ পাৰলৈ গ'ল কিন্তু খেজুৰ গছজোপাৰ ওচৰত কোনো নাছিল। ওচৰে-পাজৰে লগ পোৱা সকলো মানুহকে আয়েশাৰ কথা সুধিলে কিন্তু কোনেও তাইৰ উৱাদিহ দিব নোৱাৰিলে। প্ৰত্যেক দিনা এইদৰে মোহনাই জীয়েকক বিচাৰি ওলাই যায় কিন্তু কাৰো পৰা একো সুংসূত্ৰ লাভ কৰিব নোৱাৰি বিফল মনোৰথেৰে উভতি আহে। মাহৰ পিছত মাহ বাগৰি এবছৰৰো অধিক সময় পাৰ হৈ গ'ল। এদিন গধূলি দুখে-ভাগৰে ঘৰলৈ আহি বিছনাত পৰোঁতে মোহনাই চিলমিল টোপনিত সপোন এটা দেখা পালে— মোহনাৰ ঘৰলৈ কোনোবা এগৰাকী অচিনাকি মহিলা আহিছে আৰু মহিলাগৰাকীক লগ ধৰিবলৈ যাওঁতে তেওঁ মোহনাক দীঘল কাপোৰ এডোখৰ হাতত গটাই দি অন্তৰ্ধান হয়। মানুহগৰাকী যোৱাৰ পাছত মোহনাই হাতৰ কাপোৰখন শুঙি চাওঁতে এটা

চিনাকি ফুৰফুৰীয়া সুগন্ধি নাকত লাগে! এই গোন্ধ মোহনাৰ অতি আপোন। ক'ত পাইছিল বাৰু এই গোন্ধ? ছাত্‌কৈ মোহনাৰ মনত পৰে— এৰা, আয়েশাৰ কইনাৰ সাজযোৰৰ পৰাও সেই একেটা গোন্ধেই ওলাইছিল! খকমককৈ টোপনিৰ পৰা সাৰ পাই মোহনাই বিছনাত বহি ভাবে— সপোনটোৰ পূৰ্বাভাস শুভ, আল্লাই নিশ্চয় কিবা ভাল বাতৰি শুনাব। মোহনাই আকৌ বিছনাত বাগৰ দিলে; বহুত দিনৰ মূৰত তাই প্ৰশান্তিত টোপনি গ'ল।

কিছুদিনৰ পিছত এদিন সন্ধিয়া মোহনাৰ ঘৰৰ দুৱাৰত কোনোবাই মৃদু কৰাঘাত কৰে। দুৱাৰখন মেলি মোহনাই সন্মুখত দেখে এগৰাকী কম বয়সীয়া সুন্দৰী মহিলা; পিন্ধনত বেঙুণীয়া ৰঙৰ দামী পশমী কাপোৰ। ডিঙিত সোণৰ মীনা কৰা গধূৰ হাৰ, আনকি হাত আৰু ভৰি দুখনো স্বৰ্ণালঙ্কাৰেৰে সু-সজ্জিতা। মানুহগৰাকীৰ ওচৰত এজন মানুহ থিয় হৈ আছে; কোলাত এটা শুই থকা কেঁচুৱা। সুন্দৰী মহিলাগৰাকীয়ে অলপ হাওলি মোহনাৰ গালত চুমা খাই ক'লে— "মা, মোক চিনি পোৱা নাই? মই তোমাৰ জীয়ৰী আয়েশা"! মোহনা থৰ লাগি ৰ'ল— অৱশ্যে পিছ মুহূৰ্ততে আয়েশাৰ ধুনীয়া চকুযুৰি আৰু হাঁহিটো চিনি পাই জীয়েকক সাবটি ধৰে। "মা, এখেত মোৰ স্বামী আৰু এইটো আমাৰ সন্তান। তুমি যিদিনা আৰু যিটো ক্ষণত সেই খেজুৰ গছজোপাক তোমাৰ জীয়ৰীক বিয়া দিম বুলি শপত খাইছিলা এইজন লোক তেওঁৰ দেউতাকৰ সৈতে সেইখিনি ঠাইৰে খোজকাঢ়ি গৈ আছিল। তোমাৰ কথা শুনা পাই তেওঁ তেতিয়াৰে পৰা বহুত বছৰ আৰু মই বিবাহযোগ্য হৈ নুঠালৈকে অপেক্ষা কৰি আছিল। মই অৱশেষত যেতিয়া বিবাহযোগ্য হ'লোঁ, তেওঁ তেতিয়া আকৌ সেই খেজুৰ গছজোপাৰ পিছফালে লুকাই মোৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলে। মোৰ স্বামী পাহাৰৰ সিপাৰে থকা চহৰখনৰ এজন ডাঙৰ আৰু চহকী সদাগৰৰ পুত্ৰ আৰু আমি সঁচাকৈয়ে ইজনে-সিজনক লভি বৰ সুখী।"

মোহনাই জী-জোঁৱায়েক আৰু নাতিয়েকক আনন্দৰে সাবটি ধৰি ঘৰৰ ভিতৰলৈ লৈ গ'ল। পিছদিনা পুৱা মোহনাই গাঁৱৰ সকলোৰে সৈতে আয়েশাৰ পৰিয়ালটো চা-চিনাকি কৰাই দিলে। গাঁও ঘূৰি-পকি আবেলি সকলোবোৰ ঘৰলৈ উভতিল। জীয়েকৰ গাল দুখনত মৰমেৰে হাত ফুৰাই মোহনাই ক'লে— "মাজনী, মই সঁচাকৈয়ে একেবাৰে আঁকৰী আছিলোঁ, অ'! মই শপত খাই কৈছোঁ আজিৰ পৰা আৰু কেতিয়াও অন্ধবিশ্বাসী নহওঁ! এনেতে আয়েশাৰ কোলাত থকা কেঁচুৱাটো কান্দি উঠিল। মোহনা হঠাতে ব্যস্ত হৈ পৰিল আৰু আয়েশাক উদ্দেশি শুনালে— "মাজনী, বাবাটোক কপালত কাজলেৰে সদায় এটা ডাঙৰ ক'লা ফোঁট দি থবিচোন! ময়ো চাওঁ, কাইলৈ পুৱা ক'ৰবাৰ পৰা মন্ত্ৰপূত মাদুলী এটা আনি বাবাটোৰ ডিঙিত ওলোমাই দিব পাৰোঁৱেই নেকি...!!!"

●●●

# ‘মালিক চাহাবৰ গাজা আৰু মজা’ৰ আঁত ধৰি

**পংকজ কুমাৰ বৰুৱা**

... সুখপাঠ্য লেখা প্ৰচাৰ কৰিলা। ভাল লাগিল জানি।

নুমলীগড়ত থকা কালত মোৰ বিভাগতে মালিক ছাৰৰ ল’ৰা কামিল হয়াতে, Instrument বিভাগত technical assistant হৈ যোগদান কৰিছিল। অতি নম্ৰ আৰু কৰ্তব্যপৰায়ণ কামিলক সকলোৱে ভাল পাইছিল। মোৰ অৱসৰৰ সময়ত মালিক ছাৰৰ ৰচনাৱলীৰ কিতাপ এখন মোক উপহাৰ দিছিল। সেই সূত্ৰেই মালিক ছাৰৰ জীৱনপঞ্জীৰ কিছু কথা উল্লেখ কৰিছোঁ, জ্ঞাতাৰ্থে।

১৯১৯ চনৰ ১৬ জানুৱাৰিত গোলাঘাটৰ নাহৰণিত জন্ম হোৱা মালিক ছাৰে, নাহৰণিতে প্ৰাথমিক শিক্ষা শেষ কৰি, যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৭ চনত ফাৰ্চী বাধ্যতামূলক আৰু অতিৰিক্ত দুয়োটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। আৰু যোৰহাটৰ পৰাই আই এ পাছ কৰে।

তেখেতে ১৯৩৯ চনত কটনত নামভৰ্তি কৰিছিল স্নাতক মহলাত আৰু ইংৰাজীত সন্মান লৈ স্নাতক পাছ কৰিছিল। ১৯৪২ চনত আবকাৰী বিভাগৰ দাৰোগাৰ চাকৰি কৰাৰ পিছত, ১৯৪৬ চনত যোৰহাট কলেজত ফাৰ্চী বিভাগত প্ৰবক্তা হয়। ১৯৪৮ চনত শ্বিলং-গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰগ্ৰাম এচিষ্টেণ্ট হয়, সেই সময়ৰ ভূপেন হাজৰিকা অনাতাঁৰ কেন্দ্ৰত যোগদান কৰাৰ সময়তে।

১৯৫০ চনত তেওঁ এই কাম বাদ দি গোলাঘাটৰ ঢেকিয়াল হাইস্কুলত শিক্ষকতা কৰে। ১৯৫১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত স্নাতকোত্তৰ সম্পূৰ্ণ কৰিছিল। ৫১ চনতে কুড়ালগুড়ি হাইস্কুলত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে যোগ দিয়ে। সেই বছৰতে যোৰহাট জগন্নাথ বৰুৱা কলেজলৈ অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰি ২৫ বছৰ কাল শিক্ষকতা কৰি এই বিভাগতে অধ্যাপক হিচাপে ১৯৭৬ চনত অৱসৰ লয়। ১৯৭২ চনত তেখেতৰ সৃষ্টি ‘অঘৰী আত্মাৰ কাহিনী’ৰ বাবে সাহিত্য অকাডেমী এৱাৰ্ড লাভ কৰে। ১৯৭৬ চনত ৰাজ্যসভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৭৭ চনত অসম সাহিত্য সভাৰ অভয়াপুৰী অধিৱেশনত সভাপতি পদ অলংকৃত কৰে। ১৯৮৪ চনত তেখেত পদ্মশ্ৰী আৰু ১৯৯২ চনত পদ্মভূষণ উপাধিৰে সন্মানিত হয়। ১৯৯৪ চনত ‘অসম উপত্যকা সাহিত্য বঁটা’ৰে সন্মানিত হয়। ১৯৮৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা D Lit সন্মানেৰে সন্মানিত হয়। আৰু অনেক বঁটাই তেওঁৰ শিৰৰ ভূষণ হৈছে।

●●●

# স্মৃতি ৰোমন্থন

*মানুহৰ যেতিয়া নিয়মীয়াকৈ কৰিবলগীয়া কোনো কাম নাথাকে, অফুৰন্ত সময়ৰ বুকুত অৱগাহন কৰাৰ অৱকাশ ওলায়—তেতিয়া স্মৃতিয়ে ভৰ কৰে মন গহনত। আমাৰ প্ৰায়বিলাক সেৱানিবৃত্ত বন্ধু-বান্ধৱীৰো সেয়ে হ'ল। স্মৃতি ৰোমন্থন যেন এক নতুন উপজীব্য হৈ উঠিল। তাৰেই কিছুমান চিত্ৰ বা খণ্ডিত চিত্ৰ এই শিতানত অন্তৰ্ভুক্ত কৰা হ'ল...*

# স্মৃতি ৰোমন্থন

**ফাইজুৰ ৰহমান**

১৯৭৫ চনৰ HSLC পৰীক্ষাৰ ৰিজাল্টৰ দিনা—

আজি আমাৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিব। মনটো ৰাতিপুৱাৰ পৰা উগুল-থুগুল। আজি ভাল চাই চাৰ্ট আৰু হাফপেণ্ট পিন্ধি ল'লোঁ। মনত উৎকণ্ঠা। দাদাই মোৰ ৰিজাল্ট ল'বৰ বাবে গুৱাহাটীলৈ গ'ল। গধূলিহে আহি পাব। মই এবাৰ ঘৰ আৰু এবাৰ বাটলৈ অহা-যোৱা কৰি আছোঁ। মনত হেজাৰ চিন্তা। ফাৰ্ষ্ট ডিভিজন, চেকেণ্ড ডিভিজন নে ফেইল। মোৰ গুৱাহাটীৰ কটন কলেজত পঢ়াৰ মন। ফাৰ্ষ্ট ডিভিজন নেপালে কটন কলেজত নামভৰ্তিৰ আশা কৰা মিছা। উফ ! মনত ধৰফৰণি। মোৰ বাবে সময়বোৰ নাযায় যেন লাগিছে। আবেলি গাঁৱৰে এজন খুৰাই আহি মাক খবৰ দিলে, ফাইজ বোপাই মেট্ৰিক পৰীক্ষাত কিবা ভাল ৰিজাল্ট কৰি পাছ কৰিছে। তেওঁ হেনো আমাৰ স্কুলৰ ওচৰত থকা সাপ্তাহিক বজাৰত শুনি আহিছে। মনটো ভাল লাগি গ'ল।

গধূলি দাদা আহি পালে। বেছি শিক্ষাৰ পোহৰ নপৰা গাওঁখনৰ বাবে তেতিয়া লেটাৰ সহ ফাৰ্ষ্ট ডিভিজন মানেই ভাল ৰিজাল্ট। গধূলি গাঁৱৰ মানুহবিলাক এজন এজনকৈ আহি আমাৰ চোতাল ভৰি পৰিল। হাঠা বিস্কুট, পিঠা আৰু লাল চাহ খুৱাই মানুহবিলাকক আপ্যায়ন কৰা হ'ল। চবেই উপদেশ দিলে। বোপাক গুৱাহাটীৰ ডাঙৰ কলেজত পঢ়াব লাগে। মানে 'কটন' কলেজত। কোনোবা এজনে আকৌ তপকৈ মাত দি ক'লে, নাই নাই গুৱাহাটীত গ'লেই ল'ৰা বেয়া হ'ব— চিনেমা চাব, ছোৱালীৰ পিছত ঘূৰিব, হোটেলত আড্ডা মাৰিব, ফলত পঢ়া-শুনা বেয়া হ'ব, ইত্যাদি ইত্যাদি। মই মাক খাটিলোঁ যে গুৱাহাটীৰ কটন কলেজতেই মোৰ পঢ়াৰ মন। কান্দি-কাতি মই হুলস্থূল কৰিলোঁ। বহু গুণা-গঁথা কৰাৰ শেষত সিদ্ধান্ত হ'ল মোক কটন কলেজতেই নামভৰ্তি কৰিব। মনটো কিমান ভাল লাগিল বুজাব নোৱাৰোঁ।

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

কটন কলেজত নামভৰ্তিৰ উপলক্ষে মোৰ গুৱাহাটী যাত্ৰা—

অৱশেষত নামভৰ্তিৰ দিনটো আহি পৰিল। সকলোবোৰ যাৱতীয় কাগজপত্ৰ লৈ দাদাৰ লগত ওলালোঁ গুৱাহাটীলৈ বুলি। মোৰ জীৱনৰ প্ৰথম গুৱাহাটী যাত্ৰা। গুৱাহাটীৰ পৰা আমাৰ গাঁৱলৈ প্ৰায় ৪০ কি.মি. দূৰত্ব যদিও মই কোনোদিন গুৱাহাটীলৈ গৈ পোৱা নাই। মনত অলীক সপোন। প্ৰথম গুৱাহাটী দেখা পাম। কটন কলেজত পঢ়িম, কি মজা লাগিব! কল্পনা কৰিয়েই ভাল লাগে। আমাৰ গাঁৱৰ চাৰিআলিত লাইন বাছত উঠি ল'লোঁ। গাড়ীৰ চকা ঘূৰিল। শৰাইঘাটৰ দলংখনৰ কথা চবেই কৈ আছিল। গাঁৱৰ বহুতে কয় বিৰাট দীঘল আৰু খুব ধুনীয়া দলং। ৰেডিঅ'ত শুনা গীত এটিৰ কথা মনলৈ আহিল—

“এটি-দুটি খুঁটাৰে দলংখন হ'ব<br>
খৰচে কৌটি কৌটি টকা।<br>
অ' ওপৰ খলপেৰে<br>
যাব মটৰ গাড়ী<br>
কাযেৰে মানুহৰ শাৰী।<br>
অ' তলৰ খলপেৰে<br>
ধান মাহ কঢ়িয়াই<br>
চলিব কত ৰে'লগাড়ী...।”

ভাবি থাকোঁতে দলঙৰ ওচৰ পালোঁহি। ব্ৰহ্মপুত্ৰ নদী দেখিলোঁ, দেখিলোঁ শৰাইঘাটৰ দলংখন। গীতটিত বৰ্ণনা কৰাৰ দৰেই দলংখন গঠন হৈছে। ভাল লাগিল। গুৱাহাটীত সোমালোঁ। বাছৰ খিৰিকীৰে গুৱাহাটীখন মন দি চাই গ'লোঁ। প্ৰথমবাৰৰ বাবে গুৱাহাটী মহানগৰ দেখিলোঁ। নগৰৰ বিষয়ে কিতাপতহে পঢ়িছিলোঁ। এয়া বাস্তৱ। চহৰৰ মাজে মাজে গাড়ী চলিল। মাছখোৱা নামৰ ঠাইত আমাৰ গাড়ী ৰখালে। চিঞৰ শুনিলোঁ আহক আহক— ফাঁচীবজাৰ, পাণবজাৰ, কাছাৰী, গুৱাহাটী ক্লাব, চান্দমাৰী— এয়া চিটি বাছৰ হেণ্ডিমেনৰ চিঞৰ। আমি সেই চিটি বাছখনতেই উঠি ল'লোঁ। এটা সময়ত কাছাৰীত নামি আমি কটন কলেজ অভিমুখে খোজ ল'লোঁ। যিমানে কলেজৰ ওচৰ চাপিছোঁ -মোৰ বুকু দুৰু দুৰু কঁপিছে, ধপ ধপ কৰিছে। পুলিচ পইণ্ট পাৰ হৈ কটন কলেজৰ গেট পালোঁ। এয়াই মোৰ কল্পনাৰ বিদ্যামন্দিৰ।

এক সুন্দৰ পৰিৱেশ। নামভৰ্তিৰ বাবে অহা ছাত্ৰ-ছাত্ৰীৰ লগত হাতত বেগ লৈ একো একোজন অভিভাৱক। মনৰ পৰা ভয়-শংকা দূৰ হ'ল। নামভৰ্তিৰ বাবে ঠিক কৰি থোৱা কলেজৰ হল ঘৰটোত আমি সোমাই গৈ আসনত বহি ল'লোঁ। এটা সময়ত নামভৰ্তিৰ কাম আৰম্ভ হোৱাৰ কথা ঘোষণা কৰিলে। প্ৰথমে বিনয়ৰ নাম মাতিলে। বিনয় পিছফালৰ পৰা কাগজপত্ৰ লৈ আগবাঢ়ি গ'ল। লগে লগে হল ঘৰটোত জাউৰিয়ে জাউৰিয়ে হাত চাপৰিৰ শব্দ। অসমৰ প্ৰথম স্থানপ্ৰাপ্ত ছাত্ৰ। আমি অভিনন্দন জনালোঁ। একাদিক্ৰমে নামভৰ্তি হৈ গৈ মোৰো কটন কলেজত নামভৰ্তি হৈ গ'ল, Physics, Chemistry, Math, Addl Math, English & Assamese বিষয় লৈ বিজ্ঞান শাখাৰ B-Sectionত। মোৰ মনৰ আশা-আকাংক্ষা,

মোৰ মনৰ ইচ্ছা পূৰণ হ'ল । মই কটনিয়ান হ'লোঁ। মোক CM Hostelত allotment কৰিছে। হোষ্টেলখনো ঘূৰি পকি চালোঁ। সিদিনা ঘৰলৈ ঘূৰি আহিলোঁ।

ঘৰ পাই মাৰ ওচৰত মই প্ৰতিজ্ঞাবদ্ধ হ'লোঁ যে গাঁৱৰ মানুহে কোৱাৰ দৰে মই পি ইউ ফাইনেল পৰীক্ষা নিদিয়ালৈকে চিনেমা নাচাওঁ, ছোৱালীৰ পিছত নুঘূৰোঁ আৰু কোনো দিনে হোটেলত আড্ডাও নামাৰোঁ। কেৱল পঢ়া-শুনা কৰিম।

**বিঃদ্ৰঃ** — মই মোৰ মাক দিয়া প্ৰতিজ্ঞা ভংগ নকৰিলোঁ। সেই দুবছৰ কোনো দিনে চিনেমাও চোৱা নাই, ছোৱালীৰ পিছতো ঘূৰা নাই নাইবা হোটেলত বহি আড্ডাও মৰা নাই। অৱশ্যে পি ইউ ফাইনেল পৰীক্ষা শেষ কৰি মোৰ practical partner নিৰঞ্জন শৰ্মাৰ লগত জীৱনৰ প্ৰথম চিনেমা ‘দোস্তি’ চালোঁ। তাৰপিছত ‘চোলে’ আৰু ‘জয় সন্তোষী মা’।

●●●

# ভূপেন দা ঃ মোৰ শৈশৱ ইত্যাদি

**কস্তুৰী নিভা গগৈ**

শ্বিলঙৰ পৰা আহি প্ৰথমে আমি শিলপুখুৰীৰ কন্বাচল অঞ্চলত ভাৰাঘৰত আছিলোঁ আৰু মোক প্ৰথম শ্ৰেণীত নামভৰ্তি কৰি দিলে। কন্বাচলৰ ছোৱালীবোৰ চেনীকুঠি বালিকা বিদ্যালয়ত পঢ়িছিল। মামাককা অৰ্থাৎ দেউতাৰ মোমায়েকৰ ঘৰ কন্বাচলত বাবে তেখেতসকলে আমাৰ কাৰণে ভাৰাঘৰ ঠিক কৰি দিছিল। মামাককাৰ ছোৱালী চপলা সম্বন্ধত মোৰ পেহী কিন্তু এক শ্ৰেণীৰ ওপৰৰ প্ৰায় সমবয়সীয়া বাবে মই নামকাঢ়ি মাতিছিলোঁ। চপলা, পুতুলী, গিৰিজা, ইৰাহঁতৰ লগত মই স্কুললৈ অহা-যোৱা কৰিছিলোঁ। তাৰ পাছত নিজৰাপাৰত নীলকান্ত হাজৰিকাদেৱৰ (ড° ভূপেন হাজৰিকাদেৱৰ পিতৃ) ঘৰৰ সীমাতে মাটি এডোখৰ থকাৰ সন্ধান পাই দেউতাই মাটিডোখৰ কিনি লৰালৰিকৈ সৰুকৈ চাৰিখোটালীৰ খেৰৰ মনোৰম ঘৰ এটা সাজি উলিয়াইছিল আৰু আমি নিজৰ ঘৰত থাকিবলৈ আৰম্ভ কৰিলোঁ, উল্লেখযোগ্য যে মাটিৰ হাকিমখ্যাত নীলকান্ত হাজৰিকাদেৱৰ বাসগৃহকে ধৰি নিজৰাপাৰৰ বহু ঘৰ খেৰৰেই আটোমটোকাৰীকৈ সজোৱা আছিল। আনকি পূৰ্বতে University Colony (University খন ইয়াতে স্থাপন কৰাৰ কথা আছিল যদিও গুৱাহাটীৰ ভিতৰত হোৱা বাবে পিছত জালুকবাৰীলৈ স্থানান্তৰ হয়) খ্যাত পিছত Magistrate Colony আৰু বৰ্তমানৰ চানমাৰি কলনীৰ চৰকাৰী বাসগৃহসমূহো সুন্দৰ খেৰী ঘৰেই আছিল। মোক নিজৰাপাৰ প্ৰাইমাৰী স্কুলত দ্বিতীয় শ্ৰেণীত নাম লগাই দিলে। শ্বিলঙৰ সুন্দৰ আহল-বহল আপোন ঘৰ-বাৰী পৰিৱেশ সকলো এৰি নিজৰাপাৰত পোনতে সৰু ঘৰত অতি কষ্টেৰে থাকিবলগীয়া হোৱাত আমি ল'ৰা-ছোৱালীকেইটাই ভালদৰে বেমাৰ-আজাৰত ভুগিছিলোঁ আৰু স্বাস্থ্যধন হেৰুৱাইছিলোঁ বাবে মায়ে

শ্বিলঙৰ কথা সুঁৱৰি প্ৰায়ে চকুপানী টুকিছিল। মোৰ ককাইদেউ এজন আৰু ভাইটি এটা আছিল। ভগৱানৰ আশীৰ্বাদত ফাকুৱাৰ ৰঙালী দিনত সৰু ভাই এটা পালোঁ আৰু সিয়েই মোৰ শৈশৱ-কৈশোৰৰ অতিকৈ চেনেহৰ লগৰীয়া আছিল। সময়ত নিজৰাপাৰ স্কুলৰ পৰা উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়লৈ পঢ়িবলৈ আগবাঢ়িলোঁ। আমাৰ ঘৰৰ গাতে লগা মাজত কেৱল এখন বাঁহৰ জেওৰা তাতে সৰু জপনাখনেদি কাষৰ 'নীলকান্ত হাজৰিকা ককা' আৰু 'শান্তি হাজৰিকা আইতা'ৰ ঘৰলৈ মই প্ৰায়ে গৈছিলোঁ। বৰ মৰমীয়াল আৰু অতি ব্যক্তিত্বসম্পন্ন ব্যক্তি আছিল তেখেতসকল। সাতজন অতি গুণৱান পুত্ৰ আৰু তিনিগৰাকী গুণৱতী কন্যাৰ পিতৃ-মাতৃ আছিল তেখেতসকল। পিছত বয়োজ্যেষ্ঠ দুয়োজনেই এজন এজনকৈ স্বৰ্গগামী হয়।

সংস্কৃতিৰ বৰঘৰখনলৈ দুৰ্বাৰ আকৰ্ষণ আছিল সকলোৰে। ভূপেন দা মাজে মাজে ঘৰলৈ আহে। ঘৰখন শিল্পীসকলৰে ভৰি পৰে। আমনি নাপায় কোনেও। ভূপেন দাৰ ভাতৃ-ভগ্নীসকলৰ বিবাহৰ কাৰ্যসূচীও উপভোগ কৰিছিলোঁ চুবুৰীয়া সমনীয়াৰ সৈতে। অমৰদা-সুমিত্ৰা বৌৰ বিয়া, জয়ন্ত দা (ৰাণা দা)- মিঠু বৌৰ বিয়া, ৰ'জ বাইদেউৰ বিয়াৰ অভ্যৰ্থনা সকলো পাইছিলোঁ, বাইদেউসকলে মোক বৰ মৰম কৰিছিল আৰু 'তই নাযাবি বহি থাক ইয়াতে' বুলি আদৰো কৰিছিল।

প্ৰতিমা পাণ্ডে ডাঙৰীয়ানী সহিতে বহু নামী-দামী স্বনামধন্য শিল্পীক লগ পাইছিলোঁ সৰুতেই। নৱম শ্ৰেণীত থাকোঁতে জ্যোতি চিত্ৰবনত 'এনাজৰী' নামৰ ছবি এখনৰ মুহুৰতৰ বাবে গৌৰী বৰ্মন ডাঙৰীয়াই সপৰিয়ালে আহি ভূপেন দাক নিমন্ত্ৰণ কৰোঁতে ময়ো তাতে আছিলোঁ বাবে 'কস্তুৰী তয়ো ওলাবি মোৰ লগত জ্যোতি চিত্ৰবনলৈ দেওবাৰে' বুলি ক'লে আৰু সঁচাকৈয়ে সময়ত ময়ো ওলালোঁ। কেইবাখনো গাড়ী জয়ন্তা দা, মিঠু বৌ এখনত, বাদ্যযন্ত্ৰী এখনত, গৌৰী বৰ্মনৰ পৰিয়াল এখনত, এখনত ভূপেন দা আৰু মই— কিমান যে গুৰুত্বপূৰ্ণ কথা কৈ যায় ময়ো আনন্দ পাইছিলোঁ আৰু গাড়ী চালকেও অতি আনন্দ উপভোগ কৰি যায়। জ্যোতি চিত্ৰবনত সাংস্কৃতিক জগতৰ বহু লোকক দেখিলোঁ, বোলছবিৰ মহুৰত দেখিলোঁ গীতৰ আখৰা আৰু ৰেকৰ্ডিং কৰা দেখিলোঁ। পাহাৰীয়া ছোৱালী এজনীৰ সৈতে ভৈয়ামৰ যুৱক এজনৰ অনিন্দ্য প্ৰেম কাহিনীৰে এনাজৰী ছবিখন বুলি মহুৰতৰ ভাষণৰ পৰা জানিব পাৰিলোঁ। পিছদিনা বাতৰি কাকতত বহুতৰে সৈতে মোৰো ফটো ওলাইছিল বাবে পিছত স্কুলত মোক বহু ছাত্ৰীৰ সৈতে শিক্ষয়িত্ৰীসকলেও ভাল লাগিছে বুলি কৈছিল।

নৱম শ্ৰেণীত পঢ়া মই ৰঙা চেক্ চেক্ দিয়া উজানবজাৰত চিলোৱা দীঘল ফ্ৰক (মেক্সি) এটা পিন্ধি গৈছিলোঁ। বহুতে হেনো ভূপেনদাক সুধিছিল ময়ে নেকি বোলছবিৰ সেই পাহাৰীয়া ছোৱালীজনী বুলি- উভতোতে ভূপেন দাই কৈছিল। বাটত গাড়ীচালকক গাড়ী ৰখাব দি ভূপেনদাই নিজেই তামোল কিনিবলৈ নামি গৈছিল আৰু মানুহবোৰে চিনি পাই তেখেতক আগুৰি ধৰিছিল। তেখেতৰ জনপ্ৰিয়তা নক'লেও সকলোৱে নিশ্চয় বুজিব। তেখেতো জনতাৰ এজন হৈ পৰে। গাড়ী চালকে কৈছিল যে এই অভিজ্ঞতাৰ

কথাবোৰ - মানুহেও নেৰে তেখেতেও আমনি নাপায় একেবাৰে।

নৱম শ্ৰেণীত সহপাঠী বান্ধৱী সৰোজিনীয়ে (ডাঃ সৰোজিনী মহন্ত তামুলী বৰ্তমান পশু চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপিকা) টি চি স্কুলৰ আলোচনী সম্পাদিকা হৈ থাকোঁতে মোক ভূপেন দাৰ পৰা বাণী এটা আনিবলৈ দায়িত্ব দিছিল। ময়ো ভূপেন দা কলিকতাৰ পৰা অহালৈ বাট চাই আছিলোঁ। নিজৰাপাৰৰ ঘৰলৈ অহা দেখিয়েই মই তেখেতৰ ওচৰ পালোঁগৈ। নতুন ছাৰ্টৰ ধুনীয়া ডাঠ বকলাখনতে 'বাণী নহয় শুভকামনা' বুলি এক পৃষ্ঠা লগে লগে লিখি দিলে। ময়ো ডাঠ বকলাখন বুকুত সাবটি আনি সৰোজিনীক দিলোঁ। নজনাৰ দুখত ডাঠ বকলাখন সংৰক্ষণ কৰিব নোৱৰা বাবে সৰোজিনীয়ে আজিও দুখ প্ৰকাশ কৰে। স্কুল-কলেজৰ দিনত মই মেণ্ডোলিন বজাইছিলোঁ আৰু ভূপেন দাই কেতিয়াবা শুনিছিল আৰু সদায় অলপ সময় হ'লেও বজাবলৈ কৈছিল যদিও মোৰ অনভ্যাসে বিদ্যানাস্তি হ'ল।

তাৰ পাছত কলেজত পঢ়োঁতে মোৰ গল্প তেখেতৰ সম্পাদিত 'আমাৰ প্ৰতিনিধি'ত প্ৰকাশ পাইছিল। সংৰক্ষণৰ অভাৱত মোৰ হাতত নাথাকিলগৈ।

কলেজত পঢ়ি থাকোঁতেই জয়ন্ত দা ঢুকুৱা খবৰে সকলোকে ম্লান কৰি তুলিছিল। ভূপেন দাৰ লগতে সকলোবোৰে হুকহুকাই কান্দিছিল। নিজৰাপাৰত জনস্ৰোত বৈছিল সিদিনা কলিকতাৰ পৰা কফিনত অহা মৃতদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ।

সময়বোৰ পাৰ হৈ গ'ল ভূপেন দাও মুম্বাইবাসী হ'ল। ময়ো চাকৰি-সংসাৰ বন্ধনত আবদ্ধ হ'লোঁ। নিজৰাপাৰলৈ অহা-যোৱা কমি গ'ল। পাছত আহিলেও ভূপেন দা নাথাকে, সুমিত্ৰা বৌয়ে কৈছিল দাদাই ওচৰ-চুবুৰীয়া সকলোৰে খা-খবৰ সোধে মোৰ কথাও প্ৰায়ে সোধে বুলি। এবাৰ অফিচৰ কামত গুৱাহাটীৰ মুখ্য কাৰ্যালয়লৈ আহোঁতে এদিন নিজৰাপাৰৰ ঘৰত নিশাটো আছিলোঁ। সেই সময়ত ভূপেন দা আৰু সৰু ভনীয়েক ৰুবী বাইদেৱো কানাডাৰ পৰা অহা বুলি জানিব পাৰি মই লগে লগেই তেখেতসকলৰ ওচৰ পালোঁগৈ। মোৰ হাতত মোৰ এশটা কবিতাৰ সংকলন 'অৰ্দ্ধাঙ্গিনী'ৰ পাণ্ডুলিপিখন আছিল। ভূপেন দা আৰু ৰুবী বাইদেৱে ঢেঁকীয়া শাক বাছি আছিল। মই যোৱা দেখি বৰ আদৰ কৰি দুয়োজনে মাতিলে। ময়ো তেখেতসকলৰ সৈতে ঢেঁকীয়া শাক বাছিবলৈ ধৰিলোঁ। খা-খবৰ ল'লে ময়ো 'অৰ্দ্ধাঙ্গিনী'খনৰ কথা উল্লেখ কৰি একাষাৰ লিখি দিবলৈ অনুৰোধ কৰিলোঁ। তেখেতে পাণ্ডুলিপিখন থৈ যাবলৈ ক'লে, ৰুবী বাইদেৱে এপাকত উঠি গৈ আমাৰ ঢেঁকীয়া শাক বছা ফটোও তুলিলে। অফিচৰ কাম কৰি সেইদিনা মঙলদৈলৈ উভতিলোঁ। পিছত গুৱাহাটীৰ পৰা মোক অফিচলৈ ফোন কৰি বৌয়ে জনালে ভূপেন দাই অৰ্দ্ধাঙ্গিনীৰ বাবে লিখি সুমিত্ৰা বৌক দি থৈ গৈছে। ৰুবী বাইদেৱে ভূপেন দাৰ সৈতে ঢেঁকীয়া শাক বছা ফটো একপিও দিলে। সুমিত্ৰা ৰৌয়ে মোৰ বৌক দিলে। পিছত গুৱাহাটীলৈ আহি এইখিনি সংগ্ৰহ কৰি মই বৰ আনন্দিত আৰু উৎফুল্লিত হৈছিলোঁ। এইজনেই ভূপেন দা সকলোৰে অতি আদৰৰ সুধাকণ্ঠ। যিজনৰ কথাবোৰেই গীত - দেৱধ্বনিৰ দৰে মন-প্ৰাণ উজলাই তুলিব পৰা অমিয়া কণ্ঠ।

সময়বোৰ পাৰ হৈ গ'ল, তেখেতৰ মৃত্যুৰ সময়ত মই দিল্লীত আছিলোঁ, মৃতদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ নাপালোঁ, টিভিৰ পৰ্দাত চালোঁ। কিন্তু গুৱাহাটীলৈ আহি পিছদিনাই নিজৰাপাৰৰ সেই ঘৰখনলৈ দৌৰিলোঁ। সহপাঠী বান্ধৱী গৌৰীয়ে মোলৈ ফোনেৰে যোগাযোগ কৰি আছিল 'কস্তুৰী কেতিয়া আহিবা গুৱাহাটীলৈ'- আহিয়েই খবৰ দিলোঁ পিছদিনাই পুৱা ৯ বজাতেই দুয়োজনী নিজৰাপাৰৰ ভূপেনদাবিহীন ঘৰলৈ গৈ ফুল আৰু চকুলোৰে শ্ৰদ্ধাঞ্জলি জনালোঁ। সেইদিনা আদ্যশ্ৰাদ্ধ। দিনৰ দিনটো গৌৰী আৰু মই দুয়োজনী এঠাইত বহি ৰ'লোঁ জনস্ৰোত চাই চাই, সুধাকণ্ঠৰ পুত্ৰ (পূৰ্ণগ ভূপেন) তেজ দাৰ সৈতে দুষাৰ কথাও পাতিলোঁ। পা-পৰিয়াল, বন্ধু-বান্ধৱ অজস্ৰ জনতাৰ অবিৰাম সোঁতৰ বাবে চানমাৰি ক'লনীতে গাড়ী ৰখাৰ ব্যৱস্থা কৰিলে আৰক্ষীয়ে। বৈকুণ্ঠপুৰীত পৰিণত হ'ল নিজৰাপাৰ। নাম-গুণ, প্ৰাৰ্থনা অনৰ্গল আপোন ইচ্ছাৰেই আহিছে সকলো নামৰ দল আয়তী-নামতী বিভিন্ন স্থানৰ পৰা। সেয়াই সুধাকণ্ঠৰ জনপ্ৰিয়তা। তাৰ পাছতো এমাহ জুৰি সমগ্ৰ ৰাজ্যৰ লগতে বিভিন্ন স্থানত গীত, মাত, কবিতা, নামকীৰ্তন, নিজৰাপাৰৰ ৰাইজেও লগ হৈ বিশেষভাৱে শ্ৰদ্ধাঞ্জলি জনালে। সময় সাপেক্ষে স্থান বিশেষে যোগদান কৰিলোঁ শ্ৰদ্ধাঞ্জলি জ্ঞাপক স্বৰচিত কবিতাৰে।

*হে সুধাকণ্ঠ প্ৰণামো তোমাক।*
*হে সুধাকণ্ঠ বাৰম্বাৰ প্ৰণামো তোমাক।*

●●●

# সৰুপেটাৰ সৰু সৰু কথা

**বিপুল চন্দ্ৰ খাটনিয়াৰ**

বিহাৰৰ পৰা নিজৰ ইচ্ছা অনুসাৰে ট্ৰেন্সফাৰ লৈ অহাৰ পাছত মোৰ কম্পালছৰী ৰুৰেল পোষ্টিং হ'ল- বৰপেটা জিলাৰ সৰুপেটাত। সৰুপেটা তেতিয়ালৈকে মোৰ কাৰণে পাঠশালা আৰু বৰপেটাৰোডৰ মাজৰ মাথোঁ এটা ৰে'লৰ ষ্টেচন আছিল। তাতেই মই চাকৰি জীৱনৰ দুটা বছৰ পাৰ কৰিছিলোঁ। তাত ঘটা দুই এটা সৰু সুৰা ঘটনা মনলৈ অহাত তোমালোক আটাইকে তাৰ সমভাগী কৰোঁ বুলি ভাবিলোঁ।

(১)

কামৰূপৰ ভিতৰুৱা অঞ্চলত এটা কথা মন কৰিছিলোঁ যে সৰহ সংখ্যক মানুহেই নিজৰ সম্বন্ধবিলাক অসমীয়াত নকৈ ইংৰাজীত ক'বলৈহে ভাল পাইছিল। আমাৰ বেংকৰেই এজন গ্ৰাহক গৌতম তালুকদাৰ নামৰ মোৰ সমবয়সীয়া ল'ৰা এজনৰ লগত মোৰ ভাল সম্বন্ধ এটা গঢ়ি উঠিছিল। এদিন তেওঁ এজন ল'ৰাক নতুন একাউণ্ট খুলিবৰ কাৰণে লৈ আহিছিল আৰু পৰিচয় কৰোঁতা (introducer) হিচাপে

গৌতমেই চহী কৰাত মই সুধিলোঁ- আপুনি যে চহী কৰি দিছে আপুনি এখেতক সঁচাকৈ চিনি পায়নে? (সেই সময়ত বহুতে চিনি নাপালেও পইচা লৈ মিছাকৈ চিনাকি বুলি চহী কৰি দিছিল) গৌতমে ক'লে- 'কি কথা কয় ছাৰ? ই মোৰ অউন্ ব্লাড ৰিলেচন ব্ৰাডাৰ। আমাৰ দুয়োৰে মাডাৰ একেজনীয়েই' !

(২)

সেই সময়ত সৰুপেটা ঠাইখন আছিল তেনেই সৰু। এখন হাইস্কুল, এখন কলেজ আৰু এটা ৰে'ল ষ্টেচন মাত্ৰ য'ত কেৱল যাত্ৰীবাহী ৰে'লহে ৰখাইছিল। বজাৰৰ নামত গেলামালৰ পৰা হাৰ্ডৱেৰলৈ মুঠেই পোন্ধৰ-বিশখনমান দোকান আছিল। আপেল-আঙুৰৰ দৰে ফল-মূল আৰু গাজৰ-পটল আদিৰ দৰে পাচলি দুৰ্লভ আছিল। বুধবাৰে বুধবাৰে সাপ্তাহিক বজাৰ এখন বহিছিল যদিও কেতিয়াবাহে এই বস্তুবোৰ বজাৰত ওলাইছিল। প্ৰয়োজন হ'লে সেই বিলাসী বস্তুৰ লিষ্ট এখন দি অগ্ৰিম পে'মেণ্ট কৰি দিলেহে পিছৰ বুধবাৰে বেপাৰীয়ে বস্তুখিনি আনি দিছিল গ্ৰাহকক।

মাছ-মাংসৰো স্থায়ী দোকান নাছিল আৰু অস্থায়ী দুই এখন দোকান অকল বুধবৰীয়া বজাৰতহে খুলিছিল। অৱশ্যে দিনে-পোহৰে চাৰি কিলোমিটাৰ দূৰৰ ভৱানীপুৰলৈ গ'লে মাছ-মাংস পোৱা গৈছিল। মই সৰুপেটাত জইন কৰিয়েই বিখ্যাত হৰেকৃষ্ণ ডেকাৰ ঘৰ এটা ভাৰা ললোঁ। বেংকৰ পৰা দুশ মিটাৰমান দূৰতে। নতুন ঠাই সকলো থান-থিত লগাব পাৰিছোঁ নে নাই বুলি এসপ্তাহমানৰ পাছত শনিবাৰ এটাৰ সন্ধিয়া সাতমান বজাত গুৱাহাটীত ইঞ্জিনিয়াৰিং পঢ়ি থকা মোৰ খুলশালী (ভাইটি) আৰু লগতে দুলীয়াজানত থকা ডাঙৰ শালপতি, যাক মই ভিনদেউ বুলিয়েই মাতোঁ, আহি ওলাল। ভাল লাগিল যদিও কিনো খুৱাম ভাবি পাৰ নোপোৱা হ'লোঁ। কাৰণ দুয়ো হ'ল ভোজন বিলাসী। ইফালে বুধবাৰলৈ বহুত দিন। আন্ধাৰো হৈছে। কিবা বিচাৰি ভৱানীপুৰলৈ গৈও লাভ নহ'ব। অগত্যা কণীৰেই ভাতসাঁজ খুৱাওঁ বুলি ভাবিলোঁ যদিও দেখো ঘৰত কণীও নাই। কৃষ্ণক চিন্তি বজাৰলৈ বুলি ওলাই গ'লোঁ কিনো পোৱা যায় দেখা যাওক বুলি। গোটেই বজাৰখন ঘূৰি ঘূৰি কোনোমতে দুটা কণী পাই তাকে লৈ আহিলোঁ। তাৰে এটা বেয়া ওলালত দুয়োকে এফাল এফাল দি কোনোমতে ৰাতিৰ ভাত সাঁজ খুৱালোঁ।

(৩)

আমাৰ বেংকৰ সন্মুখতে বঙালী ল'ৰা এজনে সদায় ঘূগণী বিক্ৰী কৰিছিল। তাৰ নামটো কি আছিল বেছিভাগেই নাজানিছিল। সৰুপেটাৰ একমাত্ৰ ঘূগণী বিক্ৰেতা হোৱাৰ কাৰণে তাক সকলোৱে ঘূগণী বুলিয়েই মাতিছিল। সেই সময়ত উগ্ৰপন্থীৰ যথেষ্ট উপদ্ৰৱ চলি থকাৰ কাৰণে অন্যান্য ঠাইৰ লগতে সৰুপেটাতো সৈন্যবাহিনীৰ লোকেই আইন-শৃংখলাৰ তত্বাৱধানত আছিল। এদিন ঘূগণীৰ ঘৈণীয়েকে তাৰ লগত কাজিয়া কৰি ওচৰতে থকা কলবাৰী গাঁৱত থকা মাকৰ ঘৰলৈ গুচি গ'ল। ইফালে আবেলি ঘূগণী বিক্ৰীৰ সময়। গতিকে ঘৈণীয়েকক বুজাই-বঢ়াই ঘূৰাই আনিবলৈ সি তাৰ দেউতাককে পঠালে। তিনিআলি পাওঁতেই বুঢ়াক আৰ্মীৰ মানুহে আগচি ধৰিলে। সুধিলে— কঁহা যা ৰহে হো?

আৰ্মীৰ বন্দুকধাৰী জোৱানৰ মুখামুখি হৈ বেচেৰা বুঢ়াৰ ভয়তে ভালকৈ মাতেই নোলোৱা হ'ল। ভৰি-হাত কঁপিবলৈ ধৰিলে। কোনোমতে বিৰবিৰালে - চাহাব, হাম গৰীৱ কা আদমী হেই, ঘুগণী কা বাপ

হেই।

— ক্যা ঘুগণী কা বাপ হেই? বোলো কাহা যানা হেই?

— চাহাব, হাম বৌ মা লানে যাতা হেই।

— আৎচা, বোমা লানে যা ৰহে হো- বুলি বেচেৰা বুঢ়াক কোবাই কোবাই মাটিত বগৰাই দিলে। পুলিচৰ চিপাহী এজন ওচৰলৈ আহিলতহে কথাটো সিহঁতে বুজি পাই বুঢ়াক এৰি দিলে।

(৪)

সৰুপেটাত থাকোঁতেই এবাৰ মোৰ জ্বৰ হ'ল। প্ৰথমতে পানী লগা জ্বৰ বুলি ভাবিছিলোঁ যদিও লাহে লাহে ইয়াৰ প্ৰকোপ বাঢ়ি গ'ল আৰু মই বৰ দুৰ্বল অনুভৱ কৰিবলৈ ধৰিলোঁ। ইফালে সৰুপেটাত কোনো ডাক্তৰ নাছিল। ওচৰৰে ভৱানীপুৰত (বোধকৰোঁ) পাঠক নামৰ আদবয়সীয়া ডাক্তৰ এজন আছিল। নিজে যাবলৈ শক্তি নোপোৱাত তেখেতকে ঘৰলৈ মতাই আনিলোঁ। পৰীক্ষা কৰি তেখেতে মোৰ ৰোগটো মেলেৰিয়া বুলি ক'লে। সেই সময়ত ওচৰে-পাজৰে মেলেৰিয়াৰ যথেষ্ট প্ৰাদুৰ্ভাৱ আছিল। ড'জটো মনত নাই - কিন্তু দিনে এটাকৈ কুইনাইন টেবলেট খাবলৈ দিলে। তিনিদিনমান খোৱাৰ পাছতো জ্বৰ অকণো নকমাত তেখেতলৈ খবৰ পঠালোঁ। পিছদিনাৰ পৰা দিনে দুটাকৈ কুইনাইন খাবলৈ দিলে। চাৰিদিন দৈনিক দুটাকৈ টেবলেট খায়ো অকণো ভাল নোপোৱাত তেখেতক ঘৰলৈ আকৌ মাতি পঠালোঁ। এইবাৰ ডাক্তৰ চাহাবে টেবলেটটো সলাই বেলেগ কিবা এটা দিলে আৰু লগতে দিনে দুবাৰকৈ কুইনাইনৰ বেজী ল'বলৈ লিখি দিলে।

মোৰ নিজৰতো জ্বৰত অৱস্থাই নাছিল - ইমানেই দুৰ্বল যে বিছনাৰ পৰাই উঠিব নোৱাৰিছিলোঁ। ডাক্তৰৰ বিধান দেখি এইবাৰ শ্ৰীমতীৰ গা চেবালে। গতিকে পাঠক ডাক্তৰ ওলাই যোৱাৰ পাছত কোনোমতে টেক্সী এখন যোগাৰ কৰি মোক পাঠশালালৈ লৈ গ'ল। পাঠশালাত দাস নামৰ এজন ভাল চিকিৎসক আছিল - তেখেতৰ ওচৰলৈকে লৈ গ'ল।

ড° দাসে প্ৰথমে ড° পাঠকে দিয়া চিকিৎসাৰ বিষয়ে শুনি ল'লে। তাৰ পাছত মনোযোগ দি মোৰ বেমাৰৰ বিষয়ে শুনিলে আৰু ভালদৰে পৰীক্ষা কৰি ক'লে যে এয়াটো মেলেৰিয়া যেন মুঠেই লগা নাই। টাইফয়েদ যেনহে লাগিছে। দুটামান দৰৱ লিখি দি তেখেতে তেজ আদি পৰীক্ষা কৰিবলৈ লিখি দিলে আৰু ৰিপ'ৰ্ট পোৱাৰ লগে লগে পুনৰ আহিবলৈ ক'লে।

দুদিনৰ পাছত তেজ পৰীক্ষাৰ ৰিপ'ৰ্ট চাই ক'লে— টাইফয়েদেই হয়। তাৰ পাছত তেখেতৰ বিধানমতে দৰৱ-জাতি খাই সোনকালেই ভালো পালোঁ।

অ'—দ্বিতীয়বাৰ যাওঁতে তেখেতে মোৰ কাণ দুখনো পৰীক্ষা কৰি হাঁহি হাঁহি ক'লে— ডেকা মানুহ কাৰণে বাচি গ'ল। নহ'লে ইমানগাল কুইনাইন খোৱাৰ পাছত আপোনাৰ কাণ দুখন যে ঠিক হৈ আছে ভাগ্যৰেই কথা। এতিয়াও শ্ৰীমতীয়ে চিঞৰি থাকিলে প্ৰায়েই গম নাপাওঁ। সন্দেহ হয় কুইনাইনৰ অ'ভাৰ ড'জৰ কিবা দোষ থাকিয়েই গ'ল নেকি!

●●●

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# প্ৰমোদ ভ্ৰমণ

**তপোধন দাস**

## (১)

... মেলেৰিয়া নহয়, টাইফয়েদ হোৱা বুলি কৈছিল, ছমাহৰ ভিতৰত দুবাৰ হোৱাত প্ৰতিবাৰতে ১৪টাকৈ বেজী ল'লোঁ, প্ৰথমবাৰ নাৰ্ছিংহোমত admit কৰোৱাই বেজীখিনি দিয়ালে, blood test report ত ওলোৱা টাইফয়েদৰ বীজাণুটো ৰঙা চিয়াঁহীৰে round কৰি দেখুৱালে।

এজন শুভাকাংক্ষীয়ে অসমৰ বাহিৰত এবাৰ দেখুৱাবলৈ পৰামৰ্শ দিয়াত মই পলম নকৰি সপৰিয়ালে চেন্নাইলৈ উৰিলোঁ, ইয়াত গৰমকালি আছিল তেতিয়া, তাতো একেই, তথাপি টাইফয়েদৰ ভয়ত জেকেটটো পিন্ধিয়েই পিছদিনা এপ'ল'ত check upৰ package এটা লৈ সংশ্লিষ্ট বেলেগ বেলেগ ডাক্তৰৰ ওচৰত থকা ৰোগীৰ শাৰীত থিয় হ'লোঁ, শেষৰজন ডাক্তৰে তাতে লোৱা blood test reportৰ ওপৰত মোক পৰীক্ষা কৰি problem নাই বুলি কোৱাত মই সুধিলো 'what about my typhoid... ?'

তেওঁ আচৰিত হৈ ক'লে 'this report doesn't include such test...'

মই ক'লো 'but I came here from thousand kilometers only to treat my typhoid problem..., so u hv to test again my blood...' তেওঁ মোক কি ভাবিলে নাজানো, report ত আকৌ কিবা লিখিলে, মোক blood sample দিবলৈ পঠালে, মই আকৌ sample দিয়া আৰু ডাক্তৰজনৰ তাত হোৱা ৰোগীৰ শাৰীত...

মোৰ নাম অহাত সোমাই গ'লো তেওঁৰ chamber লৈ, মোক চিধা ক'লে '... u hv no typhoid...'

মই তেতিয়া ইয়াৰ test reportত ৰঙা চিয়াঁহীৰে ঘূৰণীয়া কৰি থোৱাখিনি দেখুৱাই ক'লো '...this was my typhoid germs in blood, I was told; twice I was injected in less than 6 months..., 14 injections each time...' তেওঁ ক'লে— '...its all stupid..., anywhere in the world if u test anyone's blood u wl get it... it's not typhoid...'

মই লগে লগে জেকেটটো খুলি চিধা হোটেললৈ আহিলোঁ, এওঁলোকক লৈ বড়িয়া গাড়ী এখন ভাৰাত লৈ পণ্ডীচেৰীৰ ফালে গ'লোঁগৈ.....

## (২)

২০১১ চন, মাহ তাৰিখ পাহৰিলোঁ, পুৱাই যোৰহাটৰ পৰা আহি ১০ বজাত গুৱাহাটী পালোঁহি, Chandmari Office সোমাওঁতেই ফোন পালোঁ- এওঁ serious অৱস্থাত -যোৰহাটৰ Nursing home এখনত admit কৰিছে। মই অফিচ সোমায়েই ওলালোঁ আৰু তুৰন্তে যোৰহাটলৈ ঘূৰিলোঁ, আবেলি গৈ পাই সংশ্লিষ্ট ডাক্তৰক লগ ধৰোঁতে ক'লে— 'she's in critical condition this moment, BP abnormally low.., heart complicacy..., trying to bring her stable, soon u wl take her to AMC...' দুদিনৰ

পিছত সামান্য stable হোৱাত ডিব্ৰুগড়লৈ নিলোঁ, Dr. H. Kalita ই Qtrতে পৰীক্ষা কৰি যোৰহাটৰ report বোৰতে চকু ফুৰাই ক'লে 'medicine দিওঁ, কিন্তু relief হে পাই থাকিব, ভৰসা কৰিব পৰা ৩ জন ডাক্তৰ আছে বাহিৰত, এজন মুম্বাইত আন দুজন দিল্লীত, যিকোনো এজনৰ ওচৰলৈ লৈ যায় যদি permanently হৈ যাব, বাকী অন্যত ভৰসা নাই'।

তেওঁৰ presciption আৰু পৰামৰ্শ লৈ যোৰহাটলৈ উভতিলোঁ আৰু দিল্লীলৈ বিমানৰ টিকট কটোৱালোঁ, heartৰ risky matter বাবে আৰু দুটা ঘৰুৱা পৰিয়ালো লগত নিয়াৰ কথা পাতি একেখন বিমানতে টিকট কটোৱালোঁ (তেওঁলোকে যেন ভালেই পালে!)। পিছদিনা সপৰিয়ালে যোৰহাট এৰিলোঁ, তেজপুৰৰ মোৰ অফিচলৈ গৈ ছুটীৰ কাগজ-পত্ৰ লিখি আৰু সংশ্লিষ্ট সকলোকে ফোনতে কথাবোৰ জনাই গুৱাহাটীলৈ এৰিলোঁ। নিশাটো গুৱাহাটীত কটাই পিছদিনা তিনিওটা পৰিয়াল দিল্লীলৈ উৰিলোঁ।

সন্ধিয়া দিল্লীত নামিয়ে Dr. Kalitaই কোৱা এজন মেদান্ত মেডিচিটিৰ Dr. Balbir Singhৰ PAক লগ ধৰিলোঁ, পুৱা Dr. Shingএ চাই admit কৰিলে, Surgeryৰ নিচিনা কিবা কৰিব বুলি তেওঁৰ PAএ মোক জনালে আৰু টকা জমা দিবলৈ ক'লে, মই সেইমতে কৰিলোঁ।

পিছদিনা পুৱা OTৰ নিচিনা ক'ৰবালৈ এওঁক নিলে, কেইঘণ্টামানৰ পিছত মোক য'লৈ মতাই পঠালে তাত থকা বিছনাবোৰৰ এখনত এওঁ টোপনিত লালকাল। তাত থকা ডাক্তৰজনে ক'লৈ 'now u can take her as soon as she gets sense back...'

মই বুজি নাপাই সুধিলোঁ 'u mean u wl now release her?'

'yes' তেওঁ ক'লে।

ইতিমধ্যে এওঁৰ sense অহাত কাষত গৈ সুধিলোঁ 'উঠিব পাৰিবানে?'

একো ন'কৈ তেওঁ উঠিয়েই দিলে বিছনাৰ পৰা। মই থতমত খাই সুধিলোঁ 'অপাৰেচন নহ'ল নেকি তোমাৰ?'

'— মেচিন এটাৰ কাষত বিছনাত শুৱাই বুকুৰ বিযোৱা জেগাত আকৌ বিষ উঠাকৈ কিবা লগাই চালে, তাৰ পিছত কি কৰিলে নাজানো, এতিয়াহে সাৰ পাইছোঁ ...'

তেওঁক wheel chair/bedত বাহিৰলৈ উলিয়াব নালাগিব জানো বুলি ডাক্তৰজনক সোধাত ক'লে 'she's absolutely OK like u n me, she wl go on foot...'

আচৰিত হৈ মই দৰৱৰ কথাকে সুধিলোঁ 'OK, pl let me get about medicine details...'

'no medicine at all, she is absolutely normal...' তেওঁ চিধাকৈ কৈ দিলে।

বিশ্বাস নোহোৱাত এওঁক সুধিলো 'চব ঠিক আছেনে? খোজকাঢ়িব পাৰিবা জানো...'

'অ' ঠিক আছে.. পাৰিম.. একো দিগদাৰ নাই...' এওঁ আৰামত কৈ দিলে, যেন এনেইহে আহিছিলোঁ দিল্লীলৈ.. ground floor লৈ আহি নিৰ্দিষ্ট counterত release papers ল'বলৈ থিয় হোৱাত counterৰ ভিতৰত থকাজনে papersৰ লগতে মোলৈ অলপ টকা আগবঢ়াই দি ক'লৈ 'pl take back this 2 thousand 5 hundred rupees out of total lac u paid, this is as per a/c we hv detailed here...'

কাগজ টকা একেলগে হাত পাতি লৈ মই আৰু এওঁ তাৰ পৰা ওলাই চিধা হোটেললৈ গৈ কাপোৰ-কানি সামৰি ইনভা এখন মাতিলোঁ, আমি দুটা পৰিয়াল জয়পুৰলৈ ৰাওনা হ'লোঁ, আনটো পৰিয়াল চিমলালৈ গ'ল...

পিছদিনা ফটেহপুৰ চিক্ৰি আৰু আগ্ৰা হৈ দিল্লী পাওঁতে ৰাতি ১২ বাজিল..।

(এবছৰ পিছত check up কৰি Dr. Shing য়ে কৈছিল 'she's permanently cured'। মই Dr. Kalita n Dr. Singh ৰ ওচৰত চিৰকৃতজ্ঞ।)

●●●

# সহযাত্ৰী

**কঙ্কন শৰ্মা**

সেই সময়ত মই অসম মেডিকেল কলেজ ডিব্ৰুগড়ত স্নাতকোত্তৰ ছাত্ৰ। দুদিনমান কলেজ বন্ধ আছিল বাবে ঘৰলৈ আহিছিলোঁ। ধাৰাষাৰ বৰষুণ বাবে বাট-পথৰ দুৰৱস্থা হৈছিল। বন্ধ শেষ হোৱাত পুৱা বাছত উঠি দহ মান বজাত পল্টনবজাৰ, গুৱাহাটীত ডিব্ৰুগড়লৈ নাইট ছুপাৰৰ টিকট কাটিবলৈ গৈ গম পাওঁ বানপানী হৈছে আৰু বাট-পথ ছিঙি গৈছে। ডিব্ৰুগড়লৈ পোনে পোনে গাড়ী নাযায়। ব্লুহিল ট্ৰেভেলছে জনালে যে গুৱাহাটীৰ পৰা তেজপুৰ-তেজপুৰৰ পৰা ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ জখলাবন্ধাত ছুপাৰৰ যোগাযোগেৰে সেৱা আগবঢ়াই আছে। সেয়াই কৰিলোঁ। গাড়ী এৰিব দুই বজাত। এইখনি সময় কটাবৰ বাবে গুৱাহাটীৰ চিনাকি এঘৰত উঠিলোঁ। গৃহস্থ গুৱাহাটীৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ প্ৰবক্তা। কথা প্ৰসংগত তেওঁ ক'লে— 'তুমি ডিব্ৰুগড়ত আছা যেতিয়া এটা খবৰ ল'বাচোন পাৰিলে, আমাৰ কলেজৰ এজন শিক্ষকে ইয়াৰ চাকৰি বাদ দি ডিব্ৰুগড়ত কিবা ভাল চাকৰিত জইন কৰিছে। তেওঁৰ লগত আমাৰ কলেজৰ লাইব্ৰেৰীৰ বহুতো মূল্যৱান কিতাপ থাকি গ'ল। বহুদিন হ'ল ঘূৰাই নিদিলে।' মানুহজনৰ নামটো ক'লে কিন্তু তেখেতে ডিব্ৰুগড়ৰ ক'ত থাকে, কি চাকৰি কৰে একো নাজানে। সেয়া ১৯৮৬ চনৰ কথা। ভাতো খালোঁ, কথাখিনিও শুনিলোঁ। মনতে ভাবিলোঁ মইনো ডিব্ৰুগড়ত নেদেখা-নজনা মানুহ এজনক কেনেকৈ বিচাৰি উলিয়াম?

নিৰ্দিষ্ট সময়ত বাছত উঠি তেজপুৰ পাওঁতে সন্ধ্যা লাগিল। তেজপুৰ ঘাটত ফেৰীত উঠিলোঁ। জোনটো সম্পূৰ্ণ প্ৰকাশিত ৰূপত আকাশত আৰু পানীত সমানে প্ৰকট হোৱা দৃশ্যটো মানসপটত অংকিত হৈ গ'ল। সেইদিনাখন পূৰ্ণিমা আছিল। ব্ৰহ্মপুত্ৰৰ চাপৰি কাটি কাটি উজাই যোৱা ফেৰীৰ স্মৰণীয় যাত্ৰাই অন্তৰৰ উৎকণ্ঠা আঁতৰাই পেলালে। ফেৰীত বহুত মানুহ নাছিল। ১৫ জনমান হ'ব। আটাইকেইজনেই পুৰুষ। গন্তব্য স্থলো একেই। যাত্ৰাপথো একে। ব্লুহিলে নিজাববীয়াকৈ কৰা ব্যৱস্থা। আমাৰ টেনচন ল'ব লগা নাই। ব্ৰহ্মপুত্ৰ সোনকালে পাৰ হ'ম বুলি ভাবিছিলোঁ, পিছে নহয় চাৰি ঘণ্টা লাগিল। তেতিয়া কলিয়াভোমোৰা দলং হোৱা নাই। খুঁটাবোৰৰ মাজেৰে আমাৰ ফেৰী পাৰ হৈ গ'ল। এটা সময়ত আটাইবোৰ মানুহৰ লগতেই চিনা পৰিচয় হৈ গ'ল। কথোপকথনে আত্মীয়তা বঢ়ালে। নতুন নতুন কথা চিন্তা আৰু

আলোচনাই সেই বিশেষ আগনিশাটো মানসপটত সাঁচ বহুৱাই থ'লে। ব্ৰহ্মপুত্ৰৰ পানীৰ মাজেৰে নিশাৰ যাত্ৰাৰ অভিজ্ঞতা, তথ্য উদ্‌ঘাটনৰ উত্তেজনা, জোনাকে সপোনপুৰীলৈ নিয়া সাধুকথাৰ ময়ূৰপঙ্খী নাওৰ যাযাবৰী জীৱনৰ উন্মাদনা, প্ৰাপ্তিৰ আৱেশেৰে অৱশেষত ১১ মান বজাত জখলাবন্ধাত ৰৈ থকা বাছত উঠিলোঁ। আৰু প্ৰায় সমান সময়তে ৰাতিপুৱা আঠমান বজাত অসম মেডিকেল কলেজ কেম্পাচ পালোঁগৈ। হোষ্টেলত ব্ৰেকফাষ্ট তাৰ পিছত ক্লাছ।

আবেলি কলম কাগজ লৈ চিঠি এখন লিখিলোঁ গুৱাহাটীলৈ গুৰুত্বপূৰ্ণ চিঠি। প্ৰশান্তিত টোপনি গ'লোঁ।

..... ......

এমাহমান পিছত স্পিড্ পোষ্টত গুৱাহাটীৰ পৰা চিঠি এখন পালোঁ। কলেজৰ প্ৰবক্তাজনৰ।

"তোমাক অশেষ ধন্যবাদ। কলেজে কিতাপখিনি ওভতাই পালে। তুমি বিচৰা ধৰণেৰে কোনেও নাজানে কেনেকৈ হ'ল।" চাৰিঘণ্টীয়া ব্ৰহ্মপুত্ৰৰ ফেৰীযাত্ৰাই সেইদিনা ডিটেকটিভ্ হোৱাৰ আমেজকণ দিলে কাৰণ সেই বিশেষ ব্যক্তিজন সেই নিশা আমাৰ ফেৰীৰ সহযাত্ৰী আছিল।

●●●

# উত্তৰ-পূৰ্বৰ কুম্ভমেলাত

**ৰঞ্জনা দত্ত**

অম্বুবাচী মেলাখন বহুতে কুম্ভমেলাৰ লগত তুলনা কৰে। আমি জয়পুৰত থাকোঁতে তাত প্ৰথমবাৰৰ বাবে আমাক লগপোৱা প্ৰায়বোৰ মানুহেই আমাক মা কামাখ্যা আৰু অম্বুবাচী মেলাৰ বিষয়ে সুধিছিল। কামাখ্যা মন্দিৰত হোৱা অম্বুবাচী মেলাৰ বিষয়ে মোৰ জ্ঞান একেবাৰে সীমিত আছিল বাবে কিছু লজ্জিত বোধ কৰিছিলোঁ। আৰু মেলাখন যেনে তেনে এবাৰ চোৱাৰ ইচ্ছা মনত পুহি ৰাখিছিলোঁ।

২০০৯ চনৰ এপ্ৰিল মাহত এখেতৰ শ্বিলঙলৈ বদলি হোৱাত ১৫ বছৰৰ মূৰত আমি জয়পুৰ এৰি শ্বিলং পালোহি। মই নতুনকৈ স্কুলত জইন কৰা নাই তেতিয়া। গতিকে সময় পালেই গুৱাহাটীলৈ গুচি আহোঁ। সেইবাৰ অম্বুবাচী মেলা চোৱাৰ মানসেৰে গুৱাহাটীত থকা বাইদেউৰ লগত ফোনত কথা পাতি আগদিনা গধূলি বাইদেউৰ (এওঁৰ বায়েক) ঘৰলৈ গুচি আহিলোঁ। প্লেন মতে পিছদিনা ৰাতিপুৱাই বাইদেউ, মই ভাগিন ছোৱালীজনী আৰু ওচৰৰ বৰুৱানী ওলালোঁ কামাখ্যা মন্দিৰলৈ বুলি। হাতীগাৱঁৰ পৰা চিটী বাছত উঠি এঘণ্টা মানৰ মূৰত কামাখ্যা ষ্টপেজত বাছৰ পৰা নামিলোঁগৈ। চাৰিওফালে অগণন লোক। তেতিয়া ৮.০০ মান বাজিছে। ৰাতিপুৱাই মানুহৰ ভিৰ দেখি আচৰিত হ'লোঁ। লাহে লাহে ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিছোঁ। মতা, মাইকী, বয়সীয়া লোক, সাধু সন্ন্যাসী আৰু অগণন মানুহ। সেইদিনা অম্বুবাচী মেলাৰ তৃতীয় দিন বাবে ভক্তৰ ভিৰ বেছি। বতৰটো কিছু ডাৱৰীয়া হোৱা বাবে গৰমটো যথেষ্ট

কম। মাজে মাজে ঠাণ্ডা বতাহ এজাকেও গা জুৰ পেলাই গৈছিলহি। বৰুৱানী হেনো প্ৰত্যেক বছৰেই মেলালৈ আহে। এইবাৰ কঁকালৰ বিষ বাবে বেল্ট বান্ধি আহিছে। আমি লাহে লাহে ওপৰলৈ উঠিছোঁ বাবে বেছিভাগ মানুহেই আমাক পিছ পেলাই আগুৱাই গৈছে। বিভিন্ন ভাষাত কথা পাতি আগুৱাই যোৱা বেছিভাগ মানুহেই অসমৰ বাহিৰৰ পৰা অহা যেন লাগিল। শিলৰ খটখটিয়েদি মন্দিৰলৈ যোৱা মানুহৰ শাৰীও দেখিবলৈ পালোঁ দূৰৰ পৰা। ঠায়ে ঠায়ে ৰাস্তাত খোৱা পানীৰ বটল বিতৰণ কৰিছে কিছুমান মানুহে। গাত ছাই ভস্ম সানি কঁকালৰ তলছোৱা ৰঙা ক'লা কাপোৰ মেৰিয়াই দীঘল দাড়ি চুলিৰে ভোবোকাৰ সাধু কেইজনমানে বাটৰ দাঁতিত বহি চিলিম টানি কিবা অলৌকিক খেল দেখুৱাই আছে। ওচৰত মানুহৰ জুম। কোনোবা এগৰাকীয়ে সোধা শুনিছোঁ-

"বাবাজী, ভোলা বাবা কাঁহা বৈথতা হেঁ?"

কোনোবা এজন বাবাজীয়ে আঙুলিটো ওপৰলৈ দেখুৱালে।

"আচ্ছা বাবা, চুকৰিয়া"

অসমীয়া দম্পতিহাল ৩০-৩৫ মান বয়সৰ। দুয়োজন খুব চিন্তাত থকা যেন লাগিছে। আমাক পাছ পেলাই আগুৱাই যোৱাৰ সময়ত তেওঁলোকৰ কথোপকথন কাণলৈ আহিল।

"কিবাকৈ বাবাক এবাৰ লগ পোৱা হ'লে! যোৱা বছৰ তেওঁ নাহিলেই হেনো।"

ওচৰৰ ক'ৰবাৰ পৰা সব্জিৰ মলমলীয়া গোন্ধ এটা ভাহি আহিছে। বাইদেৱে ক'লে—

"ইয়াত এইকেইদিন কিছুমান মানুহে ফ্ৰীতে খোৱা আৰু পানী যোগান ধৰে। বেছিভাগ ফাঁচীবজাৰৰ মাৰোৱাৰী মানুহ। অসমৰ বাহিৰৰ বহু মানুহেও হেনো বহুত ডনেশ্বন দিয়ে"

"বাইদেউ কিবা এটা খাই লওঁ নেকি?"

"ৰ'বা, মন্দিৰ গৈ পোৱাগৈয়ে নাই। এবাৰ মন্দিৰ প্ৰদক্ষিণ কৰি পিছত খাবা।" বাইদেৱে ক'লে দুবাৰমান সেপ গিলি মনে মনে থাকিলোঁ।

আৰু কিছু সময়ৰ পিছত ওপৰ পালোঁগৈ। ইতিমধ্যে শিলৰ খটখটিয়েদি উঠি অহা মানুহবোৰো লগ লাগিছেহি। হে ভগৱান, ইমান ৰাতিপুৱাই ইমান মানুহ! মন্দিৰৰ চাৰিওকাষে বেলেগ বেলেগ দলত সাধু, ফকিৰ, তান্ত্ৰিক, ভক্ত, পূজাৰীৰ দল লগতে ভিৰ ঠেলি আগবঢ়া ভক্তপ্ৰাণ লোকবোৰ। ৰং চাবলৈ যোৱা মানুহো বহুত। মাজে মাজে পুলিচৰ হুইচেলৰ শব্দ। কিছুমান সন্যাসীয়ে খালী গাৰে ৰঙা ধুতি পোন্ধ মাৰি লৈ কঠিন আসন আৰু যোগমুদ্ৰা কৰাত ব্যস্ত। দুই তিনিজনক দেখিলোঁ- একেৰাহে বহুসময় শীৰ্ষাসনৰ ভঙ্গিমাত। দুজনমানে ভৰি দুখন ওপৰলৈ কৰি হাতদুখনেৰে খোজ কাঢ়ি অগা পিছা কৰি আছে। আচৰিত! কিছু আগুৱাই গৈ গেৰুৱা কাপোৰ পিন্ধা দীঘল জঁট লগা দাড়ি চুলিৰে দুজনমানক দেখিলোঁ হাত ভৰি অদ্ভূত ধৰণে পকাই এখন ভৰিৰ ওপৰত থিয় হৈ আছে। মানুহৰ ভিৰ ঠেলি ঠেলি আগুৱাই গৈ গৈ হঠাতে খেয়াল হ'ল বাইদেউহঁত লগত নাই। কেতিয়াযে এৰা এৰি হ'লো গমেই নাপালোঁ। উপায় নাই। বিচাৰি সময় নষ্ট কৰাতকৈ চাৰিওফালৰ কাৰ্যকলাপ চোৱাত ব্যস্ত হৈ পৰিলোঁ।

এঠাইত গাত ছাইভষ্ম সনা কেইবাজনো বাবাই একেলগে বহি কিবা ভজন গাই আছে। পকা আৰু দীঘল দাড়ি চুলিৰে এওঁলোকে নাৰ্জীফুল আৰু ৰুদ্ৰাক্ষৰ মালা পৰিধান কৰি আছে। এই ১৫ জনীয়া দলটো হেনো হিমাচলৰ পৰা আহিছে। দুজনৰ হাতত মহৰ শিঙৰ পেঁপাৰ দৰে বাদ্য এবিধ দেখিলোঁ। পেঁপাটোৰ ওপৰটো নাৰ্জী ফুলৰ মালা আৰু সেন্দূৰৰ ফোঁট। বোধহয় শঙ্খৰ দৰে বজায়। অলপ আঁতৰৰ শিল এটাৰ ওচৰত এজন বাবা ধ্যানৰ মুদ্ৰাত বহি আছে। তেওঁৰ মূৰৰপৰা শৰীৰৰ ওপৰছোৱা আৰু হাত ৰুদ্ৰাক্ষৰ মালাৰে আবৃত। কঁকালৰপৰা আঁঠুৰ মূৰলৈকে বাঘছালৰ নক্সাৰ এটু কুৰা কাপোৰ। এওঁ হেনো ৰুদ্ৰাক্ষ বাবা। ক'ৰপৰা আহিছে সুধিলোঁ যদিও কোনো উত্তৰ নিদিলে। দুই এঠাইত কোনো একোজন সাধুবাবাৰ ওচৰত মানুহৰ ভীৰ। তেওঁলোক হেনো কিছু অলৌকিক শক্তিৰ অধিকাৰী। আমি ৰাস্তাত পাই অহা মানুহহালক এজন সাধুবাবাৰ ওচৰত বহি থকা দেখিলোঁ। কৌতূহল বশতঃ কিছু আগুৱাই গৈ কথাবোৰ শুনিবলৈ চেষ্টা কৰিলোঁ।

"মিল জায়েগা, মিল জায়েগা। বহুত জল্দ.... মে দেখ ৰহা হুঁ য়হী কহী আচপাচ।".... তেওঁলোকে আৰু কিবা সুধিবলৈ বিচাৰিছিল যদিও তেওঁ হাত দাঙি বাৰণ কৰিলে আৰু ধ্যানত মগ্ন হ'ল। ওচৰত ভীৰ কৰি থকা মানুহবোৰ হতাশ মনেৰে ওচৰৰপৰা আঁতৰি গ'ল।

হঠাৎ পিছফালৰপৰা কোনোবাই মোৰ নাম ধৰি মতা যেন পাই ঘূৰি চাই দেখোঁ আমাৰ সম্পৰ্কীয় বাইদেউ-ভিনদেউ এহাল। সত্তৰোৰ্ধৰ দুয়োজন ডাক্তৰ। বাইদেউ পেথলজিষ্ট আৰু ভিনদেউ স্কিন স্পেছিয়েলিষ্ট। তেওঁলোক হেনো প্ৰতিবছৰে অম্বুবাচী মেলালৈ আহে। বাইদেউৰ হেনো আঁঠুৰ বিষো আছে। তেওঁলোকৰ কাষতে শিলচটাত বহি পৰিলোঁ। বাইদেৱে সাধুজনলৈ দেখুৱাই ক'লে—

"এইজন ভোলাবাবা। গোটেই বছৰটো হিমালয়ৰ গুহাত কটায় এবাৰেই বাহিৰলৈ আহে অম্বুবাচীৰ সময়ত। এই সাধুসকলে বিশ্বাস কৰে যে গোটেই জীৱন জোৰা সাধনা কৰিও যি লক্ষ্য প্ৰাপ্ত নহয় অম্বুবাচীৰ সময়ত কামাখ্যা দৰ্শন কৰিলেই সেই লক্ষ্য প্ৰাপ্ত হয়।"

"বাবাজন বহুত অলৌকিক শক্তিৰ অধিকাৰী নেকি বাৰু? ইমান মানুহ আহিছে যে তেওঁক লগ পাবলৈ?"

"সৌ যে দেখিছা লোদোৰ পোদোৰ ল'ৰাটোৰ সতে মানুহ হাল। তেওঁলোকৰ হেনো বিয়াৰ ১৫ বছৰ পিছতো ল'ৰা-ছোৱালী হোৱা নাছিল। ভোলা বাবাই দিয়া মন্ত্ৰপূত পানী খোৱাৰ এবছৰৰ ভিতৰতে এই ল'ৰাটোৰ জন্ম হ'ল। আজি বাবাৰ আশীৰ্বাদ ল'বলৈ আহিছে।"

"বাবাক লগ পালেনে?"

"বাবাই ল'ৰাটোৰ মূৰত হাত থোৱা দেখিছিলোঁ।"

তেওঁলোকৰ লগত কিছুসময় বহি আগুৱাই গ'লোঁ। খুব পিয়াহ লাগিছে। পেটেও কলমলাবলৈ আৰম্ভ কৰিছে। বাইদেউৰ বেগত থকা পানীৰ বটলটোলৈ মনত পৰিছে। কোনো এঠাইত মানুহৰ ইমান ভিৰ যে পুলিচে হুইচেল বজাইহে মানুহবোৰ আঁতৰ কৰিব লগা হৈছে। কেদাৰনাথৰ পৰা অহা সাধু এজনে

জৰীবুটিৰ ঔষধেৰে মানুহক নিদান দিয়াত ব্যস্ত। তেওঁৰ হাতত হেনো টিবি, পেটৰ ঘাঁ, কেন্সাৰ সকলো বেমাৰৰে ইলাজ আছে। অলপ দূৰত ১০-১২ জনীয়া মুনিহ তিৰোতাৰ দল এটা দেখিছোঁ। তেওঁলোকে বঙালী ভাষাত ভজন কীৰ্ত্তন গাই নাচি বাগি মতলীয়া হৈ আছে।

গেৰুৱা ধুতি চাদৰ লৈ ক'লা মোটা চছমা পৰিহিত সুন্দৰ সুঠাম চেহেৰাৰ সৌম্যকান্তি সাধুজনে পৰিষ্কাৰ মাতেৰে সংস্কৃতত শ্লোক গাই আছে। চুলিবোৰ দীঘল যদিও পৰিষ্কাৰকৈ ফণিওৱা। এখেত হেনো সংস্কৃতৰ বিদগ্ধ পণ্ডিত, ৰাজস্থানৰ পৰা আহিছে। তেখেতক দেখিয়েই কিবা এটা ভক্তি ভাবত মনটো ভৰি পৰিল। অলপ দূৰত কেইজনমান ডেকা সাধুবাবা মোবাইল টিপি বহি আছে। ক'ব নোৱৰাকৈ মুখত হাঁহি এটা খেলাই গ'ল।

বাইদেউহঁতক বিচাৰি মন্দিৰৰ পিছফালে থকা ওখ ঠাইখিনিলৈ উঠি গ'লোঁ। তাতে কিছুমান মানুহে মাটিত কাপোৰ পৰি বহি চেইন, লকেট, অষ্ট ধাতুৰ বালা, ৰুদ্ৰাক্ষৰ মালা, কামাখ্যাৰ ফটো আদি বিক্ৰী কৰিছে। কাষতে মানুহৰ ভিৰ। পুলিচে হুইচেল বজাই আছে। কি হ'ল চাওঁগৈ বুলি ওচৰ চাপিলোঁ। কিবা চিএৰ বাখৰ আৰু কন্দাৰ দৰে শব্দ। কি বা হৈছে! ওচৰ গৈ পাই দেখিলোঁ ভোলে বাবাৰ ওচৰত লগ পোৱা দম্পতী হালে ৬ বছৰীয়া মান ল'ৰা এটা সাবটি ধৰি কান্দি আছে।

"বাবা সোণা মোৰ... ক'ত আছিলা তুমি আমাক এৰি থৈ..."

ল'ৰাটোৱে একো ধৰিব নোৱাৰি এবাৰ মাকলৈ এবাৰ কাষত থকা মানুহজনলৈ চাইছে। কথাৰ পৰা গম পালোঁ তেওঁলোকৰ তিনিবছৰীয়া একমাত্ৰ সন্তানটো তিনি বছৰ আগতে অম্বুবাচী মেলাতে ভীৰৰ মাজত সন্ধানহীন হৈছিল। পুলিচ, টিভি, বাতৰি কাকত সকলোতে দিয়াৰ পিছতো ল'ৰাটোৰ কোনো সন্ধান ওলোৱা নাছিল। তাক কিষাণগঞ্জৰপৰা অহা নিঃসন্তান দম্পতি এহালে অকলে কান্দি থকা পাই লগত লৈ গৈছিল। এতিয়া তেওঁলোকৰ নিজৰ যঁজা সন্তান এহাল হোৱাত মানুহজনে অম্বুবাচী মেলালৈ তাক লৈ আহিছে কিজানি নিজৰ মাক-বাপেকক লগ পায় সেই আশাত। মানুহজনে দেউতাকক হাত যোৰ কৰি কিবা কৈ আছে। দুয়োজনৰে চকুপানী বাগৰি আহিছে। তাৰ হাতত থকা ডাঙৰ জৰুল চিহ্নটোৰ বাবেই তাক সহজে বিচাৰি পালে।

তেওঁলোকৰ কান্দোন আৰু মিলনৰ দৃশ্য চাই ময়ো চকুপানী ৰোধ কৰিব পৰা নাই।

"ৰঞ্জনা কি কৰি আছা ইয়াত? তোমাক বিচাৰি গোটেইখন চলাথ কৰি ফুৰিছোঁ। কিবা চালানে তুমি? যাওঁগৈ ব'লা দেৰি হ'ল।"

ঘূৰি আহিলোঁ কিছুমান সুন্দৰ আৰু আপুৰুগীয়া স্মৃতি লগত লৈ। নামি আহোঁতে বাটত গৰম পুৰী সজিৰো সোৱাদ ল'লোঁ বিনা পইচাত। লক্ষ্মণঝুলাত বহু বছৰৰ আগেয়ে খোৱাৰ দৰেই একেই অপূৰ্ব সোৱাদ! ভোকত খোৱা খাদ্যৰ সোৱাদ চাগৈ এনেকুৱাই হয়।

এইবাৰ কামাখ্যা ধাম নীৰৱ। ভক্ত, পূজাৰী, সাধুবাবা, পুলিচ, টিভি, কেমেৰা একো নাই। নাই আমাৰ দৰে দৰ্শনাৰ্থী। অহাবেলি যেনে তেনে যাব লাগিব।।

●●●

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# চিনী-হিন্দী-ওমানী ভাই ভাই

**পংকজ কুমাৰ নেওগ**

আমাৰ সহপাঠীসকলৰ কোনোবাই চীন বা জাপানীসকলৰ সৈতে কেতিয়াবা কাম কৰি পাইছেনে নাই নাজানো, কিন্তু ২০০৯ চনৰ পৰা ২০১৪ চনলৈ মই এটা চীনা তৈল কোম্পানীত কাম কৰিছিলোঁ। প্ৰকৃততে সম্পূৰ্ণ চীনা নহয় - ৫০% চীনা আৰু ৫০% ওমানী কোম্পানী। আমাৰ ডিপাৰ্টমেণ্টৰ 'হেড' বা 'চীফ'জন আছিল জাপানী, এলা-পেচা জাপানীও নহয়, ৬ ফুট ৪ ইঞ্চি উচ্চতাৰ প্ৰকাণ্ড লোক। সকলোৱে তেওঁৰ কথা উল্লেখ কৰোঁতে 'দ্য জাপানীজ্ জায়েণ্ট' বুলিয়েই উল্লেখ কৰিছিল। কোম্পানীত চীন দেশৰ 'চি, এন, পি, চি' (China National Petroleum Corporation) আৰু ওমানী চৰকাৰৰ ৫০%-৫০% অংশ গতিকে কোম্পানীৰ মুৰব্বীও দুগৰাকী। ওমানী মুৰব্বীগৰাকীয়ে তৈলক্ষেত্ৰবোৰ পৰিচালনা কৰে; তৈল কূপ খনন, তৈল উৎপাদন, তৈল অন্বেষণ, ভূ-গৰ্ভৰ খাৰুৱা তেল-ভাণ্ডাৰবোৰৰ সমৃদ্ধিকৰণ ইত্যাদিবোৰ কামৰ ভাৰ তেখেতৰ; আনহাতে চীনা মুৰব্বীগৰাকীৰ কাম হ'ল কোম্পানীৰ আৰ্থিক সম্বন্ধীয় সকলোবোৰ বিষয়ৰ ফালে চকু ৰখা। 'চি, এন, পি, চি'ৰ সৰ্বমুঠ ১০-১২ জন মানতকৈ বেছি বিষয়া নাই আৰু তেওঁলোকৰ প্ৰায় সকলোৱে 'ৰ'টেশ্যন বেচিছ'ত কাম কৰে অৰ্থাৎ প্ৰত্যেক চাৰিমাহৰ মূৰে মূৰে পৰিয়ালৰ ওচৰলৈ যাবলৈ তিনি সপ্তাহৰ ছুটী আৰু প্লেনৰ টিকট পায়। আটাইকেইজন মিলি মাস্কাটৰ এটা প্ৰকাণ্ড দুমহলীয়া বাংলোত থাকে আৰু চীন দেশৰ পৰা অনা ৰান্ধনি এজনৰ ৰন্ধা-বঢ়া খাই হোষ্টেলত থকাৰ দৰে আৰামত আছে।

আমাৰ ডিপাৰ্টমেণ্টত তিনিগৰাকী চীনা সহকৰ্মী আছিল। এজনৰ নাম ঝাও জিয়াঙ্গুঅ', দ্বিতীয়জনৰ নাম ৰেং ৰেনজুন্ আৰু তৃতীয়জনৰ নাম আছিল চেং য়ং। ঝাও মোৰ দৰে আগাৰ অভিযন্তা বা 'ৰিজৰ্ভয়ৰ ইঞ্জিনিয়াৰ', 'ৰেং ভূ-তত্ববিদ আৰু চেং তৈল উৎপাদনকাৰী অভিযন্তা বা 'প্ৰডাকচন ইঞ্জিনিয়াৰ'। মোৰো চেহেৰা-পাতি প্ৰায় সিহঁতৰ সৈতে মিলি গৈছিল। ডিপাৰ্টমেণ্টত দ্বিতীয় এজন ভাৰতীয় নাছিল বাবে ঝাওহঁত মোৰ ভাল বন্ধু হৈ পৰিছিল; অৱশ্যে ওমানী সহকৰ্মী সকলো আছিল অতি খোলামনৰ আৰু বন্ধু ভাবাপন্ন। তিনি চীনা বন্ধু আছিল কঠোৰ পৰিশ্ৰমী আৰু অফিচত সোমোৱাৰ পৰা গধূলি অফিচ নেৰালৈকে মনপুতি কাম কৰিছিল। অফিচৰ 'চি, ই, অ' মিঃ গঙকে আদি কৰি আটাই কেইজন চীনা সহকৰ্মীৰ অৱয়ব আছিল সুন্দৰ, সকলোৰে পেটবোৰ চেপেটা আৰু দেহত এক ইঞ্চিও অনাৱশ্যকীয় মেদ নাই। অকল চীনা বুলিয়েই নহয়, দক্ষিণ-পূব এছিয়াৰ সকলো লোকৰ— পুৰুষ বা মহিলাই হওক এনে শৰীৰৰ গঠন। মোৰ মতে তেওঁলোকৰ খাদ্যাভাসৰ বাবে সকলোৰে এনে সুন্দৰ চেহেৰা। দুটা কথা মন কৰিছিলোঁ—

সহকৰ্মী কেইজনে সদায় দুপৰীয়াৰ আহাৰৰ পিছত অতি কমেও ২০ মিনিটমান সময় টোপনি যাবলৈ ভাল পায় আৰু দ্বিতীয়তে তেওঁলোকে কেতিয়াও শীতল পানীয় বা পানী নাখায়। প্ৰথমটো অভ্যাস অৱশ্যে বহুতৰে আছে যাক আমি 'পাৱাৰ নেপ্' (Power Nap) বুলি কওঁ। কিন্তু উষ্ণ জলবায়ুৰ দেশ এখনত শীতল পানী নোখোৱাটো অতি আচৰিত। সকলো সময়ত তেওঁলোকে কিছু গৰমপানীহে পান কৰে, কিন্তু সেইবুলি চাহ বা কফি খোৱা কেতিয়াও নেদেখিলোঁ।

ইণ্টাৰনেটত এবাৰ চীন দেশত উপলব্ধ এবিধ বিশেষ চাহপাতৰ বিজ্ঞাপন দেখা পালোঁ; সেই চাহপাতৰ চাহ বনাই খালে হেনো শৰীৰৰ ওজন কমে। বিজ্ঞাপনটোৰ ফটো এখন তুলি মোৰ বন্ধু ঝাওক ছুটীৰ সময়ত ঘৰলৈ গ'লে মোক তিনি মাহমান জোৰাকৈ সেই বিশেষ চাহপাত বিধ আনিবলৈ দিলোঁ। ঠিক হ'ল যে চাহপাতৰ দাম মই ইয়াত 'ওমানী ৰিয়াল'তে সোধাম। ঠিক একেবিধ চাহপাত নাপালে যদিও তেনে ধৰণৰ ওজন কমোৱা চাহপাতৰ পেকেট কেইটামান আনি ঝাওৱে মোক গটালে। এইদৰে প্ৰত্যেকবাৰ ঘৰলৈ যাওঁতে ঝাওৰ হতুৱাই চীন দেশৰ শৰীৰৰ ওজন কমোৱা চাহপাত আনিবলৈ দিওঁ। কোনোবা এবাৰ চীনদেশত প্ৰস্তুত স্থানীয় হুইস্কী এবটলো আনিবলৈ দিছিলোঁ; চীনা হুইস্কিৰ এক পেগ গলাধঃকৰণ কৰি ডিঙি আৰু পেটৰ নাড়ী-ভুৰু জ্বলি যোৱা যেন লাগিছিল। বটলটো বন্ধু এজনক দান দিছিলোঁ, তেওঁ বাকীখিনি 'অগ্নি-জল' গলাধঃকৰণ কৰিলে নে পেলাই দিলে কেতিয়াও সোধা নহ'ল। চীনা চাহপাতেৰে বনোৱা চাহ দৈনিক প্ৰায় দেৰ বছৰমান খালোঁ কিন্তু শৰীৰৰ ওজনৰ বিশেষ একো তাৰতম্য নঘটিল। এবাৰ অফিচত চি, ই, অ' মিঃ গঙে মোলৈ বুলি ঝাওৱে চীনদেশৰ পৰা অনা চাহপাত পেকেটবোৰ দেখা পাই একে আষাৰে মোক সেই চাহ খোৱা বন্ধ কৰিবলৈ উপদেশ দিলে; তেখেতৰ মতে সেইবোৰ চাহপাতৰ কোনো ওজন বা মেদ কমোৱা গুণ নাই— গোটেইবোৰ দৰাচলতে ব্যৱসায়ীৰ ব্যৱসায় বঢ়োৱাৰ ভেলেকিবাজ! ইতিমধ্যে মিঃ গঙৰ কথাৰ প্ৰমাণ পাইছিলোঁৱেই; লগে লগে চীনদেশৰ চাহপাতেৰে চাহ খোৱা বন্ধ হ'ল।

চীনা সহকৰ্মীসকলৰ এটাই দুৰ্বলতা আছিল আৰু সেইটো হ'ল তেওঁলোকৰ ইংৰাজী ভাষাত থকা দুৰ্বলতা। ওমানত চৰকাৰী কাম-কাজ আৰবিক আৰু ইংৰাজী ভাষাত চলে; বহুজাতিক তেল কোম্পানীবোৰত মূলতঃ ইংৰাজী সবেই জানিব লাগে। ঝাও, ৰেং আৰু চেঙে ইংৰাজী ভাষাত নিজকে প্ৰকাশ কৰিব পাৰিছিল যদিও লিখিত ইংৰাজীত তেওঁলোকৰ যথেষ্ট কষ্ট হৈছিল। চেং য়ং তিনিওজনৰ ভিতৰত ইংৰাজী ভাষাত কিছু পটু আছিল কিন্তু বাকী দুজনে কিবা ৰিপ'ৰ্ট লিখিবলগীয়া হ'লে বা 'পাৱাৰ-পইণ্ট শ্লাইড্চ' বনাবলগীয়া হ'লে পোনেই মোৰ ওচৰ চাপিছিল। মই যিমান পাৰোঁ সকলোকে সহায় কৰি দিছিলোঁ। কেতিয়াবা চীনা ভাষাৰ পৰা আক্ষৰিকভাৱে ইংৰাজী ভাষালৈ অনুবাদ কৰিব খোজোঁতে অদ্ভূত বাক্য কিছুমানৰ সৃষ্টি হৈছিল আৰু সেইবোৰৰ জঁট ভাঙি অৰ্থপূৰ্ণ সৰু সৰু ইংৰাজী বাক্যলৈ নিবলৈ তেওঁলোকক সহায় কৰিছিলোঁ। মোৰ সৈতে ঝাওহঁতে ভাল বন্ধুত্ব ৰখাৰ ইয়ো এটা কাৰণ হ'ব পাৰে;

অৱশ্যে চীনা বা ওমানী সহকৰ্মীয়েই হওক সকলোকে সকলো সময়তে সহায় কৰিব পাৰিলে আনন্দিত হৈছিলোঁ। ঝাওৱে এটা সময়ত আফ্ৰিকাৰ লিবিয়া নে এঙ্গোলাৰ 'প্ৰজেক্ট' এটাত থাকোঁতে ভাৰতৰ অ' এন জি চিৰ অভিযন্তাসকলৰ সৈতে কাম কৰাৰ অভিজ্ঞতা আছিল আৰু সেইবাবে অ' এন জি চিৰ বহুত কথাই জানিছিল। ৰেঙে আকৌ মাজে সময়ে মোৰ আগত ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ কথা উলিয়াই চীনে কিদৰে যুদ্ধত ভাৰততকৈ অগ্ৰসৰ লভি পশ্চিম ক্ষেত্ৰৰ ৰেজাং লা আৰু পূৰ্ব ক্ষেত্ৰৰ টাৱাং অধিকাৰ কৰিছিল সেইবোৰ কথা পাতিবলৈ ভাল পাইছিল। তেনেবোৰ কথা উলিয়ালে প্ৰায়েই ফালৰি কাটিছিলোঁ আৰু অফিচত সেইবোৰ কথা-বতৰা উলিওৱাৰ মই পক্ষপাতী নাছিলোঁ।

ওমানৰ অফিচৰ কাম-কাজৰ উপৰি চীনা সহকৰ্মীসকলে মাহে মাহে চি এন পি চিৰ মুখ্য অফিচলৈ বিভিন্ন বিষয়ৰ ষ্টেটাছ ৰিপৰ্ট পঠিয়াব লাগে; সেইখিনি 'ৰিপৰ্ট' অৱশ্যে তেওঁলোকে নিজৰ ভাষাতে লিখি পঠিয়ায়। বছৰি দুবাৰ চি এন পি চিৰ মুখ্য অফিচৰ পৰা উচ্চ ক্ষমতাসম্পন্ন কাৰিকৰী দল ওমানলৈ আহি আৰু তৈল ক্ষেত্ৰবোৰ দৰ্শন কৰি কাম-কাজৰ বুজ লয়। ওমানৰ তৈল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ সৈতে কোম্পানীৰ বছৰি দুখন ডাঙৰ কাৰিকৰী মিটিং অনুষ্ঠিত হয়, তাৰে এখন মাস্কাটত আৰু আনখন চীন দেশত। চীন দেশত মিটিঙৰ স্থান অৱশ্যে সলনি হৈ থাকে। এবাৰ এটা 'প্ৰেজেণ্টেশ্যন' দিবলৈ মোক ডিপাৰ্টমেণ্টৰ মুৰব্বীয়ে চীন দেশলৈ পঠিয়াইছিল, কিন্তু ইতিমধ্যে মই বৰদিনৰ বন্ধত ঘৰলৈ যাবলৈ ছুটী লৈ থোৱাত কামটো ওমানী সহকৰ্মী এজনলৈ ঠেলি পঠিয়াওঁ। ছুটী বাতিল কৰি অনায়াসে মই চীন দেশলৈ যাব পাৰিলোঁহেঁতেন; তাকে নকৰা বাবে এতিয়াও পস্তাওঁ। অফিচৰ কামত ইউৰোপৰ বিভিন্ন ঠাইলৈ গ'লোঁ যদিও চীন দেশলৈ যোৱাৰ সুবিধা কেতিয়াও নাপালোঁ।

ইমান সময় চীনা সহকৰ্মীসকলৰ আৰু চি এন পি চিৰ কথা আলোচনা কৰিলোঁ; এতিয়া আমাৰ 'তৈল অন্বেষণ আৰু উন্নয়ন' বিভাগৰ মুৰব্বীজনৰ কথা কিছু কওঁ। আমাৰ মুৰব্বীগৰাকীৰ নাম আছিল য়ুচোকে কাট'। আগেয়ে উল্লেখ কৰাৰ দৰে তেওঁ হ'ল প্ৰায় ৬ ফুট ৪ ইঞ্চি উচ্চতাৰ এজন জাপানী ভদ্ৰলোক। সঁচা কথা ক'বলৈ গ'লে জাপানী মানুহ যে ইমান ওখ হ'ব পাৰে কল্পনা কৰিব পৰা নাছিলোঁ। মানুহজনে আমি কাম কৰা কোম্পানীটোলৈ অহাৰ আগেয়ে আবু ধাবিৰ 'মেৰিন আৰু অপাৰেটিং কোম্পানী' চমুকৈ 'আডমা-অপকো' (ADMA-OPCO)ত চাকৰি কৰিছিল। তেখেতৰ পত্নীও আকৌ চীন দেশৰ, অৱশ্যে চাকৰি কালত লগ পোৱাৰ সৌভাগ্য নহ'ল। মিঃ কাট' তৈলক্ষেত্ৰৰ এজন ভূ-তত্ববিদ। জাপানী মানুহৰ বিষয়ে সৰুৰে পৰা যিভাৱে শুনিছোঁ মানুহজন তেনেকুৱাই। সকলো সময়ত কামত বুৰি থাকে; বোধকৰো গধূলি অফিচ বিল্ডিঙৰ সকলোবোৰ মানুহ গৈ শেষ হোৱাৰ পাছতো তেওঁ নিশালৈকে কাম কৰিছিল। সপ্তাহান্তবোৰৰ দুই দিনেই পুৱা আহি ফিল্ড ৰিপৰ্ট লোৱা, খনন চলি থকা তৈল খাদবোৰৰ 'কূপ-সংলেখন'বোৰ (Well Logs) পৰীক্ষা কৰা ইত্যাদিবোৰ তেওঁ নিজে কৰিবলৈ ভাল পাইছিল। দৰাচলতে এইবোৰ কাম কৰিবলৈ সপ্তাহান্তত দুজনমান ভূ-তত্ববিদ সদায়েই মজুত থাকে

আৰু তাৰ বাবে তেওঁলোকক 'অভাৰ টাইম' বা 'উইক-এণ্ড' 'বোনাচো' দিয়া হয়। কেতিয়াবা নিশা ১-২ বজাত তৈলক্ষেত্ৰৰ পৰা আমালৈ 'ডাটা' আহে আৰু সেই 'ডাটা'বোৰ বিশ্লেষণ কৰি লগে লগে তৈল ক্ষেত্ৰৰ 'ডাটা সংগ্ৰহকাৰী অভিযন্তা'সকলক পৰৱৰ্তী কাৰ্যপন্থাৰ বিষয়ে অৱগত কৰিব লাগে। মাজ নিশা অফিচলৈ অহা এনেবোৰ কাম-কাজ ঠিকমতে বা সময়মতে কৰা হৈছে নে নাই সেইবোৰৰো খবৰ ৰাখিবলৈ নিশা যিকোনো সময়তে মিঃ কাট' উপস্থিত হৈছিল। ময়ো সমানে সমানে কাট'ৰ সৈতে কাম কৰা বাবে তেখেতে মোক ভাল পাইছিল আৰু ভাৰতীয় লোকসকলৰ কৰ্মপদ্ধতি আৰু কৰ্মস্পৃহাৰ প্ৰশংসা কৰিছিল। অতি পৰিতাপৰ বিষয় যে পাৰস্য সাগৰীয় দেশবোৰত 'স্বদেশীকৰণ' তীব্ৰতৰ হৈ উঠাৰ লগে লগে মিঃ কাট'ৰ দৰে লাখ লাখ নিষ্ঠাৱান বিষয়া আৰু কৰ্মচাৰীয়ে নিতৌ চাকৰি হেৰুৱাব লগা হৈছে।

এবাৰ আমাৰ কোম্পানীৰ বছেৰেকীয়া সন্মিলন এখন অনুষ্ঠিত হ'ল। পঞ্চ তাৰকা হোটেল এখনত মিটিং আৰু দুপৰীয়া খোৱা-বোৱা ব্যৱস্থা কৰা হৈছিল। এজন এজনকৈ বহুতে আমি কি কি ব্যৱস্থা ল'লে আমাৰ কোম্পানীৰ উন্নতি হ'ব বা কেনে ধৰণে আমি কোম্পানীৰ অনাহুত খৰচ বা অপচয় কমাব পাৰো ইত্যাদিৰ ওপৰত দীঘল দীঘল ভাষণ দিলে। ভাষণ শুনি আমাৰ তিতা-কেঁহা লাগিল, ইতিমধ্যে ভোকো লাগি আহিছিল। পঞ্চ তাৰকা হোটেলত সন্মিলন পতাৰ প্ৰকৃত অৰ্থ নো কি আৰু টেঁটুলৈকে ভালকৈ উগাৰি খোৱাহে! এটা সময়ত ভোজন বিৰতি দিয়াত ভালকৈ খোৱা-বোৱা কৰিলোঁ। খোৱা-বোৱা হৈ যোৱাৰ পাছত আকৌ মিটিং আৰম্ভ হ'ব। আমি কেইজনমানে প্ৰকাণ্ড ঘূৰণীয়া টেবুল এখনত বহি চাহ-কফি ইত্যাদি খাই মিটিং শুনিবলৈ ধৰিলোঁ। পেশাদাৰী ফটোগ্ৰাফাৰে প্ৰত্যেকখন টেবুলত বহি থকা লোকসকলৰ ফটোবোৰ তুলি গ'ল। আমি বহা টেবুলখনত আছিল দুজন ওমানী, তিনিজন চীনা সহকৰ্মী আৰু মই - আটাইকেইজন একে 'ডিপাৰ্টমেণ্ট'ৰ। গ'ল কথা গুচিল। কেইদিনমানৰ পাছত বছেৰেকীয়া সন্মিলনত তোলা গোটেইবোৰ ফটো কোম্পানীৰ 'ছাৰ্ভাৰ'ত 'আপলোড' কৰা হ'ল আৰু আমালৈ 'লিংক'বোৰ আহিল। নিজে থকা ফটোবোৰ 'ডেস্কটপ'ত 'ফ'ল্ডাৰ এটা বনাই আছুতীয়াকৈ থলোঁ। সেইখিনি সময়ত মোৰ ভাগিনী এজনীৰ বিয়া হৈছিল। মই তাইৰ বিয়ালৈ যাব নোৱৰা বাবে ভাগিন জোঁৱাইক তেতিয়ালৈকে দেখা নাই বা লগ পোৱা নাই। তাই এদিন মোলৈ 'হোৱাটছ্-এপ মেচেজ' এটা পঠিয়ালে — 'মামা, তুমি এতিয়ালৈকে গৌতমক লগ পোৱাই নাই নহয়, মই তোমাৰ কথা গৌতমক কৈছোঁ, তোমাক চাবলৈ বৰ মন। এটা কাম কৰা, তাৰ ই-মেইল 'আই ডি'টো দিছোঁ, তোমাৰ ফটো এখন পঠিয়াই দিবা'। তাই ভাগিন জোঁৱাইৰ 'ই-মেইল' আই ডিটো পঠিয়াই দিলে। তালৈ এতিয়া কোনখন ফটো পঠিয়াওঁ? হঠাতে মনত পৰিল কেইদিনমানৰ আগেয়ে আমাৰ কোম্পানীৰ সন্মিলনত তোলা ফটোবোৰৰ কথা। তাৰে এখন দিলে কেনে হয়? অৱশ্যে নিজাববীয়াকৈ তোলা এখনো ফটো নাই, গোটেইবোৰ গ্ৰুপ ফটোহে। যি নহওক, গ্ৰুপ ফটো হ'লেও তাত থকাবোৰ মোৰ শেহতীয়া ফটো। বিচাৰি বিচাৰি যিখন ঘূৰণীয়া টেবুলত আমি মানে মই, ওমানী বন্ধু দুজন আৰু তিনিগৰাকী চীনা বন্ধু একেলগে বহিছিলোঁ,

সেইখন ফটো পঠিওৱাৰ সিদ্ধান্ত ললোঁ। ফটোখনৰ ওপৰত ডাঙৰকৈ 'কেপশ্যন' এটা দিলোঁ — 'চিনী, হিন্দী, ওমানী— ভাই ভাই!' ফটোখন গৌতমলৈ ই-মেইলেৰে প্ৰেৰণ কৰা হ'ল। দুদিনৰ পাছত গৌতমে উত্তৰ দিলে — 'Dear Mama ji, it was nice to have the picture you sent to me. I scrutinized the picture thoroughly but could identify only two "Omanis" and four "Chinis". Where is the "Hindi"? মই অলপো সময় নষ্ট নকৰি গৌতমলৈ উত্তৰ দিলোঁ — Dear Gautam, thank you for your e-mail. Please look hard, the "Hindi" is very much in the picture; only he is camouflaged lest the "Chinis" take him away as a POW (Prisoner of War). গৌতমে দ্বিতীয়বাৰ মোৰ ই-মেইলৰ কোনো উত্তৰ নিদিলে!

●●●

# CMCH Vellore ঃঃ বীৰাপ্পান...

**মানস কুমাৰ গোস্বামী**

১৯৯৩ চনৰ ছেপ্টেম্বৰ মাহৰ কোনোবা এদিন কলিকতা, মাদ্ৰাজ, কাটপদী জং হৈ CMCH, ভেলোৰ গৈ পালোঁ। তেতিয়াৰ Outdoorৰ সন্মুখৰ ৰাস্তাৰে গৈ গায়ত্ৰী হোটেলত থকাৰ ব্যৱস্থা কৰি দুপৰীয়া q. পিছদিনা গধুলি Cheek-up, investigationৰ blood দিয়া কাম শেষ। ৰিপৰ্ট এসপ্তাহ পাছত দিব। হোটেলত লগ পোৱা দুজনমানৰ লগত কথা পাতি অলপ ফুৰা-চকা কৰি আহোঁ বুলি ৰে'লগাড়ীত উঠি Coimbatore হৈ Ooty পালোঁগৈ। পিছদিনা ঘূৰি-পকি, নৌকা বিহাৰ ইত্যাদিৰ পাছত হোটেলত পৰিবাৰ আৰু ১-১/২ বছৰীয়া কেঁচুৱাজনীক কিছু সময়ৰ বাবে এৰিলোঁ। Receptionistৰ কথামতে অলপমান সময়ৰ বাবে cigarette আৰু quarter আনি গধূলি ভালদৰে কটালোঁ। পুৱা ৩.৪৫ মান বজাত ব্ৰহ্ম জোকাৰণিত সাৰ পাই উঠিলোঁ। ফষ্টি মাৰি শুই থকা পৰিবাৰক জগাই বাহিৰলৈ ওলাই দেখোঁ সকলো অতিথি বাৰাণ্ডাৰে তললৈ নামি আছে। তেতিয়াহে বকবকনি বন্ধ (মোৰ হেনো নিচা লাগি যি তি কৰিছোঁ)। পুৱা DD Newsত EARTHQUAKE AT LATUR.

মোৰ ছোৱালী আগৰ জন্মত কান্নাদিগা আছিল নিশ্চয়। Ootyৰ পৰা (আগদিনা গধূলিতে বাছৰ টিকট লোৱা) ভূমিকম্পৰ ৮ ঘণ্টামান পাছত Executive মিনি বাছেৰে Mysoreলৈ বুলি ৰাওনা হ'লো। ৯৯টা hairpin bend থকা ৰাস্তাৰে গৈ পাহাৰৰ পৰা নামি আধা ঘণ্টা মান যোৱাৰ পাছত ৰাস্তাটো ২০-২৫টা হাতীৰ অৱৰোধ। এঘণ্টা পাছত অৱৰোধ শেষ হোৱাত আমাৰ গাড়ী ষ্টাৰ্ট নোহোৱা হ'ল। ড্ৰাইভাৰে নোৱৰাত আনৰ লগতে নিজে নামি বেটাৰী check কৰি দেখা পাওঁ যে terminalৰ nutটো নাই। ছোৱালীজনীৰ চেপ্তেল খুলি হেঁচা মাৰি ধৰি ড্ৰাইভাৰক start দিবলৈ ক'লোঁ। কিছু সময় যোৱাৰ পাছত এঠাইত গাড়ী ৰখাই চাহৰ বিৰতি। পৰিবাৰে toilet লৈ যাওঁ বুলি পিছফাললৈ আগবাঢ়ি যাওঁতে ড্ৰাইভাৰজনে

হঠাতে মোক ঠেলি নিয়াদি নিলে। কোলাত কন্যাক লৈ ময়ো গ'লোঁ। তাইক নমাই থৈ চিগাৰেট এটা জ্বলাই দেখোঁ ছোৱালীজনী নাই। ইফালে-সিফালে চাই দেখোঁ তাই গৈ প্ৰকাণ্ড মোচৰালা এজনৰ কোলাত। মক্কেলে কানাড়া (বেলেগও হ'ব পাৰে) ভাষাত আৰু তাই অসমীয়াত পূৰাদমে কথা পাতি আছে। এওঁ অহাৰ পাছত কাণ্ড দেখি চকুপানী! কোনোমতে ফুচুলাই তাইক লৈ চাহ-তাহ খাই বাছৰ ওচৰ পালোঁ। ড্ৰাইভাৰজনৰ মতে সেইজন বীৰাপ্পান আৰু তাৰ লগৰীয়া গোটেইবোৰ হেনো দিন ডকাইত। ৰাতিটো বাছখনৰ মালিকৰ হোটেলত থাকি পিছদিনা Mysore ঘূৰি next দিনা Bangaloreলৈ।

●●●

# অভিজ্ঞতা

**কবিতা ভূঞা**

Leteku দেখাৰ লগে লগে মোৰ ঘটনা এটা মনত পৰি গ'ল...1999ৰ উৰিষ্যা ঘূৰ্ণি বতাহৰ পিছৰ কথা... আমি সপৰিয়ালে পুৰী আৰু অন্যান্য জেগা ফুৰিবলৈ গৈছিলোঁ, কলিকাতালৈ flightত গৈ তাৰ পৰা প্ৰথমে পুৰীলৈ ট্ৰেইনত ... ঠাণ্ডা দিন আছিল...পুৰী পোৱাৰ পাছত পিছদিনা আগবেলাতেই জগন্নাথ মন্দিৰলৈ গ'লোঁ...মন্দিৰ দৰ্শনৰ পাছত ওলাই আহি ডাঙৰ গছ জোপাৰ চাৰিওফালে ঘূৰি সেৱা কৰোঁতে পুৰোহিতজনে কিবা এটা ফল এৰিবলৈ ক'লে...আমাৰ গৃহস্থই লগে লগেই leteku বুলি কৈ দিলে... মোৰ হাঁহি উঠি গ'ল...leteku আমাৰ খোৱা নহয়েই...মই জনাত মন্দিৰত খাই ভাল পোৱা ফলহে এৰে... ল'ৰাহঁতে leteku চিনিয়েই নাপায়... সেইদিনাই মই নতুনকৈ কিনি লৈ যোৱা চুৰেটাৰটো হেৰাই গ'ল। অলপ সময়হে পিন্ধা হৈছিল...সেই কাৰণে letekuক মই জীৱনত নাপাহৰোঁ...এওঁক মই বহু দিনলৈকে কৈ আছিলোঁ... তোমাৰ লেতেকুৰ কাৰণে মোৰ নতুন চুৰেটাৰটো হেৰাল...।

●●●

# পুৰীৰ জগন্নাথ দৰ্শন

**কৃষ্ণা শৰ্মা**

কবিতা, পুৰীৰ কথা কওঁতে মনত পৰিছে আমি এবাৰ একেলগে বাইদেউ-ভিনদেউ আৰু ভাইটি দুটাৰ পৰিয়ালসহ একেলগে বহুত মানুহ গৈছিলোঁ। ফল এৰাৰ কথা যেতিয়া পূজাৰীয়ে ক'লে, মোৰ গৃহস্থই লগে লগে ক'লে কল। তাৰ পাছত মোৰ পাল, ময়ো কল বুলিয়েই ক'লোঁ। তাৰ পাছত ভাইটি আৰু ভাইবোৱাৰীয়ে কল ক'লে। এইবাৰ আহিল ভিনদেউৰ পাল। ভিনদেউৱে ক'লে নাচপতি আৰু

পাছৰখিনিয়েও নাচপতি ক'লে। নাচপতিটো তৎক্ষণাৎ মনলৈ নাহে। পনিয়ল দূৰৰে কথা। পাছত কল আৰু নাচপতি লৈ আমাৰ বহুত স্ফূৰ্তি হৈছিল। মই প্ৰথমে চিৰ জীৱনলৈ বাদ দিব লাগিব নেকি সুধিলোঁ। নাই, এবছৰ নাখালেই হ'ব বোলে।

●●●

# মায়া নগৰী মুম্বাইৰ স্মৃতি

**দীক্ষা শৰ্মা**

মায়া নগৰী মুম্বাইৰ স্মৃতি— জীৱনৰ মাত্ৰ কেইবছৰমান (৭ বছৰ) মুম্বাইত আছিলোঁ যদিও এই সময়খিনি মোৰ সবাতোকৈ প্ৰিয় হৈ থাকিব বুলি মই অনুমান কৰিছোঁ। নেপিয়েন চি ৰ'ডত থকা দিনকেইটাত বহু মানুহৰ সংগলৈ আহিছিলোঁ, যিসকলে মোৰ মনত, গভীৰ প্ৰভাৱ পেলাই গৈছে, এতিয়া সময় পাই কথাবোৰ আকৌ এবাৰ মনলৈ আহিছে, মনত পৰিছে মুম্বাইৰ ধাৰাষাৰ বৰষুণ, যি কেইবাদিনো একেলগে একে গতিতে তীব্ৰ ভাৱে দিয়েই থাকে।

বৰকৈ মনত পৰে ফিৰোজা কণ্টেকটৰলৈ। গধূলি ৬ বজা আছিল আমাৰ লগ পোৱাৰ সময়, আমি দুজনীয়ে বহুত সময় ধৰি সাগৰৰ পাৰৰ প্ৰিয়দৰ্শিনী পাৰ্কত নাৰিকল গছৰ শাৰীবোৰৰ মাজেদি কথা পাতি, পিছত গৈ এখন বেঞ্চত বহি আকৌ কথা পাতিছিলোঁ। বহুবাৰ বৰষুণ দিলে ঠায়ে ঠায়ে সাজি থোৱা rain shade বোৰৰ তলত বহিও আড্ডা শেষ নহৈছিল। প্ৰায়ে শুকুৰবাৰ হ'লেই দুইজনী গৈছিলোঁ Bhuleswar বজাৰ, crowford বজাৰ, Fort Jahangir art gallery, লগতে berry pualo খাবলৈ Ballard estateৰ Britania parsi restaurant। কেতিয়াবা আমি ওচৰৰ Hanging garden বা Breachcandyৰ Johnson পাৰ্কলৈ গৈছিলোঁ, আহোঁতে তাই Juhi Chawlaৰ bunglow বা Rungta laneত নীল নিতীন মুকেশৰ ঘৰৰ আগেৰে খোজকঢ়াই আনিছিল। আজি দিল্লীৰ মনছুনৰ প্ৰথম বৰষুণৰ বতৰত মোৰ মনটোৰে দেখোন মুম্বাইলৈহে উৰা মাৰিছে।

●●●

# এটা মজাৰ কথা

**শ্ৰুতিধৰা চক্ৰৱৰ্তী**

মই জন্মৰে পৰা ৭/৮ বছৰ বয়সলৈকে মোৰ ককা-আইতাৰ লগত ডাঙৰ হৈছিলোঁ। তেওঁলোকৰ যৌথ পৰিয়ালৰ মোৰ মামা-মাহীবোৰৰ কোলাতে ডাঙৰ হ'লোঁ। মোৰ মাৰ খুৰাকৰ জীয়েক, মোৰ

কণমাহীৰ (মই এতিয়াও যাক কমি বুলি মাতোঁ) লগতে অনবৰতে ঘূৰি ফুৰোঁ। তাই নাচৰ স্কুললৈ যায়, ময়ো লগতে যাওঁ।

কমিয়ে দশাৱতাৰ নৃত্যটো শিকিলে। মই ঘৰতো তাইৰ লগত নাচি থাকোঁ। দশাৱতাৰ কি তাইক সুধি জানিব পাৰিলোঁ। কিন্তু কল্কি অৱতাৰৰ বিষয়টোৱে মোক বৰ চিন্তাত পেলালে। কমিৰ মতে ঘোঁৰাত উঠি, হাতত তৰোৱাল লৈ কল্কি আহিব আৰু দুষ্ট মানুহবোৰক কাটি শেষ কৰিব। সকলোৰে আগতে মোকেই ধৰাৰ সম্ভাবনা, কাৰণ মই তাইক যে অনবৰতে দিগদাৰ কৰি থাকোঁ!!!

এইবোৰ শুনি মোৰ পেটতে হাত ভৰি লুকাল। কমিক নানান ধৰণৰ প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰাটোত সম্পূৰ্ণ লেকাম ধৰিলোঁ। কেইবাদিনো বহুত চিন্তা কৰি এটা স্থিৰ সিদ্ধান্তত উপনীত হ'লোঁ। কল্কি আহিলে দৌৰি গৈ এনেকুৱা ঠাইত লুকাম, যাৰ পাৰ মোক বিচাৰি উলিওৱাটো সম্ভৱেই নহ'ব। আইতাহঁতৰ সৰু কোঠা এটা আছিল। বজাৰ সমাৰ কৰি অনা মাহেকৰ বস্তুবোৰ আইতাই তাতে থৈছিল। তালৈ সাধাৰণতে কোনো নগৈছিল। সেই কোঠাটোৰ আটাইতকৈ ভিতৰৰ ফালৰ দৰ্জাখনৰ চুকটো ভালদৰে চাই থ'লোঁ। কল্কি আহিলেই সাউতকৈ গৈ তাতে লুকাম। কল্কিৰ সাধ্য ক'ত যে মোক টানি উলিয়ায়??? পিছে বহুত দিন ভয়ে ভয়ে কটালোঁ যদিও কল্কি কিন্তু নাহিল।

গ'ল কথা গুচিল। ময়ো কথাটো পাহৰিলোঁ। লাহে লাহে বুঢ়ী হ'লোঁহি। পিছে ৬০ বছৰ হোৱাৰ লগে লগেই বিশ্বত তোলপাৰ লাগিল। কৰ'না আহিছে। এফালৰ পৰা সকলোকে একেবাৰে ধাহি মুহি শেষ কৰিছে। চাৰিওফালৰ পৰা জোৰদাৰ নিৰ্দেশ আহিছে, কোন ক'ত আছ, ভিতৰলৈ যা। নহ'লে মৰিবি। মোৰ হঠাতে সৰুকালতে কল্কিলৈ ভয় খোৱা কথাটো মনত পৰি গ'ল। এই কৰ'নাই কল্কি নেকি বাৰু?? এতিয়া লুকাবলৈ দৰ্জাৰ চুক নাই। পিছে আজি পাঁচ মাহে জপনাৰ মুখলৈকো ওলোৱা নাই। কমি এতিয়া লণ্ডনত থাকে। মোতকৈও তাই বুঢ়ী। ছবছৰমান ডাঙৰ। গতিকে এই কল্কিৰ হাতত এতিয়া তাইৰো নিস্তাৰ নাই। ফ'ন কৰি তাইৰ খবৰ ল'লোঁ। কল্কিৰ কৃপাত ভালেই আছে। সম্পূৰ্ণ গৃহবন্দী।।

●●●

## No. 4 AFSB

**মানস কুমাৰ গোস্বামী**

ডিগ্ৰী লোৱাৰ পিছত চাকৰি বাকৰি নাই, বেনাৰসত অৱস্থিত Air Force Selection Boardৰ পৰা প্ৰথমবাৰৰ বাবে চিঠিখন পাই GL (Gauhati Lucknow) Expressত টিকট কাটিলোঁ। আগতে প্ৰত্যেক ষ্টেচনৰ এটা বা দুটা চিট সংৰক্ষিত থাকে বাবে কোনো অসুবিধা নহ'ল। নিৰ্দিষ্ট দিনৰ ৩ দিন আগতে পোৱাকৈ যাত্ৰা আৰম্ভ কৰিলোঁ, অসমৰ বাহিৰলৈ (মেঘালয়ক বাদ দি) প্ৰথম যাত্ৰা। Railway Retiring Dormitoryত চিট এটা যোগাৰ হ'ল। পিছদিনা ৰাতিপুৱা ৰেহ ৰূপ চাবলৈ ওলাই গৈ পাণ দোকানত

ধূমপান কৰি থাকোঁতে দোকানীয়ে দুটা লটাৰী টিকট দেখুৱাই কিনিবলৈ বৰ জোৰ কৰিলে। দাম ১০ টকাকৈ ২০ টকা, বেকাৰৰ পইচা নাই, সি বহু বুজালে, 'দোহি টিকিট বচা হে এক না এক মাৰেগা হি মাৰেগা লে লিজিয়ে''। মই এটা কিনি জাপ কৰি পকেটত ভৰাই থ'লোঁ। গডৌলিয়া, কাশী বিশ্বনাথ, বেনাৰস হিন্দু বিশ্ববিদ্যালয় ঘূৰি পকি গংগা নদীত গা-পা ধুই দিন এটা পাৰ কৰিলোঁ। পিছদিনা AFSB ৰ Registration কৰি মেলি আকৌ Dormitory! ভালেই লাগিল হিন্দীৰ সলনি সকলোতে ইংৰাজীৰ ব্যৱহাৰ, মাত্ৰ লেঠা বাহিৰলৈ ওলাই যাবলৈ in chargeৰ permission! তিনি ৰাতি কেনেকৈ পাৰ হ'ল গমেই নাপালোঁ, আবেলি লটাৰীৰ ৰিজাল্ট ল'বলৈ দোকানলৈ গৈ দেখোঁ প্ৰকাণ্ড তলা। কাষৰ দোকানীয়ে ক'লে আগদিনা আবেলিৰ পৰাই তলা বন্ধ। বেলেগ এখনত result পাই মূৰ ঘূৰাই গ'ল। মই লোৱা টিকেটত ১০ টকা লাগিল কিন্তু তাৰ পিছৰ টিকেটত প্ৰথম! ধেৎ ছাল্লা। দহ টকা বচাবলৈ এক কৌটি হেৰুৱালোঁ। দুখতে অকলে হাফ ছিঙি পিছদিনা vivaত পূৰা hang over. গতিকে না লটাৰী না চাকৰি। ঘৰলৈ ঘূৰি আহিবলৈ ৰে'ল তিনিদিন বাতিল, অসমত ১০০ ঘণ্টীয়া বন্ধ। কি কৰা যায়! হোটেলত থাকিবলৈ পইচাও নুকুলায়। Defenceৰ কিবা এখন (voucher নে কি পাহৰিলোঁ) দিছিল, তিনিজন অসমলৈ ঘূৰি আহিব লাগে (বাকী দুজন Airforce Tezpur) সিহঁতৰ লগতে টিকট চিকট নোহোৱাকৈ মোগলচৰাই জংলৈ গুচি আহিলোঁ। ৰাতি এখন ৰে'লত উঠি শিলিগুৰিলৈ যাত্ৰা। ৰে'লখনত বহিবলৈকো ঠাই নাই, থিয়ৈ থিয়ৈ ২০ ঘণ্টা গোটেই বিহাৰখন ঘূৰাই মেলি ৰাতি শিলিগুৰি। ষ্টেচনতে ৰাতি কটাই ব্ৰহ্মপুৰাতে পেছেঞ্জাৰ এখনত বঙ্গাইগাঁৱলৈ। তাৰ পৰা দুখনমান বাছ সলনি কৰি ঘৰৰ কাইন্ধাতে নামি সেইবাৰলৈ যাত্ৰাৰ সামৰণি। প্ৰভু ঈশ্বৰ।

●●●

# অতীতৰ পম খেদি

**ছাহ আলম**

## (১)

১৯৯৩ চনৰ কথা। গুৱাহাটী গড়কাপ্তানী গৃহ সংমণ্ডলত সহকাৰী অভিযন্তা হিচাপে কটন ছোৱালী হোষ্টেলৰ নতুন RCC MULTISTORIED BUILDINGৰ নিৰ্মাণ কাৰ্যৰ চোৱা-চিতা কামত নিয়োজিত হৈ আছিলোঁ। ১৯৯৩ চনৰ জানুৱাৰি মাহত সহকাৰী কাৰ্যবাহী অভিযন্তা হিচাপে পদোন্নতি পাই কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও ৰাষ্ট্ৰীয় ঘাইপথ উপ-সংমণ্ডলৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। সেই সময়ত বড়ো আন্দোলনৰ তীব্ৰতা বহুত কমিছিল যদিও বড়ো উগ্ৰপন্থী গোটৰ সক্ৰিয়তা বাঢ়িছিল। একে সময়তে আদিবাসী উগ্ৰপন্থী গোট এটায়ো গা কৰি উঠিছিল। গোসাঁইগাঁও ৰাষ্ট্ৰীয় পথ উপ-সংমণ্ডল অফিচটো গোসাঁইগাঁও নগৰৰ পৰা ৫ কিলোমিটাৰ দূৰত, তেলিপাৰা নামৰ ঠাইত ৩১ (গ) নং ঘাইপথৰ কাষতে শ্ৰীৰামপুৰ পোৱাৰ আগতে অৱস্থিত। অফিচৰ ওচৰতে সুন্দৰ আৱাসগৃহ আছিল যদিও পৰিস্থিতিৰ কথা

লক্ষ্য ৰাখি গোসাঁইগাঁও নগৰৰ মোহম্মদ বকতাৰ আলী আহমেদৰ ঘৰৰ পাৰ্ট এটা ভাৰালৈ থাকিব লৈছিলোঁ। ১৯৯৩ চনৰ জানুৱাৰি মাহৰ পৰা ২০০০ চনৰ ডিচেম্বৰ মাহলৈকে এটা সুদীৰ্ঘ সময় গোসাঁইগাঁও ৰাষ্ট্ৰীয় পথ উপ-সংমণ্ডলত কাৰ্যনিৰ্বাহ কৰিছিলোঁ আৰু বহুতো মিঠা-তিতা-কেঁহা অভিজ্ঞতাবোৰ আজিও সোঁৱৰণ কৰোঁ। এটা কথা উল্লেখ কৰিবই লাগিব যে মোৰ পত্নী, ল'ৰা আৰু ছোৱালীহালক শেৱালি পথৰ মেঘমল্লাৰ এপাৰ্টমেণ্টৰ ফ্লেট এটাত ভাৰালৈ ৰাখি যাবলগীয়া হৈছিল।

ৰন্ধা-বঢ়াৰ বাবে বাই এজনী আছিল যদিও মহৰুদ্দিন নামৰ এজন ১৯ বছৰীয়া ল'ৰা লগত ৰাখিছিলোঁ বজাৰ হাট কৰা আৰু ৰাতি চকীদাৰ হিচাপে পহৰা দিয়াৰ বাবে যিহেতু পৰিস্থিতি মুঠেও ভাল নাছিল সেই সময়ত। মহৰুদ্দিন বিভাগৰে মাষ্টাৰ ৰোলৰ স্থায়ী লেবাৰ এজনৰ ল'ৰা আছিল। মহৰুদ্দিন অলপ অঁকৰা আছিল। বৃদ্ধ দেউতাকৰ মৃত্যুৰ পাছত মহৰুদ্দিনক দেউতাকৰ ঠাইত মাষ্টাৰ ৰোল কেজুৱেল লেবাৰ হিচাপে নিয়োগ কৰা হৈছিল।

এদিন পুৱাৰ ভাগত গোসাঁইগাঁও নগৰৰ মাজমজিয়াতে থকা মাছৰ বজাৰ, শাক-পাচলিৰ বজাৰ আৰু গেলামালৰ দোকান দেখুৱাবলৈ মহৰুদ্দিনক লগত লৈ গ'লোঁ। গোসাঁইগাঁৱত সেই সময়ত শিঙি আৰু মাগুৰ মাছ প্ৰচুৰ পৰিমাণে পোৱা যায় আৰু এই দুয়োবিধ মোৰ অতি প্ৰিয়। মাছৱালা দুজনমানৰ লগত মহৰুদ্দিনক চিনাকি কৰাই দিলোঁ যাতে মোৰ অনুপস্থিতিত সি বজাৰলৈ আহিলে ভাল মাছ লৈ যাব পাৰে। মহৰুদ্দিনক ৰন্ধা-বঢ়া কাম শিকোৱা হ'ল যাতে ৰাতিৰ সাঁজ সি মোক বনাই খুৱাব পাৰে। কম দিনৰ ভিতৰতে সি ৰন্ধা-বঢ়াত ওস্তাদ হৈ গ'ল। পিছত গম পালোঁ সি হেনো হোটেল এখনত কাম কৰিছিল।

**চাইকেল চলোৱা শিকিবলৈ ড্ৰাইভাৰ নিয়োগ**

এক আমোদজনক উপলব্ধি। মহৰুদ্দিনক এখন নতুন চাইকেল কিনি দিলোঁ যাতে পুৱাৰ ভাগত মাছ আৰু শাক-পাচলি বজাৰ কৰাৰ পাছত ভাত এমুঠি খাই বিভাগীয় লেবাৰ কামত যোগদান কৰি আকৌ দুপৰীয়াৰ পাছত আহি সি ৰাতিৰ ৰন্ধা-বঢ়া কাম কৰিব পাৰে। সি হেনো চাইকেল চলাব নাজানে। গতিকে ওচৰতে থকা খেলপথাৰলৈ গৈ চাইকেল চলোৱা শিকাত লাগিল। এদিন সোধোঁতে মহৰুদ্দিনে ক'লে- সি হাফ পেডেল মাৰি কোনোমতে চাইকেল চলাব পাৰে। মই ক'লোঁ এসপ্তাহৰ ভিতৰত চাইকেল চলোৱা শিকি লোৱা, নহ'লে চাইকেলখন বিক্ৰী কৰি দিম।

এদিন দুপৰীয়া ভাত খাবলৈ আহিছোঁ ভাৰাঘৰত। গম পালোঁ ৰান্ধনীঘৰত মহৰুদ্দিন আৰু কোনোবা এজনে কথা পাতি আছে। কাম কৰা বাইজনী ৰন্ধা-বঢ়া আৰু কাপোৰ ধোৱা আদি কামবন কৰি দুপৰীয়া ১২ মানত গুচি যায়। ৰান্ধনী ঘৰৰ দুৱাৰখন ঠেলা মাৰি দিওঁতে গম পালোঁ মহৰুদ্দিন আৰু তাৰ সম-বয়সীয়া ল'ৰা এজন আৰু দুয়োজনে ভাত খাই আছে। ময়ো হাত-মুখ ধুই পৰিষ্কাৰ হৈ দুপৰীয়াৰ সাঁজ খাই ল'লোঁ।

মহৰুদ্দিনক মাতি আনি সুধিলোঁ— 'কোননো এইজন ল'ৰা আৰু তাক ভাত কিয়নো খুৱাইছা?'

সি নিৰ্ভয়ে উত্তৰ দিলে— 'ছাৰ, ড্ৰাইভাৰ এইজন, চাইকেল চলোৱা শিকি আছোঁ। সি (ড্ৰাইভাৰজন) চাইকেলৰ পিছফালে কেৰিয়াৰত ধৰি থাকে যাতে পৰি নাযাওঁ। ছাৰ, চাৰি-পাঁচ দিনৰ ভিতৰত ফুল

পেডেল মাৰা শিকি যাম। সেই কাৰণে এই কেইদিন দুপৰীয়া তাক ভাত এসাঁজ খুৱাই দিওঁ।'

মোৰ খং উঠিলেও হাঁহি ৰাখিব পৰা নাই। চাৰিচকীয়া বাহন শিকিবলৈ ড্ৰাইভাৰৰ প্ৰয়োজন হয় কিন্তু চাইকেল চলাবলৈ ড্ৰাইভাৰৰ প্ৰয়োজন প্ৰথম শুনিলোঁ। চাইকেল চলাব নোৱাৰিলে চাইকেলখন বিক্ৰী কৰা হ'ব বুলি মহৰুদ্দিনক সকীয়াই দি মই অফিচলৈ গুচি গ'লোঁ।

**ফাৰ্মেচিত ঔষধ আনিবলৈ গৈ মহৰুদ্দিনে কাণতলীয়া চৰ খালে...**

১৯৯৩ চনৰ ছেপ্টেম্বৰ মাহৰ কোনোবা এটা দিন। শ্ৰীৰামপুৰত চেক গেটত পথৰ উন্নীতকৰণ কামৰ পৰ্যবেক্ষণ কৰি সন্ধিয়াৰ আগে আগে ঘৰ আহি পালোঁ। মহৰুদ্দিনে Non veg (mutton)ৰ চিঙৰা বনাই চাহৰ সৈতে খুৱালে আৰু বৰ তৃপ্তিৰে খালোঁ। মোৰ মূৰ বৰ বেয়াকৈ কামুৰি আছে। বাম ঘহিলোঁ যদিও উপশম নহ'ল। উপায়ান্তৰ হৈ মহৰুদ্দিনক গোসাঁইগাঁও চাৰিআলিত থকা বৰ্মন ফাৰ্মেচিৰ পৰা টেবলেট আনিব পঠালোঁ। স্লিপ এখনত ১ নংত চেৰিডন আৰু ২ নংত ডিচপিৰিন টেবলেটৰ নাম লিখি দিলোঁ আৰু তাক বাৰে বাৰে বুজাই ক'লোঁ ১ নংৰ টেবলেট নাপালে ২ নংৰ টেবলেট ৫ টা মান লৈ আহিবলৈ। সি মূৰটো দোৱাই হ'ব বুলি কৈ চাইকেলেৰে ফাৰ্মেচিলৈ ওলাই গ'ল।

আধা ঘণ্টামান পিছত বাৰাণ্ডাত কোনোবাই কান্দি থকাৰ উমান পালোঁ। বিছনাৰ পৰা উঠি আহি দেখোঁ মহৰুদ্দিনে বাৰাণ্ডাত বহি হুকহুকাই কান্দি আছে। তাক সুধিলোঁ- 'কি হ'ল কান্দি আছা যে, ঘৰত কাৰোবাৰ বেমাৰ বা কোনোবা ঢুকাল নেকি?' সি ফেঁকুৰি ফেঁকুৰি ক'ব ধৰিলে- 'ছাৰ আপুনি কিনো ঔষধৰ নাম লিখি দিলে, ঔষধ বিচাৰোঁতে কথা নাই বতৰা নাই ফাৰ্মেচিৰ মালিক বৰ্মন বাবুৱে মোক কাণত জোৰেৰে কেইবাবাৰো চৰিয়ালে। ছাৰ আপুনি ইয়াৰ কিবা এটা বিচাৰ কৰি দিয়ক। মই বহুত দুখ পাইছোঁ ছাৰ।'

মহৰুদ্দিনৰ কথা শুনি একোকে তৰ্কিব নোৱাৰিলোঁ। মহৰুদ্দিনক লগত লৈ ফাৰ্মেচি আহি পালোঁ। ফাৰ্মেচিত বহুত মানুহৰ ভিৰ, সন্ধিয়া সময়ত ভিৰ অলপ হয়েই। তথাপি ফাৰ্মেচিৰ বৰ্মনক মাত দিলোঁ কিবা কথা অলপ আছে। বৰ্মন ফাৰ্মেচিৰ পৰা ওলাই আহি মাত দিলে। মই বৰ্মনক সুধিলোঁ- "মহৰুদ্দিনক মই ঔষধ নিব আপোনাৰ ফাৰ্মেচিলৈ পঠাইছিলোঁ আপুনি ঔষধ নিদি কিয়বা তাক বেয়াকৈ চৰিয়ালে বুজি নাপালোঁ; কওকচোন কি হ'ল ঘটনাটো?" প্ৰত্যুত্তৰত বৰ্মনে ক'লে— "ছাৰ, এই ল'ৰাজনে আজি মোৰ মান-সন্মান শেষ কৰি দিলে। সি আহিয়েই চিঞৰি চিঞৰি কৈ আছে পি ডব্লিউ এছডিও ছাৰে টেবলেট ল'ব দিছে। এক নম্বৰি ঔষধ যদি নাই তেন্তে দুই নম্বৰি ঔষধ দিলেও হ'ব। মই বাৰে বাৰে ল'ৰাটোক কৈছোঁ ফাৰ্মেচিত সব একনম্বৰি (original) ঔষধ ৰাখোঁ, দুই নম্বৰি (duplicate) ঔষধৰ কোনো কাৰবাৰ নকৰোঁ। ল'ৰাটোৱে বাৰে বাৰে একে কথাকৈ কৈ আছিল আৰু কাগজৰ স্লিপ এখন দেখুৱাই থাকে। সেয়ে ছাৰ ল'ৰাটোৱে আজি বহুত কাষ্টমাৰৰ আগত মোক বেয়াকৈ লাজ দিলে। কাৰণ মানুহবিলাকে ভাবি ল'ব ফাৰ্মেচিত দুই নম্বৰি (duplicate) ঔষধ ৰখা হয়। সেয়ে খঙৰ কোবত তাক মই আজি চৰিয়াই দিছোঁ। বেয়া নাপাব ছাৰ।" মহৰুদ্দিনৰ ফালে চাই সুধিলোঁ- " মহৰুদ্দিন, এইবাৰ তই কচোন বৰ্মনক তই কি কৈছিলি?" মহৰুদ্দিনে ভয় ভয় ভাবেৰে ক'লে— "হয় ছাৰ, কথাখিনি তেনেকৈ কৈছিলোঁ।" মই ঔষধৰ স্লিপখন দেখুৱাই বৰ্মনৰ ফালে চাই ক'লোঁ— "আচলতে ভুল বুজাবুজি হ'ল।

স্লিপখনত ১ নংত চেৰিডন আৰু ২নংত ডিচপিৰিন টেবলেটৰ নাম লিখি দিছিলোঁ কিন্তু মহৰুদ্দিনে ক'ব নাজানিলে। ১ নংৰ টেবলেট নাপালে ২নং টেবলেটটো ল'ব দিছিলোঁ।"

উপায়ান্তৰ হৈ মহৰুদ্দিন আৰু বৰ্মনক হেণ্ডচেক কৰাই দিলোঁ। মহৰুদ্দিনে নিজৰ ভুল বুজি পাই বহুত লাজ পালে। এই ঘটনাটো মহৰুদ্দিনৰ আগত দুনাই উল্লেখ নকৰিলোঁ আৰু ইয়াকে কয় 'কথাত কটা যায় আৰু কথাত বঁটা পায়।'

বাসস্থানলৈ আহি ৰাতিৰ সাঁজ খাই শুই থাকিলোঁ। মূৰৰ বিষ ঔষধ নোখোৱাকৈ ভাল হৈ গ'ল। এক নম্বৰি (original) আৰু দুই নম্বৰি (duplicate) এই দুটা শব্দই মোক হাঁহিৰ খোৰাক যোগালে। ৰাতি সাৰ পালে নিজে নিজে হাঁহি থাকোঁ।

## (২)

**মহৰুদ্দিনে প্ৰেছাৰ কুকাৰৰ নতুন নাম দিলে হুইছেল মেচিন...**

মহৰুদ্দিননে ইতিমধ্যে ফুল পেডেল মাৰি ছাইকেল চলোৱা শিকি পেলালে। কিন্তু ডাঙৰ কথা হ'ল চাইকেলত উঠোঁতে বা চাইকেলৰ পৰা নামোঁতে পথৰ দাঁতিত ওখ ঠাইৰ প্ৰয়োজন হয় তাৰ।

মহৰুদ্দিনৰ প্ৰেছাৰ কুকাৰ সম্পৰ্কত বহুত প্ৰশ্ন ঃ কেনেকৈ চাউল, দাইল, মাংস ইত্যাদি সিজোৱা হয় আৰু প্ৰেছাৰ কুকাৰে কিয় হুইছেল দিয়ে? সহজ কথাত তাক সকলোখিনি বুজাই থোৱা আছে কিন্তু সি কিমানখিনি বুজি পাইছে সিহে জানে। প্ৰেছাৰ কুকাৰত বনাই বহুত ভাল পায় মহৰুদ্দিনে; হুইছেল মাৰিলে তাৰ বহুত ফূৰ্তি। সেয়ে প্ৰেছাৰ কুকাৰক সি নতুন নামা দিলে 'হুইছেল মেচিন'। মহৰুদ্দিনক কৈ থোৱা আছে ১) ভাত বা দাইল সিজাওঁতে বৰ বেছি ৩ টা হুইছেল; ২) লোকেল মুৰগীৰ মাংস হ'লে ৪ টা বা ৫ টা হুইছেল; ৩) খাহী বা পঠা হ'লে ৭ বা ৮ টা হুইছেল মাৰিলে যথেষ্ট। কিন্তু ততোধিক হুইছেল মাৰিলে ৰন্ধা বস্তুখিনি পুৰি যোৱাৰ সম্ভাৱনা আছে আৰু হয়তো প্ৰেছাৰ কুকাৰ ব্লাষ্ট হৈ বহুত অঘটন হৈ যাব পাৰে। কেতিয়াবা ৰান্ধনীঘৰৰ টিনৰ চাল উৰি যাব পাৰে। এইদৰে প্ৰেছাৰ কুকাৰৰ বিষয়ে মহৰুদ্দিনক সতৰ্ক কৰি থোৱা আছে।

১৯৯৩, ১৩ নবেম্বৰ; দীপাৱলী (কালিপূজা) আছিল সিদিনা। মহৰুদ্দিনে সন্ধিয়া বজাৰত গৈ খাহীৰ মাংস লৈ আহিছে। মই টিভিত সন্ধিয়া বাতৰি চাই আছোঁ। মহৰুদ্দিন ৰান্ধনীঘৰত ব্যস্ত খাহীৰ মাংস বনোৱাত। ৰাতি জুতি লগাই এসাঁজ খোৱা হ'ব আজি; জহা চাউলৰ ভাতৰ লগত খাহীৰ মাংস; মোৰো বহুত প্ৰিয়।

মাজতে মহৰুদ্দিন এবাৰ মোৰ ৰুমত সোমাই মাত লগালে-"ছাৰ জহা চাউলৰ ভাত হৈ গ'ল। মাংস বহাইছোঁ এইমাত্ৰ। আধা ঘণ্টা মান পিছত আপুনি ভাত খাব পাৰিব।"

মই ৮-৩০ বা ৯ বজাত ৰাতিৰ সাঁজ খাওঁ। মই নিউজৰ পিছত হিন্দী চিৰিয়েল চাই আছোঁ। মাংস বনাই থকা মহৰুদ্দিন সম্ভৱ টোপনিৰ আমেজত আছিল। সি পাহৰি গ'ল কিমানটা হুইছেল মাৰিলে।

হুইছেল মাৰি আছে, মাৰি আছে; মহৰুদ্দিনে হুইছেল কিমানটা মাৰিলে ধৰিব পৰা নাই, হিচাপত ভুল হৈ গ'ল তাৰ। সি উধাতু খাই মোৰ ৰুমত সোমাই আহি ক'লৈ- "ছাৰ ওলাই আহক, ওলাই আহক

হুইছেল মেচিন ফাটিব এতিয়া আৰু ঘৰখনো উৰি যাব। "ছাৰ ওলাই আহক, ওলাই আহক।"

এই বুলি কৈ মহৰুদ্দিন উধাতু খাই দৌৰি গৈ ঘৰৰ সমুখৰ ৰাস্তা পালে গৈ। মই একোকে ধৰিবই নোৱাৰিলোঁ ক'ৰ পৰা কি হ'ল। ময়ো গৈ ৰাস্তা পালোগৈ। মহৰুদ্দিনে ৰাস্তাৰ দাঁতিত বহি ঘন ঘন উশাহ লৈ কৈ আছে-" ছাৰ আজি মৰাৰ পৰা হাত সাৰি গ'লোঁ; হুইছেল মেচিন ফাটি গ'ল চাগে। ঘৰ উৰি গ'ল চাগে।"

মই মহৰুদ্দিনক এক চৰ সোধাই দিলোঁ। তাৰ সম্বিত ঘূৰি আহিল। ততাতৈয়াকৈ ৰান্ধনীঘৰলৈ আহি গেছৰ জুই নুমাই দিলোঁ। মাংসখিনি অলপ জ্বলিলে। জুতি লগাই খোৱা মনতে ৰৈ গ'ল।

মহৰুদ্দিনক এটা কথাই বুজালোঁ প্ৰেছাৰ কুকাৰত হুইছেল ২ টা বা ৩ টা বেছিকৈ মাৰিলেও একো নাই মুঠতে গেছৰ জুই লগে লগে নুমাই গেছ চুলাৰ পৰা প্ৰেচাৰ কুকাৰ নমাই থলেই হ'ল।

ৰাতিৰ সাঁজ খাই বিছনাত শুব ল'লোঁ। ৰাতি ১০-৩০ বাজি গৈছে। শুই শুই ভাবিলোঁ মহৰুদ্দিনে বেছি সতৰ্কিত হোৱাৰ বাবে আজি সি ইমান আতঙ্কিত হ'ল; তাৰ ফলত এই অঘটন। শুই শুই গোটেই ঘটনাটো মনৰ মাজত পাগুলিয়াই খুব হাঁহিলোঁ মনে মনে। ইফালে মহৰুদ্দিন নাক ঘোৰঘোৰাই শুই আছে তাৰ ৰুমত।

১৯৯৪ৰ জানুৱাৰি মাহ, প্ৰচুৰ ঠাণ্ডা পৰিছে। এদিনাখন আবেলি ঘৰৰ আগফালে বহি ৰ'দ লৈ আছোঁ। মহৰুদ্দিনে চাহ একাপ আৰু প্লেট এখনত বিস্কুট আনি দিলে। সি মোৰ কাষতে টুল এখনত বহিলে। চাহ খাই থাকোঁতে তাৰ মুখৰ ফালে চালোঁ কিবা এটা উৎসুকতা তাৰ মুখত, সি কিবা মোক ক'ব খুজিছে। হাতত দূবৰি বন লৈ পাতবোৰ ছিঙি আছে। মই মাত লগালোঁ-"মহৰুদ্দিন তই কিবা কবি নেকি? কচোন।" সি যেন সকাহ পালে। সি ক'লে-" ছাৰ মোৰ সৰু ভাইটোৰ বিয়া পাতিছোঁ অহা সপ্তাহত। পাৰিলে গুৱাহাটীৰপৰা বাইদেউ আৰু ভাইটি-ভণ্টিহঁতক লৈ আহিব। ভাল লাগিব ছাৰ।" মই ক'লোঁ- "ঠিক আছে গুৱাহাটীলৈ গ'লে সৱকে লৈ আহিম।"

মহৰুদ্দিনে আকৌ ক'লে-"ছাৰ আৰু দুটামান কথা ক'ব থাকি গ'ল।"

মই ক'লোঁ- "ক আকৌ"

সি ক'লে-"ছাৰ বিয়াৰ বাবে ৫০০০ মান টকা ধাৰত লাগে আৰু ছাৰ বিয়াৰ দক্ষিণা (presentation) এটা ডাঙৰ হুইছেল মেচিন (প্ৰেছাৰ কুকাৰ)দিব ছাৰ; আমিতো দুখীয়া মানুহ ক'তনো কিনিব পাৰিম আৰু।"

মোৰ মহৰুদ্দিনৰ নিৰ্বিকাৰ মুখৰ ফালে চাই মমতা উপজিল আৰু ক'লোঁ-' মহৰুদ্দিনে হ'ব একো চিন্তা কৰিব নালাগে। সব ঠিক হৈ যাব।" মহৰুদ্দিনে স্বস্তিৰ নিঃশ্বাস পেলালে। মোৰো ভাল লাগি গ'ল।

গুৱাহাটীৰ পৰা পৰিয়ালক অনা নহ'ল। সময় মিলাব পৰা নহ'ল। বিয়াৰ পাৰ্টিৰ দিনা মই আৰু সহকাৰী অভিযন্তা এজন লগত লৈ অফিচৰে জীপখন লৈ দুপৰীয়া মহৰুদ্দিনৰ ঘৰ পালোঁ গৈ। সিদিনা দেওবাৰ আছিলে। জীপৰ শব্দ পাই মহৰুদ্দিনে নঙলা মুখলৈ ওলাই আহিল আদৰিবলৈ। ৫ লিটাৰৰ

প্ৰেছাৰ কুকাৰটো মহৰুদ্দিনে কান্ধত দাঙি লৈ আগে আগে আৰু পিছে পিছে আমি গৈ বিয়া ঘৰত সোমালোঁ। নঙলামুখৰ পৰা ঘৰ পোৱালৈকে মহৰুদ্দিনে একপ্ৰকাৰ চিঞৰি চিঞৰি কৈ গ'ল-"ছাৰে হুইছেল মেচিন আনিছে, ছাৰে হুছিল মেচিন আনিছে।"

ৰভাৰ তলত গাঁৱৰ মানুহে আগফালে বহিছে আৰু ভিতৰফালে ভাত খাই আছে। আমাক ঘৰৰ ভিতৰতে আছুতীয়াই বহাৰ আৰু খোৱা লোৱাৰ সুব্যৱস্থা কৰিছে। আমি ঘৰৰ ভিতৰতে গৈ বহিলোঁ। অলপ পিছত দৰা কইনাক মাতি আনিলে। পৰিচয় কৰাই দি মহৰুদ্দিনে ক'লে- "ছাৰে বিয়াৰ দক্ষিণা (presentation) বাবদ এই হুইছেল মেচিনটো দিছে। ছাৰক এদিন বনাই খুৱাব লাগিব (কইনাক উদ্দেশ্য কৰি)। বহুত নিয়ম আছে হুইছেল মেচিনত ৰন্ধা বঢ়া কৰিবলৈ; পিছত শিকাম।"

সুখাদ্য খাই ঘৰমুৱা হ'বৰ সময়ত মহৰুদ্দিনে মাত লগালে-"ছাৰ, বোলো ৰাতি বনাব নালাগে, বিয়া ঘৰৰ পৰাই ৰাতিৰ সাঁজ পঠিয়াই দিয়া হ'ব।

আবেলি মানত ঘৰ পাই বিছনাত অলপ জিৰণি লম বুলি বাগৰ দিলোঁ। মহৰুদ্দিনৰ অকৃত্ৰিম মৰমত মনটো ভৰি গ'ল। চকু টান মাৰি আহিল।

●●●

# মোৰ ক্ষেত্ৰত এনে হৈছিল ...

**সুৰথ পাঠক**

আমাৰ ফালে পূৰ্ণিমাৰ ৰাতি (পাহৰিলোঁ কোন মাহত) 'নষ্টচন্দ্ৰ' বুলি এটা উৎসৱ (?) পালন কৰা হয়। য'ত ডেকা ল'ৰাবোৰে ৰাতি দোভাগ হ'লে মনে মনে মানুহৰ ঘৰে ঘৰে গৈ চুৰিকৈ থোকেৰে সৈতে নাৰিকল পাৰি খায়, বাকলিবোৰ চাৰিওফালে দলিয়াই থৈ আহে। আহিবৰ সময়ত গৃহস্থৰ ঘৰৰ বাহিৰত থকা চকী, বেঞ্চ, ঢেঁকী আদি দাঙি নি গছৰ ওপৰত তুলি বান্ধি থয়। পিছদিনা গৃহস্থৰ গুৱাল গালি শুনি মনতে বৰ ৰং পায় ল'ৰাবোৰে। এবাৰ আমাৰ বেঞ্চ এখন নি ঘৰৰ সন্মুখত থকা গছজোপাৰ ওপৰত তুলি থ'লে। পিছদিনা পুৰা কাণ্ড দেখি আমি আচৰিত, কেনেকৈ নমোৱা যায়। তেনেতে দূৰৈত দুটা ল'ৰা দেখি হাতবাউল দি মাতিলোঁ। সিহঁত আহিল। ক'লোঁ, চা চোন কোন কুকুৰে এই কামটো কৰিলে, গম পালে কাণতলীয়া চৰ দিলোহেঁতেন, তহঁতে নমাই দেচোন। সিহঁত দুটাই গছত উঠি ধৰা-ধৰি কৰি নমাই দিলে আৰু লগে লগে গুচি গ'ল। পিছত আনৰ পৰা গম পালোঁ - কামটো সিহঁত দুটাই কৰিছিল আৰু পিছদিনা আমাৰ 'ৰিয়েকচন' চাবলৈ ওলাই আহিছিল, সিহঁতৰ ৰাতিৰ ইমান কষ্টৰ ওলোটা ৰিয়েকচনহে হ'ল হেনো।

●●●

# এণ্টিক্লাইমেক্স

**শৰৎ বৰকাকতি**

'তুমকো দেখা তো য়ে খায়াল আয়া
জিন্দেগী ধুপ ঔৰ তুম ঘনা ছাঁয়া'...

লক্‌ডাউনৰ নিৰল পুৱা, তাতে যোৱা নিশাৰে বৰষুণ এতিয়াও সামৰাৰ লক্ষণ নাই। বাৰাণ্ডাত বহি পুৱাৰ চাহকাপ হাতত লৈ গোমা আকাশখনলৈ চাই ম'বাইলত ইউটিউবত প্লে-লিষ্টত ওলাল জগজীৎ সিঙৰ এই চিৰসেউজ গজলটো। গজলৰ সেই সোণালী সুৰৰ সৈতে আপোন পাহৰা হৈ থাকোঁতে হঠাৎ জগজীৎ সিঙৰ মাতত সেই প্ৰশ্নটো শুনি মই উচপ খাই উঠিলোঁ— 'অভী তুম ক্যা কৰতে হো'

১৯৯৪ চন। মই তেতিয়া অসমৰ পৰা বদলি হৈ আহি দিল্লীৰ অসম হাউচৰ গড়কাপ্তানী বিভাগৰ অভিযন্তা হিচাপে যোগ দিয়াৰ চাৰি বছৰ হৈছেহে। প্ৰথম তিনিটা বছৰেই দিল্লীত বৰ কষ্টেৰে গ'ল। প্ৰজেক্টৰ নিৰ্মাণ কাৰ্য নিৰীক্ষণত অত্যন্ত ব্যস্ততা, দৰমহাৰ পইচাৰ আধাতকৈ বেছি ঘৰভাৰা, সৰুজনী কন্যা দিল্লীতেই জন্ম হোৱাত দুজনী সৰু ছোৱালীক লৈ সংসাৰৰ বোজা এইবোৰত জুৰুলা হৈ দিল্লীৰ পৰা কেতিয়া অসমলৈ ঘূৰি যাব পাৰোঁ সেই আশাত ৰৈছিলোঁ। ১৯৯৩ চনত সহকাৰী কাৰ্যবাহী অভিযন্তা হিচাপে মোৰ পদোন্নতি হোৱাত শিলচৰ-মিজোৰামৰ সীমান্তৱৰ্তী লোৱাইপুৱা নামৰ ঠাইলৈ যাবলৈ অৰ্ডাৰ ওলাল। এষ্টাব্লিষ্টমেণ্ট ব্ৰাঞ্চৰ কেৰাণীজনে মোৰ বিষণ্ণ বদন দেখি সান্ত্বনা দি ক'লে — 'ছাৰ, বঢ়িয়া অফিচ, বস্তাত ভৰাই পইচা আনে সেইটো অফিচৰ অফিচাৰে।'

পৰিবাৰৰ লগত আলোচনা কৰিলোঁ। অহা বছৰ ডাঙৰ কন্যা প্ৰাইমাৰী স্কুললৈ যাব, কষ্ট হ'লেও পঢ়া-শুনাৰ এই সুবিধা এৰি দিল্লী এৰি নাযাওঁ বুলি সিদ্ধান্ত কৰিলোঁ। ঈশ্বৰৰ ইচ্ছা, সেই সময়ত মোৰ অফিচৰ সহকাৰী কাৰ্যবাহী অভিযন্তাজন শিলচৰৰ আছিল আৰু দিল্লীত তেওঁ বিভিন্ন ব্যক্তিগত দুৰ্যোগত পৰি বদলি হ'ব বিচাৰি আছিল। দুয়ো মিলি দৰ্খাস্ত কৰাত মিউচ্যোয়েল ট্ৰেন্সফাৰ অৰ্ডাৰ সহজতেই ওলাল আৰু মই দিল্লীৰ একেটা অফিচতে উচ্চ পদত অধিষ্ঠিত হ'লোঁ। কেন্দ্ৰীয় চৰকাৰৰ এজন অফিচাৰৰ ডাঙৰ কোৱাৰ্টাৰ এটাৰ খবৰ পাই ভাৰাত ল'লোঁ। কিন্তু ডাঙৰ কোৱাৰ্টাৰটোৰ ঘৰভাৰাৰ পইচা কেনেকৈ যোগাৰ কৰিম? পেয়িং গেষ্ট ৰাখিম। ভবামতে কাম, দিল্লীত অসমীয়া মানুহে তেতিয়ালৈ নকৰা ব্যৱসায় আৰম্ভ হ'ল। ড্ৰয়িং ৰুম বাদ দি এটা কোঠাত আমি চাৰিটা থাকোঁ আৰু বাকী দুটা কোঠাৰ এটাত দুজন অসমীয়া (উড়িয়া এজনো আছিল) যুৱক, আনটোত দুজনী যুৱতী। পৰিবাৰ তৃষ্ণাৰ বৰ কষ্ট হৈছিল, কাৰণ ৰন্ধা-বঢ়াৰ পৰা ঘৰৰ সকলো কাম নিজেই অকলে কৰিছিল লগতে কণমাণি দুজনীৰ প্ৰতিপালন। জীৱন বৰ কঠিন হ'লেও অৰ্থনৈতিকভাৱে আমাৰ স্থিতি আগতকৈ সবল হ'ল আৰু দিল্লীত থাকিম বুলি লোৱা

সংকল্পক আগবঢ়াই নিবলৈ আমি বদ্ধপৰিকৰ হ'লোঁ। সেই ঘৰতে সাহিত্য-সংস্কৃতিৰ আড্ডা হ'বলৈ ধৰিলে, দিল্লী বিশ্ববিদ্যায়ৰ ছাত্ৰ-ছাত্ৰী আহে, একেলগে ঘৰতে শিল্পী দিৱস পাতোঁ, বিহু খাওঁ আৰু সপ্তাহে-পষেকে জলচা পাতোঁ।

চাউলকথাৰ চিন্তা শেষ হোৱাত এইবাৰ হৰিকথা। গীত শিকা বা লিখা, সুৰ কৰি গোৱাৰ চৰ্চা মোৰ কৰ্মজীৱনত য'লৈকে গৈছোঁ পুৰণি হাৰমনিয়ামখনৰ দৰেই তলৈকে সদায় লগতে গৈছে। দিল্লীৰ অসম এছ'চিয়েশ্যনত ইতিপূৰ্বে ষ্টেজত গীত গোৱা বা কোৰাছ শিকোৱা আৰম্ভ হৈয়েই গৈছে। তৃষ্ণাই মোক সুবিধা পালেই ক'বলৈ ল'লে— 'এলবাম এটা কৰি নোথোৱা কিয়, অন্ততঃ ৰেকৰ্ড এটা ৰাখিব লাগে।' সেই সময়ত এবাৰ অফিচৰ কামত গুৱাহাটীলৈ আহোঁতে মোৰ বন্ধু, দক্ষ গীটাৰ বাদক ৰাজু আনচাৰীক লগ পাবলৈ এটা ষ্টুডিঅ'লৈ গ'লোঁ আৰু তাতে লগ পালোঁ কটন কলেজৰ সহপাঠী কৃষ্ণ বৈশ্যক। কৃষ্ণই তাৰ পত্নী সুকণ্ঠী গায়িকা দীপামণি বৈশ্যৰ এলবামৰ ৰেকৰ্ডিং কৰোৱাই আছিল। কৃষ্ণই ইতিমধ্যেই পত্নীৰ কেইবাটাও এলবাম কৰি হোৱা অভিজ্ঞতা ব্যক্ত কৰাত মোৰ গীতৰ এলবাম কৰাৰ আশাই ন ডেউকা মেলিব খুজিলে।

মই গজলৰ বৰ ভক্ত। চাকৰিৰ আৰম্ভণিতে ডিফুত থাকোঁতে গজলৰ বিষয়ে পঢ়া-শুনা কৰাই নহয়, উৰ্দু শিকিবলৈও যো-জা কৰিছিলোঁ। গজলৰ আৰ্হিত মই লিখি সুৰ কৰি গুৱাহাটীৰ বি বৰুৱা কলেজৰ ফাংচনত গোৱা এটা গীতৰ ভাল সমাদৰ পাই মোৰ আত্মবিশ্বাস গঢ়ি উঠিছিল। গতিকেই ভাবিলোঁ- গতানুগতিক এলবাম এটা কৰাতকৈ গজলৰ আধাৰত গীতৰ এলবাম কৰোঁ। মাজনিশালৈকে বহি বহি গীত লিখা, সুৰ কৰাৰ কাম আৰম্ভ হ'ল। গীত প্ৰায় হ'লগৈ— এইবাৰ মনলৈ আন এটা ভাব আহিল। গজল যদিওবা আচলতে কাব্যহে যাক সুৰ দি গীতৰ ৰূপত পৰিৱেশন কৰা হয়, পিছে তেনে শৈলীৰ গীত অসমীয়া ভাষাত বিজতৰীয়া, গতিকে ইয়াক শ্ৰোতাৰ ওচৰ পোৱাবলৈ হ'লে কোনোবা প্ৰতিষ্ঠিত গায়কৰ সহায় ল'ব লাগিব। নিজে নিজে ভাবি ঠিক কৰিলোঁ জগজীৎ সিঙৰ দ্বাৰা অন্ততঃ এলবামৰ এটা গীত গোৱাম।

মোৰ তেতিয়া লেশমাত্ৰও ধাৰণা নাই যে ইমান ডাঙৰ চেলিব্ৰিটিক গীত গোৱাবলৈ কি কৰিব লাগে। তেওঁ বোম্বেত থাকে বুলি জানো, কিন্তু বোম্বেত গৈ লগ ধৰাৰ বাবে না মোৰ পইচা আছে না আন যোগ্য লোকৰ সৈতে চা-চিনাকি আছে। কিন্তু মনৰ উচ্চাকাংক্ষা এৰি নিদি 'লগে ৰহো মুন্নাভাই' হৈ থাকিলোঁ। তেনেতে দিল্লীৰ আটাইতকৈ ডাঙৰ চিৰিফ'ৰ্ট অডিটৰিয়ামত পোষ্টাৰ দেখিলোঁ— জগজীৎ সিঙৰ সংগীত সন্ধিয়া পাতিছে। বচ্ কথা নাই। প্ৰথম কেইশাৰীত বহাৰ সুবিধা পাব পৰাকৈ পাঁচশ টকাৰ টিকেট এটা কিনিলোঁ কেৱল মোৰ বাবে, কাৰণ তৃষ্ণাক দেখুৱাবলৈ পাঁচশ টকাৰ আৰু এটা টিকট কিনাৰ সামৰ্থ্য মোৰ নাই।

অনুষ্ঠানৰ সন্ধিয়া অডিটৰিয়ামত দ্বিতীয় শাৰীৰ চোফাত বহি বহি সেই সোণালী ক্ষণৰ অপেক্ষা কৰিছোঁ, কাৰণ পূৰ্বৰ অভিজ্ঞতাৰ পৰা মই জানো যে অনুষ্ঠান শেষ হোৱাৰ লগে লগে প্ৰথম শাৰীবোৰৰ

কিছুমান বাছকবনীয়া ব্যক্তি শিল্পীগৰাকীক লগ পাবলৈ মঞ্চলৈ উঠি যাব। আজি মোৰো পাল পৰিব... অনুষ্ঠানত পৰিৱেশিত গীত মোৰ কাণত সোমোৱা নাই। কি ক'ম, কেনেকৈ ক'ম জুকিয়াবলৈ চেষ্টা কৰিছোঁ বাৰে বাৰে। বাঢ়ি অহা বুকুৰ শব্দবোৰে যেন মঞ্চত বাজি থকা তবলাৰ শব্দকো তল পেলালে...।

অনুষ্ঠান এসময়ত শেষ হ'ল। প্ৰথম শাৰীৰ চোফাত বহি থকা চুট-টাইৰে থুলন্তৰ শিখ ভদ্ৰলোকজন সেইয়া মঞ্চৰ পিনে খোজ দিছেই। মই এশ মিটাৰ দৌৰবীৰজনৰ সক্ষমতাৰে প্ৰায় দৌৰি গৈ মঞ্চত উঠিলোঁগৈ। জগজীৎ সিঙে হাতত গীতৰ ডায়েৰীখন লৈ মঞ্চৰ কাষৰ উইংছ পাইছিলহে মাত্ৰ, মই গৈ তাতেই নমস্কাৰ দি আৰম্ভ কৰি দিলোঁ। মোৰ টুটা ফুটা হিন্দীৰে ক'বলগা কথাবোৰ কৈ গ'লো— 'ছাৰ, মেৰা নাম শৰৎ হেই...ঔৰ মে আসাম সে হুঁ... মে আপকা ঔৰ গজল কা বড়া ভক্ত হু...মেই আচামীজ মে এক গজল কা এলবাম কৰনে কা কৌশিশ কৰ ৰহা হুঁ...অভি তক আচামীজ মে গজল নহী হেই...মে ইসলিয়ে আপকো ৰিকুৱেষ্ট কৰনে কে লিয়ে য়হা আয়া হুঁ।'

জগজীৎ সিঙে মঞ্চৰ পিছৰ গ্ৰীণৰুমলৈ লাহে লাহে আগবাঢ়িছিল। কাৰণ ইতিমধ্যে তেওঁৰ চিনাকি (বোধহয়) কোনোবা কোনোবাই তেওঁক অভিবাদন কৰিবলৈ আৰম্ভ কৰিছে। মোৰ তালৈ ভ্ৰূক্ষেপ নাই, মই তেওঁৰ কাষে কাষে ছাঁৰ দৰে হৈ আছোঁ...ঠিক গ্ৰীণৰুমত সোমোৱাৰ আগে আগে মই চুটিকৈ মোৰ অনুৰোধ আকৌ বেকত কৰিলোঁ— 'ছাৰ, মেৰে আচামীজ গজল কী এলবাম মে আপকো এক গজল গানা হেই।' জগজীৎ সিং খন্তেক ৰ'ল, মোৰ চকুলৈ পোনপটীয়াকৈ চালে আৰু সেই গলগলীয়া সোণালী মাতটোৰে মোক সুধিলে— 'অভী তুম ক্যা কৰতে হো?' মই সেপঢুকি উত্তৰ দিলোঁ— 'মেই এক ছিভিল ইঞ্জিনিয়াৰ হুঁ।' লগে লগে 'তো ৰহী কৰতে ৰহো'— বুলি কৈ ভিতৰলৈ সোমাই গ'ল।

উপসংহাৰ ঃ বিচাৰ-খোচাৰ কৰি জগজীৎ সিং থকা হোটেলৰ খবৰ উলিয়াই পিছদিনা দুপৰীয়া স্কুটাৰত গৈ হোটেল পালোঁ। ৰিচিপশ্যনৰ পৰা তেওঁৰ চ্যুটলৈ ফোন কৰিলোঁ, যোৱা নিশা লগ পোৱাৰ কথা কৈ দিয়াত তেওঁৰ মনত পৰিল আৰু বোম্বেৰ ঘৰৰ নম্বৰ দি কথা পাতিবলৈ ঘৰলৈ আহিবলৈ পৰামৰ্শ দিলে। অৱশেষত জগজীৎ সিঙৰ চিন্তা বাদ দিব লগা হ'ল কাৰণ তেওঁ দুবছৰৰ বাবে এটা কোম্পানীৰ লগত চুক্তিবদ্ধ আছিল। এলবামৰ কি হ'ল সেয়া পাছত কেতিয়াবালৈ ক'ম।

●●●

# এটা টেলিফোন টাৱাৰৰ কাহিনী

**পংকজ কুমাৰ নেওগ**

মোবাইল ফোন ভাৰতত বা অসমত প্ৰচলন হোৱাৰ আগৰ সময়খিনিৰ কথা সকলোৰে নিশ্চয় মনত আছে। সেইয়া আছিল প্ৰাধনতঃ ৯০ দশকৰ কথা; আমি সকলোৰে কাৰোৱাক ফোন কৰিবলৈ

বিশেষকৈ 'এচ্, টি, ডি' বা 'আই, এচ্, ডি' 'কল' কৰিবলৈ পি, চি, অ' বা 'পাবলিক কল অফিচ'বোৰৰ শৰণাপন্ন হ'ব লগা হৈছিলোঁ। সেই সময়ত ব্যৱসায়ী বা উচ্চপদস্থ চৰকাৰী বিষয়াসকলৰ ঘৰতহে সাধাৰণতে টেলিফোন দেখিবলৈ পোৱা গৈছিল। কোনোবা প্ৰতিবেশীৰ যদি টেলিফোন সংযোগ থাকে তেনেহ'লে সি আছিল এটা ডাঙৰ আশীৰ্বাদ; বাহিৰত থকা নিজৰ লোকক সেই প্ৰতিবেশীৰ নম্বৰেই দিয়া হৈছিল যাতে বিপদে-আপদে খবৰ কৰিব পাৰে আৰু দৰকাৰত আমি নিজেও প্ৰতিবেশীৰ ফোনেৰে বাহিৰলৈ ফোন কৰিছিলোঁ। যি নহওক, পি, চি, অ'বোৰ এটা সময়ত জনসাধাৰণৰ জীৱন যাত্ৰাৰ এটা অবিচ্ছেদ্য অঙ্গ হৈ পৰিছিল আৰু বেছ সুলভ মূল্যত ভাৰতৰ যি কোনো ঠাইলৈ দৰকাৰী ফোনবোৰ কৰিব পৰা সম্ভৱপৰ হৈছিল। কাঠফুলাৰ দৰে য'তে-ত'তে আৰু অলিয়ে-গলিয়ে গজি উঠা পি, চি, অ'বোৰৰ দৃশ্য এতিয়াও চকুৰ আগত ভাহি উঠে। সৰু-সুৰা পাণ-দোকানীবোৰেও পাণ-চিগাৰেটৰ সৈতে এই ব্যৱসায়টো চলাইছিল।

মই দুলিয়াজানলৈ পোন প্ৰথমে যাওঁতে আনকি আমাৰ বিয়াৰ পিছতো পি, চি, অ'বোৰ অহা নাছিল। জালনী ক্লাবৰ 'পি এণ্ড টি' ফোনটোৰপৰা ২০ কিঃমি দূৰৈৰ তিনিচুকীয়াৰ শ্ৰীমতীহঁতৰ ঘৰলৈ ফোন কৰিবলৈ 'ট্ৰাঙ্ক কল' 'বুক' কৰিব লাগে। কেতিয়াবা সংযোগ পাবলৈ ২০-৩০ মিনিট লাগে। কেতিয়াবা আকৌ বেছি দেৰি ৰ'বলগীয়া হ'লে বুকিঙেই বাতিল হৈ যায়। পি, চি, অ'বোৰ আৰম্ভ হোৱাৰ পিছতহে শান্তি পাইছিলোঁ। দুলিয়াজানত দুটা টেলিফোন এক্সচেঞ্জ - এটা সাধাৰণ পি এণ্ড টি' টেলিফোনৰ আৰু দ্বিতীয়টো 'অইল'ৰ আভ্যন্তৰীণ বা নিজা। দুলিয়াজানৰ 'অইল' আৱাসিক অঞ্চলত যোগাযোগৰ বাবে প্ৰত্যেকটো ঘৰতে টেলিফোন সংযোগ আছে, গতিকে অইলৰ বিষয়া-কৰ্মচাৰী সকলে সকলো কাম-কাজৰ বিষয়ে ঘৰৰ পৰাই খা-খবৰ ৰাখিব পাৰে। আনকি অতি সহজে 'অইল'ৰ বিভিন্ন ঠাই যোৰহাট, নাৰেঙ্গী, বাৰাউণী, ভুবনেশ্বৰ, যোধপুৰ, দিল্লী আদিত থকা অফিচ আৰু পাম্প ষ্টেশ্যনবোৰৰ সৈতেও যোগাযোগ কৰা সম্ভৱ। গুৱাহাটীৰ ঘৰৰ পৰা কিবা খবৰ দিবলগীয়া থাকিলে ককাইদেৰে ঘৰত থাকি ল'ৰা এজনক নাৰেঙ্গীলৈ পঠিয়াই 'অইল চিক্যুৰিটী গেট'ৰ পৰা আমাৰ দুলিয়াজানৰ ঘৰলৈ ফোন কৰিছিল।

'অইল'ৰ আভ্যন্তৰীণ 'এক্সচেঞ্জ' টো আছিল মুখ্য ঔদ্যোগিক ক্ষেত্ৰৰ ভিতৰত অৰ্থাৎ আমাৰ প্ৰায়বোৰ অফিচ আৰু কাৰখানা আদি যিটো চৌহদত অৱস্থিত সেই চৌহদৰ ভিতৰতে। উৎপাদন বা 'প্ৰডাকচন' বিভাগলৈ যোৱা বাটটোৰ আধাতে বাওঁফালে ঘূৰি পিছফালে পাক এটা মাৰিলেই এটা ডাঙৰ টাৱাৰৰ তলত আছিল এই 'এক্সচেঞ্জ'টো। অফিচত কাম কৰি থাকোঁতে কোনোবা এজনে এদিন আহি কলেহি যে সেই টাৱাৰটোৰ 'এক্সচেঞ্জ'ৰ পৰা বাহিৰলৈ সাধাৰণ ফোন কল কৰিব পাৰি; যিজন 'অপাৰেট'ৰ থাকে তেৱেঁই সকলো ব্যৱস্থা কৰি দিয়ে। অকল ভাৰতৰ ভিতৰতে নহয়, পৃথিৱীৰ যি কোনো ঠাইলৈকে 'টাৱাৰ'টোৰ পৰা ফোন কৰা সম্ভৱ। যিমান সময় ইচ্ছা ফোন কৰিব পাৰি, সময়ৰ একো বান্ধোন নাই মাত্ৰ কাম হৈ যোৱাৰ পিছত অপাৰেটৰজনক ২০-২৫ টকা মান দিলেই তেওঁ সন্তুষ্ট হয়। কেৱল টাৱাৰটোলৈ নিশাৰ সময়ত যোৱাটো বাঞ্ছনীয়। কথাটো শুনি জাঁপ মাৰি উঠিলোঁ। মই সেইখিনি সময়ত আমেৰিকাৰ

পৰা পঢ়ি আহি ‘অইল’ত যোগদান কৰিছিলোঁহে মাত্ৰ; আমেৰিকাত থাকি অহা ঘৰটোৰ ‘লেণ্ডলেডী’ গৰাকীৰ সৈতে আৰু বন্ধু দুজনমানৰ সৈতে কথা পাতিবলৈ বৰ মন গৈ আছিল। কিন্তু সুবিধা পোৱা নাছিলোঁ। কথাটো শুনি স্কুটাৰখন লৈ সেই নিশাই ‘এক্সচেঞ্জ’ টাৱাৰলৈ গ’লোঁ; অফিচৰ চৌহদৰ গেটত ‘চি, আই, চি এফ্ চিক্যুৰিটি’য়ে জেৰা কৰিছিল যদিও পৰিচয় পত্ৰ দেখুৱাই ভিতৰত সোমালোঁ। পৰিচয় পত্ৰ লগত থাকিলে আমি যি কোনো সময়তে অফিচ চৌহদত সোমোৱা ওলোৱা কৰিব পাৰিছিলোঁ। ‘টাৱাৰ’ত সেই নিশা থকা ‘অপাৰেটৰ’ জন আছিল গোঁহাই উপাধিধাৰী জনৈক ব্যক্তি। তেনেই সৰু ল’ৰা, ভাব হ’ল ‘আই, টি, আই’ বা তেনে ধৰণৰ কিবা পাছ কৰি আহি নতুনকৈ চকৰিত সোমাইছে। কথা-বতৰা পাতি গম পালোঁ যে গগৈ উপাধিৰ আন এজনেও তেওঁৰ সৈতে একেলগে কামত সোমাইছে আৰু দুয়োজনে ‘শ্বিফ্‌ট’ত কাম কৰে।

যি নহওক মই আমেৰিকালৈ ফোন কৰিব খুজিছোঁ বুলি জনোৱাত ফোন নম্বৰটো লৈ লগে লগে ‘এক্সচেঞ্জ’ ৰ যোগেদি সংযোগ কৰি দিলে। প্ৰথম নম্বৰটো আছিল মোৰ প্ৰাক্তন ‘লেণ্ডলেডী’ মিচেছ হলেণ্ডাৰৰ। বহুত দিনৰ মূৰত তেখেতৰ মাতটো শুনিবলৈ পাই বৰ ভাল লাগিল। আমি দুয়ো দুয়োজনৰ ভাল-বেয়া খবৰ লৈ বহুত সময় কথা পাতিলোঁ। তেওঁৰ সৈতে কথা পতাৰ পিছত বন্ধু দুজনৰ সৈতেও কথা পাতিলোঁ; মুঠতে প্ৰায় দেৰ ঘণ্টামান কথা পতা হ’ল। অৱশেষত আহিবৰ সময়ত গোঁহাইক সুধিলোঁ- “কোৱাচোন গোঁহাই, কিমান দিওঁ?” “কিবা এটা দি যাওক ছাৰ, মোৰ একো ডিমাণ্ড নাই।” ‘ৱালেট’টো উলিয়াই ৫০ টকীয়া নোট এখন দিয়াত বিনা আপত্তিৰে তেওঁ গ্ৰহণ কৰিলে। দেৰ ঘণ্টা জোৱা তিনিটা আন্তঃৰাষ্ট্ৰীয় টেলিফোন ‘কল’ ৫০ টকাতে হৈ গ’ল। সেইখিনি সময়ত দুলিয়াজানত পি,চি,অ’ থকাহেঁতেন আৰু মই পি,চি,অ’ ৰপৰা ‘আই, এচ্, ডি কৰাহেঁতেন সেই তিনিটা ‘কল’ৰ বাবে অতি কমেও এহেজাৰ টকামান ভৰিব লাগিলহেঁতেন! তাৰ পিছত মই টাৱাৰ’লৈ নিজে ফোন কৰিবলৈ যোৱা নাছিলোঁ যদিও মাজে মাজে দুই এজন বন্ধুক লৈ গৈছিলোঁ। কথা এটা মনত পৰিলে এতিয়াও বৰ আমোদ পাওঁ। এটা সময়ত আমাৰ ‘ডিপাৰ্টমেণ্টৰপৰা ইজনৰ পিছত সিজনকৈ কেইবাজনেও চাকৰি এৰি উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ ঢাপলি মেলিছিল। এই প্ৰাৰ্থীসকলে আমেৰিকাৰ ‘ইউনিভাৰ্চিটি’ লৈ প্ৰ-পত্ৰ, স্নাতক শ্ৰেণীৰ ফলাফলৰ প্ৰতিলিপি, পৰীক্ষাৰ বিভিন্ন বিষয়ত পোৱা নম্বৰ, মাচুল, পূৰ্বৰ কলেজ প্ৰফেচাৰৰ সুপাৰিশ পত্ৰ, ‘টএফল’(TOFEL) , ‘জি, আৰ. ই’ (GRE) ইত্যাদি ইংৰাজী ভাষাৰ যোগ্যতামাপক ফলাফল আদি প্ৰেৰণ কৰাৰ পিছত সকলোবোৰ বস্তু ঠিকে-ঠাকে গৈ পোৱা-নোপোৱাৰ খবৰ ‘ইউনিভাৰ্চিটি’ৰ অফিচ অৱ্ এডমিশ্যনচ্ এণ্ড ৰেকৰ্ডচ’ত ল’ব লাগিছিল। তদুপৰি ‘স্কলাৰশ্বিপ’ বা ‘এচিছটেণ্টশ্বিপ এভেইলেবিলিটি’, ‘ইউনিভাৰ্চিটি একোমডেশ্যন্’, ভিছা, ‘মেডিকেল ইঞ্চুৰেন্স’ ইত্যাদি বিভিন্ন বিষয়ৰ কথাবোৰো পতাৰ মাজে-সময়ে আৱশ্যক হৈছিল। দুলিয়াজানৰ দৰে ঠাই এখনৰ পৰা আমেৰিকালৈ চিঠি-পত্ৰ পঠিয়াই তাৰ উত্তৰৰ বাবে বাট চোৱা কামটো আছিল অতি সময়খৰচী। সেইবাবে আমেৰিকা গমনেচ্ছুক সহকৰ্মীসকলৰ বাবে কম সময়ৰ ভিতৰত আমেৰিকাৰ সৈতে যোগাযোগ কৰি ‘ইউনিভাৰ্চিটি’ৰ

খবৰ-বাতৰিবোৰ আনিবলৈ এটাই বাট আছিল- ‘গগৈ গোঁহাই এক্সেঞ্জ টাৱাৰ’! সকলোবোৰে সেই ‘টাৱাৰ’ৰ পৰাই সময়ে সময়ে অমেৰিকাৰ ‘ইউনিভাৰ্চিটি’লৈ ফোন কৰি ‘এডমিশ্যন অফাৰ’ আৰু ‘আই টুৱেণ্টি’ নহালৈকে নিজকে আপ টু ডেট কৰি ৰাখিছিল।

এজন এজনকৈ প্ৰায় পাঁচজনমান ইঞ্জিনিয়াৰ আমাৰ আৰু ‘প্ৰডাকচন ডিপাৰ্টমেণ্ট’ৰ পৰা চাকৰি ইস্তফা দি আমেৰিকালৈ পঢ়িবলৈ গুচি যোৱাৰ পাছত কথা এটা ধেমালিতে ওলাইছিল যে ‘অইল এক্সেঞ্জ’ৰ গগৈ গোঁহাইহঁতেহে তেখেতসকলক আমেৰিকালৈ পঠিয়ালে! আমি কেইজনমানে ‘গগৈ-গোঁহাই টাৱাৰ’ক নাম দিছিলোঁ ইণ্টাৰনেশ্যনেল্ ষ্টুডেণ্টচ্ ইউ, এচ্ এডমিশ্যন্ হেল্প ডেস্ক্’! মোৰ ফিজিঅ’থেৰাপিষ্ট বন্ধু এজন আহি এদিন আমাৰ ঘৰ ওলালহি; তেওঁক ‘এক্সেঞ্জ টাৱাৰ’লৈ নি আমেৰিকাৰ এঠাইত কথা পতাব লাগে। মই বন্ধুক কাৰণটো সোধাত ‘বোম্বে টাইমচ্ অৱ ইণ্ডিয়া’ত ওলোৱা বিজ্ঞাপন এখন দেখুৱালে 'Indian Pysiotherapists Urgently Needed in the USA’। আমেৰিকাৰ কোনোৱা এখন ঠাইৰপৰা বিজ্ঞাপনটো দিছে আৰু ফোন নম্বৰো দুটামান দিয়া আছে। সাধাৰণতে এনেকৈ দিয়া বিজ্ঞাপনবোৰ সঁচা নে মিছা অলপ সন্দেহ হয়, বহুত ক্ষেত্ৰত মানুহৰ টকা লুটিবলৈ প্ৰতাৰকবোৰে বিজ্ঞাপন দিয়ে। তথাপি বন্ধুক লগত লৈ ‘গগৈ-গোঁহাই ‘টাৱাৰ’লৈ গ’লোঁ আৰু তেওঁৰ হকে ময়েই খবৰ কাগজত দিয়া টেলিফোন নম্বৰটো লগালোঁ। সিফালৰপৰা মানুহ এজনে ফোনটো উঠালে। কথাৰ উচ্চাৰণ ভঙ্গীৰপৰা ভাৰতীয় মানুহৰ যেনেই ভাব হ’ল। কথাবোৰৰ পৰা গম পালোঁ যে আমেৰিকাৰ কিছুমান ঠাইৰ হস্পিতালত ‘ফিজিঅ’থেৰাপিষ্ট’ৰ অতি আৱশ্যক হৈছে। ভাৰতৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান সংস্থান’ বা এইমচ্’ৰ (AIIMS) পৰা ‘ফিজিঅ’থেৰাপি’ৰ ডিগ্ৰী’ থকা আৰু অতি কমেও পাঁচ বছৰৰ অভিজ্ঞতা থকা ‘ফিজিঅ’থেৰাপিষ্ট’ক হস্পিতালবোৰে তুৰন্তে স্পন্সৰ কৰি আমেৰিকালৈ নিব আৰু দুই তিনি বছৰৰ মূৰত ‘গ্ৰীন-কাৰ্ড’ৰো ব্যৱস্থা কৰি দিব। সঁচাকৈয়ে এটা লোভনীয় প্ৰস্তাৱ! বন্ধু গৰাকীৰ মাদ্ৰাজৰ ‘ইন্সটিটিউট্’ এটাৰ ‘ডিগ্ৰী’ থকা বুলি জনোৱাত তেওঁৰ প্ৰ-পত্ৰ বিবেচিত নহ’ব বুলি এজেণ্টগৰাকীয়ে পোনপটীয়াকৈ জনালে। অৱশেষত আমি দুয়ো ঘৰলৈ উভতিলোঁ। বাহিৰৰ এজেন্সী বোৰৰ চক্ৰবেহুত নোসোমোৱাই শ্ৰেয়ঃ বুলি বন্ধুক সান্ত্বনা দিয়া হ’ল। সেই বিজ্ঞাপনটো সঁচা নে ঠগবাজি আছিল ঠাৱৰ কৰা সম্ভৱ নহ’ল। যদি পৰৱৰ্তী স্তৰত এজেন্সীটোৱে টকা-পইচা বিচাৰিলেহেঁতেন তেনেহ’লে গোটেই ঘটনাটো ভুৱা বুলি গম পালোঁহেঁতেন। বন্ধুজন অৱশ্যে পৰৱৰ্তী স্তৰত প্ৰৱেশ কৰিবলগীয়াই নহ’ল।

এবছৰমানৰ ভিতৰতে ‘অইল টেলিফোন ‘এক্সেঞ্জ’ৰ ‘অপাৰেটৰ’ দ্বয়ৰ সুন্দৰ চিকচিকীয়া চেহেৰা হ’ল। পোনতে দুয়ো চাকৰিত সোমাওঁতে চেহেৰাকেইটা টেটেৰা আছিল কিন্তু সেই এবছৰতে গাত মঙ্গহ লাগিল। পিন্ধা কাপোৰ-কানিবোৰ নতুন কাঢ়া ইস্ত্ৰি কৰা পৰিষ্কাৰ-পৰিচ্ছন্ন হ’ল, পিন্ধা জোতা নতুন আৰু ‘পলিশ্’ কৰা চকমকীয়া হৈ পৰিল। বোধকৰোঁ দুয়ো চুলিৰ ষ্টাইলো কিছু সলনি কৰিছিল। তেওঁলোকৰ জীৱন যাত্ৰাত উন্নতি আৰু স্বাচ্ছন্দ্যৰ লক্ষণ দেখি সঁচাকৈয়ে সুখী হৈছিলোঁ। বোধকৰোঁ ‘টাৱাৰ’ৰ পৰা ফোন কৰিবলৈ যোৱা আৰু গগৈ-গোহাঁইক ‘টিপচ্’ দি যোৱা মানুহৰ সংখ্যাও বাঢ়িছিল। পিছলৈ গম

পাইছিলোঁ এনে টেঙৰালি কৰাবোৰৰ মাজত অকল আমিয়েই নহয় ওপৰৰ কেইজনমানো জড়িত হৈ আছিল। 'অপাৰেটৰ'ক ফোন কৰি 'অইল টেলিফোন লাইন'ত বাহিৰৰ ব্যক্তিগত সংযোজন দি তেওঁলোকে ঘণ্টাৰ পিছত ঘণ্টা কথা পাতি ৰৈছিল।

দুলিয়াজান এৰাৰ দুবছৰমানৰ আগেয়ে শেষবাৰৰ বাবে 'অইল' মাৰ্কেট'ত গগৈ-গোঁহাই দ্বয়ৰ সৈতে মোৰ দেখা হৈছিল। দুয়োকে কিছু শুকান আৰু মন মৰা যেন লাগিছিল। তেওঁলোকেই প্ৰথমে মোক দেখা পাই মাত লগালে-"ছাৰ, ভালনে?" মইয়ো হাঁহি এটা মাৰি মাত লগালোঁ-"অ' ভাল; পিছে তোমালোকৰ কি খবৰ। বহুত দিন দেখা নাই।" ততালিকে উত্তৰ নিদি কিছু পৰ দুয়ো সেমেনা-সেমেনিকৈ ৰ'ল। অৱশেষত গোঁহাইয়ে মাত লগালে-"ছাৰ, আমাৰ অৱস্থা এতিয়া আগৰ দৰে নহয়।" মই কিছু আচৰিত হৈ সুধিলোঁ-"কিয়, কিনো হ'ল?" ছাৰ আপুনি জানেই আমি টাৱাৰত থাকোঁতে বাহিৰা পইচা দুই-এটা পাইছিলোঁ, সেই পইচাকেইটাই আমাক বহুত সহায় কৰিছিল। নহ'লেনো দৰমহাৰ টকা পাওঁ কেইটা? এতিয়া আমাৰ বাহিৰা পইচা একেবাৰে নোহোৱা হ'ল।" মই সুধিলোঁ-"তোমালোকে আজিকালি 'এক্সেঞ্জ টাৱাৰ'ত কাম নকৰা যদি ক'লৈ গ'লা।" এইবাৰ গগৈয়ে অলপ কন্দুৱামুৱা হৈ উত্তৰ দিলে- "ছাৰ, আমি এতিয়া বিহুৰ বাবেহে দুদিন মানৰ ছুটী লৈ ঘৰলৈ আহিছোঁ। প্ৰায় ছমাহ মানেই হ'ল, আমাক দুলিয়াজানৰ টাৱাৰৰ পৰা চাৰিগাঁৱৰ পাম্প ষ্টেশ্যনলৈ বদলি কৰালে!" কথাবোৰ লগে লগে বুজি পালোঁ; 'অইল এক্সেঞ্জ টাৱাৰ'ত ঘটি থকা ঘটনাবোৰ বেছিকৈ উন্মুক্ত হৈ পৰাত কৰ্তৃপক্ষৰ কেনেবাকৈ চকুত পৰিল আৰু সেই কথাবোৰেই জুইৰ দৰে ৰাজহুৱা হৈ বিয়পি পৰাৰ আগতে গগৈ-গোঁহাইদ্বয়ক অপসাৰিত কৰিব লগা হ'ল।

●●●

# এটি অভিশপ্ত সন্ধিয়া

**ছাহ আলম**

জীৱনৰ এটি অধ্যায়ৰ দুখ লগা পৃষ্ঠা।

২০১২ চনৰ ৮ ডিচেম্বৰ। মই ধুবুৰীত চৰকাৰী বাসভৱনত আছোঁ। ৰাতি ১২ বজাত ঘন-ঘনকৈ মোবাইল ফোন বাজিছে। টোপনিৰ জালত চকু মেলিবই পৰা নাই। মোবাইল ফোন হাতত ল'লোঁ। এক অবিশ্বাস্য আৰু মৰ্ম্মান্তিক বাৰ্তা। বিছনাত ঢলি পৰিলোঁ; মোৰ হাত-ভৰি নিথৰ হৈ গ'ল। ঘৰৰ ১৫ জন সদস্য বাছ দুৰ্ঘটনাত পতিত হৈছে। আগিয়া পাওঁ পাওঁ অৱস্থাত ট্ৰাক এখনে মহতিয়ালে ঘৰৰ সদস্য ভৰ্ত্তি মিনিবাছখন।

মোৰ সৰু ভাইটিৰ জ্যেষ্ঠ পুত্ৰই বকোৰ ছোৱালী এজনীক আঙঠি পিন্ধোৱাৰ অনুষ্ঠান শেষ কৰি লক্ষীপুৰলৈ অহাৰ পথত।

মোৰ ৩ নং ভাইটি আৰু তাৰ পত্নী বেয়াকৈ আঘাতপ্ৰাপ্ত হৈ মুমূৰ্ষু অৱস্থা; আৰু ভাইটিৰ আঠবছৰীয়া

ল'ৰাজন আৰু মোৰ ভাগিন এজনৰ থিতাতে মৃত্যু হ'ল। মোৰ ৩ নং ভাইটিৰ তিনি বছৰীয়া ছোৱালীজনী দৈৱক্ৰমে মাকৰ কোলাৰ পৰা গাড়ীৰ চিটৰ তলত পৰি বাচি গ'ল। একো আঘাতপ্ৰাপ্ত নহৈ মোৰ আব্বা আৰু বৰ আব্বা বাচি গ'ল আৰু বৰ আম্মাই মূৰত বেয়াকৈ আঘাতপ্ৰাপ্ত হৈ ক'মাত গ'ল।

মোৰ ১ নং ভাইটি আৰু তাৰ পত্নী আৰু ভতিজী জোঁৱাই জনৰ হাত ভৰি বেয়াকৈ আঘাতপ্ৰাপ্ত হ'ল; ৪ নং আৰু ৫ নং সৰু ভাইটি ভাগিন, এজন আৰু ভাগিনী এজনী সামান্য আঘাতপ্ৰাপ্ত হ'ল।

মই ধুবুৰীৰ পৰাই নিৰ্দেশনা দিলোঁ আৰু সকলোকে গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ পৰা গুৱাহাটী মেডিকেল কলেজ হস্পিতাললৈ ৰাতিয়েই লৈ যোৱা হ'ল।

গুৱাহাটীত থকা মোৰ পত্নী, ল'ৰা আৰু খুলশালীয়ে সকলোকে প্ৰাৰম্ভিক চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰিলে। মই ধুবুৰীৰপৰা ৰাতিয়েই গুৱাহাটীলৈ যোৱাৰ বহুত চেষ্টা কৰিলোঁ। বিভাগীয় ড্ৰাইভাৰজনৰ লগত যোগাযোগ নহ'ল আৰু ভাড়া গাড়ীও বিচাৰি নাপালোঁ।

ডিচেম্বৰ মাহৰ প্ৰচণ্ড ঠাণ্ডা আৰু কুঁৱলীৰ বাবে পুৱা ৫ বজাত বিভাগীয় গাড়ীখন লৈ যোৱাটো থিৰাং কৰিলোঁ।

আৰু মই পুৱা ৫ বজাত ৰাওনা হৈ ১০ বজাত গুৱাহাটী মেডিকেল কলেজ হস্পিতাল পোৱাৰ আগ মুহূৰ্তত মোৰ ৩ নং ভাইটি আৰু তেওঁৰ পত্নীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। এম্বুলেন্সেৰে মৃত ভাইটি আৰু ভাইবোৱাৰীক গাঁৱৰ ঘৰ লক্ষীপুৰলৈ অনা হ'ল; আৰু সন্ধিয়া চাৰিওজনৰে জানাজা সমাধা কৰা হ'ল।

পিছদিনা মই গাঁৱৰ ঘৰৰপৰা গুৱাহাটীলৈ আহিলোঁ। পৰ্যাপ্ত চিকিৎসাৰ অভাৱ দেখি গুৱাহাটী মেডিকেল কলেজ হস্পিতালৰ পৰা ৰিলিজ লৈ মোৰ ১ নং ভাইটি, তেওঁৰ পত্নী, ভতিজী জোঁৱাই এজন আৰু বৰ-আম্মাক নেমকেয়াৰ হস্পিতালত ভৰ্ত্তি কৰোৱা হ'ল। কম আঘাত পোৱা সকলক চিকিৎসা কৰোৱাই ঘৰলৈ পঠিয়াই দিয়া হ'ল।

নেমকেয়াৰ হস্পিতালত চিকিৎসাধীন হৈ থকা অৱস্থাত ১০ দিন পিছত বৰ-আব্বাও ইন্তেকাল হ'ল।

মোৰ জীৱনৰ সৰতকৈ দুখময় সময়। আজিও বহুত মনোকষ্ট দিয়ে তাৰ স্মৃতিয়ে।

●●●

# মোৰ জীৱনৰ ভাইটি বিভ্ৰাট

**ফাইজুৰ ৰহমান**

১৯৭৫ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি কটন কলেজত নামভৰ্তি কৰাৰ লগে লগে কলেজীয়া ছাত্ৰ হ'লোঁ। নিজকে নিজে গৌৰৱ অনুভৱ কৰিলোঁ। ভাব হ'ল মই যেন এতিয়া ডাঙৰ হ'লোঁ। গাঁৱত মোক 'ভাইটি' বুলি সম্বোধন কৰা বিলাকক ক'ব লাগিব যে মই এতিয়া ডাঙৰ হ'লোঁ,

ভাইটি হৈ থকা নাই।

তিনিদিন আগতে কটন কলেজত নামভৰ্তি কৰি ঘৰলৈ আহিলোঁ। কটন মুছমিল হোষ্টেলত থাকি পঢ়িম। আজি তালৈ যাবলৈ ওলাইছোঁ। যাৱতীয় বস্তু-বাহানি, বেডিং-পত্ৰ, কাপোৰ-কানি আদি বিধে বিধে এটা টিঙৰ ট্ৰাঙ্কত আৰু হ'লদ'ল এটাত ভালকৈ সুমুৱাই ঠিক কৰি ল'লোঁ। ডাঙৰ দাদাই কটন মুছলিম হোষ্টেলত মোক থৈ আহিবলৈ যাব। মনটো এক বুজাব নোৱৰা আনন্দেৰে ভৰি আছে, কিয়নো অসমৰ এখন ডাঙৰ চহৰত থাকি কটনৰ নিচিনা এখন বিখ্যাত কলেজত পঢ়িবলৈ পাম। আনফালে আকৌ মোৰ মা, বাবা, বাই-ভনী, ককাই-ভাই থকা আমাৰ ঘৰখন আৰু আপোন মানুহ থকা আমাৰ চুবুৰীটো, আমাৰ গাওঁখন এৰি যাবগৈ লাগিব সুদূৰ গুৱাহাটী চহৰলৈ। মনটো কিবা শোকে খুন্দা মাৰি ধৰে। খোৱা-লোৱা, পঢ়া-শুনা, খেলা-ধূলা আদি একেলগে কৰা মোৰ কাণ সমনীয়া ভাইটিকো এৰি যাব লাগিব। বিদায় মুহূৰ্তত সকলোকে মাত লগাওঁতে মোৰ চকুহাল সেমেকি উঠিল। মাই বুজালে— "দুখ নকৰিবি। হোষ্টেলত খোৱা-লোৱাৰ যত্ন লবি। আমাৰ গাঁৱৰ ৰহমান বোলাজনে গুৱাহাটীৰ ডাকঘৰত চাকৰি কৰে, তোৰ খবৰ লৈ থাকিব, চিন্তা নকৰিবি।" বাবাই ক'লে— "ভালকৈ পঢ়া-শুনা কৰিবি, ডাঙৰ মানুহ হ'ব লাগিব আৰু গাঁৱৰ মান ৰাখিব লাগিব।" দুয়োজনকে সেৱা কৰি বিদায় ল'লোঁ। যোৱাৰ সময়ত চোতালখন ওচৰ-চুবুৰীয়াৰে ভৰি পৰিল। বহুতেই 'ভাইটি' যা গৈ বুলি মাত লগালে। ক'বলৈ মন গৈছিল মই এতিয়া ভাইটি হৈ থকা নাই, ডাঙৰ হ'লোঁ, কলেজত পঢ়িম।

মোৰ ট্ৰাঙ্ক আৰু বেডিং চাইকেল এখনত বোজাই দি গাঁৱৰ চাৰিআলিলৈ দাদাই ঠেলি ঠেলি লৈ গৈ আছে আৰু পিছে পিছে মই। বাটতে লগ পোৱা গাঁৱৰে এজনে দাদাক ক'লে— 'ভাইটিটোক ক'লৈ লৈ যাৱ?" মই মনে মনে গপত গঙ্গাটোপ হৈ মনতে ভাবিলোঁ, মই এতিয়া আৰু 'ভাইটি' হৈ থকা নাই, স্কুল শেষ কৰি কলেজ পালোঁ। তাকো কটন কলেজ!

গাঁৱৰ চাৰিআলিত গুৱাহাটীলৈ যোৱা বাছৰ বাবে বাট চালোঁ। ৰঙিয়া-ভূটানৰ পৰা গুৱাহাটীলৈ যাব লগা বাছবোৰ আমাৰ গাঁৱৰ চাৰিআলিহৈ যায়। ইতিমধ্যে পাৰ হৈ যোৱা এই গাঁৱৰ ল'ৰালি আৰু শৈশৱকালৰ স্মৃতিবোৰ বাছৰ বাবে ৰৈ থাকোঁতে মনত পৰিল।

এটা সময়ত মুখ দীঘল বাছ এখন আহি চাৰিআলিত ৰ'লহি। মোৰ ট্ৰাঙ্ক আৰু বেডিং আদি গাড়ীত উঠাই দিয়া হ'ল। আমি বাছত উঠিলোঁ। হেণ্ডিমেনজনে বাছৰ আগফালে গৈ দন্ত্য দ আকৃতিৰ লোৰ হেণ্ডেল এডালেৰে বাছখন start দিলে। লগে লগে বাছখনে হো হো শব্দ কৰিলে আৰু যাবলৈ আৰম্ভ কৰিলে। অলপ দূৰ যোৱাৰ পিছত বাছৰ ভিতৰত কণ্ডাক্টৰে ভাৰা খুজিবলৈ মোৰ ওচৰ পালেহি আৰু ক'লে— 'ভাইটি, তোমাৰ বাছ ভাৰাটো কোনে দিব?" "কিহৰ ভাইটি হে মই ডাঙৰ হৈছোঁ, এতিয়াৰ পৰা কলেজত পঢ়িম" বুলি ক'বলৈ মন গৈছিল। নক'লোঁ। মনৰ ভিতৰতে কথাটো ৰাখিলোঁ। বুকু ফিন্দাই থকা মোৰ মনটো হঠাৎ সৰু হৈ গ'ল আৰু দাদালৈ আঙুলি দি দেখুৱাই দিলোঁ।

বাছৰ ভিতৰত এটা সময়ত মানুহৰ বহুত ভিৰ। পৰিৱেশটো মোৰ বাবে অস্বস্তিকৰ। মাজে মাজে মানুহ উঠা-নমা কৰি আছে। অন্তৰত খেলি-মেলি ভাব। বহুদিনৰ বাবে ঘৰৰ বাহিৰ হ'লোঁ। হোষ্টেলৰ জীৱন। কেনেকৈ কটাম, কেনেকৈ পঢ়িম, ইত্যাদি ইত্যাদি। এনেতে এজনে ক'লে— "ভাইটি অলপ চাবাচোন, মই নামি যাম"। আকৌ ভাইটি!

গুৱাহাটীৰ মাছখোৱা পালোঁ। ৰিক্সা এখনত মোৰ ট্ৰাঙ্ক আৰু বেডিং তুলি লৈ কটন মুছলিম হোষ্টেল অভিমুখে ৰাওনা হ'লোঁ। অৱশেষত মোৰ সপোনৰ কটন কলেজ পাৰ হৈ CM Hostelত উপস্থিত হ'লোঁহি। মনটো এক বুজাব নোৱৰা আনন্দেৰে ভৰি পৰিল।

আগতে ঠিক কৰি থোৱা ৰুম এটাত সোমালোঁ আৰু বস্তু-বাহানি, বিছনা-পত্ৰ ঠিক ঠাক কৰি থৈ দাদা ঘৰলৈ উভতি গ'লগৈ।

মোৰ কটন কলেজত হোষ্টেল লাইফ আৰম্ভ হ'ল। চা-চিনাকিৰ চলেৰে ৰেগিংও চলিল। কিন্তু পৰিতাপৰ কথা চিনিয়ৰৰতো কথাই নাই, একে ক্লাছত পঢ়া বন্ধু সকলেও দেখোন মোক 'ভাইটি' সম্বোধনেৰে মাতিবলৈ ল'লে। মনত মোৰ বিৰক্তি ভাব। উপায় নাই।

কলেজত ক্লাছ চলিল। চিৰিয়াচ হ'লোঁ। এয়া কি শুনিলোঁ, ক্লাছ ৰুমতো দেখোন লগৰ দুই-এজনে আওপকীয়াকৈ 'ভাইটি' বুলিব ল'লে। আকৌ দেখিছোঁ মই উপায় বিহীন।

তৃতীয় দিনা হোষ্টেলৰ দাইনিং হলত ভাত খাই ওলাই আহোঁতে ৰান্ধনি এজনে আগবাঢ়ি আহি মোক ক'লে "ভাইটি তুমি কাৰ গেষ্ট, অৰ্থাৎ তোমাৰ কোনোবা ককাইটি বা খুৰা ইয়াত পঢ়ি আছে নেকি?" মোৰ উত্তৰ, "মই নিজেহে পঢ়ি আছোঁ।" ৰান্ধনি অবাক। মোৰ উপায় নাই।

ভাইটি চাইটি যি হয় হ'ব মনৰ পৰাই আক্ষেপবোৰ মোহাৰি পেলাই পঢ়াত মনোনিৱেশ কৰিলোঁ।

এবাৰ ডনবস্ক স্কুলৰ ড্ৰেছত আমাৰ হোষ্টেল চৌহদৰ মাজেৰে student দুজনমান সোমাই আহোঁতে মোৰ মুখামুখি হ'লত মোক সুধিলে— 'ভাইটি, এইফালেদি ওলাই যাব পাৰিম নে?' অন্তৰ দহি দহি জই পৰিলে। আৰে ভাই, জুনিয়ৰেও মোক ভাইটি সম্বোধন কৰে! সহ্য নহ'ল, উপায় নাই।

দিন কাল বাগৰিল। কটন কলেজ পাছ কৰি, ইঞ্জিনিয়াৰিং কলেজ পালোঁ। একেই অৱস্থা, ভাইটি সম্বোধনে নেৰা হ'ল। কলেজৰ ক্লাছত, কলেজ চৌহদত, হোষ্টেলত কোনো নহয় কোনোৱে এবাৰ হ'লেও ভাইটি নামৰে মাতে, আনকি কলেজ বাছৰ কণ্ডাক্টৰেও বাছৰ ভিতৰত ভাইটি বুলিবলৈ এৰা নাই।

এটা সময়ত ইঞ্জিনিয়াৰ হৈ ওলাই আহি চাকৰিত যোগদান কৰিলোঁ। চাকৰি জীৱন আৰম্ভ হ'ল।

১৯৮৪ চন। অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ সহকাৰী অভিযন্তা হিচাবে জাগীৰোডত কৰ্মৰত অৱস্থাত এবাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত হোৱা বানপানীৰ বুজ ল'বলৈ গুৱাহাটীৰ পৰা মুখ্য অভিযন্তাৰ হঠাৎ পদাৰ্পণ। মোক চিনি নাপায় কিন্তু মই চিনি পালোঁ। সিদিনা তেখেতে মোক আন কোনোবা বুলি ভাইটিটোক আঁতৰাই দিয়াচোন বুলি কলত মই চিনাকি দিলোঁ, 'ছাৰ মই সহকাৰী অভিযন্তা'। মোৰ চিনাকি

পোৱাৰ পিছত তেখেত অবাক।

১৯৯৮ চন। ডবকা গড়কাপ্তানী বিভাগৰ মই সহকাৰী কাৰ্য্যবাহী অভিযন্তা। অফিচৰ একে চৌহদতে মোৰ চৰকাৰী আবাস। মই মোৰ সহধৰ্মিণী ৰেজিয়া আৰু দুজনী ছোৱালীক লৈ সপৰিয়ালে আবাসত থাকোঁ। ডাঙৰ ছোৱালী জুমন ৬ বছৰীয়া আৰু মাজুজনী চুমন ৪ বছৰীয়া।


এদিনাখন আবেলিৰ কথা। অফিচ ছুটীৰ পিছত মই আবাসৰ সন্মুখত ছোৱালী দুজনীৰ লগত badminton খেলি আছিলোঁ। এনেতে আবাসৰ জপনা খুলি আদহীয়া মানুহ এজনে সোমাই আহি মোক মাত লগালে— 'ভাইটি, এইফালে আহাচোন, ছাৰ ঘৰত আছেনে? মই লগ পাব লাগে, মাতাচোন' ইত্যাদি একেলেথাৰিকৈ প্ৰশ্ন। মানুহজনৰ কান্ধত এখন কাপোৰৰ মোনা ওলমি আছে। দাড়ি চুলি দীঘল। অফিচলৈ গৈ হয়তো মোক বিচাৰিছিল। কোনোবাই মোৰ আবাসটো দেখুৱাই দিছে। মোক ভাইটি বুলিলত ছোৱালী দুজনীয়ে মোৰ ফালে চাই হাঁহি দিলে। মোৰ উপায় নাই। মানুহজনক ক'লোঁ ময়েই ছাৰ। মানুহজন অবাক।

১৯৭৫ চনত হাইস্কুলৰ দেওনা পাৰ হোৱাৰ পিছত আজিলৈ জীৱনৰ ৪৫ টা বসন্ত পাৰ হওঁতে এনেকৈ 'ভাইটি' বোলা সম্বোধনটোৱে মোক কিছু বিভ্ৰাট আৰু কিছু আমোদৰ সৃষ্টি কৰি আহিছে।

শেহতীয়াকৈ সৌ সিদিনা আমাৰেই ৭৫-৭৭, কটনিয়ান সহপাঠী কেইজনীমানে মোক আওপকীয়াকৈ ভাইটি বুলিয়েই ক'লে। বিছনাত পৰি ভাবি ভাবি মূৰটো ঘুৰুৱা যেন লাগিল। চিল মিল টোপনি। মই ক'লো— "ফাট মেলা বসুমতী পাতালে লুকাওঁ।" পাতালৰ পৰাও যেন বসুমতীয়ে ৰিঙিয়াই মাতিলে— "ভাইটি আহা।" হঠাৎ টোপনিৰ পৰা সাৰ পাই বিছনাৰ পৰা উচপ খাই উঠিলোঁ। মই অবাক।

মোৰ জীৱনত এনেকৈ 'ভাইটি বিভ্ৰাট' চলি থাকিল।

●●●



এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# এটি নিশাৰ কথা

কস্তুৰী নিভা গগৈ

১৯৯৯ চনত মীন বিভাগ, দৰঙৰ পৰা গুৱাহাটীৰ মীন সঞ্চালকালয়লৈ বদলি হোৱাত মই নাবালিকা কণমানি দুজনীক লৈ পূব শৰণীয়াত এটি ভাৰাঘৰ ল'লোঁ আৰু দুয়োজনীকে ওচৰৰ Blue Pine School তে নাম লগাই দিলোঁ যাতে অকলেই স্কুললৈ অহা-যোৱা কৰিব পাৰে। গিৰিহঁতৰ চাকৰি মঙ্গলদৈতে বাবে মঙ্গলদৈৰ আগৰ ঘৰটোতে থাকিল।

পূব শৰণীয়াত আমি লোৱা ভাৰাঘৰটোৰ ওপৰ মহলাত ঘৰৰ গৰাকী পা-পৰিয়ালসহ থাকে। তলৰ মহলাৰ এটা পাৰ্টত মই ছোৱালী দুজনী লৈ থাকোঁ আৰু আনটো পাৰ্টত নলবাৰীৰ যুৱক এজন। তেওঁৰ ওচৰলৈ তেওঁৰে আত্মীয়-স্বজন, বন্ধু-বান্ধৱ যথেষ্ট আহি থাকে। ব্যৱসায়ৰ কামত যুৱকজন প্ৰায়ে ঘূৰি ফুৰে বুলি জানিব পাৰিছিলোঁ যদিও নিশা এপৰলৈকে তেওঁলোকৰ ঘৰত অতিথি থাকে খোৱা-বোৱা, গীতে-মাতে মুখৰ হৈ থাকে। ময়ো একো আমনি নাপাওঁ। এদিন যুৱকজনে মোৰ ওচৰলৈ আহি সুধিছিল তেওঁলোকৰ পৰা মোৰ কিবা সমস্যা হৈছে নেকি! মই একে আষাৰে না কৰিছিলোঁ আৰু মই কৈছিলোঁ তেওঁলোকৰ ঘৰত অতিথি অনবৰতে থকা বাবে মই কণমানি দুজনীক লৈ নিৰাপত্তাহে অনুভৱ কৰোঁ। তেওঁ মোক কিয় সুধিলে বুলি প্ৰশ্ন কৰাত ঘৰৰ গৰাকীয়ে জনোৱা বুলি ক'লে। মই তেওঁক কৈছিলোঁ ভুল নুবুজিবলৈ কাৰণ মই গৰাকীক একোয়েই কোৱা নাই। বয়োবৃদ্ধ ঘৰৰ গৰাকীজনলৈ মোৰ বৰ খং উঠিছিল তেওঁলোকে হয়তো বেয়া পাব পাৰে কিন্তু কিয় মোক মিছায়ে সাঙুৰিছে বুলি।

দ্বিতীয় শনিবাৰ চতুৰ্থ শনিবাৰ থাকিলে গিৰিহঁত শুক্ৰবাৰেই অফিচৰ কাম শেষ কৰি গুৱাহাটীলৈ আহে আৰু সোমবাৰে ৰাতিপুৱাই মঙ্গলদৈলৈ ৰাওনা হয়।

সেইদিনা মাহৰ দ্বিতীয় শনিবাৰ আছিল বাবে গিৰিহঁত আগদিনাই আহিছিল। নিশা ভাত-পানী খাই বৰ গৰম পৰা বাবে তেওঁ এটা কোঠালিৰ খিৰিকী কাষৰ বিছনাখনত শুইছিল আৰু মই কণমানি কেইজনীৰ সৈতে মূল শয়নকোঠাত শুইছিলোঁ। গভীৰ টোপনি আহিছিল কিন্তু নিশা ১.৩০ মান বজাত বাহিৰত গিৰিপ গাৰাপ শব্দ শুনি মই সাৰ পাই মনে মনে উঠি কাণসাৰ দিলোঁ। পৰ্দাৰ বাহিৰত ছায়া মূৰ্তি কিছুমান দৃষ্টিগোচৰ হ'ল আৰু বৰ ভয় খালোঁ। সিটো কোঠালিত গিৰিহঁতৰ নাক ঘোৰঘোৰাই টোপনি আৰু সেইটো কোঠালিৰ খিৰিকী খুলি থোৱা বাবে মোৰ যাবলৈও বৰ ভয় হ'ল। বাহিৰত ডকাইতে ঘেৰি ধৰা বুলি বৰ ভয় খাইছোঁ আৰু মোৰ যিকেইপদ সোণৰ আ-অলংকাৰ আছে দিবলৈ সাজু হ'লোঁ। টকা-পইচা হাতত বিশেষ নাছিল আৰু এওঁৰ হাতত কি আছে নাজানো যদিও থকাখিনি দি দিবলৈ কম মানুহ

কেইটা আঘাত কৰা তথা প্ৰাণে নামাৰিলেই হ'ল। এনেতে ভয়লগাকৈ কলিং বেল বাজি উঠিল। ঘৰৰ গৰাকীয়ে গিৰিহঁতক উপাধি ধৰি মেধি মেধিকৈ মাতিলে। এওঁ তেতিয়া খকমককৈ সাৰ পালে আৰু মূল দুৱাৰৰ ফালে আগবাঢ়িল মহয়া পিছে পিছে আহি চ'ৰাঘৰৰ লাইট জ্বলাই দিলোঁ। দুৱাৰ খোলাৰ লগে লগে ৬/৭ জন আৰ্মীয়ে গৰাকীক লৈ ভিতৰলৈ সোমাই আহিল আৰু ভিতৰলৈ সোমাই আটাইবোৰ কোঠা তহল দিলে। মহয়া শোৱনি কোঠালৈ গৈ লাইট জ্বলাই দিলোঁ। কোঠালিবোৰ মদৰ গোন্ধেৰে ভৰি পৰিল। কণমানি দুজনীয়ে গৰমতে চেমিজ কেইটা পেটৰ ওপৰলৈ উঠাই আৰামত গভীৰ টোপনিত লালকাল। আৰ্মী কেইজনে তন্ন তন্নকৈ আটাইবোৰ কোঠালি লেট্ৰিন-বাথৰূমৰে সৈতে চাই ওলাই আহিল আৰু গৰাকীৰে সৈতে গিৰিহঁতক থানালৈ লৈ গ'ল। গৰমত অকল হাফপেণ্ট পিন্ধি শোৱা গিৰিহঁতক মই গেঞ্জীটো আনি দিলোঁ। মই দুৱাৰ মাৰি ভিতৰলৈ সোমাই ভয়ে ভয়ে খোলা খিৰিকীখন পোনেই বন্ধ কৰি চ'ৰা ঘৰৰ কম পোহৰৰ লাইটটো জ্বলাই হৰি নাম জপিবলৈ ধৰিলোঁ। নানানটা চিন্তাই খেলিমেলি লগালে- মানুহজনে কি জগৰ লগালে বাৰু? অফিচতে কিবা আপদ চপাই লোৱা নাইতো? বুকুৰ ধপধপনি বাৰুকৈ অনুভৱ কৰিলোঁ। পৰ্দাৰ ফাঁকেৰে মন কৰিলোঁ কাষৰ বিল্ডিঙৰ পৰাও বন্ধ খিৰিকীৰ পৰ্দাৰ ফাঁকেৰে কেইবাখনো মুখে জুমাজুমি কৰি আছে কিন্তু কোনেও মোক মাত এষাৰ দিয়া নাই। দুঘণ্টা পিছত গিৰিহঁতে মোক মাত দি কলিং বেল বজোৱাত দুৱাৰ খুলিলোঁ। গিৰিহঁত সোমাই আহিল আৰু গৰাকীও ওপৰ মহলালৈ গ'ল। দুৱাৰ জপাই চ'ৰা ঘৰতে দুয়ো বহিলোঁ। কথাখিনি জানিব বিচৰাত তেওঁ জনালে যে আমাৰ কাষৰ পাৰ্টৰ যুৱকজন হেনো নলবাৰীৰ বাঁহজানীৰ দুৰ্ধৰ্ষ আলফা (নামটো উল্লেখ কৰাৰ পৰা বিৰত থাকিলোঁ) তেওঁক বিচাৰি আৰ্মীৰ অপাৰেশ্যন যদিও তেওঁক নাপাই ককায়েককে এৰেষ্ট কৰিলে। আমাৰ গিৰিহঁতক নাম-ধাম, অফিচ, পা-পৰিয়ালৰ বিৱৰণ সুধি আহিব দিলে বৰঞ্চ দিগদাৰ কৰাৰ নিমিত্তে ক্ষমাও খুজিলে। সিদিনা যিদৰে আৰ্মীয়ে যুৱকজন থকা বুলি খবৰ পাইছিল মহয়া তেওঁক দেখিছিলোঁ। পা-পৰিয়াল অহাও দেখিছিলোঁ। কিন্তু আৰ্মীয়ে গোটেই ঠাইখিনি ঘেৰি লোৱাৰ সম্ভেদ পাই তাৰ আগেয়েই তেওঁ কেনেবাকৈ পলায়ন কৰিলে। কেইদিনমান পাছত ককায়েকক এৰি দিয়ে যদিও আৰক্ষীৰ আতিশয্যৰ চিন মূৰে-কপালে, হাতে-ভৰিয়ে দৃশ্যমান বুলি গিৰিহঁতে মোক কৈছিল, লেকেচিয়াই লেকেচিয়াই খোজ কাঢ়িছিল।

সেই নিশাৰ ঘটনাই মোৰ বহুনিশা টোপনি হৰিছিল। নিশা খিৰিকীৰ সিফালে মানুহ থকা যেন লাগিছিল। পিছত অৱশ্যে ঘৰো সলালোঁ।

কেইমাহ মানৰ পাছত সেই যুৱকজনৰ আৰক্ষীৰ সৈতে এনকাউণ্টাৰত মৃত্যু হোৱা খবৰ বাতৰি-কাকতত পাইছিলোঁ। মৃত্যু সদায় দুঃখজনক, বাতৰিটো পঢ়ি বৰ দুখ পাইছিলোঁ। ভুল পথেৰে গ'লেও তেওঁ এজন দেশপ্ৰেমীয়েই আছিল।

●●●

# জীৱনে শিকোৱা গান

**শৰৎ বৰকাকতি**

সন্ধিয়াটো যেন হাতত সাৰে ভৰিত সাৰে নামি আহিছিল যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদলৈ। আজি ... এৰা আজিয়েই কিবা এটা ঘটিব।

অঘোষিত এক আদেশ মুখ বাগৰি পালিত হ'ল - 'সোনকালে মানে পোহৰ হৈ থাকোঁতেই বৰা কেণ্টিনত চাহ খাই হোষ্টেলৰ নিজ নিজ ৰূমত সোমোৱা... আজি টাউনলৈ ওলাই নেযাবা ... দেশৰ পৰিস্থিতি বেয়া।'

কলেজলৈ অহা এবছৰ হোৱাই নাই। হোষ্টেলৰ ৰেগিঙৰ সোঁৱৰণীবোৰ সতেজ হৈয়ে আছে। আমি তিনিজন ৰূমমেটে অলপ আত্মীয়তা অনুভৱ কৰিছোঁ এথোন।

কিন্তু এই মুখে মুখে বাগৰি অহা খবৰবোৰ এওঁলোকৰ লগত পতাটো ঠিক হ'ব জানো... কি ঠিক সিপক্ষৰ কাৰোবাৰ লগত কিবা সম্পৰ্ক থাকিবওতো পাৰে।

নেপথ্যৰ সাৱধানবাণী স্পষ্ট-' গাৰ নোমেই শতৰু ... যোৰহাট টাউনত ৰেল ষ্টেশ্যনৰ ওচৰত সিপক্ষৰ ষড়যন্ত্ৰ চলিছে... আমাৰ শ্ৰেণীত থকা সিপক্ষৰ বহুতে তাত গৈ লগ হয়।'

'সাৱধান'... এইবোৰ খবৰ কেনেকৈ কাৰ মুখেদি আহে সেইটো ডাঙৰ কথা নহয়... কিন্তু কাণেৰে সোমাই মগজু আৰু হৃদয় জোকাৰি যায়, হাতৰ মুঠি টান হৈ আহে যেন এখন হেংদাংহে ধৰি আছোঁ।

গাৰ নোম শিয়ৰি উঠে... কৰ'বাত, ক'ৰবাত আমাৰ কাৰোবাৰ ওপৰত আক্ৰমণ কৰাৰ খবৰ আহিয়েই আছে, বাতৰি কাকতত। কোনে পঢ়িছে দৰকাৰ নাই, আক্ৰোশ কিন্তু চকুৰে চকুৰে। এক তীব্ৰ ঘৃণা, পোটক তোলাৰ জিঘাংসা আৰু ক্ৰোধানলে তুঁহজুইৰ দৰে ভিতৰি ভিতৰি আমাৰ সকলোকে সামৰি লৈছে...

এতিয়া মাথোঁ মানসিকভাৱে সাজু হ'ব লাগে। সেই মুহূৰ্তৰ প্ৰতীক্ষা...

কেতিয়া, কেনেকৈ, ক'ত নেজানো... 'সময়ত জনোৱা হ'ব' - কোনে জানো কৈ গ'ল! সন্ধিয়াৰ পিছতে সিপক্ষৰ ল'ৰা দুই এজনকৈ হোষ্টেলত সোমোৱা খবৰ তেওঁলোকৰ ৰূমমেট কেইজনে মনে মনে দি গ'লহি। মোৰ ৰূমত সিপক্ষৰ কোনো নাই, তথাপি সতৰ্ক হ'বলৈ মোক খবৰ দিয়াজনে মোৰ ৰূমত কথা নেপাতে, ৰূমৰ দুৱাৰ মুখৰ পৰাই 'কি কৰিছা' বুলি কৈ চকুৰে ইঙ্গিত দি টয়লেট ব্লকলৈ যায়... মই গৈ টয়লেট ব্লকতে খা খবৰ আদান প্ৰদান কৰোঁ।

টয়লেটতে তেওঁ জনালে যে আজিৰ অভিযানত তেওঁ মোৰ সহযোগী ... ৰূম হিচাপে দায়িত্ব ভাগ কৰা হৈছে... অমুক নম্বৰ ৰূমত থকা সিপক্ষৰ শত্ৰুজনৰ দায়িত্ব হেনো আমাৰ দুটাৰ। কিন্তু... 'কেতিয়া, কি

কৰিব লাগিব?' 'চুপ... সময়ত গম পাবা'... বেলেগ দুজন হোষ্টেলৰ ছিনিয়ৰে ফুচফুচাই কথা পাতি সোমাই অহাত মোৰ সহযোগী সহপাঠীজন ওলাই গ'ল।

নিজৰ ৰূমলৈ ঘূৰি আহি দেখিলোঁ - এজন ৰূমমেট সহপাঠী আন এজন দুৱাৰমুখত থিয় দিয়াৰ লগে লগে ওলাই গৈ অলপ পিছত ঘূৰি আহি নিজৰ পঢ়া টেবুলত বহি চিগাৰেট জ্বলাই ল'লে।

মুখত পিছে কথা নাই। আনজন ৰূমমেটেও নিঃশব্দে নিজৰ টেবুলত বহি কিবা লিখিছে। মই আলেঙে আলেঙে সিহঁত দুটাই কি কৰিছে চাই উত্তেজনাৰ প্ৰতিটো মুহূৰ্ত গণনা কৰিছোঁ।

লাইট নুমাই গ'ল হঠাতে। নিকপকপীয়া এন্ধাৰ ভেদি দূৰৈত কোনোবা এটা হোষ্টেলৰ পৰা কাৰোবাৰ কাতৰ চিঞৰ এটা ভাহি আহিল। দুপদুপকৈ হোষ্টেলৰ সমুখৰ ৰাস্তাইদি কাৰোবাক খেদি যোৱা যেন প্ৰতীত হ'ল। আমি তিনিওটা ৰূমমেট নিজৰ চকীত বহি এই সকলো শুনিছোঁ, অনুভৱ কৰিছোঁ, যেন আমি এখন ভয়লগা হলিউডৰ চিনেমা চাই বহি আছোঁ, আমাৰ কৰণীয় কেৱল চূড়ান্ত ক্ষণৰ অপেক্ষা কৰা। সতৰ্কতাৰে ইজনে সিজনক কিবা সোধাৰো যেন সাহস বা প্ৰয়োজন নাই।

হঠাতে কেইজনমান ছিনিয়ৰ ল'ৰাই টৰ্চ জ্বলাই বাৰাণ্ডাত আমাৰ কাৰোবাৰ সৈতে কথা পতা শুনি তিনিওটা ওলাই গ'লোঁ। বাকীবোৰ ৰূমৰ পৰাও আমাৰ ব্লকৰ সহপাঠীবোৰ লাহে লাহে গোট খোৱাত ছিনিয়ৰ কেইজনে ফুচফু চাই কোৱাদি ক'লে - টাউনৰ পৰা সিপক্ষৰ এজাকে হেনো হোষ্টেলৰ দেৱাল পাৰ হৈ অস্ত্ৰ শস্ত্ৰৰে আক্ৰমণ কৰিবলৈ আহিছিল। আমাৰ পক্ষৰ দাদাহঁত সতৰ্ক হৈ থকাৰ বাবে খেদি যোৱাত পলাই গ'ল। আজি কিবা হেস্ত নেস্ত হ'ব। ইমান কাপুৰুষ নহয় আমি। ইত্যাদি, ইত্যাদি।

তেজৰ মাজেদি এক বীৰত্বৰ, এক পৌৰুষৰ অহমিকা বৈ গ'ল। হঠাতে কেউফালে যেন হুৱাদুৱা লাগিল। আমাৰ হোষ্টেলৰ কেইবাটাও ৰূমৰ পৰা আৰ্তনাদ, কান্দোন ভাহি আহিল। মোৰ সহযোগীজনে এন্ধাৰে মুন্ধাৰে আহি মোক কাণে কাণে ক'লে- 'বলা, সময় আহি গৈছে'। কি লওঁ হাতত দুইটাই নাজানো। কিন্তু সময় তাকৰ। খেপিয়াই খেপিয়াই ওচৰৰে ডাইনিং ৰূমৰ বাৰাণ্ডাত শুকাবলৈ মেলি দিয়া দুডাল ফলা কাঠ খৰি দুয়ো উঠাই ল'লোঁ আৰু আমাৰ দায়িত্বত থকা ৰূমলৈ যন্ত্ৰচালিতৰ দৰে সোমাই গ'লোঁ।

সিপক্ষৰ সহপাঠীজন বিছনাত কুঁচিমুচি বহি আছিল। ছাঁটোহে দেখিছোঁ, এন্ধাৰত তাৰ গাৰ ফালে লক্ষ কৰি কোবাইছোঁ, সি 'মৰিলোঁ', 'মৰিলোঁ' বুলি চিঞৰিছে। মোৰ হাতখন প্ৰতিটো আটাহত অৱশ হোৱা যেন লাগিছে। হেংদাংখন ডাঙি ৰখাৰ উৎসাহ শিথিল হৈ আহিছে। তাৰ চি এঞৰবোৰে মোৰ বুকুৰ বৰ্মখন খহাই খহাই কলিজাত খুচিছে।

শত্ৰুক তেনেকৈয়ে এৰি থৈ, শত্ৰুৰ আটাহত বিধ্বস্ত মই অপ্ৰকৃতিস্থভাৱে বাৰাণ্ডালৈ ওলাই আহিলোঁ। ইতিমধ্যে দূৰৰ বাৰাণ্ডাত টৰ্চৰ পোহৰ। কেইবাজনো লোকে খোজকাঢ়ি কথা পাতি অহাৰ শব্দ। কোনোবাই ক'লে হোষ্টেল চুপাৰ আহিছে। খৰিডাল হাতৰ পৰা পেলাই দিয়া। মই হিতাহিত জ্ঞানশূন্য। মোৰ কাণত একো সোমোৱা নাই। কোনোবাই আজোৰ মাৰি মোৰ হাতৰ পৰা খৰিডাল পেলাই দিলে।

....... ..... .......

....... ...... .......

প্ৰিঞ্চিপাল আহিল, হোষ্টেল চুপাৰ আৰু ছিনিয়ৰ ছাত্ৰবোৰৰ লগত ল'ৰাবোৰক শান্তি, সম্প্ৰীতি বজাই নিশ্চিন্তে থাকিবলৈ কৈ গ'লগৈ।

বাৰমান বজাত লাইট আহিল। এক গভীৰ অৱসাদত আঁঠুৰাখন টানি লাইট নুমুৱাই বিছনাত ঢলি পৰিছোঁ। কিন্তু টোপনি নাহিল। তমসাবৃত সেই কুঁচিমুচি গৈ বলটোৰ আকাৰ লোৱা ছাঁটোৰ ছবিখন আৰু মা, মৰিলোঁ ঐ...' চিঞৰটোৱে চকু মুদিবলৈ নিদিলে...।

অলপ পিছত মোৰ ৰুমমেটে লাইট জ্বলালে। লগে লগে আনজনে সুধিলে 'কি হ'ল, টোপনি অহা নাই?' উত্তৰ দিবলগা নহ'ল। তিনিও উঠি বিছনাতে বহিলোঁ। তিনিও নোকোৱাকৈয়ে যেন বুজিলোঁ 'আমি কথা পাতিবলগা আছে।'

এজনে চাহ খোৱাৰ প্ৰস্তাৱ দিলে.. মই হিটাৰত পানী বহাই লালচাহ একোকাপকৈ সকলোকে দিলোঁ। চাহ লৈ নিজে নিজে ভাবত সকলো আকৌ যেন বুৰ গ'লোঁহক। দাপোণত নিজৰ নিজৰ চেহেৰা চাবলৈ লাজ আৰু ভয়ত ত্ৰস্তমান সকলোৱে যেন আনজনৰ হিয়া জুমি চাই মনটো শাঁত পেলাব খুজিছে। মই স্বগতোক্তি কৰাৰ দৰে কলোঁ -'জীৱনত কেতিয়াও আনৰ উচতনিত ভোল গৈ এনেকৈ উটি নেযাওঁ।

তাৰ পিছত এটাৰ পিছত এটাকৈ তিনিও হিয়া উদঙাই দিলোঁ উজাগৰে ৰাতিপুৱালৈ। কথাৰ যেন শেষ নাই, মনৰ মলিবোৰ, খুলিখুলি খোৱা অপৰাধবোধ যেন কথাৰ সোঁতত উটি যাওক আজিয়েই, এতিয়াই!

কাৰোবাৰ ৰেডিঅ'ত পুৱাৰ বৰগীতৰ মধুৰ সুৰ ভাহি আহিছিল... এক নতুন সুৰ বৈ আহক আমাৰ মনলৈও প্ৰেমৰ, আস্থাৰ, মানৱীয়তাৰ এক অচঞ্চল সুৰ!

●●●

# এনেকুৱাও ঘটে

**পংকজ কুমাৰ নেওগ**

নিশা প্ৰায় ১০ মান বজাত ফাৰ্মাচীখনত সোমালোঁ। বতৰ বেয়া, বাহিৰত বৰষুণজাক তীব্ৰতৰ হৈ আহিছিল। ঘৰৰ পৰা ওলাওঁতে অলপ কিনকিনিয়া বৰষুণহে আৰম্ভ হৈছিল কিন্তু এতিয়া প্ৰকাণ্ড ছাতিটোয়েও মোক ভালকৈ ৰক্ষা কৰিব পৰা নাই। দেউতাৰ কাহটো আকৌ বেয়াকৈ আৰম্ভ হৈছে; ঔষধ শেষ হোৱাত লৰালৰিকৈ এনে এটা নিশা ফাৰ্মাচীলৈ ওলাই আহিব লগা হ'ল। চাবলৈ গ'লে ফাৰ্মাচীখন আমাৰ এপাৰ্টমেণ্ট

বিল্ডিঙৰ পৰা ১৫ মিনিটমানৰহে বাট। গতিকে ছাতি লৈ পদব্ৰজে ওলাই আহিছিলোঁ। ফাৰ্মাচীখন ২৪ ঘণ্টীয়া বাবে আমাৰ সকলোৰে সুবিধা, আনকি দূৰৈৰ মানুহো ৰাতি ওলায়হি। সেইদিনা ৰাতি অৱশ্যে কোনো জন সমাগম নাছিল। 'প্ৰেচক্ৰিপচন'খন ফাৰ্মাচিষ্টলৈ আগবঢ়াই দিয়াত মই বিচৰা দৰবখিনি বান্ধি মেলি পলিথিন বেগ এটাই ভৰাই দিলে। পইচা-পাতি দি ঘৰলৈ উভতিবলৈ সাজু হ'লোঁ। বৰষুণ তেতিয়াও মুষলধাৰ। হঠাতে মাইকী মানুহৰ মিহি কণ্ঠ এটা শুনি আচৰিত হৈ ঘূৰি চালোঁ— "আংকল আপুনি কোনফালে যাব বাৰু? মোক অলপ সহায় কৰিব পাৰিবনে?" ফাৰ্মাচীখনৰ এটা চুকত যুৱতী এগৰাকী যে বহি আছিল মই মনেই কৰা নাছিলোঁ। এতিয়া অকস্মাতে এগৰাকী মৰম লগা যুৱতী মোৰ আগত সমুপস্থিত। উত্তৰ দিলোঁ— "কোৱাচোন কি সহায় কৰিব পাৰোঁ?" যুৱতী গৰাকীয়ে ক'লে— "মোৰ মা কেইবাদিনৰ পৰা অসুখত পৰি আছে; আজি ডাক্তৰে সলাই দিয়া নতুন ঔষধ এটা বিচাৰি কেইবাখনো ফাৰ্মাচী চলাথ কৰিলোঁ, কিন্তু অৱশেষত এইখন ফাৰ্মাচীতহে পালোঁ। কিন্তু ওলাই যাব খোজা সময়তে বৰষুণজাক ইমান জোৰেৰে আহিল যে ইয়াতে ৰৈ যাব লগা হ'ল। এতিয়া দেখিছোঁ বৰষুণজাক কমাৰো লক্ষণ নাই আৰু ইফালে মা ঘৰত অকলশৰীয়া। অনুগ্ৰহ কৰি মোক অলপ আগুৱাই থৈ আহিব পাৰিব নে? মই খুব এটা দূৰৈত নাথাকোঁ।" অকলশৰীয়া ছোৱালীজনীৰ অৱস্থা দেখি বেয়া লাগিল। আকৌ সুধিলোঁ— "কোনখিনিত থাকা?" "ইয়াৰ পৰা ১৫ মিনিটমান দূৰৈত থকা অনিৰুদ্ধ এপাৰ্টমেণ্টত"— তাই উত্তৰ দিলে। মই আচৰিত হ'লোঁ— "সঁচাকৈয়ে নে? ময়ো সেই এপাৰ্টমেণ্টটোতে থাকোঁ। ভালেই হ'ল দিয়া, একেলগে উভতিব পাৰিম।"

মই ছাতিটো যুৱতীগৰাকীৰ মূৰত ওপৰত মেলি ধৰি কাষে কাষে যাব ধৰিলোঁ। ছোৱালীজনীক আমাৰ এপাৰ্টমেণ্টটোত ক'তো দেখা যেন মনত নপৰিল। বাট-পথ সম্পূৰ্ণ নিজম পৰিছিল; ইমান বেয়া বতৰত কোনেনো ৰাতিখন ঘূৰি ফুৰিব? ছোৱালীজনীৰ সৈতে কথা পাতি লাহে লাহে আগবাঢ়িবলৈ ধৰিলোঁ। তাইৰ নাম হ'ল শ্ৰুতি ৰাথ'ৰ; দেউতাক ৰাজস্থানৰ আৰু উজনি অসমৰ দিনজান, ডুমডুমা, লেখাপানী আদি ঠাইত আৰ্মী অফিচাৰ হৈ আছিল। মাক অসমীয়া; ডুমডুমাৰ ওচৰৰে কোনোবা এখন চাহবাগিচাৰ মেনেজাৰৰ জীয়েক আৰু ক্লাবৰ পাৰ্টি এটাত চিনাকি হৈ তেওঁলোকৰ প্ৰেম বিবাহ হৈছিল। শ্ৰুতি ৫ বছৰমান থাকোঁতে আৰ্মী আৰু উত্তৰ-পূবৰ সন্ত্ৰাসবাদী দল এটাৰ সৈতে হোৱা গুলিয়াগুলিত বাপেকৰ মৃত্যু হয় আৰু তাৰ পিছতেই শ্ৰুতিক লৈ মাক গুৱাহাটীলৈ গুচি আহে। যোধপুৰত থকা শ্ৰুতিৰ ককাক-আইতাকহঁতে মাতি পঠিয়াইছিল যদিও শ্ৰুতিৰ মাক তালৈ যাবলৈ অমান্তি হ'ল; গুৱাহাটীৰ প্ৰাইভেট স্কুল এখনত চাকৰি কৰি তেনেকৈয়ে নানা কষ্টৰ মাজেৰে মাকে শ্ৰুতিক ডাঙৰ-দীঘল কৰে। এক সংঘাতময় জীৱন পাৰ কৰা মাক অতি কমবয়সতে ৰুগীয়া হৈ পৰিল। নানা ধৰণৰ বেমাৰ-আজাৰে মাকক হেঁচি ধৰিছিল। ভাগ্যে 'বি. কম' পাছ কৰি শ্ৰুতিয়ে বেংকত চাকৰি এটা পালে। এইচ. ডি. এফ. চি বেংক, গুৱাহাটীৰ কোনোবা এটা শাখাত তাই এতিয়া কৰ্মৰতা।

শ্ৰুতিহঁত অনিৰুদ্ধ এপাৰ্টমেণ্টলৈ অহা কেইবাবছৰো হ'ল; আমাৰ মাত্ৰ ছমাহ মানহে হৈছিল। এইদৰে কথা পাতি আমি ঘৰ পালোঁহি। আমাৰ এপাৰ্টমেণ্টৰ তিনিটা ব্লক— এ, বি আৰু চি। আমি 'এ-ব্লক'ৰ তৃতীয় মহলাত থাকোঁ আৰু শ্ৰুতিহঁত থাকে 'চি-ব্লক' অৰ্থাৎ শেষৰটো বিল্ডিঙৰ পঞ্চম মহলাত— ঘৰ নং ৫০৪। আমি গেটেৰে সোমাই যাওঁতেই প্ৰচণ্ড বিজুলী ঢেৰেকণি মাৰি গোটেইবোৰ লাইট নুমাই থাকিল। বৰষুণ নিৰবচ্ছিন্ন ভাৱে দিয়েই আছিল। ভাগ্যে পেণ্টৰ পকেটত এটা সৰু টৰ্চ নিছিলোঁ; এতিয়া সেইটোকে জ্বলাই শ্ৰুতিক সিহঁতৰ বিল্ডিংটোলৈ আগবঢ়াই থ'বলৈ চৌহদৰ সিটো মূৰলৈ আগবাঢ়িলোঁ। একেবাৰে ওপৰত থৈ আহোঁগৈ বুলি কোৱাত তাই আপত্তি কৰিলে— "নাই, নালাগে আংকল; মোৰ চিৰিৰে উঠা-নমা কৰা অভ্যাস আছেই, সাউতকৈ উঠি যাম আপুনি একো চিন্তাই নকৰিব!" হাত জোকাৰি মোক 'গুড নাইট' জনাই শ্ৰুতি যাবলৈ ওলাল। ঠিক সেইখিনি সময়ত বিজুলীৰ চকা-মকা পোহৰত দৃশ্য এটা দেখি মোৰ গাৰ নোম ডাল ডাল হ'ল; কোনোমতে নিজকে চম্ভালি ঘৰলৈ উভতিলোঁ।

পিছদিনা অফিচলৈ ওলাই যাওঁতে তলত থকা চকীদাৰটোক 'চি-ব্লক'ৰ ৫০৪ ঘৰটোত থকা মানুহঘৰক চিনি পাৰ নেকি বুলি সোধাত সি নাজানো বুলি মূৰ জোকাৰিলে। দৰাচলতে আগৰ বুঢ়া চকীদাৰজনৰ ঠাইত এইজন চকীদাৰক নতুনকৈ মকৰল কৰা হৈছিল। লাঞ্চৰ সময়ত আমাৰ অনিৰুদ্ধ এপাৰ্টমেণ্টত থকা দেশপাণ্ডেক লগ পালোঁ। তেখেত সেইটো এপাৰ্টমেণ্টত থকা বহুত বছৰ হ'ল। কিছুপৰ ভাল-বেয়া বাতৰি লৈ আকৌ মই আমাৰ এপাৰ্টমেণ্টৰ 'চি-ব্লক' ৫০৪ ঘৰটোৰ কথা উলিয়ালোঁ। দেশপাণ্ডে ডাঙৰীয়াই আৰম্ভ কৰিলে— "নেওগ চাহাব, আপুনি সেইটো ঘৰৰ কথা কিয় উলিয়াইছে নাজানো, কিন্তু তাত আজিকালি কোনো নাথাকে। কিছু বছৰৰ আগেয়ে এগৰাকী 'ইয়ং লেডী' তেখেতৰ মাকৰ সৈতে ঘৰটোত আছিল। কেঞ্চাৰ হৈ থকা মাকগৰাকী বেছিদিন জীয়াই নাথাকিল। মাক ঢুকোৱাৰ এমাহমানৰ ভিতৰত ছোৱালী গৰাকীৰো এটা গাড়ী দুৰ্ঘটনাত মৃত্যু হয়; গাড়ী নিজে 'ড্ৰাইভ' কৰিছিল। কোনোৱে কয় মাক ঢুকোৱাৰ পিছত ছোৱালীগৰাকীয়ে 'মেণ্টেল বেলেন্স' হেৰুৱাই পেলাইছিল আৰু কোনোৱে কয় যে 'বয়ফ্ৰেণ্ড'জনে তাইক 'ডাম্প' কৰি বেলেগক বিয়া কৰোৱাৰ বাবে তাই 'চুইচাইড' কৰিছিল। 'এক্সিডেণ্ট'টো বৰ 'হৰিবল' আছিল জানেনে? ছোৱালীজনীৰ মুখ চিনি পোৱা টান হৈ পৰিছিল; খুন্দা খাই ভৰি দুখনৰ পতা ১৮০ ডিগ্ৰী ঘূৰি গৈছিল...।"

শেষ বাক্যটো শুনি মোৰ গাৰ নোম আকৌ শিয়ৰি উঠিল। যোৱা নিশা শ্ৰুতিয়ে মোক 'গুড নাইট' দি যাবলৈ ওলোৱাৰ আগেয়ে বিজুলীৰ চকা-মকা পোহৰত সেইটো দৃশ্যই দেখিছিলোঁ— শ্ৰুতিয়ে 'হাইহিল' পিন্ধি আছিল যদিও ভৰিৰ তলটো আছিল ওলোটা— যিফালে ভৰিৰ পতা থাকিব লাগে সেইফালে আছিল গোৰোহা আৰু গোৰোহাৰ ফালে ভৰিৰ পতা! অথচ তেনেকৈয়ে তাই চিৰি বগাই মুহূৰ্ততে অন্ধকাৰত বিলীন হৈ পৰিছিল!!!

●●●

# দিগ্‌গজৰ স্মৃতিত

*সাহিত্য-সংস্কৃতি জগতৰ পুৰোধা ব্যক্তিসকলৰ জীৱন আৰু কৰ্ম সুঁৱৰি আমাৰ মঞ্চৰ দুটিমান লেখা এই শিতানত আগবঢ়োৱা হ'ল...*

# ৰাভা দিৱসৰ অনুভৱ

**কৃষ্ণা শৰ্মা**

ৰাভা দিৱস বুলি ক'লে মনত পৰে শ্ৰদ্ধেয় বিষ্ণু প্ৰসাদ ৰাভা দেৱৰ মৃত্যুৰ দিনটোলৈ- ১৯৬৯ চনৰ ২০ জুন। মই তেতিয়া তেজপুৰৰ কলিবাৰীত ককা-আইতাৰ ঘৰত থাকি স্কুলত পঢ়িছিলোঁ। ৰাতিপুৱাই তেখেতৰ বিয়োগৰ বাতৰিত সকলো মানুহকে মৰ্মাহত হোৱা দেখিছিলোঁ। সেইদিনা আমাৰ ক্লাছ ফাইভৰ ছমহীয়া পৰীক্ষাৰ ড্ৰইং বিষয়ৰ পৰীক্ষা আছিল। তেখেতৰ মৃত্যুৰ বাবে পৰীক্ষা বাতিল হোৱাত ঘৰলৈ উভতি আহিছিলোঁ তেখেতৰ ঘৰৰ পদূলিৰ সন্মুখেদি আৰু সেইদিনাহে বুজি পাইছিলোঁ তেখেত কিমান ডাঙৰ মানুহ আছিল। যাওঁতেও গৈছিলোঁ কিন্তু তেতিয়া বৰ বেছি মানুহ নাছিল। তাৰ পিছদিনাৰে পৰা "দৈনিক অসম" পঢ়ি পঢ়িহে কিছু গম পাইছিলোঁ তেখেতৰ বিশাল গুণৰাশিৰ বিষয়ে। তাৰ আগতে সেইকেইদিন সকলোকে ব্যস্ত দেখিছিলোঁ। আমাৰ মামাহঁত অনবৰতে হস্পিতাললৈ গৈ থাকে। আহি তেখেতৰ খবৰ সকলোকে দিয়ে। আগদিনা আহি কৈছিল বহুত কথা। মন দি শুনিছিলোঁ। স্কুললৈ অহা-যোৱা সদায় তেখেতৰ ঘৰৰ সন্মুখেদিয়েই কৰিছিলোঁ। ওচৰতে এখন দোকান আছিল। সেই সময়ত সকলোৱে "পূৰণ"ৰ দোকান বুলি কয়। উভতি আহোঁতে তাতে চানাচুৰ কিনো। খোজকাঢ়ি যাওঁতে কেইবাদিনো বিপৰীত দিশৰ পৰা ৰিক্সাত ছাতি মেলি বহি আহি থকা বিষ্ণু ৰাভাদেৱক দেখিছিলোঁ। তেতিয়াহে গম পাইছিলোঁ সেই ওখ-পাখ মানুহজনেই চিনেমা কৰা তেতিয়াৰ এম.এল.এ বিষ্ণুপ্ৰসাদ ৰাভা। ৰিক্সাত বহিলে হুদখন লগাব নোৱাৰে বাবে তেখেতে ছাতি মেলি যায়।

খালী ভৰিৰ পৃথ্বিৰাজ আৰু হেমৰাজক (টুনটুন আৰু মুনমুন) স্কুলৰ পৰা উভতি আহোঁতে পূৰণ দাদাৰ দোকানৰ ওচৰে-পাজৰে প্ৰায়ে দেখিছিলোঁ। প্ৰয়াত শ্ৰদ্ধেয়া মোহিনী বালা ৰাভাক দেখিছিলোঁ পিঠিত বান্ধি সৰু ল'ৰাটো লৈ ফুৰোৱা। আজিৰ দিনত বাৰু কোনোবাই ভাবিব পাৰিবনে ইমান উচ্চ আসনত থকা ব্যক্তিৰ পৰিয়ালৰ ইমান সৰল জীৱন যাপনৰ কথা!

প্ৰয়াত মোহিনীবালা ৰাভাকো মই আজিৰ দিনটোত শ্ৰদ্ধা ও প্ৰণিপাত জনাইছোঁ। আৰু দুইজন

সুপুত্ৰকে প্ৰণাম যাচিছোঁ।

তেজপুৰ জিলা পুথিভঁৰালত বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ প্ৰথম মৃত্যু বাৰ্ষিকীলৈও গৈছিলোঁ। সেই অনুষ্ঠানতে জয়ন্ত হাজৰিকাই গান গাইছিল। ফণী শৰ্মাদেৱে ষ্টেজত নুঠাকৈ তলৰ পৰাই বক্তৃতা দিছিল। (বোধকৰো অসুস্থতাৰ বাবে) আৰু কোন কোন তাত উপস্থিত আছিল মনত নপৰে আৰু তেতিয়া চিনিও নাপাইছিলোঁ।

তেজপুৰত থাকোঁতে অনুভৱ কৰিছিলোঁ  তাত যেন আকাশে বতাহে সংগীত। আজৰি পালেই সকলো আমাৰ লগৰ ছোৱালী নিজে নিজেই গোট খাই, ব্যস্ত হৈ পৰে সংগীত আৰু নৃত্য চৰ্চাত। সেয়েহে লগৰ সকলোৰে মুখে মুখে তেখেতৰ গানবোৰ শুনিছিলোঁ কেতিয়াবা কোৰাচ হিচাপে কেতিয়াবা নৃত্য কৰি কৰি। পিছত জেঠাই এগৰাকীৰ মুখত শুনিছিলোঁ বিষ্ণু ৰাভাদেৱে কেনেকে  ওচৰৰ ল'ৰা-ছোৱালী বিলাকক লৈ বাণ ষ্টেজত নাটক কৰাইছিল, গান আৰু নাচ শিকাইছিল। তেখেতে আৰম্ভ কৰা এই অভ্যাস বোধকৰোঁ পিছলৈকো থাকি গৈছিল। এতিয়া অৱশ্যে পৰিৱেশৰ বিষয়ে নেজানো।

অসমত বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ দৰে সৰ্বগুণসম্পন্ন এজন ব্যক্তি যে জন্মগ্ৰহণ কৰিছিল অসমীয়া জাতিৰ বাবে সেইটোৱেই পৰম সৌভাগ্যৰ কথা। বিষ্ণু ৰাভাদেৱে গোটেই জীৱন অসম আৰু অসমীয়াৰ বাবে উছৰ্গা কৰি অসমীয়া সাংস্কৃতিক জগতখন বহুদূৰ আগবঢ়াই থৈ গ'ল।

আজিকালিৰ দৰে পৰিয়ালকেন্দ্ৰিক চিন্তাৰ বাহিৰত থাকি নিজকে বিলাই দি গ'ল অসমীয়াৰ মাজত। কিন্তু তাৰ প্ৰতিদানত জীৱিত কালত তেওঁ একোৱেই সন্মান নাপালে।

আজি তেখেতৰ মহাপ্ৰয়াণৰ দিনটোত প্ৰণাম আৰু শ্ৰদ্ধা জনালোঁ।

●●●

# ভূপেন হাজৰিকাৰ সান্নিধ্যৰ সোঁৱৰণ

**পঙ্কজ কুমাৰ বৰুৱা**

ভূপেনদা আমাৰ দৰে লোকৰ বাবে ৰেডিঅ' আৰু গ্ৰামোফোনৰ ৰেকৰ্ড আৰু ৰাজহুৱা বা স্কুলৰ অনুষ্ঠানবোৰৰ মাইকৰ দ্বাৰা ইমানেই শুনিছিলোঁ যে হয়তো দূৰৰ সৰু সৰু ঠাইৰ মানুহৰ বাবে, তাতকৈ বেছি সম্ভৱ নাছিল তাহানি। ইমান ডাঙৰ আৰ্টিষ্টক সন্মুখৰ পৰা দেখাৰ কথা ভাবিবও পৰা নাছিলোঁ। ১৯৬৭/৬৮ মানত ভূপেনদা এবাৰ লংকালৈ গীত গাব আহিছিল। লগত আছিল মেণ্ডোলিন আৰু গীটাৰৰে জয়ন্ত। তবলাত কোন আছিল মনত নপৰে। সেইখনেই ভূপেনদাৰ প্ৰথম সংগীতৰ অনুষ্ঠান চাইছিলোঁ সন্মুখৰ পৰা। তেতিয়াই অভিভূত হৈছিলোঁ, কেনে ভাবিব নোৱৰা talented আছিল তেওঁ। তাহানিৰ সাধাৰণ সংগীত অনুষ্ঠানৰ দৰেই ভূপেনদা আহি পাওঁতে দেৰি হৈছিল। ৮ বজাৰ ঠাইত প্ৰায় ১০  মান

হৈছিল। তেতিয়া গুৱাহাটীৰ পৰা লংকালৈ অহা ৰাস্তা, মানে নগাঁৱৰ পৰা দক্ষিণলৈ পথসমূহৰ অৱস্থা জৰাজীৰ্ণ আছিল। পেট্ৰল বাছৰ দিন আছিল। গীত আৰম্ভ কৰাৰ আগতে ভূপেনদাই দেৰি হোৱাৰ কাৰণে খেদ কৰাৰ লগতে কৈছিল, "গুৱাহাটীতো হোজাইত নহয়!" তেনেতেই পিছফালৰ পৰা এজনে চিঞৰিছিল, "গুৱাহাটী, কিমান দূৰ?" আমি সকলোৱে লজ্জিত হৈছিলোঁ, এই দুৰাচাৰৰ কথাত। মানে, ভূপেনদাৰ দৰে এজন গীতিকাৰ, সুৰকাৰ, গায়ক লংকাৰ দৰে ঠাইলৈ যে আহিছে, সেয়াই আমাৰ ভাগ্য। আৰু এই অধমে, ভূপেনদাক সোধে, গুৱাহাটী কিমান দূৰ। ভূপেনদাই বুজি পাইছিল আৰু উত্তৰ দিছিল, "গুৱাহাটী কিমান দূৰ? মই কম গুৱাহাটী কিমান দূৰ। মাথোঁ আপোনালোকে চাব, আপোনালোকৰ যাতে ভোক নালাগে আৰু টোপনি নাহে।" এইষাৰ কথা এতিয়াও মোৰ মনত সজীৱ হৈ আছে আৰু মাজে মাজে কাণত বাজি উঠে। গীত আৰম্ভ কৰাৰ পিছতেই বুজি উঠিছিলোঁ, কিমান মহান গায়ক আৰু সঙ্গীতজ্ঞ আছিল তেওঁ। তেওঁৰ প্ৰতিটো কথা, শাৰীয়েই আছিল যেন, এক গীত আৰু গীতৰ আবৃত্তি। লগে লগে কোন গীত ক'ত ৰচিছে, তাৰ লগত কোন ঠাইৰ কোন জনগোষ্ঠীৰ কি গীতৰ সৈতে বা কি লোক সংস্কৃতিৰ সৈতে মিল আছে তাকো কৈ গৈছিল। বহু গীত পৰিৱেশন কৰিছিল আৰু প্ৰায়কেইটা গীতেই প্ৰায়ে তিনিটা ভাষাতে গাইছিল। কি অপূৰ্ব আছিল। যিমানেই নিশা আগবাঢ়িছিল, সিমানেই যেন গীতবোৰ মধুৰ হৈ উঠিছিল। "চিলঙৰে মনালিছা লিংডো" গীতটি গাওঁতে কৈছিল— এই গীতটো মাথোঁ ৰচনা কৰি সুৰ দি উঠিছে। এতিয়াও ৰেকৰ্ডিং কৰাই নাই বা বেলেগত গোৱাই নাই। মাজে মাজে জয়ন্তয়ো গীত গাইছিল। তাতো ভূপেনদাই যেন অনুষ্ঠানটি পৰিচালনা কৰিছিল কথাৰে। কিদৰে জয়ন্তৰ ইউৰোপৰ কোনোবা এখন দেশৰ পৰা অনা মেণ্ডোলিনখনে এতিয়া দোতৰাৰ দৰে বাজিব তাকো প্ৰকাশ কৰিছিল। সৰু আছিলোঁ, কিন্তু তেতিয়াই এইজন গায়ক, সুৰকাৰ, গীতিকাৰ যে অনন্য, বুজিবলৈ মোৰ চতুৰ্থমানৰ ল'ৰাটোৰো অসুবিধা হোৱা নাছিল। ইয়াৰ পিছত এখন আশীৰ দশকত বঙ্গাইগাঁৱত চাইছিলো, চাকৰি কালৰ আৰম্ভণিতে। লগত আছিল নীতিন মুকেশ। আৰু শেষৰখন অনুষ্ঠান চাইছিলোঁ নুমলীগড়ত ২০০৯ চনত। লগত আছিল কল্পনা লাজমী আৰু মনীষা হাজৰিকা। ২০০৯ চনৰ ৩০ এপ্ৰিলৰ পৰা ৪ মে'লৈকে নুমলীগড়ৰ অতিথিশালাত কটাইছিল। প্ৰকৃততে সেইখন আছিল, ভূপেনদাক নুমলীগড়ৰ পৰা কৰা এক সম্বৰ্ধনা অনুষ্ঠান।

প্ৰতিটো অনুষ্ঠানৰে অনুভৱবোৰ অতিকৈ হৃদয় চুই যোৱা। লিখিব গ'লে দীঘল হ'ব। কিন্তু ইমান ভাল পালেও তেওঁক বহু সময় সন্মুখত বা ওচৰত পোৱাৰ সৌভাগ্য হোৱা নাই। কিন্তু অনুভৱ ৮০ ৰ দশকতেই কৰিছিলোঁ এই মহান শিল্পীয়েই নহয় মহানুভৱজন, ভাৰতৰত্ন আৰু নোবেল বঁটাৰ বাবে প্ৰবল দাবীদাৰ...।

●●●

# আমাৰ তাৰৈদেউতা মহিম বৰা ডাঙৰীয়া

**কস্তুৰী নিভা গগৈ**

দেউতাৰ শৈশৱ কৈশোৰ ডেকা কালৰ লগৰীয়া আছিল কলিয়াবৰৰ মহিম বৰাদেৱ - অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য, 'এধানি মাহীৰ হাঁহি'ৰ লেখক, ৰঙা জিয়াৰ কবি, কলং পাৰৰ সাহিত্যৰ সাধক, অধ্যাপক। কলিয়াবৰৰ নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ ছোৱালী হাইস্কুল প্ৰতিষ্ঠা, হাতে লিখা আলোচনী উলিওৱাকে ধৰি বহু প্ৰগতিশীল কৰ্মত জড়িত আছিল দুয়ো বন্ধু। সৰুতেই দুয়োজনৰ মিলাপ্ৰীতি আৰু একেধৰণৰ কৰ্মৰ প্ৰতি ৰাপ দেখি দুয়োখন ঘৰে দুয়োজনকে সখী বন্ধাই দিছিল। শিক্ষা সাং কৰি সময়ত দুয়োজনে ভিন্ন স্থানত চাকৰি জীৱনৰ পাতনি মেলিলে। আগতে দেউতাৰ বিয়াখন হোৱাত তেখেতে ডিব্ৰুগড়ৰ চাবুৱালৈ মাক আনিবলৈ দৰাৰ ঘট ধৰা সখী হৈ গৈছিল আৰু পাছত তেখেতৰ বিবাহতো দেউতা সখী হৈ তেজপুৰলৈ গৈছিল। সেই সূত্ৰে আমি তেখেতসকলক তাৰৈ-আমৈ বুলিছিলোঁ আৰু তেখেতৰ পুত্ৰ অতনু আৰু নিতুৱে আমাৰ দেউতা-মাক তাৰৈ-আমৈ বুলিছিল। উল্লেখযোগ্য যে আমাৰ কটনিয়ান সহপাঠী বন্ধু অমিতাভ বৰা তাৰৈৰ বৰপুত্ৰ। স্কুলীয়া দিনত বন্ধত কলিয়াবৰলৈ গ'লে তাৰৈৰ ঘাই ঘৰখনলৈ আইতা মাহঁতে লৈ গৈছিল। তাৰৈৰ ভায়েক বিশিষ্ট লেখক কুসুম বৰা খুৰাদেউকহে বেছিকৈ লগ পাইছিলোঁ কাৰণ তাৰৈদেউতাই নগাঁৱত অধ্যাপনা আৰু শিক্ষয়িত্ৰী আমৈ আইৰ চাকৰিৰ বাবে নগাঁৱতে স্থায়ী হৈছিল। আমি শ্বিলঙত থাকোঁতেও তাৰৈদেউতা সপৰিয়ালে শ্বিলঙলৈ গৈছিল। গুৱাহাটীত থাকোঁতে দুয়োটা পৰিয়ালৰ সম্পূৰ্ণ কৰ্মব্যস্ততা সন্তানৰ শিক্ষা জীৱনৰ ব্যস্ততাই সংযোগবিহীন কৰি ৰাখিছিল। তাৰৈদেউতা সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাত দেউতাৰ লগতে আমিও অতিশয় আনন্দিত হৈছিলোঁ। দেউতাই লগে লগেই চিঠি লিখিছিল। পিছত নগাঁৱলৈ আহিলে তাৰৈ দেউতাক লগ পাবলৈকে টান হ'ল বুলি কৈছিল। কাৰণ তাৰৈ দেউতাই গোটেই অসম জুৰি বিভিন্ন সভা-সমিতিত উপস্থিত থাকিবলগীয়া হৈছিল আৰু ঘৰত থাকোঁতেও দূৰদূৰণিৰ সাহিত্যপ্ৰেমী জনতাই তেখেতক লগ ধৰিবলৈ অপেক্ষা কৰি আছিল। দেউতাই আনন্দৰে আমাক কৈছিল। মাজত অহা-যোৱা তেনেকৈ নাছিল যদিও আমাৰ বুঢ়ী আইতা ঢুকুৱাৰ খবৰ পাই তাৰৈ দেউতা নিজৰাপাৰৰ ঘৰলৈ লৰৰি আহিছিল। দুয়ো বন্ধুৱে সাবটা সাবটি কৰিছিল। কটন কলেজত প্ৰাক বিশ্ববিদ্যালয় বিজ্ঞানত তাৰৈৰ বৰপুত্ৰ অমিতাভ A sectionত আৰু মই Bsecত আছিলোঁ। আমি আকৌ দুয়োজনেই কোনোদিনেই কথা-বতৰাই নহৈছিলোঁ-কি জানো লাজ আছিল কেৱল অন্তৰংগ বান্ধৱী সকলেহে জানিব পাৰিছিল অমিতাভ মোৰ তাৰৈৰ ল'ৰা বুলি হাঃ হাঃ হাঃ...

মোৰ ভাই ডাঃ বিকাশ ৰঞ্জন গগৈয়ে নগাঁৱতে বহু বছৰ চিকিৎসা সেৱা আগবঢ়োৱা হেতুকে তাৰৈৰ পৰিয়ালৰ লগত যোগাযোগ আছে। মই দুবাৰকৈ নগাঁৱত চাকৰি কৰিলেও দুয়োবাৰেই পৰাপক্ষত অহা-

যোৱা কৰাৰ বাবেই যাওঁ যাওঁ বুলিও তাৰৈৰ ওচৰলৈ যোৱা নহ'ল। বিশেষকৈ আগৰবাৰ চাকৰিৰ কাৰ্যকালত তাৰৈ জীৱিত আছিল  আৰু এবাৰ দেখা দিবলৈ পৰিকল্পনাও কৰিছিলোঁ যদিও নহ'লগৈ। একেবাৰে অফিচৰ কাম সামৰিব নোৱাৰি উভতিবলৈ পলম হ'লেহে ভাইটিৰ চৰকাৰী আৱাসগৃহত আছিলোঁ। এইখিনিতে উল্লেখযোগ্য যে নগাঁৱলৈ যোগাযোগৰ ব্যৱস্থা অতি সুচল আৰু অত্যন্ত সুবিধাজনক বাবে গুৱাহাটীৰ বেছিভাগ বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী আদিয়ে অহা-যোৱা কৰে। হিচাপ কৰি চালে ভাৰাঘৰৰ খৰচ খোৱা-বোৱা ৰন্ধা-মেলাৰ আহুকালৰ উপৰিও অহা-যোৱাত সময়ো বেছ কম লাগে, সাতে পাঁচে মিলি অহা-যোৱাটোকে সুবিধাৰ্থে লয় কাৰণ পৰিয়ালটি আৰু আপোন বিছনাখন কিমান যে সুখদায়ক। কি যে কৰ্মবন্ধনত আবদ্ধ আছিলোঁ! তাৰৈ দেউতাক বৃদ্ধকালত এবাৰ দেখা কৰিবলৈও সময় উলিয়াব নোৱাৰিলোঁ। এতিয়া ভাবিলে অত্যন্ত দুখ লাগে, কিন্তু গতস্য শোচনা নাস্তি। তাৰৈ দেউতা স্বৰ্গগামী হ'ল। তাৰো বহু আগেয়ে আমৈ আই পৰলোকলৈ গ'ল। মোৰ মাতৃও ২০০১ চনতে পৰলোকলৈ গ'ল। ২০১৮ চনৰ ১৮ ফেব্ৰুৱাৰিত আমাৰ দেউতা স্বৰ্গগামী হ'ল। তাৰৈৰ বৰপুত্ৰ অমিতাভে মোক ফোন কৰি সান্ত্বনা দিছিল।

কলংপাৰৰ বিশিষ্ট লেখক কবিগৰাকীৰ লিখনি পঢ়ি আজিও আপ্লুত হওঁ। সকলো সাহিত্যপ্ৰেমী সাহিত্যানুৰাগী ব্যক্তিয়ে চিনি পোৱা অতি উচ্চখাপৰ লেখকগৰাকী আমাৰ তাৰৈদেউতা আছিল বুলি আজিও গৌৰৱবোধ কৰোঁ। তাৰৈ দেউতাক জীৱনত বহু অনুষ্ঠান-প্ৰতিষ্ঠান, বাতৰি কাকত, আলোচনী, প্ৰচাৰ মাধ্যমে সাক্ষাৎকাৰ লৈছিল আৰু প্ৰিয় বন্ধু কোন সুধিলে সদায়ে কৈছিল 'দেৰেন গগৈ আৰু তেওঁ গুৱাহাটীৰ নিজৰাপাৰৰ বাসিন্দা।' জীৱন পৰিক্ৰমাত বিখ্যাত সাহিত্যিকগৰাকী বহু উচ্চস্তৰলৈ গ'ল আনকি ভাৰতবৰ্ষৰ সাহিত্য জগতৰ বহু উচ্চস্তৰীয় বন্ধু লগ পালে। কিন্তু জীৱনৰ শেষলৈকে তেখেতৰ প্ৰিয় বন্ধু সলনি নহ'ল। এয়াই তেখেতৰ মহানতা। দেউতাৰ ল'ৰা-ছোৱালী আমি চাৰিওটিয়ে সেয়েহে আজিও গৌৰৱবোধ কৰোঁ। এই ছেগতে তাৰৈ দেউতালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

●●●

# নটসূৰ্য ফণী শৰ্মাৰ স্মৃতিত

**কৃষ্ণা শৰ্মা**

১৯৭০ চনৰ ২০ জুন তাৰিখে তেজপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত কলাগুৰু বিষ্ণু ৰাভাদেৱৰ এবছৰীয়া মৃত্যু বাৰ্ষিকীৰ অনুষ্ঠানত নটসূৰ্য ফণী শৰ্মাই বোধকৰোঁ ৰাজহুৱা ভাৱে অন্তিমবাৰৰ বাবে দেখা দিছিল আৰু তাৰে এমাহ দহদিন পূৰ্ণ হওঁতেই ৩১ জুলাই তাৰিখে নটসূৰ্য্যই জীৱনৰ নাট সামৰি অসমৰ মঞ্চ জগতৰ পৰা চিৰবিদায় লৈছিল। তেখেত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল যদিও, সেইদিনা কাকো উমান দিয়া নাছিল যে তেখেতৰ শাৰীৰিক অসুস্থতা অত্যন্ত গুৰুতৰ আছিল। নিজৰ বেদনাখিনি নীৰৱে সহি গৈছিল। গেষ্ট্ৰিক আলচাৰ বুলি ভাবি থকা কৰ্কট ৰোগৰ বিষৰ বেদনা তেখেতে সহি থাকিলেও

কোনেও গম পোৱা নাছিল। এয়াই আছিল নটসূৰ্য। অভিনয়েই যাৰ জীৱন। বহু বছৰ আগতে কলিকতাত এখন নাটক মঞ্চস্থ কৰাৰ প্ৰাক্-মুহূৰ্তত তেখেতৰ প্ৰথম পুত্ৰৰ আকস্মিক মৃত্যুৰ বাতৰি তেজপুৰৰ পৰা কলিকতালৈ কঢ়িয়াই নিয়া টেলিগ্ৰাম এখন নটসূৰ্যৰ হাতত পৰে। ঠিক থিয়েটাৰৰ এটি দৰ্শনীৰ আগ মুহূৰ্তত পুত্ৰৰ মৃত্যুৰ বাতৰিটো পঢ়ি কাকো নজনাই নিজৰ পকেটত ভৰাই থয় আৰু তেখেতৰ সুন্দৰ অভিনয়ৰ মাজেৰে নাটখনিৰ সমাপ্তি ঘটে। দৰ্শনীৰ শেষত টেলিগ্ৰামখন পকেটৰ পৰা উলিয়াই হাতত লৈ হুকহুকাই কান্দে। তেতিয়াহে সকলোৱে কথাটো গম পাইছিল আৰু তেখেতক সান্ত্বনা দিছিল।

সোণৰ চামুচ মুখত লৈ ওপজা ফণী শৰ্মাই কোনোদিন বিষয় সম্পত্তি লৈ ব্যস্ত হোৱা নাছিল। ব্যস্ত হৈ থকা হ'লে হয়তো তেখেতে পিতৃৰ অগাধ সম্পত্তিৰ অধিকাৰী হৈ বহুত কিবা কিবি কৰিব পাৰিলেহেঁতেন। সুখ-স্বাচ্ছন্দ্যৰে ভৰা জীৱন অতিবাহিত কৰিব পাৰিলেহেঁতেন, কিন্তু অসমৰ নাট্যজগতত হয়তো এজন নটসূৰ্যৰ সৃষ্টি নহ'লহেঁতেন। সৰুকালৰে পৰা তেখেতক যেন ৰঙ্গমঞ্চইহে হাত বাউল দি মাতিছিল। নিজেই এঠাইত লিখিছে, হাইস্কুলত পঢ়ি থকা অৱস্থাত বাণ-ৰঙ্গমঞ্চত থিয়েটাৰৰ দৰ্শনীৰ সময়ত কেনেকৈ গেটকিপাৰ হৈছিল। তাৰপিছত তেখেতে মঞ্চৰ লগত এনেদৰে সাঙোৰ খাই পৰিছিল যে মৃত্যুৰ আগলৈকে মঞ্চই তেখেতক কেতিয়াও এৰি দিয়া নাছিল আৰু নিজৰ জীৱনত সম্পূৰ্ণৰূপে অভিনয়তেই মনোনিৱেশ কৰিছিল।

ফণী শৰ্মাৰ পিতৃদেৱ আছিল প্ৰয়াত মোলান চন্দ্ৰ শৰ্মা। তেখেত সেইসময়ত তেজপুৰ কোৰ্টৰ এগৰাকী পেস্কাৰ আছিল। পিতৃ মোলান শৰ্মাৰ চাৰিগৰাকী কন্যাৰ মাজত ফণী শৰ্মা আছিল একমাত্ৰ পুত্ৰ সন্তান। গতিকে সকলোৰে অতি মৰমৰ আছিল। তেজপুৰ কলিবাৰীৰ এই ঘৰখন আছিল এক পুৰণি আঢ্যৱন্ত পৰিয়ালৰ ঘৰ। পিতৃ মোলান শৰ্মাৰ খুৰাক আছিল প্ৰয়াত ৰায়বাহাদুৰ বেথাৰাম শৰ্মা। তেখেতসকল সকলো একেটা পৰিয়ালৰ মাজতে আছিল। নিজৰ ঘৰতে লাইব্ৰেৰী আছিল। ল'ৰা-ছোৱালীয়ে ঘৰতে অভিনয় কৰিছিল। পৰিয়ালৰ সকলো সদস্যই খেলা-ধূলা, অভিনয় আদিৰ চৰ্চা কৰিছিল। সেইসময়ৰ তেজপুৰৰ প্ৰখ্যাত অধিবক্তা প্ৰয়াত চন্দ্ৰ শৰ্মা, স্বাধীনতা সংগ্ৰামী প্ৰয়াত ৰমা শৰ্মা আৰু প্ৰয়াত ফটিক শৰ্মা এই সম্ভ্ৰান্ত পৰিয়ালৰেই সদস্য আছিল। ফটিক শৰ্মা এগৰাকী ভাল বেহেলা বাদকো আছিল। প্ৰসিদ্ধ চিকিৎসক তথা টেনিচ তাৰকা ডঃ গোবিন্দ শৰ্মা তেখেতৰ খুৰাক আছিল। ককায়েক (বৰদেউতাকৰ পুতেক) প্ৰয়াত ৰমেশ শৰ্মাও এজন সুদক্ষ অভিনেতা আছিল। নৃত্যগুৰু প্ৰয়াত জীৱেশ্বৰ গোস্বামীও তেখেতৰ পেহীয়েকৰ পুতেক আছিল।

ফণী শৰ্মাৰ দেউতাক এজন সাংস্কৃতিক অনুৰাগী ব্যক্তি আছিল। ক্লাছ নাইনত পঢ়ি থাকোঁতে এবাৰ দেউতাকে তেখেতক কলিকতা চহৰ ফুৰাবলৈ লৈ গৈছিল আৰু তাত তেখেতক থিয়েটাৰো দেখুৱাইছিল কিয়নো দেউতাক আছিল সংস্কৃতি অনুৰাগী ব্যক্তি। সেই সময়ত তেজপুৰ অসমৰ সাংস্কৃতিক জগতৰ কেন্দ্ৰবিন্দু আছিল আৰু নটসূৰ্যই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, অভিন্ন হৃদয়ৰ বন্ধু বিষ্ণুপ্ৰসাদ ৰাভা আদি মহান শিল্পীসকলৰ সৈতে সাংস্কৃতিক দিশতে ধাৱমান হৈছিল। তেখেতৰ পিতৃদেৱ সাংস্কৃতিক অনুৰাগী ব্যক্তি আছিল যদিও নিজ পুত্ৰক এই দিশত সমৰ্থন কৰা নাছিল। পুত্ৰৰ সাংস্কৃতিক কৰ্ম-কাণ্ডত

মনত বৰ আঘাত পাইছিল। তেখেতে বিচাৰিছিল, আন দহজনৰ দৰে তেখেতৰ ল'ৰাও পঢ়া-শুনাতেই ব্যস্ত থাকক।

নটসূৰ্য ফণী শৰ্মা আছিল এক অসাধাৰণ ব্যক্তিত্বসম্পন্ন পুৰুষ। বাটেৰে যেতিয়া তেখেতে সেই বিশেষ ভঙ্গীৰে খোজকাঢ়ি গৈ থাকে, তেখেতৰ মুখৰ ফালে চাবলৈ সাধাৰণ মানুহে সাহস নকৰিছিল। কিন্তু ভিতৰি ভিতৰি তেখেত আছিল অত্যন্ত কোমল হৃদয়ৰ মৰমিয়াল ব্যক্তি। কলিবাৰীৰ সকলো সৰু সৰু ল'ৰা-ছোৱালী আৰু ভাই-ভনীক খুব মৰম-স্নেহ কৰিছিল। কেতিয়াবা তেওঁলোকক লৈ পিকনিক পাতিছিল আৰু পিকনিকত নিজেই ৰান্ধি-বাঢ়ি সকলোকে খুৱাইছিল। তেখেত অত্যন্ত খাদ্যৰসিকো আছিল। বিহুৰ উৰুকাত সকলোকে লগত লৈ নিজে ভোজ ভাত ৰান্ধি-বাঢ়ি খুৱাইছিল। অত্যন্ত বহল হৃদয়ৰ ব্যক্তি আছিল নটসূৰ্য। খুৰাকৰ ছোৱালী ভনীয়েক দুজনীক লগত লৈ অভিনয় শিকাইছিল আৰু বাণ ৰঙ্গমঞ্চত অভিনয় কৰাৰ সুযোগ দিছিল। কলিবাৰীৰ সকলোৱে তেওঁলোকৰ সেই পুৰণা স্মৃতি আজিও ৰোমন্থন কৰে।

তেখেতৰ কলমতে সৃষ্টি হৈছিল— কিয়, ক'লা বজাৰ, এমুঠি চাউল, ভোগজৰা, চিৰাজ, মিচৰ কুমাৰী আদিৰ দৰে যুগজয়ী নাটক য'ত তেখেতে অভিনয়ো কৰিছিল। তেখেতৰ ৰচিত শেষৰখন নাটক আছিল নাগপাশ। নাগপাশ ৰচনা কৰোঁতে তেখেতে কৈ গৈছিল আৰু বৰজীয়ৰী ৰুমি বাইদেৱে লিখি গৈছিল।

পিয়লি ফুকন, ধুমুহা, পুৱতি নিশাৰ সপোন, কেঁচাসোণ আদি ছবিকেইখনত অভিনয়ৰ লগতে তেখেতে পৰিচালনাও কৰিছিল।

তেখেতে অভিনয় কৰা চিনেমাসমূহ আছিল জয়মতী, ইন্দ্ৰমালতী, সতী বেউলা, সৰাপাত, এৰাবাটৰ সুৰ, আমাৰ ঘৰ, শকুন্তলা, নৰকাসুৰ, ইটো সিটো বহুতো, মণিৰাম দেৱান আৰু প্ৰতিধ্বনি।

এইগৰাকী মহান শিল্পীৰ শেষৰফালে অৱস্থা স্বচ্ছল হৈ থকা নাছিল। জীৱনৰ বিয়লি বেলাত আৰ্থিক অনাটনৰ মাজতে তেখেতে পৰিয়াল পোহপাল দিছিল। তেখেতৰ পত্নী মনোৰমা দেৱী হাঁহিমুখীয়া সাদৰী মৰমিয়াল মহিলা আছিল কিন্তু আৰ্থিক সংকটৰ কথা কেতিয়াও কাৰো আগত ব্যক্ত কৰা নাছিল। সন্তানসকলেও দেউতাকক সদায় সকলো কামত সহযোগ আগবঢ়াইছিল আৰু পঢ়া-শুনা কৰি আত্মনিৰ্ভৰশীল হৈছিল।

এগৰাকী শিল্পীৰ জীৱন, বহু কষ্ট কৰি নিজৰ অৰ্থৰ ভঁড়াল উদং কৰি অসমীয়া সাংস্কৃতিক জগতৰ ভঁড়াল চহকী কৰি থৈ গ'ল— তাৰ বাবে সমগ্ৰ অসমীয়া জাতিয়ে তেখেতক যুগে যুগে স্মৰণ কৰি যাব।

বিষ্ণুপ্ৰসাদ ৰাভাৰ অভিন্ন হৃদয়ৰ বন্ধু ফণী শৰ্মাই ৰাভাদেৱৰ মৃত্যু হোৱা সময়ত তেওঁৰ কাষতে আছিল কিন্তু যেতিয়াই মৃত্যু হোৱা বুলি গম পাইছিল, লগে লগে ঘৰলৈ আহি ৰাভাদেৱৰ দুই পুত্ৰক দুইহাত মেলি আঁকোৱালি লৈ সান্ত্বনা দিছিল।

ফণী শৰ্মা অসমৰ নাট্যজগতৰ সূৰ্য্যৰ দৰেই সদায় জিলিকি থাকক! তেওঁৰ শেষ আশা আছিল চিৰাজ ছবিখনৰ কাম সম্পূৰ্ণ কৰি যোৱা, কিন্তু জীৱিত অৱস্থাত সেই আশা অপূৰ্ণ হৈ ৰ'ল। আজি

নটসূৰ্যৰ মহাপ্ৰয়াণৰ দিনটোত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।

●●●

# অৰ্চনা মহন্তৰ মৃত্যুত

**শৰৎ বৰকাকতি**

অৰ্চনা বাইদেউৰ মৃত্যুৰ খবৰ অসমৰ সঙ্গীতপ্ৰেমী সকলৰ বাবেই নহয় প্ৰতিজন অসমীয়াৰ বাবেই এক গভীৰ শোকৰ কাৰণ। খগেন মহন্ত আৰু অৰ্চনা মহন্তই যুটীয়াভাৱে অসমৰ সঙ্গীত জগত কেইবাটাও দশক ধৰি মোহাচ্ছন্ন কৰি ৰাখিছিল। বিহুৰ মঞ্চত সেই চিনাকি যুটীৰ আধুনিক গীত আৰু বিহুগীতৰ পৰিৱেশন আমাৰ সমাজ জীৱনৰ অঙ্গ হৈ পৰিছিল। তেওঁলোক দুয়োৰে আধুনিক গীতবোৰতো এক লোকজীৱনৰ সুৰৰ সৰলতা আৰু মাধুৰ্য্য বিৰাজ কৰিছিল। তাৰ লগতে কেশৱ মহন্তদেৱৰ চহা আৰু মাটিৰ ৰসেৰে সংপৃক্ত গীতৰ কথা মিলি সুৰৰ ইন্দ্ৰজাল সৃষ্টি কৰিছিল যি অসমীয়াৰ মনোজগতক আলোড়িত কৰি ৰাখিছিল।

অৰ্চনা বাইদেউৰ একক গীতসমূহো আমাৰ মনত চিৰযুগমীয়া -'ঐ ফুলপাহ হালিছ', শালিকীঅ' অবুজন চৰাইজনী' আদি।

অৰ্চনা বাইদেৱে ইহজগতৰ পৰা বিদায় লোৱাৰ লগে লগে আন এটা হাহাকাৰ ধ্বনি যেন গুমৰি উঠিছে। পৃথিৱীত, বিশেষকৈ ভাৰতৰ আন প্ৰদেশবোৰত আছে বুলি নাজানো কণ্ঠশিল্পীৰ সফল যুটী। খগেন মহন্ত অৰ্চনা মহন্ত; দিলীপ শৰ্মা সুদক্ষিণা শৰ্মা; ৰামেশ্বৰ পাঠক-ধনদা পাঠক; ভৱেশ ঠাকুৰ-ৰুণুমী ঠাকুৰ এইসকলে অসমীয়া সঙ্গীতক এক অনুপম, বিৰল ধাৰা দি থৈ গৈছে। দুখৰ কথা সেই যুটীবোৰ বহু আগতেই কালৰ কুটিল চক্ৰত স্মৃতিৰ অংশ হৈ পৰিছে। অৰ্চনা বাইদেউৰ বিয়োগত যুটীবোৰৰ মহিমামণ্ডিত দিনবোৰ চিৰদিনৰ বাবে হেৰাই যোৱাৰ বেদনাই মনটো আকৌ এবাৰ ভাৰাক্ৰান্ত কৰি তুলিছে।

ব্যক্তিগতভাৱে মই অৰ্চনা বাইদেউক পাইছোঁ- খগেনদাৰ সৈতে দুয়ো যেতিয়া মোৰ গাঁৱত নিমন্ত্ৰিত অতিথি শিল্পী হিচাপে গীত পৰিৱেশন কৰিবলৈ আহিছিল আৰু আয়োজকসকলে নিশাৰ আহাৰৰ ব্যৱস্থা আমাৰ ঘৰতে কৰিছিল। তেতিয়া মই দিল্লীত থাকোঁ যদিও ছুটীত ঘৰলৈ আহিছিলোঁ আৰু পাপন দিল্লীলৈ পঢ়িবলৈ নতুনকৈ গৈছে বাবে পাপনৰ স্থানীয় অভিভাৱক হিচাপে খগেনদাৰ লগত ফোনেৰে ইতিমধ্যে কেইবাবাৰো যোগাযোগ হৈছে। তাৰ পিছত, দিল্লীত পাপনৰ ঘৰত, মোৰ ঘৰত, অসম এছোচিয়েচন, দিল্লীৰ অন্তৰঙ্গ আলাপত, ঘৰুৱা জলচাত বহুবাৰ লগ পাইছোঁ। অৰ্চনা বাইদেউক বৌ বুলি মাতোঁ, তেওঁ মৃদুভাষী, মোৰ কথাবতৰা বেছিভাগ খগেনদাৰ সৈতেই চলে। বৌয়ে শুনি মাজে মাজে মিচিকিয়াই হাঁহে, গান সম্পৰ্কীয় স্মৃতি ৰোমন্থনৰ সময়ত ভাগ লৈ দুটি এটি কথা মনত পেলাই দিয়ে। বৌৰ এক গাম্ভীৰ্যপূৰ্ণ

সুকীয়া ব্যক্তিত্ব আছিল যিটোৱে মনত শ্ৰদ্ধাৰ সঞ্চাৰ কৰে।

আজি অৰ্চনাবৌৰ বিয়োগৰ খবৰে সেই স্মৰণীয় মুহূৰ্তবোৰ মনলৈ আনিছে। তেওঁৰ মহান আত্মাই মহাজগতৰ সুৰীয়া চিৰশান্তিত স্থিতি লভক। সমাজ সচেতন নিৰ্ভীক মনৰ শিল্পী হিচাপে তেওঁলোক দুয়ো জনমানসত সদায় জীয়াই থাকিব সেইটো ধ্ৰুৱপ। দিল্লীত মোৰ তালৈ ভাত খাবলৈ নিমন্ত্ৰণ দি মোৰ গাড়ীত খগেনদাক লৈ গৈছোঁ,খগেনদা মোৰ গাড়ীত অকলে, অৰ্চনা বৌ পাপনৰ গাড়ীত কথাৰ মাজতে মই লিখা, ইতিমধ্যে শ্ৰোতাই অভাৱনীয় সঁহাৰি দিয়া গীত- ‘সন্ধ্যা যেতিয়া নামে... আইলৈ মনত পৰে’ৰ প্ৰসঙ্গ ওলাল। মোৰ গীতৰ কথাৰ প্ৰশংসা কৰাৰ লগতে খগেনদাই ক’লে-‘আচলতে পাপনেও দূৰত থাকি বৰ মিছ কৰে বাবে হয়তো গীতটো গাওঁতে তাৰ মনৰ আৱেগ সম্পূৰ্ণ ঢালি দিছিল বাবে মানুহৰ অন্তৰ মাকৰ চেনেহৰ কথাই চুই গৈছে।’ পাপনক সমবেদনা জনাবলৈ মই ভাষা বিচাৰি পোৱা নাই, কাৰণ মাৰ বিয়োগ কি সেয়া মাতৃক হেৰুওৱা মোৰ দৰে প্ৰতিজনেই অনুভৱ কৰে। জীৱনৰ দৰেই মৃত্যুও শাশ্বত বুলি স্বীকাৰ কৰি ল’ব লাগিব সেই মৃত্যুক।

●●●

# অসমৰ এজন টেনিছ তাৰকা আৰু চিকিৎসকক স্মৰণ

**কৃষ্ণা শৰ্মা**

কালি Doctors Day ৰ ৰাতি হঠাতে বহুত বছৰৰ আগতে এৰি যোৱা মোৰ অতি আপোন এজন ডাক্তৰলৈ কিয় জানো বৰকৈ মনত পৰিল। যিজন আছিল মোৰ অতি মৰমৰ ককা (মাৰ দেউতাক) এসময়ৰ ল’ন টেনিছৰ তাৰকা খেলুৱৈ তেজপুৰৰ গোবিন্দ শৰ্মা। আজি বহুত বছৰ হ’ল এই পৃথিৱী এৰি যোৱা। ১৯৭৮ চনতে মৃত্যু হৈছিল ককাৰ। ককাৰ তেতিয়া বোধকৰো ৮১ বছৰ মান হৈছিল। কিন্তু স্মৃতিবিলাক এতিয়াও সজীৱ হৈ আছে। ৰাতি দুৱাৰত টোকৰ পৰিলে লগে লগে ওলাই যায়। তেতিয়া ককাৰ ঘৰত কলিং বেল নাছিল। ৰাতি ককাৰ গাড়ীৰ ড্ৰাইভাৰো লগত নাছিল। কেতিয়াবা মানুহে গাড়ী লৈ নাহিলে তেওঁলোকে লৈ অনা ৰিক্সাতে মাজৰাতি বেমাৰীৰ ঘৰলৈ গৈছিল (তেতিয়া বেমাৰী বুলিয়েই কৈছিল) যিমান ৰাতিয়েই নহওক কিয়। তেতিয়া তেজপুৰৰ মানুহৰ ককাৰ ওপৰত অগাধ বিশ্বাস আছিল। মানুহৰ মুখতো শুনিছোঁ ককাৰ চিকিৎসাৰ কথা। নিজেই গুণ গাব বেয়া লাগে কিন্তু কিছুমান কথা তোমালোকক ক’বলৈ মন গৈছে কিয়নো এনেকুৱা এজন খেলুৱৈ ডাক্তৰৰ কথা আমাৰ প্ৰজন্মৰ হয়তো কাৰো জ্ঞাত নহয়।

Happy Doctors Day ককা।

এতিয়া আৰ্থিকভাৱে টনকিয়াল মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে ডাক্তৰ হোৱা বিশেষ ডাঙৰ কথা নহয়। কিন্তু বিশৰ দশকত অসমৰ পৰা গৈ কলিকতাত ডাক্তৰী পঢ়াটো সাধাৰণ মানুহৰ বাবে ডাঙৰ কথা আছিল।

ককা আছিল অসমৰ পঞ্চমজন M.B। তেতিয়া M.B.B.S নাছিল। ককাৰ নিজ মুখেৰে কেতিয়াও শুনা নাছিলোঁ বা কোনেও হয়তো সোধাৰ প্ৰয়োজনবোধ কৰা নাছিলোঁ। ককাৰ কথাবিলাক বেলেগৰ মুখতহে শুনিছোঁ। মাত্ৰ এজন মামাক ককাই কৈছিল হেনো ইয়াত খেলি কি কৰিবি? ভালকৈ পঢ়। খেলি তই একো নাপাৰ। মামাও এজন ৰঞ্জী ট্ৰফি খেলা খেলুৱৈ।

ককা আছিল সৰ্বগুণসম্পন্ন। নাটক কৰিছিল, ফুটবলাৰ, ভাল সাতোঁৰবিদ আছিল (চিলনি সাতোঁৰত বৰ পাৰ্গত আছিল)। তাৰ পাছত কলিকতালৈ গৈ কলিকতা মেডিকেল কলেজত পঢ়ি থাকোঁতে ল'ন টেনিছ খেলিবলৈ আৰম্ভ কৰিছিল আৰু এসময়ত বেংগল চেম্পিয়ন হৈছিল। তেওঁ ভাৰতক টেনিছ খেলাত প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছিল। জাপানৰ লগত জিকিছিল বোলে। কোৰিয়াৰ লগত হাৰিছিল।

১৯৩০ চনত বেংগল চৰকাৰে খেলাৰ সৰ্বোচ্চ সন্মান ‘Bengal Blue’ সন্মানেৰে সোণৰ মেডেলেৰে বিভূষিত কৰিছিল। পুৰণা খেলাৰ লগত জড়িত প্ৰায় সকলো মানুহৰে মুখত শুনিছিলোঁ ককাৰ কথা। ককাৰ বন্ধু হেনো আছিল তেজপুৰৰ প্ৰয়াত শিক্ষক কুমুদ শৰ্মাদেৰ, প্ৰয়াত শিক্ষক বসন্ত বৰুৱাদেৰ আদি। ককা ঢুকাওঁতে প্ৰয়াত পুলিন দাসদেৱে লিখিছিল পেপাৰত। প্ৰয়াত খেলুৱৈ সুৰেণ ৰাম ফুকনেও ককাৰ কথা কৈছিল (ককা পেহাক আছিল)। OILৰ প্ৰাক্তন CMO ড° জীৱন লস্কৰ খুৰাই লগ পালেই কৈছিল। তেখেত নিজেও এজন টেনিছ খেলুৱৈ আৰু ককাক দেখিছিল। তেতিয়া বোলে ব্ৰিটিছসকলে কলিকতাৰ ‘ছাউথ ক্লাব’ত ভাৰতীয় খেলুৱৈসকলক সহজতে Membership নিদিছিল। কিন্তু ককাৰ পাৰদৰ্শিতাৰ বাবে Membership দি খেলিব দিছিল। খেলিছিল আকৌ বোলে ধুতিত ডবল পোন্ধ মাৰি Tennis Shoes পিন্ধি। সকলোৱে ককাক চাবলৈ গৈছিল। পিছতো হেনো ব্ৰিটিছৰ দিনত চাহাবসকলৰ লগত তেজপুৰত থকা টেনিছ ক্লাবত, ঠাকুৰবাৰী ক্লাব আৰু অন্যান্য ক্লাবত খেলিছিল। পিছলৈ বোধকৰো লগ নোহোৱা বাবে খেলাও কমি গৈ গৈ নোহোৱা হ'ল। ককাই খেলাৰ বাহিৰেও আৰু এটা মেডেল পাইছিল Calcutta Medical Collegeৰ পৰা। সেইটো পঢ়া আৰু খেলাত সমানে পাৰদৰ্শী হোৱা বাবে। মেডিকেল পাছ কৰাত তাতে চৰকাৰী চাকৰিও আগবঢ়াইছিল বেংগল চৰকাৰে। কিন্তু বেংগলৰ চাকৰি নকৰি অসমৰ নিজৰ ঘৰখনলৈ ঘূৰি আহি নিজে ‘বিমলা ফাৰ্মাচী’ খুলি গোটেই জীৱন তেজপুৰত জনসাধাৰণক চিকিৎসা সেৱা আগবঢ়াইছিল। মোৰ মতে কিন্তু তাতে থাকি যোৱা হ'লে ককাই জীৱনত বহুত উন্নতি কৰিব পাৰিলে হয়। এবাৰ ককাক ইণ্ডিয়া লেভেলৰ খেলা এখন অপেন কৰিবলৈ মাতি সম্বৰ্ধনা জনাইছিল। তাৰ পাছত গোটেই জীৱন নিজক চিকিৎসাৰ বাবেই উৎসৰ্গা কৰিলে। ককা বৰ নিয়মানুবৰ্তিতাৰ মাজত আছিল। নিয়মিত ফ্ৰী হেণ্ড এক্সাৰছাইজ কৰিছিল। খোৱা-বোৱা সময়মতে কৰিছিল। অ' আচল কথা মানে হাত ধোৱাটো পাহৰিছোঁ। হাত নুধুলে হুলস্থূল- চাবোন, বাল্টিত পানী, মগ অনবৰত থাকেই। অনবৰত হাতেই ধুব দিয়ে। তেতিয়া বেচিন নাছিল। মই সেইদিনা হাত ধুই ধুই কথাটো কৈছোঁ। আহিয়েই সকলো কাপোৰ আৰু নিজে গা ধোৱে। এতিয়া যিটো চলিছে আমাৰ দিনবোৰ। চেণ্ডেল পিন্ধিলে গালি পাৰে। জোতা কিয় নিপিন্ধ? পুৰা খালী ভৰিৰে থাকিব দিয়ে। বহুত লিখিলোঁ। ককা প্ৰণাম।

●●●

# মই আৰু আই

**মূলঃ আমি ভালো নেই; কবি ঃ শ্ৰীজাত**

**অনুবাদ ঃ পংকজ কুমাৰ নেওগ**

আই, মই এতিয়া নৰিয়া পাটিত
কথাটো তোক জনাওঁ বুলিয়েই আছিলোঁ;
কিন্তু কিয় জানো কুণ্ঠাবোধ হ'ল;
মই যে তোক কাহানিও সোধা নাই,
"আই, তই কেনে আছ" বুলি।

আজন্ম তোৰ চেনেহবোৰ লভি
পোৱাৰ অভ্যাসচোন মোৰ বাবে
হৈ পৰিছে এক অধিকাৰ,
এক প্ৰকাৰ ধৰিয়েই লৈছোঁ ভালপোৱা
কেৱল তোৰেই কৰ্তব্য,
মোৰ অলপো নহয়।

আই, তই আছনে কুশলে বাৰু?
কিদৰে থাকিবি কুশলে?
ভৰা সংসাৰ, ভৰা পকেটেৰেও
জীৱন ডিঙ্গা মোৰ আজি নাজল-নাথল;
শূন্য এক গৃহত শূন্য হৃদয়েৰে
চলে জানো তোমাৰ একাকী জীৱন?

পুৰণি বাতৰ বিষটো
পাইছনে অলপ বাৰু ভাল?
অ' মই পাহৰিছোৱেই
তই মোক কৈছিলি এবাৰ,
বিষটোৱে পুনৰ উক দিছিল বুলি
তোক হেনো বাৰুকৈয়ে দিছে আমনি
কথাবোৰ আজিকালি যে বৰকৈ পাহৰা হ'লোঁ!

তথাপি আই, মোৰ এনে ভাব হয়
মোক তই চেনেহ কৰ আগৰ দৰেই,
যন্ত্ৰণাত তই মোক চেনেহৰ পৰশেৰে
দিবি আলফুলে শিৰত হাত বুলাই।

কথা এটি গুপুতে তোক সুধিছোঁ আজি
তোৰ ভালপোৱাত ক্লান্তি কিয় বাৰু নাই?
ক্লান্তিৰ ডাৱৰে ঢাকে মোৰ ভালপোৱাৰ সীমনা
মালবিকাৰ ভালপোৱাও আড়ষ্ট হৈ ৰয়,
কেৱল তোৰ ভালপোৱাখিনিহে নিতে সজীৱ অক্লান্ত
কিয় তেনে বাৰু, কবিনে মোক আই?

অতি সোনকালে তোৰ ওচৰ চাপিম
বুকুখনত অলপ দিবিনে হাত বুলাই?
যন্ত্ৰণাত পৰি আছোঁ বৰ ছটফটাই,
আছোঁ সঁচাকৈয়ে তোলৈ দিনবোৰ চাই।

আকাশ চুবলৈ আহিছিলোঁ সাত সাগৰ পাৰ হৈ,
আকাশখন আকাশতে থাকিল;
ভৰিৰ পৰাহে মাথোঁ মাটি আঁতৰি গ'ল;
আই— তই বুকুৰ পৰা আঁতৰিলি
লোক, জন সকলো পৰ হৈ নাইকিয়া হ'ল!
জনাকীৰ্ণ নিউইয়ৰ্কৰ পথত
ধৰিবলৈ আজিকালি
তোৰেই আঙুলি বিচাৰি ফুৰোঁ;
কোনোবা জয়াল এখন হাবিত,
মোৰ যে হেৰাই যোৱাৰ বৰ ভয়।
সিহঁত সকলোবোৰ মোৰ অপৰিচিত
কথা পাতিলেও সৰ্বক্ষণ হৃদয়ৰ সংযোগ বিচ্ছিন্ন
স্পৰ্শ কৰিলেও যেন সকলো অনুভূতিহীন।

আই, তই জান বোধকৰোঁ—
অভ্যাসৰ এটা ক্ষয়িষ্ণু ক্ষমতা আছে;
অমৃতো শনৈঃ লুণীয়া যেন ভাব হয়!
তোৰ বুকুভৰা ভালপোৱাও যেন
অভ্যাসত লাহে লাহে পৰিণত হৈছিল।
প্ৰতিদিন মধুপৰ্কৰ অমৃত আস্বাদে
মৌক জানো মৌ কৰি ৰাখে?
আজি বহু যোজন দূৰৈত স্নেহচ্যুত হৈ
সাত সাগৰৰ পাৰত,
তোৰ ভালপোৱাখিনিৰ বাবে
আকুল হৈ আছোঁহি পৰি!

ক্ষয়িষ্ণুতাৰ কাৰণে হয়তো মালবিকাৰ প্ৰেমো
আজিকালি নিৰুদ্বেগ, নিতাপ;
আমাৰ সম্পৰ্কও মাথোঁ যেন আজি
ৰস-গন্ধহীন অলস অভ্যাস;
নদী আছে, সোঁত নাই,
বায়ু আছে, বেগ নাই,
জীৱন আছে, প্ৰৱাহ নাই।
সকলো নিদাৰুণ স্থাণু বৰ্তমান!

তইয়েই কচোন বাৰু আই,
জীৱনত প্ৰৱাহ কিদৰে ধৰি ৰখা যায়?
মাজে মাজে ভাব হয়;
অভ্যাসৰ আসক্তিয়েই ইয়াৰ কাৰণ,
চিনাকি ঘৰ, চিনাকি জগতৰ বাহিৰত
খোজ দিবলৈ আমাৰ যে বৰ ভয়
মানুহে হৃদয়ঙ্গম কৰে অভ্যাসতে জীৱনৰ মৃত্যু,
অথচ অভ্যাস কদাপি নহয় কাৰো পৰিত্যাজ্য!
সেয়েহে হেৰাই যায় স্ৰোতস্বিনী জীৱন প্ৰৱাহ
আৰু ধীৰে ধীৰে পুঞ্জীভূত হয়,
বিষাদ আৰু যন্ত্ৰণাৰ ঘনঘোৰ কলীয়া ডাৱৰ!

আই, মোৰ আজি একোৰে অভাৱ নাই
কিন্তু তথাপি কিয় জানো ৰিঙা ৰিঙা এটা ভাব;
মালবিকাই বুকুখন লাহে লাহে মোহাৰি দিয়ে
কিন্তু যন্ত্ৰণাৰ উপশম নহয়
বেদনা উভতি আহে হিংস্ৰ হৈ বাৰম্বাৰ।

এতিয়া মই বৰ অসুখীয়া, আই
বিষাদৰ অন্ধকূপ এটালৈ ধীৰে ধীৰে গৈছোঁ সোমাই
নিজে পতা যন্ত্ৰণাৰ জালখনতে যেন
পৰিছোঁ লাহে লাহে মেৰপেছ খাই।

ঘৰ, গাড়ী, ধন, ঐশ্বৰ্য্য—
ভাবিছিলোঁ সকলোবোৰ সুখৰ বাহক;
কিন্তু এতিয়া দেখিছোঁ এই সকলোবোৰ
মাথোঁ যন্ত্ৰণাৰহে ধাৰক।

আজি মোৰ সুন্দৰ দাঁত আছে— হাঁহি নাই
সুঠাম শৰীৰ আছে— হৃদয় নাই
ডাঙৰ ঘৰ আছে— সুখ নাই
কিয় বাৰু এনে হ'ল, আই?

এতিয়া দেখিছোঁ পৰিশ্ৰমেও
সুখৰ বাট নিদিয়ে আঙুলিয়াই;
ডাঙৰ হ'লেও কোনো মহান নহয়;
জীৱনৰ গন্তব্য স্থানেই তেনেহ'লে
মই বাৰু হেৰুৱালোঁ নেকি, আই?

তোৰ কথা মোৰ এতিয়াও বৰকৈ মনত পৰে
তই কৈছিলি—
"পোনাকণ, জীৱনটোত খুব প্ৰাণখুলি হাঁহিবি
তেতিয়াহে সুখী হ'বি";

মই আজিকালি আৰু নাহাঁহো, আই
তোৰ নাতি পোৱালিটোৱে মোক ভেঙুচালি কৰে,
"দেতা, তোমাৰ মুখখন সদায়
ইমান কন্দনামুৱা কিয় ?
তুমি কেতিয়াও নাহাঁহা কিয়, দেতা ?"
মই সঁচাকৈয়ে হাঁহিবলৈ পাহৰিলোঁ আই,
মই যে চৰম ব্যাধিগ্ৰস্ত,
আই, মই এতিয়া নৰিয়া পাটিত !

# বাৰিষাৰ বুদ্ধি

(হাস্য কবিতা)

**শৰৎ বৰকাকতি**

কলহে ঢলা বৰষুণ...
গদাধৰ কেৰাণীৰ
দুনিশা টোপনি নাছিল
আজি কিন্তু সাত বজালৈ
নাকেৰে মাদল বজাই শুইছে ঠিক
তেওঁনো কি জানিছিল...
কোৰেৰিৰ পাৰ্মিটৰ বাবে আহি
খাতিৰ কৰি, মোটা ধন দিব বুলি
লুকুৱাই থোৱা ফাইলটো
বিধায়কৰ খুলশালিয়েকৰ বুলি।
সি অধম, জহনীত যোৱাটোৱে আহি
ওপৰৱালাক লগ পাব লাগে নে!
চালা যে চালাই সি—
'ফাইল বিচাৰি নাই পোৱা' বোলাত
খালে ভাৰস্তৰ গালি
সোমবাৰে ফাইল দাখিল কৰাৰ
পালে চূড়ান্ত জাননী
গদাধৰ কেৰাণী হ'ল
সাতঘাটৰ সৈয়াকণী
অফিচত সকলো যোৱাৰ পিছত
ফাইলটো উলিয়াই মনে মনে থৈ দিলে
সেইখন ৰেকৰ ওপৰত
য'ত বৰষুণ দিলেই পানী পৰে
টপৰ টপৰ...
বতৰ বিজ্ঞানীয়ে ফৰকাষ্ট কৰিছে
দোপালপিটা বৰষুণ আহিব হেনো দেওবাৰে।

# বহাগ বিহুৰ কিছু অনুভৱ...

কৃষ্ণা শৰ্মা

বহাগ বিহুৰ কিছু অনুভৱ... আৰু বিহুহীতত চেনিমাইৰ কথাৰে...
মোৰ বন্ধ কোঠাৰ খিৰিকীখন সজোৰে খুলি গ'ল,
এনেই বন্ধ—তই আপদীয়া ধুমুহা এতিয়া কিয় আহিলি?
হঠাতে ধুমুহাজাকে মোৰ চুলিকোচা জোকাৰি ক'লে—
মোৰ পাহৰিলি নেকি এইবাৰ?
মই লক্‌ডাউন চক্‌ডাউন একো নাজানো
মই ধুমুহা নহয় মই বৰদৈচিলা...
মোৰ মনত হঠৎ যেন বিজুলী সঞ্চাৰিত হ'ল— বৰদৈচিলা।
বৰদৈচিলা  এইবাৰ তোমাক পাহৰিয়েই গৈছিলোঁ...
চকুহালে মাথোঁ দেখি আছে কৰ'নাৰ কাঁইটীয়া ফুল
শীতল অনুভৱে পাহৰালে খিৰিকীখন বন্ধ কৰিবলৈ
মোৰ লক্‌ডাউনৰ সৰ্ব্বশৰীৰ বৰদৈচিলাই কঁপাই গ'ল।

আমি এতিয়া সকলো যেন পাহৰি গৈছোঁ কৰ'না নামৰ অশৰীৰী আত্মাৰ তাণ্ডৱ দেখি দেখি।

কিন্তু নহয়; বহাগ বিহুটিক কৰ'নাই কেতিয়াও বাধা দিব নোৱাৰে। বিহু অসমলৈ প্ৰকৃতিয়ে লৈ আনে। বিহু আপোনা-আপুনি অসমীয়াৰ পদূলি পায়হি। বাহিৰলৈ ওলাব নোৱাৰি - ঘৰতে কঁকাল ঘূৰাই ঘূৰাই নাচিছে অসমীয়াই। লগে লগে ফটো তুলি ৰাইজকো দেখুৱাইছে। এইবাৰ আমি বেছিহে আনন্দ কৰিছোঁ। কাৰণ আমি এইবাৰ ঘৰত আটায়ে একেলগে আছোঁ। কৰ'নাক আমাৰ পদূলিতে ভেটা দিছো।

প্ৰকৃতিৰ কি মনোমোহা ৰূপ! ফৰকাল আকাশ। ৰং-বিৰঙৰ ফুল। পুৱাই কুলি, দহিকতৰা, কপৌৰ মাত। ইমান স্পষ্টকৈ কেতিয়াও শুনা নাই।

আগতে পঢ়া অসমৰ কবি-লেখকসকলৰ বহাগৰ অনুভূতি/বৰ্ণনাসমূহ এতিয়াও আওৰাই ভাল লাগে।

কবি হীৰেন ভট্টাচাৰ্যৰ বহাগৰ বৰ্ণনাত—
মই খিৰিকীখন খুলি দিলো/
স্তব্ধতাৰ নিৰ্জন পোহৰত আমি আকৌ মুখামুখি হ'লো/
শিৰৰ সেন্দূৰেৰে সুন্দৰ আকাশৰ মুখত/

জিলিকি উঠিলে সোণোৱালী বহাগ/
আহ কি সুন্দৰ এই বহাগ/
কি যে মায়াৱী তাৰ লাৱনী হাত।
... ... ... ... ... ... ...
ৰাতি ঢোলৰ মাতৰ শিয়া গজে/
পেঁপাৰ মাতে পোখা মেলে/
ৰাতি বোকা ভঙা মনে দিচৈয়ে দিচাঙে শুনে বিহুৰ বিননি।

নটসূৰ্য ফণী শৰ্মাই লিখি থৈ গৈছে—

'মানুহৰ ফাকুৱা যোৱাত প্ৰকৃতিয়ে ফাকু খেলিবলৈ লাগিল। ৰঙৰ যেন প্ৰতিযোগিতাহে লাগিল। ফৰিং আহিল, সোণ পৰুৱা আহিল। গছৰ ডালে ডালে চৰায়ে চিএঃৰি তালফাল লগালে। ৰাতিও ৰক্ষা নাই। কেঁচু-কুমতি জিলি আদিয়ে অৰ্কেষ্ট্ৰা বজায়। ডাঙৰ-সৰু ভেকুলীয়ে মিলি বেন্দপাৰ্টি। এনে দিনতে এদিন ওচৰৰ গাঁৱত ঢোল-তাল, ম'হৰ শিঙৰ পেঁপাৰ মাত শুনি গা ৰাইজাই কৰি উঠিল—কোনোবা ডেকাই গালে—তুমিয়ে আমিয়ে পীৰিতি কৰিলো/ঈশ্বৰক কৰিলো সাক্ষী/চৰাই হোৱা হ'লে উৰি গ'লোহেঁতেন/তালৈকো নাইকিয়া পাখি—বিহু আহিল জানি পিছদিনাই ঘৰমুৱা হ'লো।'

প্ৰত্যেক অসমীয়াই বৰ হেঁপাহেৰে বাট চাই ৰয় বিহুলৈ। ঘৰৰ ল'ৰা-ছোৱালী ঢপলিয়াই আহে ঘৰখনলৈ। বিহু যেন প্ৰাণৰো আপোন—লগ-সমনীয়াক লগ পোৱা, নিজৰ গাঁও বা ওচৰ-চুবুৰীয়াৰ লগ হৈ মাঘ বিহুত একেলগে ভোজ ভাত খাই আনন্দ কৰা। গাঁওবোৰত বহাগ বিহুত হুঁচৰি গোৱা, বিহু মৰা— বিহুতকৈ বেছি আনন্দৰ উৎসৱ যেন একো নাই। নগৰ অঞ্চলত মাঘৰ বিহুত একেলগে উৰুকাৰ ভোজ খোৱা আৰু বহাগ বিহুৰ বিহু ফাংচন উপভোগ কৰি আনন্দ কৰা।

ভাৰতৰত্ন সুধাকণ্ঠৰ মতে — বহাগ বিহু অসমীয়া জাতিৰ আয়ুস ৰেখা।

অসমীয়া মানেই বিহু আৰু বিহু মানেই অসমীয়া।

বিহু অসমৰ বৰ্ণাঢ্য লোক জীৱনৰ এক অবিচ্ছেদ্য অংগ। বিহু উৎসৱৰ লগত বিভিন্ন লোকাচাৰ জড়িত হৈ থাকে তদুপৰি ওতপ্ৰোতভাৱে জড়িত হুঁচৰি, বিহুগীত আৰু বিহুনৃত্য — যিটো বৰ্তমান ৰঙালী বিহু বুলিলে সকলোৱে বুজি পায়। লোকাচাৰসমূহ পালন নকৰিলেও চহৰত ৰঙালী বিহুৰ নৃত্য আৰু ৰং-ধেমালিৰেই জাতি-বৰ্ণ নিৰ্বিশেষে পালন কৰে। বিহু অসমত কেতিয়াৰ পৰা পালন কৰা হৈছে তাৰ হেনো সঠিক সময় বিচাৰি পোৱা নাযায়। অতীজৰ পৰা বিহু সমগ্ৰ অসমতে পালন কৰি আহিছে। এটা সময় আছিল বিহুৰ নীতি-নিয়মৰ বাহিৰে বিহু হুঁচৰি আৰু বিহু গীতৰ প্ৰচলন উজনি অসমতে বেছি আছিল। এতিয়া কিন্তু সকলোতে সমানে পালন কৰা হয়। মঞ্চ বিহুৰ প্ৰচলন হোৱাৰ আগতে গাঁৱৰ ডেকা-গাভৰুৱে পথাৰত, নদীৰ পাৰত, বাৰীৰ পিছৰ গছৰ তল আদিত বিহু মাৰিছিল। গাঁৱৰ ৰাইজে গাঁৱৰ ঘৰে ঘৰে হুঁচৰি গাই ৰাইজক আশীৰ্বাদ দিছিল। এই আশীৰ্বাদৰ বাবে প্ৰতিঘৰ মানুহে বাট চাই ৰৈছিল - মংগলময় এটা

বছৰৰ বাবে। তাৰ পাছত এটা সময়ত অসমৰ কিছু নেতৃস্থানীয় লোকে বিহু নৃত্যত কিছু অশ্লীলতাৰ ইংগিত থকা বুলি প্ৰকাশ কৰাৰ পাছৰে পৰা ১৮৯৯ চনৰ আগষ্ট মাহৰ পৰা ব্ৰিটিছ চৰকাৰে বিহুনাচৰ ক্ষেত্ৰত এক নিষেধাজ্ঞা জাৰি কৰে। এই নিষেধাজ্ঞাত অসমীয়া লোক জাঙুৰ খাই উঠিছিল। এই ক্ষেত্ৰত পুৰণিগুদামৰ আনন্দ দাসে আগভাগ লৈ ওলাই আহিছিল। তেওঁ চৰকাৰৰ নিষেধাজ্ঞাৰ ওপৰত আবেদন জনাবলৈ তেতিয়াৰ দিনতে সুদূৰ পুৰণিগুদামৰ পৰা বাটকুৰি বাই আৰু ৰে'লত উঠি বহুতো কষ্ট কৰি গুৱাহাটী পাইছিলহি। লগত লৈ আহিছিল মহৎ ঢুলীয়া আৰু তেওঁৰ নাচনী ভনীয়েকক। উদ্দেশ্য আৱেদন জনোৱা আৰু বৰ চাহাবক এপাক বিহু মাৰি দেখুওৱা যাতে নিষেধাজ্ঞা উঠাই লয়। মহৎ ঢুলীয়াৰ ভনীয়েকে সুন্দৰ বিহু নাচিব জানিছিল। তেওঁলোক যথা সময়ত গুৱাহাটীলৈ আহি বৰ চাহাবৰ ওচৰত আবেদন জনালে আৰু আবেদনৰ শুনানিৰ সময়ত যেতিয়া চাহাবে বিহুনাচ চাব বিচাৰিলে, তেতিয়া ডেপুটি কমিচনাৰৰ ঘৰৰ সন্মুখত তিনিওজনে প্ৰায় এঘণ্টা ঢোলৰ ছেওৰ লগত বিহু নাচি প্ৰতিপন্ন কৰি দেখুৱাইছিল বিহু নৃত্য কৃষিজীৱি মানুহৰ নৃত্য। ইয়াত অশ্লীলতা একো নাই। কমিচনাৰ চাহাবেও বিহুনাচ নিজ চকুৰে দেখি পতিয়ন গ'ল যে এই নৃত্যত নিষেধাজ্ঞা দিবলগীয়া একো নাই। নগাঁৱৰ ওচৰৰ পুৰণিগুদামৰ সেই ছোৱালীগৰাকীৰ নাম আছিল 'চেনিমাই'। ১৮৯৯ চনৰ শেষৰ পৰা এখন অধিসূচনা যোগে এই নিষেধাজ্ঞা উঠাই দিয়া হয় আৰু অসমীয়া ডেকা-গাভৰুৰ মুকলি বিহুনৃত্য আজিলৈকে চলি আছে। অসমীয়াই আজি এই বিহু নাচ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। আজি এশ বছৰতকৈও আগতে 'চেনিমাই' ওলাই অহাটোও বৰ ডাঙৰ কথা। 'চেনিমাই'ৰ সাহসে অসমীয়া ৰঙালী বিহুৰ পুনৰ জন্ম দিলে। চেনিমাইৰ নাম নল'লে অসমীয়াই বিহুগীতত নাপায় বিহুৰ গোন্ধ। সেয়েহে আজিও অসমীয়াই গায়— অ' চেনিমাই...। চেনিমায়ে আজি এশ বিশ বছৰ আগে অসমীয়া বিহু নৃত্যৰ অস্তিত্ব ৰক্ষাৰ এখন যুঁজত জয়ী হৈ আহিছিল।

**(সহায় লৈ লিখা)**

●●●

# বন্ধু ঃ মোৰ জীৱন মোৰ ধাৰণাত

**বিৰাজ জ্যোতি গোস্বামী**

বন্ধু সম্পৰ্কে এই তিনিকুৰি বছৰত মোৰ এটা ধাৰণা গঢ়ি উঠিছে আৰু তাকে মই ব্যক্ত কৰিবলৈ ওলাইছোঁ।

বন্ধু শব্দটোৰ আচল সংজ্ঞা কিবা আছেনে নাই মই নাজানো। মোৰ মতে শত্ৰুতা নাথাকিলেই এজন পৰিচিতক মই বন্ধু বুলিয়েই ক'ম। সেই ভাৱেৰে জীৱনত সংস্পৰ্শলৈ অহা প্ৰায় সকলোৱেই মোৰ বন্ধু, কাৰণ শত্ৰভাবাত্মক চিন্তাৰ পৰা মই সদায়েই নিজক বিৰত ৰাখোঁ। এই চুটি জীৱনটোত হেঁপাহ পলুৱাই

ভাল পাবলৈকে সময়ৰ অভাৱ, শত্ৰুতাৰ বাবে সময় ক'ত?

মোৰ বন্ধুৰ বয়সৰ সীমাৰেখাও মই কেতিয়াও আঁকি থোৱা নাই। সাধাৰণতে খেল ধেমালিত কলেজীয়া জীৱন পৰ্য্যন্ত মোৰ বয়সৰ +/-৫ বছৰ বুলি ৰেখা এডাল নথকাও নহয়, কিন্তু পাছলৈ এই ৰেখাডালৰ ইলাস্তিচিটি বহুত বাঢ়ি গ'ল। এতিয়া আকৌ মোৰ কেৰম ক্লাবৰ বন্ধুসকলৰ প্ৰায়বোৰেই মোতকৈ কুৰি পঁচিশ বছৰে সৰু। আকৌ আধ্যাত্মিক বা বৌদ্ধিক জীৱনত মোৰ প্ৰায়বোৰ বন্ধু মোতকৈ দহ পোন্ধৰ বছৰে ডাঙৰ। উদাহৰণস্বৰূপে ড° গৌতম শইকীয়া মোতকৈ প্ৰায় পোন্ধৰ বছৰে ডাঙৰ যদিও মই তেখেতক মোৰ জীৱনত এজন অগ্ৰজৰ লগতে বৰ ভাল বন্ধু বুলি গণ্য কৰোঁ। তেনেকৈ চালে মোৰ দেউতা মোৰ জীৱনৰ আটাইতকৈ পৰম বন্ধুকেইজনৰ মাজত এজন আছিল।

তথাপি সামগ্ৰিক বা আক্ষৰিকভাৱে বন্ধু বুলি কলে শৈক্ষিক জীৱনৰ সহপাঠী আৰু দুবছৰমানৰ ইফালে সিফালে থকা লোকসকলকেই ধৰা হয়। এই দৃষ্টিকোণত থকা বন্ধুসকলো চাৰিটা ভাগত বিভক্ত যদিও জীৱন পৰিক্ৰমাৰ যিকোনো স্তৰতে একেজন বন্ধুৰ শ্ৰেণী সলনি হয়।

প্ৰথম হ'ল মোৰ জীৱনৰ প্ৰায় দেৰ হাজাৰমান সহপাঠী বন্ধু। দেউতাৰ মফচলীয় চাকৰিকালত মোৰ স্কুলীয়া বন্ধুৰ সংখ্যাৰ এটা আনুমানিক পৰিসংখ্যা হ'ব প্ৰায় আঠশমান (মোৰ জ্যোতিনগৰৰ বুনিয়াদী, নলবাৰীৰ ১ নং বুনিয়াদী, গৰ্ডন স্কুল, কটন কলেজিয়েট স্কুল ইত্যাদি ইত্যাদি)। তাৰ পিছত কটন কলেজ, মেডিকেল বা অন্যান্য উচ্চশিক্ষাৰ বাবে যোৱা প্ৰতিষ্ঠান সমূহৰতো আছেই। ইয়াৰ আকৌ বহুতক পৰৱৰ্তী কালতহে ভালদৰে গম পাইছোঁ তেওঁ মোৰ সহপাঠী বন্ধু আছিল বুলি। বহুতক আকৌ হাকোটা লগাই বন্ধুত্বৰ সীমাৰেখালৈ অনা হয় মোৰ কোনো অন্তৰংগ বন্ধুৰ ভাল বন্ধু বুলিহে। যেনে ডাঃ সংগীত দত্ত যদিও যোৱা দশকত মোৰ বন্ধু হৈছে, ৰুবুলৰ লগত থকা তেওঁৰ বন্ধুত্বৰ বাবেহে আমি ওচৰ চাপিছোঁ। বহুতে আকৌ মোৰ চেম্বাৰত আহি পৰিচয় দিয়াতহে মনত পৰে মোৰ সহপাঠীৰূপে। মই কিন্তু লগে লগে আপুনিৰ পৰা তুমিলৈ আহি সকলো বাহ্যিকতা বাদ দি মই তেওঁক বন্ধুত্বৰ শিকলিডাল পিন্ধাই দিওঁ। কাৰণ জীৱনকালত ধন অৰ্জাতকৈ বহুগুণে বেছি মই বন্ধু অৰ্জাত গুৰুত্ব দিওঁ।

দ্বিতীয়বিধ বন্ধু হ'ল "ভাল বন্ধু"। সাধাৰণতে মুঠ বন্ধুৰ ১০-১২ % এই ভাল বন্ধু থাকে। মোৰো আনুমানিক প্ৰায় ২০০ মান এনে জাতৰ বন্ধু আছে। তেওঁলোকৰ প্ৰত্যেকে মোক জীৱনৰ কোনোবা স্তৰত নিয়মীয়াকৈ সংগ দিছিল। লগ পাইছিলোঁ, একেলগে খেলিছিলোঁ, ফুৰিছিলোঁ, ঘৰলৈ বা ৰূমলৈ গৈছিলোঁ আৰু নিতৌ আড্ডা দিছিলোঁ। জীৱনৰ সোঁতত তাৰে বহুতৰ পৰা যোগাযোগ বিচ্ছিন্ন হৈছে। বহুতৰ নতুন ঠিকনাও নাজানো খবৰ এটা লবলৈ। কিন্তু হিয়াৰ কোনোবা কোণত প্ৰত্যেকেই এটা মিঠা সোঁৱৰণ হৈ থাকি গ'ল। আৰু হয়তো হঠাতে কেতিয়াবা জীৱনৰ কোনোবা প্ৰান্তৰত আকৌ লগ পালে উচ্ছ্বাসত উথলি উঠাৰ বাবে সেয়াই যথেষ্ট। এই ভাল বন্ধুৰ ৫-১০ % হৈ উঠে অন্তৰংগ বন্ধু। এই বন্ধু জীৱনৰ প্ৰতিটো স্তৰতেই সন্নিবিষ্ট আমাৰ সুখ দুখ হাঁহি কান্দোনৰ লগত। তেওঁৰ আগত মই মোৰ সমস্যাবোৰ প্ৰকাশ কৰিব পাৰোঁ, আলোচনা কৰিব পাৰোঁ। পুজা পাৰ্বণ বা ঘৰুৱা প্ৰতিটো অনুষ্ঠানৰ

অংশীদাৰ হয় তেওঁ। পৃথিৱীৰ যিটো কোণতেই তেওঁ নাথাকক কিয়, আমাৰ যোগাযোগৰ সূত্ৰডাল নিছিঙে। মোৰ জীৱনতো এনে ৭-৮ জন অন্তৰংগ বন্ধু আছে যাক মই মোৰ অন্তৰৰ কোঠাটোৰ ভেণ্টিলেটৰ হিচাপে গণ্য কৰোঁ। তেওঁলোক মোৰ জীৱনলৈ বিভিন্ন স্তৰত আহিছে কিন্তু অন্তৰংগ শ্ৰেণীলৈ উত্তৰণত হয়তো বহু সময় লৈছে বা আন এটা স্তৰত হৈছে। ৰুবুল আৰু মই কাপোৰ নিপিন্ধা স্তৰৰেই বন্ধু, দুয়োটাৰে মা দুজনীয়ে আমাক একেখন বিছনাত শুৱাই থৈ মেল মৰা দিনৰ পৰা। কিন্তু মোৰ জীৱনৰ চতুৰ্থ দশকতহে সি মোৰ ভাল বন্ধুৰ পৰা অন্তৰংগ শ্ৰেণীলৈ উত্তৰণ হৈছে। এই অন্তৰংগতাও কিন্তু আপেক্ষিকভাৱে এটা মনৰ ভ্ৰম হ'বও পাৰে। যেনেকৈ মই এসময়ত মোৰ আটাইতকৈ অন্তৰংগ বুলি বিবেচিত হোৱা এজনক পাছত কিছু অমাৰ্জনীয় অপৰাধৰ পৰিপ্ৰেক্ষিতত মোৰ জীৱনৰ পৰা পৰিত্যাগ কৰিব লগা হৈছে, যিটো মোৰ জীৱনৰ এটা অতি মুচিব নোৱৰা সন্তাপ বুলি মই গণ্য কৰোঁ। সেইটো মই ভ্ৰম বুলি কলোঁ কাৰণ অন্তৰংগতাৰ কোনো প্ৰস্থানদ্বাৰ জীৱনত থাকিব নোৱাৰে। একমাত্ৰ মৃত্যুৱেহে শাৰীৰিকভাৱে আঁতৰাব পাৰে এই বন্ধুত্ব, যেনেকৈ মোৰ জীৱনৰ পৰা আতৰাই নিলে সুৰজিত আৰু ইক্ৰামক।

বন্ধুৰ এই চাৰিটা ঐককেন্দ্ৰিক বৃত্তৰ একেবাৰে ভিতৰৰ অতি সৰু বৃত্তটো হ'ল আত্মিক বন্ধু, যাক আমি soul mate বুলি কওঁ। বৃত্তবোৰ বাহিৰৰ পৰা এটা এটাকৈ ভেদি এজন বা দুজন এই আত্মাৰ সংযোগলৈ আহে বা কোনো কোনোৰ হয়তো এনে বন্ধুৰ সৌভাগ্য জীৱনকালতো নহ'ব পাৰে। এনে বন্ধুৱে সমস্যা বা অন্তৰ্নিহিত বেদনা মুখ খুলি প্ৰকাশ কৰাৰ আগতেই তাৰ উমান পায় বা কেতিয়াবা আগন্তুক সমস্যাৰ পূৰ্বানুমান কৰিবও পাৰে। টেলিপেথি শব্দটোও বাৰে বাৰে প্ৰমাণিত হয় এই বন্ধুৰ লগত। ইক্ৰামৰ আকস্মিক মৃত্যুৰ আগদিনা সন্ধিয়া মই তাক এখন ইক' কৰিবলৈ কৈছিলোঁ আৰু সি আচৰিতভাৱে মোক সুধিছিল কিয় কৈছোঁ বুলি কাৰণ কেইদিনমানৰ পৰা বুকুৰ বিষ অলপ হৈ থকাৰ কথা সি মোক কোৱাই নাছিল। কিন্তু তাৰ হতাশা আৰু মানসিক ধুমুহা এটাৰ বাবেহে তাক মই কৈছিলোঁ। তাৰ প্ৰেচাৰটোও অলপ তাৰতম্য অৱশ্যে কিছুদিনৰ পৰা হৈ আছিল। সি মোক আশ্বাস দিছিল পাছদিনা সি হাৰ্ট স্পেচিয়েলিষ্টৰ কাষলৈ যাব বুলি, কিন্তু তাৰ প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়েই ৰ'ল। দোকমোকালিতে তাক নিয়তিয়ে হেঁচা মাৰি ধৰিলে আৰু বেলি উঠাৰ পাছতেই মোৰ হাতখন ধৰি থাকি সি উশাহ সামৰিলে।

বন্ধুত্বৰ প্ৰথম আৰু একমাত্ৰ চৰ্তটো হ'ল নিঃচৰ্ত সম্বন্ধ স্থাপন কৰা। পৰাপক্ষত কোনো ভুল বুজাবুজিৰ সুবিধা নিদি অথচ প্ৰয়োজন সাপেক্ষে শুধৰাই দিবলৈ সাহস ৰাখি আৰু বন্ধুৰ সুখ আৰু দুখত সমানেই সমভাগী হোৱা এক অপূৰ্ব সম্বন্ধয়েই হ'ল বন্ধুত্ব। নিৰ্লোভ প্ৰেমৰ নিদৰ্শন হ'ল বন্ধুত্ব। এটা কৃতজ্ঞ দৃষ্টিত এই সম্বন্ধ আগবঢ়াব লাগে যে তেওঁ মোৰ জীৱনটোৰ এটা অংশত মোক সংগ দিছিল। হয়তো গুৰু নানকে তেওঁৰ দোহাত ইয়াকেই বুজাইছে -

"উৎনা হী উপকাৰ সমঝ কোই
জিৎনা সাথ নিভায়ে
জনম মৰণ কা মেল হে সপনা

য়ে স্বপনা বিছ্ৰা দে

সংগ না কোই মৰে”

বন্ধুৰ ক্ষেত্ৰ ত মই বৰ ভাগ্যশালী। চাৰিওটা বৃত্ততেই সংখ্যা বুজন, কিন্তু তাতোকৈ ডাঙৰ কথা অন্তৰ্মুখী গতি বহিৰ্মুখী গতিতকৈ, অৰ্থাৎ বাহিৰৰ বৃত্তৰ পৰা ভিতৰৰ বৃত্তলৈ প্ৰব্ৰজন, বহুত বেছি। আৰু বয়স যিমানেই বাঢ়িছে এই প্ৰব্ৰজনো ক্ষীপ্ৰ হৈ উঠিছে। স্কুল বা কটন কলেজৰ বহুতো কেৱল সহপাঠী বন্ধুৰ পৰা যোৱা দহ বছৰত ভাল বন্ধু হৈ পৰিছে তাৰে কেইজনমান অন্তৰংগ। হয়তো আগৰছোৱা জীৱনত আত্মপ্ৰতিষ্ঠাৰ নিগনি দৌৰত মই এই উত্তৰণৰ সুবিধা দিয়া বা লোৱা নাছিলোঁ। বন্ধুপ্ৰাণ মই সৰুৰেপৰা আছিলোঁ। কিন্তু এতিয়া এই শব্দটোৰ জীৱন্ত প্ৰমাণ হৈ পৰিছোঁ। মই ক্ৰমান্বয়ে বেছি উপলব্ধি কৰিছোঁ যে মই হয়তো বন্ধু হিচাপে বৰ ভাল নহ’ব পাৰোঁ কিন্তু মোৰ প্ৰতিজন বন্ধুৱেই একোটা অমূল্য ৰত্ন আৰু মোৰ পাছৰছোৱা জীৱনৰ সহযাত্ৰী।

●●●

# Build Attitude

**শৰৎ বৰকাকতি**

আজি বিহু... ৰঙালী বিহু। বাৰাণ্ডাৰ মুঢ়াটোত বহি পুৰাই উদাস মনেৰে আকাশখনলৈ চাই আছোঁ। সিদিনা টেলিফোনত দিল্লীৰ অসম ভৱনৰ ৰঙালী বিহু উৎসৱলৈ যেনে তেনে যাবই লাগিব বুলি এজনে দাবী কৰোঁতে মই বুজাইছিলোঁ- ‘৩০ বছৰৰ পিছত এইবাৰ গাঁৱৰ বিহু পাম, গতিকে এই সুযোগ এৰি নেযাওঁ দিয়ক।’ গাঁৱত চল্লিশ বছৰৰ পিছত আকৌ আৰম্ভ হোৱা ‘ৰূপকোঁৱৰ মইনা মেল’ৰ সদস্য প্ৰায় ৫০ জন মইনাই একেলগে হুঁচৰি গাব বুলি ৰিহাৰ্চেল আৰম্ভ কৰিছিল। আনফালে বৰনামঘৰৰ প্ৰতিষ্ঠাৰ দুশ বছৰীয়া উৎসৱ উদ্‌যাপনৰ বাবে অৰ্থ সংগ্ৰহৰ উদ্দেশ্যে ৰাইজে মিলি তিনিদিন হুঁচৰি গোৱাৰ প্ৰস্তাৱ সম্পাদক হিচাপে মই দিয়েই থোৱা আছিল।

কিন্তু আজি... কোভিড - ১৯ক প্ৰতিহত কৰাৰ উদ্দেশ্যত, নিজক তথা দেশৰ মানুহক বচাবলৈ আমি আজি গৃহবন্দী... বাৰীৰ পিছফালে কুলিজনীয়ে হঠাতে বিনাই উঠিল। অজানিতে বুকুৰ পৰা এটা হুমুনিয়াহ ওলাই আহিল।

পৰিবাৰে চোতালৰ সৰা পাতবোৰ সাৰি এচুকত জ্বলোৱাৰ পিছত চাহ দুকাপ আৰু আটাৰে নিজে ভজা কেকপিঠা লৈ আহি মোৰ কাষৰ আন এটা মুঢ়াত বহিলহি। অলপ সময় দুয়োৰে মুখত এটাও শব্দ নাই। তেঁৱেই প্ৰস্তাৱ দিলে ‘বিহুগীত এটা লগাই দিয়াচোন।’ মবাইলত ইউ টিউব খুচৰি, জুবিন আৰু মানস ৰবীনৰ পাঁচোটা বিহুগীতৰ এটা এলবাম পাই ফুল ভলিউমত বজাই দিলোঁ। চহা চহা ভাষাৰে ধুনীয়াকৈ কথাবোৰ সজাই বৰ মনোমোহাকৈ গাইছে। গোটেইকেইটা শুনি মন ভৰি গ’ল আৰু নিজকে

সুধিলোঁ- 'লকডাউন নথকা হ'লে এই পাঁচোটা বিহু মই আজি বহি বহি উপভোগ কৰিলোহেঁতেন নে?' 'নাই'- উত্তৰ আহিল।

'সময়ৰ টিকনি আগফালে উৰে'- বুলি যে সৰুতেই শিকিলোঁ, গোটেই জীৱনটো কেৱল আগফালে থকা টিকনি চাবলৈ সময়ৰ পিছে পিছে দৌৰিয়েই থাকিলোঁ।

মনটো হঠাতে উজ্বলি উঠিল... এৰা, দৌৰি ফুৰোঁতে কিমান যে হেৰুৱালোঁ... কালি ৱাটচ আপত পোৱা এজনী ছোৱালীৰ হিন্দী কবিতাৰ আবৃত্তিটো মবাইল খুলি আকৌ শুনিলোঁ-

'লিফটখন ৰৈ গ'লেই মুখেৰে ওলোৱা উস্ ধ্বনি,

অনবৰত 'I don't have time for anything in my life'- বুলি কোৱা সেই মুখস্থ কৰা শাৰী;

কি যে জীৱন আছিল সেয়া ভাই<br>
আজি অ'ত, কালি ত'ত<br>
কিন্তু এইটো সঁচা যে তেনে জীৱনত শান্তি ক'ত<br>
এতিয়া এই শান্তি অভ্যাসত পৰিণত হ'ল<br>
একৈশ দিনৰ লকডাউন লাগিছে কম<br>
ভাইৰাছটো আছিল মাথোঁ এটা অজুহাত<br>
হয়তো প্ৰয়োজন আছিল<br>
জীৱনটো বেলেগ ধৰণে যাপন কৰাৰ<br>
এই নতুন পদ্ধতি আমাক শিকোৱাৰ'

সঁচা কথা... এইটোচোন ভাললগা এটা নতুন পদ্ধতি... মন গ'লেই গাড়ীখন লৈ ওলাই নগ'লেও চলে দেখোন, বজাৰলৈ সপ্তাহত এদিন বা দুদিন গ'লেও হয় দেখোন। পৰিবাৰক বান্ধৱীয়ে ফোনত বোলে কৈছেই যে কাম কৰা বাইজনী নহা বাবে নিজে কাম কৰি ভাল লাগিছে, অন্ততঃ বাইজনীৰ অহা নহা বা কামৰ গাফিলতি দেখি হোৱা অশান্তিবোৰ নাই; ঘৰৰ বাৰীখনৰ কাম আৰু পৰি থকা মেৰামতিৰ কামবোৰ মইচোন নিজেই কৰিব পৰা হ'লোঁ... গীটাৰখন আবেলি বজোৱাৰ অভ্যাস হোৱাত মনটো কিবা সৰস হৈ থকা হ'ল.. আৰু আমি দুয়ো মিয়া-বিবি একেলগে বহি বহু বিষয়ৰ কথা পাতিব পৰা হ'লোঁ। মুঠতে জীৱনলৈ যেন কিবা এক নিয়ম, শৃংখলা, গভীৰতা আৰু দায়িত্ববোধ নিজে নিজে আহিল আৰু আমনিৰ ঠাইত মিচিকিয়া উদ্যম লৈ আহিল।

বিশ্বৰ প্ৰেক্ষাপটত পৰিৱেশৰ লগতে মানুহৰ ভাবধাৰাও সলনি হৈছে। আকাশখন নীলা হৈছে, চহৰবোৰৰ কাষতে থকা সমুদ্ৰ উপকূলত জল-জীৱবোৰে নিৰ্ভয়ে বিচৰণ কৰিছে। দীঘলী পুখুৰীত পৰিভ্ৰমী বিদেশী চৰাইজাক পৰিছেহি, পঞ্জাবৰ পৰা হিমালয়ৰ শিখৰ দেখা পোৱা গৈছে আনকি মহাকাশৰ পৰা পৃথিৱীত প্ৰদূষণ কমাৰ ফলত হোৱা পৰিৱৰ্তন দেখা গৈছে। ইণ্টাৰনেটত বিচাৰি কালি এটা সুন্দৰ প্ৰবন্ধ

পঢ়িলোঁ, মানৱ সভ্যতাৰ ধমনীৰ তেজস্বৰূপ জীৱাশ্ম ইন্ধন অৰ্থাৎ তেলৰ দাম কমি দুই তৃতীয়াংশ হৈছে, গাড়ীৰ বিক্ৰী মাৰ্চ মাহত ৪৪ শতাংশ কমিছে, ৰাস্তাত চলাচল কৰা বাহন ৮৩ শতাংশ হ্ৰাস পাইছে। লকডাউনত মানুহৰ ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীলতা দেখি ইংলেণ্ডৰ অটোমবাইল এছোচিয়েচনৰ মুৰব্বীজনে চৰকাৰক পৰামৰ্শ দিছে যে ৰাস্তা বঢ়োৱাৰ শিতানত ৰখা বাজেটৰ ধন এতিয়া ইণ্টাৰনেটৰ বেণ্ডওইথ বঢ়োৱাত খৰচ কৰিব লাগে।

কোনোবাই কবিতা লিখি শ্বেয়াৰ কৰিছে- পৃথিৱীয়ে এতিয়া উশাহ লৈছে, কোনোবাই কৈছে প্ৰকৃতিয়ে মানুহৰ ইমানদিনৰ দুৰাচাৰৰ প্ৰতিশোধ লৈছে.. ইত্যাদি, ইত্যাদি। এটা কথা ঠিক যে জীৱনশৈলী সলোৱাৰ প্ৰয়োজন আমি আজি জলজল পটপটকৈ দেখা পাইছোঁ। কোভিডৰ পৰা ৰক্ষা পৰাৰ বাবে আমি সকলোৱে শাৰীৰিক প্ৰতিৰোধ ক্ষমতা বঢ়োৱাৰ কথা চিকিৎসা বিজ্ঞানীসকলে বাৰে বাৰে দোহাৰিছে। আমি শাৰীৰিকভাৱে, মানসিকভাৱে, আবেগিকভাৱে, আধ্যাত্মিকভাৱে, সামাজিকভাৱে, অৰ্থনৈতিকভাৱে সবল, শৃংখলাবদ্ধ হোৱাৰ গুৰুত্ব বুজি পাইছোঁ।

‘কেঁচা হালধিখিনি পিহি বাথৰূমতে থৈ দিছোঁ... তুমি গা ধোওঁতে গাত ল’বা, মই ল’লোঁ- তৃষ্ণাৰ মাতত মই ভাবজগতৰ পৰা সৰি খকমক কৰি উঠাত তেওঁ আচৰিত হৈ অলপ তাচ্ছিল্য কৰিয়েই সুধিলে- ‘কি হ’ল, গাঁৱৰ পুৰণি কোনোবা চেনেহীৰ কথা ভাবি আছিলা যেন পাইছোঁ, বিহুৰ দিন বুলি চাগে মনত পৰিছে।’

মই কটাক্ষৰ আউটচুইংগাৰটো নেখেলি ক’লোঁ- ‘নহয় অ’, সিদিনা যে লিখিছিলোঁ ‘লকডাউনৰ ফেঁহুজালি’ আৰু তাত যে কৈছিলোঁ BASICS ৰ কথা পিছত লিখিম বুলি... তাকেই ভাবি আছিলোঁ.’ ‘তোমাৰো যে কাম, আজি বিহুৰ দিনা নো’... মই কথাৰ মাজতে ধৰিলোঁ... ‘বিহুৰ দিনত না আমি কাৰোবাৰ ঘৰলৈ যাব পাৰোঁ, না কোনোবা আহিব পাৰে... ঢোল নাই, পেঁপা নাই, হুঁচৰিৰ দল নাই, বিহুৰ দৈ নাই, নামঘৰলৈকো যাব নোৱাৰোঁ... কিন্তু আমিতো ঘৰৰ মাজতে থাকি কৰিব পৰা সকলো কৰিছোঁ, মানে এই লকডাউনৰ পৰিৱেশ গ্ৰহণ কৰি সেইমতে নিজক পৰিচালিত কৰিছোঁ... কাৰণ আমি মানুহ... জীৱ-জগতৰ শ্ৰেষ্ঠ... পৰিৱেশৰ লগত খাপ খুৱাবলৈ অৰ্থাৎ adapt কৰিবলৈ আমি আমাৰ মানসিকতা মানে Attitude সলাব পাৰোঁ।’

‘কিন্তু তোমাৰ BASIC ৰ বিষয়ে চিন্তা ভাবনা এনেকৈ চলি থাকিলে মোৰ বিহুৰ জলপান কি হ’ব... দেৰী হ’লে মোৰ খং উঠিব আৰু তুমি পাবা বেয়া, সেইটো Attitude মই কিন্তু সলাব নোৱাৰোঁ দেই...’- তৃষ্ণাই এইবাৰ ইনচুইংগাৰ এৰিলে। কোনোমতে বেটখন ডিফেন্সৰ লাইনত আনি ক’লোঁ- ‘নাই, হৈয়েই গ’ল.. ভৱিষ্যতৰ নতুন জীৱন ধাৰাৰ বাবে মই যি BASICSৰ ধাৰণাৰ পোষকতা কৰোঁ সেই abbreviation টোৰ প্ৰথম দুটা বৰ্ণ ঘোষণা কৰিবলৈ মই লিখাৰ সমল পাইছোঁৱেই... B মানে BUILD আৰু A মানে ATTITUDE.....

●●●

# আশা

**ৰঞ্জনা দত্ত**

মই আশা। এগৰাকী স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্যকৰ্মী। দেশৰ বিভিন্ন গাঁৱে-চহৰে কাৰ্য্যৰত ৯ লাখ আশাকৰ্মীৰ ময়ো এগৰাকী স্বাস্থ্যকৰ্মী। স্থান বিশেষে মই কমলা, সুনীথা, লক্ষ্মী, ৰেহানা বা মেৰী। আমাৰ সমানতা আমি আশাকৰ্মী আৰু এখন দৰিদ্ৰ ঘৰৰ অন্নদায়িনী। দিনবোৰ কষ্টকৰ আছিল যদিও ভালদৰেই পাৰ হৈ গৈছিল। পুৱাই সংসাৰৰ যাৱতীয় কাম-কাজ কৰি গাঁৱে গাঁৱে স্বাস্থ্য ৰক্ষাৰ সজাগতা সৃষ্টি কৰাই আমাৰ কাম। আমি এক অপৰিহাৰ্য যোগসূত্ৰ ডাক্তৰ আৰু গাঁৱৰ সাধাৰণ মানুহখিনিৰ মাজত। ৰ'দ, বতাহ, বৰষুণ আওকাণ কৰি বিভিন্নজনক স্বাস্থ্য সম্পৰ্কীয় উপদেশ দি সময়মতে সহায়ৰ হাত আগবঢ়াই যোৱাটোৱেই আমাৰ কাম। এইদৰেই মৰম আত্মীয়তাৰ ডোলেৰে বান্ধ খাই পৰিছিলোঁ গাঁওবাসীৰ মাজত। গাঁৱৰ কণমানিটোৰ পৰা বুঢ়া-মেথা সকলোৱে 'আশা দিদি'। মাহেকৰ মূৰত পোৱা টকা কিটাৰে কোনোমতেহে মাহটো চলে। তাকো নিয়মিতভাৱে নাপাওঁ। কিন্তু কামবোৰ একপ্ৰকাৰ নিচাৰ দৰে হৈ পৰিছিল। যোৱাবেলি ধনদা পেহীৰ বোৱাৰীয়েকৰ কেঁচুৱা হোৱাৰ সময়ত কিবা অসুবিধা হওঁতে নিজৰ নৰিয়াত পৰা ল'ৰাটোকো ওচৰ-চুবুৰীয়াৰ ভৰসাত এৰি থৈ গৈছিলোঁ। পেটৰ অসুখত অ আৰ এছ খোৱা, গা ভাৰী তিৰোতাৰ খোৱাৰ যতন লোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কথা কৈ কৈ ভাগৰি পৰোঁ কিন্তু হতাশ নহওঁ কেতিয়াও। এক বুজাব নোৱৰা আত্মীয়তা আৰু দায়িত্ববোধেৰে আগুৰি থাকে সকলো সময়। কিন্তু এইবাৰ কথাবোৰ একেবাৰে বেলেগ হৈ পৰিছে। কৰ'না মহামাৰী আৰম্ভ হোৱাৰ পৰাই দুশ্চিন্তাৰ অন্ত নোহোৱা হৈছে। কামৰ হেঁচা আগৰ তুলনাত বহুত বেছি। ৰ'দ, বতাহ, বৰষুণ নেওচি গাঁৱৰ ঘৰে ঘৰে গৈ কৰ'না মহামাৰীৰ বিষয়ে ৰাইজক অৱগত কৰা, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগ কৰা, মুখা বন্ধনীৰ ব্যৱহাৰ, সামাজিক দূৰত্ব বজাই ৰখাৰ গুৰুত্বৰ কথা বুজোৱা ইত্যাদি অনেক ধৰণৰ কাম। সপ্তাহৰ সাত দিন একেৰাহে কাম কৰি দেহা ভাগৰি পৰে। ৰাইজক বুজাবলৈ বৰ টান - একেবোৰ ভুলকে বাৰে বাৰে কৰে। কিবা বুজিও নুবুজে যেন। তোমালোক ঘৰৰ ভিতৰত লকডাউনৰ সুৰক্ষাত থকা সময়তে আমি সাধাৰণ সূতাৰ মুখবন্ধনীখনৰ ভৰসাতে ঘৰে ঘৰে কৰ'নাৰ বুজ লৈ ফুৰিছোঁ। বৰ ভয় লাগে মহামাৰীৰ মাজত এইদৰে সুৰক্ষা কবচ অবিহনে ঘূৰি ফুৰিবলৈ। কেতিয়াবা গামোচা বা চুন্নীৰে মুখ ঢাকিও আমি কাম কৰি গৈছোঁ অহৰ্নিশে। নিজৰ বা পৰিয়ালৰ লোকলৈ বীজাণু কঢ়িয়াই লৈ যাওঁ বুলি ভীষণ চিন্তাত থাকোঁ। কিন্তু মহামাৰীৰ আৰম্ভণিৰ পৰাই এক নতুন দায়িত্ববোধ জাগি উঠিছে মনত। সকলোফালে কৰ'না মুক্ত কৰাই আমাৰ কাম। গাঁৱৰ অনেকেই আমাক শত্ৰু জ্ঞান কৰিবলৈ লৈছে। মুখৰ আগতে দুৱাৰ বন্ধ কৰি চিঞৰি চিঞৰি গুচি যাবলৈ কয় যেন আমি কৰ'না ভাইৰাছ কঢ়িয়াই ফুৰা এদল কৰ্মী। দুই এঠাইত গণ আক্ৰমণৰ চিকাৰো হৈছোঁ আমি। ঘৰৰ মানুহে কয় 'এৰি দিয়া এই কাম। এই নূন্যতম বেতনৰ বিনিময়ত নিজকে কৰ'নাৰ চিকাৰ হ'বলৈ এৰি নিদিবা। আশা কৰ্মীৰ কোনো মূল্য নাই। কোনেও তোমাৰ ত্যাগৰ

কবিতা নিলিখে। কোনো জীৱন ৰক্ষাৰ কবচ নাই তোমালোকৰ’। কিন্তু নোৱাৰোঁ এৰিব এই কাম। সময় অতিকে ভয়াৱহ। এতিয়া আশাৰ খুবেই প্ৰয়োজন। আমাক লৈ কবিতা নিলিখিলাই বা একো কথা নাই। কেৱল অপমানিত নকৰিবা - মন ভাঙি যায়। শুনিছোঁ এই যুঁজ বৰ দীঘলীয়া হ’ব। আমিও আশা কৰিছোঁ তোমালোকৰ কিছু মৰম প্ৰেৰণা আৰু সহযোগিতাৰ।

●●●

# ডুখৰীয়া ছবি

**সুৰথ পাঠক**

**দৃশ্যপট ১ ঃ** দহ-বাৰ বছৰ আগৰ কথা - মোৰ চুবুৰীয়া জুনিয়ৰ সহকৰ্মী এজনৰ বেমাৰ, বঙাইগাঁৱৰ আগৰৱালা নাৰ্চিং হোমলৈ নিব লাগে, ভাৰা গাড়ী পোৱা নাই। মোৰ গাড়ীখনেৰে লৈ গ’লোঁ। বুক কৰা আছিল। গৈ দেখিলোঁ যে ভুলতে বুকিং পিছদিনাৰ তাৰিখত লিখা আছে। পেচেণ্টে যথেষ্ট কষ্ট পাই আছে। ৰিচিপচনিষ্টজনীক অলপ সোনকালে দিবলৈ ক’লোঁ, তেওঁ চাম বুলি ক’লে। আধাঘণ্টামান পিছত এবাৰ মনত পেলাই দিলোঁ, ক’লে— ৰ’ব, ৰ’ব। আকৌ বহিলোঁ। আধাঘণ্টামান পিছত আকৌ যোৱাত ভেকাহি মাৰি উঠিল সবৰে আগত— ‘তুমাৰ ডেকা লৰাতুৰ কিহৰ ইমান দাউৰা দাউৰি? খুৱাক দেখা নাই (পেচেন্টক দেখুৱাই) কি শান্ত হৈ বহি আছে, আতুত্তু তুমাৰহে বেছি, ডেকা ল’ৰা অধৈয্য হবা নাল্গে’। মই তাপ মাৰিলোঁ (নাৰ্চজনী মোতকৈ দহ বছৰমান সৰু আছিল।)

**দৃশ্যপট ২ ঃ** এইবাৰ ডাক্তৰ চাওচাৰিয়াৰ নাৰ্চিং হোম- দুদিনমান কিবা গাটো বেয়া লাগি থকাত তেখেতৰ তালৈ গ’লোঁ। চাই মেলি ব্লাড টেষ্ট আৰু ইচিজি কৰিবলৈ ক’লে। মোৰ নামটো মাতিলে- সোমাই গ’লোঁ। নাৰ্চজনীয়ে ক’লে - পেচেণ্টক লৈ আহক। মই ক’লো - পেচেণ্ট ময়েই। হাঁহি আকৌ ক’লে পেচেণ্টক লাগিব ইচিজি কৰিবলৈ কৈছে। ময়ে পেচেণ্ট বুলি পুনৰ কোৱাত - ‘বয়স ৫৫ লিখিছে যে’। ‘মোৰ বয়স সেইটো’। আপোনাৰ বয়স যেন নালাগে বুলি গাত কিবা কিবি ফিটিং কৰিবলৈ ধৰিলে।

**দৃশ্যপট ৩ ঃ** মোৰ সহকৰ্মী (জুনিয়ৰ) এজনৰ লগত বজাৰলৈ গ’লোঁ। চিনাকি ষ্টেচনাৰী দোকান এখনত সোমালোঁ। দোকানৰ দুৱাৰমুখতে কেইজনীমান ইউনিফৰ্ম পিন্ধা ছোৱালীয়ে কিবা এটা ব্ৰেণ্ডৰ বস্তু (কম্প্লান নে কি আছিল) তৈয়াৰ কৰি মানুহক খুৱাই আছে, লগতে বিক্ৰীৰ বাবে লাগি আছে। আমি যোৱাৰ লগে লগে আমাকো দিলে আৰু মোক - দাদা, প্লিজ দাদা, একটা নেন, বুলি তিনিজনী মানে ধৰিলে। দুপৰীয়াৰ ৰ’দত ক’ৰ ছোৱালী জীৱিকাৰ বাবে ক’লৈ আহিবলগীয়া হৈছে! সিহঁতৰ কষ্ট দেখি প্ৰয়োজন নাছিল যদিও পেকেট এটা ল’লোঁ। এইবাৰ মোৰ কাষত থকা সহকৰ্মী জনক ধৰিলে— ‘কাকু, আপনিও একটা নেন’। সি লগে লগে মোক ক’লে - তোক বুলছি দাদা, আৰো মোক বুলছি কাকু, আৰো লম মই সিহঁতৰ পৰা বস্তু!

●●●

# থলুৱা অবাইচ মাতৰ ওপৰত ডক্টৰেট ডিগ্ৰী লোৱা সম্পৰ্কে বিতৰ্ক

*কিছুদিন পূৰ্বে ড° উপেন ৰাভা হাকাচামৰ তত্বাৱধানত "ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰচলিত অবাইচ মাত আৰু গালি শপনি ঃ এটি সমাজ- ভাষাতাত্বিক অধ্যয়ন" শীৰ্ষক বিষয়ত কৰা গৱেষণাৰ বাবে নলবাৰী জিলাৰ বালিলেচাৰ বৰ্ণালী দাস নামৰ গৱেষিকা এগৰাকীক গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰাৰ বাতৰি এটা প্ৰকাশ পাইছিল। সেই বাতৰিৰ আঁত ধৰি আমাৰ মঞ্চত হোৱা আলোচনা...*

### বিপুল চন্দ্ৰ খাটনিয়াৰ

I understand that research papers should be of use to the society or towards development of science etc.

But when I read the paid news about the doctorates awarded, very often I see to my amazement that doctorates as awarded in our state accepting thesis on very stupid and/or weird subjects which are of no use to anyone, even to the researcher and the concerned guide!

### মদন চন্দ্ৰ ডেকা

ঐতিহ্য চেতনাৰ ই এক প্ৰকাশ। থলুৱা গীত-মাত যেনেকৈ আমি অভ্যাস/চৰ্চা কৰি চলমান সাংস্কৃতিক সভ্যতাৰ অংশীভূত কৰিব পাৰোঁ, অবাইচ মাতৰ অভ্যাস বা চৰ্চা কৰাৰ কোনো স্বীকৃত পৰিতল নাই। কিন্তু আমি অস্বীকাৰ কৰিলেও এইটো সত্য যে, অবাইচ মাতৰ ব্যৱহাৰ অতীতত আছিল, বৰ্তমান আছে আৰু ভৱিষ্যতলৈকো থাকিব। বহু লিখক-সাহিত্যিকৰ লেখাত অবাইচ মাতে ইতিমধ্যেই ঠাই পাইছে। কিছু সংখ্যকে অশ্লীল বুলি ভবা শব্দটো উল্লেখ নকৰি তাৰ ঠাইত (অশ্লীল) বুলি লিখে। কিন্তু কিছুমানে সাহসেৰে মূল শব্দটোকে লিখে।

ড° দীনেশ বৈশ্যৰ কিতাপ এখন (Eroticism & Sexuality in Folk Songs of Assam) আছে য'ত অশ্লীল বুলি লোকচক্ষুৰ সমুখত নোকোৱা কিন্তু সংগোপনে বিচৰা বা ভবা কথাবোৰ মুকলিকৈ লিখিছে। গতিকে অবাইচ মাতৰ ওপৰত গৱেষণা কোনো অসঙ্গত কাম নহয়, বৰঞ্চ ছোৱালী এজনীয়ে এই কাম কৰিছে বাবে অভিনন্দন জনাবহে লাগে।

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

মনত ৰাখিবাঁ, প্ৰত্যেকজন বাল্মীকিৰ আৰালত একোজন ৰত্নাকৰ লুকাই থাকে।

## সুৰথ পাঠক

দুয়োৰে কথাত যুক্তি আছে, কিন্তু যুক্তি আৰু প্ৰয়োজনীয়তা বেলেগ বেলেগ। আমাৰ সৰু কালত গাঁও অঞ্চলত শ্লীল-অশ্লীল বহুত গালি-গালাজ, ভঙ্গিমা আদি চলিছিল। এতিয়া নোহোৱা হ'ল। গালি-গালাজবোৰৰো পৰিৱৰ্তন ঘটিল। আমাৰ মাজত কোনে বাৰু বাবা-মা, অসমীয়া লোকৰ মাজত কি কি গালি চলে চাচোন, বুলি দেখুৱাব পাৰিম? 'পতি-পত্নীয়ে সহবাস কৰে' কথাষাৰত কোনো অশ্লীলতা নাই। কিন্তু কি কি কৰে, কেনেকৈ কৰে ইত্যাদিলৈ গ'লে অশ্লীল নহ'ব জানো? কিছুমান সংস্কৃতি সময়ৰ বুকুত হেৰাই যাবই। প্ৰায়োগিক প্ৰয়োজনীয়তাত গুৰুত্ব দিলে ভাল। আমাৰ আইহঁতক দেখিছিলোঁ, ভাত ৰান্ধিবলৈ সোমালে বিশেষকৈ ৰঙা নাইবা নীলা বৰণৰ মেখেলা সলাই লৈছিল। সেই সময়ত সেই সাজেৰে পাকঘৰৰ বাহিৰৰ কাম কৰিবলৈ নগৈছিল। আজিকালিৰ মহিলাৰ বাবে সেইটো প্ৰয়োজনীয়তা আছেনে? থেচিচৰ কথালৈ আহিলে —presentationৰ সময়ত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ সমুখত সেইখন পাঠ কৰিব পাৰিনে? (অন্ততঃ মই নোৱাৰিলোঁহেতেন)। মূল কথাটো হ'ল গৱেষণাৰ বিষয়ৰ উপাদানৰ সহজলভ্যতা।

## বিপুল চন্দ্ৰ খাটনিয়াৰ

মই অবাইচ মাতৰ ওপৰত গৱেষণা একেবাৰে অদৰকাৰী বুলি ক'ব খোজা নাই-যদিহে গৱেষকগৰাকী মনস্তত্ব বিষয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত। নহ'লে এই গৱেষণাৰ মূল্য কি?

মোৰ বিবেচনাত স্নাতকোত্তৰ মহলালৈকে অধ্যয়ন কৰাটোৰ ব্যক্তি এজনৰ জীৱিকা নিৰ্বাচনৰ লগত এক প্ৰত্যক্ষ সম্বন্ধ থাকে। কিন্তু তাৰ পিছত গৱেষণা কৰোঁতে অকল নিজৰ জীৱিকাই নহয়, তাৰ লগত এটা সামাজিক দায়বদ্ধতাও থাকিব লাগে - এটা গৱেষণাৰ পাছত গৱেষক আৰু তেওঁৰ পথ প্ৰদৰ্শকৰ যথেষ্ট সময় ব্যৱহাৰ হয়, লগতে দেশৰ অৰ্থ। কিবা এটা আশা কৰা যায় কাৰণেই ডক্টৰেট ডিগ্ৰীধাৰীসকলক যথেষ্ট সন্মানৰ চকুৰে চোৱা হয়। শিক্ষক হিচাপে তেখেতৰ পাৰিশ্ৰমিকো অন্যান্যতকৈ বহু বেছি।

এনেস্থলত সেই গৱেষণাৰ যদি একো ইতিবাচক ফল নাথাকে তেন্তে সেই ডিগ্ৰীটো মোৰ বোধেৰে বি এ, এম এৰ নিচিনা এটা সাধাৰণ ডিগ্ৰীৰ শাৰীৰে হৈ পৰে।

মই বিশেষ পঢ়া শুনা কৰা নাই - গতিকে মোৰ চিন্তাধাৰা একেবাৰে টুলুঙা হ'ব পাৰে।

## অগস্ত্য বৰুৱা

অবাইচ মাত কেনেকৈনো প্ৰচলিত হ'বলৈ পালে? আমাৰ জন্ম প্ৰক্ৰিয়া অশ্লীল নেকি? এই গোটেই প্ৰক্ৰিয়া লোকচক্ষুৰ আঁৰত হয়। তেন্তে এই বিষয়ৰ অধ্যয়ন বাদ দিম নেকি? কোনো বিষয়েই অদৰকাৰী

নহয়, এটা জাতি, এক সংস্কৃতিক জানিবলৈ এইবোৰো জনা উচিত।

মই যিদৰে বুজিলোঁ।

## Dr. Chidananda Bhuyan

Obais mat etia nai janu? We are ashamed of telling the local 'obais' but we frequently take to the English ones. Is it not? I think this will prove to be a valuable piece of work for preservation of our own spoken words.

## Tapodhan Das

u r speaking to the exact extnt I personally feel right evn beyond, bt jst restraind, that sch social/anti-social topics need to undergo threadbare examination by a Committee, formd out of Civil Society mmbers, prior to research allowed.

## Agastya Barua

I do not agree with you Tapodhan. To select a subject, there is no need a committee to be established. Being a science student, we do not believe in jadu mantra, but the subject needs research. Every subject had got research value. Some subjects, like extra marital relations, everybody does not like, but it has got research value.

## Tapodhan Das

Arguments may b enormous, bt civility contxt is un-putdowable. Anyway, like Surath I wd also like to wind up the topic.

## Tapodhan Das

এইটো সমৰ্থন কৰিব নোৱাৰিলোঁ মদন, দৃষ্টিভংগী বিভিন্ন হ'লেও সমাজত প্ৰভাৱ ভাল পৰিব বুলি ভাবিব নোৱাৰিলোঁ।

## SK Baishya

I am with Agastya et. al. If societal approval is imposed, then research will not flourish. Who will define the norms of the society? For that matter who empowers whom to take

such decisions?

**পবন কুমাৰ চহৰীয়া**

ড° উপেন ৰাভা হাকাচাম এজন অতি সন্মানীয় আৰু আমাৰ জন সংস্কৃতিৰ ওপৰত দখল থকা ব্যক্তি। অসমীয়া ভাষালৈ আমাৰ বিভিন্ন উপভাষা বা জনগোষ্ঠীসমূহে কিমান শব্দ ভাণ্ডাৰ দিছে সেই বিষয়ত তেওঁ বিস্তৃতভাৱে গৱেষণা কৰিছে। কেনেকুৱা বিষয়ত তেখেতে গৱেষণা কৰিব সেইটো তেখেতৰ কথা। অবাইচ মাতবোৰ আমি সকলোৱে এতিয়া ব্যৱহাৰ কৰিব লাগে বুলিতো কোৱা নাই নিশ্চয়। আজি কেইটামান দশক আগলৈ নামনি অসমৰ (পশ্চিম অসমৰ) কথাবোৰো আমাৰ বহুত ব্যক্তিয়ে বেলেগ ভাৱে চাইছিল। শীলভদ্ৰই এই লৈ আক্ষেপ কৰি গৈছে (মোৰ যিমান দূৰ মনত আছে)। মোৰ অৱশ্যে thesis খন চাবলৈ মন গৈছে।

**শোণিত নেওগ**

অবাইচ মাতবোৰ সকলো ভাষাতেই আছে। তাৰ ওপৰত গৱেষণা কৰাটো মোৰ বোধেৰে একো অনুচিত নহয়।

**মদন চন্দ্ৰ ডেকা**

তপোধন, মোৰ বাহিৰেও অগস্ত্যই চমুকৈ কোৱা কথাখিনিত বহুত কথা নিহিত হৈ আছে। মই প্ৰথমতেই কৈছিলোঁ যে, ঐতিহ্য চেতনা এটা জাতিৰ ভৱিষ্যতৰ শিপা। অতীতক বাদ দি কোনো চলিব নোৱাৰে। আমি অশালীন বুলি ভাবিলেই সণ্ঢালনিভাৱে আমাৰ সমাজত চলি থকা অবাইচ মাত নাই বা নাছিল বুলি ক'ব পাৰিম জানো! কোনো শিক্ষিত (সভ্য) পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক অবাইচ মাত মাতিবলৈ হাতেখড়ি নিদিয়ে। স্বভাৱগতভাৱে শিকে। এইটোকতো আমি সামাজিক ব্যাধি বুলি স্বীকৃতি দি তাক বন্ধ কৰাৰ দাবীত আন্দোলন গঢ়ি তোলা নাই! মই বুকুত হাত থৈ ক'ব পাৰোঁ যে ষাঠি বছৰীয়া জীৱনটোত এবাৰৰ কাৰণে হ'লেও মই অবাইচ মাত মাতি পোৱা নাই। কিন্তু আমাৰ সহপাঠী যিসকলৰ এই অভ্যাস আছে, তেওঁলোকে কওক মোৰ দৰে সাহসেৰে।

এটা উদাহৰণ দিছোঁ, হীৰুদাহঁতৰ প্ৰায় সমসাময়িক কবি আছিল নিত্যা দত্ত। সুন্দৰ সুন্দৰ শব্দ চয়নেৰে মনোগ্ৰাহী কবিতা লিখে, প্ৰখৰ জীৱনবোধ আৰু সমাজ সচেতনতা তেওঁৰ কবিতাৰ উপজীব্য। বৃত্তিত আছিল আৰক্ষী পৰিদৰ্শক। আৰক্ষীৰ কৰ্তব্য কৰাৰ সময়ত তেওঁৰ মুখেৰে অবাইচ মাতৰ ফুলজাৰিৰ আক্ৰমণৰ প্ৰত্যক্ষ অভিজ্ঞতা মোৰ আছে।

বিপুল, সুৰথ আৰু কৃষ্ণাকে ধৰি আন সকলোৰে মন্তব্যৰ ওপৰত কওঁ যে অবাইচ মাতৰ ওপৰত গৱেষণাই এইবোৰৰ সংৰক্ষণৰ সম্ভাৱনাৰ দুৱাৰ খুলিব। আমি যিহেতু এইবোৰ মাত-কথা পৰিত্যাগ কৰিবই

নোৱাৰোঁ, এইবোৰৰ উৎপত্তি, বিকাশ সম্পৰ্কে আলোচনা কৰাত বাধা ক'ত! সমাজলৈ এই গৱেষণাৰ অৱদান এয়ে যে লোক সংস্কৃতিৰ অংগ (দৰঙৰ নাঙেলি আদি, শালীনতাৰ কাঠগড়াত তুলি যাৰ সৌন্দৰ্য আমি নিঃশেষ কৰি পেলালোঁ) অবাইচ মাতৰ সংৰক্ষণত ই সহায়ক হ'ব। কিমধিকমিতি।

### কৃষ্ণা শৰ্মা

পবন তুমি কোৱা কথাখিনি চিন্তা কৰি চাইছোঁ। ঠিকেই কৈছা।

### ৰাতুল বৰুৱা

ইতিমধ্যে যথেষ্ট আলোচনা হ'ল। আৰু আলোচনাৰ প্ৰয়োজন আছে। আমাৰ বিহুগীতসমূহো অশ্লীল আৰু যৌনগন্ধী আছিল। এতিয়া এটা পৰিশীলিত ৰূপ লৈছে।

অবাইচ মাতৰ ব্যৱহাৰ আগতকৈ কমিছে কিন্তু কণ-কঠীয়া মৰিবলৈ বাকী।

### বিপুল চন্দ্ৰ খাটনিয়াৰ

মই আচলতে বিষয়টোৰ আওতা লৈ গৱেষণাৰ ওপৰত এটা (মোৰ) বিস্তৃত চিন্তাহে বেকত কৰিছিলোঁ। যি কোনো গৱেষণা যি সমাজ-সংস্কৃতি বিজ্ঞান বা অন্য কিহবাৰ প্ৰতি প্ৰত্যক্ষ বা পৰোক্ষভাৱে অৱদান আগবঢ়ায় সেয়া মই সদায়েই শলাগিম। ইয়াৰেই মোখনি মাৰিলোঁ।

### ড° উৎপল ৰঞ্জন দাস

I was busy, when you put me the question. Already points and counterpoints have been put forward by our esteemed group members. Although it looks funny looking at the subject matter; I fully support that a methodical study on this subject should be done. Origin, subset of people using it, geographical location, under which circumstances they are used definitely deserve study. As this (research) is not my cup of tea, person of literary backgroud should do this.

●●●

# মেঘমল্লাৰ মেঘমল্লাৰ (সপোনৰ আপোন ঘৰ)

**কস্তুৰী নিভা গগৈ**

বিবাহৰ পাছত প্ৰায় চৈধ্য বছৰ বিভিন্ন স্থানত ভাৰাঘৰ, চৰকাৰী আৱাসগৃহ আদিত থকাৰ পাছত সপোনৰ দৰে এটি আপোন ঘৰ হ'ল। গুৱাহাটীৰ হাতীগাঁও শেৱালি পথৰ মেঘমল্লাৰত এটি ফ্লেট। সৰু যদিও সুব্যৱস্থাপনা তথা সুন্দৰ পৰিকল্পনাৰ বাবে সৰু পৰিয়াল এটাৰ বাবে কোনো সমস্যা নহয়। আজিকালি অতিথি কেৱল পৰিয়ালৰ আপোন মানুহখিনিহে বাবে কোনো দিগদাৰিও নহয়।

২০০১ৰ আৰম্ভণিতে মেঘমল্লাৰত সোমোৱাৰ পৰিকল্পনা আছিল যদিও সেই বছৰৰ মাঘৰ শ্ৰীপঞ্চমীৰ দিনা শহুৰ বৰদেউতা স্বৰ্গগামী হয় তাৰ পাছতে ফাগুনৰ দৌল উৎসৱতে মোৰ আইমাতৃও স্বৰ্গগামী হয়। সেয়েহে আমি বহাগ বিহুৰ পাছত ২৭ এপ্ৰিলৰ দিনা গৃহ প্ৰৱেশ কৰোঁ। সৰু ফ্লেট যদিও অতি সুন্দৰ। পানী-দুনিৰো কোনো অসুবিধা নাই। আমি সোমোৱাৰ সময়ত ২১ ঘৰ মান আৱাসীহে আছিল আৰু আমাকে ধৰি ৫ ঘৰ মানৰহে নিজৰ গাড়ী আছিল যদিও পিছলৈ সম্পূৰ্ণকৈ সজা হোৱাত প্ৰায় ১৮৬ ঘৰমান হ'লগৈ লগতে গাড়ী ৰাখিবৰ ঠাই নোহোৱা হোৱাৰ দৰে হ'ল। ইয়াত Community livingৰ সৈতে জড়িত হৈ আমি আনন্দিত হ'লোঁ। সেই সময়ত গুৱাহাটীৰ জনসাধাৰণ ফ্লেট নিৱাসীৰ পক্ষত বৰ উৎসাহিত হোৱা নাছিল আৰু বিশেষ ধাৰণাও নাছিল। কিন্তু আমি আৱাসীসকলে আপোনত্বৰে আনন্দিত-উৎসাহিত আৰু আমাৰ ছোৱালী দুজনীও সকলোৰে সৈতে প্ৰীতিৰে গঢ় লৈ উঠিছিল।

মাঘৰ বিহুত মেজি জ্বলোৱাৰ পৰা প্ৰীতি ভোজ খোৱা, বহাগত দুদিনীয়াকৈ ৰঙালী বিহু পতাকা উত্তোলন কৰি ল'ৰাৰ পৰা বয়োবৃদ্ধলৈকে মুকলি বিহুৰ ৰং-ধেমালি, খেল-ধেমালিত যোগদান। প্ৰথম নিশা আৱাসী, চুবুৰীয়া প্ৰতিৱেশীসকলৰ গীত-মাত, নৃত্য-নাটেৰে সাংস্কৃতিক অনুষ্ঠান, দ্বিতীয় নিশা নিমন্ত্ৰিত নামী-দামীসকলৰ গীত-মাত, নৃত্য উপভোগ কৰিছিলোঁ। তেনেই কণ কণ ল'ৰা-ছোৱালীবোৰেও সকলোতে অংশগ্ৰহণ কৰি আনন্দ দিয়ে। সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, দৌলোৎসৱ, শিৱৰাত্ৰি, দীপাৱলী অতি উলহ-মালহেৰে চৌহদতে পালন কৰা হয়। কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা, বয়োজ্যেষ্ঠসকলক সম্বৰ্ধনা আদি বছৰৰ নিয়মীয়া কাৰ্যসূচীলৈ বিশেষ বৰেণ্য ব্যক্তিক নিমন্ত্ৰণ কৰি অনা হয়। ১৫ আগষ্ট আৰু ২৬ জানুৱাৰিত চৌহদত পতাকা উত্তোলন কৰা হয়। শিশু দিৱস, নাৰী দিৱস, মাতৃ দিৱস সমজুৱাকৈ উলাহ-উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। ভাদমহীয়া এদিনীয়াকৈ নামভাগৰ আয়োজন কৰা হয়। বৰদিন, পুৰণি বছৰ বিদায়, নৱবৰ্ষক আদৰণি, লগে ভাগে লগভাত খাই আনন্দৰে উপভোগ কৰা হয়। মেঘমল্লাৰ সমাজৰ বছৰেকীয়া সভা-সমিতি, কাৰ্যনিৰ্বাহকৰ সভা, সাধাৰণ সভা, অধিৱেশন আদি সময়ানুক্ৰমিকভাৱে উদ্‌যাপিত হয়। কাৰোবাৰ ঘৰত

বিপদ-আপদ, অসুখ-বিসুখ হ'লে সকলোৰেই সহায়-সহযোগ, খা-খবৰ লোৱা হয়, কাৰোবাৰ আনন্দত সকলোৱে যোগ দিয়া সকলো পৰিয়াল-আত্মীয়তাৰে বান্ধ খোৱা অতি উৎসাহজনক কথা। সমস্যা আহিলে আলোচনাৰ যোগেৰে সমাধান সূত্ৰও উলিওৱা হয়। নিয়মীয়াকৈ গেছৰ চিলিণ্ডাৰৰ গাড়ী চৌহদলৈ, বিজুলী বাতিৰ বিল সুকীয়াকৈ হ'লেও সকলোৰে একেলগে তত্বাৱধায়কৰ জৰিয়তে দিয়া হয়। চৌহদলৈ সময়মতে নিৰ্দিষ্ট পাচলিৰ গাড়ী, গাখীৰৰ গাড়ী, মাছ-মাংস যোগানকাৰীৰ আগমন ঘটে। নিৰাপত্তাৰক্ষীৰ নজৰবন্দীৰে নিৰাপদ চৌহদটিত নিশা এপৰতো গৰ্ভৱতী মহিলাই খোজকাঢ়িব পাৰে, ক্ৰন্দনৰত কেঁচুৱাক নিচুকনী গীত গাই নিচুকাই ফুৰিব তথা শুৱাব পাৰে। কাৰ ঘৰৰ কেঁচুৱা সকলোৱে চিনি-জানিও পায়। চৌহদত সময়মতে মূল গেট বন্ধ হয়। দ্বিতীয় গেটখনো নিশা নিৰ্দ্ধাৰিত সময়ত নিৰীক্ষকে বন্ধ কৰে, নিশা পৰে পৰে চৌহদটো ঘূৰি-পকি হুইছেল বজাই নজৰ দিয়ে। ঘৰত অকলে থকা সকলেও কেতিয়াও অকলশৰীয়া অনুভৱ নকৰে। ফ্লেটৰ বিৰোধিতা কৰা বহুলোকক এতিয়া দেখিবলৈ পাইছোঁ জীৱনৰ বাটত বয়োবৃদ্ধকালত অকলশৰীয়া হৈ বিশাল মাটিডোখৰ বিল্ডাৰ্ছক অৰ্পণ কৰিবলৈ বাধ্য হৈছে অথবা ঘৰবাৰী বিক্ৰী কৰি ফ্লেটৰ বাসিন্দা হৈহে সুখী হৈছেগৈ। নহ'লে আগফাল-পিছফালৰ দুৱাৰৰ খিলিবন্ধৰ ওপৰিও ৰেলিঙত তলাবন্ধ গেটত তলাবন্ধ কৰিও ক'ৰবালৈ দীঘলীয়া ভ্ৰমণ কৰিব নোৱাৰেই তাতে গিৰিহঁত কেনিবা ওলালে পৰিবাৰৰ অকলে ঘৰৰখীয়া হোৱাৰ সমস্যাই আহি পৰে। মেঘমল্লাৰত 'ৰংগমল্লাৰ' নামেৰে এখন সুন্দৰ ৰংগমঞ্চ আছে, এখন শিশুসকলৰ খেলিবৰ বাবে 'ৰংগমল্লাৰ বাকৰি' আছে। এখন বিশাল সমাজ আপোনত্বৰে বান্ধখোৱা। দিনে দিনে প্ৰয়োজনীয়তা বাঢ়ি অহাত আমি মেঘমল্লাৰ চৌহদ এৰি এতিয়া অৱশ্যে আন এক কিছু আহল-বহল চৌহদৰ বাসিন্দা হ'লোহি। মেঘমল্লাৰৰ দৰে সকলো অনুষ্ঠান নহ'লেও ইয়াতো সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা চৌহদতে উপভোগ কৰোঁ। মুঠতে ফ্লেট নিবাসীৰ সামাজিক বান্ধোন অতি মোহনীয়া-অতুলনীয়। Community livingৰ অনুপম আনন্দ, এখন পৰিশীলিত প্ৰগতিশীল আপোন গাঁৱৰ প্ৰতিচ্ছবিয়েই জিলিকি উঠে বাসিন্দাসকলৰ মাজত।

●●●

# প্ৰিচিডেন্স্

**পংকজ কুমাৰ নেওগ**

১৯৮৮ চনৰ দীপাৱলীৰ বন্ধৰ মাত্ৰ তিনিদিনমানৰ আগেয়ে দিল্লী অফিচৰ পৰা হঠাতে এখন টেলিগ্ৰাম আহিল মই আৰু মোৰ সহকৰ্মী ৰাজৰ্ষি বেনাৰ্জী আমি দুয়ো আমেৰিকাৰ ডেনভাৰলৈ দুসপ্তাহৰ 'স্পেচিয়ালাইজড্ ক'ৰ্ছ' এটালৈ যাব লাগে। একেদিনাই চি এম ডিৰ চিঠি আৰু বিদেশী মুদ্ৰাৰ অনুমোদন-

পত্ৰও আহিল। সময় কম বাবে আমি আমাৰ 'মেইণ্টেনেন্স এলাৱেন্স'ৰ উপৰি 'ক'ৰ্ছ ফিজ'ৰ 'ডলাৰ ড্ৰাফট' বনাই লৈ যাব লাগিব। বিয়াৰ পিছত প্ৰায় কপৰ্দক শূন্য হৈ আছিলোঁ। শ্ৰীমতী লৰালৰিকৈ এগৰাকী বান্ধৱীৰ সৈতে তিনিচুকীয়ালৈ গৈ শাহু আইৰ পৰা কিছু টকা লৈ উভতিল। ভাৰতৰ ভিতৰত খৰচ কৰিবলৈকে টকা-পইচা অলপ লাগিব। হিচাপ কৰি চালোঁ, দিল্লীলৈ ডিব্ৰুগড়ৰ পৰা 'ফ্লাইট' ল'লে ৰিজাৰ্ভ বেংকৰ কামবোৰ নহ'বগৈ কাৰণ দিল্লীৰ বেংক দেৱালীৰ বাবে সোনকালে বন্ধ হৈ যাব। প্ৰত্যেক দিনা দিল্লীলৈ ফ্লাইটো নাছিল। পৰৱৰ্তী ফ্লাইটৰ বাবে কমেও দুদিন ৰ'ব লাগিব। সেই সময়ত গুৱাহাটীৰ ৰিজাৰ্ভ বেংকত মোৰ তৃতীয়গৰাকী বাইদেউ 'কাৰেন্সী অফিচাৰ' হিচাপে কাম কৰি আছিল। 'যি হয় সকলোবোৰ গুৱাহাটীৰ ৰিজাৰ্ভ বেংকতে চেষ্টা কৰি চাম' বুলি নিশা গুৱাহাটীলৈ বুলি নাইট ছুপাৰত উঠিলোঁ। পিছদিনা পুৱাই আমি শিলপুখুৰীত থকা বাইদেউক লগ ধৰি কথাবোৰ ক'লোঁ। গুৱাহাটীত বেংকবোৰ দেৱালীৰ বাবে বন্ধ হ'বলৈ তেতিয়াও দুদিন বাকী আছিল। ঠিক ১০ বজাত আমি বাইদেউৰ সৈতে ৰিজাৰ্ভ বেংকত প্ৰৱেশ কৰি মুৰব্বীজনলৈ (সম্ভৱ আঞ্চলিক সঞ্চালক) বাট চালোঁ। মুৰব্বীজন অহাত বাইদেৱে আমাক চিনাকি কৰাই দি আমাৰ সমস্যাৰ কথা ক'লে। আমাক একেদিনাৰ ভিতৰতে 'বিদেশী মুদ্ৰা'খিনি লাগে যাতে দিল্লীলৈ গৈ 'ইউ এছ ভিচা' কৰি আমি সময়ত ওলাই যাব পাৰোঁ। মুৰব্বীজনে আমাৰ কাগজ-পত্ৰবোৰ চাই মন্তব্য দিলে যে আমাৰ অনুমোদিত 'বিদেশী মুদ্ৰা'ৰ পৰিমাণখিনি দিবলৈ গুৱাহাটী ৰিজাৰ্ভ বেংকৰ কৰ্তৃত্ব নাই; গতিকে আমি কলিকতা বা দিল্লীলৈ যাবই লাগিব। ৰাজৰ্ষি আৰু মোৰ মুখ শুকাল; তাৰ মানে আমাৰ আমেৰিকালৈ যোৱাৰ ভাগ্য নাই।

বিষয়াগৰাকীৰ কোঠাৰ পৰা আমি ওলাই আহিলোঁ। বাইদেউ অলপ পাছত ওলাই আহি আমাক ক'লেহি— 'তহঁত ঘৰলৈ গৈ খাই-বৈ আকৌ আবেলি ৩ মান বজাত আহিবি। আমাৰ হাতত এতিয়াও সময় আছে, কি কৰিব পাৰি চাওঁ'। আমি ঘৰলৈ উভতি গৈ গা-পা ধুই ভাত-পানী খালোঁ। ৰাজৰ্ষি বেনাৰ্জীয়ে আমাৰ যোৱাটো হয়গৈ নে নহয় সেইবোৰ কথা ভাবি আৰু নাৰ্ভাছ হৈ কি খালে, কি নাখালে সিহে জানে। ঠিক ৩ বজাৰ সময়ত আমি আকৌ ৰিজাৰ্ভ বেংক গৈ পালোঁ। বাইদেৱে আমাক দেখি হাঁহি এটা মাৰি ক'লে— 'যা, তহঁত দুয়ো আকৌ 'বচ'ক লগ ধৰগৈ।' আমি দুৱাৰত টুকুৰিয়াই চুচুক-চামাককৈ তেখেতৰ কোঠাত সোমালোঁ। আমাক দেখি তেখেতে Welcome, Welcome বুলি বহিবলৈ দিলে। তেখেতে আৰম্ভ কৰিলে— "তোমালোক আমাৰ বেঙ্কৰে বিষয়া শ্ৰীমতী শেৱালি চৌধুৰীৰ ভাতৃ। তেখেত এগৰাকী সুদক্ষা আৰু নিষ্ঠাৱতী কৰ্মী। মই তেখেতক অতি সন্মান জনাওঁ আৰু সম্পূৰ্ণ বিশ্বাস কৰোঁ, আজি সেই বিশ্বাসৰ ভেটিত মই মোৰ ন্যস্ত ক্ষমতাৰে গুৱাহাটী ৰিজাৰ্ভ বেংকে এজন ব্যক্তিক দিব পৰা 'বিদেশী মুদ্ৰা'ৰ পৰিমাণ বঢ়াই দি 'প্ৰিচিডেন্স্' সৃষ্টি কৰিলোঁ (I have created precedence)। তোমালোকে মোৰ এইখন চিঠি লৈ যোৱা আৰু কাইলৈ পুৱা 'ষ্টেট বেংক'ৰ পৰা 'ডলাৰ ড্ৰাফট্' আৰু 'ট্ৰেভেলাৰচ্ চেক্' আদি যি লাগে কৰাই ল'বা। Wish you all the best and have a nice trip to the USA"। সেই

সময়ত আমাৰ মনত কেনেধৰণৰ আনন্দৰ ঢৌ সৃষ্টি হৈছিল তাক বুজোৱা টান। আমি বেংকৰ 'বচ্'গৰাকী আৰু বাইদেউক প্ৰচুৰ ধন্যবাদ জনাই তাৰ পৰা ওলালোঁ। বাইদেউৰ অফিচৰ পৰা নাৰেংগীৰ 'অইল অফিচ'লৈ 'পি এণ্ড টি' ফোনেৰে এদিনৰ পাছত দিল্লীলৈ যোৱা প্লেনৰ টিকট আৰু দিল্লীৰ কনাটপ্লেচত হোটেল 'বুক্' কৰিবলৈ দিলোঁ। পিছদিনা গোটেই দিন 'বিদেশী মুদ্ৰা'ৰ কামতে ঘূৰি ফুৰা হ'ল। অৱশেষত আমি দিল্লী গৈ উঠিলোঁ আৰু তাৰ পিছদিনা কাহিলিপুৱাতেই 'ইউ এছ ভিছা'ৰ বাবে চাণক্যপুৰীৰ 'এম্বেচী'ত লাইন দিলোগৈ। আৱশ্যকীয় প্ৰ-পত্ৰ দিল্লী অফিচৰ পৰা হোটেলত আমাক চমজাই দিয়া হৈছিল আৰু আমি নিশাৰ ভিতৰতে য'ত যি আৱশ্যক সকলো সাজু কৰি লৈছিলোঁ। 'বিজনেছ ভিছা'ৰ আবেদন কৰা বাবে আমি একেদিনাই আবেলি 'ইউ, এছ ভিচা' লাভ কৰি দিল্লী অফিচৰ 'ট্ৰেভেল এজেন্সী' 'বামাৰ-লৰি'ক যোগাযোগ কৰিলোঁ। দেৱালীৰ বন্ধ আছিল যদিও জৰুৰীকালীন হিচাপে আমাক ডেনভাৰলৈ যোৱা আৰু উভতি অহাৰ প্লেনৰ টিকট কৰি দিলে। এইদৰে আমি কাণে কাণ মাৰি 'ক'ৰ্ছ'টো আৰম্ভ হোৱাৰ এদিন আগেয়ে গৈ ডেনভাৰ পাইছিলোঁগৈ।

গুৱাহাটী ৰিজাৰ্ভ বেংকৰ সহায় নোপোৱাহেঁতেন সেই 'ট্ৰেইনিং ক'ৰ্ছ'টো কৰা কেতিয়াও আমাৰ বাবে সম্ভৱপৰ নহ'লহেঁতেন আৰু আমিও এটা গুৰুত্বপূৰ্ণ মুহূৰ্তত সঠিক সিদ্ধান্তই লৈছিলোঁ। এইখিনিতে কৈ থওঁ যে মোৰ সেইগৰাকী বাইদেৱে ভাৰতৰ বিভিন্ন ঠাইৰ ৰিজাৰ্ভ বেংকৰ সেৱাত ব্ৰতী হৈ পুনৰ গুৱাহাটীলৈ উভতি আহিছিল আৰু উত্তৰ-পূব ভাৰতৰ প্ৰথমগৰাকী মহিলা আঞ্চলিক নিৰ্দেশিকা (Regional Director) ৰূপে ৰিজাৰ্ভ বেংকৰ পৰা অৱসৰ লভিছিল।

●●●



*"তুমি অসমৰ দীপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি-জুই,*
*তোমাৰ নাচৰ ছেৱে ছেৱে ফুলে আশাৰ পাপৰিবোৰ-*
*উঠি অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া,*
*লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ !"*

- অমলেন্দু গুহ